# হোমেন বৰগোহাঞি মুৰ্দাবাদ

আৰু

অন্যান্য ৰচনা

ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী

নলবাৰী-৭৮১৩৩৫

*HOMEN BORGOHAIN MURDABAD*: *A Collection of critical essays in Assamese, written by Phanindra Kumar Deb Choudhury' published by Surendra Chandra Baishya, Journal Emporium, Nalbari ; 781335, Assam, Price Rupees Forty only.*

---

প্ৰকাশক :

সুৰেন্দ্ৰ চন্দ্ৰ বৈশ্য

জাৰ্ণাল এম্প'ৰিয়াম

নলবাৰী-৭৮১৩৩৫

প্ৰথম প্ৰকাশ : ডিচেম্বৰ, ১৯৯৮

প্ৰচ্ছদ : ত্ৰৈলোক্য দত্ত

মূল্য : ৪০.০০ টকা

ছপাশাল

নিউ বৈশাখী প্ৰেছ

৩৮, শিবনাৰায়ণ দাস লেন

কলিকতা-৭০০০০৬

মোৰ অন্যতম প্ৰিয় লেখক
শ্ৰীযুত হোমেন বৰগোহাঞিদেৱক
এই পুথিখন উছৰ্গা কৰিলোঁ।

## ক্ষমা প্ৰাৰ্থনা

এই সংকলনত সন্নিবিষ্ট বিভিন্ন ৰচনাত কেবা গৰাকীও বিশিষ্ট ব্যক্তিৰ ওপৰত প্ৰসংগক্ৰমে মন্তব্য কৰিবলগীয়া হৈছে। তেওঁলোক হ'ল—

ড' হীৰেণ গোহাঁই
হোমেন বৰগোহাঞি
ভবেন বৰুৱা
নীলমণি ফুকন
অজিৎ বৰুৱা
হীৰেণ ভট্টাচাৰ্য্য
প্ৰদীপ আচাৰ্য্য
নগেন শইকীয়া
দেবব্ৰত দাস
সমীৰ তাঁতী
বন্ধু হাজৰিকা
কানাই গগৈ

উল্লেখিত মন্তব্যই কাৰোবাক যদি কিঞ্চিৎমানো ক্ষুণ্ণ কৰে, তেনেহ'লে তাৰ বাবে আগতীয়াকৈ ক্ষমা বিচাৰিছো।


### কৃতজ্ঞতা

শ্ৰীযুত হোমেন বৰগোহাঞি,
উৎপল দত্ত,
চবিবুল ইচলাম,
সুৰেন্দ্ৰ চন্দ্ৰ বৈশ্য,
অসম বাণী,
শুক্ৰবাৰ,
প্ৰান্তিক,
শ্ৰীমতী নৈ

# মুখবন্ধ

অসমীয়া সাহিত্যৰ সাম্প্ৰতিক যুগৰ এজন অতি তাৎপৰ্য্যপূৰ্ণ লেখক ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীয়ে প্ৰথম আত্মপ্ৰকাশ কৰিছিল এজন ঔপন্যাসিক আৰু গল্পকাৰ হিচাপে। তেওঁৰ প্ৰথমখন উপন্যাস 'অন্তৰাধাৰ দেশে'ই তেওঁক অসমীয়া সাহিত্যত এখন বিশিষ্ট আসনত প্ৰতিষ্ঠিত কৰে। এনে কৃতিত্বৰ উদাহৰণ বিৰল। কেৱল বিষয়-বস্তুৰ অভিনৱত্বই তেওঁক প্ৰথমখন উপন্যাসৰ সফলতাৰ একমাত্ৰ বা প্ৰধান কাৰণ নাছিল। তাতোকৈ ডাঙৰ কাৰণটো আছিল ঔপন্যাসিকৰ মননশীলতা আৰু জীৱনটোক পৰীক্ষা কৰি চোৱাৰ এটা নিজস্ব ভংগী—যিটো কথাই আৰম্ভণিৰে পৰাই ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীক স্বতন্ত্ৰ ৰূপত চিহ্নিত কৰিছিল। তেওঁৰ দ্বিতীয়খন উপন্যাস 'সত্যানুসন্ধানে' লেখকৰ আটাইখিনি মৌলিক বৈশিষ্ট্যৰ স্বাক্ষৰ বহন কৰিছে।

যোৱা কেইবছৰমান ধৰি ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীয়ে গল্প-উপন্যাসতকৈ প্ৰবন্ধ ৰচনাৰ প্ৰতি বেছি মনোযোগ দিছে। তাৰ কাৰণটো বুজিবলৈ বেছি টান নহয়। ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী অতি সংবেদনশীল আৰু চিন্তাশীল মানুহ। তেওঁ জীৱনত প্ৰতিটো মুহূৰ্ত যাপন কৰে অতি সচেতনভাৱে। জীৱনৰ প্ৰতিটো অভিজ্ঞতাই—এইমাত্ৰ পঢ়ি শেষ কৰা এখন কিতাপ বাতৰিকাকতৰ এটা বিশেষ খবৰ, কিবা এটা বিষয়ে বন্ধু-বান্ধৱৰ লগত হোৱা তৰ্ক-বিতৰ্ক, দূৰ অতীতৰ পৰা জাঁপি অহা এটা ধূসৰ স্মৃতি, নিজৰ লগত হোৱা কথোপকথন—এই সকলোবোৰেই তেওঁৰ মনৰ মাজত বিচিত্ৰ ভাৱৰ খলকনি তোলে আৰু আনকো সেই ভাৱৰ ভাগ দিবলৈ তেওঁ ব্যগ্ৰ হৈ পৰে। এই উদ্দেশ্যে তেওঁ এটা নিজস্ব মাধ্যম উদ্ভাৱন কৰি লৈছে। সেইটো হৈছে এবিধ নতুন ধৰণৰ গদ্য-ৰচনা—যাৰ কিছু নমুনা এই কিতাপখনত সন্নিবিষ্ট হৈছে। এই ধৰণৰ ব্যক্তিগত ৰচনা অৱশ্যে ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীৰ মৌলিক উদ্ভাৱনা নহয়; ইতিমধ্যেই সি আধুনিক সাহিত্যৰ এটা প্ৰধান শাখা ৰূপে স্বীকৃত হৈছে। কিন্তু ফণীন্দ্ৰকুমাৰ দেৱ চৌধুৰীয়ে সম্পূৰ্ণ নিজৰ প্ৰয়োজনত তাক এটা নিজস্ব ৰূপ দি লৈছে। তেওঁ যদি কেৱলমাত্ৰ এজন সংবেদনশীল মানুহ হ'লহেঁতেন, অৰ্থাৎ জীৱনৰ বিচিত্ৰ অভিজ্ঞতা আৰু চৌপাশৰ বিচিত্ৰ ঘটনাৰ প্ৰতি তেওঁৰ মনৰ সঁহাৰি হ'লহেঁতেন কেৱল আবেগপূৰ্ণ, তেন্তে তেওঁৰ ৰচনাবোৰৰ বিশেষ একো সাহিত্যিক মূল্য নাথাকিলে কিন্তু আগতেই কৈ আহিছো যে সংবেদনশীল হোৱাৰ উপৰিও তেওঁ এজন অতি চিন্তাশীল মানুহ। সেই কাৰণে বিভিন্ন ঘটনা বা অভিজ্ঞতাৰ প্ৰতি তেওঁৰ মানসিক প্ৰতিক্ৰিয়া কোনো সময়তে স্বতঃস্ফূৰ্ত নহয়; সেই প্ৰতিক্ৰিয়া সদায় পৰিশ্ৰুত হৈ আহে লেখকৰ কেৱা-

ভবণীয়া চিন্তাৰ ছাৰুনীৰ মাজেদি। সংবেদনশীলতা, মননশীলতা আৰু অধ্যয়নশীলতা—এই তিনিটাৰ সমন্বয়ত গঢ় লৈ উঠা ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীৰ নাতিদীৰ্ঘ গদ্য-ৰচনাবোৰ অসমীয়া সাহিত্যৰ এটা নতুন মূল্যবান সম্পদ। পাঠকৰ মনৰ জড়তা ভাঙি তেওঁক সজাগ আৰু উৎকৰ্ণ কৰি তুলিব পৰাটো হ'ল ভাল লেখাৰ এটা প্ৰধান চৰিত্ৰ-লক্ষণ। সেই কামত যে ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী আশাতীতভাৱে সফল হৈছে—সম্পাদক হিচাপে মই তাৰ সাক্ষী। বিভিন্ন বিষয়ৰ ওপৰত লেখা তেওঁৰ প্ৰবন্ধবোৰে পাঠকৰ মনত যিমান সঁহাৰি জগাই সি যি কোনো লেখকৰ কাৰণে ঈৰ্ষাৰ যোগ্য। তেওঁৰ এই সাফল্যৰ প্ৰধান কাৰণ হ'ল—প্ৰতিটো শব্দৰ মাজত প্ৰকাশ পোৱা লেখকৰ আন্তৰিকতা, প্ৰতিটো শব্দলৈ অকৃত্ৰিম আবেগ সঞ্চাৰিত কৰি দিব পৰা তেওঁৰ বিশেষ ক্ষমতা।

হোমেন বৰগোহাঞিঃ
গুৱাহাটী

## লেখকৰ কথা

● যোৱা প্ৰায় ডেৰ দশক জুৰি সক্ৰিয় হৈ থকা এক ধৰণৰ মানসিক অন্তৰ্দ্বন্দ্ব এই সংকলনত সন্নিবিষ্ট অধিকাংশ ৰচনাৱলীৰ সৃষ্টিৰ কাৰণ। জনপ্ৰিয় মতত অৱগাহন কৰি দ্বন্দ্ব নিৰসনৰ সহজ পথত ভৰি দিয়াতকৈ যথাসম্ভৱ অপ্ৰভাৱিত দৃষ্টিৰে দ্বন্দ্বৰ প্ৰকৃত ৰূপ অংকন কৰাৰ ওপৰতহে আমি অধিক গুৰুত্ব প্ৰদান কৰিছো। সেয়েহে অন্ততঃ কেইখনমান ৰচনাই মানসিক স্থবিৰতা অতিক্ৰম কৰি বিতৰ্ক আৰু আলোচনাৰ বাবে কাৰোবাক প্ৰলুব্ধ কৰিব পাৰিলে, লেখক হিচাপে আমি আনন্দিত হম।

● হিংসা-বিদ্বেষ, দমন-উৎপীড়নেৰে ভৰা বিভীষিকাময় বিগত ডেৰ দশকে প্ৰতিবাদৰ এক নতুন ভাষা আৱিষ্কাৰৰ বাবে অহৰহ প্ৰত্যাহ্বান জনোৱা যেন অনুভৱ হয়। হিংসাশ্ৰয়ী পৰিৱেশ সৃষ্টিৰ ক্ষেত্ৰত গল্প, উপন্যাস অথবা কবিতাৰ কিবা ভূমিকা আছিল নেকি আৰু প্ৰতিবাদৰ নতুন ভাষা আৱিষ্কাৰৰ পৰিৱেশ ৰচনা কৰাৰ ক্ষেত্ৰত লেখকে সৃষ্টিৰ জৰিয়তে কিবা যোগাত্মক অৱিহণা যোগাব পাৰে নেকি সেই সম্পৰ্কে মৌলিক আৰু সাহসী চিন্তা-চৰ্চাৰ দৈন্যই আমাক বিস্মিত কৰে। তাৰ বিপৰীতে জনপ্ৰিয় মতৰ স্থূল প্ৰচাৰৰ পয়োভৰ উদ্বেগৰ কাৰণ। এই সংকলনৰ কিছু ৰচনা, প্ৰচাৰৰ এই স্থূলতাৰ বিৰুদ্ধে : লগতে প্ৰতিবাদৰ নতুন ভাষাৰ আৱিষ্কাৰ অহিংসাৰ মাজতে হোৱাৰ সম্ভাৱনাৰ প্ৰতি ইঙ্গিতধৰ্মী।

● পাঠ্যপুথি আশ্ৰয়ী অধ্যাপকীসুলভ ৰচনাৰ জৰিয়তে খুব শীতলভাৱে অসমৰ সাহিত্য জগতত এনে এক বিভ্ৰান্তিকৰ বাতাৱৰণ জীয়াই ৰখাৰ প্ৰচেষ্টা চলাই থকা হয় যে তেনে পৰিৱেশত যিকোনো মৌলিক চিন্তায়েই তথাকথিত বৌদ্ধিক মহলত অস্পৃশ্য হৈ পৰে। এই বাতাৱৰণত পঢ়ুৱৈয়েও বিশ্বাস কৰিবলৈ আৰম্ভ কৰে যে ভাষাৰ সজীৱতা, মৌলিক চিন্তাৰ পৰীক্ষা-নিৰীক্ষা তথা বৌদ্ধিকতাৰ মাজত অহি-নকুল সম্বন্ধ বিৰাজমান। আমি সচেতনভাৱে যথাসম্ভৱ অধ্যাপকীসুলভ গৎ-বীতিৰ পৰা দূৰত থকাৰ প্ৰয়াস কৰিছো : অস্পৃশ্য হোৱাৰ সম্ভাৱনা স্বত্বেও।

● গতানুগতিকতাই সাহিত্য-সম্পৰ্কীয় চিন্তা-ভাৱনাক প্ৰাণ-চাঞ্চল্য বিহীন এনে এক দুষ্ট স্থবিৰতা প্ৰদান কৰিছে যে চিন্তাক গতি প্ৰদান কৰিবলৈ এক উদ্দেশ্যধৰ্মী আঘাতৰ প্ৰয়োগ অনিবাৰ্য্য হৈ উঠিছে। এই পুথিৰ নামাকৰণৰ অন্তৰালত তেনে এক সচেতনতাই ক্ৰিয়া কৰিছে : পণ্যধৰ্মিতাই নহয়।

দুলীয়াজান

কবীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী

১৩ অক্টোবৰ, ১৯৯৪

"এই প্ৰবন্ধবোৰ পঢ়ি কোনোবাই ইয়াত অহঙ্কাৰৰ গোন্ধ—ভাঁপ পালে মোৰ অনুসন্ধানেই ভুল হৈছে বুলি ধৰিব আৰু মই দেখা সত্যৰ জিলিকনি মৰীচিকাৰ বাহিৰে অন্য একো নহয় বুলি ভাবিব।

সবৰমাটি আশ্ৰম
২৬ নভেম্বৰ, ১৯২৫

এম কে. গান্ধী।"

# সূচীপত্র

## সাহিত্য আৰু বিবিধ


১। সৃজনী সাহিত্য : এখন অনামী চিঠিৰ আঁত ধৰি। ১
২। সমালোচকৰ সন্ধানত সমকালীন লেখক। ১২
৩। শব্দৰ স্বাধীনতা। ১৮
৪। এটা প্ৰশ্নৰ সূত্ৰভাৱে। ৩১
৫। হিন্দী বোলছবি আৰু 'সফল নায়ক'। ৩৮
৬। কিতাপৰ মেলা। ৪৮
৭। নতুন সৃষ্টিৰ মূল্যাংকন। ৫৪
৮। লেখক, লেখনী আৰু সাহিত্য-শিল্প। ৬২
৯। সংস্কৃতি, অতীত-প্ৰীতি আৰু আধুনিকতাবাদ। ৬৬
১০। আপোনাৰ অসফল প্ৰেম আৰু বোশযুকো। ৭১
১১। প্ৰতিভা আৰু সৰ্ববিদ্যাবিশাৰদ। ৭৯
১২। হোমেন বৰগোহাঞি—মূৰ্দাবাদ। ৮৪
১৩। কবি নীলমণিৰ বুদ্ধত্ব-প্ৰাপ্তি। ৮৯
১৪। জংলী তৰুণী আৰু তৃষ্ণাৰ্ত মানুহ। ৯৬
১৫। চহৰৰ চৰিত্ৰ আৰু মফচলৰ সাহিত্য। ১০৩
- (ক) ১৯৯০ চনৰ কেলেণ্ডাৰ।
- (খ) সমালোচনা আৰু সাধাৰণ ভুল।
- (গ) প্ৰফুল্ল মহন্ত আৰু বিহংগী কবি।
- (ঘ) সাধুকথা, গাধ আৰু সিংহৰ ছাল।
- (ঙ) মানুহ দ্বীপ নহয়।
- (চ) স্বপ্ন, বাস্তৱ আৰু মা।

১৬। তৰুণ লেখক আৰু বিল্‌কেৰ চিঠি। ১১৩
১৭। এটা অ-ৰূপায়িত অন্তৰঙ্গ আলাপ। ১১৭
১৮। মুক্তি, অস্তিত্ব আৰু চেতনা। ১২৩
১৯। কাষাকাষি থাকিছৰ সৈতে শেষ দেখা। ১২৮

## বিতৰ্ক

২০। প্ৰেম, মঙ্গলবোধ আৰু বিবেকৰ পক্ষত। ১৩৩

২১। বন্ধু লেখকৰ সৈতে বিতৰ্কৰ বেদনা। ১৪৩

২২। চাকৰিয়াল লেখকৰ সমস্যা। ১৫৯

## ব্যক্তিগত

২৩। মোৰ কৈশোৰ, মোৰ মোহ আৰু মোৰ প্ৰেম। ১৬২

২৪। চল্লিশত মোৰ ধৰ্ম-জিজ্ঞাসা। ১৬৭

২৫। বিশ্বাস, অবিশ্বাসৰ এটা সৰু অভিজ্ঞতা। ১৮৫

# সৃজনী সাহিত্য ঃ এখন অনামী চিঠিৰ আঁত ধৰি

## এক / অনামী চিঠিখন

হয়তো এদিন নিজৰ সৃষ্টি-ক্ষমতাৰ সীমাবদ্ধতা ঢাকিবৰ বাবেই ঘোষণা কৰিছিলোঁ : হৃদয়ৰ স্বতঃস্ফূৰ্ত তাগিদা অবিহনে হাতত কলম তুলি লোৱাটো সম্ভৱ নহয়, সেয়েহে মোৰ সৃষ্টিৰ সংখ্যা নিতান্তই সীমিত।

এনেকুৱা এটা চমকপ্ৰদ ঘোষণাৰ আশ্ৰয় লৈ স্বভাৱজাত আলস্য, সৃষ্টিৰ অক্ষমতা সকলো দৃষ্টিশোভনভাৱে ঢাকি ৰাখি, বন্ধুস্থানীয় সম্পাদকৰ পৰা মনতুপৰিলে হঠাতে কেতিয়াবা অহা লিখনিৰ .তাগিদাৰ পৰাও বেচ ভদ্ৰোচিতভাৱে আঁতৰি থাকিব পাৰি। নীৰৱতাৰ বাবেও মগজ খটুৱাই কেতিয়াবা যুক্তি আৱিষ্কাৰ কৰাৰ প্ৰয়োজন হয়। হয়তো এই ঘোষণাও মোৰ বাবে আছিল তেনে এক আৱিষ্কৃত অথবা কষ্ট-কল্পিত যুক্তি।

সঁচাকৈয়ে নে ?

সকলো ঠিকেই ঠিকেই চলি আছিল। হঠাতে ডাকযোগে এদিন সেই অচিন হস্তলিপিৰ চিঠিখন আহিল। .গোট গোট আখৰেৰে লিখা মোৰ স্পষ্ট ঠিকনা। মগজুৰ স্মৃতিৰ ভাণ্ডাৰ তালাচ কৰিও ধৰিব নোৱাৰিলোঁ সেই আখৰ হ'ব পাৰে কাৰ, ডাকঘৰৰ নিস্তেজ ৰবাৰৰ ছাপো শীতৰ শেষৰাতি কুঁৱলিয়ে ঢাকি ৰখা পৃথিৱীৰ দৰেই অস্পষ্ট।

খুলিলোঁ।

চিঠিখন।

কোনো অচিনাকি পঢ়ুৱৈ-বন্ধুৰ নাম, স্থান আৰু তাৰিখবিহীন অনামী চিঠি। চিঠিৰ ভাষাৰ কাঠিন্যৰ পৰাই বুজিবলৈ অকণো অসুবিধা নহ'ল যে নীৰৱতা অথবা নিলিখাৰ সপক্ষে কৰা মোৰ সেই থাৰাং-থাচ ঘোষণা পঢ়ুৱৈ হিচাপে তেওঁৰ অকণো গ্ৰহণযোগ্য নহয়। স্পষ্টভাৱে মোৰ সেই অনামা পঢ়ুৱৈয়ে জানিব বিচাৰিছে কি সেই হৃদয়ৰ স্বতঃস্ফূৰ্ত তাগিদা, যাৰ অবিহনে হাতত কলম তুলি লোৱাটো সম্ভৱ নহয়।

চিঠি নহয় যেন কণিকৰ এটি ঘোষণাৰ প্ৰতি মুখামুখি ভাবুকি। ক'বলৈ অকণো দ্বিধা নাই যে, এই ৰচনা লিখাৰ তাগিদা মই হয়তো কেতিয়াও অনুভৱ নকৰিলোঁহেঁতেন, যদিহে অচিনাকি সেই বন্ধুৰ অনামী চিঠিখন আহি মোৰ হাতত নপৰিলহেঁতেন। তেওঁলৈ এই সুযোগতে সেয়েহে ৰ'ল মোৰ আন্তৰিক ধন্যবাদ।

সেই গোট গোট আখৰৰ অনামী চিঠিখনেই মোৰ বাবে সেই দুৰ্লভ অভিঘাত। যিয়ে জন্ম দিলে এক স্বতঃস্ফূৰ্ত তাগিদাৰ, আৰু মই কলম তুলি লবলৈ বাধ্য হ'লোঁ সৃজনী সাহিত্য-সৃষ্টিৰ বাবে প্ৰয়োজন হোৱা তাগিদাৰ উৎস সন্ধানত।

## দুই / নীল-চকুৰ বন্ধুজন

সৃষ্টিৰ তাগিদাৰ উৎস সন্ধান কৰিম বুলি মানসিকভাৱে প্ৰস্তুত হৈ দুৱাৰ-খিৰিকি বন্ধ কৰি হাতত তুলি লৈছোঁ বহুদিন ধৰি অব্যৱহৃত হৈ থকা মোৰ দুৰ্বল কলম। কিতাপ-কাগজেৰে দ'ম হৈ থকা বিশৃঙ্খল টেবুলৰ ওপৰত এতিয়াও কলমৰদ্বাৰা অস্পৰ্শিত হৈ থকা অকলঙ্কিতা কুমাৰী কাগজ। উকা কাগজো কেতিয়াবা কিদৰে হৈ পৰে এক অপ্ৰতিৰোধ্য, আশ্চৰ্যকৰ প্ৰলোভন।

সৃষ্টিৰ বাবে উদ্যত হৈ পৰা কলমটো চেপি ধৰিলোঁ সোঁহাতৰ বৃদ্ধা আৰু মধ্যমা-তৰ্জনীৰে।

খট্ খট্ খট্।

সেই সময়তে বন্ধ দুৱাৰৰ বাহিৰত কাৰোবাৰ বিনয়ী হাতৰ মৃদু কৰাঘাত।

চকিত পৰা উঠি গৈ অনিচ্ছাসত্ত্বেও খুলি দিলোঁ দুৱাৰৰ খিলি আৰু খুলিয়েই হতবাক্ মই।

কিমানদিনৰ মূৰত কমৰ বাহিৰত থিয় হৈ এয়া মোৰ কলেজীয়া জীৱনৰ বন্ধু, বিস্ময়কৰভাৱে সংবেদনশীল, ৰোগাক্ৰান্ত, ক্ষীণকায় বন্ধু ফ্ৰানৎস কাফ্‌কা। কোনো এক ভয়ংকৰ নিদ্ৰাহীন ৰাতি এই বন্ধুৱেই জন্ম দিছিল সেই হতভাগ্য অবিস্মৰণীয় পইতাচোবাটোৰ ( মেটাম'ৰফ'চিছ )।!

সুদীৰ্ঘ দিনৰ মূৰতো বন্ধুৰ চেহেৰা একেই আছে—তামোল গছৰ দৰে লেংপেঙীয়া সেই অদ্ভুত চেহেৰা, চুলিবোৰ একেই দৰে বেক-ব্ৰাছ কৰা, অপ্ৰশস্ত কপালৰ তলতে ওলমি আছে এটা হাড়-সৰ্বস্ব দীঘল নাক আৰু নাকৰ দুই কাষে কিঞ্চিৎ ওপৰত পাহৰিব নোৱাৰা সেই আশ্চৰ্য ধূসৰ-নীলা চকু দুটা!

ফ্ৰানৎস কাফ্‌কা!

কাফ্‌কাৰ প্ৰসাৰিত সোঁহাতত সৰু কাগজ এখিলা।

চিৰপৰিচিত সেই নিজ্‌ হাঁহিটো মাৰি কাগজখিলা কাফ্‌কাই মোলৈ আগবঢ়াই দিলে আৰু ক'লে—'প্ৰাগৰ প্ৰেছ' নামৰ কাকতখনৰ পৰা এই প্ৰশ্ন কেইটা মোলৈ পঠিয়াই দিছে। সাক্ষাতকাৰ হিচাপে প্ৰকাশ পাব অহা ৰবিবাৰৰ বিশেষ সংখ্যাত।

—সুন্দৰ, সুন্দৰ।

উচ্ছাসেৰে মই কৈ উঠিলোঁ। মই নিশ্চিত, এই বিস্ময়কৰ বন্ধুজনে দিয়া যিকোনো প্ৰশ্নৰেই উত্তৰ হ'ব।

বিস্ময়কৰভাৱে কৌতূহলোদ্দীপক!

তৰ্জনী আঙুলিৰে, বগা চিয়াহীৰে দাগ দি ৰখা এটা প্ৰশ্নলৈ আঙুলিয়াই তেওঁ মোক ক'লে,—এই প্ৰশ্নটো চোৱাচোন। 'আপোনাৰ ভৱিষ্যতৰ সাহিত্যিক পৰিকল্পনা কি ক'ব পাৰিবনে? কি এটা অৰ্থহীন প্ৰশ্ন। মই ভাবো কোনো সৃজনশীল লিখকৰ বাবেই এনেকুৱা এটা প্ৰশ্নৰ উত্তৰ দিয়াটো সম্ভৱ নহয়। কি কোৱা?'

কৌতূহলী দৃষ্টিৰে মই কাফ্‌কাৰ মুখলৈ চালোঁ।

একেই ৰোগাক্ৰান্ত শীৰ্ণ মুখ।

মাথো জ্বলি আছে সৰু কপালৰ দুই কাষে কিঞ্চিৎ তলত আশ্চৰ্য ধূসৰ-নীলা সেই চকু। সেই দুচকুৰ দৃষ্টি মোৰ মুখৰ ওপৰত পোনে পোনে ৰাখি তেওঁৰ সেই নিজুঁ অথচ গভীৰ স্বৰেৰে ধীৰে ধীৰে প্ৰায় স্বগতোক্তিৰ সুৰত ক'লে,—কোনোবাই জানো কেতিয়াবা ক'ব পাৰে কাইলৈ তেওঁৰ হৃৎপিণ্ড কিদৰে স্পন্দিত হ'ব। অসম্ভৱ। এজন সৃজনশীল লিখকৰ বাবে কলম হ'ল হৃৎপিণ্ডৰ ভূকম্প-মাপক পেঞ্চিল। ই হৃৎপিণ্ডৰ কম্পনৰ ছবি হয়তো আঁকিব পাৰে, কিন্তু নোৱাৰে কম্পনৰ ভৱিষ্যতবাণী কৰিবলৈ।

ফ্ৰানৎস কাফ্‌কা!

সেই খেয়ালী বিষণ্ণ বন্ধুজন কমৰ পৰা গুলাই যোৱাৰ পিছত হাতত কলম তুলি লৈ মই ভাবিবলৈ আৰম্ভ কৰিলোঁ: হৃৎপিণ্ডৰ স্পন্দনৰ মাজতে লুকাই আছে নেকি সৃজনশীল লিখকৰ সৃষ্টিৰ উৎস।

উকা কাগজত প্ৰথম শব্দটো লিখিবলৈ উদ্যত হৈছোহে মাথো, হঠাতে মোৰ অনুভৱ হ'ল, মগজুৰ ভিতৰৰ স্মৃতিৰ দুৱাৰ খুলি ছায়াৰ দৰে যেন এইবাৰ কিবা এটা মোৰ ফালে আগবাঢ়ি আহিব খুজিছে। শিৰাশিৰাই গ'ল শৰীৰটো। শুক্লতে গুলমি বোৱা ক্ষাণ, দাঘল বছি এটুকুৰা যেন বজ্ৰাহত ওপঙি কায চাপি আহিব লাগিছে মোৰ।

ওচৰ চাপি আহোঁতেহে ধৰিব উশাহ ল'লোঁ। বছি নহয়: হাকদা।

## তিনি / হীকদা নীৰৱ কিয়

বিভিন্ন ডিজাইনৰ গাড়ী-মটৰ, ৰং-বিৰঙৰ সুশোভিত পোছাক পৰিহিত অজস্ৰ নাৰী-পুৰুষৰ কৃত্ৰিম উজ্জ্বলতাকো ম্লান কৰি দি অকলশৰে, আপোনমনে চান্দমাৰীৰ ওচৰৰ যান-নিয়ন্ত্ৰণৰ কাৰ্যালয়ৰ সন্মুখত ব্যস্ত ৰাস্তাৰে ধীৰ পদক্ষেপেৰে আগবাঢ়ি যোৱা এজন বেমানান মানুহ এদিন দুপৰীয়া হঠাতে চকুত পৰিছিল। যান-বাহনৰ মানুহজনৰ কোনো প্ৰয়োজন নাই:

তবহীন শুকান শৰীৰ বতাহেই বিনাভাবাই যেনিয়ে তেনিয়ে সহজভাৱে উৰুৱাই লৈ যায়। বতাহ নাথাকিলে তেওঁৰ বাহন 'সুগন্ধি পখিলা'।

হীৰু দা!

এটা কবিতা লিখিম বুলি সিদ্ধান্ত লৈ দুপৰীয়াৰ ৰৌদ্ৰ দগ্ধ গুৱাহাটী চহৰৰ ব্যস্ত পথেৰে কবিতাৰ বিষয়-বস্তুৰ সন্ধানত হীৰুদা আজি 'সুগন্ধি পখিলা'ত উঠি ঘৰৰ বাহিৰ হৈছে নেকি!

হীৰুদাক দেখাৰ লগে লগেই সেই মুহূৰ্তত প্ৰথমতে তেনেকুৱা এটা ধাৰণাই মোৰ মনত সৃষ্টি হৈছিল। মইতো তেতিয়া নাজানিছিলোঁ যে কবিতাৰ সৃষ্টিৰ অন্তৰালত কবিৰ কোনো পূৰ্ব-পৰিকল্পনা নাথাকে। এটা কবিতা লিখিম বুলি সিদ্ধান্ত লৈ কোনো কবিয়েই কেতিয়াও বিষয়-বস্তুৰ সন্ধানত ব্যস্ত চহৰ, নিৰ্জন অৰণ্য, মনোৰম সমুদ্ৰ, লাস্যময়ী নদী অথবা বিশাল পাহাৰৰ ওচৰলৈ দৌৰি নাযায়। যদি কাৰোবাৰ যাবলগীয়া হয়, তেনেহ'লে কবি-মনৰ তেওঁ অধিকাৰী নহয়: তেওঁ অধিকাৰী কবি হোৱাৰ বাসনাৰ।

হীৰুদাতো সেই চিৰন্তন, সহজ-সৰল কবি যাৰ কবিতাত অভিজ্ঞতাৰ অভিঘাত তেওঁৰ মনৰ ওপৰত যিদৰে পৰে, সেই একেই ৰূপতে প্ৰকাশ পায়। তেওঁৰ কাব্য-সৃষ্টি কোনো সচেতন প্ৰচেষ্টাৰ ফল নহয়। তাৰ উৎসৰণত পৰিকল্পনা, অধীত বিদ্যা, অৰ্জিত জ্ঞান অথবা আহৰিত তথ্যৰো কোনো ভূমিকা নাই। ই যেন এক বিশুদ্ধ স্বাভাৱিক প্ৰক্ৰিয়া। দৃষ্টি আৰু অনুভূতিৰে অনুভৱ কৰা অভিঘাতে যিদৰে স্পন্দিত কৰে তেওঁৰ হৃদয়, সেইদৰেই একে ফ্ৰিকুৱেঞ্চিতে স্পন্দিত হয় তেওঁৰ কবিতাৰ সপ্ৰাণ শব্দ। তেওঁৰ কবিতা, সেয়েহে, বিদ্যা, জ্ঞান আৰু সচেতনতাৰ সূতাৰে নিপুণ হাতেৰে আঁৰকাপোৰৰ আঁৰৰ পৰা নচুৱাই থকা, আৰু বহু বিজ্ঞ কবিৰ অ-কবিতাৰ দৰে পুতলা-নাচ নহয়।

সেই দিনাই আবেলি 'প্ৰান্তিক'ৰ কাৰ্যালয়ত সম্পাদকৰ মুখামুখি হৈ বহি থকা পাইছিলোঁ হীৰুদাক। দুপৰৰ ৰ'দৰ তীব্ৰতাত ক্লান্ত হ'লেও সহজ আৰু স্বাভাৱিক মুখ, ওলমি পৰা চাৰ্টত ঘাম আৰু ধূলিৰ গোন্ধ।

সুদীৰ্ঘ দিন ধৰি হীৰুদাই কোনো নতুন কবিতাৰে হৃদয় স্পন্দিত কৰাৰ লোভ চৰিতাৰ্থ কৰাৰ সুযোগ দিয়া নাছিল, সেয়েহে কথা-প্ৰসঙ্গত সুধিছিলোঁ—বহুদিন আপোনাৰ নতুন কবিতা পোৱা নাই।

নিতান্ত স্বাভাৱিকভাৱে, বিষণ্ণ-উদাস সেই পৰিচিত হাঁহিৰ সৰু টুকুৰা এটা ওঁঠত লৈ হীৰুদাই কৈছিল—কবিতা বেখোন অহাই নাই। আহিলে লিখিম।

কিবা এক হঠাৎ—আবিষ্কাৰৰ বিস্ময়ত যেন হতবাক হৈ গৈছিলোঁ মই। হীৰুদাই এয়া কি কয় ?

কবিতা অহাই নাই !

কবিতা আহে। কেতিয়া আহিব কোনো কবিয়ে কেতিয়াও নাজানে। আহিব নে নাহে, আনকি তাকেই নাজানে। খুব বেছি তেওঁ মাথো এটা কবিতাৰ বাবে অপেক্ষা কৰি থাকিব পাৰে ; অথবা কৰিব পাৰে প্ৰাৰ্থনা। যদিহে আহে কবিতা, তেওঁ লিখিব। যদিহে নাহে তেনেহ'লে তেওঁ কেতিয়াও কবিতাৰ ছবি অঙ্কন কৰাৰ সেই দুৰ্লভ অভিজ্ঞতাৰ অধিকাৰী হ'ব নোৱাৰে।

## চাৰি / অন্ত্ৰোপচাৰ কক্ষত অজিত বৰুৱা

'প্ৰান্তিক'ৰ সম্পাদক প্ৰদীপ বৰুৱাৰ সৈতে কিবা এটা কথা পাতি থাকোতেই কোন মুহূৰ্তত যে দুৱাৰ অথবা খিৰিকিৰ সুৰুঙাৰে ভৰহীন হীৰুদা বতাহৰ বোকাচাত উঠি নাইকিয়া হৈ গ'ল, গমেই নাপালোঁ।

আত্ম-বিস্মৃত কবি হীৰুদাৰ কথাকে ভাবি 'প্ৰান্তিক'ৰ অফিচৰ পৰা ওলাই ফুট-পাথত ভৰি দিয়াৰ লগে লগেই মোৰ সন্মুখেৰে বিদেশী গাড়ী এখন দ্ৰুত গতিত পাৰ হৈ গৈছিল। কিন্তু আনো মোৰ হঠাতে মনলৈ আহিছিল জেংৰাইৰ কবি অজিত বৰুৱাৰ কথা। মোৰ অনুভৱ হৈছিল পোহৰতকৈও বেগৱান কোনো এক অত্যাধুনিক যানত উঠি চকুৰ পলকতে যেন মই উত্তৰ মেৰুৰ পৰা আহি দক্ষিণ মেৰুত উপস্থিত হৈছোঁহি।

সঁচা কথা ক'বলৈ গ'লে আত্ম-সচেতনতা আৰু মেধা শক্তিৰ 'ওভাৰদোজ'ৰ বাবে অজিত বৰুৱাৰ কবিতাৰ ৰসাস্বাদন কৰিবলৈ মোৰ অলপ অসুবিধা হয়। তেখেতৰ কবিতাৰ সৈতে মুখামুখি হ'লেই ভাৱ হয়, এই কবিতাৰ অন্তৰালত যেন জন্ম-নিয়ন্ত্ৰণৰ দেশী-বিদেশী সকলো কৌশল মানি চলি পৰিকল্পিত সংসাৰৰ সৃষ্টিকৰ্তা কোনো বুদ্ধিমান, সচেতন, হিচাপী পিতৃ বিদ্যমান। অইনৰ কথা ক'ব নোৱাৰোঁ। আমি সেই কলেজত থকাৰ সময়তে, সেই সুতীক্ষ্ণ বুদ্ধিৰ অধ্যয়নপুষ্ট, ৰুচিবান সমালোচক জনে বৰুৱাই যদি জেংৰাই—স্তৱক স্বৰ্ণ-অক্ষৰেৰে নিজ হাতে লিখিত অত্যুৎসাহী চাৰ্টিফিকেট নিদিলেহেঁতেন, তেনেহ'লে অজিত বৰুৱাৰ কবিতাৰ সৈতে কুস্তি-যুদ্ধ কৰাৰ ইচ্ছা অথবা ধৈৰ্য মোৰ কোনোদিনে নহ'লহেঁতেন।

ক'বলৈ অকণো দ্বিধাবোধ নকৰোঁ যে, অজিত বৰুৱাৰ কবিতাই মোৰ মগজুৰ দুৰ্বলতা আৰু হৃদয়ৰ বৈকল্য দুচকুৰ সন্মুখত দুখ লগাকৈ উদঙাই দিয়ে, কাৰণ অজেৰকতে তেখেতৰ কবিতাই মোৰ মগজুক কৰি তোলে ক্লান্ত আৰু হৃদয়ো হৈ যায় অস্পন্দিত।

কবিতাৰ উৎসৰণত নহয়, নির্মাণৰ ক্ষেত্ৰত হয়তো বুদ্ধি, পৰিকল্পনা, জ্ঞানৰ উল্লেখ-যোগ্য ভূমিকা লোৱাৰ স্থল আছে। কিন্তু পৰিকল্পিত সৃষ্টি প্ৰচেষ্টা আৰু ধীশক্তিৰ সচেতন প্ৰয়োগৰ 'অভাৱদোষে' কবিতাক সাধাৰণ পঢ়ুৱৈৰ পৰা আঁতৰাই লৈ গৈ উপবিষ্ট কৰায় ভবেন বৰুৱাৰ দৰে সংযমী তীক্ষ্ণধী, অধ্যয়নপুষ্ট সমালোচকৰ নিভৃত অস্ত্ৰোপচাৰ কক্ষত।

অজিত বৰুৱাৰ কবিতাৰ সৈতে সম্মুখ-সমৰত লিপ্ত হোৱাৰ প্ৰাক্ মুহূৰ্তত এক অদ্ভূত অনুভৱ হয় মোৰ : (ক্ষমা কৰিব) এইমাত্ৰ যেন কোনোবাই পৰিষ্কাৰ-পৰিচ্ছন্ন ষ্ট্ৰেছাৰত তুলি অজিত বৰুৱাক লৈ গৈছে কোনো এক প্ৰাইভেট নাৰ্ছিং হোমৰ অস্ত্ৰোপচাৰ কক্ষলৈ। দুৱাৰ নিঃশব্দে বন্ধ হৈ গৈছে অস্ত্ৰোপচাৰ কক্ষৰ, বাহিৰত ট ট কৈ জ্বলি উঠিছে ৰঙা লাইট, কাঁচৰ সৰু ফুটাৰে ভিতৰলৈ ভুমুকিয়াই চাই দেখোঁ, বগা কোট-পেণ্ট পৰিহিত গহীন-গম্ভীৰ চিকিৎসক দুজনে অস্ত্ৰোপচাৰ কৰিবলৈ উদ্যত হৈছে হাতত তেওঁলোকৰ কেমব্ৰিজ আৰু অক্সফোৰ্দৰ পৰা লৈ অহা অত্যাধুনিক কিছু যন্ত্ৰ-পাতি, বাহিৰত গুণগুণাকৈ কৌতূহলী দুই এজন ভদ্ৰলোকে কথা পাতিছে—ৰোগী চিৰিয়াচ হ'ব দেই, নহ'লে দুজনকৈ নামজ্বলা চাৰ্জন একেলগে অস্ত্ৰোপচাৰ কক্ষত নোসোমায়।

মোৰ চকু বন্ধ দুৱাৰৰ সৰু ফুটাটোত। মোৰ অনুমানেই ঠিক, হঠাতে চিকিৎসক দুজনৰ মুখত চকু পৰিল, এগৰাকী ডঃ হীৰেন গোহাঁই আৰু আন গৰাকী ভবেন বৰুৱা।......তাৰ পিছতহে জমি উঠিল খেলখন। বন্ধ দুৱাৰৰ সৰু ফুটাটোৰে দেখিবলৈ পালোঁ : ৰোগীৰ ওপৰত এই অস্ত্ৰোপচাৰৰ বাবে কাৰ হাতত থকা অস্ত্ৰৰ প্ৰয়োগ অধিক ফলপ্ৰসূ হ'ব, সেই লৈ দুয়ো চিকিৎসকৰ মাজত কথা কটা-কটি আৰম্ভ হৈ গৈছে আৰু এনেছথেছিয়া দিও অচেতন কৰিব নোৱাৰা অজিত বৰুৱাই অস্ত্ৰোপচাৰ টেবুলতে চকু দুটা পিৰিক পাৰাকৈ মেলি মিচিকিয়াই হাঁহি আছে (১৯৭৩-৭৪-ৰ গোহাঁই চাৰ আৰু ভবেন বৰুৱা চাৰৰ সেই লোমহৰ্ষক সমালোচনাৰ কথা মনত পেলাওক, যেন পৃথিৱীৰ আটাইতকৈ উত্তেজনাপূৰ্ণ খেলখন উপভোগ কৰি আছোঁ। এটা কথা কিন্তু ক'ব লাগিব, যিটো 'ফাউল'ত (?) গোহাঁই চাৰ আৰু বৰুৱা চাৰে হুইচেল মাৰিবলৈ দ্বিধাবোধ কৰিছিল, সেই ফাউলতে কিন্তু প্ৰায় কুৰি বছৰ পিছত ক্ষীণ সুৰেৰে হ'লেও হুইচেল বজালে প্ৰদীপ আচাৰ্যই 'নতুন দৈনিক'ত। নিঃসন্দেহে আচাৰ্যৰ চাৰ্মাচী পাবলগীয়া সাহস আছে।)

## পাঁচ / শৈশৱৰ সেই স্বভাৱ কবিজন

আমাৰ বয়স তেতিয়া এনেকুৱা, কবি মানে ধৰি লওঁ স্বৰ্গৰ পৰা গোপনে গোপনে কোনো ৰহস্যময় দুৱাৰৰ চাবি-কাঠি হাতত লৈ অহা কোনো কান্তিময় দেৱদূত।

সেই সময়ত সাঁজিয়া পৰত সদায় বজাৰত বৃত্তাকাৰ এজুম কৌতূহলী মানুহৰ সন্মুখত দেখা পাওঁ অযত্নপালিত চুলি আৰু শিথিল পোছাক পৰিহিত এজন উদ্‌ভ্রান্ত, লেউসেউ যুৱক। কাষ চাপি গৈ গম পালো এদিন, তেওঁ এজন গ্ৰাম্য স্বভাৱ-কবি : যিকোনো বিষয়ৰ ওপৰতে তেওঁৰ মুখৰ পৰা সলসলকৈ মুহূৰ্ততে আৰম্ভ হয় ছন্দোবদ্ধ শব্দৰ প্ৰস্ৰৱন। তেওঁৰ নামটোহে স্মৃতিয়ে এতিয়া আৰু ধৰি ৰখা নাই।

তেওঁৰ মুখৰ পৰা কষ্টহীনভাৱে নিৰ্গত হোৱা ছন্দময় শব্দত বিস্ময়াভিভূত হৈ সেই মুহূৰ্ততে মনে মনে দৃঢ়ভাৱে মই ভৱিষ্যতবাণী কৰিলোঁ : মোৰ সন্মুখত সেই মুহূৰ্তত যিজন উদ্‌ভ্রান্ত যুৱক থিয় হৈ আছে, তেওঁৱেই এদিন নিশ্চিতভাৱে গুৰি ধৰিব অন্ততঃ অসমৰ কাব্য-আন্দোলনৰ। নৱকান্ত, নীলমণিয়ে হয়তো এওঁৰ স্বভাৱ-কবিত্বৰ ওচৰত তিষ্ঠিব নোৱাৰি কাব্য-জগতৰ পৰা পলাই পত্ৰং দিব অথবা কবি সংগঠন জাতীয় কিবা এটা খুলি কবি হিচাপে নিজৰ অস্তিত্বৰ আজান দি থাকিব ( যিদৰে আজি-কালি বহুতকেই থকা দেখা যায় )।

মোৰ নিশ্চিত ভৱিষ্যতবাণী সফল নহ'ল।

কৌতূহলী হৈ মই বিচাৰিবলৈ আৰম্ভ কৰিলোঁ জ্যোতিষী হিচাপে মোৰ এই অসফলতাৰ কাৰণ।

শৈশৱাৱস্থাৰ পৰা মানুহৰ দৰে কবিতাকো প্ৰয়োজন হয় পুষ্টিকৰ খাদ্যৰ। স্নেহজাতীয় খাদ্যই শৰীৰক যোগায় শক্তি আৰু প্ৰোটিনে গঢ় দিয়ে ৰক্ত-মাংসৰ শৰীৰ। হৃদয়াবেগ, অনুভৱ, অনুভূতি, প্ৰতিক্ৰিয়া, কবিতাৰ শৰীৰৰ বাবে প্ৰয়োজন হোৱা স্নেহজাতীয় খাদ্য আৰু জ্ঞান, বিদ্যা, তথ্য হ'ল প্ৰোটিন।

প্ৰয়োজনাধিক স্নেহজাতীয় খাদ্যই যিদৰে শৰীৰ কৰি তুলিব পাৰে মেদবহুল, কোলেষ্টেৰলৰ পৰিমাণ বৃদ্ধি কৰি সৃষ্টি কৰিব পাৰে উচ্চ ৰক্তচাপ অথবা হৃৎপিণ্ডৰ দুৰ্যোগ, সেইদৰে অসংযমী হৃদয়াবেগেও কবিতাক কৰি তুলিব পাৰে দৃষ্টিকটুভাৱে চঞ্চল।

সেইদৰে বুদ্ধি আৰু জ্ঞানৰ 'দোষ'ও কবিতাত হোৱা উচিত এনেকুৱা যাতে পাঠক, এনেয়ে ব্যতিব্যস্ত হ'বলগীয়া নহয়। বুদ্ধি আৰু জ্ঞানৰ 'ভভাৰদোজে' মস্তিষ্কৰ খেলাক এনেদৰে ভয়ৰ কৰি তোলে যে বেচেৰী কবিতাৰ ঘটে অপমৃত্যু আৰু পঢ়ুৱৈয়ে কবিতাৰ সেই মৃত-শৰীৰ কান্ধত লৈ মৃত্যুৰ অৰ্থ-সন্ধানত অলিয়ে-গলিয়ে ঘূৰি-ফুৰি এনেয়ে হাবাথুৰি হয়!

শৈশৱৰ সেই স্বভাৱ-কবিৰ দোষ হ'ল, তেওঁ ধৰি লৈছিল যে নিয়ন্ত্ৰণহীন হৃদয়াবেগ আৰু নিঃসৰ্গ সম্বন্ধে স্বতঃস্ফূৰ্ত প্ৰতিক্ৰিয়াই কবিৰ বাবে যথেষ্ট। কবিৰ কাৰণে জ্ঞান আৰু বিদ্যা নিৰিখ আৰু কবিতাত জ্ঞান আৰু বিদ্যাৰ কোনো ভূমিকা নাই।

স্বভাৱ কবিৰ সেই ধাৰণা সত্য নহয়।
সেয়েহে মোৰ ভৱিষ্যতবাণী সফল নহ'ল।

## ছয় / কবিতাৰ ডায়েট-কণ্ট্ৰোল

উৎসৱণৰ বাবে নহয়, কবিতাৰ শৰীৰ পুষ্ট আৰু নিৰোগী কৰি নিৰ্ম্মাণৰ বাবে জ্ঞান আৰু বিদ্যাৰ নিঃসন্দেহে প্ৰয়োজন। কবিতা উদ্ভাসৰ বাবে প্ৰয়োজন সেই দৃষ্টি অথবা অনুভূতিসৃষ্ট অভিজ্ঞতাৰ অভিঘাত, যাৰ অবিহনে জ্ঞান আৰু বিদ্যাকে সাৰথি কৰি কবিতা সৃষ্টি কৰিম বুলি হাতত কলম তুলি ল'লে চমকপ্ৰদ শব্দৰ ছন্দময় সমষ্টিৰ হয়তো সৃষ্টি হ'ব: কিন্তু কবিতা নহয়।

আনহাতে জ্ঞান আৰু বিদ্যাবিহীন অকল স্বভাৱ-কবিত্বৰেও সৃষ্টি হয় কবিতাৰ: কিন্তু সেই কবিতাৰ সুদীৰ্ঘ আৰু নতুন নতুন পথ অতিক্ৰম কৰি অগ্ৰসৰ হোৱাৰ শক্তি নাই। দুৰ্ভগীয়া প'লিও ৰোগীৰ দৰেই এই কবিতাৰ শৰীৰ। এটা বৃত্তৰ ভিতৰতে ঘূৰি ঘূৰি এই কবিতাৰ শব্দ এটা সময়ত নিজেই নিস্তেজ, স্থৱিৰ হৈ যায়। যৌৱনত এটা, দুটা বা আধাডজন কবিতাৰে চমক সৃষ্টি কৰি প্ৰচণ্ড সম্ভাৱনাৰ উদ্ৰেক কৰা বহু সম্ভাৱনাপূৰ্ণ কবিৰ সিক্ত কলম কিয় এদিন ক'ব নোৱাৰাকৈয়ে শুকাই যায় অথবা প্ৰাণহীন হৈ পৰে কিয় প্ৰাণময়তাৰে ভৰা এসময়ৰ শব্দ, তাৰ কাৰণ এতিয়া আৰু বুজি পাবলৈ সেয়েহে আমাৰ অসুবিধা নহয়।

কবিতাৰ সৃষ্টি আৰু নিৰ্মাণৰ বাবে প্ৰয়োজন: হৃদয় আৰু মনন। মননৰ 'ডোজ'ৰ আধিক্য ঘটিলে কবিতাৰ শৰীৰ যেন হ'ৰমোনৰ অস্বাভাৱিকতাৰ বাবে, কোনো ৰমণীয় ৰমণীৰ পৰা হঠাতে দাড়ি-গোঁফেৰে ভোবোকাৰ এগৰাকী নাৰীলৈ ৰূপান্তৰিত হোৱা কোনো অদ্ভুত তৰুণীৰ ৰূপ লয়। শাৰীৰিক শক্তিৰ হয়তো বৰ্দ্ধনেই ঘটে: কিন্তু সেই বৰ্দ্ধন অথবা শক্তিৰ চমক স্বাভাৱিক নহয়।

চিকিৎসাশাস্ত্ৰৰ মতে ইয়ো এক প্ৰকাৰৰ বিপদজনক ৰোগ।
আশু-চিকিৎসা আৰু ডায়েট-কনট্ৰোলৰ প্ৰয়োজন।
ডায়েট-কনট্ৰোল অবিহনে কবিতায়েও সৃষ্টি বিভ্ৰাটৰ ৰূপ লয়।

## সাত / শৰীৰৰ বেমানান পোছাক

কিন্তু এতিয়া মইতো আৰু কবিতা নিলিখোঁ। অৱশ্যে এয়া মোৰ ইচ্ছা-অনিচ্ছা, বিদ্যা-জ্ঞান অথবা সামৰ্থ্য-অসামৰ্থ্যৰ ওপৰত ভিত্তি কৰি লোৱা কোনো হিচাপী, সচেতন সিদ্ধান্ত নহয়।

কোন সৃজনশীল লিখকে পদ্য লিখিব নে গদ্য, তাৰ ভিতৰৰ সৃজনমুখী প্ৰৱণতা আৰু

তেওঁৰ সেই সংবেদনশীল মনৰ ওপৰত পৰা অভিঘাতৰদ্বাৰাই নির্ণীত হয়। অভি-ঘাতত্তেই সৃষ্টি হয় ফৰ্মৰ। অংশতঃ প্রতিক্রিয়াৰ সঠিক প্রকাশৰ গৰজত কেতিয়াবা স্বইচ্ছাৰে লিখকে এটা ফৰ্মৰ পৰা আন এটা ফৰ্মলৈও গতি কৰা দেখা যায়ঃ যেনেকৈ অৰুন্ধতীৰ খোপাৰ 'আবেলি আবেলি গোন্ধ'ত মগ্ন হৈ বোৱা নৱকান্ত গুছি যায় 'ককাদেউতাৰ হাড়'ৰ সন্ধানত।

সৃজনশীল সাহিত্যৰ ক্ষেত্ৰত প্ৰকাশ-ভংগিমাৰ ওপৰত নির্ভৰ কৰি কবিতা, গল্প অথবা উপন্যাসক পানী নসৰকা কক্ষত ভিন্ন ভিন্ন কৈ আবদ্ধ ৰখাৰ ৰক্ষণশীল মনোভাবৰ সমর্থক নহওঁ। মৌলিকতা, শিল্প-সৃষ্টিৰ সুবিধা-অসুবিধা, দাবীৰ তাগিদাতেই ব্যাকৰণ অথবা ফৰ্মৰ অলঙ্ঘ্য বিধানকো ভাঙি-ছিঙি কেতিয়াবা কবিবলগীয়া হয় স্ৰষ্টাৰ। সৃজন-শীল লিখকৰ বাবে এয়া শিল্প-সৃষ্টিৰ জন্মগত অধিকাৰ। শুচিবায়ুগ্ৰস্ত, বেৰসিক সমালোচক ক্ষুব্ধ হ'লেও আমি নিৰুপায়।

'বধ্যভূমি'ত আত্মাৰ গান গোৱা সমীৰ তাঁতীৰ কথা মনলৈ আনো আহক।

সমীৰে, 'আজিৰ অসম'ত যেতিয়া এক নতুন ধৰণৰ গল্প লিখি আমাক চমৎকৃত আৰু বিস্ময়াভিভূত কৰিছিল, তেতিয়া ভাব হৈছিল গল্পৰ ঠাঁচত লিখা সমীৰৰ সুন্দৰ কবিতাতেই যেন অৱগাহন কৰাৰ আমি আনন্দ লভিছো। অইনৰ বাবে নাজানো নীলমণিৰ গদ্যও মোৰ বাবে একো টুকুৰা শক্তিশালী চুম্বকৰ দৰে কবিতাঃ যিদৰে গদ্য হৈ পৰে গীত, যেতিয়া স্ৰষ্টাকৰ্তা হয় তাৰ ভূপেন হাজৰিকা। নগেন শইকীয়াইতো 'মিত-ভাষ' নাম দি নতুন ফৰ্ম এটাৰ প্ৰায় উদ্ভাৱনেই কৰিলে। হয়তো প্ৰচলিত গদ্যৰ ফৰ্মত তেওঁৰ হৃদয়াবেগ তৰল হৈ তাৰ 'চোক' হেৰুৱাই পেলোৱাৰ সম্ভাৱনা আৰু প্ৰচলিত কবিতাৰ ফৰ্মত সেই হৃদয়াবেগ ইমান বেছি ঘনীভূত হ'ব যে পঢ়ুৱৈৰ বাবে পান কৰায়েই মস্কিল হ'ব। সেয়েহে হয়তো নগেন শইকীয়াৰ অনুপম সৃষ্টি 'মিত-ভাষ'। 'মিত-ভাষ'—নিঃসন্দেহে অভিনন্দনযোগ্য অভিনৱ প্ৰয়াস।

এইখিনি সময়তে বেয়া নাপালে কাণে কাণে প্ৰতিভাধৰ সমীৰক এটা কথা কওঁঃ সমীৰৰ সেই একেই ঠাঁচতে লিখা অভিনৱ গল্পৰ চমক বৰ্তমানে কিন্তু বহুখিনি অন্তৰ্হিত। মাজে মাজে সেই ভাষা মোৰ বাবে ইমানেই দুৰ্বোধ্য হৈ পৰে যে উপায় নাপাই মই মাথো তেওঁৰ অক্লান্ত লেখন-ক্ষমতাৰ প্ৰশংসা কৰোঁ আৰু সেই দুৰ্বোধ্য লিখা পঢ়ি শেষ কৰাৰ পিছত প্ৰশংসা কৰোঁ মোৰ পঠন-ক্ষমতাৰো।

সমীৰৰ বৰ্তমানৰ গদ্যত জোৰকৈ জাপি দিয়া দুৰ্বোধ্যতাৰ অন্তৰালত যেন লুকাই আছে বিষয়-বস্তুক খোলা-খুলিকৈ প্ৰকাশ কৰাত কিবা কাৰণত আহি পৰা বাধা-বাধকতাৰ বাবে সৃষ্টি হোৱা অন্তৰ্দ্বন্দ্ব!'

কি সেই অন্তৰ্দ্বন্দ্ব !

দুৰ্বোধ্যতাৰ বেমানান পোছাক খুলি সমীৰ আহি যদি সহজ-সৰলভাৱে আমাৰ সন্মুখত থিয় হয়, তেনেহ'লে সেই অন্তৰ্দ্বন্দ্বৰ অৱসান ঘটাব নোৱাৰিলেও, বুজিবলৈ হয়তো আমাৰ দৰে সমীৰৰ গুণমুগ্ধ পঢ়ুৱৈৰ সহজ হ'ব।

আঠ / বিস্ময়ৰ 'বিস্ময়' বন্ধু হাজৰিকা

ক'ব খুজিছিলোঁ প্ৰচলিত অৰ্থৰ গল্প, উপন্যাস অথবা নাটকৰ কথা। জীৱনৰ জটিলতা, তাৰ ভৌগোলিক বিস্তৃতি, জ্ঞান-বিজ্ঞানৰ বিভিন্ন মাত্ৰাই বৰ্তমানে এটা এনেকুৱা ৰূপ লৈছে যে তুলনামূলকভাৱে এখন উপন্যাস অথবা নাটকৰ বাবে জ্ঞান আৰু বিদ্যা অৰ্জন তথা তথ্য সংগ্ৰহৰ প্ৰক্ৰিয়াটোৱে হৈ পৰিছে যথেষ্ট কষ্টসাধ্য আৰু সময়-সাপেক্ষ। আমিতো কোন কুটা ; আৰ্জেন্টিনাৰ সেই কিংবদন্তী লিখক জৰ্জ লুই বোৰহেসেও, নিজে ঔপন্যাসিক হৈও, শেষ বয়সত বেছ তিক্ততাৰেই কৈ গৈছে : চাবিশ -পাঁচশ পৃষ্ঠাৰ সেই শকত শকত উপন্যাসবোৰ আৰু লিখিব নোৱাৰি দেই। উপন্যাস লিখাটোও যে কি এক অমানুষিক পৰিশ্ৰম।

গল্প, উপন্যাস আদি সৃজনশীল লিখনিৰ বাবেও আজি-কালি দস্তুৰমত তথ্য-সংগ্ৰহ, ৰচনাৰ বিস্তৃত পৰিকল্পনাৰ প্ৰয়োজন। বন্ধৰ দিন অথবা চাকৰিৰ পৰা কেজুয়েল লীভ লৈ উপন্যাস অথবা নাটক নিৰ্মাণ কৰিম বুলি আশা কৰাটোও যেন ধীৰে ধীৰে হৈ পৰিছে এক প্ৰকাৰৰ অসম্ভৱ বিলাস। বিশেষকৈ পূৰ্ণাঙ্গ নাট আৰু উপন্যাসৰ বৰ্তমানৰ দুৰৱস্থাৰ কাৰণ হিচাপে সম্ভৱ এনেকুৱা এটা যুক্তিও থিয় কৰিব পৰা যায়।

এইখিনি কথা পঢ়ি মোৰ সেই শিৰোনামাত উল্লেখিত অনামী বন্ধুৰ হয়তো তাৎক্ষণিকভাৱে ধাৰণা হৈ যাব পাৰে যে হাতত অলপ সময় লৈ তথ্য সংগ্ৰহৰ কামত লাগিলে, পৰিকল্পনা কৰিলে এখন উপন্যাস অথবা নাটক লিখাটো লিখা মানুহৰ বাবে বিশেষ একো সমস্যাৰ কথা নহয়। দুৰ্ভাগ্যজনকভাৱে সৃজনশীল লিখনিৰ ক্ষেত্ৰত কথাষাৰ ইমান সহজ আৰু পূৰ্ণ-ৰূপত সত্য নহয়।

অৱশ্যে এনেকুৱা বহুতো লিখক আছে, যিয়ে সাহিত্য সৃষ্টিকে অপৰিসীম জেদ আৰু সচেতন প্ৰয়াসেৰে এক ধৰণৰ ক্ৰাফ্‌টলৈ ৰূপান্তৰিত কৰিবলৈ সক্ষম হয়। ক'ত জানো পঢ়িছিলোঁ জনপ্ৰিয় উপন্যাসিক মনোহৰ মূলগাঁওকাৰৰ কথা, যাৰ বাবে অভিঘাত অথবা প্ৰেৰণাৰ কোনো প্ৰয়োজন নাই। প্ৰতিদিনে ঘড়ী চাই ৰাতিপুৱা ঠিক চাৰে সাত বজাত তেওঁ টাইপৰাইটাৰত বহে আৰু উঠে ঠিক দুপৰীয়া বাৰ বজাত। সেই সময় ছোৱাতে অনুৰুদ্ধ অথবা পৰিকল্পিত যিকোনো বিষয়ৰ ওপৰতে সৃষ্টি কৰে কৌতূহলো-দ্দীপক সৰস উপন্যাস। লিখনিকেই যিয়ে জীৱিকা কৰি লয়, তেওঁৱেই হয়তো প্ৰচণ্ড ইচ্ছা শক্তি প্ৰয়োগেৰে অধিকাৰী হ'ব পাৰে এনে এক অভীত প্ৰতিভাৰ।

অসমতো আছে তেনে বিস্ময়।

বিস্ময়ৰ 'বিস্ময়' বস্তু হাজৰিকা। যিকোনো পৰিবেশতে, আনকি মানুহৰ জীৱৰ মাজতো হাতত কলম লৈ মানুহজনে সৃষ্টি কৰিব পাৰে বহস্যময়, লোমহৰ্ষক উপন্যাসৰ। হয়তো জীৱিকাৰ তাড়নাতে ৰহস্য উপন্যাসে এতিয়া তেওঁৰ হাতত ৰূপ লৈছে এক সহজ ক্ৰাফ্‌টৰ। ক্ৰাফ্‌টতো সাহিত্য-সুলভ শিল্প থাকে; কিন্তু এটা সময়ত যেন শিল্প ৰূপান্তৰিত হয় মাথো কৌশললৈ।

## ন / মোৰ মৃত্যুত মই

সৃজনশীল লিখক এজনে এটা প্ৰকৃত সৃষ্টিশীল মন লৈ যেতিয়া এটা কবিতা, গল্প উপন্যাস বা এখন নাটক লিখাৰ বাবে উৎসুক হয়, সৃষ্টিৰ সেই প্ৰথম মুহূৰ্তত জ্ঞান, বিদ্যা, পৰিকল্পনা অথবা তথ্যৰদ্বাৰা তেওঁ উদ্রিক্ত নহয়: উদ্রিক্ত হয় তেওঁৰ দৃষ্টি, অনুভূতি আৰু ভিতৰ অথবা বাহিৰৰ অভিজ্ঞতাৰদ্বাৰা। লিখকৰ নিজৰ সত্তাৰ ওপৰত পৃথিৱী আৰু তাৰ মানুহৰ অভিঘাততেই সৃষ্টি হয় সেই অদমনীয় তাগিদাৰ, যাৰ বাবে বাবে বাবে লিখকে তুলি ল'বলৈ বাধ্য হয় কলম, তথ্য, জ্ঞান, বিদ্যা—এই সকলোবোৰতো পিছৰ কথা!

সৃজনী সাহিত্য উদ্দেশ্য-প্ৰণোদিত হ'ব লাগে নে নালাগে, সেয়া বাতিপুৱাই দিব পৰা এটা বিতৰ্কিত বিষয়। (হ'ব নালাগে বুলি ক'লে হয়তো অৰুণ গোস্বামী মোৰ ওপৰত জাওৰ থাই উঠিব!) তথাপি ক'ব খোজোঁ, মই যেতিয়া কলম হাতত তুলি লওঁ, সেয়া সাধাৰণতে উদ্দেশ্য-প্ৰণোদিত নহয়: স্বভাৱ-প্ৰণোদিত।

দৃষ্ট আৰু অনুভূত এই পৃথিৱীৰ সকলো—মানুহ, পৰিবেশ, ঘটনা-দুৰ্ঘটনা, প্ৰেম-অপ্ৰেম, সুখ-দুখ, আনন্দ-বেদনাৰ মাধ্যমেৰে মোৰ অভিজ্ঞতা, অনুভূতি আৰু উপলব্ধি সকলোৰে সন্মুখত দাঙি ধৰিবলৈ মোৰ সংবেদনশীল স্বভাৱে মোক পীড়া-পীড়ি কৰি টানি লৈ যায় মোক টেবুলৰ ওচৰলৈ আৰু যন্ত্ৰচালিতৰ দৰে মই তুলি লওঁ মোৰ দুৰ্বল কলম।

দৃষ্ট আৰু অনুভূত বিষয়ক বিশ্বাসযোগ্যতাৰে উত্থাপন কৰিবৰ বাবেই উপন্যাস এখন লিখাৰ মুহূৰ্তত মোৰ প্ৰয়োজন হয় যাৱতীয় তথ্য আৰু জ্ঞান আহৰণ কৰি পৰিকল্পনা কৰাৰ। কোনো অভিঘাত নোহোৱাকৈ, অন্তৰৰ পৰা কোনো তাগিদা অনুভৱ নকৰাকৈ উপন্যাস লিখিম বুলি শূন্যতে মন স্থিৰ কৰি, তাৰ পিছত সেই অপ্ৰসূত উপন্যাসৰ বিষয়, আৰু নায়ক-নায়িকাৰ সন্ধানত চহৰে-নগৰে অথবা পুথি ভঁৰালৰ কিতাপৰ পাতে পাতে ঘূৰি ফুৰাটো মোৰ বাবে সম্ভৱ নহয়।

জানো, মোৰ বাবে হ'ব সেয়া দুৰ্ভাগ্যজনক, তথাপি মোৰ মনৰ ওপৰত কোনো অভিজ্ঞতাৰ অভিঘাত নোহোৱাকৈ; সৃষ্টিৰ বাবে অন্তৰৰ কোনো তাগিদা নোহোৱাকৈ হাতত কলম তুলি লোৱাতকৈ লিখক হিচাপে মোৰ মৃত্যুকেই মই অধিক পছন্দ কৰিম।

মই প্ৰস্তুত: নিজ হাতে মোৰ এপিটাফ লিখিবলৈ।

# সমালোচকৰ সন্ধানত সমকালীন লেখক

(ক) "'সমালোচক সকলৰ প্ৰতি কেতিয়াবা এইদৰে অভিযোগ অনা হয় যে তেওঁলোকে কিতাপ এখন নপঢ়াকৈয়ে তাৰ সমালোচনা আগবঢ়ায়. আমি বিনয়েৰে এটা কথা স্বীকাৰ কৰিব খুজিছো যে আমি তেওঁৰ লিখনীসমূহ পঢ়া নাই। তাৰ কাৰণ এইটো নহয় যে সমালোচক হিচাপে আমি আমাৰ কৰ্তব্য পালনত অৱহেলা কৰিছো ; তাৰ বিপৰীতে, প্ৰায় অতি মানৱৰ দৰে আমি পঢ়িবলৈ চেষ্টা কৰিছিলো, কিন্তু যৎপৰোনাস্তি চেষ্টা কৰিও তেওঁৰ কাব্যিক ৰমন্যাসেৰে ভৰা চাৰিটাতকৈ বেছি কবিতা আমি পঢ়িবলৈ সক্ষম নহ'লো।'

(খ) কেতিয়াবা কেতিয়াবা বদলেয়াৰৰ মগজুৰ সুস্থতা সম্পৰ্কত সন্দেহ হয়, কিন্তু কেতিয়াবা সেই সন্দেহকণো নাথাকে।"

এই কথা আজি সকলোৰে বিদিত যে মৃত্যুশয্যাত পৰি বোৱা ইংৰাজ কবি কীট্‌ছে তেওঁৰ সমাগত অকাল মৃত্যুৰ বাবে দোষী সাব্যস্ত কৰিছিল সমালোচক লকহাৰ্টৰ বিষাক্ত কলমক। (ক)-ত উল্লেখ কৰা মন্তব্যখিনি বিষাক্ত কীট-সদৃশ সমালোচক লকহাৰ্টৰ নহয়, কিন্তু কীট্‌ছৰ কবিতাৰ ওপৰতে এই মন্তব্য কৰিছিল সমসাময়িক আইন এগৰাকী খ্যাতনামা সমালোচক জন্ উইলচন ক্ৰোকাৰে।

এনচাইকোপ্ৰেডিয়া ব্ৰিটেনিকাত বদলেয়ৰক অভিহিত কৰা হৈছে 'তেওঁৰ যুগৰ শীৰ্ষস্থানীয় আধুনিক সভ্যতাৰ কবি' বুলি। নকলেও হব যে (খ)-ত উল্লিখিত মন্তব্যটো হ'ল এইজনা কবিৰ ওপৰতে এগৰাকী সমসাময়িক সমালোচকে আগবঢ়োৱা 'স্বীকৃতি'।

সাহিত্যৰ ইতিহাসৰ পৰা খুব সহজতে তুলি অনা সমালোচকৰ এই দুটা নমুনাই কেইটামান কথা সন্দেহাতীতভাৱে প্ৰমাণ কৰে। যেনে (ক) সমকালীন সৃজনশীল লিখনীৰ ওপৰত প্ৰসিদ্ধ সমালোচকে প্ৰত্যয়েৰে আগবঢ়োৱা অভিমতো সদায়ে শুদ্ধ নহয়, (খ) শুদ্ধ নহ'লেও কোনো কোনো সমালোচকৰ কলম ইমানেই শক্তিশালী যে এই কলম কোনো সংবেদনশীল লেখকৰ অকাল মৃত্যুৰো কাৰণ হব পাৰে। যিসকল লেখকৰ নিজৰ সৃষ্টিৰ ওপৰত আত্মবিশ্বাস গঢ় লৈ উঠা নাই, তেওঁলোকেও ইয়াৰ পৰা এটা কথা শিকিব পাৰে যে সকলো সময়তে সমালোচকৰ মন্তব্যক প্ৰয়োজনাধিক গুৰুত্ব প্ৰদান কৰি আবেগিকভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ প্ৰয়োজন নাই। কিন্তু কেইজন লেখকে বা এই আত্মবিশ্বাসৰ অধিকাৰী হব পাৰে ? অসমীয়া সৃজনশীল কলাৰ সৈতে নিৰবিচ্ছিন্ন সম্বন্ধ ৰখা ব্যক্তিসকলৰ ভিতৰত সম্ভৱতঃ ভবেন্ শইকীয়াৱেই একমাত্ৰ

লোক ঘিয়ে দৃঢ়তাবে, অতি বিনয়ক প্ৰশ্ৰয় নিদিয়াকৈ তেখেতৰ সৃষ্টিৰ গুণাগুণ বিচাৰৰ ক্ষেত্ৰত থকা তেখেতৰ ঈৰ্ষণীয় আত্মবিশ্বাসৰ কথা ৰাজহুৱাভাৱে ঘোষণা কৰিছে 'সাৰথি, পুৰস্কৃত হোৱাৰ সময়ত প্ৰকাশ হোৱা এটা সাক্ষাৎকাৰত। যিসকল ব্যক্তিয়ে সাহিত্যৰ জগতখনত ইতিমধ্যে সফলতাৰে সুদীৰ্ঘ পথ অতিক্ৰম কৰি আহিছে যেনে ডঃ শইকীয়া, বৰগোহাঞি, মালিক আৰু বহুতো, তেখেত সকলে হয়তো নিজৰ সৃষ্টিৰ মূল্যাংকনৰ ক্ষেত্ৰত এতিয়া সমালোচকৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ প্ৰয়োজন নাই। কিন্তু যিসকল নতুন লেখকে সততাৰে, আপোন প্ৰতিভা অনুযায়ী গল্প; উপন্যাস অথবা কবিতা লিখি উলিয়াইছে, দুক দুক হৃদয়েৰে হ'লেও কলমটোকে অন্তৰঙ্গ সখী বুলি স্বীকৃতি দিয়াৰ বাবে উৰাউল হৈ উঠিছে, সেইসকল লেখকে নিশ্চয় আশা কৰিব তেওঁলোকৰ লিখনীও কোনোবা সমালোচকে পঢ়ক। ভাল যদি ভাল বুলি কওঁক; বেয়া যদি কওঁক ক'ত বেয়া হ'ল। কীটুছৰ মৃত্যু যদি ত্বৰান্বিত কৰিছিল সমালোচকৰ বিষাক্ত কলমে, তেনেহ'লে হয়তো কব পাৰি যোৱা দশকটোত আত্মপ্ৰকাশ কৰি ক্ৰমশঃ হতাশাগ্ৰস্ত হৈ পৰা বহুতো তৰুণ অসমীয়া লেখকৰ সাহিত্যিক—মৃত্যুৰ কাৰণ হ'ল তৰুণ লেখকৰ প্ৰতি সমালোচকৰ উন্নাসিক নীৰৱতা। সৃজনশীল লিখনীৰ ক্ষেত্ৰত এক দীৰ্ঘকালীন শূন্যতাৰ কথা বৰ্তমানে যিকোনো আলোচনী কাকতৰে সাহিত্যৰ শিতানৰ এটা বহু চৰ্চিত বিষয়, যিকোনো প্ৰবীণ লেখকৰ অন্তৰঙ্গ সাক্ষাৎকাৰতে অনিবাৰ্যভাৱে এই বিষয় উত্থাপিত হয়; তাৰ বিপৰীতে কিন্তু এই বিষয়ৰ ওপৰত সৰৱ আলোচনা হোৱা দেখা নাযায় যে যোৱা দশকটোত তৰুণ লেখকৰ সৃষ্টিৰ মূল্যাঙ্কন, প্ৰতিভাৰ আৱিষ্কাৰ, সৃষ্টিৰ সহানুভূতিশীল পৰিবেশ ৰচনাৰ ক্ষেত্ৰত সমালোচকৰ পৰা যি ভূমিকা আশা কৰা যায় সেই ভূমিকা পালনৰ ক্ষেত্ৰত সমালোচক সকল হৈছে প্ৰায় চৰমভাৱে ব্যৰ্থ।

স্বয়ংক্ৰিয়ভাৱে যাৰ কলমৰ স্পৰ্শত চুটি গল্প বেছ সাৱলীলভাৱে এক বিজ্ঞানসম্মত কেলিডোস্কোপলৈ ৰূপান্তৰিত হয়, সেই জনা লেখক দেবব্ৰত দাস এই দশকৰ এজন প্ৰভাৱশালী গল্পকাৰ। দেবব্ৰত দাসৰ দ্ৰুত-লেখন স্বভাৱ-আলসাই অস্থিৰ কৰি তোলা অধিকাংশ অসমীয়া লেখকৰ বাবে প্ৰেৰণা স্বৰূপ হোৱা উচিত। যোৱা কেইটামান বছৰত বিৰাম বিহীনভাৱে শব্দৰ সৃষ্টিত লিপ্ত হৈ থকা এইজনা গল্পকাৰৰ কলমো কিন্তু সমালোচকৰ সুদীৰ্ঘ দিনৰ নীৰৱতাই সৃষ্টি কৰা আত্মঘাতী ইচ্ছাৰ চাপত স্থবিৰ হৈ যোৱাৰ উপক্ৰম হৈছিল। 'হয়তোবা ভেশছন'ৰ পাততনিত দেবব্ৰতে লিখিছে এইদৰে "...বহু দিনলৈকে মোৰ গল্পবোৰৰ গুণাগুণ চালিজাৰি চাবলৈ যেতিয়া ক'তো আলোচনা আদি ছপা নহ'ল,...তেতিয়া থাকা হ'ল কিজানি মোৰ লিখনী আলোচনাৰ উপযুক্ত হৈ উঠিব পৰা নাই। এনে সময়তে 'প্ৰকাশ'ৰ এটা বিশেষ গল্প সংখ্যাত ড°

হীৰেন গোহাঁই, ড° নগেন শইকীয়া তথা যোগেশ দাস শ্ৰদ্ধেয় আলোচকৰ গঠনমূলক সমালোচনাই মোৰ কলমৰ আত্মঘাতী ইচ্ছাবোৰ আঁতৰাই ৰাখিবলৈ সক্ষম হয়।”

দেবব্ৰত দাসৰ এই কথাখিনি ইয়াতে উল্লেখ কৰাৰ কাৰণ হ'ল, ইয়াৰ দ্বাৰাই পঢ়ুৱৈসকল নিশ্চয় এটা কথাত প্ৰতীয়মান হব যে যিদৰে সমালোচকৰ নীৰৱতাই এটা যুগৰ সৃজনশীল সাহিত্যক মৃত্যুৰ পথলৈ ঠেলি দিব পাৰে সেইদৰে তেওঁলোকৰ গঠনমূলক সমালোচনাই সাহিত্যক সঞ্জীৱনী শক্তি প্ৰদান কৰি এটা যুগৰ সৃষ্টিক উজ্জীৱিত কৰাতো বিশেষ অৰিহণা যোগাব পাৰে। নতুন নতুন কাকত আৰু আলোচনীৰ সঘন জন্মই এই প্ৰজন্মৰ লেখকসকলক তেওঁলোকৰ লেখাক ছপাৰ আখৰত প্ৰকাশ কৰা প্ৰক্ৰিয়াটোক নিঃসন্দেহে সহজ কৰি তুলিছে, কিন্তু তেওঁলোকৰ বাবে আটাইতকৈ দুৰ্ভাগ্যৰ কথা হ'ল তেওঁলোকৰ সৃষ্টিৰ তাড়নাক প্ৰাণচঞ্চল কৰি ৰখাৰ ক্ষেত্ৰত সমালোচকসকলে কোনো যোগাত্মক অৰিহণা যোগোৱা নাই। এই দুৰ্ভাগ্যৰ চিকাৰ এতিয়া আৰু অকল তৰুণ লেখকসকলেই নহয়; অসমীয়া সাহিত্যৰ সৃজনশীল প্ৰক্ৰিয়াটোকো ই ছানি ধৰিছে। সমকালীন অসমীয়া সৃজনশীল সাহিত্যৰ দৈন্যৰ বিষয়ে সৰৱ হৈ উঠাৰ সময়ত সমালোচকৰ এই ব্যৰ্থতাৰ বিষয়েও গুৰুত্ব সহকাৰে আলোচনা হোৱা উচিত বুলি মই বিবেচনা কৰো।

অৱশ্যে সমালোচকসকল সৰৱ হৈ উঠিলেই সৃষ্টিৰ মূল্যাংকন নিশ্চিত হব বুলি অথবা প্ৰতিভাশালী, সম্ভাৱনাপূৰ্ণ লেখক অনাদৰৰ চিকাৰ নহব বুলি প্ৰতিশ্ৰুতি দিয়াটো সম্ভৱ নহয়। ইতিহাসত এনে অজস্ৰ উদাহৰণ আছে, য'ত যুগোপযোগী সাহিত্য সৃষ্টিৰ বাবে পথ-প্ৰদৰ্শক হোৱাতকৈ অথবা কোনো সাহিত্যিকৰ লিখনীৰ উপযুক্ত মূল্যাংকন কৰি পঢ়ুৱৈক উৎকৃষ্ট সাহিত্যৰ প্ৰতি আকৃষ্ট কৰাতকৈ সমালোচকে পঢ়ুৱৈক বিভ্ৰান্ত কৰাতহে অধিক অৰিহণা যোগাইছে। কেতিয়াবা এই বিভ্ৰান্তি-সৃষ্টি অনিচ্ছাকৃত। হয়তো পাণ্ডিত্য অথবা বিচাৰ-বিশ্লেষণ-ক্ষমতাৰ অভাৱ; কিন্তু বেছিভাগ ক্ষেত্ৰতেই দেখা যায় এই সৃষ্টি ইচ্ছাকৃত। গোষ্ঠীবাদ অথবা একপক্ষীয় ৰাজনৈতিক মতবাদৰ দ্বাৰা প্ৰৰোচিত। নিষ্ঠাবান সমালোচকৰ নীৰৱতাই যোৱা দশকটোত অকল যে তৰুণ লেখক সকলকহে হতাশ কৰিছে তেনে নহয়, তেওঁলোকৰ নীৰৱতাৰ সুযোগ লৈ গোষ্ঠীবাদ প্ৰভাৱশালী হৈ উঠাতো পৰোক্ষভাৱে ইন্ধন যোগাইছে। কেতিয়াবা চমকসৃষ্টিৰ বাসনাইও সমালোচকক মতান্ধ কৰি তোলা দেখা যায়। নিষ্ঠাবান বুলি পঢ়ুৱৈৰ দ্বাৰা ইতিমধ্যে স্বীকৃত হোৱা সমালোচকৰ ক্ষেত্ৰত এই বাসনাৰ ওচৰত ক্ষণিকৰ আত্মসমৰ্পণেও পঢ়ুৱৈক বিভ্ৰান্ত কৰাৰ ক্ষেত্ৰত বিপজ্জনক অৰিহণা যোগাব পাৰে। এই সন্দৰ্ভত পঢ়ুৱৈয়ে ড° ভবেন শইকীয়াৰ ছপাৰ আখৰ আৰু চেলুলয়েড—এই দুয়োটা মাধ্যমতে জনপ্ৰিয় হৈ আলোড়নৰ সৃষ্টি কৰা 'অন্তৰীপ' নামৰ উপন্যাসখনৰ কথা মনলৈ

আনিব পাৰে। 'অন্তৰীপ' উপন্যাসখনক ড° ধ্ৰুৱজ্যোতি বৰাই ( মোৰ বিচাৰবোধেৰে ন্যায্যভাৱেই ) এটা দশকৰ তিনিখন শ্ৰেষ্ঠ উপন্যাসৰ এখন বুলি অভিহিত কৰিছে; অথচ সেই একেখন উপন্যাসৰ ক্ষেত্ৰতে একে সময়তে আইন এগৰাকী সমালোচকে মন্তব্য কৰিছে—ভ শইকীয়াৰ সময়ৰ অপচয় বুলি! সাধাৰণ পঢ়ুৱৈয়ে ইয়াৰদ্বাৰা বিভ্ৰান্ত নোহোৱাকৈ থকাৰ জানো কিবা উপায় আছে। ব্যক্তিগত হ'লেও এইখিনিতে হয়তো উল্লেখ কৰাটো অপ্ৰাসঙ্গিক নহব যে মোৰ প্ৰথম গল্প-সংকলন 'গল্পলিখাৰ গল্প'ৰ ক্ষেত্ৰতে সম্পূৰ্ণ বিপৰীতমুখী দুটা সমালোচনা দুখন ভিন্ন কাকতত প্ৰায় একে সময়তে প্ৰকাশ পাইছিল! সম্পূৰ্ণ বিপৰীতমুখী সমালোচনাই সৃষ্টি কৰা এনে বিভ্ৰান্তিৰ বাবে কোনো পঢ়ুৱৈয়ে যদি এইদৰে ভাবিবলৈ আৰম্ভ কৰে যে সমালোচনা প্ৰকৃততে একোখন গ্ৰন্থৰ মূল্যায়নৰ এক নিৰপেক্ষ, নিষ্ঠাবান প্ৰচেষ্টা নহয়; তাৰ বিপৰীতে সমালোচনা হ'ল একোজন লেখকৰ মূৰত মাধ-মাৰ মৰাৰ ( যেনে কাঁটুছ আৰু লকহার্ট ) অথবা কাৰোবাক আকাশলৈ উঠাই দিয়াৰ এক বৌদ্ধিক আহিলা মাত্ৰ: মূল্যায়নৰ আপাত-প্ৰয়াস এক নিতান্তই ছদ্মবেশ—তেনেহ'লে সেই পঢ়ুৱৈক দোষ দিয়া জানো কোনো নৈতিক যুক্তি থাকিব? সমালোচনা যাতে এনে এক পৰ্যায়লৈ অৱনমিত নহয়, তাৰ প্ৰতি লক্ষ্য ৰখাটোও কিন্তু সমালোচকৰ দায়িত্বৰ ভিতৰতে পৰিব। ( প্ৰসঙ্গক্ৰমে কৈ থওঁ, 'সমালোচনা' শব্দটো ইয়াত অকল গ্ৰন্থ-সমালোচনাৰ সন্দৰ্ভতহে ব্যৱহাৰ কৰা হৈছে। )

নিষ্ঠাবান সমালোচকৰ নীৰৱতাৰ বাবে সৃজনশীল সাহিত্যৰ দৰে ক্ষেত্ৰ এখনতো তথাং প্ৰচাৰধৰ্মিতা অথবা বিজ্ঞাপনেই সমালোচনাৰ স্থান অধিকাৰ কৰাৰ এটা শক্তিশালী প্ৰৱণতা যোৱা কেইটামান বছৰত স্পষ্টভাৱে পৰিলক্ষিত হৈছে। প্ৰকৃত সমালোচনাৰ অভাৱত উৎকৃষ্ট গ্ৰন্থৰ সন্ধান পোৱাটো সাধাৰণ পঢ়ুৱৈৰ বাবে সহজ নহয়। ফলস্বৰূপে গ্ৰন্থ-নিৰ্বাচনৰ ক্ষেত্ৰত পঢ়ুৱৈয়ে সম্পূৰ্ণৰূপে নিৰ্ভৰশীল হ'বলগীয়া হৈছে নিতান্তই বাণিজ্যিক কাৰণত প্ৰকাশিত পুথি পৰিচয় অথবা বিজ্ঞাপনৰ ওপৰত। বাণিজ্যিক সমালোচনা প্ৰায়েই 'চুগাৰকোটেড', বিভ্ৰান্তিকৰ আৰু কিতাপৰ বিজ্ঞাপন বৰ্তমান সেইসকল প্ৰকাশকৰেই একচেটিয়া সম্পত্তি যাৰ নিজস্ব কেবাখনো বাতৰি কাকত অথবা আলোচনী আছে। নিজৰ গ্ৰন্থৰ প্ৰচাৰৰ ক্ষেত্ৰত নিজস্ব কাকত-আলোচনীক কিদৰে ব্যৱহাৰ কৰিব পাৰি ( দোষণীয় বুলি কব খোজা নাই )। তাৰ উদাহৰণ হিচাপে আদৰ্শৰ কালৰ পৰা প্ৰায় বিপৰীত মেৰুত অৱস্থান কৰা দুজন বিতৰ্কিত সাংবাদিকৰ নাম মই উল্লেখ কৰিব বিচাৰিছো—কনক সেন ডেকা আৰু পৰাগ কুমাৰ দাস। যোৱা কেইটামান বছৰত সৰ্বাধিক বিজ্ঞাপিত কিতাপৰ সৌভাগ্যবান লেখকৰ স্থান নিঃসন্দেহে এই দুগৰাকী লেখকক দিব পৰা যায়। কিন্তু সমালোচনাৰ অভাৱ

বিজ্ঞাপনৰ জৰিয়তে পুৰোয়াৰ সৌভাগ্য কিমানজন লেখকৰ প্ৰাপ্য হয়? সেয়েহে সেইসকল তৰুণ লেখকে, যাৰ বিজ্ঞাপন অথবা বাণিজ্যিক পৰিচয়ৰ নিজস্ব 'চেনেল' নাই, তেওঁলোকে নিশ্চয় সহানুভূতিশীল এনে কোনো সমালোচকৰ প্ৰতি আকুলভাৱে অপেক্ষা কৰিব যাৰ কলম উজ্জীৱিত হয় সৃষ্টিৰ প্ৰকৃত মূল্যৰ দ্বাৰা: 'চেনেল' অথবা গোষ্ঠীৰ চাপত নহয়। ক'ত সেই সমালোচক?

ওপৰে ওপৰে চাব গ'লে ভাব হয় যেন সাম্প্ৰতিক সাহিত্যৰ প্ৰতি সমালোচকৰ নীৰৱতাৰ অন্তৰালত তৰুণ লেখকৰ প্ৰতি অৱজ্ঞাৰ ভাব লুকাই আছে আৰু অৱজ্ঞাৰ ভাব ঢাকি ৰাখি তেওঁলোকৰ নীৰৱতাক এটা ভদ্ৰোচিত ৰূপ দিয়াৰ প্ৰয়োজনতে বিভিন্ন সাক্ষাৎকাৰ, সাহিত্যৰ শিতান আদিৰ জৰিয়তে মোটামুটিভাৱে এটা প্ৰপাগেণ্ডা চলাই থকা হৈছে—যে আমাৰ দিনতে যি লেখক সকলে গল্প, উপন্যাস লিখিলে তাৰ পিছত আৰু একো নাই। যোৱা দশকটোত অসমীয়া সাহিত্যতো কোনো উল্লেখযোগ্য সৃষ্টিয়েই হোৱা নাই! নীৰৱতাৰ কাৰণ হিচাপে বালকোচিত এনে এক অৱজ্ঞাকেই মানি লবলৈ মই টান পাইছো। মোৰ ভাব হয় এই নীৰৱতাৰ অন্তৰালত আছে এক ধৰণৰ ব্যৰ্থতা ঢাকি ৰখাৰ এক বিব্ৰত প্ৰয়াস। এইখিনিতে মোৰ এই কথাও কবলৈ মন গৈছে যে তৰুণ লেখকৰ সৃজনশীল লিখনীৰ সৈতে প্ৰায় সম্পৰ্কহীন সমালোচনাৰ দ্বাৰা ঘৰিয়ালৰ চকুপানীৰ দৰে যোৱা দশকটোত এটাও যুগজয়ী গল্প, এখনো কালজয়ী উপন্যাস, এটাও হৃদয়স্পৰ্শী কবিতাৰ স্তৱক সৃষ্টি নহ'ল বুলি চলোৱা প্ৰপাগেণ্ডাৰ তীব্ৰতাও অসমীয়া সাহিত্যৰ ভৱিষ্যতৰ স্বাৰ্থতে হ্ৰাস কৰাৰ প্ৰয়োজন হৈছে। নহ'লে আজিৰ সাহিত্যত একো নাই বুলি বুকু চপৰিয়াই থকাটো আমাৰ এটা জাতীয় মানসিক ৰোগত পৰিণত হ'ব। কোনোবা আত্মম্ভৰী প্ৰবীণৰ বাবে এই মানসিক ৰোগ আত্মসন্তুষ্টিৰ কাৰণ হব পাৰে; কিন্তু তৰুণ লেখকৰ বাবে ইয়াৰ প্ৰভাৱ হব হতাশজনক আৰু সাহিত্যৰ অগ্ৰগতিত ইয়াৰ ঋণাত্মক প্ৰভাৱ হব সুদূৰপ্ৰসাৰী।

আজিৰ পৰা কুৰি বছৰ আগতে তুলনামূলকভাৱে মানুহৰ প্ৰাত্যহিক জীৱন, সমাজ আৰু সাংস্কৃতিৰ ৰূপ আছিল সৰলবৈখিক, অজটিল। কিন্তু যোৱা দুই দশকত বিশেষকৈ আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই সমগ্ৰ সমাজৰে ৰূপ এনে দ্ৰুতগতিত পৰিবৰ্তিত কৰিছে যে সেই গতিৰ সৈতে তাল মিলাই ৰখাটো; সেই গতিৰ দিশ, ভৱিষ্যৎ সম্পৰ্কে স্পষ্ট কৰাটো প্ৰায় দুৰূহ হৈ পৰিছে। বৰগোহাঞিয়ে কোৱাৰ দৰে ভৱিষ্যৎ এতিয়া হৈ পৰিছে এখন 'অন্ধকাৰ অনাবিষ্কৃত মহাদেশ'। বৰ্তমানৰ ৰূপো হৈ পৰিছে প্ৰায় ব্যাখ্যাতীত, জটিল। প্ৰেম, মানৱতাবাদ আদি চিৰন্তন বুলি স্বীকৃত সত্যবোৰ এসময়ত আছিল একমাত্ৰিক, অথবা স্বচ্ছ, জটিলতাবিহীন; কিন্তু সেই একেই মূল্যবোধে সময়ৰ দ্ৰুত আৰু ভিন্নমুখী গতিৰ ঘূৰ্ণাত এনেদৰে জটিল আৰু বহুমাত্ৰিক ৰূপ ধাৰণ

কৰিছে যে নিশ্চয়তাৰে সেই সম্পৰ্কে ৰায় দিয়াটো অসম্ভৱ হৈ পৰিছে। মানসিক-ভাৱে তৰুণ সকল এই জটিল সমাজখনৰ সৈতে মোটামুটিভাৱে পৰিচিত, কাৰণ তেওঁ-লোকৰ জীৱনৰ আটাইতকৈ সংবেদনশীল সময়ছোৱা তেওঁলোকে সহাৱস্থান কৰিব-লগীয়া হৈছে এই জটিলতাৰ সৈতে। তাৰ বিপৰীতে এই সমাজখনৰ পৰা প্ৰবীণসকল মানসিকভাৱে বহুত দূৰৈত। সেয়েহে সাহিত্যত এই সমাজখনৰ জটিল ব্যাখ্যা বা ৰূপায়ণ বহু প্ৰবীণৰ বাবে অবোধগম্য আৰু অবাস্তৱ। এটা সময় আছিল যেতিয়া হৃদয়ৰ সৰল বিচাৰেৰে যিকোনো এটা ঘটনা, এজন ব্যক্তিৰ সঠিক বিশ্লেষণ সম্ভৱ আছিল ; এতিয়া হৃদয়ৰ এক দৃষ্টিৰে এই বিচাৰ সম্ভৱ নহয়। সৃজনশীল সাহিত্য বিচাৰো বৰ্তমানে এনে বহুমাত্ৰিক আৰু জটিল হৈ পৰিছে যে বেছি ভাগ সমালোচকে আত্মবিশ্বাসেৰে এই সম্পৰ্কত কিবা এটা কৰলৈ দ্বিধাবোধ কৰে, কিয়নো তেওঁৰ পাণ্ডিত্য আৰু বিশ্লেষণী ক্ষমতাৰ প্ৰতি প্ৰত্যাহ্বান হৈ উঠে। সেয়েহে বহু সৃজনশীল লেখকৰ দৰে সমালোচক সকলো বৰ্তমান অতীতমুখী হৈ পৰা দেখা গৈছে, কাৰণ সমসাময়িক সমাজৰ তুলনাত অতীতৰ সৰলবৈখিক আৰু বহু-পণ্ডিতৰ বিশ্লেষণৰদ্বাৰা সহজবোধ্য হৈ পৰা সমাজখনৰ বৰ্ণনা আৰু বিশ্লেষণত তেওঁলোকে মানসিক স্বচ্ছন্দ অনুভৱ কৰে।

এই নষ্টালজিয়াবোধৰ মাদকতাৰ পৰা নিজেকে মুক্ত কৰি যিমানেই তৰুণ লেখকৰ সমকালীন সমাজৰ ৰূপদৰ্শী সৃষ্টিৰ আঁৰত থকা পৰিবেশক বুজিবলৈ, বিশ্লেষণ কৰিবলৈ সমালোচক সকলে চেষ্টা কৰিব, সিমানেই তেওঁলোকে নতুন সাহিত্য-সৃষ্টিত পথ-প্ৰদৰ্শকৰ ভূমিকা লোৱাৰ সম্ভাৱনা উজ্জ্বল হৈ পৰিব। মোৰ ধাৰণা হয় এই সন্দৰ্ভত অহা দশকটোত সৃজনশীল লেখক সকলে ৰঞ্জিতকুমাৰ দেৱগোস্বামী, প্ৰদীপ আচাৰ্য্য, কবীন ফুকন, ৰাজেন কলিতা, কুমুদ বৰুৱা, ড° ধ্ৰুৱজ্যোতি বৰাৰ পৰা আৰম্ভ কৰি উৎপল দত্ত, মুনীন বায়ন, বিপুলজ্যোতি শইকীয়া গগৈলৈকে, 'তেওঁলোকে সমালোচক হিচাপে কি ভূমিকা গ্ৰহণ কৰিব, তাক আগ্ৰহেৰে নিৰীক্ষণ কৰিব।

# শব্দৰ স্বাধীনতা

**শব্দ, শব্দ, শব্দ,**

সেই শৈশৱতে লিখিত শব্দক আমি ঈশ্বৰৰ মৰ্যাদা দিছিলোঁ, শব্দৰ অৰ্থ বুজা-নুবুজাকৈয়ে তাৰ ওপৰত আৰোপ কৰিছিলোঁ দেৱত্ব। সেয়েহে কোনো কিতাপত হঠাতে পদস্পৰ্শ লাগিলে অথবা কোনো কিতাপ হাতৰ পৰা পিচলি গৈ মাটিত সৰি পৰিলে, সেই কিতাপ সসম্মানে তুলি আনি কঁপাল স্পৰ্শ কৰি তাৰ প্ৰতি নিবেদন কৰিছিলোঁ আমাৰ স্বতঃস্ফূৰ্ত শ্ৰদ্ধা।

সেই শৈশৱত প্ৰচলিত অৰ্থত লেখক নাছিলোঁ তথাপি বিনাদ্বিধাই শব্দকেই দিছিলোঁ ঈশ্বৰৰ সম্মান। শৈশৱৰ ঈশ্বৰ সকলোৰে বাবে শক্তি, ন্যায়, প্ৰেম, আশ্ৰয় আৰু সততাৰ প্ৰশ্নাতীত প্ৰতীক। সময়ৰ লগে লগে, বাস্তৱৰ জটিলতাৰ আলোকত সেই শিশুমনৰ সৰ্বশক্তিমান, নিৰপেক্ষ ঈশ্বৰ শৈশৱৰ সেই ঈৰ্ষণীয় অৱস্থানৰ পৰা বৰ্তমানে অৱশ্যে বহুখিনি বিচ্যুত, কিন্তু লিখিত শব্দ শৈশৱ এৰি অহাৰ ক'ত বছৰ পিছতো, এতিয়াও একেই শ্ৰদ্ধাৰ পাত্ৰ। শব্দ লেখকৰ বাবে হাতে ঢুকি নোপোৱা ঈশ্বৰ নহয়; শব্দই লেখকৰ অস্তিত্ব, জীৱন। কাৰণ তেওঁ লিখে। শব্দৰ অবিহনে লেখকৰ কোনো পৰিচয় নাই। সেই শব্দৰ প্ৰতি অৱমাননা, অসম্মান, কোনো বহিঃশক্তিৰ হস্তক্ষেপ, সন্দৰ্ভত সেয়েহে স্বাভাৱিকতে লেখক স্পৰ্শকতাৰ। আমি আশাকৰোঁ: প্ৰতিজন লেখকেই যেন এই ক্ষেত্ৰত স্পৰ্শকাতৰ হয়, অন্যথাই যিকোনো মুহূৰ্ততে শব্দ হৈ পৰিব পৰাধীন আৰু পৰাধীন শব্দৰে প্ৰকৃত সৃষ্টি সম্ভৱ নহয়।

## পূৰ্ণ সত্যৰ সন্ধান

লেখকক কিয় শব্দৰ স্বাধীনতাৰ প্ৰয়োজন হয়? খুব চুটিকৈ ক'বলৈ গ'লে ক'ব পাৰি: সৃষ্টিৰ পূৰ্ণতাৰ বাবেই লেখকৰ প্ৰয়োজন হয় স্বাধীনতাৰ, নহ'লে শব্দৰ জৰিয়তে লেখকৰ কলমত জীৱনৰ যি চিত্ৰ নিৰ্মিত হ'ব তাত জীৱনৰ সৰ্বাঙ্গীণতা থকাতো সম্ভৱ নহয়। জীৱন আৰু পৃথিৱীৰ সত্য এনে কিছু গোপন কোঠালিত আৱদ্ধ হৈ থাকে, যাৰ ভিতৰত প্ৰৱেশ কৰি সত্যক পূৰ্ণৰূপত উন্মোচন কৰাৰ সামৰ্থ্য থাকে মাথো শিল্পীৰ, লেখকৰ। সেই কোঠালিত প্ৰৱেশাধিকাৰেই যদি বন্ধ কৰি দিয়া যায়, তেনেহ'লে সত্যৰ উন্মোচন হোৱা অসম্ভৱ।

জীৱনক তুলনা কৰিব পাৰি সমুদ্ৰৰ পানীত ভাসমান বিশালাকাৰ বৰফৰ শিলাখণ্ডৰ

লগত। সমুদ্ৰৰ উপৰিভাগত দৃশ্যমান হয় মাথো সেই শিলাখণ্ডৰ নিৰীহ চূড়া, মানুহৰ দৃষ্টিৰ অগোচৰত পানীৰ তলত লুকাই থাকে তাৰ সিংহভাগ; সমুদ্ৰগামী যিকোনো জাহাজৰ বাবেই যি বিপদজনক। জাহাজৰ সকলো যাত্ৰীৰ মঙ্গলৰ খাটিবতে এই কথা কৈ দিয়াৰ প্ৰয়োজন যে সমুদ্ৰপৃষ্ঠৰ ওপৰত দৃশ্যমান বৰফৰ টুকুৰাটোৱেই সেই শিলাখণ্ডৰ পূৰ্ণ অৱয়ৱ নহয়; জলমগ্ন হৈ আছে সেই শিলাখণ্ডৰ বিপদজনক অধোভাগ। সেই জলমগ্ন অধোভাগৰ অস্তিত্ব অস্বীকাৰ কৰা মানেই যিকোনো মুহূৰ্ত্তত ধ্বংসৰ মুখামুখি হোৱাৰ সম্ভাৱনা।

মানুহৰ মঙ্গলৰ খাটিবতে লেখকসকলে বাৰে বাৰে এটা কথাকে বুজাব খোজে যে দৃশ্যমান অংশটোৱেই জীৱন নহয়; ইয়াৰ অন্তৰালতো আছে সত্য। যি সত্যৰ উন্মোচন অবিহনে জীৱনৰ ধ্বংস অনিবাৰ্য। লেখক নিকম্মি নহয়। বোবাও নহয় লেখক। সেয়েহে কোনোবাই বিচাৰক, বা নিবিচাৰক লেখকে ধৰি লয়: জীৱনৰ পূৰ্ণ সত্য উন্মোচন কৰি মানুহক সচেতন কৰাৰ দায়িত্ব ন্যস্ত হৈছে তেওঁৰেই ওপৰত। তেওঁ ক'বই লাগিব। এয়া তেওঁৰ মানৱিক কৰ্তব্য।

অৰ্দ্ধসত্যৰ লগত আপোচ লেখকৰ ধৰ্ম নহয়। পূৰ্ণসত্যৰ আৱিষ্কাৰেই তেওঁৰ সাধনা আৰু লক্ষ্য, কাৰণ পূৰ্ণসত্যৰ জৰিয়তেহে অখণ্ড জীৱনৰ সম্পূৰ্ণ পৰিচয় দাঙি ধৰি লেখক হিচাপে তেওঁৰ মানৱিক কৰ্তব্য পালন কৰাটো সম্ভৱ।

লেখকক শব্দৰ স্বাধীনতা লাগে: লেখক হিচাপে মানুহৰ প্ৰতি কৰ্তব্য পালন কৰিবলৈ। অৰ্দ্ধসত্যৰ সৈতে সহবাস প্ৰকৃত লেখকৰ বাবে সম্ভৱ নহয়। তেওঁ প্ৰকাশ কৰিব খোজে সত্যক। পূৰ্ণসত্যক। হাতত কলম তুলি লোৱাৰ লগে লগে তেওঁ ধৰি লয়—কলম তুলি লোৱাৰ সেই পবিত্ৰ মুহূৰ্ত্তত তেওঁ পঢ়ুৱৈৰ প্ৰতি দিয়া প্ৰতিশ্ৰুতি ভঙ্গ কৰাটোৱেই এজন লেখকৰ বাবে আটাইতকৈ অমাৰ্জনীয় অপৰাধ।

লেখকৰ শব্দৰ স্বাধীনতা লাগে, কাৰণ তেওঁ সেই অপৰাধী হ'ব নোখোজে। নহয়।

## লিখে, কিন্তু লেখক নহয়

এসময়ত হয়তো সকলো শব্দেই আছিল স্বাধীন। এতিয়া সমাজৰ সংস্কাৰ, জনগণৰ আবেগ, ৰাষ্ট্ৰৰ আইন আদি সকলোৱে বিভিন্ন নামাৱলী শৰীৰত পৰিধান কৰি নিয়ন্ত্ৰণ কৰাৰ প্ৰচেষ্টা চলায় লেখকৰ সৃষ্টিক। সমাজৰ বাসিন্দা লেখকসকল, পুত্ৰ-পৰিবাৰ লৈ তেওঁ সমস্যা-জৰ্জৰ, ক্ষুধা-তৃষ্ণাত তেওঁ হৈ পৰে কাতৰ। সৃষ্টিৰ মুহূৰ্তত তেওঁ হয়তো হোৱাৰ সম্ভাৱনা থাকে ঈশ্বৰ-সদৃশ: কিন্তু বাকী সময়ত সংসাৰৰ যাৱতীয় সমস্যাত জৰ্জৰিত তেওঁ এজন পৰনিৰ্ভৰশীল সাধাৰণ মানুহ। বেছিভাগ

সময়তে সমস্যাই সৃষ্টি কৰে ভাকতাৰ, আপোচৰ। সেয়েহে বেছিভাগ লেখকৰেই সৃষ্টি সত্যৰ পৰা বহুত দূৰৈত নিষ্পাপ, ভদ্ৰলোকী লেখা; খুব বেছি হয়তো কেতিয়াবা কাষ চাপি যায় অৰ্দ্ধ-সত্যৰ: তাকেই আমি সুসাহিত্য বুলি চলাই দিওঁ,—বস আৰু ৰূপগত সৌন্দৰ্যৰ থাটিবত।

নিস্তৰঙ্গ, নিৰাপদ জীৱন-নিৰ্বাহৰ প্ৰতি অত্যধিক গুৰুত্ব আৰোপ, জনমতৰ বিৰুদ্ধে গ'লে অশ্ৰদ্ধা আৰু অপমানৰ পাত্ৰ হোৱাৰ সংশয়, কোনো চোকা সমালোচকে থকা-সৰকা কৰিব বুলি ভয়—এই সকলোবোৰ দুৰ্বলতা লৈও এজন সম্মানীয় ব্যক্তি হৈ থকাটো অসম্ভৱ নহয়: কিন্তু সম্ভৱ নহয় এজন প্ৰকৃত লেখক হোৱাৰ।

পৰিৱেশৰ প্ৰতি কোনো প্ৰশ্ন নোহোৱাকৈ, চলিত ৰীতি-নীতি জনগণৰ মত বুলি চলাই দিয়া আৱেগিক ঢৌৰ কোনো বস্তুনিষ্ঠ বিশ্লেষণ নোহোৱাকৈ, কোনো মতৰ প্ৰতি কোনো প্ৰত্যাহ্বান জনোৱাৰ সাহস নোহোৱাকৈয়ে হাতত কলম তুলি লোৱাটোও এক প্ৰকাৰৰ অসাধুতা, কিন্তু এনে অসাধু লেখকেই হয় শত্ৰুবিহীন, মত নিৰ্বিশেষে সকলোৰে প্ৰিয়পাত্ৰ। ৰাজনীতিৰ 'কলুষতা'ৰ দ্বাৰা অস্পৰ্শিত বিতৰ্কৰ ধুমুহাৰ সময়তো দূৰ অৱস্থানৰ বাবে অকম্পিত।

সম্মানীয় ভদ্ৰলোক হোৱাৰ মোহ পৰিত্যাগ কৰিব নোৱাৰাৰ বাবেই তেওঁ অসত্যক আঘাত কৰিবলৈ অসমৰ্থ, ভুল জনমতৰ সম্মুখত তেওঁ নিষ্ক্ৰিয় আৰু আৱেগৰ সোঁতত ভাসমান। ৰাষ্ট্ৰৰ বাবেও এওঁলোক নিৰীহ নিৰাপদ প্ৰাণী; কাৰণ তেওঁলোকৰ কোনো নিজস্বতা নাই।

'শব্দৰ স্বাধীনতা' এনে লেখকৰ বাবে কোনো সমস্যা নহয়, কাৰণ কোনো আলোড়ন সৃষ্টিকাৰী স্বাধীন চিন্তাৰ বাবে তেওঁৰ মগজু সক্ষম নহয়; কলম তেওঁৰ নিৰ্বীজ। শব্দও তেওঁ সৃষ্টিৰ আগতেই চেন্সৰ কৰে প্ৰশংসা বোটলাৰ বাসনা আৰু ব্যক্তিগত ভীৰুতাৰদ্বাৰা।

তেওঁৰ ওচৰত শব্দ অভিশপ্ত, কাৰণ জন্মলগ্নতেই তেওঁৰ সৃষ্ট শব্দই কঢ়িয়াই আনে পৰাধীনতাৰ গ্লানি। তেওঁ লিখে; কিন্তু লেখক নহয়।

## আদৰ্শ আৰু জীৱন

হাতৰ আঙুলিত গণিব পৰা ব্যতিক্ৰম ব্যক্তি কেইগৰাকীমানক বাদ দিলে অসমৰ সাহিত্য জগতত স্বাধীন আৰু মৌলিক চিন্তাৰ পৰম্পৰা মুঠেই আশাব্যঞ্জক নহয়। আলোড়নকাৰী, নতুন চিন্তা বুলি অভিহিত কৰিব বিচৰা বহুতো লিখনিৰ মূল সুৰও প্ৰকৃততে মৌলিক নহয়: পাশ্চাত্য জগতৰ পৰা পোনে পোনে অনূদিত আমদানি।

মাজে মাজে ভাবিবলৈ মন যায় স্বাধীন চিন্তাৰ এই দৈন্যতাৰ লগত যেন আমাৰ

জীৱন-নির্বাহৰ পদ্ধতিৰ ক'ৰবাত এটা মিল আছে। কিছুমান লিখনি লিখিবৰ বাবে সেই বক্তব্যৰ লগত মিল থকা এটা জীৱন-যাপনৰ প্ৰয়োজন হয়, অন্ততঃ মানসিকভাৱে। প্ৰতিবাদী লিখনিৰ বাবে এই কথাষাৰ আৰু বেছি সত্য। যাৰ জীৱন নিৰ্বাহৰ পদ্ধতিত সততা নাই, তেওঁৰ জীৱন-দৰ্শনৰ লগত যদি তেওঁ প্ৰকাশ কৰিব বিচৰা বক্তব্যৰ কোনো মিল নাই, তেনেহ'লে সেই লেখকৰদ্বাৰা প্ৰতিবাদী সাহিত্যৰ সৃষ্টি সম্ভৱ হ'ব বুলি বিশ্বাস নহয়। প্ৰতিবাদী লিখনিৰ বাবে অকল স্বাধীনতাই যথেষ্ট নহয় : তাৰ বাবে প্ৰয়োজন হয় এটা নিজস্ব স্বচ্ছ জীৱন-দৰ্শনৰ, আদৰ্শগত কোনো গভীৰ বিশ্বাস আৰু পৰিস্থিতিৰ নিৰ্মোহ বিশ্লেষণৰ সাহস। এই বিশ্লেষণৰ জৰিয়তে আৱিষ্কৃত সত্য যদি জনমত, ৰাষ্ট্ৰ আনকি তেওঁৰ বিৰুদ্ধেও যায়, তথাপি এজন লেখকে তাক প্ৰকাশৰ সাহস ৰাখিব লাগিব।

ৰাষ্ট্ৰৰ পুৰস্কাৰ, জনগণৰ স্বীকৃতি আৰু সন্ত্ৰাসৰ ভাবুকিয়ে যি লেখকৰ লিখনি সৃষ্টিৰ সময়তে চেন্সৰ কৰে, সেই লেখক ৰাষ্ট্ৰৰদ্বাৰা পূৰ্ণ বাক-স্বাধীনতা ঘোষিত এখন দেশতো কেতিয়াও স্বাধীন নহয়। কাৰণ তেওঁ লিখা কোনো শব্দয়েই প্ৰকৃততে তেওঁ নিজে লিখা নহয় : অদৃশ্য হাতে নিয়ন্ত্ৰণ কৰে তেওঁৰ সৃষ্টি।

স্বাধীন দেশতো তেওঁৰ শব্দ সেয়েহে স্বাধীন নহয়। পৰাধীন।

শব্দৰ স্বাধীনতা কোনো কোনো লেখকৰ বাবে কোনো সমস্যা নহয়, কাৰণ ৰাষ্ট্ৰ অথবা সমকালক আঘাট কৰিব পৰা মৌলিক চিন্তাৰ আৱিষ্কাৰৰ তেওঁৰ সামৰ্থ্য নাই, কোনো কোনো লেখকৰ স্বাধীনতা দিলেও তেওঁ স্বাধীন নহয় ; কাৰণ তিৰস্কাৰ,বা পুৰস্কাৰ, ৰাজদণ্ড অথবা ৰাজ-অনুগ্ৰহৰ ওচৰত শব্দক বন্ধকত থৈহে এই শ্ৰেণীৰ লেখকে সন্তুষ্টি পায়।

ইয়াৰ বাহিৰেও আৰু কিছু লেখক আছে, শব্দৰ স্বাধীনতা যাৰ বাবে জীৱন মৰণৰ সমস্যা। কাৰণ, তাৰ ওপৰতেই নিৰ্ভৰ কৰিছে তেওঁ এজন লেখক হিচাপে জীয়াই থাকিব নে নাই। লিখা তেওঁৰ জীৱিকা নহয়, লিখা তেওঁৰ চখও নহয় ; লিখাই এনে লেখকৰ জীৱন।

কোনে হৰণ কৰে এনে লেখকৰ স্বাধীনতা ?

### জনমত আৰু লেখক

জনমতো সকলো সময়তে লেখকৰ স্বাধীনতাৰ পক্ষত নহয়। আনকি যি সত্য আৰু নিৰ্মোহ বিশ্লেষণ সামগ্ৰিকভাৱে মানুহৰ বাবে মঙ্গলময়, তাৰ প্ৰকাশৰ স্বাধীনতাও প্ৰবল জনমতে খৰ্ব কৰাৰ প্ৰচেষ্টা চলোৱাৰ নজীৰ ইতিহাসত নোহোৱা নহয়।

সমাজ মানেই ব্যক্তি স্বাধীনতাৰ পৰিপন্থী-ইয়ান সৰলীকৰণ আমি বিশ্বাস নকৰোঁ।

কিন্তু এই কথাও মানি ল'বলৈ আমি প্ৰস্তুত নহয় যে জনমত প্ৰশ্নাতীত আৰু তাৰ ওপৰত কোনো সত্যৰ অস্তিত্ব সম্ভৱ নহয়।

সমকালৰ পঢ়ুৱৈৰ ওচৰত তিৰস্কৃত, অপমানিত, নিৰ্যাতিত অজস্ৰ মহৎ লেখকৰ কালজয়ীতাই প্ৰমাণ কৰে যে, জনমত সকলো সময়তে শুদ্ধ নহয়। অশুদ্ধ, আৱেগ চালিত অথবা ক্ষুদ্ৰ স্বাৰ্থৰদ্বাৰা ভুল পথে পৰিচালিত জনমতেও কেতিয়াবা হৰণ কৰে লেখকৰ বাক্-স্বাধীনতা। সমসাময়িক পঢ়ুৱৈৰ বিতৃষ্ণাক ভয় নকৰা লেখক খুব কমেইহে আছে। পঢ়ুৱৈৰ অসহযোগিতা, অশ্ৰদ্ধা, অপমান, অপ্ৰিয়তাৰ ভয়তো বহুতো লেখকে জনগণৰ মত কেতিয়াবা ভুল জানিও জনগণৰ লগত সন্ধি কৰিবলৈ আৰম্ভ কৰি দিয়ে। জনপ্ৰিয়তা তেওঁ অৰ্জন কৰে: কিন্তু হৰণ হয় তেওঁৰ শব্দৰ স্বাধীনতা। জনপ্ৰিয় হোৱাতো লেখকৰ বাবে অপৰাধ নহয়: অপৰাধ জনপ্ৰিয়তাৰ খাতিৰত নিজৰ বক্তব্য চেন্সৰ কৰাটো।

তাৰ মাজতো এনে কিছু লেখক থাকে, যিয়ে গভীৰভাৱে বিশ্বাস কৰে যে তেওঁ যি লিখিবলৈ লৈছে, তাৰ প্ৰতিটো শব্দতে নিহিত হৈ আছে সত্য আৰু মানুহৰ মঙ্গলৰ বাণী? আৰু এই কথাটোতো তেওঁৰ বিশ্বাস আছে যে সেই বক্তব্য অবিকৃত আৰু আপোচহীনভাৱে জনগণৰ অসম্মান, অশ্ৰদ্ধা, আৰু অপ্ৰিয়তা সত্বেও প্ৰকাশ কৰি যোৱাটোৱেই লেখক হিচাপে তেওঁৰ ধৰ্ম। লিখনি অকল বৰ্তমানৰ পৰিধিতে সীমাবদ্ধ নহয়; এয়া বৰ্তমানৰ বাবেও আৰু ভৱিষ্যতৰ বাবেও। সেয়েহে বৰ্তমানৰ জনগণৰ অপ্ৰিয়ভাজন হৈও তেওঁ অবিচল হৈ থাকে নিজৰ বক্তব্যত। তাৰ বাবে তেওঁৰ ক্ষতি নোহোৱা নহয়; কিন্তু তেওঁৰ বাবে গৌৰৱ আৰু সন্তুষ্টিৰ কথা হ'ল: তাৰ পিছতহে প্ৰকৃততে তেওঁ জীয়াই থাকিবলৈ আৰম্ভ কৰে এজন প্ৰকৃত লেখক হৈ।

শব্দৰে সৌন্দৰ্য সৃষ্টিৰ প্ৰতিভাই এজন লেখকৰ বাবে যথেষ্ট নহয়; লিখাটো অৱসৰৰ সময়ত শব্দৰ যাদুৰে পঢ়ুৱৈৰ মনোৰঞ্জন সাধন কৰি সন্তুষ্টি লভাৰো এক প্ৰক্ৰিয়া নহয়; বা আজৰি সময়ৰ সৎ ব্যৱহাৰৰ জৰিয়তে নিৰীহ উপায়েৰে এই অৰ্থসংকটৰ সময়ত কেইটামান উপৰি টকা অৰ্জনৰ পথও নহয়: লিখনি তাৰ বহু বেছি উৰ্দ্ধত আৰু যিয়ে এই কথা হৃদয়ংগম কৰিব পাৰে তেওঁ জানে লেখক হ'বলৈ প্ৰতিটো শব্দৰ সৃষ্টিৰ মুহূৰ্ততে সত্যৰ বাবে মৃত্যু-পণ কৰাৰ সাহসৰ প্ৰয়োজন। উদাহৰণ বিচাৰি আইন দেশলৈ যোৱাৰ প্ৰয়োজন নাই। সততা, সাহস আৰু প্ৰতিভাৰ কি দুৰ্লভ সমন্বয়েহে প্ৰকৃততে এজন প্ৰকৃত লেখকৰ সৃষ্টি কৰে, সেই কথা হৃদয়ংগম কৰিবলৈ ভ' হীৰেন গোঁহাইৰ লিখনিৰ ওপৰত এবাৰ চকু ফুৰালেই হ'ল। কৃৎসা ৰটনা, ভাবুকি আনকি শাৰীৰিকভাৱে প্ৰহৃত হোৱাৰ পিছতো লেখক হিচাপে যি ঐকান্তিক সততা আৰু সাহসৰ তেখেতে পৰিচয় দি আছে, সেয়া অতুলনীয়। কাৰোবাৰ সাহস থাকে, কিন্তু সততা

নাথাকে ; কাৰোবাৰ সততা থাকে, কিন্তু প্ৰতিভা নাথাকে, ড° গোহাঁই এই তিনিওৰে সমন্বয়। ড° গোহাঁইৰ বিষয়ে এই মন্তব্য মানি ল'বলৈ তেখেতৰ সকলো মতামত সমৰ্থন কৰাৰ প্ৰয়োজন নাই।

ভুল জনমতৰ প্ৰবল হৈচাৰ মাজতো এজন স্বাধীন লেখক হিচাপে বৰ্তি থাকিবলৈ এজন লেখকৰ প্ৰয়োজন হয় : সততা, সাহস আৰু প্ৰচণ্ড আত্মবিশ্বাসৰ। যাৰ এই তিনিওটা গুণ নাই তেওঁও সমাজৰ সঙ্কট-কালত অগ্নিবৰ্ষী শব্দৰ সৃষ্টি কৰিব, কিন্তু সেয়া তেওঁৰ নিজস্ব শব্দ নহয় ; জনমতৰ আৱেগত উকৰি অহা সেই শব্দ ; আৱেগ হ্ৰাস পোৱাৰ লগে লগে সেই শব্দৰ অগ্নিশিখাও স্তিমিত হয় অথবা বং সলায়।

এনে শব্দ প্ৰতিবাদী হৈও, প্ৰকৃততে প্ৰতিবাদী নহয় ; কাৰণ তাত সততাৰ সৌৰভ নাই।

আৱেগৰদ্বাৰা পৰিচালিত হৈ জনগণেও যে কেতিয়াবা সত্যৰ প্ৰকাশ আৰু মানুহৰ মঙ্গলৰ অৰ্থে হাতত কলম তুলি লোৱা লেখকৰ স্বাধীনতাতো হস্তক্ষেপ কৰাৰ বাবে উদ্যত হয়, তাৰ অজস্ৰ উদাহৰণেৰে ইতিহাস ভৰি আছে। অসমতো এনে উদাহৰণ বিৰল নহয়। হয়তো এনে এক ৰুদ্ধশ্বাস পৰিৱেশত আৱেগৰ চাপ সহ্য কৰিব নোৱাৰিয়েই পুণ্ডৰীকাক্ষ ভৱানীৰ দৰে কবিয়ে নিজেই নিজৰ জীৱনৰ অৱসান ঘটাইছিল, বহুতো শব্দৰ সৈনিকৰ তৰোৱাল লেতুসেতু হৈ পৰিছিল, বুদ্ধিমানসকলে ধোঁৱাচ্ছন্ন কৰি তুলিছিল তেওঁলোকৰ বক্তব্য অথবা সাৱটি লৈছিল সাত্বিক নীৰৱতা।

## লেখক আৰু লেখক

এয়া গ'ল জনগণৰ কথা। কিন্তু লেখকসকলেই লেখকক শব্দৰ স্বাধীনতা দিয়াৰ বাবে প্ৰস্তুত নে ? লেখকৰ বন্ধনহীন স্বাধীনতাৰ বিৰোধিতা কৰি সত্তৰ ৰবীন্দ্ৰ নাথেও ক'বৰাত কৈছিল যে দুই প্ৰান্তৰত বন্ধনেৰে বন্দী বাবেই বীণাৰ তাঁৰত বাজি উঠে সুৰৰ মুক্তি। নিজৰ মুক্তিৰ বাবে যদি তাঁৰে এই বন্ধনৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰে, তেনেহ'লে তাৰ পৰিণতিত সুৰ বন্দী হ'ব নিঃশব্দতাৰ জড়তাত।

টি. এছ ইলিয়টেও ব্যক্তিৰ মুক্ত চিন্তাৰ বিৰোধিতা কৰাৰ ইংগিত আছে। পাষ্টাৰ-নকৰ ড° ঝিভাগোক চুইডিছ একাডেমীয়ে পুৰস্কৃত কৰিবলৈ উদ্যত হোৱাৰ মুহূৰ্ততে ছোভিয়েত লেখক সংঘৰদ্বাৰা বহিষ্কৃত হৈছিল লেখক পাষ্টাৰনক। আমাৰ দেশতো ৰুছদীৰ বিতৰ্কিত গ্ৰন্থ চাটানিক ভাৰ্ছেছ নিষিদ্ধ কৰাৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰিছিল বহুতো প্ৰসিদ্ধ লেখকে। বহুতে হয়তো ক'ব পাৰে যে মৌলবাদী অথবা বাট্ৰিৰ প্ৰত্যক্ষ বা পৰোক্ষ হৈচাৰ বাবেই লেখকসকলে এই নিষিদ্ধকৰণৰ বাবে মত প্ৰকাশ কৰিছিল। দুই এজনৰ ক্ষেত্ৰত এই কথা হয়তো সঁচা হ'বও পাৰে, কিন্তু তাৰ মাজতো নিশ্চয় এনে

কিছু লোক আছিল যিয়ে সঁচাকৈয়ে তেওঁৰ বিশ্লেষণ আৰু বিবেকেৰে বিশ্বাস কৰে যে চাটানিক ভাৰ্চে'ছ নিষিদ্ধ কৰি উচিত কামকেই কৰা হৈছে। লেখকৰ স্বাধীনতাত হস্তক্ষেপ কৰাৰ সপক্ষে এইলোকৰ যুক্তি কি?

নিষিদ্ধকৰণৰ সপক্ষে মতামত দিয়া বেছিভাগ বক্তব্যৰ মুল সাৰাংশ আছিল: পৰিৱেশ যেতিয়া তীব্ৰভাৱে স্পৰ্শকাতৰ, উত্তেজনা আৰু সংঘৰ্ষৰ সম্ভাৱনা য'ত প্ৰৱল, তাত সামাগ্ৰিক মঙ্গলৰ খাটিৰতে বাক্-স্বাধীনতাৰ অবাধ স্বীকৃতি দানৰ ক্ষেত্ৰত প্ৰভূত সতৰ্কতা অৱলম্বনৰ প্ৰয়োজন। তেওঁলোকে ক'ব খুজিছিল যে বিস্ফোৰণমুখী হৈ পৰা পৰিৱেশত এই কিতাপখনৰ প্ৰচলনে সমগ্ৰ দেশতে এক হিংসাশ্ৰয়ী বিশৃঙ্খলতাৰ সৃষ্টি কৰি নিৰীহ মানুহৰ প্ৰাণহানি কৰাৰ সম্ভাৱনা আছে। এই সকলে আজিও আঙুলিয়াই দিব খোজে, ৰাষ্ট্ৰই সমাজকল্যাণৰ বৃহত্তৰ স্বাৰ্থৰ খাটিৰত ৰুশদীৰ গ্ৰন্থৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰি যে সঠিক কাজেই কৰিছিল সেই কথা প্ৰমাণিত হয় কাশ্মীৰ, বোম্বেত ৰুশদী বিক্ষোভক কেন্দ্ৰ কৰি কিছু নিৰীহ আৰু নিৰ্দোষ মানুহৰ প্ৰাণহানিৰ ঘটনাই।

যি দেখে তাকেই লিখিব লাগিব লেখকে। মানুহৰ মঙ্গলৰ অৰ্থে সত্যৰ উন্মোচনৰ বাবে প্ৰয়োজন হোৱা লেখকৰ এই শব্দৰ স্বাধীনতাৰ হয়তো কোনো লেখকে বিৰোধিতা নকৰিব। কিন্তু এনে লেখকো বহুতো আছে যিয়ে বিস্ফোৰণমুখী, স্পৰ্শকাতৰ পৰিৱেশত কোনো লেখকে এটা বিশেষ লক্ষ্য গ্ৰহণ কৰি, ৰাইজক তাকে মাথো গ্ৰহণ কৰিবলৈ আহ্বান জনাই থকাৰ স্বাধীনতাৰ সপক্ষে থাকিবলৈ টান পাব। বিশেষকৈ পৰিৱেশৰ স্পৰ্শকাতৰতাৰ বাবে পৌনঃপুনিক এই আহ্বানে যদি নিৰীহ লোকৰ সঙ্কট, প্ৰাণহানিৰ সম্ভাৱনা প্ৰবলতৰ কৰি তোলে।

এইখিনিতে এটা কথা উল্লেখ কৰাটো উচিত হ'ব যে সৃজনশীল আৰু মৌলিক চিন্তাৰ ক্ষমতা থকা লেখকে সঞ্চিত অভিজ্ঞতা, মন আৰু মননৰ উপলব্ধি, বৌদ্ধিক বিশ্লেষণেৰে সত্য উন্মোচন কৰি নতুন চিন্তাধাৰা প্ৰকাশৰ ক্ষেত্ৰত তুলনামূলকভাৱে আজিৰ যুগত লেখাৰ স্বাধীনতাৰ প্ৰশ্নটো সঘনাই উত্থাপিত নহয়, উত্থাপিত হয় সাংবাদিক ধৰ্মী লিখনিৰ সমস্যতহে।

সৃজনশীল সাহিত্যক একাষৰীয়া কৰি থৈ সেয়েহে প্ৰয়োজন আছে বৰ্তমানৰ আটাইতকৈ বিতৰ্কমূলক সাংবাদিক ধৰ্মী লিখনিৰ স্বাধীনতাৰ প্ৰশ্নটো সূক্ষ্ম দৃষ্টিভংগীৰে বিচাৰ কৰাৰ। নিঃসন্দেহে এই বিচাৰ হ'ব লাগিব যৌক্তিক: আৱেগিক নহয়।

## সাংবাদিক আৰু শব্দৰ স্বাধীনতা

সাংবাদিকসকলে নিজৰ কলিজাৰ ওপৰত হাত থ'ব লাগিব আৰু সাধাৰণতম দিশ

নোহোৱাকৈ নিজকে প্ৰত্যয় নিয়াব পাৰিব লাগিব যে, তেওঁ মানুহৰ মঙ্গলৰ খাতিৰত সত্য উন্মোচন কৰাৰ অৰ্থেহে লিখি আছে। যদিহে সততাৰ এই একক পৰীক্ষাত নিজৰ বিচাৰত সঁচাকৈয়ে তেওঁ উত্তীৰ্ণ হ'ব পাৰিছে, তেনেহ'লে তেওঁ যি লিখিছে, তাৰ প্ৰকাশৰ স্বাধীনতা তেওঁৰ প্ৰাপ্য আৰু এই স্বাধীনতাত যদি কোনো শক্তিয়ে হস্তক্ষেপ কৰে, তেনেহ'লে তাৰ প্ৰতিবাদ জনাই তেওঁ যি শব্দৰ স্বাধীনতাৰ দাবী জনাব, সেই দাবীৰ প্ৰতি সমৰ্থন অন্ততঃ তেওঁ সতীৰ্থৰ পৰা পোৱা উচিত। লেখক বা সাংবাদিক-সকলে অকল তেতিয়াহে সবল হ'লে নহ'ব, যেতিয়াই বাধাগ্ৰস্ত হয় তেওঁৰ নিজস্ব লিখনিৰ প্ৰকাশ। শব্দৰ স্বাধীনতাৰ দাবীৰে প্ৰকৃততে সেই মতামত প্ৰকাশৰ স্বাধীনতাহে দাবী কৰা হয়, যি মতামত নিজৰো বিপক্ষে যায়। চৰিত্ৰহননৰ জৰিয়তে ভিন্ন মতাৱলম্বী লোকক অসম্মান প্ৰদৰ্শন স্বাধীনতাৰ কথা কোৱা লেখকৰ বাবে এক নৈতিক অপৰাধ, কাৰণ এয়া পৰোক্ষভাৱে শব্দৰ স্বাধীনতাৰ প্ৰতি অসহিষ্ণুতা আৰু অশ্ৰদ্ধা প্ৰদৰ্শনৰেই দুৰ্ভাগ্যজনক নিদৰ্শন।

যিয়ে অইনৰ স্বাধীনতাৰ প্ৰতি অসম্মান প্ৰদৰ্শন কৰিবলৈ কুণ্ঠিত নহয়, তেওঁ নিজেই নিজৰ স্বাধীনতাৰ অধিকাৰ হেৰুৱাই পেলায়। লেখক অথবা সাংবাদিক সকলো এই সত্যৰ ব্যতিক্ৰম হোৱাৰ উপায় নাই। স্বাধীনতা জন্মস্বত্ব, হেৰুৱালে পুনৰ অৰ্জন কৰিব লাগে, অৰ্জনৰ পিছত প্ৰয়োজন হয় সংৰক্ষণৰ আৰু সংৰক্ষণৰ বাবেই প্ৰয়োজন হয় কিছু সংযম আৰু প্ৰচণ্ড সততাৰ।

সাংবাদিক সকলেই তিনি দশকৰ আগতে গঠন কৰা 'দি প্ৰেছ ইনষ্টিটিউট অৱ ইণ্ডিয়াই' অৰ্দ্ধ-সত্য বাতৰি পৰিৱেশন কৰা সন্দৰ্ভত সাংবাদিকসকলক সতৰ্ক কৰি দি অলপতে কয় যে, ভাৰতীয় সমাজত সাংবাদিকতাৰ বৃত্তিগত মানৰ পতন ঘটাৰ অন্তৰালত আছে পক্ষপাতিত্বমূলক বাতৰি পৰিৱেশন। প্ৰেছ ইনষ্টিটিউটৰ সঞ্চালক আৰু প্ৰখ্যাত সাংবাদিক আৰ এছ নিহাল সিঙে মত প্ৰকাশ কৰে যে 'ৰাজনৈতিক অনুপ্ৰেৰণা থকা বাতৰি পৰিৱেশন' কৰা সাংবাদিক সকলে সাংবাদিকতা বৃত্তি ত্যাগ কৰি ৰাজনীতিত যোগদান কৰাহে উচিত।

নিহাল সিঙৰ এই মন্তব্যই আমাক উপনীত কৰায়হি অন্য এক বিতৰ্কমূলক প্ৰশ্নৰ সম্মুখত : লেখক বা সাংবাদিকৰ ৰাজনৈতিক পক্ষ লোৱা উচিত হয় নে নহয়, আৰু তেওঁৰ সংবাদ পৰিৱেশন অথবা লিখনি ৰাজনৈতিক পক্ষপাতিত্বমূলক কৰাৰ তেওঁৰ অধিকাৰ আছে নে নাই।

**শব্দ আৰু সংগঠন**

নিঃসন্দেহে যিসকলে পক্ষপাতিত্বৰ এই অধিকাৰ দাবী কৰে, তেওঁলোকে ১৯০৫

জনত, লেনিনৰ কণ্ঠত প্ৰথম উচ্চাৰিত শিল্প-সাহিত্যৰ ক্ষেত্ৰত 'কমিটমেণ্ট টু পাৰ্টি আইডিঅ'লজি'ৰ যুক্তিৰেই অধিকাৰ সাব্যস্ত কৰাৰ প্ৰয়াস কৰিব।

শিল্প-সাহিত্যৰ ব্যাপকতা, শিল্পৰ আবেদনৰ সাৰ্বজনীনতা এটা পাৰ্টিৰ সংকীৰ্ণ পৰিধিৰ মাজত সঙ্কুচিত কৰিবলৈ চেষ্টা চলোৱা বুলি প্ৰথমৰ পৰাই এই অভিমতৰ সমালোচনা চলি আহিছে। তাৰ জেৰ আজিও অন্ত পৰা নাই।

আৰ্নেষ্ট ফিশাৰ, আৰ্নলড্ কেট্‌লে শিল্পতত্ত্বত মাৰ্ক্সবাদী হৈও মন্তব্য কৰিছে যে শিল্প কোনো নিৰ্দিষ্ট আইডিঅ'লজিৰদ্বাৰা প্ৰভাৱিত হোৱা উচিত নহয়। ফিশাৰে ক'ব খোজে যে বাস্তৱক কোনো আইডিঅ'লজিৰ চকুৰে চাবলৈ তেওঁ ৰাজি নহয়।

ইয়াৰ উত্তৰত প্ৰকৃত মাৰ্ক্সবাদী সকলে যি যুক্তি দাঙি ধৰিব খোজে সেয়াও কিন্তু কম শক্তিশালী নহয়। তেওঁলোকে যুক্তিপূৰ্ণভাৱেই প্ৰশ্ন কৰে যে বাস্তৱ কি, ইডিঅ'-লজিয়েই বা কি? ইডিঅ'লজি বাস্তৱৰ পৰা স্বতন্ত্ৰ হোৱাটো সম্ভৱ জানো? এই দুটা শব্দৰ মাজত সম্পৰ্কটোৱেই বা কি? মানুহৰ সন্মুখত যি চেতনা নিৰপেক্ষ বাস্তৱ জগতখন আছে, তাৰ নীতি নিয়ম জানি, মানুহৰ চাহিদা আৰু প্ৰয়োজন অনুযায়ী বাস্তৱক পৰিৱৰ্তন কৰাৰ বাবে যি সংগ্ৰাম, সেয়েই প্ৰকৃততে মানৱ জীৱন। এই সংগ্ৰামক সঠিক পথেৰে, সঠিক পদ্ধতিৰে পৰিচালিত কৰি সফল কৰি তুলিবৰ বাবে মানুহক বাস্তৱ সম্পৰ্কে এটা কাৰ্যকৰী দৃষ্টিভঙ্গী গ্ৰহণ কৰাৰ অনিবাৰ্য প্ৰয়োজন হয়। বাস্তৱ সম্পৰ্কে মানুহৰ এই দৃষ্টিভঙ্গীয়েই মানুহৰ ইডিঅ'লজি। কোনো এটা ইডিঅ'-লজিৰ আলম নোলোৱাকৈ বাস্তৱক বিশ্লেষণ কৰাৰ যি এটা ধাৰণা ফিশাৰে দিব খোজে, সেয়েহে সেয়া প্ৰকৃততে এক ধৰণৰ পলয়ানবাদ অথবা নিষ্ক্ৰিয়তাৰেই নামান্তৰ।

লেনিনে কোৱাৰ দৰে পাৰ্টিক শ্ৰেণীৰ প্ৰতিনিধি হিচাপে মানি লৈ হয়তো এই বক্তব্য তাত্ত্বিক দিশত সমৰ্থন জনোৱাৰ যৌক্তিকতা বিচাৰি পোৱা যায়, কিন্তু বৰ্তমানৰ বাস্তৱ ক্ষেত্ৰত পাৰ্টি, সংস্থা বা সংগঠনৰ প্ৰতি সমালোচনাহীন পক্ষপাতিত্ব দেখুৱাবলৈ যোৱাৰ সময়ত ছাত্ৰেৰ পাৰ্টি সম্পৰ্কীয় ধাৰণাৰ কথাও মনলৈ অনাটো উচিত হ'ব। ছাত্ৰেই পাৰ্টিৰ প্ৰতি বিৰাগ ব্যাখ্যা কৰি শেষ বয়সত শয্যাগত অৱস্থাত কৈছিল—"প্ৰত্যেক পাৰ্টিয়েই অপৰিহাৰ্যভাৱে নিৰ্বোধ। কাৰণ তাৰ আইডিয়াবোৰ আহে ওপৰ মহলাৰ পৰা কিন্তু এনেকুৱা এটা আকাৰ লয় যেন এয়া তলৰ মানুহখিনিয়ে যি চিন্তা কৰিছে তাৰেই ৰূপ। এটা আইডিয়াক মূঢ় বনাবৰ বাবে এয়াই উৎকৃষ্ট উপায়। এই কাৰণে কুৰি বছৰ বয়সৰ পৰাই মোৰ পাৰ্টিৰ ধাৰণাটোৱেই বিসদৃশ লাগে। এটা কথা স্বীকাৰ কৰিব লাগিব যে এটা পাৰ্টিৰ কোনো সত্য নাই, আৰু যে কিবা সত্য আছে

সেই কথাও পাৰ্টিয়ে চিন্তা নকৰে। পাৰ্টিৰ কিছুমান অভিপ্ৰায় থাকে আৰু কোনো এটা পথেৰে সি অগ্ৰসৰ হয়।"

ইয়াৰ অৰ্থ এইটো হোৱা উচিত নহয় যে সাহিত্য অথবা শিল্প হ'ব লাগিব ৰাজনীতিৰ স্পৰ্শবিহীন: সেয়া হ'ব এক অবাস্তৱ কল্পনা। ৰাজনৈতিক আদৰ্শৰ প্ৰতি বিশ্বাস আৰু সেই আদৰ্শৰ আলোকেৰে যদি লিখনি সমুজ্জ্বল হৈ উঠে, তেনেহ'লে তাত আপত্তি কৰিবলগীয়া নাই, আপত্তি হোৱাটো স্বাভাৱিক যদিহে এই বিশ্বাসে অন্ধ আনুগত্যৰ সৃষ্টি কৰি অন্য যিকোনো মতকে ভুল বুলি তাৰ প্ৰকাশৰ স্বাধীনতাকে খৰ্ব কৰাৰ প্ৰয়াস কৰে, আপত্তি উঠাটো স্বাভাৱিক যদি এই আনুগত্যই আনি দিয়া বাধ্য-বাধকতাই চেন্সৰ কৰে এজন লেখকৰ লিখনি, ধূসৰ কৰি তোলে সত্যৰ প্ৰতি তেওঁৰ দৃষ্টি, ভোঁটা কৰি দিয়ে তেওঁৰ সমালোচনাৰ কলম। আদৰ্শৰ প্ৰতি অন্ধ-বিশ্বাসী সকলৰ চৰিত্ৰ বিশ্লেষণ কৰি বৰদলৈয়ে লিখিছে—The true believer knows that he is simply right, and you are wrong He will seek to convert you, even by force, and if he cannot he will, at the very least, despise you for your unbelief. Faith must ultimately, be a leap in the dark.

এটা সময়ত 'শতপুষ্প বিকশিত হওক, শত চিন্তাৰ প্ৰতিযোগিতা চলক' এই ধ্বনি কিয় দিয়া হৈছিল তাৰ কাৰণ ব্যাখ্যা কৰিবলৈ গৈ মাও-চে-টুঙেও কৈছিল—"যদি প্ৰশাসনিক ব্যৱস্থাৰদ্বাৰা শিল্পৰ কোনো বিশেষ ৰীতি বা বিশেষ চিন্তাধাৰাক জোৰ কৰি জাপি দি অন্য চিন্তাক নিষিদ্ধ কৰা হয়, তেতিয়াহ'লে সেয়া শিল্প বা বিজ্ঞানৰ বাবে ক্ষতিকৰ হ'ব বুলিয়েই মই বিশ্বাস কৰোঁ।"

লেনিন-ষ্টেলিনৰ দেশত সত্যসন্ধী লেখক অথবা সাংবাদিকৰ অৱস্থা যে মাও-চে-টুঙৰ এই বক্তব্যই নিয়ন্ত্ৰণ কৰা নাছিল, সেই কথা বুজিবলৈ কঠিন নহয়। বৰুৱা বৰদলৈৰ 'বিশুদ্ধ বিশ্বাসী' ( True beleiver )-ৰ বিশ্লেষণতহে ইয়াৰ কিছু ব্যাখ্যা বিচাৰি পোৱা যায়। বৰদলৈৰ এই মতৰ জৰিয়তে অসমৰ উগ্ৰপন্থীৰ শব্দৰ স্বাধীনতা সম্পৰ্কীয় অৱস্থান বিচাৰ কৰি চালে সহজতে বোধগম্য হয় কমলা শইকীয়াৰ হত্যাৰ ৰহস্য। ভিন্ন মতাৱলম্বীৰ প্ৰতি অবিশ্বাস্য ভাবুকি, সাংবাদিকৰ স্বাধীনতাত হস্তক্ষেপৰ কাৰণ এনে এক চৰিত্ৰৰ বাবেই উগ্ৰপন্থীও হয় লেখকৰ কণ্ঠৰোধ কৰিবলৈ সাজু হৈ থোৱা প্ৰসাৰিত হাত।

এই কথাও অৱশ্যে ঠিক যে শব্দৰ স্বাধীনতাৰ খাটিৰতে লেখক অথবা সাংবাদিকৰ নিজ বিচাৰ বুদ্ধি, বিবেচনাৰে যদি তেওঁ প্ৰত্যয় যায় যে কোনো এক বিশেষ পৰিৱেশত উগ্ৰপন্থাৰ বাহিৰে ৰাজ্যৰ মঙ্গলসাধনৰ আৰু কোনো বিকল্প পথ নাই, তেনেহ'লে তাৰ পক্ষ লোৱাৰ স্বাধীনতা তেওঁক দিব লাগিব। শব্দৰ স্বাধীনতা সদায়ে সৰ্বসাপেক্ষ—

এয়া কেৱল সত্য উন্মোচন আৰু মানুহৰ মঙ্গল সাধনৰ বাবে। ৰাজনৈতিক আদৰ্শৰে অনুপ্ৰাণিত কোনো সংগঠনৰ পক্ষ লোৱাৰ পিছতো লেখক বা সাংবাদিকে মনত ৰাখিব লাগিব লেখকৰ দায়িত্ব সম্পৰ্কত ছাত্ৰেই কোৱা সেইষাৰ কথা : তেওঁ এজন এনেকুৱা মানুহ হ'ব লাগিব যিজন এটা সামাজিক আৰু ৰাজনৈতিক আদৰ্শৰ প্ৰতি বিশ্বাসী, কিন্তু কেতিয়াও এই আদৰ্শক সমালোচনা কৰিবলৈ এৰিব নালাগিব। যদিহে সমালোচনা নোহোৱাকৈ কোনো সংস্থাৰ প্ৰতি আনুগত্য দেখুওৱা হয় তেনেহ'লে তাৰ পৰা একো ভাল ফল আহিব নোৱাৰে। যদি সেইটোৱেই হয় তেনেহ'লে তেওঁক মুক্ত মানুহ বুলি ক'ব নোৱাৰি।

ছাত্ৰেৰ এই বক্তব্যৰ আশ্ৰয় লৈ এতিয়া জোৰকৈয়ে কথা ক'ব পাৰি যে লেখক বা সাংবাদিক সকলে, শব্দৰ স্বাধীনতাৰ প্ৰতি থকা তেওঁলোকৰ সম্মানৰ বাবেই প্ৰতীকী প্ৰতিবাদ ৰূপে সেই দল বা সংগঠনৰ পক্ষ লোৱা উচিত নহয়, যি দল বা সংগঠনে ভিন্ন মতাৱলম্বী লোকৰ প্ৰকাশৰ স্বাধীনতা খৰ্ব কৰিবলৈ উদ্যত হয়।

## শব্দৰ প্ৰতিবাদ

মাৰ্ক্সৰ প্ৰতি সম্মান জনাই লেখকৰ সৃষ্টিত ফুটি উঠা পক্ষপাতিত্ব সম্পৰ্কত এটা কথা ক'ব পাৰি যে লেখকে যদি নিজৰ মত পঢ়ুৱৈৰ ওপৰত জোৰ কৰি জাপি দিয়াৰ বাবে কাৰচাজি নথটায়, অন্য মত মাত্ৰেই প্ৰকাশৰ স্বাধীনতা খৰ্ব কৰাত যদি তেওঁ ভাগ নলয়, তেওঁৰ মত যদি তেওঁৰ সৃষ্টি স্বতঃস্ফূৰ্ত আৰু অনিবাৰ্যভাৱেই স্ফুৰিত হয়, তেনে-হ'লে তাত আপত্তি কৰিব লগীয়া নাই। এই বিষয়ে এঙ্গেলসে এখন উপন্যাসৰ আলোচনা প্ৰসঙ্গত কৰা মন্তব্যও প্ৰণিধানযোগ্য······"মই ভাবো, পৰিস্থিতি আৰু চৰিত্ৰসমূহৰ কাৰ্য-কলাপৰ মাজেৰে স্বতঃস্ফূৰ্তভাৱেই এই পক্ষপাত প্ৰকাশ পোৱা উচিত। যি সামাজিক বিৰোধৰ চিত্ৰ অঙ্কন কৰা হয় তাৰ ভৱিষ্যত, ঐতিহাসিক সমাধান লেখকে পঢ়ুৱৈৰ ওপৰত জাপি দিয়াতো উচিত নহয়।"

ৰাজভোগ নিষ্কণ্টক কৰাৰ বাসনাই নিয়ন্ত্ৰণ কৰে লেখক আৰু সাংবাদিকৰ সৈতে ৰাষ্ট্ৰৰ সম্বন্ধ। ক্ষমতালিপ্সা চৰিতাৰ্থ কৰাৰ বাবে ৰাষ্ট্ৰই লৈ অহা অগণতান্ত্ৰিক ভূমিকাৰ বাবেই দেশে দেশে বিভিন্ন সময়ত ৰাষ্ট্ৰযন্ত্ৰ নাযাভাৱেই চিহ্নিত হৈ আহিছে শব্দৰ আটাইতকৈ বিপদজনক শত্ৰু বুলি।

কেনিয়াৰ নগুগি, পশ্চিম আফ্ৰিকাৰ নোবেল পুৰস্কাৰ বিজয়ী ওলে সোইংকাই নিজৰ দেশত শব্দৰ বাবেই জেলখানাত সময় কটাই আহিছে প্ৰশাসনিক স্বাৰ্থৰ নিৰ্দেশত। উপন্যাস, নাটক আৰু শিশু সাহিত্যৰ কুৰিখন গ্ৰন্থৰ লেখক নগুগি 'তেজৰ পাহি' উপন্যাসৰ বাবে কাৰাবাস খাটিবলগীয়া হৈছিল; অপৰাধ—এই উপন্যাসত কেনিয়াৰ

ঔপনিবেশোত্তৰ ৰাজনীতি-অৰ্থনীতিৰ অভিজাত মানুহসকলক দেখুওৱা হৈছিল সাধাৰণ মানুহৰ শোষণকাৰীৰ ৰূপত।

সোমালিয়াৰ কবি আৱদুল্লা তাৰাওৱে নিৰ্দিষ্ট অভিযোগ আৰু বিচাৰ নোহোৱাকৈয়ে ১৯৮২ চনৰ পৰা কাৰাৰুদ্ধ, উগাণ্ডাৰ 'দি চিটিজেন' কাকতৰ সম্পাদক আণ্টনি শেকওৱেআমা দেশদ্ৰোহিতাৰ অপৰাধত অভিযুক্ত, ইথিওপিয়াৰ সাংবাদিক মাথা কুম্সা বিনা বিচাৰ আৰু অভিযোগত বন্দী। কেনিয়া সাংবাদিক সংস্থাৰ প্ৰাক্তন চেয়াৰমেন ওতিয়েনো ম্যাক ওনিয়াঙ্গো নিৰ্বিচাৰে অৱৰুদ্ধ।

দেশী-বিদেশী এনে আৰু অজস্ৰ উদাহৰণে সন্দেহাতীত ভাৱে প্ৰমাণ কৰে যে সাধাৰণতে যেতিয়াই ৰাজভোগৰ নিশ্চয়তা কম্পিত হৈ উঠে শব্দৰ আঘাতত, তেতিয়াই ৰাষ্ট্ৰই হৰণ কৰে শব্দৰ স্বাধীনতা।

বিদেশত বেছিভাগ লেখকৰে লিখনিয়েই জীৱিকা, সেয়েহে বৃত্তিগত স্বাধীনতা আৰু শব্দৰ স্বাধীনতা, এজন লেখকৰ বাবে তাত বেলেগে উচ্চাৰিত হোৱাৰ সম্ভাৱনা নাই। আমাৰ দেশত বেছিভাগ লেখকেই চৰকাৰী চাকৰিয়াল, লিখে তেওঁলোকে কিবা এক অদমনীয় তাড়নাত। বিশ্ববিদ্যালয়ৰ শিক্ষক আদিৰ কথা বাদ দিলে কোনো চৰকাৰী চাকৰিয়ালৰে এনে কোনো লিখনি লিখাৰ অধিকাৰ নাই, যিয়ে ৰাষ্ট্ৰৰ কাৰ্য বা প'লিচিৰ সমালোচনা কৰে। এজন লেখকে চাকৰিৰ বাবে দিবলগীয়া এয়া স্বাধীনতাৰ বলিদান। এই স্বাধীনতা বলিদান দিবলৈ অস্বীকাৰ কৰাৰ বাবেই হোমেন বৰগোহাঞিয়ে চৰকাৰী চাকৰি ইস্তাফা দিবলৈ বাধ্য হৈ পৰিছিল, সম্ভৱ ড মহেন্দ্ৰ বৰাদেৱেও চৰকাৰৰ কাৰ্যৰ সমালোচনা কৰিবলৈ গৈ এবাৰ চৰকাৰৰ ৰোষত পৰিছিল ; অৱশ্যে চাকৰি বিসৰ্জন দিবলগীয়া অৱস্থা এটা তেখেতৰ হোৱা নাছিল।

কোনোবাই হয়তো চাকৰি ইস্তাফা দিয়ে, কিন্তু বেছিভাগ লেখকেই যে পেটৰ দায়ত নিজৰ কলমৰ স্বাধীনতা নিয়ন্ত্ৰণ কৰিবলৈ বাধ্য হৈ পৰে সেই কথা অস্বীকাৰ কৰি লাভ নাই। য'ত লিখনি এতিয়াও এটা জীৱিকা হিচাপে গ্ৰহণযোগ্য হোৱা নাই, তাত বৃত্তিগত স্বাধীনতাৰ পৰা বিচ্ছিন্ন কৰি শব্দৰ স্বাধীনতাৰ কথা কৈ থাকিলে লেখক স্বাধীন হোৱাৰ সম্ভাৱনা নাই।

আৱেগিক জনমত, সন্তীৰ্থ, সন্ত্ৰাসবাদী, ৰাষ্ট্ৰযন্ত্ৰ সকলোৱে দুহাত প্ৰসাৰিত কৰি লেখকৰ কণ্ঠৰোধ কৰিবলৈ উদ্যত হৈ আছে, যদিহে তেওঁৰ লিখনি তেওঁলোকৰ বিপক্ষে যোৱাৰ সম্ভাৱনা থাকে। শব্দৰ স্বাধীনতাৰ প্ৰতি এই অসহিষ্ণুতাৰ পৰিবেশ এদিন মুক্ত হ'ব বুলি আমাৰ বিশ্বাস নহয় ; হয়তো অসহিষ্ণুতাৰ ৰূপ সলনি হ'ব, সলনি হ'ব তাৰ লক্ষ্য আৰু কাৰণ।

তেনেহ'লে লেখকে কি কৰিব ?

সত্য জানিও তাৰ পৰা নিৰাপদ দূৰত্বত অৱস্থান কৰিব ?

মানুহৰ মঙ্গলৰ অৰ্থে কলম হাতত তুলি লোৱা প্ৰতিজন লেখকে এটা কথা মনত ৰাখিব লাগিব যে সেই সকলে কেতিয়াও পৃথিবী সলনি কৰা নাই, যিসকলে সামান্য ধমকিতে ভগৱান অথবা মানুহৰ ওচৰত নতজানু হয়। সত্যতাৰ ভৱিষ্যতৰ দিশ-নিৰ্ণয়কাৰী ভূমিকাত সদায়ে সেইসকললোকেই অৱতীৰ্ণ হয়, যিয়ে প্ৰশ্ন কৰি, প্ৰত্যাহ্বান জনাই, নক'বলগীয়া কথা ক'বলৈ ভয় কৰা নাই।

শিৰত মৃত্যুদণ্ড লৈ জীয়াই থকা ৰুশদীৰ দৰে, আমাৰো কবৰ মন যায়—I am a writer. I do not accept my condition. I will strive to change it.

অথবা লিখিবলৈ মন যায়, তেনেকুৱা এখন ভয়ঙ্কৰ কঠিন চিঠি, যি চিঠি একৈশ বছৰ আগতে, সাহিত্যিক অৱদমন আৰু শিল্পীৰ স্বাধীনতা হননৰ বিৰুদ্ধে দৃঢ়তাৰে বিৰোধ কৰিবৰ বাবে আহ্বান জনাই লিখিছিল আলেকজেণ্ডাৰ আইছেভিচ ছল-ঝিনিশ্বিনে ছোভিয়েত লিখক সন্থৰ সতীৰ্থবৰ্গলৈ—I am of course confident that I will fulfill my duty as a writer under all circumstances even more successfully and more unchallenged from the grave than in my lifetime. No one can bar the road to truth, and to advance its cause I am prepared to accept even death. But may it come about that repeated examples will finally teach us not to stop the writer's pen during his lifetime.

এই কথা লিখাৰ আগে আগে আমি কলমেৰে কলিজা স্পৰ্শ কৰি প্ৰতিশ্ৰুতিবদ্ধ হ'ব লাগিব : মানুহৰ মঙ্গল আৰু সত্যৰ বাহিৰে এই কলম ভিন্ন উদ্দেশ্যেৰে কেতিয়াও ব্যৱহৃত নহয়।

# এটা প্ৰশ্নৰ সুৰুঙাৰে

## এক

'এনে ধৰণৰ হত্যা মানি লব নোৱাৰি।'

বাতৰি কাকতত পঢ়িবলৈ লোৱা মনত পৰে, মানবেন্দ্ৰ শৰ্মাৰ হত্যাৰ পিছতেই ঘটনাস্থলীত স্বতঃস্ফূৰ্তভাৱে কোনো এগৰাকী মহিলাই সেই পৰিকল্পিত হত্যাত এইদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। লগে লগে কোনোবা এজন সাংবাদিকে প্ৰশ্ন কৰিছিল—'কেনে ধৰণৰ হত্যা মানি লব পাৰি?' হয়তো বিশেষ একো চিন্তা নকৰাকৈয়ে কৰা এই প্ৰশ্নৰ মাজতেই নিহিত আছে বৰ্তমানৰ বহুতো মানুহৰ মনৰ মাজত চলি থকা এক দোদুল্যমানতাৰ ইংগিত। এই দোদুল্যমানতাত কিঞ্চিৎ আলোকপাত কৰাৰ বাবেই, 'হত্যা গ্ৰহণযোগ্য নহয়'—এই সহজ-সৰল ধাৰণাটো আমাৰ মনলৈ কিদৰে আহিল, তাক বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আছে।

## দুই

যিকোনো এটা কাৰ্য্য নীতিগতভাৱে বৈধ নে অবৈধ তাৰ নিৰপেক্ষ বিচাৰ আইনৰ দ্বাৰা সম্ভৱ নহয়; সেয়ে বিবেচিত হয় এক প্ৰকাৰৰ অভিজ্ঞতা প্ৰসূত ঐতিহাসিক ধাৰণাৰ দ্বাৰাহে। মানৱ অধিকাৰ সম্পৰ্কীয় এনে এক ধাৰণাৰ পৰাই হত্যা যে গ্ৰহণযোগ্য নহয়, সেই বিশ্বাসে মানুহৰ মনত খিতাপি লৈছে। মানৱ জীৱনৰ প্ৰতি সন্মান, তাৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰয়োজন হোৱা শৃঙ্খলাবোধ, পাৰস্পৰিক সহযোগিতা, মমত্ববোধ সৃষ্টি কৰা নীতিবোধ আৰু সুদীৰ্ঘ সময়ৰ অভিজ্ঞতাৰ ফলস্বৰূপে মানৱমনত উদয় হোৱা প্ৰত্যয়ৰ ফলত এটা কথা মানুহে মানি লৈছে যে জীয়াই থকাৰ অধিকাৰেই হ'ল মানুহৰ সকলো অধিকাৰতকৈ শক্তিশালী মৌলিক অধিকাৰ। হত্যাই ব্যক্তি বিশেষৰ এই অধিকাৰ খৰ্ব কৰি মানৱ অধিকাৰৰ প্ৰাথমিক ধাৰণাৰ অৱজ্ঞা আৰু অপমান কৰে; সেয়েহে হত্যা গ্ৰহণযোগ্য নহয়।

## তিনি

হত্যা সম্পৰ্কীয় মানৱ অধিকাৰৰ ধাৰণাৰ ক'বলগীয়া হিচাপেই আইন এটা কথাইও এই সন্দৰ্ভত মান্যতা পায়, সেয়া হ'ল—কোনোবাই যদি কোনো দ্বিতীয় ব্যক্তিৰ জীয়াই থকাৰ অধিকাৰ হত্যাৰ জৰিয়তে খৰ্ব কৰিবলৈ উদ্যত হয়, তেনেহ'লে জীয়াই থকাৰ মৌলিক অধিকাৰৰ দাবীতেই শাৰীৰিকভাৱে আত্মৰক্ষাৰ অৰ্থে শেষ-অস্ত্ৰ

হিচাপে হত্যায়েই পথ বুলি গ্ৰহণযোগ্য হব পাৰে। 'আত্ম-ৰক্ষা' আৰু 'শেষ-অস্ত্ৰ' শব্দ দুটা ইলাষ্টিকৰ দৰে চাপ দিলে বিস্তৃত হয়। পৰিমিত চাপতকৈ বেছি চাপ প্ৰয়োগ কৰিবলৈ গ'লে যিদৰে ইলাষ্টিক এটুকুৰা ছিগি যায়, সেইদৰে এই দুটা শব্দৰ জৰিয়তে প্ৰকাশ পোৱা ধাৰণাক বিস্তৃতি প্ৰদান কৰি হত্যাকে সকলো স্বাৰ্থৰক্ষাৰ সংগ্ৰামতো ন্যায্যতা প্ৰদান কৰিব গ'লে ই ধ্বংসৰহে কাৰণ হৈ পৰে। সংগ্ৰামৰ স্বাৰ্থতে বুদ্ধিজীৱী, সংবাদ-পত্ৰ আৰু জনমতক প্ৰণালীবদ্ধ ৰূপত আগুৱাই লৈ যোৱাৰ দায়িত্ব লবলৈ আগবাঢ়ি অহা সচেতন ব্যক্তিসকল সংযমী হোৱাৰ প্ৰয়োজন হৈ পৰে। অন্যথাই মানুহৰ মঙ্গলসাধকৰ পৰিবৰ্তে, তেওঁলোকক সময়ে এদিন সংগ্ৰামক ভুল পথে পৰিচালিত কৰি সমাজত অস্থিৰতা আৰু বিশৃঙ্খলতা সৃষ্টিৰ জৰিয়তে সংগ্ৰামকে মৰিমুৰ কৰি পেলোৱা সুবিধাবাদী বুলিহে চিহ্নিত কৰিব।

## চাৰি

যোৱা এটা দশকৰো অধিক কাল জুৰি অসমত বিভিন্ন ৰূপত চলি থকা সংগ্ৰামৰ অন্তৰালৰ মূল চালিকা শক্তি হ'ল অস্তিত্ব ৰক্ষাৰ বাসনা। এই অস্তিত্ব ৰক্ষাৰ বাসনাত কোনো ধৰণৰ অস্বাভাৱিকতা নাই। ইও এক স্বাভাৱিক মানৱীয় প্ৰবৃত্তি। যিকোনো সংগ্ৰামৰ পথত সৃষ্টি হোৱা সংঘাটৰ উত্তেজনাই অথবা পৰিস্থিতিৰ অনিবাৰ্য্যতাই হয়তো আনি দিব পাৰে প্ৰাণ দিয়া আৰু প্ৰাণ নিয়াৰো প্ৰৱণতা। এই প্ৰৱণতা যেতিয়াই এটা আবেগিক উচ্ছ্বাসলৈ ৰূপান্তৰিত হয়, তেতিয়াই আত্মৰক্ষাৰ গণ্ডী অতিক্ৰম কৰি হিংসাই সংযম হেৰুৱায়। আৰম্ভ হয় হিংসাৰ দায়িত্বহীন প্ৰশস্তি। সন্ত্ৰাস বোধ কৰি নিৰাপত্তা ব্যৱস্থা কায়েম কৰাৰ নামত পুলিচ আৰু সেনা বাহিনীৰ ক্ষমতা বাঢ়ি যায়, ৰাষ্ট্ৰযন্ত্ৰৰ স্বাৰ্থ আৰু মানৱীয় প্ৰবৃত্তিৰ দুৰ্বলতাৰ বাবেই সেই বৰ্ধিত ক্ষমতাৰ অপপ্ৰয়োগ ৰোধ কৰাও কঠিন হৈ পৰে। উন্নত ৰাষ্ট্ৰযন্ত্ৰ আৰু মাৰণাস্ত্ৰেৰে সজ্জিত সন্ত্ৰাসবাদীৰ ঘাট-প্ৰতিঘাটৰ মাজত পিষ্ট হয় নিৰপৰাধী, অসহায় সাধাৰণ মানুহ।

স্বাৰ্থৰক্ষাৰ বাবে সংঘাট অনিবাৰ্য্য, কিন্তু যুক্তি আৰু অভিজ্ঞতাই আমাক বাৰে বাৰে সোঁৱৰায় যে সাধাৰণ মানুহৰ স্বাৰ্থৰক্ষাৰ খাটিৰতে এই সংঘটক এটা সীমৰেখাৰ মাজত আৱদ্ধ ৰখাৰ প্ৰয়োজন হয়। অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জয়ী হোৱাৰ বাবে সংগ্ৰামৰ তীব্ৰতাই যথেষ্ট নহয়: তাৰ লগতে প্ৰয়োজন হয় দূৰদৰ্শিতা আৰু বিচক্ষণ সংযমৰ। প্ৰাণ দিয়া আৰু প্ৰাণ নিয়াৰ প্ৰৱণতাক আবেগিক উচ্ছ্বাসলৈ ৰূপান্তৰৰ বাবে উৎসাহিত কৰি সাময়িকভাৱে জনপ্ৰিয়তাৰ তুঙ্গত উঠিব পাৰি; কিন্তু মানুহৰ প্ৰকৃত মঙ্গলসাধন কৰিব নোৱাৰি। সংযমৰ প্ৰচেষ্টা সদায়ে অপ্ৰীতিকৰ; কিন্তু তাৰ মাজেৰেহে প্ৰকৃতভে পৰিস্ফুট হৈ উঠে বুদ্ধিজীৱী আৰু সংবাদ-পত্ৰৰ দায়িত্ববোধ।

## পাঁচ

হিংসাৰ কেতিয়া জন্ম হয় ?

দুটা সম্পূৰ্ণ পৰস্পৰ বিৰোধী দৃষ্টিভংগীৰ মাজত মুখা-মুখি সংঘৰ্ষ আৰু যিকোনো আপোচৰ প্ৰতি চৰম অৱজ্ঞাৰ মাজতেই ৰোপিত হয় হিংসাৰ বীজ। বিশেষ এটা দাসত্বৰ অৱস্থাৰ পৰা পৰিত্ৰাণ পাবলৈ কেতিয়াবা হিংসাৰ প্ৰয়োজনক 'প্ৰয়োজনীয় দুষ্কৃতি' হিচাপে স্বীকাৰ কৰিও লোৱা হয়। সহিংস পদ্ধতিৰ এই প্ৰয়োগক জন্মৰ বাধা দূৰ কৰাৰ উপায় হিচাপে নাৰীগৰ্ভ অস্ত্ৰেৰে বিদীৰ্ণ কৰা চিজাৰিয়ান অপাৰেছনৰ লগত তুলনা কৰা হয়। চিজাৰিয়ান অপাৰেছনৰ যৌক্তিকতা তেতিয়াহে প্ৰমাণিত হয় যেতিয়া মাতৃগৰ্ভত প্ৰসৱোপযোগী ভ্ৰূণৰ অস্তিত্ব সম্পৰ্কে নিৰ্ভুলভাৱে প্ৰতীয়মান হোৱা যায় আৰু প্ৰাকৃতিক উপায়েৰে তাৰ প্ৰসৱ সম্ভৱ নহয়। নাৰীক ক্লৰোফৰ্মেৰে অচেতন কৰি গৰ্ভ বিদিৰ্ণ কৰাৰ আগতে এই সম্পৰ্কত চিকিৎসকৰদ্বাৰা বৈজ্ঞানিক বিশ্লেষণৰ প্ৰয়োজন হয়, অন্যথাই অপ্ৰয়োজনীয় চিজাৰিয়ান অপাৰেছন নাৰীৰ বাবে হৈ পৰিব উদ্বেগজনক আৰু নিশ্চিতভাৱে নিষ্ফল। হিংসাক বৌদ্ধিক যৌক্তিকতা প্ৰদান কৰি তাৰ প্ৰয়োগক প্ৰত্যক্ষ বা পৰোক্ষভাৱে উৎসাহিত কৰাৰ আগতে প্ৰতিজন সচেতন ব্যক্তিয়েই 'চিকিৎসক'জনৰ ভূমিকাত নিজকে কল্পনা কৰিব পাৰিব লাগিব, অন্যথাই এই দায়িত্বহীন উৎসাহ হৈ পৰিব দেশখনৰ অস্থিৰতা আৰু উদ্বেগৰ কাৰণ।

## ছয়

সংগ্ৰামৰ সময়ত পক্ষ নে প্ৰতিপক্ষ কাৰ পৰা কেতিয়া হিংসাৰ উচটনি আহে তাক সঠিকভাৱে কোৱা টান। ইতিহাসে দেখুৱায় যে সাময়িক আবেগ আৰু উচ্ছ্বাসৰ অন্তত সাধাৰণতে ৰাষ্ট্ৰবিৰোধী হিংসাত্মক আন্দোলনৰ জৰিয়তে ৰাষ্ট্ৰযন্ত্ৰহে অধিক শক্তিশালী হৈ উঠে। বহুসময়ত সেয়েহে ৰাষ্ট্ৰযন্ত্ৰই নিজেই বিৰোধী আন্দোলন হৈ পৰাৰ বাবে ইন্ধন যোগায়। এই ফান্দৰ পৰা আঁতৰি থাকিব পৰাটো কাপুৰুষতা নহয়, বৈপ্লবিক বিচক্ষণতাহে। সকলোৱে নিশ্চয় এতিয়া স্বীকাৰ কৰিব যে বৈপ্লবিক বিচক্ষণতাৰ অভাৱত নিৰপৰাধী পণবন্দীৰ হত্যা সংগঠনৰ বাবে বিজয় নহয়; পৰাজয়হে যদিওবা ৰাষ্ট্ৰবিৰোধী হিংসাশ্ৰয়ী আন্দোলনৰেই এয়া এক আংশিক পৰ্ব। হিংসাশ্ৰয়ী আন্দোলনক উৎসাহিত কৰা বহুতো বুদ্ধিজীৱী আৰু সংবাদপত্ৰই হয়তো ইয়াতে এদিন আৱিষ্কাৰ কৰিব, তেওঁলোকৰ কাৰ্য্যই পৰিবৰ্তনকামী জনগণক শক্তিশালী কৰি তোলাতকৈ ৰাষ্ট্ৰযন্ত্ৰকহে আৰু বেছি উন্নত আৰু শক্তিশালী কৰি তুলিছে।

## সাত

হিংসাই হওক বা অহিংসাই হওক সকলো বিপ্লৱৰ বাবে একোটা তত্ত্ব-আৰু আদৰ্শৰ প্ৰয়োজন। পৰিষ্কাৰ তত্ত্ব আৰু আদৰ্শৰ জোৰ নাথাকিলে কোনো বিপ্লৱেই সফল হোৱাৰ সম্ভাৱনা নাই, ; ক্ষমতা লাভ হয়তো সম্ভৱ হয়।

কোনো মহৎ উদ্দেশ্য সাধনৰ বক্তব্য সন্মুখত ৰাখিয়েই সদায়ে সকলো বিপ্লৱ আৰম্ভ হয় ; কিন্তু এটা সময়ত গৈ উপলব্ধি হয় ৰাষ্ট্ৰযন্ত্ৰ অথবা ক্ষমতা দখল কৰাই যেন বিপ্লৱৰ একমাত্ৰ উদ্দেশ্য। ক্ষমতাৰ লোভ চৰিতাৰ্থ হোৱাৰ আগলৈকে যিটো যুক্তি সৰল হৈ উঠা পৰিলক্ষিত হয়, সেইটো হ'ল—ৰাষ্ট্ৰযন্ত্ৰ কৰায়ত্ত কৰি ক্ষমতা লাভ নকৰিলে মহৎ উদ্দেশ্য সাধন সম্ভৱ নহয়। সেই সৰল যুক্তিৰ আৱৰণেৰেই বহুতো সুবিধাবাদীয়ে ঢাকি ৰাখে বিভিন্ন ভূমিকাৰে বিভিন্ন ৰূপত ক্ষমতা উপভোগ কৰাৰ লোভ। যিকোনো প্ৰকাৰে ক্ষমতা দখল কৰিলেই যে কোনো দলে তাৰ ঘোষিত মহৎ উদ্দেশ্যত উপনীত হ'ব নোৱাৰে অথবা উপনীত হোৱাৰ পথো পৰিষ্কাৰ নহয় ; সেই কথা অসমতে অদূৰ অতীতত প্ৰমাণিত হৈছে। এই ব্যৰ্থতাৰ বাবে যিদৰে আদৰ্শৰ অভাৱ জগৰীয়া ; সেইদৰে জগৰীয়া এই পৰিষ্কাৰ তত্ত্বৰো অভাৱ।

## আঠ

মানুহৰ জীয়াই থকাৰ অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত মাৰ্ক্সবাদী তত্ত্বৰ ভূমিকায়েই যে আটাইতকৈ শক্তিশালী সেই কথা অস্বীকাৰ কৰাৰ উপায় নাই। তথাপি যিকোনো 'বাদ'ৰ প্ৰতি সহানুভূতিশীল হোৱাৰ পিছতো মানুহে দুচকুৰ দৃষ্টি তথা মন আৰু মননৰ বোধক স্বাধীন কৰি ৰাখিব পাৰিব লাগিব।

মাৰ্ক্স ব্যক্তিগত সন্ত্ৰাসৰ বিৰোধী। তথাপি দুখেৰে কবই লাগিব যোৱা কেইটিমান দশকত সাহিত্য আৰু অন্যান্য মাধ্যমৰ জৰিয়তে চলোৱা মাৰ্ক্সবাদী প্ৰচাৰে এক ধৰণৰ হিংসাক নতুন প্ৰগতিবাদৰ গৌৰৱ প্ৰদান কৰিছে। হয়তো অভিপ্ৰেত নহয়, কিন্তু প্ৰচাৰৰ স্থূলতা আৰু পক্ষপাতদুষ্ট উৎসাহ অথবা অৰজ্ঞাৰ বাবেই বহু সময়ত হিংসাই লাভ কৰিছে অনাৱশ্যক নায্যতা। হিংসাৰ সংযমহীনতাই সৃষ্টি কৰা বিপদ-জনক পৰিস্থিতিৰ তাগিদাতে প্ৰগতিবাদৰ নামত হিংসাক স্থূল প্ৰচাৰেৰে মহিমামণ্ডিত কৰাৰ প্ৰচেষ্টাক উদঙনি দিয়া বিষয়টো বুদ্ধিজীৱিসকলে আৰু বেছি সূক্ষ্মভাৱে বিচাৰ কৰি চোৱাৰ প্ৰয়োজন হৈছে। হিংসাই মানুহকে হত্যা নকৰে ; হিংসাৰ সংযম-হীনতাই মানৱতাকো হত্যা কৰে। সমাজৰ মানৱিক দিশটো কি ভয়ঙ্কৰভাৱে পক্ষাঘাতগ্ৰস্ত হৈ আহিব লাগিছে, সেই কথা ভাৱিলে এতিয়া শিঁহৰি উঠিব লাগে।

আৰু এটা কথাও এইখিনিতেই নিৰ্মোহ দৃষ্টিভঙ্গীৰে বিচাৰ কৰি চোৱাৰ

প্রয়োজন আহি পৰিছে। কোনো এটা দল বা সংগঠনৰ সপক্ষে নিযুক্ত হিংসা যিমানেই আক্ৰমণাত্মক নহওঁক কিয়, সেয়া হ'ল বীৰত্ব, ত্যাগ আৰু প্ৰগতিবাদৰ লক্ষণ, বিপ্লৱ আৰু আত্মৰক্ষাৰ বাবে অপৰিহাৰ্য্য আৰু বিপক্ষে নিয়োজিত হত্যা প্ৰতিক্ৰিয়া-বাদী এনেকুৱা ধৰণৰ সৰলীকৰণ কিমানদূৰ সুবিবেচনাপ্ৰসূত, সেই কথা সমাজৰ মানৱিক দিশটো জীয়াই ৰখাৰ স্বাৰ্থতেই নিৰপেক্ষভাৱে বিশ্লেষণ কৰি চোৱা উচিত হ'ব। 'প্ৰতিপক্ষই সংগ্ৰামৰ চৰিত্ৰ নিয়ন্ত্ৰণ কৰে'—তত্ত্বগতভাৱে এই কথা মানি লৈও কব লাগিব যে এই আপ্তবাক্যৰ দুৰ্বল প্ৰয়োগেৰে সংগ্ৰামৰ সকলো সাধনাকে ন্যায্যতা প্ৰদান কৰাৰ প্ৰৱণতা অকল দায়িত্বহীনতাই নহয়; বিপদজনকো। প্ৰতিক্ৰিয়াবাদীৰ ভাবালুতা বুলি অৱজ্ঞা কৰিলেও অভিজ্ঞতাই আজি সকলোকে শিকাইছে যে বিপ্লৱৰ নামত সংগঠিত হিংসাইও সমাজত নতুন শাসকশ্ৰেণী আৰু নতুন অত্যাচাৰৰ ভিত্তিহে ৰচনা কৰে। হিংসাই জন্ম দিয়া শাসকশ্ৰেণী সাধাৰণতে হয় হিংস্ৰ, সন্দেহ পৰায়ণ আৰু প্ৰতিশোধকামী। ব্যতিক্ৰম বিস্ময়কৰ।

## ন

চকু-কাণ মুদি বিনাপ্ৰশ্নই মাৰ্ক্সবাদৰ তত্ত্ব আৰু প্ৰয়োগ প্ৰণালীক মানি লোৱাটো যিদৰে সামগ্ৰিকভাৱে উত্তৰণৰ পৰিপন্থী, সেইদৰে বিনাপ্ৰশ্নই গান্ধীজীৰ অহিংসাৰ আদৰ্শকো আকোঁৱালোজৰ দৰে খামোচ মাৰি ধৰাৰ যুক্তি নাই। কিন্তু অহিংসাৰ আদৰ্শৰ জৰিয়তে গান্ধীজীয়ে যি মানৱীয় ধাৰণাৰ উত্থাপন কৰি গৈছে তাক পুনৰায় চালি জাৰি চোৱাৰ প্ৰত্যাহ্বান আজি উত্থাপন কৰিছে সমাজৰ মানৱিক দিশত ঘটা ভয়ংকৰ স্খলনে। গান্ধীজীয়ে দিয়া ধাৰণা মতে বিপ্লৱৰ জৰিয়তে যিখন সমাজ গঢ়াৰ লক্ষ্য সন্মুখত ৰখা হয়, সেইখন সমাজৰ মূল চৰিত্ৰৰ লগত যিবোৰ উপায়ৰ সামঞ্জস্য আছে, সেইবোৰ উপায়েহে বিপ্লৱৰ বাবে গ্ৰহণযোগ্য হয়। হিংসা এখন আদৰ্শ সমাজক জীয়াই ৰখাৰ মূল উপাদান হব নোৱাৰে। অকল হিংসাৰদ্বাৰাও হয়তো ক্ষমতা দখল কৰা যায়; কিন্তু ক্ষমতা দখল কৰি সেইখন সমাজ গঢ়া নাযায়, যিখন সমাজৰ স্বপ্ন দেখি মানুহ বিপ্লৱৰ অংশীদাৰ হয়। উচ্ছ্বাসৰ সময় পাৰ হোৱাৰ পিছত মোহভংগ ঘটা সাধাৰণ মানুহে বিপ্লৱী নেতৃত্বৰ বিৰুদ্ধেই বিদ্ৰোহ ঘোষণা কৰে—এই কথা সদায়ে প্ৰমাণ হব লাগিছে।

## দহ

তথাকথিত ৰাজনৈতিক নেতা আৰু বুদ্ধিজীৱীৰ মাজত পাৰ্থক্য আছে; যিদৰে পাৰ্থক্য আছে সংবাদপত্ৰ আৰু দলীয় মুখপত্ৰৰ মাজত। জনগণৰ ধাৰণা বুলি কৌশল-গতভাৱে জনগণৰ ওপৰতেই ওপৰৰ পৰা ধাৰণা এটা জাঁপি দিব খোজাতো ৰাজনৈতিক

নেতাৰ ক্ষেত্ৰত মানুহে মানি ল'ব পাৰে ; কিন্তু বুদ্ধিজীৱীৰ পৰা একে প্ৰচেষ্টা আশা নকৰে। সংবাদ-পত্ৰৰ ক্ষেত্ৰতো পক্ষ লোৱাৰ অধিকাৰ মানি লৈও, পঢ়ুৱৈয়ে পত্ৰৰ ওপৰত এক অলিখিত চৰ্ত আৰোপ কৰে আৰু এই চৰ্ত হ'ল সংবাদ পৰিবেশনত সমতা ৰক্ষা। এই সমতা ৰক্ষা কৰাৰ ক্ষেত্ৰত ইচ্ছাকৃত তাৰতম্য ঘটিলেই সংবাদ-পত্ৰই বিশ্বাসযোগ্যতা হেৰুৱাই দলীয় মুখপত্ৰলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনাই দেখা দিয়ে। বুদ্ধিজীৱীৰ ক্ষেত্ৰত এই ৰূপান্তৰ হয় ৰাজনৈতিক নেতালৈ। যখন হত্যাৰ সংবাদৰ ভীৰৰ মাজৰ পৰা নিত্যা দত্তৰ হত্যাৰ খবৰ বিচাৰি উলিয়াই প্ৰকাশ কৰাটো হয়তো 'বুধবাৰ'ৰ বিবেচনাত অপ্ৰয়োজনীয় ; কিন্তু বহুতৰে বাবে এই অনুল্লেখ হ'ব পাৰে বেদনাদায়ক। শব্দহীন হ'লেও নীৰৱতাকো মানুহে পঢ়িবলৈ চেষ্টা কৰে কেতিয়াবা ভুলকৈ আৰু কেতিয়াবা শুদ্ধভাৱে।

সংবাদ-পত্ৰৰ পক্ষ লোৱাৰ অধিকাৰ মানি লৈও পঢ়ুৱৈ হিচাপে সততা, মানৱতা আৰু সংবেদনশীলতাৰ খাটিৰতে ক'ব খোজো যে যেতিয়াই আমি মেঘ ফুকনৰ মৃত্যুক মহিমামণ্ডিত কৰিব খোজো তেতিয়াই আমি গৰিহনা দিব পাৰিব লাগিব হাতত বজাৰৰ মোনা লৈ পবিত্ৰ ৰাতিপুৱা মৃত্যুবৰণ কৰা মানবেন্দ্ৰ শৰ্মাৰ নিদাৰুণ হত্যাকাণ্ডও, যেতিয়াই আমি বাজু বৰুৱাৰ ওপৰত হোৱা অমানুষিক, অমাৰ্জনীয় বিভৎসতাত (ভাষা নাই।) ন্যায্যভাৱেই উত্তেজিত হৈ উঠো, তেতিয়াই এবাৰৰ বাবে হ'লেও মনলৈ আনিব লাগিব শৰনমৰ কথাও, সামৰিক আতিশয্যত মৃত্যুবৰণ কৰা তৰুণৰ কথা মনলৈ অনাৰ লগে লগেই মনলৈ আহিব লাগিব কেম্পত আৱিষ্কৃত বিকৃত মৃতদেহবোৰৰ কথাও। এই কথাও সাহস আৰু সততাৰে ক'ব পাৰিব লাগিব যে ইয়াৰ কোনোটোৱে আনটোক ন্যায্যতা প্ৰদান নকৰে। (এটা আনটোৰ সমকক্ষও নহয়।) মানৱ অধিকাৰে আনি দিয়া ধাৰণাৰ বাবেই অপৰাধ বুলি গণ্য কৰিব পাৰিব লাগিব হত্যাক মহিমামণ্ডিত কৰাৰ প্ৰৱণতাক। অন্যথাই যিকোনো সন্ত্ৰাসৰ প্ৰতিক্ৰিয়াই আমাৰ সংবেদনশীলতা হ'ব ভয়াবহভাৱে ভোটা আৰু নিদাৰুণভাৱে নিষ্ক্ৰিয়। ইয়াৰ পিছত আৰু কোনো মৃত্যুয়েই স্বতঃস্ফূৰ্ত অশ্ৰুপাত অথবা ক্ষোভৰ কাৰণ নহ'ব ; আৰু সকলো বিদ্ৰোহেই হ'ব ক্ষমতাৰ নীতিবৰ্জিত যুঁজ আৰু স্বাৰ্থৰ অধঃপতিত খেল।

## এবাৰ

সংগ্ৰামৰ প্ৰতিটো মুহূৰ্ততে এটা কথা মনত ৰখাটো ভাল হ'ব যে আমাৰ কাম্য পথ সেইটোৱে যি পথে অগ্ৰসৰ হ'লে যিখন দেশ আৰু যিখিনি মানুহৰ মঙ্গলসাধনৰ লক্ষ্য সন্মুখত ৰাখি সংগ্ৰামৰ প্ৰস্তুতি চলোৱা হৈছে সেইখন দেশৰ আৰু সেইখিনি মানুহৰ ক্ষতি হয় ন্যূনতম কিন্তু উপকাৰ হয় সৰ্বাধিক। এই কথাও হৃদয়ঙ্গম কৰিব

পাৰিব লাগিব যে দেশ আৰু ভালপোৱা মানুহখিনিৰ প্ৰতি মমত্বৰ বাবে হাঁহি হাঁহি প্ৰাণ দিয়াত ত্যাগৰ মহিমা নিশ্চিতভাৱে প্ৰকাশ পায়; কিন্তু সেয়া দেশ আৰু মানুহৰ মঙ্গলসাধনৰ নিশ্চিত পথ নহ'বও পাৰে; তাৰ বিপৰীত হোৱাতোও আচৰিত নহয়। তৰুণ, তাজা প্ৰাণৰ আত্মোৎসৰ্গক নিৰাপদ দূৰত্বৰ পৰা উৎসাহিত কৰাৰ সময়ত এই কথাও এবাৰৰ বাবে চিন্তা কৰি চোৱাটো উচিত হ'ব যে অনাগত কালে যদি এই আত্মোৎসৰ্গক অপ্ৰয়োজনীয় আছিল বুলি অভিহিত কৰে তেনেহ'লে সেই বিষাদ আৰু অপৰাধৰ ভাৰ সহাৰ বাবে নৈতিক শক্তি আমাৰ থাকিব জানো?

## বাৰ

বিপ্লৱৰ সফলতাৰ বাবে লক্ষ্য আৰু সাধনৰ পথৰ ওপৰত বিশ্বাস অপৰিহাৰ্য্য। কিন্তু তাৰ অৰ্থ এইটো নহয় যে সংগ্ৰামৰ প্ৰাক মুহূৰ্তত যি লক্ষ্য ঠিক কৰা হৈছে আৰু সেই দিশত অগ্ৰসৰ হোৱাৰ বাবে যি পথ নিৰ্দ্ধাৰিত কৰা হৈছে, তাৰ পৰা কোনো বিচ্যুতি গ্ৰহণযোগ্য নহয়। পৰিৱৰ্তিত বাহ্যিক আৰু আভ্যন্তৰীণ অৱস্থাৰ অধ্যয়ন, শুভাকাঙ্খীৰ সহযোগিতাৰ আৱশ্যকতাই সংগ্ৰামৰো আপোচৰ প্ৰয়োজনীয়তা আনি দিয়ে। এই আপোচ শুভ লক্ষণ হ'ব পাৰে; আত্মাভিমানৰ বাবে আপোচৰ প্ৰচেষ্টাক স্পৰ্শকাতৰ কৰি তোলাৰ প্ৰয়োজন নাই।

আপুনি, মই, আমি সকলোৱে অসম নামৰ এই ভূখণ্ডটোক পৃথিৱীৰ সকলো ভূখণ্ডতকৈ অধিক ভাল পাওঁ; মনে প্ৰাণে কামনা কৰো ইয়াৰ মানুহখিনিৰ মঙ্গল, উন্নতি হওক, সকলোৱে যোগ্যতাৰ বলত আত্ম-মৰ্য্যাদাৰে জীয়াই থাকক। আমাৰ এই অভিপ্ৰায়ত কোনো ভিন্নতা নাই: ভিন্নতা হয়তো আছে অভিপ্ৰায় পূৰণৰ পথ নিৰ্বাচনত। এই ভিন্নতাক পাৰস্পৰিক শত্ৰুতাৰ ৰূপ দি আমাৰ সকলোৰে বাবে সৰ্বনাশৰ পথ সুগম কৰি তোলাতকৈ, ভিন্নতাক বৌদ্ধিক স্তৰলৈ ৰূপান্তৰিত কৰি সহযোগিতা আৰু ঐক্যৰ পথৰ সন্ধান কৰিব নোৱাৰোনে? আহক, ভাবি চাওঁ।

# হিন্দী বোলছবি আৰু 'সফল নায়ক'

## এক / খোলা থিয়েটাৰৰ চুম্বক-ক্ষেত্ৰ

এখন কাগজ বা কাঁচৰ ওপৰত চুম্বক এডাল থৈ তাৰ ওচৰত কিছুমান লো গুৰি ছটিয়াই কাগজ বা কাঁচখন লাহে লাহে আঙুলিৰে টুকুৰিয়াই দিলে লোৰ গুৰিবোৰে চুম্বকডালৰ ওচৰত ৰেখা কিছুমানৰ সৃষ্টি কৰে। এই ৰেখাবোৰ চুম্বক ডালৰ এটা মূৰৰ পৰা আনটো মূৰলৈ বিস্তৃত হৈ থাকে। এইবোৰেই হ'ল চুম্বিক বলৰেখা। এই বলৰেখাবোৰেৰে গঠিত অঞ্চলটোৱে হ'ল চুম্বকক্ষেত্ৰ। এডাল চুম্বকৰ আকৰ্ষণ শক্তি এই চুম্বক ক্ষেত্ৰত বিস্তৃত।

'হিন্দী বোলছবি'ৰ দৰে মাদকতাময় আৰু উত্তেজনাপূৰ্ণ, জনপ্ৰিয় শিৰোনামাৰে ৰচনা এখন লিখাৰ পৰিকল্পনাৰ সময়ত 'চুম্বক ক্ষেত্ৰ'ৰ দৰে নীৰস বৈজ্ঞানিক ধাৰণাৰ অৱতাৰণা নিতান্তই অপ্ৰাসঙ্গিক যেন অনুভৱ হোৱাতো স্বাভাৱিক। কিন্তু হিন্দী বোলছবিৰ জাক-জমকতাৰে ভৰপূৰ জগতখনলৈ যাত্ৰা আৰম্ভ কৰাৰ আগতে মই অলপ সময়ৰ বাবে ন'ষ্টালজিয়াবোধৰ তাড়নাত কৈশোৰত আমাক বিশেষভাৱে মছগুল কৰি ৰখা খোলা-থিয়েটাৰ ( যাত্ৰাৰ ) কথা স্মৰিবৰ খুজিছোঁ ; আৰু সেই সোঁৱৰণৰ সময়তে মোৰ দুচকুৰ সন্মুখত ভাঁহি উঠিল বিভিন্ন চুম্বক ক্ষেত্ৰৰ কেবাটুকুৰাও চুম্বক।

কিতাপৰ পিছতে আমাৰ কৈশোৰত মনোৰঞ্জনৰ উৎস হিচাপে যিটো বস্তুৱে আমাক অধিক আকৰ্ষিত কৰিছিল, সেইটো আছিল ,বিশ্বকৰ্মা পূজাৰ সময়ৰ পৰাই দলদোপ হেন্দোলদোপকৈ শৰতৰ পৃথিৱী মুখৰিত কৰি তোলা খোলা থিয়েটাৰ সমূহ। থিয়েটাৰৰ দৰে শক্তিশালী গণমাধ্যম এটাৰ যে মনোৰঞ্জনৰ বাহিৰেও অন্য কিবা সামাজিক উদ্দেশ্য থাকিব পাৰে, সেই সম্পৰ্কে ধাৰণা এটা কৰিব পৰাৰ বয়স তেতিয়াও আমাৰ হোৱা নাছিল। এতিয়া মাথো এটা কথাই স্মৃতিয়ে ধৰি ৰাখিছে যে খোলা-থিয়েটাৰৰ দুৰ্নিবাৰ আকৰ্ষণে আমাক বিশ্বকৰ্মা পূজাৰ সময়ৰ পৰাই উত্তেজিত কৰি ৰাখিছিল। পূজাৰ পিছতেই মোটামুটিভাৱে আৰম্ভ হৈছিল বছৰেকীয়া পৰীক্ষাবোৰ। সেয়েহে ঘৰৰ পৰাও থিয়েটাৰ দৰ্শনত প্ৰয়োগ কৰা হৈছিল নিৰ্দয় বাধানিষেধ। এনে এক বিপৰীতমুখী শক্তিৰ মাজত অৱস্থান কৰাৰ বাবেই খোলা থিয়েটাৰ দৰ্শনৰ সমস্যা-টোক বৈজ্ঞানিক নিয়মৰ অন্তৰ্ভুক্ত কৰাৰ এটা অদ্ভুত প্ৰচেষ্টা চলাইছিলোঁ আমি। সেই সময়ত স্কুলৰ পাঠ্যপুথিত লোডষ্টোন, চুম্বক আদিৰ গুণসমূহৰ সৈতে পৰিচয় হৈছো মাত্ৰ। চুম্বকক্ষেত্ৰৰ ভিতৰত থকা লোহাৰ টুকুৰাক কিদৰে চুম্বক এডালে অপ্ৰতিৰোধ্য

এক ৰহস্যময় শক্তিৰে ওচৰলৈ টানি নিয়ে, সেই ৰহস্যময় ঘটনা নীৰস পাঠ্যপুথিৰ মাজত আবদ্ধ থাকিলেও আমাৰ বাবে আছিল বেছ মনোকৰ্ষক। ক'ৰবাৰ পৰা চুম্বকৰ টুকুৰা এটা কোনোমতে যোগাৰ কৰি ঘৰতো সেই চৌম্বক-শক্তিৰ পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰিছিলো। বাইণ্ডেউৰ চেফ্‌টি পিন, মৃৰত মৰা ক্লিপ, কি আশ্চৰ্যকৰ শক্তিৰে চুম্বকে খপকৰৈ ওচৰলৈ টানি নিয়ে, সেই দৃশ্য কৈশোৰ-মনক বিস্ময়াভিভূত কৰি তুলিবলৈ আছিল নিশ্চিতভাৱে যথেষ্ট। কিন্তু চুম্বকৰ এই বাহাদুৰীৰ সৈতে খোলা থিয়েটাৰ সম্পৰ্ক কি?

সেই সময়ৰ মুগকুছি, চামতা, মৰোৱা, পাঠশালা আদিৰ থিয়েটাৰসমূহৰ আকৰ্ষণ আছিল সৰ্বাধিক। ইয়াৰ উপৰিও হেলনা, টিহু আদিৰ পৰাও যাত্ৰাপাৰ্টি আহিছিল। কিন্তু মুগকুছি, চামতা আদিৰ দৰে আমাক প্ৰভাৱান্বিত কৰিব পৰা নাছিল। তথাপি বাচ-বিচাৰ নোহোৱাকৈ, অইন কোনো উল্লেখনীয় মনোৰঞ্জনৰ উৎস নোহোৱাৰ বাবেই সকলোবোৰ যাত্ৰাইয়ে উপভোগ কৰাৰ তীব্ৰ আকৰ্ষণ আমি অনুভৱ কৰিছিলো। যিহেতু ঘৰৰ নিৰ্দয় বাধা-নিষেধৰ বাবে বাস্তৱত আমাৰ কিশোৰমনৰ সেই আশা চৰিতাৰ্থ হোৱাতো সম্ভৱ নহৈছিল, সেয়েহে সুখ্যাতি আৰু আকৰ্ষণৰ ওপৰত ভিত্তি কৰি প্ৰতিটো পাৰ্টিকে আমি কল্পনা কৰিছিলো একোডাল চুম্বকৰ ৰূপত আৰু প্ৰতিটো পাৰ্টিৰে একোখন চুম্বকক্ষেত্ৰ অংকন কৰিছিলো। কল্পনা কৰিছিলো মুগকুছিৰ পাৰ্টিৰ চুম্বকক্ষেত্ৰ হ'ল পোন্ধৰ মাইল ব্যাসৰ এটা বৃত্ত। অৰ্থাৎ আমাৰ ঘৰৰ পৰা পোন্ধৰ মাইলৰ ভিতৰত যদি ক'ৰবাত মুগকুছি পাৰ্টিৰ নাটক হয়, তেনেহ'লে সেই নাটক আমি চাম, পোন্ধৰ মাইলতকৈ বেছি দূৰ হ'লে নাচাওঁ। তেনেদৰে হয়তো চামতাৰ চুম্বক ক্ষেত্ৰ আছিল বাৰ মাইলৰ বৃত্ত, মৰোৱাৰ দহ ইত্যাদি। এয়া হ'ল বিজ্ঞানৰ চুম্বকৰ সৈতে খোলা থিয়েটাৰৰ আকৰ্ষণৰ যোগসূত্ৰ।

পাৰিবাৰিক নাটকবোৰে আমাক বিশেষ আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা নাছিল। কাৰণ এনে নাটকবোৰত কিশোৰ মনক সন্তুষ্ট কৰিব পৰা এড্‌ভেঞ্চাৰধৰ্মী মাদকতাৰ বিপৰীতে নাটকৰ আৰম্ভণিৰ পৰা শেষলৈকে এগৰাকী অভিনয়া নাৰীয়ে কাৰণে অকাৰণে পেনপেনাই কান্দি থকা পৰিলক্ষিত হৈছিল। ঔৰংজেব, চাহজাহান, দাৰা আদিৰ মোগল নাটকবোৰ কিছু দুৰ্বোধ্য হ'লেও তাৰ অন্ত এক আকৰ্ষণীয় মেজাজ আছিল। কটিকাত মচ্‌গুল হৈ বোৱা সম্ৰাটৰ আঙুলিৰ নিৰ্দেশত নৰ্তকীসকলৰ আগমন, বাদ্যযন্ত্ৰৰ তালে তালে মক বজনজনাই তোলা তাৰোৱালৰ যুদ্ধ আদি মোগল নাটকৰ আছিল অনিবাৰ্য অঙ্গ। নাটকৰ এনেকুৱা মুহূৰ্তবোৰে আমাৰ কিশোৰ মনক ক্ষন্তেকৰ বাবে হ'লেও পগলা কৰি তুলিছিল।

পিছে অন্য এক ধৰণৰ নাটকেহে আমাক বোমাঞ্চৰ খোৰাক যোগাবলৈ সম্পূর্ণৰূপে সক্ষম হৈছিল। সম্ভৱ যিবোৰ পাৰ্টিত এজনেই মাত্র শক্তিশালী অভিনেতা আছিল, তেনেবোৰ পাৰ্টিয়ে পৰিচালনাৰ সুবিধার্থে তেনে ধৰণৰ নাটক অধিক পছন্দ কৰিছিল। মোৰ যিমানদূৰ মনত পৰে চামতাৰ পাৰ্টিত মই উল্লেখ কৰিব খোজা ধৰণৰ নাটক বেছি আছিল।

এই ধৰণৰ নাটকত পাৰ্টিটোৰ আটাইতকৈ শক্তিশালী অভিনেতা জনে এজন বোমাঞ্চকৰ সফল নায়কৰ অভিনয় কৰে। তেওঁ হয়তো প্রকৃততে ৰজাৰ বিপথগামী কনিষ্ঠপুত্র। যেতিয়াই প্রজাই কোনো এক সমস্যাৰ সন্মুখীন হয়, কোনো নাৰী সেনাপতিৰ দ্বাৰা ধর্ষিতা হোৱাৰ উপক্রম হয়, চকুৰ পচাৰতে ক'লা কাপোৰ পিন্ধি যথাস্থানত, যথাসময়ত এই ছদ্মবেশী যুৱক উপস্থিত হয়। সকলোকে পৰাস্ত কৰি উদ্ধাৰ কৰে জর্জৰ প্রজা অথবা অসহায়া নাৰীক। এই সফল নায়কৰ মানৱ দৰদ, একক শক্তি, চকুত চমক লগাই দিয়া ৰহস্যময় আৰু বোমাঞ্চকৰ কার্যকলাপে আমাৰ কিশোৰমনক ইমান তীব্রভাৱে প্রভাৱান্বিত কৰিছিল যে আমি নিজকে সেই বয়সত তেনে একোজন সর্বশক্তিমান সফল নায়কৰ ৰূপত কল্পনা কৰিবলৈ আৰম্ভ কৰিছিলো।

এতিয়া কৈশোৰৰ সেই খোলা থিয়েটাৰৰ প্রিয় নায়কলৈ উভটি চালে ভাব হয়, সেই নায়কৰ মাজতে এভ্ ভেঞ্চাৰপ্রিয় মোগল'মেনিয়াক পজিটিভ হিবোৰ ধাৰণাটো লুকাই আছিল নেকি? তেতিয়া চকুত পৰা নাছিল, এতিয়া পৰিছে?

## দুই / চোলি কি পীছে

মোৰা পোন্ধৰ বছৰত মই কিজানি পোন্ধৰখন হিন্দী চিনেমাও সম্পূর্ণকৈ চোৱা নাই। আংশিক দর্শনৰ জৰিয়তেই গুৰুত্বপূর্ণ এই মাধ্যমটোৰ শেহতীয়া কার্যকলাপৰ সম্পর্কত নিজকে কিঞ্চিৎ ওৱাকিবহাল কৰি ৰাখিবলৈ মই চেষ্টা কৰো। সেয়েহে চলমান খান, জুহি চাওঁলা অথবা সঞ্জয় দত্ত মোৰ বাবে সম্পূর্ণৰূপে অপৰিচিত নহয়। মেইনে প্যাৰ কিয়া, আশিকীৰ পৰা আৰম্ভ কৰি খলনায়কৰ সেই বিস্ফোৰক গীত 'চোলি কে পীছে'ও মোৰ কৌতূহলৰ চিকাৰ কোনো মুহূর্তত নোহোৱাকৈ থকা নাই।

কিন্তু এটা সময় আছিল, কলেজৰ প্রথম আৰু দ্বিতীয় বর্ষত, যিসময়ত সম্ভৱ প্রতিটো সপ্তাহতে খুব কম পক্ষে হ'লেও তিনিখন হিন্দী বোলছবিৰ আগ্রহী দর্শকৰ ৰূপত মই নিজেকে আৱিষ্কাৰ কৰিছিলো। আনকি একেখন ছবিকে একেটা দিনতে একেটা হলতে তিনিবাৰ চোৱাৰ অভিলেখ এটাও মই সেই সময়তে কৰি খোৱাৰ গৌৰৱ অর্জন কৰিছো। (ছবিখনৰ নাম ল'বলৈ মই এতিয়া লাজ অনুভৱ কৰো।)

বোলছবি জগতৰ সৈতে দর্শক হিচাপে মোৰ এই সুদীর্ঘ দিনৰ অভিজ্ঞতাৰ ভিত্তিতে

(যদিও প্ৰথম অংশৰ অন্ত কৌতুহল এতিয়া সম্পূৰ্ণৰূপে নিয়ন্ত্ৰিত) এটা কথা প্ৰায় নিঃসন্দেহে ক'ব পাৰো যে হিন্দী বোলছবিৰ জগতত নায়কৰ ধাৰণা যোৱা তেৰকুৰি বছৰত বিশেষ একো সলনি হোৱা নাই। প্ৰেম আৰু জীৱনৰ পথত আহি পৰা অপ্ৰত্যাশিত, অকল্পনীয় সীমাহীন সমস্যা, বাধা প্ৰায় একক হাতেৰে মষিমূৰ কৰি অন্তিম ৰীলত হাঁহি এটা মাৰি পৰ্দাত থিয় হয় সফল নায়ক (Positive hero)। সফল নায়কৰ হাতত সকলো সমস্যা সমাধানৰে থাকে এডভেঞ্চাৰধৰ্মী কৌশল। আনকি নায়িকাৰ সৈতে প্ৰথম প্ৰেমও প্ৰায় এটা চমকপ্ৰদকাৰী এডভেঞ্চাৰ। সফল নায়কৰ ত্ৰিশ বছৰ পূৰ্বৰ সেই ধাৰণা বৰ্তমানৰ ছবিতো একেই আছে। আগতেও সেই ধাৰণা আছিল বাস্তৱবৰ্জিত, স্থূল ; এতিয়াও অপৰিবৰ্তিত। মাত্ৰ আগতে সফল নায়কে নায়িকাৰ হাত চুও চুচুঙকৈ স্পৰ্শ কৰিছিল। ওঁঠ ওঁঠৰ ওচৰ চাপিলেই ফুলত ভোমোৰা পৰিছিল। আজিকালিৰ সফল নায়ক (আৰু নায়িকা) তাৰ বিপৰীতে সংকোচবিহীন। প্ৰেমৰ স্বৰূপ প্ৰায় মাৰ্চিয়েল আৰ্টসদৃশ।

হিন্দী বোলছবিৰ সফল নায়কৰ প্ৰেমৰ স্থূলতা আৰু বাস্তৱ বৰ্জিত এডভেঞ্চাৰ ধৰ্মী সমস্যা সমাধানৰ প্ৰক্ৰিয়াই যে অলেখ যুৱকক জীৱন সম্পৰ্কত এক স্থূল ভাৱধাৰাৰে আচ্ছন্ন ৰাখি প্ৰকৃত পৃথিৱীৰ ৰূপ তেওঁলোকৰ সন্মুখত ধুৱলি-কুঁৱলী কৰি ৰাখে, সেই সম্পৰ্কে নিশ্চয় কাৰো মনতেই কোনো সন্দেহ নাই।

মই মোৰ কৈশোৰ বলীউদৰ জাক জমকৰ বিপৰীতে খেৰ আৰু নৰাত বহি খোলা থিয়েটাৰৰ তৰোৱাল যুদ্ধত মছগুল হৈ পাৰ কৰি আহিছোঁ। কিন্তু তথাপি এতিয়া মোৰ ভাব হয় যাত্ৰাপাৰ্টিৰ সফল নায়কৰ সৈতে হিন্দী বোলছবিৰ সফল নায়কৰ যেন মানসিক গঠনত বৰ বেছি তাৰতম্য নাই। দুয়োৰে চৰিত্ৰ স্থূল আবেগ উদ্ৰেককাৰী, এডভেঞ্চাৰধৰ্মী। একক শক্তিৰে সকলো বাধাৰ প্ৰাচীৰ অতি-মানৱৰ দৰে অতিক্ৰম কৰি অন্তিম দৃশ্যত বিজয়ৰ সৈতে মুখামুখি হোৱা সফল নায়ক হিন্দী বোলছবিত যিদৰে সুলভ, সেইদৰে যাত্ৰাপাৰ্টিতো বিৰল নহয়। (আমাৰ বাবে এতিয়া অন্ততঃ এটা সুখৰ খবৰ যে যোৱা কিছু বছৰত কেবাজনো চিৰিয়াছ নাট্যকাৰ আৰু সাহসী প্ৰযোজকৰ প্ৰচেষ্টাত যাত্ৰাপাৰ্টিৰ নাটকৰ স্থূল আবেগিক ৰূপৰ বহুখিনি সলনি হোৱাটো পৰিলক্ষিত হৈছে।)

হিন্দী বোলছবিত প্ৰেমৰ আধিক্য আছে, সমস্যাই নাটকীয়তাৰে সৈ অনা সংঘাত আছে, সংঘাত অতিক্ৰম কৰি সফল হোৱাৰ নিশ্চিত মন্ত্ৰ আছে। কিন্তু এই সকলো-বোৰ থকা সত্বেও এই বোলছবিয়ে নাৰী-পুৰুষৰ প্ৰকৃত প্ৰেমৰ সেই দুৰ্লভ অনুভূতিৰ আনন্দ প্ৰদান কৰিবলৈ সক্ষম নহয়, সমস্যাৰ সৈতে মোকাবিলা কৰাৰ পথ নিৰ্ণায়কৰ ভূমিকা লোৱাত ব্যৰ্থ হয়। হিন্দী বোলছবিয়েও প্ৰেমৰ অনুভূতি সঞ্চাৰিত কৰে ;

কিন্তু সেয়া স্থূল পিবপিবনিব নামান্তব: প্রকৃত প্রেমৰ অনুভৱ নহয়। প্রেম প্রেম, প্যাৰ প্যাৰ বুলি লম্ফ-জম্ফ কৰি পৰ্দা ফালি দিলেই দৰ্শকৰ হৃদয়ত প্রেমৰ প্রকৃত অনুভূতিৰ উদ্রেক নহয়। ইয়াৰ বিপৰীতে এই স্থূলতাৰ জৰিয়তে যি প্রেমৰ আমদানি হয়, সেই প্রেম একধৰণৰ বলিয়ালি, খুব বেছি কেতিয়াবা বানপানীৰ দৰে বান্ধ, মথাউৰি, গাঁৱ-ভূঁই, সমাজ, নীতি-নিয়ম সকলো উচ্ছন্ন কৰি বৈ অহা পাগ্‌লা নদীৰ ঢলৰ দৰে আৱেগিক ঢল: প্রেম, প্যাৰ, ইস্ক অথবা মহব্বত নহয়।

সূক্ষ্ম অনুভৱৰ ক্ষমতা, বাস্তৱ সমস্যাৰ সহিষ্ণু বিশ্লেষণ, সমস্যা সমাধানৰ ব্যৱহাৰিক পথ—এই সকলোবোৰ, নাৰী আৰু পুৰুষৰ প্রকৃত প্রেমৰ উপলব্ধি আৰু সেই প্রেমৰ বাবে এক অনুকূল পৰিৱেশ ৰচনাৰ বাবেই অকল প্রয়োজন নহয়: মানুহৰ জীৱন আৰু জীৱন-সংগ্রামৰ বাবেও অপৰিহাৰ্য। ছবিৰ পৰ্দাৰ সফল নায়কে যিদৰে প্রকৃত প্রেমৰ সন্ধান দিব নোৱাৰে, সেইদৰে বাস্তৱৰ সৈতে সম্বন্ধহীন, এড্‌ভেঞ্চাৰধৰ্মী, অন্ধ আৱেগত উটিভাঁহি ফুৰা সাহিত্যৰ 'সফল নায়ক'ৰ চৰিত্রইও জনগণক জীৱন সংগ্রামৰ প্রকৃত পথ নিৰ্ণয় কৰাত সঠিক অৰিহণা যোগাব নোৱাৰে। খুব বেছি এনে সংগ্রামী সফল নায়কে সংগ্রামৰ মাদকতাময়, উত্তেজনাপূৰ্ণ, তাৎক্ষণিক দিশটোৰ প্রতি কিছু সৰল আৰু আৱেগসৰ্বস্ব লোকক আকৃষ্ট কৰিব পাৰে। ইয়াৰ পৰিণতি মানুহৰ সামগ্রিক মংগলৰ বাবে শুভ নহয়।

## তিনি / বৈপ্লৱিক অভিনন্দন গ্রহণ কৰক

Boris Leibson-ৰ Petty Bourgeois Revolutionism নামৰ পুথিখনত সমাজবাদ প্রতিষ্ঠা কৰাৰ সংগ্রামত জপিয়াই পৰা এক ধৰণৰ নতুন 'পজিটিভ হিৰো'ই কিদৰে ছোভিয়েত ৰাছিয়াৰ সাহিত্য জগতত এক সৰ্বগ্রাসী ভূমিকা পালন কৰিছিল তাৰ উল্লেখ পোৱা যায়। কিছু শক্তিশালী সমালোচকৰ প্রপাগেণ্ডাৰ জৰিয়তে এনে 'সফল নায়ক'ক জনমানসত এনেদৰে প্রতিষ্ঠা কৰা হৈছিল যে বেছ কিছু সময়ৰ বাবে মানুহে ভাবিবলৈ আৰম্ভ কৰিছিল যে এই 'সফল নায়ক' সকল বাস্তৱৰ পৰা পোনে পোনে সাহিত্যৰ জগতত প্রৱেশ কৰিছে। তেওঁলোকে যি মতত আস্থা প্রকাশ কৰিছে, সেই মতেই জনগণৰ একমাত্র মুক্তি আৰু মংগলৰ পথ, তেওঁলোকে দেখুওৱা পথেৰে যে সকলো সমস্যাৰ সমাধানৰ শেষত সাফল্য নিশ্চিত তাক বুজাবলৈ তেওঁলোকক অতি-আশাবাদৰ জৰিয়তে সফল নায়কলৈ ৰূপান্তৰিত কৰা হৈছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল এই 'সফল নায়কে' কেতিয়াও মাৰ্ক্সবাদ-লেনিনবাদ, ষ্টালিনৰ একনায়কত্ববাদত সন্দেহ অথবা প্রশ্ন কৰাৰ ধৃষ্টতা প্রকাশ কৰা নাই। হিন্দী বোলছবিৰ জৰিয়াতে ইস্ক, ইস্ক অথবা প্যাৰ, প্যাৰ বুলি লম্ফ-জম্ফ কৰি যিদৰে প্রেমৰ

প্ৰকৃত অনুভূতি সঞ্চাৰিত কৰাতো সম্ভৱ নহয় অথবা প্ৰেমৰ অনুকূল পৰিবেশ সৃষ্টিত অৰিহণা যোগোৱাতো সম্ভৱ নহয় ; ঠিক তেনেদৰে বৈপ্লৱিক অভিনন্দন জনাই ক্ৰান্তি, ক্ৰান্তি বুলি চিঞৰি থকাৰ বাবেই সাহিত্যৰ এই সফল নায়কে জনগণৰ প্ৰকৃত সংগ্ৰামী সত্তাক সঠিকভাৱে আলোড়িত কৰি বিপ্লৱৰ সূচনা কৰা সম্ভৱ নহয়। তেওঁলোকৰ মুক্তিৰ পথ দেখুওৱাতো দূৰৈৰ কথা বৰঞ্চ এনে টাইপৰ সাহিত্য আৰু কেপচুলৰন্ধ ৰাজনৈতিক ধ্যান-ধাৰণাই সাহিত্য আৰু সংগ্ৰামৰ নামত এক ধৰণৰ 'প্ৰেমৰ পিৰপিৰণি' সদৃশ ক্ষণিক উত্তেজনাহে সৃষ্টি কৰিবলৈ সক্ষম হয়। সংগ্ৰাম যেতিয়া এনে স্থূল আৱেগিক উচ্ছাসবদ্বাৰা পৰিচালিত হয়, তাৰ পৰিণাম কি কৰুণ আৰু ভয়াবহ হয়, তাৰ উদাহৰণৰ অভাৱ আজি আৰু অসমত নাই।

Boris Leibson এ দাঙি ধৰা এই 'সফল নায়ক'ৰ চৰিত্ৰ মোটামুটিভাৱে এনেকুৱা ধৰণৰ—তেওঁলোক একোজন প্ৰবল পৰাক্ৰমী সাহসী যুঁজাৰু, ফেচিবাদৰ বিৰুদ্ধে এওঁলোকৰ জয়লাভ সুনিশ্চিত, সংগ্ৰামৰ বাহিৰে এওঁলোকৰ অন্য কোনো অনুভূতি নাই, জনসাধাৰণৰ দুখ-যন্ত্ৰণা, নিৰসনৰ বাবে ফেচিবাদৰ বিৰুদ্ধে যুদ্ধত জঁপিয়াই পৰিবলৈ এওঁলোক প্ৰস্তুত, কিন্তু সেই দুখ-যন্ত্ৰণাৰ অনুভৱ তেওঁলোকৰ বাবে তুচ্ছ মানুহৰ বুৰ্জোৱা আৱেগ। মৃতজনৰ বাবে দুখ কৰাটো, নিজৰ পত্নী আৰু ল'ৰা-ছোৱালীৰ প্ৰতি সংগ্ৰামৰ মুহূৰ্তত প্ৰেম অনুভৱ কৰাটো, জীৱনৰ ভাল বস্তবোৰ লাভ কৰাৰ ইচ্ছা প্ৰকাশ কৰাটো এওঁলোকৰ বাবে অপৰাধ।

সফল নায়ক হ'লেও এনে ধৰণৰ চৰিত্ৰৰ সৈতে যে বাস্তৱৰ সাধাৰণ মানুহৰ প্ৰকৃতত্তে কোনো সম্পৰ্ক নাই, সেই কথা অলপ সূক্ষ্ম দৃষ্টিৰে বিশ্লেষণ কৰিলে ওলাই পৰে। যদিও এনে চৰিত্ৰকে একমাত্ৰ বাস্তৱ চৰিত্ৰ বুলি প্ৰপাগেণ্ডাৰ জৰিয়তে প্ৰতিপন্ন কৰা হৈছিল, এই কথা বুজিবলৈ অকণো বাকী নাথাকে যে এয়া জীৱনৰ অসত্য খণ্ডিত ৰূপ, মানুহ ইয়াতকৈ বহুত বেছি ৰূপময়।

হিন্দী বোলছবিৰ 'সফল নায়ক'ৰ 'স্থূলতা'ৰ সৈতে প্ৰতিটো কথাতে বৈপ্লৱিক অভিনন্দন জনোৱা এই সংগ্ৰামী সফল নায়কৰ স্থূলতাৰ বৰ বিশেষ পাৰ্থক্য নাই। সূক্ষ্ম অনুভূতিৰে ভৰা প্ৰকৃত প্ৰেমিকৰ বাবে ছবিৰ প্ৰেম যেনেদৰে অবাস্তৱ : নিষ্পেষিত নিপীড়িত মানুহৰ বাবেও এই সংগ্ৰামী 'সফল নায়ক' অবাস্তৱ। প্ৰপাগেণ্ডাৰ জৰিয়তে এটা ভ্ৰান্ত ধাৰণা যুগ যুগ ধৰি জীয়াই ৰখাত প্ৰপাগেণ্ডা শক্তিৰ বিচক্ষণতাৰ প্ৰমাণ আছে : জনসাধাৰণৰ মঙ্গল নাই।

## চাৰি শিশু নাটৰ আখৰা

আজি কিছু বছৰৰ আগতে বিচাৰকসকলৰ দ্বাৰা শ্ৰেষ্ঠ বুলি বিবেচিত এখন শিশু নাটকৰ

কাহিনীভাগ শুনি কিবা এক আতঙ্কত শিয়ৰি উঠিছিলোঁ। কাহিনীভাগ এনেকুৱা ধৰণৰ—গাঁৱৰ এজাক ক'ণ ক'ণ ল'ৰা-ছোৱালীয়ে খোলা পথাৰত আপোনমনে কিবা এটা খেল খেলি মগ্ন হৈ আছিল। কি খেল পাহৰিলো। আলোচনাৰ সুবিধাৰ্থে ধৰি ল'লো ফুটবল খেল। গাঁৱৰ ল'ৰা-ছোৱালী, অৰ্দ্ধনগ্ন, ক্ষীণ-মীন শৰীৰ। এনেতে সেই ঠাইত চহৰৰ পৰা বস্তুত ফুৰিবলৈ অহা নোদোকা, পৰিষ্কাৰ-পৰিচ্ছন্ন পোছাক পৰিহিত সমবয়সৰ ল'ৰা এটাৰ আবিৰ্ভাৱ হয়। ল'ৰাজনৰ ব্যৱহাৰত উন্নাসিকতা, গাঁৱৰ ল'ৰা-ছোৱালী জাকৰ প্ৰতি অৱজ্ঞা স্পষ্ট। সি আহি ল'ৰাইতে খেলি থকা বলটো দাবী কৰে। এটা সময়ত গাঁৱৰ ল'ৰা জাকে অহংকাৰী, ধনিক শ্ৰেণীৰ প্ৰতীক সেই ল'ৰাটোক অভিমন্যুৰ দৰে চক্ৰব্যূহৰ মাজত সুমুৱাই বলটোৰে পৰম উল্লাসেৰে খেতেলিয়াই খেতেলিয়াই হত্যা কৰে।

নক'লেও হ'ব যে আমি ওপৰত উল্লেখ কৰা সংগ্ৰামী সফল নায়কৰ এক প্ৰচণ্ড স্থূল আৰু ভয়াবহ ৰূপ গাঁৱৰ সেই কণ কণ ল'ৰা-ছোৱালী জাকৰ মাজত ফুটি ওলাইছে। মাৰ্ক্সে তেনে এখন নাটক লিখিবলৈ কোনো নাট্যকাৰকে নিৰ্দেশ দিয়া নাই, কিন্তু এটা কথা অস্বীকাৰ কৰা উচিত নহ'ব যে এনে স্থূল সংগ্ৰামী সফল নায়কৰ মহিমামণ্ডিত ৰূপচিত্ৰন আৰু তাৰ স্বীকৃতিৰ আঁৰত মাৰ্ক্সীয় ভাৱধাৰাক যথে-মথে মানুহৰ মগজুত সুমুৱাই দিয়াৰ স্থূল প্ৰপাগেণ্ডা আছে। স্থূল সমাজতত্বক কলা বিচাৰৰ মাপকাঠি হিচাপে প্ৰশ্ৰয় দিব গ'লে কেনে ধৰণৰ ভয়াবহ কলাৰ সৃষ্টি হয় তাৰ উদাহৰণ ওপৰৰ সেই সৰু শিশু নাটখন। ইয়াৰ বাবে দলীয় স্বাৰ্থৰ খাটিৰত স্থূলতাৰ বিৰুদ্ধে সোচ্চাৰ হৈ নপৰা বহুতো সমালোচকৰ প্ৰশ্ৰয় আৰু দায়িত্বহীনতাও কিছু পৰিমাণে নিশ্চিতভাৱে দায়ী। যিকোনো এটা মতৰ পক্ষত থাকিও কেতিয়াবা সেই মতক নিৰ্দয় সমালোচনা কৰাৰ প্ৰয়োজন হয়। নহ'লে তাৰ ফল হিতে বিপৰীত হয়। এই সাধাৰণ কথাটো মনত ৰাখিলে মাৰ্ক্সীয় ভাৱধাৰাই ভুল প্ৰপাগেণ্ডাৰ ফলত এনে এক অধঃপতিত স্তৰলৈ গতি নকৰিলেহেঁতেন। জাতীয়তাবাদী শক্তিৰ প্ৰতি ন্যায্যভাৱে অসমৰ জনগণক সচেতন কৰি তোলা আছুৰ সচেতন শুভকাংক্ষীসকলে ঠিক সময়ত আছুৰ সংকীৰ্ণতাবাদ আৰু আৱেগিক উন্মাদনাৰ বিপক্ষে সোচ্চাৰ হৈ নুঠাৰ বাবে আজি আছুৰ শক্তি বহু পৰিমাণে স্তিমিত। কেন্দ্ৰৰ শোষণৰ বিৰুদ্ধে অসমক জাগৰিত কৰি তোলাৰ সম্ভাৱনা থকা আলফাক ঠিক সময়ত সুতীব্ৰ অথাবে সমালোচনা নকৰি উচটাই দিয়াৰ বাবে, আলফাৰ আদৰ্শই জনমানসত বিশ্বাসযোগ্যতা হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। ঠিক সেইদৰে মাৰ্ক্সীয় ভাৱধাৰাৰ প্ৰতি শুভাকাংখী সমালোচকসকলে মাৰ্ক্সীয় স্থূল প্ৰপাগেণ্ডাৰ বিৰুদ্ধে সৰৱ হৈ নপৰাৰ বাবেই এটা স্তৰত গৈ এই ভাৱধাৰাই এক বিপজ্জনক ৰূপ গ্ৰহণ কৰিছে। অসমৰ

বহুতো সাম্প্ৰতিক অস্থিৰতা, সংগ্ৰাম সম্পৰ্কে বিভ্ৰান্তি, হত্যাৰ সহজ গ্ৰহণযোগ্যতাৰ অন্তৰালত এনে স্থূল প্ৰপাগেণ্ডাৰ বিপদজনক প্ৰভাৱ আছে।

মাৰ্ক্সবাদী প্ৰভাৱত অসমৰ নাটক-সাহিত্য জগতত সুলভ হৈ পৰা 'পজিটিভ হিৰো'ৰ স্থূল চৰিত্ৰ বিশ্লেষণ কৰিলে এই চৰিত্ৰই এনে কিছু দৃষ্টিভঙ্গী পঢ়ুৱৈ, দৰ্শকৰ মাজলৈ কঢ়িয়াই (জাপি দিয়া?) লৈ যোৱা যেন অনুভৱ হয়। যেনে (১) দৰিদ্ৰৰ প্ৰতি আত্মীয়তাবোধ আৰু মাৰ্ক্সবাদ অভিন্ন, (২) সকলো যন্ত্ৰণাৰ মূল আৰ্থিক, (৩) সকলো সমস্যাৰে ব্যাখ্যা শ্ৰেণীদ্বন্দ্বৰ জৰিয়তে সম্ভৱ, (৪) মাৰ্ক্সবাদৰ জৰিয়তে এদিন আদৰ্শ সমাজ প্ৰতিষ্ঠিত হ'বই, (৫) হিংসাৰ জৰিয়তে শোষকৰ অৱসানেই আদৰ্শ সমাজ লাভৰ সহজ আৰু দ্ৰুততম পথ ইত্যাদি।

আমাৰ ভাব হয় এই দৃষ্টিভঙ্গীসমূহৰ কেইটামান সম্পূৰ্ণৰূপে ভ্ৰান্ত আৰু বিপদজনক, কেইটামান আংশিকভাৱেহে সত্য আৰু কোনোটোৱেই সম্পূৰ্ণৰূপে অভ্ৰান্ত নহয়।

## পাঁচ/প্ৰেম, বিৰহ আৰু ক্ষুধাৰ সাহিত্য

এই কথা মাৰ্ক্সবাদৰ পৰম শত্ৰুজনেও মানি ল'ব লাগিব যে মাৰ্ক্সৰ তত্ত্বত নিশ্চিতভাৱে আছে দৰিদ্ৰৰ প্ৰতি সহানুভূতি আৰু সামাজিক আৰু আৰ্থিক অবিচাৰৰ বিৰুদ্ধে প্ৰবল প্ৰতিবাদৰ সুৰ। মাৰ্ক্সৰ আগতেও সাম্যবাদৰ স্বপ্ন বহুতো দাৰ্শনিকে দাঙি ধৰিছে, কিন্তু যিটো কাৰণত মাৰ্ক্স পূৰ্বসূৰীৰ তুলনাত অনন্য তাৰ কাৰণ হ'ল মাৰ্ক্সে সাম্যবাদৰ এক পথৰ নিৰ্দেশ দ্বিধাহীন ভাষাৰে অন্ততঃ দিবলৈ সাহস কৰিছিল। ৰুছ বিপ্লৱৰ সাফল্যৰ পিছত হয়তো মাৰ্ক্সে দেখুওৱা কল্পিত আৰু অপ্ৰমাণিত সাম্যবাদৰ ওপৰতেই ভিত্তি কৰি মাৰ্ক্সবাদৰ ওপৰত ধাৰণা এটা কৰি তাকেই খামুচি ধৰি থকাৰ যুক্তিযুক্ততা আছিল। কিন্তু আজিও মানুহে কল্পিত সাম্যবাদক লৈয়েই মাৰ্ক্সৰ বিচাৰ কৰিব লাগিব বুলি আশা কৰাটো ভুল। দৃশ্যমান সাম্যবাদহে আজি মানুহৰ মাৰ্ক্সবাদ বিচাৰৰ মাপকাঠি হ'ব: তত্ত্ব নহয়।

মটৰ নিউৰ'নৰ ৰোগী, কিংবদন্তী তুল্য ষ্টিফেন হকিংএ তেওঁৰ, A brief history of Time নামৰ গ্ৰন্থখনত বৈজ্ঞানিক তত্ত্বৰ ওপৰত এনেদৰে মত প্ৰকাশ কৰিছে— কোনো নতুন পৰ্যবেক্ষণৰ জৰিয়তে যদি এটা কথা দৃষ্টিগোচৰ হয় যে তত্ত্ব আৰু পৰ্য্যবেক্ষণৰ মিল নাই, তেনেহ'লে হয় সেই তত্ত্বক পৰিত্যাগ কৰিব লাগিব নহ'লে তাৰ পৰিবৰ্তন সাধন কৰিব লাগিব। আমাৰ ভাব হয় মাৰ্ক্সবাদও বৰ্তমানে এনেকুৱা এক সন্ধিক্ষণৰ সন্মুখীন হৈছে। মাৰ্ক্সবাদত যিসকলে 'সকল মাৰ্কৰ' মৰে প্ৰশ্নাতীত আস্থা স্থাপন কৰি আহিছে, তেওঁলোকেও এটা বুকু মন লৈ থমকি বৈ চোৱাৰ প্ৰয়োজন হৈছে কোন পৰ্যন্ত থাকিলে তেওঁলোকে নিষ্পেষিত জনৰ মঙ্গলৰ বাবে সৰ্বাধিক

অবিহণা যোগাব পাবিব—মাৰ্ক্সৰ তত্বকে খামুচি ধৰি থাকিব, পৰিবৰ্ত্তনৰ যোগেৰে তাক গ্ৰহণযোগ্য কৰি তুলিব নে তাক সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিব। এই ধৰণৰ বোৰাই এক যৌক্তিক বিশ্লেষণৰ আৰম্ভণি হব পাৰে, যি এই মুহূৰ্ত্তত ভীষণ জৰুৰী। এটা কথা আমি বুজি পাব লাগিব যে আমাৰ উদ্দেশ্য নিষ্পেষিত জনৰ মুক্তি। এটা বিশেষ থিওৰী যিকোনো প্ৰপাগেণ্ডাৰে ৰক্ষা কৰাটোৱেই আমাৰ দায়িত্ব নহয়। মানুহৰ প্ৰতি যাৰ সদিচ্ছা আছে, তেওঁলোকে কথাবোৰ নতুনকৈ ভাবি চোৱাৰ সময় আহিছে। তেওঁলোকে যদি বিশ্বাস ৰক্ষা কৰাটোকেই কৰ্তব্য বুলি ভাবি থাকে, তেনেহ'লে নিপীড়িত জনৰ মুক্তিৰ পৰিবৰ্তে তেওঁলোকে সত্যক অগ্ৰাহ্য কৰি চিন্তাৰ জড়তাক উদগনি দিয়াৰ কামতহে লিপ্ত হৈ ৰব। তাৰদ্বাৰা অইন যি উদ্দেশ্যই সাধন নহওঁক কিয় : অন্ততঃ শোষিত জনৰ মুক্তিৰ বিপ্লৱ কেতিয়াও সম্ভৱ নহয়। এই কথাক আমি সদায়ে সন্মান জনাব পাবিব লাগিব যে মানুহৰ ধ্যান-ধাৰণাৰ সীমা যিকোনো বিশেষ মতবাদতকৈ স্বাভাৱিকভাৱেই অধিক প্ৰশস্ত।

এটা সময় আছিল যেতিয়া প্ৰপাগেণ্ডাৰ গুণত অনেকে বিশ্বাস কৰি পেলাইছিল যে কম্যুনিষ্ট শাসন হ'ল এক উচ্চতৰ গণতন্ত্ৰ, য'ত ক্ষমতা সাধাৰণ মানুহৰ হাতত থাকিব। কম্যুনিষ্ট শাসনত 'গণতন্ত্ৰ', স্বাধীনতা, 'শোষণমুক্ত সমাজ'ৰ স্বপ্নৰ বিপৰীতে যে প্ৰকৃততে একদলীয় আমোলাতান্ত্ৰিক ৰাষ্ট্ৰসৰ্বস্ব দমননীতি বিৰাজ কৰাৰ সম্ভাৱনাহে অধিক সেই কথা আজি প্ৰায় দিবালোকৰ দৰেই স্পষ্ট। মাৰ্ক্সৰ মতবাদৰ আঁৰৰ দৰিদ্ৰৰ প্ৰতি সহানুভূতি আৰু প্ৰতিবাদৰ সুৰৰ কথা শ্ৰদ্ধাৰে স্বীকাৰ কৰিও পৰ্যবেক্ষণৰ জৰিয়তে আজি কোৱাৰ সময় হৈছে যে মাৰ্ক্সৰ পথেই সমাজতন্ত্ৰৰ অভ্ৰান্ত পথ বুলি চকু মুদি মানি লোৱাটো গোড়ামি। গোড়ামি উত্তৰণৰ পথ নহয়। কোনো গোড়ামিয়েই নহয়।

আৰু হিংসা!

বিপ্লৱ সংগ্ৰামৰ কথা বাদেই দিছো, সাধাৰণ খিয়লা-খিয়লি, তৰ্ক-বিতৰ্কৰ ক্ষেত্ৰতেই হিংসাই যোৱা দশকটোত এনে ভয়ঙ্কৰ প্ৰাধান্য লাভ কৰিছে যে এই কথাও বিচাৰ কৰি চোৱাৰ প্ৰয়োজন হৈছে সত্তৰৰ দশকৰ পৰা বেছ সৰৱভাৱে আৰম্ভ হোৱা মাৰ্ক্সবাদী প্ৰচাৰৰ সৈতে ইয়াৰ কিবা যোগসূত্ৰ আছে নেকি।

শান্তিপূৰ্ণ পথেৰে সমাজতন্ত্ৰৰ দিশত অগ্ৰসৰ হোৱাৰ সম্ভাৱনা আছে বুলি মাৰ্ক্সে যদিও স্বীকাৰ কৰিছে, কিন্তু এটা কথা অস্বীকাৰ কৰাৰ উপায় নাই যে মাৰ্ক্স-লেনিনৰ তত্বত হিংসাত্মক বিপ্লৱেই প্ৰাধান্য পাইছে। মাৰ্ক্স ব্যক্তিগত সন্ত্ৰাসৰ বিৰোধী ঠিকেই। তথাপি দুখেৰে ক'বই লাগিব যোৱা কেইটামান দশকত সাহিত্য আৰু অন্যান্য মাধ্যমৰ জৰিয়তে চলোৱা মাৰ্ক্সবাদী প্ৰচাৰে এক ধৰণৰ হিংসাক নতুন প্ৰগতিবাদৰ গৌৰৱ

প্ৰদান কৰিছে। প্ৰচাৰৰ স্থূলতা আৰু পক্ষপাতদুষ্ট উৎসাহৰ বাবেই হিংসাই লাভ কৰিছে অনাৱশ্যক মাত্ৰা। সমাজৰ মানৱিক দিশটোক হত্যা কৰি যদি কোনোবাই দাৰিদ্ৰমোচনৰ স্বপ্ন দেখিছে, তেনেহ'লে সেই স্বপ্নই বাস্তৱত ৰূপ ল'ব আদৰ্শ সমাজৰ পৰিৱৰ্তে : গুণ্ডাৰ ৰাজত্বত। তেনে এক পথেৰেই চকু-কাণ মুদি এচামৰ উচটনিত আমি বহুদূৰ আগবাঢ়ি আহিলো নেকি !

'সফল নায়ক'ৰ অতি-আশাবাদে যদিওবা ক'ব খোজে যে শোষিতজনৰ বিপ্লৱৰ জৰিয়তে এদিন সকলোৰে বাবে সুখ সমৃদ্ধিৰে ভৰা আদৰ্শ সমাজ প্ৰতিষ্ঠা হ'বই, আমি কিন্তু নিৰাশবাদী বুলি অভিহিত হ'লেও ক'ব খোজো যে আদৰ্শ সমাজ যদিওবা সকলোৰে কাম্য, আমাৰ দৃষ্টিৰ সীমাৰ ভিতৰত সেই সমাজ কেতিয়াও বাস্তৱত ৰূপায়িত নহ'ব। জীৱনৰ কঠিন সত্য হ'ল : সমাজ কেতিয়াও সৰ্বাঙ্গ সুন্দৰ নহ'ব, মানুহৰ জীৱনৰ সকলো দুখ কেতিয়াও অৱসান নহ'ব। সেয়েহে যিসকলে ভাবি আছে যে আমি এতিয়া অকল বিপ্লৱৰ গীত গাওঁ, আদৰ্শ সমাজ প্ৰতিষ্ঠা হোৱাৰ পিছত প্ৰাণ ভৰি প্ৰেম আৰু সৌন্দৰ্য্যৰ গীত গাম ; তেওঁলোকে হয়তো প্ৰেম, বিষাদ সৌন্দৰ্য্যৰ গীত গোৱাৰ সময় কাহানিও নাপাব। প্ৰেম, বিষাদ, সৌন্দৰ্য্য, সুখ। তাড়না এই সকলোবোৰ বাদ দি কোনোবাই যদি সাহিত্যৰ জৰিয়তে সকলোৰে মগজুত 'বিপ্লৱকেই সুমুৱাম বুলি ভাবিছে ( হিন্দী চিনেমাই প্ৰেম সুমুওৱাৰ দৰে )। তেনেহ'লে তেনে লোকৰ বৈপ্লৱিক দৃষ্টিভঙ্গী ইমানেই স্থূল আৰু উপকৰা হ'ব যে সেই বিপ্লৱে মনুষ্যত্বাভিক আলোক উজ্জ্বল ভৱিষ্যতৰ পৰিৱৰ্তে নিক্ষেপ কৰিব দা, যাঠি লৈ প্ৰতিটো মুহূৰ্ততে খুচিয়া-খুচি কৰি থোৱা মনুষ্যৰূপী জন্তু-জানোৱাৰেৰে ভৰা এখন নাৰকীয় পৃথিৱীত। এই ভৱিষ্যতবাণী কৰিবলৈ জ্যোতিষৰ বিশেষ জ্ঞানৰ এতিয়া আৰু প্ৰয়োজন নাই।

# কিতাপৰ মেলা

## ( যোৰহাটত হৈ যোৱা গ্ৰন্থ মেলাৰ আঁত ধৰি )

'Give me books, fruits, french wine and time weather and a little music out of doors, played by somebody I do not know.'

John Keats on himself
Letter to Fanny Brawne,
29 August, 1819.

বিশ্ববিশ্ৰুত এজন সমালোচকে কিতাপৰ ভৱিষ্যত সম্পৰ্কীয় এখন আলোচনা চক্ৰত এইদৰে কৈছিল "কিতাপ একান্তই অন্তৰৰ সম্পদ : স্মৃতিৰ জগত আৰু মাতৃ স্নেহৰ দৰে সুখময়। এজাপ কিতাপ যদি বুকুত চেপি ধৰা হয়, তেনেহলে হৃদ স্পন্দনৰ সৈতে শুনিবলৈ পোৱা যায় তাৰ মধুৰ শব্দ। বিছনাত পৰি একতীয়া কৈ শুই শুই কিতাপ এখন পঢ়িলে তাৰ যি স্পৰ্শ আহি কপালত লাগে, সেয়া নিৰ্মল জগতৰ আনন্দময় অনুভূতিৰেই এক স্পৰ্শ। কিতাপ আমাৰ বাবে অমৰাৱতীৰ দেশ : সেয়েহে মানৱ জীৱনত তাৰ স্থান সৰ্বদানিশ্চিত।"

কিতাপৰ সুগন্ধ থাকে ; বাতিফুলা শেৱালি ফুলৰ দৰে স্নিগ্ধ, নিৰ্মল অথচ মন মাতাল কৰা সেই সুবাস। কিতাপে কঢ়িয়াই অনা দুখ-বিষাদ, ক্ষোভ সৰ্বপ্ৰকাৰৰ অনুভূতিয়েই কিতাপ প্ৰেমীৰ মন এনে এক শাশ্বত সৌন্দৰ্য আৰু মহত্বৰে বিধৌত কৰি তোলে যে দুখ-বিষাদো হৈ পৰে এক ধৰণৰ আনন্দময় অনুভূতিৰ আকৰ। মন আৰু মননৰ আঙুলিৰে স্পৰ্শ কৰিব জানিলে অনুভৱ কৰিব পাৰি কিতাপৰো প্ৰাণৰ স্পন্দন। সংবেদনশীল মনত এই স্পন্দনেও প্ৰবাহিত কৰিব পাৰে তেজ-মঙহৰ শিহৰণ।

মৌ-মাখিৰ দৰে গুটি গুটি কিতাপৰ বৰ্ণমালাত থাকে শক্তিশালী চুম্বক। সদ্য-যৌৱনা লাৱণ্যময়ী নাৰীৰ শৰীৰৰ দৰে পৱিত্ৰ আৰু আকৰ্ষণ শক্তিৰ অধিকাৰিণী সেই চুম্বক। বৰ্ণমালাৰ অমৃত পান কৰি কোনে জানো কৈ গৈছে বহু বছৰ আগতে "যি সকলে পঢ়িবলৈ নাজানে তেওঁলোকৰ সমান দুৰ্ভগীয়া এই পৃথিৱীত নাই।" অনাখৰী লোক স্বষ্টিৰ সেই অমূল্য সম্ভাৰৰ পৰা বঞ্চিত যি সম্ভাৰ লেখকে হৃদয় মন্থন কৰি অন্তৰৰ গভীৰতম প্ৰদেশৰ পৰা তুলি আনে।

গুটি গুটি আখৰক আয়ত্তাধীন কৰি যিসকল লোক ভাগ্যবানৰ শাৰীলৈ উন্নীত হৈছে, তেওঁলোকে আজিও কিতাপক অন্তঃকৰণেৰে এক উচ্চাসনত স্থাপন কৰেনে ? ছপাশালৰ পৰা ওলাই অহা কিতাপৰ স্পৰ্শই আজিও মানুহক শিহৰিত কৰিব পাৰেনে ?

মুখৰ ওচৰলৈ তুলি ল'লে নাকত আহি লাগে নে কিতাপৰ সুবাস? এইবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি যোৱা চেপ্টেম্বৰ অক্টোবৰ মাহত যোৰহাটত প্ৰকাশন পৰিষদে আয়োজন কৰা গ্ৰন্থমেলালৈ গৈছিলো। লগত বকুল-বনৰ কবি-পুত্ৰ পৰম বকুল বৰুৱা, লাজকুৰীয়া কবি ৰাবিয়া খাতুন, উদীয়মান নাট্যকাৰ দ্বিজেন বড়া আৰু······

তাৰ আগতে অন্য এক স্মৃতি হৈ বৈ যোৱা অভিজ্ঞতাৰ কথা কব খুজিছো, যাৰ লগত জড়িত হৈ আছে সেই তাহানিতে এৰি অহা মোৰ কৈশোৰ আৰু শৈশৱৰ সোণোৱালী দিন। সেই যে দুপৰৰ নিস্তৰংগ নদীৰ নিস্তব্ধ পাৰ, দুপাৰত অজগৰ সাপৰ দৰে নিদ্ৰামগ্ন মথাউৰি, নদীৰ বালিচৰত কুঁহিয়াৰৰ নিবন্ধ বাৰী, পানিত অবোৱালৰ দৰে যাৰ দীঘল পাত আৰু মধুৰ দৰে ৰস; আৰু সেই যে ধুমুহাৰ দৰে ধূলিয়ৰি ৰাস্তাৰে উৰি যোৱা ভৱানী পণ্ডিত, আঁহত গছৰ তলৰ পাঠশালাখন আৰু······।

চহৰৰ চোৱে ধীৰে ধীৰে চুই যোৱা আমাৰ সেই সৰু ঠাই খনত পিছে মোৰ বাবে আটাইতকৈ আকৰ্ষণীয় বস্তুটো আছিল তাৰ বাজহুৱা পুথি ভঁৰালটো। থাক্ থাক্ কৈ কাঠৰ আলমাৰিত সজাই থোৱা ৰং-বিৰঙৰ বিচিত্ৰ বিষয়ৰ প্ৰতিখন কিতাপেই আছিল মোৰ সেই বিগত দিনৰ অন্তৰংগ বন্ধু। পুথি ভঁৰালৰ প্ৰতিখন কিতাপেই স্পৰ্শ কৰি অনুভৱ কৰিছিলো এক ধৰণৰ অলৌকিক শিহৰণ, নাকৰ ওচৰলৈ তুলি আনি শুঙিছিলো ছাঁপ খাই থকা কিতাপৰ সেই সুগন্ধি নিৰ্যাস৷ আৰু সেই যে ক্লাছ ফোৰ নে ফাইভতে 'চানেকি পাঠ'ৰ বেটুপাত লগাই লুকাই-চুৰকৈ পঢ়া মাণিক চাৰৰ প্ৰথম উপন্যাসখন আৰু তাৰ পিছত ৰহস্যময় এক উত্তেজনাত ওৰে ৰাতি উজাগৰে থকা ·····। কিতাপৰ পাততে কোনো দিনে আৰু ঘূৰি নহা এটা বিস্মৃতপ্ৰায় কৈশোৰ চিৰকালৰ বাবে এৰি থৈ অহাৰ বাবে অনুতাপ নকৰিলেও মোৰো কিয়নো কেতিয়াবা এটনী চেখভৰ দৰে ক'বলৈ মন যায়—When I was a child, I had no childhood.

অলপতে ছুটীত যাওঁতে কৌতূহলবশত: এটা ন'ষ্টালজিক আবেগৰ বশৱৰ্তী হৈ সন্ধিয়া পৰত সৰু চহৰ এখনৰ পুথি ভঁৰাল এটাত সোমাইছিলো; কিন্তু ঘূৰি আহিছিলো এটা ভগ্ন হৃদয় লৈ। মকৰাজাল আৰু ধূলিৰ প্ৰলেপে ঢাকি ৰখা আলমাৰিৰ থাক-বোৰত হাঁ হাঁ শূন্যতা, দুই এখন অস্পৰ্শিত পুৰণি কিতাপ মাথোন চানেকি হিচাপে ৰৈ গৈছে পুথি ভঁৰালৰ পৰিচয় দিবলৈ। যিখন মেজ হয়তো সুশোভিত হৈ থাকিব লাগিছিল ৰং বিৰঙৰ আলোচনী আৰু বাতৰি কাকতেৰে, তাৰ চৌদিশে বহি তৰুণ কেইজমান নিয়ৰ তাচৰ খেলত। পুথি ভঁৰালৰ ভিতৰত ধূম্ৰায়িত কেৰচিনোৰ পৰিবেশ। বাহিৰত চাইনেলাৰ বিহীন মটৰ বাইক এখন সশব্দে ষ্টাৰ্ট কৰি কোনোবাই চিঞৰিছিল বো জেবেকন কেছেট এটা আহিছে। মিচ নকৰিবি। বিদেশী লেপুৱাইছে·····

সুখৰ কথা যোৰহাটৰ গ্ৰন্থমেলালৈ গৈ পুথি ভঁৰালৰ সেই শেহতীয়া বেদনাদায়ক অভিজ্ঞতা মনৰ পৰা কিছু পৰিমাণে মচ খাই গ'ল ; যেন হঠাতে সংগী হৈ পৰিব খোজা এটা যন্ত্ৰণাই উপশমৰ পথ বিচাৰি পালে। প্ৰতিখন ষ্টলৰ সম্মুখত ভিৰ, সপ্ৰতিভ তৰুণ-তৰুণী, ভগ্‌বগাই থকা কিশোৰ-কিশোৰী অথবা সাজি-কাচি ওলাই অহা ঘৰৰ বোৱাৰী। চহৰখনত সোমালেই অনুমান কৰিব পাৰি গ্ৰন্থমেলাৰ ঢৌয়ে সমগ্ৰ চহৰখনকে স্পৰ্শ কৰি গৈছে, মাত্ৰ কেইটামান দিনৰ বাবে হ'লেও। দুপৰীয়াৰ আহাৰ কৰিবলৈ যোৱা হোটেলৰ মালিকজনেও সহাস্যবদনে আন্তৰিকতাৰে সুধিছিল- 'গ্ৰন্থমেলালৈ আহিছে নেকি ?' আঃ কি সুখদায়ক সম্ভাষণ।

টিকট কাটি মেলাৰ ভিতৰত প্ৰৱেশ কৰাৰ লগে লগেই কাণত আহি পৰিছিল কাৰোবাৰ চিনাকি বসাল কণ্ঠধ্বনি ! বাওঁফালে মুখ ঘূৰাই চালো—আলোচনা চক্ৰ চলি আছে। মাইক্ৰোফোনৰ সম্মুখত তোমাৰ খোপাৰ আবেলি আবেলি গোন্ধেৰে অসমীয়া কবিতাক সুবাসিত কৰি তোলা সেই ফটোজেনিক, সুদৰ্শন চুটি চাপৰ মানুহজন—কবি নৱকান্ত। মানুহজনক দেখিয়েই পুতৌ উপজিল—সাহিত্য সভাৰ সভাপতি হৈ যোৱা এটা বছৰে তেওঁ যিদৰে টাকুৰী ঘূৰা দি ঘূৰিছে, তেনেদৰে কিজানি গোটেই জীৱনতে ঘূৰা নাই। সভাপতিৰ পদে অন্য একো দিব নোৱাৰিলেও চাগে অকৃপণভাৱে এটা বস্তু দিয়ে 'গতিময়তা'। কৈ গৈছে নৱকান্তই—"আজিকালি audiovisual-ৰ যুগ। Screen-ত ছবি ওলাইছে। চাওঁও বস্তুত কথা কৈ গৈছে। চকুৰে চাবা, কাণেৰে শুনিবা। কিতাপ পঢ়িবৰ কি প্ৰয়োজন!" কিতাপ-প্ৰেমীৰ বুকু চপ্‌চপাই যোৱা কি ভয়ংকৰ প্ৰশ্ন নৱকান্তৰ কণ্ঠত। তাৰ পিছতে অৱশ্যে নৱকান্তই যোগ কৰিছে কিতাপৰ গুটি গুটি আখৰৰ শাশ্বত সৌন্দৰ্যৰ মহত্বৰ কথা-নৱকান্তৰ নিজস্ব সুৰীয়া ভাষাত।

আলোচনা চক্ৰতে লগ পালো সেই 'নীলাচল'ৰ যুগতে, আমাৰ প্ৰাক্-যৌৱনত, হৃদয় আৰু মগজু আলোড়িত কৰি তোলা অসমৰ সৰ্বজন স্বীকৃত গ্ৰন্থকীট হোমেন বৰগোহাঞিক। কিতাপে যে মানুহক ইস্পাতৰ দৰে আত্মবিশ্বাস অথচ আশ্চৰ্যকৰভাৱে বিনয়ী এক অনন্য ব্যক্তিত্ব প্ৰদান কৰিবলৈ সক্ষম হয় সেই কথা বৰগোহাঞিৰ মুখলৈ চালে অনুমান কৰিবলৈ কঠিন নহয়। সুধিলো আপোনাৰ চকুৰ অসুখ এতিয়া কেনেকুৱা ? আগতকৈ বহুত ভাল। আৰু ক'লো—'সূত্ৰধাৰ'ত ৰাজনীতি বেছি হৈছে। নিজৰ স্পৰ্ধাৰ বাবে মই এতিয়া লজ্জিত।

লোহা-লক্কৰ, যন্ত্ৰ-পাতি, অৰ্থহীন চৈটিচুটিকদুত নিজকে কবৰ দি জীয়াই থকা মানুহ মই, চৌপাশৰ পৰিবেশো মানৱীয় স্পন্দনবিহীন ; সেয়েহে কিতাপৰ সৈতে জড়িত আৱেগ-অনুভূতিয়ে স্পৰ্শ কৰা বিকোনো ব্যক্তিৰ প্ৰতি দুৰ্বলতা অনুভৱ কৰো।

ভেওঁলোকৰ সামান্য সান্নিধ্যও মোৰ বাবে এক পৰম প্ৰেৰণাৰ উৎস। সেই গ্ৰন্থমেলাতে লগ পালো অনমনীয় গল্পলেখক আৰু কবি মদন শৰ্মাক, ক'লে-দেবব্ৰত আহিছিল, কিবা এটা জৰুৰী খবৰ পাই যোৱা কালি গ'লগৈ। অদ্ভুত বুদ্ধিৰে গল্পত পাৰমিউটেচন কম্বিনেচনৰ খেল খেলা প্ৰিয় গল্পকাৰজনক এইবাৰো লগ পোৱাৰ সুযোগ নহ'ল। Bad luck মোৰ।

আৰু লগ পালো কোন জন-জাতীয় গাঁৱত গৈ নাটকৰ প্ৰাণ বিচাৰি ফুৰা অথবা 'হাতী ধৰা গান'ৰ সুৰ বাণীবদ্ধ কৰাৰ সুযোগ চাই থকা নাট্যকাৰ পৰিচালক মুনীন ভূঞাক। হাতত এবেগ কিতাপ। ক'লে গ্ৰন্থমেলা ঠিকেই আছে; কিন্তু কিতাপৰ ভেৰাইটিজ কম।

হঠাতে মানুহৰ ভিৰৰ মাজত ছিৰোৰ চেহেৰাৰে বেছ ৰোমাণ্টিক জেকেট এটা পিন্ধি বৈ থকা দেখা পালো 'কটন কলেজৰে এসময়ত আমাৰ প্ৰাক্-যৌৱন প্লাৱিত কৰা নবীন বৰুৱাক। সুধিলো—'কটন কলেজ'ৰ কবৰীক যোৰহাটৰ গ্ৰন্থ মেলাতো বিচাৰি ফুৰিছে নেকি? চছমাৰে ঢাকি ৰখা বৰুৱাৰ চকুত এটি হাঁহিৰ ভংগিমা। My life hath been the poem I would have writ. But I could not both live and utter it.······হায়, এয়া দেখোন মোৰেই কথা!

এখন ষ্টলৰ পৰা আন এখন ষ্টললৈ ঘূৰি ফুৰিছো। ভিৰৰ বাবে ভিতৰলৈ গৈ কিতাপ বাছিবলৈ অসুবিধা হৈছে। সেয়েহে বগপাৰ দৰে ডিঙি মেলি দূৰৈৰ পৰাই চাইছো ৰং-বিৰঙৰ কিতাপৰ শোভা। গল্প উপন্যাসত বাহিৰেও আৰু যে কত কি বিষয়ৰ ওপৰত কত কিতাপ ওলাইছে! কেতিয়াও নাম শুনা বহুতো লিখকৰ বহুতো কিতাপ! 'দেশ' নামৰ বঙালী আলোচনীখনত প্ৰকাশ পোৱাৰ দৰে কেতিয়া যে অসমীয়া কিতাপৰ সুদৃশ্য বিজ্ঞাপন অসমীয়া আলোচনীত নিয়মিত প্ৰকাশ পাব! কিতাপ এখন লিখাটো এটা সৃষ্টি প্ৰক্ৰিয়া কিন্তু তাৰ বিক্ৰী এটা ব্যৱসায়। এই কথাষাৰ অসমীয়া প্ৰকাশক সকলে এতিয়াও বুজা নাই নেকি?

'বাণী প্ৰকাশ'ৰ ষ্টলৰ সন্মুখত বৈ আছো। হঠাতে কান্ধত কাৰোবাৰ হাতৰ স্পৰ্শ; ঘূৰি চাই দেখো এয়োকোৱা হাঁহিৰে মোৰ এজন চিনাকি সফল ঠিকাদাৰ বন্ধু; দিনটো টকা, বস্তুৱা, বালি শিল আৰু লবীৰ হিচাপ কৰি কৰি বাস্তিৰ সামান্য আজৰি পৰত যিয়ে আশ্ৰয় লয় কিতাপৰ পাতত। এক ব্যতিক্ৰম চৰিত্ৰ।······বহুদিনৰ মূৰত দুই বন্ধুৰ আড্ডা জমি উঠিল। কথা প্ৰসংগত 'ক্লাচিক'ৰ পেকেটটো আগবঢ়াই দি বন্ধুৱে ক'লে—জান, এইবাৰ এঠাইত আমাৰ ঠিকাৰ কাম চলি আছিল। পাইপ লাইন লেভিঙৰ কনট্ৰেক্ট। একদিন চান্দা বিচাৰি কেইজনমান চেংেলীয়া ল'ৰা হাজিৰ। এশ দুশ নহয়, হাজাৰত লাগে। সুধিলো কিহৰ বাবে লাগে। আমি এটা পুথি

উঁৰাল খুলিম।……ভাল কথা। নিশ্চয় দিম। But not in cash, in kind. তোমালোকে কিতাপৰ নাম কোৱা। মই নিজে কিনি তোমালোকৰ পুথি উঁৰালত এশখন কিতাপ দান দিম।……এজনে আনজনৰ মুখলৈ চালে। নামানেহে নামানে। ময়ো আঁকোৰগোজ। কিতাপৰ তালিকা লৈ পিছদিনা আহিবলৈ ক'লো।……… পিছদিনা কিয়, আমাৰ কাম শেষ হোৱালৈ চান্দা বিচাৰি সেই চেঙেলীয়া ল'ৰা কেইজন আৰু নাহিল। হাঁ হাঁ হাঁ……

দুই বন্ধুৰ আড্ডা জমি থকাৰ সময়তে টল এখনৰ ভিতৰৰ পৰা হয়তো আমাক দেখিয়েই ওলাই আহিল আমি দুয়োজনৰে এজন উমৈহতীয়া বন্ধু; গুৱাহাটীৰ পৰা টল লৈ আহিছে। এসময়ত কোনোবা এখন স্কুল নে কলেজৰ লাইব্ৰেৰীয়ান আছিল। এতিয়া স্বাধীনভাৱে কিতাপৰ ব্যৱসায় কৰে। দুই এখন নিজে প্ৰকাশো কৰিছে। সুধিলো বিক্ৰী কেনেকুৱা?……ভালেই। পকা বন্ধা, লেমিনেটেড জেকেট হব লাগে; মানুহে কিনে ড্ৰয়িং ৰুমত সজাবলৈ।

—ড্ৰয়িং ৰুমত সজাবলৈ হলেও মানুহে কিনিছেতো। ড্ৰয়িং ৰুমত মানুহে কেনে ধৰণৰ বস্তু সজায়, যিবোৰ বস্তুক লৈ মানুহে গৌৰৱান্বিত বোধ কৰে। তাৰ মানে এতিয়াও কিতাপক এক প্ৰকাৰৰ গৌৰৱৰ বস্তু বুলি ভাবে। সেইটোৱে কম ডাঙৰ কথানে! পঢ়ক নপঢ়ক মই ভাবো শিক্ষিত মানুহ এজনে বছৰত কেইখনমান কিতাপ নিকিনাটো এক প্ৰকাৰৰ লজ্জাৰ কথা। কি কোৱা?

তিনি বন্ধুৱে বহু বছৰৰ মূৰত মিলিত হোৱাৰ আনন্দকণ ভালদৰে উপভোগ কৰিবৰ বাবেই গ্ৰন্থপ্ৰেমীৰ ভিৰৰ পৰা আঁতৰি আহি আলোচনাচক্ৰৰ খালি হৈ থকা পিছৰ শাৰীৰ চকি তিনিখনত বহি পৰিলো। মঞ্চত চেহেৰাৰেও আঢ্যৱন্ত কবি সাহিত্যিক সভাপতি যেন লগা বীৰেণ বৰকটকী, নৱকান্ত বৰুৱা আৰু যতীন্দ্ৰনাথ গোস্বামী। আড্ডা আমাৰ জমি উঠিল। গুৱাহাটীৰ কোন ৰেষ্টুৰেণ্টৰ অন্ধকাৰ কেবিনত বহি প্ৰথমবাৰৰ বাবে পানীয় সেৱন কৰি ছীন ক্ৰিয়েট কৰাৰ কথা, ত্ৰিবেণী নে কি নামৰ বঙালী ছোৱালীজনাক তিনি বন্ধুয়ে একেলগে প্ৰেম নিবেদন কৰাৰ সেই অদ্ভূত অভিজ্ঞতা (ক'ত এতিয়া ত্ৰিবেণী!) চাকৰি জীৱনৰ তিক্ততা, ঘৰত মিছেছৰ কমন অত্যাচাৰ……এইধৰণৰ সকলো গোপন খবৰ, মান-অভিমান, লজ্জা-অপমান, নোহোৱাকৈ উবুৰিয়াই দিবলৈ পুৰণি বন্ধুৰ মিলন ক্ষণতকৈ আৰু ভাল মাহেন্দ্ৰক্ষণ নাই। গতিকে……

কথা প্ৰসংগত পূৰ্বৰ চাকৰি জীৱনৰ কথা ক'বলৈ গৈ কিতাপৰ ব্যৱসায়ী বন্ধুজনে ক'লে—মই যে কলেজৰ লাইব্ৰেৰীয়ান আছিলো সেই সময়ৰ কথা। এজন লেকচাৰাৰ নিয়মিতভাৱে লাইব্ৰেৰীলৈ আহে। সদায় একেসোপা কিতাপ লৈ যায়; পিছদিনা

ঘূৰাই দিয়ে। মোৰ লাহে লাহে সন্দেহ হ'ল, মানুহজনে প্ৰতিদিনে ইমানবোৰ কিতাপ পঢ়েনে! এদিন কি কৰিলো, টেলিফোন ডাইৰেক্টৰীখনত কভাৰ এটা লগাই তেওঁক কিতাপ হিচাপে issue কৰিলো। দুদিন পিছত তেওঁ কিতাপখন ঘূৰাই দিবলৈ আহিল। কিতাপ মানে সেই টেলিফোন ডাইৰেক্টৰীখন। মই সুধিলো—উপন্যাসখন কেনে পালে চাৰ? ভাল বঢ়িয়া। কিন্তু চৰিত্ৰৰ সংখ্যা বেছি যেন লাগিল। লেকচাৰৰজনে উত্তৰত ক'লে। হাঁ হাঁ হাঁ······

আমি বাকী দুই বন্ধুয়ে চৌপাশৰ পৰিবেশ আওকান কৰি সশব্দে হাঁহি দিলো। সন্মুখৰ ফালৰ পৰা বহাৰ পৰা সামান্য উঠি কেইজনমানে আমাৰ ফালে তিৰ্যক দৃষ্টিৰে চাই পঠিয়ালে। দুটা গোলাকাৰ মূৰ চিনি পোৱা যেন লাগিল। সতীশ চৌধুৰী আৰু অমল বাৰুখোৱাৰ। আমাৰ গিৰ্জনিৰ শব্দত মঞ্চৰ পৰাও বীৰেণ বৰকটকীয়ে আমাৰ ফালে কেৰাহিকৈ চোৱা যেন লাগিল। সৌজন্য ৰক্ষাৰ অৰ্থে গুৰু গম্ভীৰ আলোচনা-চক্ৰত বেমানন আমি তিনি বন্ধু চুপ হৈ যাবলৈ বাধ্য হ'লো। কিতাপৰ ব্যৱসায়ী বন্ধুয়ে তাৰ সেই কল্পিত (সম্ভৱ) অভিজ্ঞতাৰ কাহিনীৰে কি বুজাব খুজিছিল, সেই বিষয়ে সোধাৰ আমাৰ আৰু পিছত অৱকাশ নহ'ল। কিতাপ নিকিনাকৈয়ে গ্ৰন্থমেলাৰ পৰা আমি ঘৰলৈ উভতিলো।

# নতুন সৃষ্টিৰ মূল্যাঙ্কন

## এক / আলোচনা-চক্ৰ

হয়তো মাইক্ৰোফোনৰ সম্মুখত থিয় হোৱাৰ লগে লগেই স্বয়ংক্ৰিয়ভাৱে মোৰ কণ্ঠ বোধ হৈ যায় বাবে অথবা চিনাকি-অচিনাকি মানুহৰ ভীৰৰ সম্মুখত, উচ্চ ৰক্তচাপত ক্ৰমশঃ দুৰ্বল হৈ পৰা মোৰ হৃৎপিণ্ডত কম্পন অস্বাভাৱিকৰূপে দ্ৰুততৰ হৈ পৰে বাবে, সামান্য অজুহাতত যিকোনো সভা-সমিতিৰ পৰা মই দহ মাইল দূৰত্বত অৱস্থান কৰো। ইতিমধ্যে মই মোৰ কষ্টকল্পিত যুক্তিৰে নিজকে প্ৰতীয়মান নিৰলৈ সক্ষম হৈছো যে সভা-সমিতিৰ পৰা মানুহে এনে কোনো নতুন কথা শিকাটো সম্ভৱ নহয় : যি কথা তেওঁ অন্য উৎসৰ পৰা শিকিব নোৱাৰে। যি সময়ত জ্ঞান প্ৰচাৰৰ সকলো মাধ্যমেই হৈ পৰিছে সহজলভ্য আৰু বহু ব্যৱহৃত, সেই সময়ত শিক্ষিতলোকৰদ্বাৰা সভা-সমিতিৰ আয়োজনটোৱেই হৈ পৰে মোৰ বাবে সন্দেহজনক। মোৰ সন্দেহপ্ৰৱণ মনটোৱে প্ৰায় বিশ্বাস কৰিবলৈ আৰম্ভ কৰে যে এই সমগ্ৰ আয়োজনৰ অন্তৰালতে যেন আছে এক শ্ৰেণীৰ অত্যুৎসাহী অথচ অক্ষম লোকৰ স্বীকৃতি লাভৰ কোনো এক গোপন বাসনা অথবা যুক্তিহীন কোনো এটা ধাৰণা বাকচাতুৰ্য আৰু অংগীভংগীৰ মেচমেৰাইজিং শক্তিৰ সহায়ত মানুহৰ ওপৰত জাঁপি দিয়াৰ এক পৰিকল্পনা! 'উপস্থিত সুধীবৃন্দ' যেন ষড়যন্ত্ৰৰ ফান্দত ভৰি দিয়া নিৰীহ ভিক্টিম।

তথাপি 'ভিক্টিম'ৰ ৰূপতেই কেতিয়াবা আলোচনা-চক্ৰ আদি বৌদ্ধিক নামকৰণেৰে নিখুঁটভাৱে শৰীৰ ঢাকি ৰখা বাক্-প্ৰতিযোগিতাৰ দৰ্শক হিচাপে অনিচ্ছাসত্ত্বেও নিজকে উপস্থিত কৰাবলগীয়া হয়। আজি কিছুদিন আগতে তেনে এখন আলোচনা-চক্ৰতে উপস্থিত আছিলো কৌতূহলী এজন দৰ্শক হিচাপে। যিমানদূৰ মনত পৰে, আলোচনাৰ বিষয়-বস্তু আছিল : স্বাধীনোত্তৰ যুগৰ অসমীয়া উপন্যাস।

আমন্ত্ৰিত আলোচকে বীণা বৰুৱাৰ পৰা যাত্ৰা আৰম্ভ কৰি বীৰেন ভট্টাচাৰ্য, মালিক, বৰকটকী, যোগেশ দাস, হোমেন বৰগোহাঞি আদি মাইলৰ খুটিবোৰত কন্তেক থমকি ৰৈ (ব্যতিক্ৰম হিচাপে এই লিখকৰো নামোল্লেখ কৰি) মামনি ৰয়চমৰ সাহিত্যৰ শৰীৰত প্ৰৱেশ কৰাৰ কন্তেক পিছতে আৰম্ভ হয় যথাৰীতি সভাপতিৰ ভাষণ। সভাপতিয়ে বাক্চাতুৰ্য প্ৰদৰ্শনীৰ প্ৰাৰম্ভণীতে সকলোকে স্তম্ভিত কৰি কোনো অপৰাধবোধ অথবা হীনমন্যতা নোহোৱাকৈয়ে ঘোষণা কৰিলে যে শিল্প-সাহিত্যৰ প্ৰতি

নিঃসন্দেহে আছে তেওঁৰ যথেষ্ট অনুৰাগ, কিন্তু জীৱনত কোনো দিনে তেওঁ এখনো উপন্যাস পঢ়ি পোৱা নাই!

উপন্যাসৰ প্ৰতি মই অপত্য-স্নেহজাতীয় এক বন্ধন অনুভৱ কৰো বাবেই নেকি সভাপতিৰ এই নিৰীহ অথচ নিৰ্মম ঘোষণাত মই কন্তেকৰ বাবে হৈ পৰিছিলোঁ ব্যথিত, বিস্মিত আৰু হতবাক। পিছমুহূৰ্ত্ততে অৱশ্যে অন্য এটা কথা ভাবি এক গোপন আনন্দও অনুভৱ কৰিছিলো: যা হ'ক, অন্ততঃ উপন্যাস সাহিত্যৰ আলোচনা-চক্ৰত তেওঁৰ ভাষণ নিশ্চয়কৈ হ'ব যথেষ্ট চমু আৰু নিয়মমাত্ৰ। যিকোনো সুদীৰ্ঘ ভাষণকেই মই গণ্য কৰো মগজুৰ ওপৰত এক অনধিকাৰ অত্যাচাৰ বুলি। অন্ততঃ এইজনা সভাপতিয়ে সেই অত্যাচাৰৰ পৰা মোক ৰেহাই দিব।

মই বাৰে বাৰে ঘড়ীৰ কাঁটা চাইছোঁ আৰু ধীৰে ধীৰে এক পৰম সংশয় আৰু বিস্ময়েৰে লক্ষ্য কৰিলো যে মাইক্ৰফোনৰ সন্মুখত থিয় হৈ থকা সভাপতিৰ মুখৰ অভিব্যক্তি সাংঘাটিকভাৱে হৈ পৰিছে সপ্ৰতিভ, শৰীৰ অংগী-ভংগী জড়তাবিহীন, মুখত শব্দৰ বিৰামহীন প্ৰস্ৰৱন। মোৰ মগজুৰ সকলো কৌতূহল মথিমূৰ কৰি প্ৰায় এঘণ্টা ধৰি তেওঁৰ মনোৰম ভাষণ চলিল, যাৰ সাৰমৰ্ম হ'ল: এসময়ত অসমীয়া সাহিত্যত কি সুন্দৰ সুন্দৰ উপন্যাস আছিল, কিন্তু আজি নতুন লিখকসকলৰ দ্বাৰা এখনো উপন্যাস সৃষ্টি হোৱা নাই।

হয়তো মাননীয় সভাপতিৰ মুখেৰে নিঃসৃত প্ৰতিটো শব্দেই সত্য, তথাপি মই মাথো মনে মনে ভাবিবলৈ আৰম্ভ কৰিলো যিজন মানুহে জীৱনত এখনো উপন্যাস পঢ়ি পোৱা নাই তেওঁৰ জানো অসমৰ উপন্যাস সাহিত্যৰ ওপৰত এনেকুৱা এক মন্তব্য দিয়াৰ অধিকাৰ আছে!

মোৰ ভাব হ'ল: নতুন পুৰুষৰ সাহিত্যৰ মূল্যায়নৰ ক্ষেত্ৰতো সমালোচনা কিজানি এনেকুৱাই। অধিকাৰ অথবা সামৰ্থ্যৰ সৈতে তাৰ কোনো সম্পৰ্ক নাই: বাক-চাতুৰ্যই যথেষ্ট।

মোৰ চিন্তাধাৰাই এটা কংক্ৰিট আকাৰ লোৱাৰ আগতেই সভাপতিৰ সুদীৰ্ঘ ভাষণৰ সমাপ্তি ঘটিছিল আৰু তেওঁৰ বাক্-চাতুৰ্যতা আশা কৰা মতে অভিনন্দিত হৈছিল সমজুৱাৰ হাততালিৰে।

প্ৰিয় পঢ়ুৱৈ। আপোনালোকৰ কোনোবাই হয়তো ভাবিব পাৰে ওপৰত উল্লেখিত এই ঘটনাটো মোৰ উৰ্বৰ মগজুৰ দুৰ্বল সৃষ্টি। তাৰ বাবেও মই সাক্ষী যোগাৰ কৰি থৈছোঁ। সেই আলোচনা চক্ৰৰ আমন্ত্ৰিত আলোচক আছিল বিশিষ্ট সমালোচক কুতুবুদ্দিন আহমদ। তেওঁৰ স্মৃতিয়ে নিশ্চয় সেই ঘটনা নিখুঁতভাৱে ধৰি ৰাখিছে। জনাব, সাক্ষী দিবলৈ আপত্তি কৰিব নেকি?

## দুই / উপন্যাস সুৰক্ষা সমিতি

কবিতা খেল-ধেমালি অথবা চিনেমা-থিয়েটাৰৰ সমালোচনাৰ ক্ষেত্ৰত এক প্ৰকাৰৰ সুৰক্ষাৰ মনোভাৱে কাম কৰা যেন অনুভৱ হয়; যি উপন্যাসৰ ক্ষেত্ৰত এতিয়াও আমাৰ দৃষ্টিগোচৰ হোৱা নাই।

কবিতাত নিহিত হৈ থকা সূক্ষ্ম সৌন্দৰ্য আৱিষ্কাৰৰ পৰিবৰ্তে আজি আমি কবিতাতো বিচাৰো মঞ্চ-আবেদন, সেয়েহে কবিতাতকৈও কবি-সন্মিলনৰ প্ৰতি উৎসাহ অধিক পৰিলক্ষিত হয়। খেল-ধেমালি অথবা চিনেমা-থিয়েটাৰৰ দৰে কবিতাকো আজিকালি ৰূপান্তৰিত কৰা হৈছে এক সংঘবদ্ধ শিল্পলৈ। ফলস্বৰূপে কবিতাৰ স্বাৰ্থ ৰক্ষাৰ বাবে গঢ় লৈ উঠিছে বিভিন্ন নামকৰণেৰে বিভিন্ন সংগঠন, যিদৰে সাংবাদিক সুৰক্ষা সমিতি গঢ় লৈ উঠে, সেই একেদৰেই গঢ়ি উঠে কবি অথবা কবিতা সুৰক্ষা সমিতি।

যেতিয়াই কোনো এক শিল্প এনে এক সাংগঠনিক ছত্ৰছায়াৰ নিৰাপদ সুৰক্ষাত লালিত-পালিত হোৱাৰ সহজ পন্থাৰ স্বীকাৰ হৈ পৰে, তেতিয়াই সেই শিল্পৰ সমালোচনা বহুলাংশে হয় প্ৰচাৰধৰ্মী কাৰণ সেইবোৰৰ বেছিভাগেই লিখিত হয় শিল্পৰ নিৰ্মোহ বিশ্লেষণৰ পৰিবৰ্তে সাংগঠনিক স্বাৰ্থ ৰক্ষা কৰাৰ উদ্দেশ্যেৰেহে। এনেধৰণৰ লিখনিৰ অন্তৰালত এক প্ৰকাৰৰ সংগঠিত, পৰিকল্পিত জোৰ নিহিত হৈ থাকে। সপ্তাহতে অসমৰ বিভিন্ন সংবাদ-পত্ৰত চিনেমা-থিয়েটাৰ আদিৰ সমালোচনাসমূহ পঢ়িলে এই কথা বুজিবলৈ নিশ্চয় অসুবিধা নহয়।

মাজে মাজে মোৰ ভাবিবলৈ মন যায় উপন্যাসকো সাংগঠনিক সুৰক্ষাৰে বিভাইও কৰাৰ বা জীয়াই ৰখাৰ এটা সময় আহি পৰিছে নেকি? উদ্দেশ্য যিয়েই নহওক, এনেকুৱা এক তাড়নাৰ বশৱৰ্তী হৈয়েই সম্ভৱ কুমুদ গোস্বামীইতে গল্পৰ প্ৰচাৰ আৰু সুৰক্ষাৰ বাবে এটা গল্প-সংগঠন আৰম্ভ কৰিছে।

উপন্যাসনো কিয় ব্যতিক্ৰম হৈ ৰ'ব লাগে? কোনোবাই উপন্যাস আৰু ঔপন্যাসিকৰ স্বাৰ্থ ৰক্ষাৰ অৰ্থে এটা সংগঠন আৰম্ভ কৰিব নে? হায়! উপন্যাস!

## তিনি / গোষ্ঠীবাদৰ ভিক্টিম নতুন লিখক

এটা সময় আছিল (পঞ্চাশৰ দশক?) যেতিয়া শিল্প-সাহিত্যত নিয়োজিত লোকসকলৰ সেই সময়ৰ পৰিবেশত কোনো **establishment** অথবা গোষ্ঠীৰ সহায় নোহোৱাকৈয়ে আত্মবিশ্বাস গঢ় লৈ উঠাতো সম্ভৱ আছিল। এজন নতুন লেখকেও যেতিয়া হাতত কলম তুলি লৈছিল, তেওঁ অন্ততঃ এটা সাধাৰণ বিশ্বাস ৰাখিব পাৰিছিল যে প্ৰতিভা থাকিলে তেওঁৰ লিখনি এদিন পাঠকৰ চকুত পৰিবই, লিখনিৰ

জৰিয়তেই আহিব তেওঁৰ স্বীকৃতি। নিৰ্ভেজাল বিতৰ্ক আলাপ-আলোচনাৰ জৰিয়তে যি সাহিত্যকৰ্ম আদৰণীয় বুলি স্বীকৃতি পাইছিল, যিজন লিখক প্ৰতিভাবান বুলি চিহ্নিত হৈছিল তাকেই পাঠকসকলে সমাদৰ কৰিছিল। তেতিয়াৰ দিনত পাঠকক বিভ্ৰান্ত কৰাৰ বাবে কোনো কৌশল, ৰাজনৈতিক মতবাদৰ গোপন চাপ আদি সাহিত্য-কৰ্মৰ দৰে পবিত্ৰ বুলি স্বীকৃত কাৰ্যত প্ৰয়োগ কৰা হোৱা নাছিল।

প্ৰবীণ লিখকসকলৰ কথা বেলেগ। কিন্তু অপেক্ষাকৃতভাৱে নতুন লিখকসকলে কিন্তু প্ৰতিভাৰ ওপৰতে সম্পূৰ্ণ আত্মবিশ্বাস ৰখাটো বৰ্তমানৰ পৰিবেশত প্ৰায় অসম্ভৱ হৈ পৰিছে। সাহিত্যকৰ্মত নবীন হ'লেও সাধাৰণ বুদ্ধিৰ লিখক এজনৰ বাবেও আজি আৰু এইটো বুজিবলৈ অকণো কঠিন নহয় যে সাহিত্যৰ প্ৰচাৰ আৰু স্বীকৃতি ইমানেই গোষ্ঠীবদ্ধ, এষ্টাব্লিচমেণ্ট সৰ্বস্ব হৈ পৰিছে যে তাৰ ওচৰত আত্মসমৰ্পণ নকৰিলে যিকোনো মুহূৰ্ততে তেওঁৰ স্থিতি থৰক-বৰক হৈ পৰাৰ সম্ভাৱনা আছে। দেখা যায় পঢ়ুৱৈসকলে প্ৰকৃত সাহিত্য ঠিকেই বিচাৰি উলিয়ায়। কিন্তু এষ্টাব্লিচমেণ্টৰ জোৰ প্ৰচাৰৰ তীব্ৰতাৰ জৰিয়তে পঢ়ুৱৈ সকলকো প্ৰায়েই কৰা হয় বিভ্ৰান্ত।

অসমৰ বিভিন্ন আলোচনী, সংবাদ পত্ৰত প্ৰকাশ হৈ থকা পুথি সমালোচনাবোৰৰ ওপৰত এনেয়ে এবাৰ চকু ফুৰালেও পঢ়ুৱৈক বিভ্ৰান্ত কৰাৰ হাস্যকৰ প্ৰয়াস সহজে দৃষ্টিগোচৰ নোহোৱাকৈ নাথাকে। অলপ গমি পিতি চালেই ধৰিব পাৰি পৰিকল্পিতভাৱে প্ৰচাৰ চলোৱা এই এষ্টাব্লিচমেণ্টবোৰ সাধাৰণতে গঢ় লৈ উঠে কোনো এখন কাকত, আলোচনী আদিক কেন্দ্ৰ কৰি অথবা তাৰ অন্তৰালত থাকে কোনো এক সংগঠন অথবা ৰাজনৈতিক ভাৱাদৰ্শৰ অদৃশ্য হাত।

উদাহৰণ অজস্ৰ। সেয়েহে উল্লেখ নিষ্প্ৰয়োজন।

## চাবি / বিভ্ৰান্তিৰ পৰিকল্পিত কৌশল

আজি কিছু বছৰ আগতে কোনো এখন এমেৰিকান জাৰ্ণালত বিশেষ এটা প্ৰকাশন অনুষ্ঠানৰ দ্বাৰা প্ৰকাশিত কিতাপৰ সমালোচনাৰ আধিক্য দেখি এটা অনুসন্ধান চলোৱা হৈছিল। আৰু আৱিষ্কৃত হৈছিল যে সেই প্ৰকাশন অনুষ্ঠানৰ দ্বাৰাই সেই জাৰ্ণালখন প্ৰকাশিত।

বিভিন্ন কাকতত প্ৰকাশিত কিতাপৰ সমালোচনাৰ ওপৰত নিৰ্ভৰ কৰি কিতাপ নিৰ্বাচন কৰাৰ আগতে সচেতন পঢ়ুৱৈৰ উচিত হ'ব এই সমালোচনাৰ অন্তৰালতো এবাৰ দৃষ্টি নিক্ষেপ কৰাৰ। সকলো সত্যাই আজিকালি চাৰি বখা হয় আৱৰণেৰে। অসমতো এনেকুৱা অনুসন্ধান এটা চলালে হয়তো দৃষ্টিগোচৰ হ'ব যে লিখকৰ লিখনিয়েই সমালোচনাৰ চালিকা শক্তি নহয়; হয়তো তাৰ অন্তৰালত আছে কোনো

সাংগঠনিক স্বাৰ্থ। সমালোচক আৰু লিখকজন হয়তো একেটা এষ্টাব্লিচমেণ্টৰ অন্তৰ্ভুক্ত অথবা একেটা ৰাজনৈতিক মতাদৰ্শৰ প্ৰতিহে সহানুভূতিশীল। এনে সমালোচনা প্ৰকৃততে সমালোচনা নহয়: পঢ়ুৱৈক বিভ্ৰান্ত কৰাৰ পৰিকল্পিত কৌশল।

প্ৰবীণসকলৰ স্থিতি ইতিমধ্যে নিৰ্দ্ধাৰিত হৈ গৈছে, সেয়েহে নতুন লিখকসকলেই এনেকুৱা কৌশলৰ হৈ পৰে ভিক্টিম।

## পাঁচ'ছায়ৰে সমালোচক

প্ৰতিখন কিতাপৰে তাৰ বিষয়বস্তু, প্ৰকাশভঙ্গী, লিখকৰ আবেদনৰ ওপৰত নিৰ্ভৰ কৰি কিছু সুপ্ত পঢ়ুৱৈ থাকে। অন্ততঃ কিতাপৰ সমালোচনাই নতুন কোনো পঢ়ুৱৈ সৃষ্টি কৰি তেওঁলোকক আকৰ্ষণ কৰিব নোৱাৰিলেও, অন্ততঃ এইখিনি আশা কৰা যায় যে সমালোচকসকলে নিশ্চয় সেই সুপ্ত পঢ়ুৱৈখিনিক কিতাপখনৰ ওচৰলৈ লৈ যোৱাৰ দায়িত্ব গ্ৰহণ কৰিব পাৰে। কৰিব পাৰে নহয়, কৰা উচিত। গভীৰ দুখ আৰু ক্ষোভেৰে ক'বলৈ মন যায় যে নতুন লিখকৰ মৌলিক সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত আনকি বৰ্তমানৰ প্ৰবীণ সমালোচকসকলেও এনে এক ভূমিকা গ্ৰহণ কৰি নিজৰ উদাৰতা আৰু দায়িত্ববোধৰ পৰিচয় দিবলৈ সক্ষম নহ'ল ( ব্যতিক্ৰম বাদ দি )।

নতুন লিখকৰ সৃজনশীল লিখনিৰ মূল্যাঙ্কনৰ ক্ষেত্ৰত প্ৰবীণ সমালোচকসকলেও আত্মবিশ্বাসেৰে কিবা এটা ক'বলৈ যেন দ্বিধাগ্ৰস্ত। পুৰণি আগশাৰীৰ লিখকসকলৰ সৃষ্টিৰ মোটামুটি এটা বিতৰ্কহীন মূল্যাঙ্কন ইতিমধ্যেই এটা সৰ্বগ্ৰহণযোগ্য স্তৰ পাইছে। সেয়েহে বেছিভাগ সমালোচককে দেখা যায় সেই সৰ্বগ্ৰহণযোগ্য স্তৰৰ সংকীৰ্ণ আৰু গতানুগতিক পৰিসীমাৰ ভিতৰতে তেওঁলোকে নিৰ্ভয়ে কোনো পৰিশ্ৰম, অধ্যয়ন আৰু মগজুৰ কছৰৎ নোহোৱাকৈ বিচৰণ কৰি থাকে। আধুনিক উপন্যাসৰ সমালোচনা কৰিবলৈ হ'লে সেয়েহে তেওঁলোকে বাণা বৰুৱাত আৰম্ভ কৰি কোনোমতে মামনি ৰয়চম গোস্বামীলৈ কোঁফাই-জেঁপাই দৌৰ মাৰে। গল্পৰ ক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱাত আৰম্ভ কৰি মালিক, সৌৰভ চলিহাৰ মাজেৰে গৈ শীলভদ্ৰতে শেষ কৰিব খোজে। তথাপি মুখলজ্জাৰ বাবেই যেন চকু-কাণ মুদি অনিচ্ছাসত্বে অৰুণ গোস্বামীৰ পিঠিত দুটা প্ৰশ্ৰয়ৰ চাপৰ মাৰি সমালোচনা শেষ কৰে। ( গল্পৰ ক্ষেত্ৰত ডা গোবিন্দ প্ৰসাদ শৰ্মা, ৰবীন্দ্ৰ বৰা, আদি সমালোচকে অৱশ্যে অনমীয়া আধুনিক সাহিত্যৰ মূল্যাঙ্কনৰ সময়ত নতুন লেখকসকলৰ ওপৰতো সহানুভূতিশীল দৃষ্টি ৰাখিছে। বেছিভাগ সমালোচকৰ সমালোচনা পঢ়িলেই ভাব হয়, মনে মনে ভাবি আছে—মই কাৰোবাক স্বীকৃতি দি দিম আৰু সকলে বা কি ভাবে! তাতকৈ ত' গোহাই আছিয়ে কিবা এটা

বায় আগতে দি দিয়া হ'লে, তাৰ পিছত লেই একে মুৰতে অলপ ইফাল-সিফাল কৰি আমাৰো লিখিবলৈ সুবিধা হয় ।)

হায়ৰে সমালোচক।

## ছয় / ইগোৰ খেল নহয়

নবীন সমালোচক সকলেও কিন্তু নবীন লেখকৰ সৃজনশীল লিখনিৰ মূল্যাঙ্কনৰ ক্ষেত্ৰত কোনো উল্লেখযোগ্য বিশ্লেষণ শক্তিৰ পৰিচয় দিব পৰা নাই। আজিকালি সংবাদ পত্ৰ আৰু আলোচনীৰ সাহিত্য-পৃষ্ঠাত সংবাদ পত্ৰৰ লগত জড়িত বহুতো অনভিজ্ঞ আৰু অপৈণত ব্যক্তিৰদ্বাৰা লিখিত কিতাপৰ সমালোচনা নিয়মিতভাৱে প্ৰকাশ হোৱা দেখা যায়। এয়া কিন্তু সচেতন পঢ়ুৱৈ আৰু প্ৰতিভাৱান লেখকৰ বাবে এটা সুস্থ পৰম্পৰা নহয়। এনে সমালোচনাৰ ক্ষেত্ৰত বেছিভাগ সময়তে দেখা যায় সমালোচক-জনে যেন নতুন লিখকজনক ক'বলৈ বিচাৰিছে যে তেওঁৰ হাতত এনে এক শক্তি আছে, যাৰ দ্বাৰা উদীয়মান লিখকজনক কলমৰ এটা খোচতে তেওঁ মৰ্ত্তাৰ পৰা আকাশলৈ তুলি লৈ যাব পাৰে। অন্যথাই তেওঁ প্ৰমাণ কৰিব খোজে যে তেওঁ সৃজনশীল সাহিত্যৰ সম্পৰ্কত কিমান ওৱাকিবহাল, শিল্পৰসিক আৰু লিখকজন কিমান অপৰিপক্ক আৰু শিল্পজ্ঞানবিহীন।

সমালোচকসকল সাধাৰণতে ইয়ানেই স্পৰ্শকাতৰ হয় যে সমালোচনাৰ ওপৰত লিখকৰ দ্বাৰা প্ৰতিক্ৰিয়া প্ৰকাশে সদায়ে নিন্দিত হয় সুতীব্ৰ ভাষাৰে। সাধাৰণতে আমাৰ ইয়াত এটা প্ৰচলিত ধাৰণা আছে যে যিকোনো সৃজনশীল লিখকেই তেওঁৰ সৃষ্টিক কৰা সমালোচনা মৌনভাৱে গ্ৰহণ কৰিব লাগে। ইংৰাজীত যাক কোৱা হয় take it on the chin। ইতিহাসত অজস্ৰ উদাহৰণ আছে যিয়ে প্ৰমাণ কৰে পুথি-সমালোচনাৰ অন্তৰালত সদায়ে নিৰপেক্ষ আৰু নিৰ্ভেজাল পাণ্ডিত্য নাথাকে। কেতিয়াবা তাৰ মাজত দুৰ্বল দৃষ্টিভংগী, অহংবোধ, বিশ্লেষণ শক্তিৰ অভাৱ, কোনো এক দৃষ্টিভংগীৰ প্ৰতি অহেতুক দুৰ্বলতা আনকি মানৱীয় ঈৰ্ষা, দ্বেষ আদিও থকাতো অসম্ভৱ নহয়। সেয়েহে মই ভাবোঁ, সমালোচকৰ নিজৰ চিন্তাধাৰা, দৃষ্টিভঙ্গী, মতামতৰ প্ৰতি সন্মান জনাইও, যদিহে কোনো সমালোচনাৰ উত্তৰত কিবা ক'বলগীয়া থাকে, তেনেহ'লে দ্বিধা আৰু সংকোচ নোহোৱাকৈ সৃজনশীল লিখকে তেওঁৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব লাগে। সমালোচক আৰু সৃজনশীল লিখকৰ মাজৰ তৰ্ক-বিতৰ্কই, যুক্তি আৰু যুক্তিৰ কছৰতে সৃষ্টিৰ পথাৰখনকহে সজীৱ, সতেজ আৰু উত্তেজিত কৰি ৰাখিব, যাৰ দ্বাৰা লাভৱান হ'ব লিখক, সমালোচক আৰু পঢ়ুৱৈ সকলো। ইগোৰ খেল বুলি

ধৰি লৈ ইয়াক ব্যক্তিগত তৰ্কযুদ্ধলৈ পতিত কৰি তিক্ততা সৃষ্টি নকৰিলেই হ'ল! সাহিত্যৰ বিতৰ্কে ইগোৰ খেল নহয়।

## সাত / এয়া নাটক হ'ল নেকি?

১৯৫৫ চনৰ আগষ্ট মাহত লণ্ডন চহৰৰ কৌতূহলী দৰ্শক আৰু বুদ্ধিজীৱী, সমালোচকৰ সুতীক্ষ্ণ দৃষ্টিৰ সন্মুখত কোনো এখন মঞ্চত বিচৰণ কৰিছিল ভলাদিমিৰ, লাকী, পোজো আদি অদ্ভুত নামৰ কেইটিমান অবান্তৰ, কাণ্ডজ্ঞানহীন, অৰ্থহীন (!) চৰিত্ৰই। সেইদিনাই প্ৰথম অভিনীত হৈছিল স্যামুৱেল বেকেটৰ 'ওৱেটিং ফ'ৰ গোডো'ৰ। প্ৰখ্যাত সমালোচক, বুদ্ধিজীৱী, সকলোৱে ৰায় দিছিল—এয়া এখন নাটক হ'ল নেকি, অৰ্থহীন সংলাপ, অবান্তৰ পৰিৱেশ। আৰম্ভণিৰ পৰা শেষলৈকে দুৰ্বোধ্য বস্তু এটা। এৰাতিৰ ভিতৰতে প্ৰখ্যাত সমালোচকে ভূপতিত কৰি দিলে বেকেটৰ 'ওৱেটিং ফ'ৰ গোডো'ক।

১৯৫৭ চনৰ ১৯ নৱেম্বৰত সেই একেই নাটৰ মঞ্চাভিনয় হ'ল স্যান কুয়েনটিন জেলৰ নৰ্থ ডাইনিং হলত। এইবাৰ দৰ্শকৰ আসনত কোনো সমালোচক, বুদ্ধিজীৱী নাই। তাৰ পৰিৱৰ্তে আছে সাহিত্যসৃষ্টিৰ বিষয়ে কোনো জ্ঞান নথকা, জেলত আবদ্ধ ১৪০০ জন কুখ্যাত কয়েদী।

সেই মঞ্চাভিনয়ৰ পিছত 'স্যান কুয়েনটিন নিউজ'ত নাটকখনৰ ওপৰত এটা ৰিপোৰ্ট প্ৰকাশ পাইছিল, য'ত লিখা আছিল এইদৰে: নাটকখনত কোনো ছোৱালী অথবা মজাৰ দৃশ্য নাথাকিব বুলি শুনি কয়েদীসকল প্ৰথমতে ক্ষুব্ধ হৈ উঠিছিল আৰু ঠিক কৰিছিল প্ৰেক্ষাগৃহৰ লাইট নুমোৱাৰ লগে লগেই তেওঁলোকে তাৰ পৰা পলাব। কিন্তু শেষত গৈ এটা সাধাৰণ ভুল কৰিছিল তেওঁলোকে। প্ৰেক্ষাগৃহৰ পৰা ওলাই অহাৰ আগতে নিতান্তই কৌতূহলবশতঃ কিনো হয় চাওঁ বুলি তেওঁলোকে দুই-তিনিমিনিট চুপ হৈ বহি আছিল আৰু তাতেই তেওঁলোকৰ সকলো সিদ্ধান্ত ওলট-পালট হৈ গৈছিল। চাওঁতে চাওঁতে নাটক ইমানেই জমি উঠিছিল যে নাটক শেষ হোৱাৰ আগতে কোনেও আৰু আসন এৰি বাহিৰলৈ ওলাই আহিব নোৱাৰিলে।

১৯৬৪ চনৰ ৩০ ডিচেম্বৰত লণ্ডনৰ ৰয়েল কোৰ্ট থিয়েটাৰত পুনৰ মঞ্চস্থ হয় বেকেটৰ 'ওৱেটিং ফ'ৰ গোডো'। দৰ্শকৰ আসনত আৰু বহুতৰ লগতে বহি আছে প্ৰসিদ্ধ সমালোচক, বুদ্ধিজীৱী। এইবাৰ সংবাদ পত্ৰত সমালোচকসকলে লিখিলে উচ্ছ্বাসিত প্ৰশংসা। দ্ব্যৰ্থহীন ভাষাৰে তেওঁলোকে ক'লে—বেকেটৰ 'ওৱেটিং ফ'ৰ গোডো'ক নিৰ্দ্বিধায় যথাৰ্থ ক্লাসিক বুলি অভিহিত কৰিব পৰা যায়। মন্তব্য নিষ্প্ৰয়োজন।

## আঠ / নতুন সৃষ্টিৰ মূল্যাঙ্কন

নবীন লিখকসকল নিঃসন্দেহে অপৈণত, অপৰিপক্ক। তেওঁলোকৰ লিখনিত বয়সৰ ধৰ্ম হিচাপেই হয়তো প্ৰকাশিত হয় দুৰন্ত উচ্ছাসপ্ৰৱণতা ; কিন্তু এটা কথা স্বীকাৰ কৰিব লাগিব যে নবীন লিখকসকলে তেওঁলোকৰ জীৱনৰ আটাইতকৈ সংবেদনশীল, স্পৰ্শকাতৰ, সৃজনশীল সময়ছোৱা যি জটিল অভিজ্ঞতা, সংশয়, মূল্যবোধৰ দ্ৰুত পৰিবৰ্তনৰ মাজেৰে পাৰ কৰিছে, তেনে জটিলতাৰ অভিজ্ঞতা প্ৰবীণ সমালোচকৰ প্ৰায়েই নাই। অভিজ্ঞতা অকল সৃজনশীল লিখককে নালাগে : লাগে সমালোচককো। অবাঞ্ছিত হ'লেও এটা কথা ক'বলৈ মন যায় যে আধুনিক সমাজ জীৱনৰ জটিলতা আৰু ন ন অভিজ্ঞতাৰ মাজেৰে নোযোৱা বাবে বহুতো প্ৰবীণ সমালোচকেও নতুন লিখকৰ সৃষ্টিৰ বক্তব্য আৰু দৃষ্টিভঙ্গীৰ মৰ্ম উপলব্ধি কৰিবলৈ সক্ষম হোৱা নাই। সেয়েহে তেওঁলোকৰ সমালোচনা বীণা বকৰা, মামনি ৰয়চম অথবা বেজবৰুৱা, শীলভদ্ৰৰ মাজতে বহু সময়ত পাকঘূৰণি খাই থকা দেখা যায়।

সমালোচকসকলে দ্বিধাহীনভাৱে স্বীকৃতি দিয়কেই বা নিদিয়ক, এইটো এটা সাধাৰণ জনা কথা যে এজন সমালোচকৰ বহুত আগে আগে এজন সৃজনশীল লিখক গৈ থাকে। প্ৰাচীন আৰু গৃহীত সাহিত্যৰ মানদণ্ড আৰু ধ্যান-ধাৰণাৰ একমাত্ৰ বিচাৰকাঠি বুলি খামোচ মাৰি ধৰি থাকি এজন নতুন সৃজনশীল লিখকৰ সৃষ্টিৰ মূল্যাঙ্কন কৰাতো সেয়েহে সকলো সময়তে সম্ভৱ নহয়। নতুন সৃজনশীল লিখকজন এজন সমালোচকতকৈ অনেক বেছি মুক্ত, স্বাধীন ; কাৰণ সমকাল বা অতীতৰ মতবাদসমূহে তেওঁলোকৰ কৌতূহলী আৰু সুদূৰপ্ৰসাৰী, উৎসাহী দৃষ্টিৰ সন্মুখত এতিয়াও সংকীৰ্ণ কোনো প্ৰাচীৰ থিয় কৰি দিয়া নাই। আঙ্গিকৰ ক্ষেত্ৰতো তেওঁলোকৰ অগতানুগতিক, অভিনৱ আৰু দুৰন্তভাৱে সৃষ্টিশীল ; সেয়েহে তেওঁলোকৰ সৃষ্টিৰ মূল্যাঙ্কনৰ বাবেও সমালোচকক (প্ৰবীণেই হওক বা নবীনেই হওক) প্ৰয়োজন হ'ব মুক্ত দৃষ্টি, চৰ্তনিৰপেক্ষ মনোভাৱ আৰু আন্তৰিক সহানুভূতি।

# লেখক, লেখনী আৰু সাহিত্য-শিল্প

মাজে-মাজে লেখক সকলকো নির্মমভাৱে সমালোচনা কৰাৰ প্রয়োজন আছে ; যাতে আত্ম-সন্তুষ্টিয়ে তেওঁলোকৰ লেখনীক নিস্তেজ কৰি দিয়াৰ অৱকাশ নাপায়। অকাৰণ প্রশংসা বহু সময়ত প্রকৃত সৃষ্টিৰ পথত অন্তৰায়স্বৰূপ।

লেখকসকলৰ বাবে যিমানেই হতাশাজনক নহওক কিয়, সত্যৰ খাতিৰত এটা কথা স্বীকাৰ কৰিবই লাগিব যে সাধাৰণ আৰু সচেতন—দুয়ো শ্রেণীৰ পঢ়ুৱৈয়ে সাম্প্রতিক সৃষ্টিধর্মী লেখনীত এক অস্বস্তিকৰ শূন্যতা অনুভৱ কৰিছে। বহু সংখ্যক সুশোভিত আলোচনীৰ প্রকাশে এই শূন্যতা পুৰোৱাতকৈ আৰু বেছি কৰুণভাৱেহে প্রকট কৰি তুলিছে। সাম্প্রতিক অসমীয়া আলোচনীত প্রকাশিত গল্প, উপন্যাসত চকু ফুৰালে ভাব হয় যেন খুব দ্রুতগতিত এই পৃথিৱীৰ গল্প নিঃশেষ হৈ আহিছে। We have every reason to feel we live in the age of used upness of stories —এজন আমেৰিকান ঔপন্যাসিকৰ এই উক্তিৰ সত্যতা সমকালীন অসমীয়া গল্প-সাহিত্যাই বেছ সুন্দৰভাৱে প্রমাণিত কৰিছে। প্রতিটো গল্পৰ মূল কাহিনীভাগ অথবা বক্তব্য বহুবাৰ ব্যৱহৃত ; বহুবাৰ উচ্চাৰিত : পৌনঃপুনিকতাই তাৰ ধাৰ নোহোৱা কৰি দিছে। সৃষ্টিধর্মী অসমীয়া সাহিত্য বর্তমানে কৰুণভাৱে যান্ত্রিক, গতানুগতিক। সৃষ্টিধর্মী লেখনীৰ এই দীনতাৰ বাবেই হয়তো ক্ষুধাতুৰ পঢ়ুৱৈ বাধ্য হৈ পৰিছে তৰল সংবাদৰ চাঞ্চল্যাৰে ক্ষুধাৰ নিবসন কৰিবলৈ। কিন্তু এই দীনতাৰ কাৰণ কি ?

সাহিত্য সৃষ্টিশীল মানুহৰ সৃজনশীলতাৰ প্রকাশ। জীৱনৰ ৰূপ, ৰস, গোন্ধ ; মানুহৰ চিন্তা, অনুভূতি, কার্য খণ্ডিত অথবা সামগ্রিক ৰূপত ধৰি ৰখাৰ প্রয়াসে সৃষ্টি কৰে গল্প, উপন্যাস, কবিতাৰ। বাস্তৱৰ লগত কল্পনাৰ মণিকাঞ্চন সংযোগ অবিহনে আজিলৈকে পৃথিৱীত কোনো মহৎ সাহিত্য-শিল্পৰ সৃষ্টি হোৱা নাই। সাহিত্য কল্পনাসৃষ্টি এনে এক মায়াদর্পণ য'ত আমি নিজৰেই ৰূপ দেখি বিস্মিত হওঁ, আৱেগত আলোড়িত হওঁ অথবা সংশয়ত চমকিত হৈ উঠোঁ। সেয়েহে কোনো সাহিত্য-সৃষ্টি যদি পঢ়ুৱৈয়ে গ্রহণ কৰিব লাগে, তেনেহ'লে সি নিশ্চিতভাৱে পঢ়ুৱৈক স্পর্শ কৰিব লাগিব। সেই স্পর্শ হয়তো সকলো সময়তে সুখদায়ক নহ'বও পাৰে। আনকি কেতিয়াবা ই হৃদয় আৰু মগজুত প্রচণ্ড আঘাতবো সৃষ্টি কৰিব পাৰে। কিন্তু পঢ়ুৱৈৰ হৃদয় অথবা মগজুৰ সৈতে কোনো প্রকাৰৰ সংযোগ স্থাপন কৰিবলৈ সক্ষম নোহোৱা যিকোনো সাহিত্য-সৃষ্টি ব্যর্থ হ'বলৈ বাধ্য। সাম্প্রতিক অসমীয়া গল্প, উপন্যাসৰ ব্যর্থতাৰ মূল কাৰণ, আমি ভাবোঁ, মূলতঃ এই স্পর্শহীনতা। পঢ়ুৱৈৰ হৃদয়লৈ প্রবেশপথ নির্মাণ

কবি, মগজুত চিন্তাৰ আলোড়ন তুলি লেখনী হাতত তুলি লবলৈ বাধ্য কৰাৰ দায়িত্ব বহুলাংশে লেখকৰ নিজৰেই। সকলো আকৰ্ষণৰ বাবে চৌম্বকত্বৰ প্ৰয়োজন। পটভূমিৰ বৈচিত্ৰ্যৰে, চৰিত্ৰ-চিত্ৰণৰ চমৎকাৰিত্বৰে, ভাষাৰ যাদুৰে, সৰ্বোপৰি চিন্তাৰ অভিনৱত্বৰে লেখকে গল্প-উপন্যাসত প্ৰদান কৰিব লাগিব সেই চৌম্বকত্ব। তেতিয়াহে এই ব্যস্ত পৃথিৱীত পঢ়ুৱৈয়ে লেখনী হাতত তুলি লোৱাৰ তাগিদা অনুভৱ কৰিব। ইয়াৰ বিপৰীতে বৰ্তমানৰ অধিকাংশ গল্প-উপন্যাসৰ কাহিনীত চৰ্বিতচৰ্বন। বক্তব্য নতুনত্ব-বিহীন, ভাষাতো মামৰৰ ডাঠ প্ৰলেপ। সৃষ্টিৰ মাধুৰী স্পৰ্শই লেখক আৰু পঢ়ুৱৈৰ মাজত কোনো যোগসূত্ৰ স্থাপন কৰিব পৰা নাই। এটা সময় আছিল যেতিয়া প্ৰতিষ্ঠিত আলোচনী, কাকতৰ পূজা, বিহু সংখ্যাত প্ৰকাশিত গল্প, উপন্যাসৰ বাবে আমাৰ আছিল ৰুদ্ধশ্বাস প্ৰতীক্ষা। এতিয়াও হয়তো বহুতো পঢ়ুৱৈয়ে একেদৰে প্ৰতীক্ষা কৰে; কিন্তু পঢ়াৰ অন্তত অধিকাংশ পঢ়ুৱৈৰে মন্তব্য শুনা যায়,—এটাও ভাল গল্প নাই অথবা উপন্যাসখন শেষ কৰিবই নোৱাৰিলো। কোনো লেখকৰ বাবে পঢ়ুৱৈৰ তৰফৰ পৰা ইয়াতকৈ হতাশাজনক একো উক্তিয়েই আহিব নোৱাৰে। কিন্তু লেখক-সকলে এটা কথা সন্দেহাতীতভাৱে জানি থোৱা উচিত হ'ব যে সমকালীন অধিকাংশ গল্প-উপন্যাসৰ প্ৰতি পঢ়ুৱৈৰ মন্তব্য ঠিক এনেকুৱাই।

আৰু কবিতা? শিল্পৰ শ্ৰেষ্ঠত্ব বিচাৰৰ কোনো সুনিৰ্দিষ্ট মাপকাঠি নাই। তথাপি যুগ-যুগ ধৰি এটা কথা মানি অহা হৈছে যে সকলো সাহিত্য-সৃষ্টিৰ ভিতৰত কবিতাই হ'ল কঠিনতম শিল্প। আশ্চৰ্যকৰভাৱে কিন্তু গল্প-উপন্যাসৰ এই দুৰ্দিনৰ সময়ত কবিতাৰ পৃথিৱীখন অদ্ভুত সৰব; যিকোনো সাহিত্যানুষ্ঠানতে কবিৰ ভিৰ। সমগ্ৰ অসম আকৌ কাব্যময় হৈ উঠিল নেকি? প্ৰতিভা আৰু অধ্যৱসায়ৰ ফলত কবিতাৰ দৰে কঠিনতম শিল্পকো আয়াসতে তৰুণ-তৰুণীসকলে আয়ত্তলৈ আনিবলৈ সক্ষম হ'ল নেকি? অসমৰ সাহিত্যপ্ৰেমী পঢ়ুৱৈৰ বাবে ইয়াতকৈ সুখবৰ হয়তো একোৱেই নাথাকিলহেঁতেন; কিন্তু তাৰ মাজতো সন্দেহৰ অৱকাশ ৰৈ যায়।

কোনো প্ৰকৃত কবিয়ে প্ৰকৃততে কবিতা নিলিখে, কবিতাৰ জন্ম হয়। এটা ভাল কবিতাৰ জন্ম দিয়া, এটা ভাল গল্প বা এখন ভাল উপন্যাস ৰচনা কৰাতকৈ অনেক বেছি দুৰূহ কাম: কিন্তু এটা বেয়া কবিতা লিখা (জন্ম দিয়া নহয়) এটা বেয়া গল্প বা এখন বেয়া উপন্যাস সৃষ্টি কৰাতকৈ বহু বেছি সহজ আৰু কম পৰিশ্ৰমৰ কাম। এই সত্যতাৰ সৈতে কবিৰ ভিৰৰ কিবা যোগসূত্ৰ আছে নেকি সেই কথা কবিতাক প্ৰকাশৰ মাধ্যম হিচাপে গ্ৰহণ কৰি লবলৈ ব্যাকুল হৈ উঠা কবিসকলেও হয়তো এবাৰৰ বাবে ভাবি চোৱাটো উচিত হ'ব।

অসমীয়া কবিতা ধীৰে-ধীৰে গোষ্ঠীবদ্ধ হৈ আহিছে আৰু এই গোষ্ঠীবদ্ধতাই অনিবাৰ্যভাৱে এজনে আন এজনৰ পিঠিত চপৰিয়াই বাঃ বাঃ দিয়াৰ প্ৰৱণতা আনি দিছে। এই প্ৰৱণতা প্ৰকৃত কাব্য-সৃষ্টিৰ পথত অন্তৰায় হৈ উঠাৰ দুশ্চিন্তাও কোনো-কোনো সাহিত্য-পৰ্যবেক্ষকে নকৰা নহয়।

এই সুযোগতে অন্য এক প্ৰৱণতাৰ কথা উল্লেখ নকৰিলেও সত্যৰ অপলাপ কৰা হ'ব। বেছ কিছুদিন ধৰি প্ৰতিভাৰ দুৰ্বলতা তথা প্ৰকাশৰ অক্ষমতাক গোপন কৰাৰ প্ৰয়াসেৰে যিকোনো দুৰ্বল সৃষ্টিকে দায়বদ্ধতা, বাস্তৱবাদ অথবা যুগৰ দাবী বুলি জোৰকৈ চলাই দিয়াৰ প্ৰৱণতা দৃষ্টিগোচৰ হৈছে।

সৃষ্টিধৰ্মী সাহিত্য মূলতঃ এক প্ৰকাৰৰ শিল্প, আৰু যিকোনো শিল্পয়েই নিশ্চিতভাৱে সমাজৰ ওচৰত দায়বদ্ধ। কিন্তু যিজন লেখক নিজৰ বিবেকৰ ওচৰত দায়বদ্ধ নহয়, তেওঁৰ বাবে উপকৰা সামাজিক দায়বদ্ধতাৰ সকলো কছৰৎ সেয়া যিমানেই সৰব নহওক কিয়, ভণ্ডামিৰেই নামান্তৰ হ'বলৈ বাধ্য।

সাহিত্য সাহিত্যহে; বাস্তৱ নহয়। সাহিত্য জীৱনৰ কাষ চাপি যাব পাৰে; কিন্তু জীৱনৰ লগত মিলি যাব,—সেইটো এটা ভুল ধাৰণা। বাস্তৱ জীৱনৰ অনুসন্ধান আৰু সত্যান্বেষণেই যিকোনো সাহিত্য-সৃষ্টিৰ প্ৰথম আৰু প্ৰধান পদক্ষেপ। মানুহৰ সুখ-দুখ, মহত্ত্ব-নীচতা, মাধুৰ্য-কদৰ্যতা, প্ৰেম-হিংসা, সংকীৰ্ণতা-বিশালতাৰ অফুৰন্ত ৰূপেই বাস্তৱ। সাহিত্য বাস্তৱৰেই শিল্পসম্মত প্ৰতিকৃতি; কিন্তু বাস্তৱ নহয়। যান্ত্ৰিক বাস্তৱবাদৰ ( naturalism ) দিন এতিয়া অৱলুপ্ত। দৃষ্ট-সত্যকে বাস্তৱবাদিতা বুলি ভুল কৰি বহুতো প্ৰতিভাবান লেখকো বৰ্তমানে সংকীৰ্ণতাৰ জালত আবদ্ধ হৈ আছে। এনেকুৱা মতাদৰ্শৰ লেখকৰ বাবে জীৱনৰ মৰ্মসত্যৰ বিপৰীতে বাস্তৱৰ বাহ্যিক চেহেৰা, মূল্যহীন তথ্যৰ পুংখানুপুংখ বিৱৰণ, আক্ষৰিক ফটোগ্ৰাফিক বৰ্ণনাই বাস্তৱবাদী শিল্প। মানুহৰ নিৰ্ভেজাল প্ৰেমো এওঁলোকৰ বাবে অবাস্তৱ, অপৰাধস্বৰূপ। কাফকাৰ আপাতদৃষ্টিত উদ্ভট কালজয়ী সৃষ্টি অথবা গাৰ্চিয়া মাৰ্কিউজৰ অভিনৱ ৰূপকথাসদৃশ One hundred years of solitude-অৰ দৰে লেখনীকো পৰা হ'লে এওঁলোকে চাগৈ অবাস্তৱ কল্পনাবিলাস বুলি উকৰাই দিয়াৰ স্পৰ্ধা কৰিলেহেঁতেন।

দায়বদ্ধতা, বাস্তৱবাদ অথবা যুগৰ দাবী বুলি যিমানেই যুক্তি প্ৰদৰ্শন কৰা নহওক কিয়, শিল্প হিচাপে সাহিত্যই বহুৰ ওপৰত খেল দেখুওৱা ছাৰ্কাছৰ ছোৱালীজনীৰ দৰে সৰ্বদা বাস্তৱ আৰু কল্পনাৰ মাজত এক ভাৰসাম্য ৰাখি চলিব পাৰিবই লাগিব। তথ্যৰে ভাৰাক্ৰান্ত হ'বলৈ সাহিত্য সংবাদপত্ৰৰ লেখনী নহয়; অথবা বাস্তৱৰ পৰা বিচ্ছিন্ন হৈ কল্পনাত মজি ৰবলৈ দিবাস্বপ্ন, নহয়। সংবাদৰ টান আৰু কল্পনাৰ টানৰ মাজত ভাৰসাম্য ৰক্ষা কৰি ব্যক্তি-মানুহ আৰু সামাজিক-মানুহক ভিতৰৰ পৰা উন্মোচন

কৰাৰ ক্ষমতাৰ ওপৰতে নিৰ্ভৰ কৰে লেখকৰ কলমৰ সাৰ্থকতা। সাহিত্য যিহেতু মানুহৰ ছবি, অৱধাৰিতভাৱে সেয়া সমাজৰো ছবি। ব্যক্তি-মানুহৰ একাকীত্ব অতিক্ৰম কৰি যেতিয়াই লেখকে সমাজৰ শৈল্পিক ছবি আঁকে, তেতিয়াই ই হৈ উঠে সাহিত্য-শিল্প।

সাহিত্য-সৃষ্টিৰ বাবেও বৰ্তমান দীৰ্ঘদিনৰ প্ৰস্তুতি, চৰ্চা আৰু অধ্যয়নৰ প্ৰয়োজন। স্বভাৱলেখক এতিয়া অৱলুপ্ত। আধুনিক জটিল পৃথিৱীত গল্প-উপন্যাসৰ প্লট এতিয়া আৰু প্লট হৈ থকা নাই, নায়কো নায়কোচিত নহয়। এই জটিল জীৱনৰ যন্ত্ৰণা, অৱক্ষয়, আশা-হতাশা, বৈচিত্ৰ্য লেখনীৰ জৰিয়তে প্ৰকাশ কৰিবলৈ হ'লে লেখকসকল প্ৰথমতে জীৱনৰ বহু বিচিত্ৰ ৰূপত মুগ্ধ হ'ব লাগিব; যন্ত্ৰণাত হ'ব লাগিব ব্যথিত; সত্য নিহিত আছে বাবে জীৱনৰ কদৰ্য ৰূপতো তেওঁলোক হ'ব লাগিব বিস্মিত, আলোড়িত। তেওঁৰ ব্যক্তিগত জীৱন যে নাটকীয়, ঘটনাবহুল হ'ব লাগিব তেনে নহয়; তুচ্ছ, বৃহৎ, যাৱতীয় সকলো ঘটনাকে মাধুকৰী অন্বেষণ আৰু যাদুকৰী স্পৰ্শেৰে তেওঁ কৰি তুলিব পাৰিব লাগিব তাৎপৰ্যমণ্ডিত।

সৃষ্টিধৰ্মী সাহিত্য বৰ্তমানে গৱেষণাধৰ্মী, দীৰ্ঘদিনৰ চৰ্চা আৰু মননৰ ফচল। কঠোৰ পৰিশ্ৰমৰ প্ৰতি যাৰ অনীহা, অধ্যয়নৰ প্ৰতি যাৰ বিৰাগ, বাস্তৱ সম্পৰ্কত যিজন শুচিবায়ুগ্ৰস্ত, নিজৰ বিবেকৰ ওচৰত যিজন অসৎ, তেনে লেখকৰ লেখক হিচাপে দীৰ্ঘদিন তিষ্ঠি থকাটো এতিয়া আৰু সম্ভৱ নহয়। এই সকলোবোৰৰ উপৰিও আৰু যিটো গুণ এজন সৃষ্টিধৰ্মী লেখকৰ বাবে আটাইতকৈ প্ৰয়োজনীয়, সেইটো হ'ল— passionate intensity of vision। জীৱনে যাক আলোড়িত, উত্তেজিত কৰিব পাৰে, হৃদয়ত অস্থিৰতা, যন্ত্ৰণাৰ সৃষ্টি কৰিব পাৰে, তেওঁৰ বাবেহে কিবা এক মহৎ সৃষ্টিৰ সম্ভৱ। পঢ়ুৱৈক আলোড়িত কৰিব পৰা প্ৰতিটো অনুভূতি যিজন লেখকে পঢ়ুৱৈৰ আগতে নিজে আৰু বেছি তীব্ৰভাৱে অনুভৱ কৰি আনন্দিত অথবা যন্ত্ৰণাদগ্ধ হ'ব পাৰে, তেওঁৰ কলমহে সৃষ্টিৰ তাগিদাত মুখৰিত হৈ উঠিব পাৰে। এনে কিছু প্ৰতিভাবান লেখকৰ বাবেই অসমীয়া সাহিত্যপ্ৰেমী পঢ়ুৱৈয়ে আগ্ৰহেৰে প্ৰতীক্ষা কৰি আছে।

সাম্প্ৰতিক অসমীয়া সৃষ্টিধৰ্মী লেখনীৰ শূন্যতা পূৰাবলৈ প্ৰবীণসকলৰ মুখলৈ আশাৰে বাট চাই থাকি কোনো লাভ নাই। প্ৰবীণসকলৰ বেছিভাগেই বৰ্তমানে সৃষ্টিৰ মধ্যগগন অতিক্ৰম কৰিছে। তেওঁলোকৰ লেখনীৰ পৰা চমক, উৎকৰ্ষ অথবা অভিনৱত্ব প্ৰায় অৱলুপ্ত। লিখি থাকিব লাগে বাবেই তেওঁলোকে লিখি আছে। সাহিত্যপ্ৰেমী পঢ়ুৱৈৰ দৃষ্টি সেয়েহে এতিয়া তৰুণসকলৰ ওপৰত। বিশ্ব-উপন্যাস সাহিত্যত আলোড়ন সৃষ্টিকাৰী বিক্ৰম শেঠ, অমিতাভ ঘোষ প্ৰায় সদ্য যৌৱনপ্ৰাপ্ত বুলি ক'ব পাৰি। নৰ্মান মেইলাৰৰ "দি নেকেড এণ্ড দা ডেড" ৰচিত হৈছিল তেওঁৰ পঁচিছ বছৰ বয়সত; তাইতানৰ শ্ৰেষ্ঠ ৰচনা জুলিয়ান একৈছ বছৰত। অসমীয়া সাহিত্যৰ পঢ়ুৱৈ হিচাপে আমিও এতিয়া প্ৰতিক্ষাৰত: কাল জয় কৰাৰ সম্ভাৱনা বহন কৰা কেইজনমান পৰিশ্ৰমী, প্ৰতিভাবান তৰুণ লেখকৰ বাবে।

# সংস্কৃতি, অতীত-প্ৰীতি আৰু আধুনিকতাবাদ

## ...এখন পুস্তিকা আৰু অতীত-প্ৰীতি

কিছুদিনৰ আগতে বিশেষ এটা জনগোষ্ঠীয়ে প্ৰকাশ কৰা এখন পুস্তিকাত দেখিবলৈ পালো, স্বকীয় অস্তিত্ব তথা নিজস্ব সংস্কৃতি ৰক্ষা কৰিবৰ বাবে সেই গোষ্ঠীৰ অন্তর্ভুক্ত সকলোকে বৰ্তমান প্ৰচলিত সাজ-পোছাক পৰিত্যাগ কৰি পুনৰায় তেওঁলোকে এসময়ত পৰিধান কৰা সাজ-পোছাক পিন্ধিবলৈ আহ্বান জনোৱা হৈছে ; লগতে সময়ৰ সোঁতত প্ৰায় অৱলুপ্ত হোৱা এসময়ৰ পৰম্পৰাগত আচাৰ-ব্যৱহাৰো পুনৰায় ঘূৰাই আনিবলৈ নিবেদন জনোৱা হৈছে।

ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলি এনে পুস্তিকাক হয়তো একে উশাহতে অৱজ্ঞাৰ দৃষ্টিৰে চাব পাৰি, কিন্তু তেনে কাৰ্যই ৰাজনীতিৰ মেৰ-পেচ নুবুজি এনে আহ্বানত সঁহাৰি দিয়া বহুতো সহজ-সৰল মানুহৰ অনুভূতিক আঘাত দিব। পুস্তিকাত উল্লেখিত আহ্বানৰ অন্তৰালত থাকিব পৰা মুষ্টিমেয় সুবিধাবাদীৰ সম্ভাব্য ৰাজনৈতিক উদ্দেশ্যৰ কথা অস্বীকাৰ কৰিলেও এটা প্ৰশ্ন মনলৈ স্বাভাৱিকতে আহি যায় আৰু সেয়া হ'ল—অতীত-প্ৰীতি আৰু পৰম্পৰাৰ সংৰক্ষণেই সংস্কৃতি প্ৰেম নেকি ?

সংস্কৃতি বুলিলে এতিয়াও আমাৰ বেছিভাগৰ মাজতেই প্ৰাচীন পৰম্পৰালৈ উলটি যোৱাৰ এক নষ্টালজিক প্ৰৱণতা লক্ষ্য কৰা যায়। পৰম্পৰা আৰু ঐতিহ্যকে সংস্কৃতি বুলি চলাই দিব খোজা ব্যক্তি সকলক আপাতদৃষ্টিত 'প্ৰকৃত দেশপ্ৰেমিক' যেন লাগিলেও পৰোক্ষভাৱে এওঁলোক স্থিতাৱস্থাৰহে সমৰ্থক! এনে ব্যক্তিৰ আন্তৰিকতাৰ সন্মান জনাইও এটা কথা স্পষ্টভাৱে কোৱাতো উচিত হ'ব যে এওঁলোকে এটা জাতিক 'সংস্কৃত' কৰাৰ পৰিবৰ্তে সাধাৰণ মানুহৰ মনত অতীতৰ পৰম্পৰাক লৈ ভ্ৰান্ত অহংকাৰ আৰু গৌৰৱবোধ তথা অযুক্তিকৰ মোহৰ বীজহে ৰোপন কৰে। এই বীজ অঙ্কুৰিত হৈয়েই সৃষ্টি হয় সংস্কৃতিৰ নামত সংকীৰ্ণ জাতীয়তাবাদ। তীব্ৰ জাতীয়তাবাদেহে এটা জাতিৰ সাংস্কৃতিক অস্তিত্ব ৰক্ষা কৰিব পাৰে বুলি যিসকলে প্ৰতিপন্ন কৰিব খোজে তেওঁলোকে এটা কথা জানি নিৰাশ হ'ব যে নিজৰ সাগৰ প্ৰমাণ ৰচনাৰাজিত অসমৰ নাম ক'তো উল্লেখ নকৰাকৈয়ে শংকৰদেৱ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া।

পৃথিৱীৰ যি কোনো এটা জাতিৰ সংস্কৃতি আৰু তাৰ জীৱন যাত্ৰাৰ গতিপথ কেতিয়াও পৰস্পৰ বিপৰীতমুখী হ'ব নোৱাৰে। কালস্ৰোতত জীৱন নিৰ্বাহৰ পৰিৱৰ্তনৰ লগে লগে অৱধাৰিতভাৱে সংস্কৃতিৰ পৰিবৰ্তন ঘটে। এই পৰিবৰ্তনক অস্বীকাৰ

কৰা মানে যুগ যুগৰ সংঘাট, সংগ্ৰাম তথা ত্যাগৰ ফলত বিকশিত হোৱা মানৱ সভ্যতাক অস্বীকাৰ কৰাতো বুজাব। বৰ্তমানৰ সংস্কৃতি ভৱিষ্যতত Renned হ'ব পাৰে বা Polluted-ও হ'ব পাৰে। Polluted হ'বলৈ দিয়াটো উচিত নহয়; কিন্তু সংস্কৃতি সংৰক্ষণৰ নামত কোনোবাই যদি Refined হ'বলৈ নিদিও বুলি খাকোৰগোজ মনোভাব লয় তেনেহলে তাক সংস্কৃতি-প্ৰেম বুলি নকৈ গোড়ামি বুলি কোৱাটোহে উচিত হ'ব। এনে গোড়ামিয়ে হাস্যকৰ জাতিদম্ভৰ জন্ম দিয়াৰ লগে লগে সংস্কৃতিৰ গতি স্থবিৰ আৰু বিবৰ্তনক বিপৰীতমুখী কৰি তোলে। ঐতিহাসিক তথ্যৰ ওপৰত ভিত্তি কৰি নৃ-তত্ত্ববিদ সকলে প্ৰমাণ কৰি দেখুৱাইছে যে পৃথিৱীৰ সেইবোৰ গোষ্ঠীয়েই অনুন্নত আৰু অসভ্য, যিবোৰ সময় আৰু অন্য বহিঃ প্ৰভাৱৰ পৰা মুক্ত। বিশুদ্ধ সংস্কৃতি যাদুঘৰৰ বস্তু। কাৰণ ই প্ৰাণ-স্পন্দন বিহীন; মানসিক দিশৰ পৰাও জড়তাগ্ৰস্ত।

ইতিহাসে বিশ্বৰ বিভিন্ন প্ৰান্তত সন্দেহাতীতভাৱে প্ৰমাণ কৰি দেখুৱাইছে যে সময়ক উলাই কৰি Tribalism-ক বৰ্তমান বা অতীতৰ ৰূপত সংৰক্ষণ কৰা সম্ভৱ নহয়। 'বুঢ়িছৰ দিনেই ভাল আছিল' বুলি আপচোচ কৰা মনোবৃত্তিৰ লোকসকলে এটা কথা মানসিকভাৱে কষ্টকৰ হলেও হৃদয়ঙ্গম কৰিব লাগিব যে তাহানিৰ সেই সংস্কৃতিৰ দিন আৰু ঘূৰি নাহে। নতুন অৰ্থনীতিৰ হেঁচাত সৃষ্টি হোৱা জীৱন যাত্ৰাৰ সোঁতাৰ প্ৰবল বেগত আহিবই; তাক ভেটা দি ঐতিহ্য আৰু কৃষ্টি যেনেদৰে আছে তেনেদৰে ৰখাৰ আহ্বান সুবিধাবাদীৰ বাবে লাভজনক হ'ব পাৰে, জনগণৰ আবেগক বিভ্ৰান্ত কৰি সাময়িক উত্তেজনাৰ সৃষ্টি কৰাত সহায়ক হ'ব পাৰে; কিন্তু ই এটা জাতিৰ স্বকীয় অস্তিত্ব ৰক্ষাত গুণগতভাৱে কোনো বৰঙনি যোগাব নোৱাৰে। আমাৰ সকলোৰে বাবে এয়া নিতান্তই দুৰ্ভাগ্যজনক যে অৰ্থনৈতিক আৰু ৰাজনৈতিক শোষণ আৰু বঞ্চনাৰ বাবে প্ৰকৃত শত্ৰুৰ ফালে নকৰি বহুতো গোষ্ঠীয়ে একধৰণৰ সংকীৰ্ণ জাতীয়তাবাদকে সংস্কৃতি বুলি চলাই দি তাৰ জৰিয়তে সংকটৰ ভুল সমাধান বিচাৰিছে। কঠোৰ হলেও সততাৰ খাতিৰত এই কথা কোৱাৰ প্ৰয়োজন আছে। নিৰপেক্ষ দৃষ্টিভঙ্গীৰে চাব জনা সকলে নিশ্চয় এতিয়া এটা কথা স্বীকাৰ কৰিব যে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ পশ্চাৎপট ইয়াতকৈ বেলেগ নাছিল। বিগত আন্দোলনে নিৰ্ভুলভাৱে প্ৰমাণ কৰি দিছে যে সংস্কৃতিৰ নামত আবেগিক উচ্ছ্বাসে কোনো সাংস্কৃতিক উন্নয়ন সাধন কৰি সংকটৰ সমাধান দিব নোৱাৰে।

নিঃসন্দেহে বহুতো জনগোষ্ঠীৰ সাংস্কৃতিক অস্তিত্ব বৰ্তমানে বিপদাপন্ন হৈছে। আমাৰ জীৱন যাত্ৰাৰ লগত মিহলি হৈ থকা পৰম্পৰাগত কৃষি, বৃহৎ পুঁজি আৰু তাৰ সংস্কৃতিৰ আগত অসহায় হৈ পৰিছে। কিন্তু পুৰণি ধ্যান-ধাৰণা, আচাৰ-ব্যৱহাৰ

কিছুমান টোপোলা বান্ধি 'সংস্কৃতি' বুলি বুকুত সাঁৱটি ধৰি থাকিলে এই বিপদৰ পৰা সাধাৰণ জনগণ মুক্ত নহয়। প্ৰেমচন্দে বহুদিনৰ আগতে কৈ গৈছে, এতিয়া সংসাৰত কেৱল এটাই সংস্কৃতি আছে আৰু সেয়া হ'ল 'আৰ্থিক সংস্কৃতি'। অৰ্থনীতিক উপেক্ষা কৰি সাংস্কৃতিক সমন্বয়ৰ অলীক কল্পনা কৰাৰ অন্তৰালত হয়তো অজ্ঞতা আছে, নহ'লে ভণ্ডামি। যদিহে অজ্ঞতা, তেনেহ'লে বিজ্ঞজনে তাক শুধৰোৱাৰ দায়িত্ব গ্ৰহণ কৰিব লাগিব আৰু যদিহে ভণ্ডামি, তেনেহ'লে মুক্তকণ্ঠে তাৰ প্ৰতিবাদ কৰিব পাৰিব লাগিব।

নিঃসন্দেহে ঐতিহ্য আৰু পৰম্পৰাৰ গভীৰ অনুসন্ধান আৰু বৈজ্ঞানিক বিশ্লেষণে বহুসময়ত নৃ-তত্ত্ববিদ সকলক বৰ্তমান আৰু ভৱিষ্যত নিৰ্ণয়ত সহায় কৰে। বহু সময়ত ই প্ৰাচীন পৰম্পৰাৰ দুমূৰ্ল্য উপাদান আৱিষ্কাৰ কৰাতো সহায়ক হয়। কিন্তু যেতিয়াই এই বৈজ্ঞানিক বিশ্লেষণ কৌশলেৰে জাতি বা গোষ্ঠীগত দম্ভলৈ ৰূপান্তৰিত কৰি আবেগিক উচ্ছ্বাস আৰু উত্তেজনাৰ সৃষ্টি কৰাৰ বাবে প্ৰয়াস কৰা হ'ব; তেতিয়াই বুজি পাব লাগিব সেই পণ্ডিতালিৰ আঁৰত অভিসন্ধি লুকাই আছে। সংকীৰ্ণ জাতীয়তাবাদে সদায়ে সংস্কৃতিৰ দোহাই দিয়ে। জাতকৰ সাধুত গাধই সিংহৰ ছাল মেৰিয়াই লোৱাৰ দৰে সংকীৰ্ণ জাতীয়তাবাদেও নিজৰ আচল স্বৰূপ প্ৰকাশ কৰি পৰিচয় দিবলৈ লজ্জাবোধ কৰে আৰু তাৰ বাবে বিশুদ্ধ সংস্কৃতিৰ ছাল শৰীৰত মেৰিয়াই লয়। নৃ-তাত্ত্বিক বিশ্লেষণৰ বাবে সংস্কৃতিৰ বৈচিত্ৰ্য ৰক্ষা কৰাৰ অৰ্থে অথবা ঐতিহ্যক সন্মান জনাই সুস্থ জাতীয়তাবোধ জীয়াই ৰাখিবলৈও ঐতিহ্য আৰু পৰম্পৰাৰ চানেকি সংৰক্ষণ কৰাৰ প্ৰয়োজন আছে। কিন্তু সেই সংৰক্ষণৰ আহিলা জনগণৰ বৰ্তমানৰ দৈনন্দিন আচাৰ-ব্যৱহাৰ, ধ্যান-ধাৰণা হ'ব নোৱাৰে। বৰ্তমানৰ লগত অতীতক Punch কৰি যেনেকৈ আধুনিক সংস্কৃতি সৃষ্টি কৰিব নোৱাৰি, তেনেদৰে বৰ্তমানৰ ওপৰত অতীতক impose কৰিও সংস্কৃতি সংৰক্ষণ কৰিব নোৱাৰি। এনে imposition-এ এটা জাতি বা গোষ্ঠীক বিশ্বৰ ওচৰত হাঁহিয়াতৰ পাত্ৰ হিচাপে থিয় কৰোৱাৰহে সম্ভাৱনা আছে।

অতীত-প্ৰীতিৰ প্ৰতি ইমানখিনি বিষোদ্গাৰ কৰাৰ পিছতো এটা কথা দ্বিধা-বিহীনভাৱে স্বীকাৰ কৰিব লাগিব যে ঐতিহ্য আৰু পৰম্পৰাৰ যিখিনিয়ে এতিয়াও নৱ-জীৱনৰ বাবে উদ্দীপ্ত কৰি সংগ্ৰাম আৰু আত্ম-ত্যাগৰ বাবে প্ৰস্তুত কৰিব পাৰে; যিয়ে শুনাব পাৰে আমাক জীৱন গঢ়াৰ মন্ত্ৰ; য'ত নিহিত হৈ আছে জনগণৰ জাতীয় প্ৰাণস্পন্দন; য'ত ৰক্ষিত জনগণৰ বিপুল শক্তি, সৃষ্টি ক্ষমতা আৰু শোষণ বঞ্চনাৰ প্ৰতিফলন, তাক জীয়াই ৰাখি সংৰক্ষণ কৰাৰ প্ৰয়োজন আছে। কিন্তু সেই সংৰক্ষণ অতীত-প্ৰীতিয়ে কৰিব নোৱাৰে। জনগণৰ শ্বাস-প্ৰশ্বাসেৰে স্পন্দিত সংস্কৃতিক,

আধুনিকতাবাদৰ দোহাই দি গ্ৰাস কৰিবলৈ অহা ছদ্মবেশী বুর্জোৱা সংস্কৃতিৰ বিৰুদ্ধে নির্মম আৰু আলোচনাহীন মনোবৃত্তিৰে থিয় হ'ব পাৰিলেহে এই সংৰক্ষণ সম্ভৱ।

## আদর্শহীন পৃষ্ঠপোষকতা আৰু আধুনিকতাবাদ

অর্থবলে আনি দিয়া সামাজিক প্ৰতিপত্তিয়ে ধনীক শ্ৰেণীক সংস্কৃতিৰ পৃষ্ঠপোষকতা কৰাত সুবিধা প্ৰদান কৰিছে। পৃষ্ঠপোষক হিচাপে তেওঁলোকে প্ৰগতিবাদৰ দোহাই দি সংস্কৃতিৰ নামত যি নাচ, গান, নাট, চিনেমা, চিত্ৰকলাৰ আমদানি কৰিছে সেয়াই নেকি কেৱল মনোৰঞ্জনৰ সামগ্ৰী তথা অৱসৰ বিনোদনৰ উপায়? অসমৰ সাধাৰণ জনগণে এটা কথা বুজিবলৈ চেষ্টা কৰাতো উচিত হব যে তথাকথিত ধনীক শ্ৰেণীৰ মাজত অসমৰ সংস্কৃতিৰ প্ৰতি কোনো স্বভাৱজাত মোহ অথবা আকৰ্ষণ নাই, মাথোন যেতিয়াই সংস্কৃতিৰ নামত জনগণৰ উৎসাহ প্ৰবল হৈ উঠে, তেতিয়াই স্বার্থ সিদ্ধি অথবা নিৰাপত্তাৰ বাবে তেওঁলোকে জাতীয় সংস্কৃতিৰ চোলা পৰিধান কৰে। ধ্যান ধাৰণা আৰু চিন্তা-ভাৱনাত বুৰ্জোৱা হৈ কোনোৱেই জনগণৰ সংস্কৃতিৰ প্ৰতি দায়বদ্ধ হ'ব নোৱাৰে। সেয়েহে অৱসৰ বিনোদনৰ উপায় হিচাপে সংস্কৃতি কৰিবলৈ আগবাঢ়ি অহা ধনীক শ্ৰেণীৰ জীয়ৰীয়ে মঞ্চত নিষ্পেষিত বঞ্চিত জনৰ মুক্তিৰ বাবে গীত গোৱাৰ পিছ মুহূৰ্ততে কোনো অপৰাধবোধ নোহোৱাকৈ বিলাস বৈভৱত মত্তলীয়া হ'ব পাৰে।

ধনীক শ্ৰেণীৰ পৃষ্ঠপোষকতাত কোটি কোটি টকাৰ মূলধন বিনিয়োগ কৰা হৈছে আমাক পুঁজিবাদী শিল্প সংস্কৃতিৰ পিছত মত্তলীয়া কৰিবলৈ। সস্তীয়া চিনেমাৰ যোগেদি অধঃপতিত ব্যৱসায়িক মনোবৃত্তিৰে অথবা অর্থৰ বলেৰে চকুত চমক লগোৱা জনপ্ৰিয় পণ্যধৰ্মী শিল্প-সংস্কৃতিৰ মাজেৰে বৃহৎ পুঁজিৰ পৃষ্ঠপোষকতাত যি আধুনিকতা গঢ় লৈ উঠিছে তাত অসমৰ প্ৰাকৃতিক আৰু সামাজিক পৰিবেশৰ সমন্বয় লগে লগে, স্তৰে স্তৰে জন-জীৱনত যি পলস পেলায় তাৰ কোনো চিন মোকাম নাই। আধুনিক জীৱন যাত্ৰাৰ সহযোগী হোৱাৰ লগে লগে সাধাৰণ জনগণও ধীৰে ধীৰে বৃহৎ পুঁজিৰ আঙুলিৰ নিৰ্দেশত সৃষ্টি হোৱা এই টুলুঙা সংস্কৃতিৰ প্ৰতি আকৃষ্ট হ'বলৈ বাধ্য হৈ পৰে। জাতীয় সাংস্কৃতিক চেতনাৰ স্পর্শবিহীন আদর্শবর্জিত উদ্যোগীৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা এনে অনুকৰণ সর্বত্ৰ কৃত্ৰিম সংস্কৃতিৰ কবলতহে যে অসমৰ জন-সংস্কৃতিৰ অস্তিত্ব বিপন্ন হৈ উঠিছে সেই কথা নিশ্চয় প্ৰকৃত সংস্কৃতি প্ৰেমী কোনো চিন্তাশীল ব্যক্তিয়ে অস্বীকাৰ নকৰিব। ব্যক্তিগত আৰু সমষ্টিগত এই দুই প্ৰক্ৰিয়াৰ সমন্বয়তহে এই সাংস্কৃতিক সংকটৰ পৰা মুক্তি লাভ কৰাৰ পথ ৰচনা হ'ব পাৰে, কেৱল অতীত-প্ৰীতিৰে নহয়।

## ব্যক্তি, সংস্কৃতি আৰু উত্তৰণৰ পথ

লোক-সংস্কৃতিয়ে প্ৰমাণ কৰে কত বিচিত্ৰ বৈদগ্ধৰে সহজাতভাৱে সাধাৰণ জনগণেই সংস্কৃতিৰ প্ৰতি অৰিহণা যোগাইছে। কিন্তু সাধাৰণৰ সংস্কৃতিকে ( Mass Culture ) সকলো সময়তে উৎকৃষ্ট সংস্কৃতি বুলি একে উশাহতে মানি লোৱাটোও ভুল হ'ব। সংখ্যাগৰিষ্ঠ ব্যক্তিৰ অশিক্ষা, অসচেতনতা, প্ৰতিভা বিকাশৰ সুযোগৰ অভাৱে বহু সময়ত জন-সংস্কৃতিৰ মান আৰু চাহিদা নিম্নমানৰ কৰি তোলে। এই দুৰ্বলতাৰ সুযোগ লৈ অৱজ্ঞা আৰু দয়াৰ মনোভাৱেৰে বেছিভাগ সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোক্তা সকলে ধৰি লয় জনৰুচি সস্তীয়া আমোদৰহে যোগ্য। ফলস্বৰূপে আমদানি কৰা হয় সুস্থতা আৰু গভীৰতাবিহীন জনপ্ৰিয় স্থূল সংস্কৃতি। ইয়াক ৰোধ কৰিবৰ বাবেই প্ৰয়োজন হয় চিন্তা-চৰ্চা কৰা দায়বদ্ধ ব্যক্তিৰ। লোক-সংস্কৃতিৰ প্ৰতি অত্যুৎসাহৰ ফলত বহুতে বিশেষজ্ঞতাক অমান্য কৰিব খোজে, কিন্তু এনে মনোভাৱো সুস্থ সংস্কৃতিৰ প্ৰতি হিতকৰ নহয়। ৰুচিক গঢ়ি তোলাৰ প্ৰয়োজনক অস্বীকাৰ কৰাটোও একপ্ৰকাৰৰ গোড়ামিৰেই নামান্তৰ।

বৰ্তমানৰ এই সংকটকালিন অৱস্থাত প্ৰতিজন সংস্কৃতি কৰ্মীয়ে ব্যক্তিৰ প্ৰতিভাৰ সৈতে জনৰুচি সংযোগ স্থাপন কৰি এনে এক মান বিশিষ্ট সুস্থ সাংস্কৃতিক পৰিবেশ সৃষ্টি কৰিব লাগিব, য'ত স্থূলতা আৰু তাৰল্যৰ পৰা সংস্কৃতিক ৰক্ষা কৰিব পৰা যায়। সমষ্টিগত সংস্কৃতিক সন্মানৰ চকুৰে চোৱা দায়বদ্ধ ব্যক্তিৰ সংস্কৃতিবোধ যেতিয়া গোষ্ঠীৰ ওচৰ চাপে, তেতিয়া ই অন্য এক সাৰ্থকতা লাভ কৰে। জন-সংস্কৃতিক স্পৰ্শ কৰাৰ তাগিদাৰ প্ৰতি সঁহাৰি জনাই ধীৰে ধীৰে যথাসাধ্য শিক্ষা, চৰ্চা আৰু ঐকান্তিকতাত জোৰ দি জনসাধাৰণো এনে দায়বদ্ধ ব্যক্তি প্ৰতিভাৰ কাষ চাপি আহে। ব্যক্তি আৰু সমষ্টিৰ এনে সু-সমন্বয়ে সৃষ্টি কৰা সাংস্কৃতিক বিকাশে আৰু তৰল বুৰ্জোৱা সংস্কৃতিৰ প্ৰতি যুদ্ধ ঘোষণাইহে জন-সংস্কৃতিৰ অস্তিত্ব ৰক্ষা কৰিব পাৰিব—আৱেগ সৰ্বস্ব অতীত-প্ৰীতিয়ে নহয়।·

এই কথাখিনি হৃদয়ঙ্গম কৰিব পাৰিলে কোনো গোষ্ঠী অথবা জাতিয়ে নিশ্চয়, সাংস্কৃতিক অস্তিত্ব ৰক্ষাৰ অৰ্থে কেৱল অতীত-প্ৰীতিৰ আহ্বানক অস্ত্ৰ হিচাপে লোৱাৰ প্ৰয়োজনবোধ নকৰিব, জন-সংস্কৃতিৰ প্ৰতি সন্মান, উদ্দেশ্যৰ প্ৰতি সততা আৰু আন্তৰিকতা—এই হৃদয়ঙ্গমৰ প্ৰথম চৰ্ত হ'ব।

# আপোনাৰ অসফল প্ৰেম আৰু বোশফুকো

মাজে মাজে বিভ্ৰান্ত, বিফল এই জীৱনটো পুনৰ নতুনকৈ নতুন দিশেৰে আৰম্ভ কৰাৰ ইচ্ছা এটা মনৰ ভিতৰত জাগি উঠে। আৰু সেইবাবেই সম্ভৱ কৈশোৰলৈ ঘূৰি যোৱাৰ এক তীব্ৰ বাসনাই মোক প্ৰতিটো মুহূৰ্ততে আচ্ছন্ন কৰি ৰাখে। কৈশোৰক মই চিহ্নিত কৰো অন্তহীন বিস্ময় আৰু সীমাহীন সৌন্দৰ্যৰে ভৰা এই পৃথিৱীৰ প্ৰথম দুৱাৰডলিৰ ৰূপত। কৈশোৰ ৰহস্যৰ দুৱাৰ, হৃদয় আলোড়িত কৰা নিত্য নতুন অভিঘাত কৈশোৰ। কৈশোৰতে উন্নত শিৰৰ ওপৰত গজি উঠে অনন্ত কৌতূহলী, সংবেদী এক অদৃশ্য এটেনা। প্ৰথম প্ৰেমৰ প্ৰেমাস্পদৰ প্ৰথম স্পৰ্শৰ স্মৃতি ৰোমন্থনে যিদৰে মানুহক কেতিয়াবা নিজান, বিষন্ন দুপৰীয়া অকস্মাতে জীৱনৰ বিয়লি বেলাতো শিহৰিত কৰি তোলে, সেইদৰে কৈশোৰৰ স্মৃতিয়েও মোক কেতিয়াবা কৰি তোলে আলোড়িত।

কৈশোৰৰ স্মৃতিচাৰণ এই লিখনিৰ উদ্দেশ্য নহয়। প্ৰসঙ্গক্ৰমে কৈশোৰৰ কথা মনলৈ আনি দিলে আজিৰ পৰা তিনিশ বছৰৰো আগতে লিখা এখন ক্ষীণকায় অথচ আলোড়নকাৰী কিতাপে। আজি কিছুদিন আগতে হঠাতে আহি হাতত পৰা সৰু কিতাপ এখনৰ পাতবোৰ লিৰিকি-বিদাৰি থাকোতেই অকস্মাতে মনলৈ মোৰ কৈশোৰৰ বেছ আটোম-টোকাৰিকৈ ৰখা এটা ব্যক্তিগত এলবামৰ কথা। পঢ়ুৱৈয়ে হয়তো শুনি আচৰিত হ'ব যে মোৰ কৈশোৰৰ সেই প্ৰিয় এলবামখন নিৰ্মাণৰ কেঁচামালৰ আৰু প্ৰেৰণাৰ উৎস আছিল 'অসম বাণী' নামৰ কাকতখন।

কৈশোৰত, লিখিত শব্দৰ জৰিয়তে আৱিষ্কাৰ কৰা পৃথিৱীখনৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰা আমাৰ দূৰবীণ আছিল জনপ্ৰিয় 'অসম বাণী' কাকতখন। প্ৰতি শুক্ৰবাৰে এসপ্তাহৰ পৃথিৱীৰ মেটমৰা ভাৰ লৈ অসম বাণী উপস্থিত হয় অসমৰ চহৰ-নগৰ, গাওঁ-ভূঁই চুকে-কোণে ঘৰে ঘৰে। যিমানদূৰ মনত পৰে 'অসম বাণী'ৰ প্ৰথম পৃষ্ঠাৰ এচুকত, ওপৰৰ ফালে নিয়মিতভাৱে আয়তাকাৰে বক্সৰ ভিতৰত উদ্ধৃত মহৎলোকৰ একোটা তীব্ৰ-আলোকসঞ্চাৰী বাণী। 'অসম বাণী'ৰ সেই সময়ত মোৰ বাবে আটাইতকৈ আকৰ্ষণীয় শিতান আছিল বক্সৰ ভিতৰত আৱদ্ধ সেই উক্তিটো। প্ৰতিটো উক্তিয়েই কেপচুলৰ ভিতৰত ঘনীভূত কৰি আৱদ্ধ কৰি ৰখা জ্ঞানৰ একোটা সাগৰ, প্ৰতিটো উক্তিয়েই খুলি দিয়ে কোনো এটা বিষয়ৰ ওপৰৰ ৰহস্যৰ আৱৰণ। উক্তিসমূহৰ প্ৰতি মই ইমানেই আকৰ্ষিত হৈছিলো যে, মেটতাৰ ভাঁজি খুৰোৱা ব্লেডেৰে প্ৰতিটো

উক্তি কাটি লৈ এটা পুৰণি এলবামৰ প্ৰতিটো পৃষ্ঠাতে নিষ্ঠা সহকাৰে এঠা লগাইছিলো। ক'ত কেতিয়া জানো সেই এলবামখন হেৰাই গ'ল, এতিয়া নাজানো, কিন্তু মোৰ এতিয়াও মনত আছে সেই এলবামখন আছিল মোৰ কৈশোৰৰ অন্যতম প্ৰিয় সম্পদ।

যিথন ক্ষীণকায় কিতাপে বহুত দিনৰ মূৰত হঠাতে মহৎ লোকৰ চমকপ্ৰদ বাণীৰে ভৰপূৰ, কৈশোৰৰ সেই হেৰোৱা এলবামখনৰ কথা মনত পেলাই দিলে, সেই কিতাপখন হ'ল লা ৰোশফুকোৰ মাক্সিম। মাক্সিম আৰু মহৎলোকৰ বাণী একে নহয়; মাক্সিমক নীতিবচন বুলি অভিহিত কৰিলেহে হয়তো অৰ্থৰ ওচৰ চপা হ'ব; কিন্তু ৰোশফুকোৰ মাক্সিমে মোক এলবামখনৰ কথা মনলৈ আনি দিয়াৰ কাৰণ হ'ল, ৰোশফুকোৰ মাক্সিম-বোৰো মহৎলোকৰ বাণীৰ দৰেই একোটা চমৎকাৰ উক্তি, যাৰ দ্বাৰা কেইটিমান সুসম্বদ্ধ শব্দৰ জৰিয়তেই আশ্চৰ্য্যকৰভাৱে উন্মোচিত হয় একোটা ৰহস্যৰ আৱৰণ। মাক্সিমবোৰ যেন শক্তিশালী কোনো ৰশ্মি, যিয়ে হৃদয়ৰ ভিতৰ আলোকিত কৰি দৃষ্টিৰ সীমালৈ লৈ আহে মনৰ ভিতৰৰ গোপন অনুভূতি, অনুভৱ, ঈৰ্ষা, দ্বেষ, প্ৰেম, হিংসা, আশা-আকাংক্ষা সকলো। নিৰ্মম-নিৰ্দয়ভাৱে।

আজিৰ পৰা তিনিশ বছৰৰো আগতে ১৬৬৫ চনত লা ৰোশফুকোৰ মাক্সিমৰ প্ৰথম সংস্কৰণ প্ৰকাশ পাইছিল। সেই প্ৰথম সংস্কৰণৰ ভূমিকাত ৰোশফুকোই লিখিছিল এইদৰে: এয়া হ'ল মানুহৰ হৃদয়ৰ এক আলেখ্য। এইবোৰ ইমান বেছি বাস্তৱ আৰু আনফালে তোষামোদৰ উপাদান ইয়াত ইমানেই কম যে এইবোৰে নিশ্চয় সকলোকে তৃপ্ত কৰিব নোৱাৰিব।

ভূমিকাৰ এই উক্তিৰ যথাৰ্থতা প্ৰমাণ কৰিয়েই সেই সময়ত ৰোশফুকোৰ মাক্সিম-বোৰে একো একোটা বিস্ফোৰকৰ দৰে মানুহৰ চেতনাক আৰু সম-সাময়িক ধ্যান ধাৰণাক নিৰ্মমভাৱে আঘাত কৰিছিল। আনকি আন্দ্ৰে জিদেও মন্তব্য কৰিছিল এইদৰে: ৰোশফুকোৰ মন্তব্যবোৰে আমাক অলপো শান্তিত থাকিবলৈ নিদিয়ে। চুটি চুটি কেইটিমান বাক্যৰে মানুহৰ চৰিত্ৰ, ব্যৱহাৰ, কাৰ্য্যকলাপ-সকলোৰে ৰহস্যৰ উদ্ঘাটন কৰি চাঞ্চল্যৰ সৃষ্টি কৰা এই ৰোশফুকোনো প্ৰকৃততে কোন?

১৬১৭ চনৰ ছেপ্টেম্বৰ মাহত পাৰীৰ এক সুপ্ৰাচীন পৰিয়ালত মাৰসিয়াকৰ ৰাজ-কুমাৰ বুলি অভিহিত লা ৰোশফুকোৰ জন্ম হৈছিল। ৰোশফুকোৰ চৰিত্ৰত সদায়ে প্ৰকাশ পাইছিল এক ধৰণৰ ব্যাখ্যাতীত বৈপৰীত্য—একালে তেওঁ আছিল লাজুক, চিন্তামগ্ন আৰু নিৰীহ আৰু আনফালে ষড়যন্ত্ৰপ্ৰিয় আৰু উচ্চাভিলাষী। চৰিত্ৰৰ এই আচৰিত বৈপৰীত্যৰ বাবেই ৰোশফুকোৰ জীৱন আছিল সংঘাতময়, জয়-পৰাজয়, উত্থান-পতন, উপভোগ আৰু তিক্ততাৰ কাহিনী। যুদ্ধ-বিগ্ৰহ, ব্যভিচাৰ, ৰাজনৈতিক

ষড়যন্ত্ৰৰে ভৰা এটা উত্তেজনাপূৰ্ণ জীৱন-যাপনৰ অন্তত জীৱনৰ বিয়লি বেলা হতাশ, ক্লান্ত আৰু বিষণ্ণ হৈ পৰা বোশফুকোই আৱিষ্কাৰ কৰিছিল যে যুদ্ধ-বিগ্ৰহৰ গৰিমা এক বিভ্ৰান্তি, ৰাজনীতি ধাপ্পাবাজৰ পথাল। প্ৰেম হ'ল প্ৰতাৰণা আৰু মানুহৰ মধুৰ ব্যৱহাৰৰ অন্তৰালত থাকে মাথোন কপটতা আৰু আত্মাভিমান। জীৱনৰ বিষণ্ণতাই চিনিকেল কৰি তুলিলেও স্বীকাৰ কৰিব লাগিব যে সুদীৰ্ঘ জীৱনৰ যাৱতীয় অভিজ্ঞতাৰে সমৃদ্ধিশালী হৈ অস্থিৰ ৰাজকুমাৰ বোশফুকো এদিন ৰূপান্তৰিত হৈছিল এজন দাৰ্শনিকলৈ। ফৰাচী সাহিত্যৰ ইতিহাসে অৱশ্যে বোশফুকোক দাৰ্শনিক হিচাপে স্বীকৃতি দিয়া নাই। তাৰ সলনি তেওঁক অভিহিত কৰিছে মৰালিষ্ট বা নীতিবাগীশ হিচাপে। কি আইৰণী, যিজনে সমগ্ৰ জীৱন সকলো নীতিকে অৱজ্ঞা কৰি আহিছে- তেওঁৱেই শেষ বয়সত স্বীকৃত হৈছে নীতিবাগীশ বুলি!

বাৰ্দ্ধক্যই ক্ৰমশঃ পংগু কৰি অনা নৈৰাশ্যৰ মুহূৰ্তবোৰত বোশফুকোৱে ৰচনা কৰিছিল তিনিশ বছৰ পিছতো প্ৰাসঙ্গিকতা হেৰুৱাই নেপেলোৱা তেওঁৰ অবিস্মৰণীয় মাক্সিমবোৰ। প্ৰথম প্ৰথম মাক্সিম ৰচনাৰ প্ৰক্ৰিয়াটোৱেই আছিল বোশফুকোৰ বাবে এক খেলা। কিন্তু প্ৰকাশৰ সময়ত তেওঁ যিদৰে তাৰ সম্পাদনা কৰিছিল, ধৰ্ম সম্বন্ধীয় উক্তিবোৰ তেওঁ সযত্নে পৰিহাৰ কৰিছিল, শব্দৰ প্ৰগলভতাত তেওঁ হাত ফুৰাইছিল নিৰ্দয়ভাৱে; এই সকলোবোৰৰ পৰাই অনুমান কৰিব পাৰি খেলা হিচাপে আৰম্ভ কৰিলেও মাক্সিম ৰচনাৰ অন্তৰালত বোশফুকোৰ আছিল এটা সংযত আৰু চিৰিয়াচ মন। তেওঁৰ মাক্সিমবোৰৰ যিবোৰ বৈশিষ্ট্যই প্ৰথম দৃষ্টিতেই আকৰ্ষণৰ দাবী কৰে সেইবোৰ হ'ল তাৰ স্বচ্ছতা, গভীৰতা আৰু সংক্ষিপ্ততা। সংক্ষিপ্ত হ'লেও নিপুণ শব্দ সংযোজনাই এইবোৰক প্ৰদান কৰিছে এক ধৰণৰ স্বকীয়া কাব্যিক সৌন্দৰ্য্য, যাৰ গুণত মাক্সিমবোৰো হৈ উঠিছে আকৰ্ষণীয়ভাৱে শিল্প সুলভ। এটা এটাকৈ বোশফুকোৰ মাক্সিমবোৰৰ ওপেৰেৰে চকু ফুৰাই যোৱাৰ সময়ত মোৰ অনুভৱ হৈছিল প্ৰতিটো মাক্সিমেই যেন একোখন দাপোণ, য'ত লুকচাক নোহোৱাকৈ প্ৰতিফলিত হয় শৰীৰৰ প্ৰতিটো অঙ্গৰ ভাঁজ, বিকৃতি। সেই দাপোণৰ মুখামুখি হ'বলৈ কেতিয়াবা ভয় হয় আৰু কেতিয়াবা হয় সংকোচ। মই ভাবো যিসকল লোকে নিজৰ বুকুৰ ভিতৰত গোপন হৈ থকা আচল মানুহজনক আৱিষ্কাৰ কৰি লিৰিকি-বিদাৰি চাব খোজে, তেওঁলোকে এবাৰৰ বাবে হ'লেও এই মাক্সিমবোৰৰ ওপেৰেৰে চকু ফুৰোৱাটো উচিত হ'ব। নিজৰ প্ৰকৃত স্বৰূপৰ সৈতে মাজে-সময়ে মুখামুখি হোৱাটো যিকোনো মানুহৰেই মানসিক স্বাস্থ্যৰ বাবে উপকাৰী।

বোশফুকোই সংক্ষিপ্ত তেওঁৰ মাক্সিমবোৰ জৰিয়তে সকলো প্ৰকাৰৰ নীচতা, কপটতা, ঈৰ্ষা, স্বাৰ্থপৰতা ছল-চাতুৰীক অক্লান্তভাৱে আক্ৰমণ কৰিছে; আত্মাভিমান,

প্ৰেম, বন্ধুত্বক তেওঁ অভিজ্ঞ মনোবিজ্ঞানীৰ দৰেই কাহ-কাহকৈ চালি-জাৰি চাইছে, বহু সময়ত প্ৰেমৰ ওপৰত তেওঁ হানিছে অপ্ৰত্যাশিত আঘাত। বোশফুকোৰ প্ৰতি আকৰ্ষিত হ'বলৈ তেওঁৰ সকলোবোৰ মন্তব্যকে যে আপুনি মানি ল'ব লাগিব তেনে নহয়, তেওঁৰ সৈতে একমত নহ'লেও তেওঁৰ মাজিমৰ অপ্ৰত্যাশিত কলক্, অনবদ্য শব্দ-সংযোজনাই আপোনাক কন্তেকৰ বাবে হ'লেও আচ্ছন্ন কৰি ৰাখিব। উদাহৰণ স্বৰূপে, আপুনি হয়তো একমত নহ'ব, কিন্তু এই উক্তিটো পঢ়ি চাওঁকচোন : 'প্ৰকৃত প্ৰেম দুৰ্লভ, কিন্তু প্ৰকৃত বন্ধুত্বতকৈ নহয়। ইমান সহজ-সৰল, অথচ আশ্চৰ্য্যকৰভাৱে অৰ্থব্যঞ্জক আৰু ভাবোদ্দীপক। এই উক্তিটো পঢ়াৰ পিছত আপুনি এক মুহূৰ্তৰ বাবে থমকি নৰবনে ?

এইখিনিতে কাৰোবাৰ মনত নিতান্ত স্বাভাৱিকভাৱে এটা প্ৰশ্ন হ'ব পাৰেকুণ্ডেৰা, মাৰ্কিউজ, গাৰ্দিমাৰ আদি সমসাময়িক কত শক্তিশালী লেখকৰ লিখনীয়ে সমগ্ৰ বিশ্বৰ জগতে অসমৰ সচেতন পঢ়ুৱৈকো আলোড়িত কৰি ৰখাৰ সময়ত মইনো হঠাতে তিনিশ বছৰবো পুৰণি কৰবৰ পৰা এইদৰে নিঃসঙ্গ বিষণ্ণ এই বোশফুকোক খান্দি উলিয়াই চাবলগীয়া হ'ল কিয়। কাৰণটো নিতান্তই ব্যক্তিগত আৰু তুচ্ছ ; কিন্তু কেতিয়াবা একোটা তুচ্ছ ঘটনাৰ জৰিয়তেই এটা নতুন দৃষ্টিভংগীৰে প্ৰচলিত ধাৰণা একোটা পুনৰায় বিশ্লেষণ কৰাৰ প্ৰয়োজন হৈ পৰে। কিছুদিন আগতে এটা ঘটনাৰ সৈতে সহানুভূতি-শীল শ্ৰোতা হিচাপে জড়িত হৈ পৰাৰ ফলশ্ৰুতি হিচাপেই নাৰী-পুৰুষৰ প্ৰেম সম্পৰ্কীয় সম্বন্ধৰ বিফলতাৰ ধাৰণাটোৰ সম্পৰ্কত ভাবিবলৈ মই বাধ্য হৈ পৰিছিলো। এই ঘটনাটোৱেই মোক এটা সময়ত লৈ গৈছিল এই শিতানৰ আজিৰ নায়ক ৰোশফুকোৰ ওচৰলৈ।

অসফল প্ৰেমে আজি আৰু কোনো মানুহৰেই হৃদয়ত সহানুভূতিৰ উদ্ৰেক নকৰে, তাৰ বিপৰীতে প্ৰেমৰ বিষাদে ঠাট্টা-বিদ্ৰূপ আৰু হাস্যৰসৰ সৃষ্টি কৰাৰ সম্ভাৱনাই এতিয়া অনেক বেছি। এটা সময় আছিল, যেতিয়া যিকোনো গল্প, উপন্যাস অথবা কবিতা নপঢ়াকৈয়ে প্ৰায় নিশ্চিতভাৱে কৈ দিব পৰা গৈছিল যে তাৰ মূল বিষয়-বস্তু হ'ল নাৰী আৰু পুৰুষৰ প্ৰেম। কেতিয়াবা সফল আৰু কেতিয়াবা অসফল। আজি-কালি জীৱনৰ প্ৰথম গল্পটো লিখিবলৈ লোৱা চৈধ্য-পোন্ধৰ বছৰীয়া কিশোৰ এজনেও প্ৰেমৰ বিফলতাক বিষয়বস্তু কৰি কিবা এটা লিখিবলৈ লজ্জা অনুভৱ কৰে, তেনেস্থলত যথেষ্ট risk সত্বেও অলপতে এগৰাকী নাৰীৰ অসফল প্ৰেমক ভেটি হিচাপে লৈ যুগ্মভাৱে এখন উপন্যাস লিখাৰ মোৰ তীব্ৰ তাগিদা হৈছিল। সেই চুটি উপন্যাসিকাখন হ'ল 'বিষয় : প্ৰেম আৰু যন্ত্ৰণা'ও। যিসকলে উপন্যাসিকাখন পঢ়িছে, তেওঁলোকে নিশ্চয় পঢ়ি উঠি অনুভৱ কৰিছে-কিনো হ'ল, এইখন ? একোৱেই নাই। সঁচাকৈ একো

নাই, এটা মামুলী ঘটনা, দহজনী ছোৱালীৰ ভিতৰত নজনী ছোৱালীৰ জীৱনতে (সমান সংখ্যক পুৰুষৰো) আজি-কালি এনেকুৱা ঘটনা ঘটে, কোনেও এনে ঘটনাক আজি স্মৃতিৰ মৰ্যাদাও দিব নোখোজে, সাহিত্যৰ সমল হিচাপে স্বীকৃতি দিয়াতো দূৰৈৰ কথা। তথাপি সেই আপাত মামুলী ঘটনাটোক লৈয়েই উপন্যাসিকা এখন লিখাৰ পৰা মই নিজকে বিৰত ৰাখিব নোৱাৰিলো। প্ৰধানকৈ দুটা কাৰণত।

প্ৰথমটো কাৰণ চিহ্নিত কৰিছো প্ৰেমজনিত ঘটনাৰ প্ৰতি মোৰ স্বভাৱসুলভ প্ৰশ্ৰয়তাৰ মনোভাৱক। মই সেইজন ব্যক্তিকে পৃথিৱীৰ অন্যতম দৰিদ্ৰ, হতভাগ্য ব্যক্তি বুলি গণ্য কৰো যাৰ জীৱনলৈ কেতিয়াও প্ৰেম অহা নাই। প্ৰেমৰ প্ৰতি এই প্ৰশ্ৰয়ৰ প্ৰৱলতা কিমানদূৰ যুক্তি-সাপেক্ষ, সেয়া নিঃসন্দেহে বিতৰ্কিত বিষয়, কিন্তু এটা বিষয় সম্পৰ্কে মই সচেতন যে প্ৰেম সম্পৰ্কত মোৰ এই প্ৰশ্ৰয়ৰ মনোভাৱ অকল মোৰ ব্যক্তিগত জীৱনকেই নহয়, মোৰ লিখনীকো বহুসময়ত যথেষ্ট দৃষ্টিগোচৰ হোৱাকৈ প্ৰভাৱান্বিত কৰিছে। তাৰ বাবে মোৰ অন্তৰত অকণো আপচোচ নাই।

দ্বিতীয় কাৰণটো নিহিত আছে সেই গৰাকী নাৰীৰ মাজত, যাৰ জীৱনৰ অসফল প্ৰেমক লৈ লিখিবলৈ মই বাধ্য হৈছিলো চুটি উপন্যাসিকা "বিষয়ঃ প্ৰেম আৰু যন্ত্ৰণা"। বিফল প্ৰেমৰ বিষাদ নহয়; চৰম বিফলতাৰ মুহূৰ্ততো সেই নাৰীৰ চৰিত্ৰ উদ্ভাসিত হৈ উঠা নিষ্ঠা আৰু সততাই মোক এনেদৰে মুগ্ধ কৰিছিল যে তেওঁৰ বিষণ্ণতাক শব্দৰে বন্দী কৰি ৰখাৰ লোভ লেখক হিচাপে মই সম্বৰণ কৰিব নোৱাৰিলো। সেই নাৰীৰ সন্মুখত বহি তেওঁৰ প্ৰেমৰ পুংখানুপুংখ বিশ্লেষণ কৰাৰ সময়ত বাৰে বাৰে মোৰ মনলৈ আহিছিল কেইটামান প্ৰশ্ন—প্ৰেম মানুহৰ জীৱনলৈ এবাৰেই আহে নে, প্ৰেম বুলি ভৱা সকলো প্ৰেমেই প্ৰকৃততে প্ৰেম নে, বাৰে বাৰে প্ৰেমত পৰাটো মানুহৰ চৰিত্ৰৰ চঞ্চলতা আৰু স্খলনৰ লক্ষণ নেকি-ইত্যাদি।

যদিওবা ব্যক্তিগতভাৱে মই শৰীৰোৰ্দ্ধৰ, আনকি প্লেটোনিক প্ৰেমতো বিশ্বাস কৰো, তথাপি বিজ্ঞানৰ সাধাৰণ জ্ঞানে এই কথাটোকো মোক স্বীকৃতি দিবলৈ এতিয়া বাধ্য কৰাইছে যে নাৰী-পুৰুষৰ প্ৰেমৰ লগত শৰীৰৰ ৰসায়নৰ প্ৰত্যক্ষ সম্পৰ্ক আছে। যৌৱনকালত যিহেতু শৰীৰৰ ৰসায়ন প্ৰচণ্ডভাৱে প্ৰেমৰ অনুকূলে থাকে, সেয়েহে এই সময়ছোৱাত প্ৰেমত পৰাতো নিতান্ত স্বাভাৱিক আৰু বয়সৰ সহজ প্ৰকাশ। ব্যক্তিগত অভিজ্ঞতাৰ পৰাই মোৰ এতিয়া ক'বলৈ মন যায় যে প্ৰেমত পৰাটো সহজ, কঠিন হ'ল প্ৰেমত পৰাৰ পিছত প্ৰেমাস্পদক প্ৰেমৰ প্ৰকৃত পাত্ৰ নহয় বুলি আৱিষ্কাৰ কৰাৰ পিছত সেই প্ৰেম ভংগ কৰি বুজাবুজিৰ মাজেৰে আঁতৰি অহাতো। বেছিভাগ সময়তে প্ৰেম বজ্ৰাঘাত পৰিণত হোৱাৰ কাৰণ হ'ল কঠিন এই বাস্তৱৰ সৈতে মুখামুখি হ'বলৈ সাহস

নকৰাটো। এয়া যেন অস্ত্ৰোপচাৰৰ ভয়ত পেটত টিউমাৰৰ যন্ত্ৰণা ভোগ কৰি থকা এটা অবৈজ্ঞানিক অৱস্থা।

এতিয়ালৈকে অসফল প্ৰেমৰ বাবে হতাশা আৰু যন্ত্ৰণাৰ জীৱন এটা আঁকোৱালি লোৱা মোৰ যিসকল বন্ধু-বান্ধৱীৰ মই কাষ চাপি গৈছো, তেওঁলোকৰ প্ৰত্যেকৰ ক্ষেত্ৰতে লক্ষ্য কৰা দুটা common চাৰিত্ৰিক বৈশিষ্ট্য হ'ল—প্ৰথমটো 'এটা ভ্ৰান্ত ধাৰণা যে জীৱনত মানুহৰ প্ৰেম এবাৰেই হ'ব পাৰে আৰু দ্বিতীয়টো হ'ল ৰোমাণ্টিক প্ৰেম হিচাপে আৰম্ভ হোৱা তেওঁলোকৰ প্ৰেম বাস্তৱৰ সত্যৰ সৈতে মুখামুখি হোৱাৰ আগতেই তেওঁলোকৰ প্ৰচণ্ড আত্মাভিমানে প্ৰেমক ৰূপান্তৰিত কৰে আত্মমৰ্য্যাদালৈ। সেয়েহে ৰোমাণ্টিকতাৰ আৱৰণ খুলি তেওঁলোকে যিমানেই বাস্তৱৰ কাষ চাপি আহে, সিমানেই প্ৰেমৰ পৰিৱৰ্তে আত্মমৰ্য্যাদাৰ বোধটোহে অধিক শক্তিশালী হৈ পৰে।

মোৰ উপন্যাসিকা "বিষয়: প্ৰেম আৰু যন্ত্ৰণা"ৰ নায়িকাৰ চৰিত্ৰৰ মাজতো, নাজানো ভুলকৈ নে শুদ্ধকৈ মই এই দুই চাৰিত্ৰিক বৈশিষ্ট্য আৱিষ্কাৰ কৰিছিলো। মোৰ এই নিৰ্মম আৱিষ্কাৰে মোৰ উপন্যাসৰ নায়িকাৰ, বিফল প্ৰেমে চূৰ্ণ-বিচূৰ্ণ কৰি দিয়া হৃদয়ক পুনৰায় নতুনকৈ আঘাত হানিব বুলিয়েই মই বহুদিন ধৰি সেই নাৰীৰ কাহিনী মনৰ ভিতৰতে পাওলি আছিলো, কিন্তু শব্দৰ মাজত সেই নাৰীৰ অনুভূতিক বন্দী কৰাৰ সাহস গোটাব পৰা নাছিলো। সেই সময়তে অকস্মাতে এদিন মোৰ সন্মুখত উপস্থিত হ'ল লা ৰোশফুকো। হাতত তেওঁৰ তিনিশ বছৰৰো আগতে ৰচনা কৰা তেওঁৰ মাক্সিম। এটা নে দুটা পাত লুটিয়াই চাওঁতেই হঠাতে যেন ভাৰ হ'ল, তেওঁৰ মাক্সিমৰ জৰিয়তে সেই তাহানিতে তেওঁ মই ভবাৰ দৰেই প্ৰেমৰ বিষয়ে লিখি গৈছে। দ্বিধাহীনভাৱে তেওঁ লিখিছে যে প্ৰেমৰ ক্ষেত্ৰত একনিষ্ঠা প্ৰকৃততে এক অন্তহীন বিশ্বাসঘাতকতা। প্ৰেমৰ একনিষ্ঠা সম্ভৱ তেতিয়া, যেতিয়া প্ৰেমক আত্মমৰ্যাদাৰ এটা চিন হিচাপে ধৰি লোৱা হয়।

লা ৰোশফুকোৰ দৰে মই ইমান নিৰ্দয় নহয়; তেওঁৰ সৈতে সম্পূৰ্ণৰূপে মই একমতও নহয়। সেয়েহে মোৰ সেই উপন্যাসৰ নায়ক-নায়িকাৰ ৰোমাণ্টিক প্ৰেমৰ প্ৰতি অৱজ্ঞা অথবা অসন্মান প্ৰকাশ কৰাৰ স্পৰ্দ্ধা মোৰ নাই (যদিহে উপন্যাসখনত অনিচ্ছা সত্বেও তেনে মনোভাৱ প্ৰকাশ পাইছে, তেনেহ'লে সেয়া মোৰ বিশ্লেষণ শক্তি আৰু প্ৰকাশভংগীৰ দুৰ্বলতা)। তথাপি লা ৰোশফুকোৰ মাক্সিমবোৰেই, ভুল বা শুদ্ধ কৰিয়েই হওঁক বিফল প্ৰেমৰ স্বীকাৰ হোৱা (বিৰহক বিদ্ৰূপ কৰিবলৈ মই অস্বীকাৰ কৰো) মোৰ বন্ধু-বান্ধৱীৰ প্ৰেমক এক নতুন আলোকেৰে চাবলৈ মোক উৎসাহিত কৰিলে।

ৰোশফুকোৰ মাক্সিমৰ আলম লৈ উপন্যাসখন লিখি গৈ থাকোতে মই অৱশেষত প্ৰেম সম্পৰ্কত এনেকুৱা এটা সিদ্ধান্তত উপনীত হ'লো—প্ৰেম সদায়ে এটা স্থিৰ বস্তুৰ

নহয় ; বৰঞ্চ আধ্যাত্মিকতাৰ সৈতে তুলনীয় ই এটা যাত্ৰা। প্ৰকৃত প্ৰেমে মানুহৰ আত্মাক এনেকুৱা এক পবিত্ৰতা প্ৰদান কৰে যে মানুহ ৰূপান্তৰিত হয় ঈশ্বৰলৈ। সেয়েহে প্ৰকৃত প্ৰেমিক-প্ৰেমিকা ঈশ্বৰ-সদৃশ আৰু প্ৰেম প্ৰকৃততে এক প্ৰাৰ্থনা, যি প্ৰতিটো মুহূৰ্ত্তে সন্ধান কৰে প্ৰেমিক-ঈশ্বৰৰ। প্ৰকৃত ঈশ্বৰ-সদৃশ প্ৰেমাস্পদৰ সৈতে যেতিয়ালৈকে মিলন নহয় তেতিয়ালৈকে নিৰবিচ্ছিন্নভাৱে চলে প্ৰেমিকৰ সন্ধান। প্ৰেম বুলি ভাবি লোৱা সকলো প্ৰেমেই প্ৰকৃততে প্ৰেম নহয়। ঈশ্বৰ-সদৃশ প্ৰেমাস্পদ অভিমুখী যাত্ৰাপথত কোনোবাই হয়তো ঈশ্বৰ ৰূপ ধৰি আমন্ত্ৰণ জনায়, ক্ষন্তেকৰ বাবে তেওঁ থমকি ৰয়, নিজৰ ভুলৰ বাবে আঘাত আহে, তাৰ পিছত পুনৰায় আৰম্ভ হয় ঈশ্বৰ অভিমুখী যাত্ৰা। যি প্ৰেমে প্ৰেমিকৰ আত্মাক ঈশ্বৰলৈ ৰূপান্তৰিত কৰিব নোৱাৰে, সেই প্ৰেম প্ৰকৃততে প্ৰেম নহয়। কিন্তু কিমানজনে প্ৰকৃততে সেই প্ৰেমৰ স্পৰ্শ পায়। বেছিভাগেই আধা ৰাস্তাতেই ভুল প্ৰেমিকৰ ওচৰত নিজৰ আত্মমৰ্যাদা বচাই ৰাখিবৰ বাবেই বন্দী হৈ ৰয়। তেওঁলোকে ভুলকৈ ভাবি লয় যে প্ৰেমতকৈ তেওঁলোকৰ আত্মমৰ্যাদা ঊৰ্দ্ধত। সঠিক সময়ত সঠিক উপলব্ধিৰ অভাৱতে এনেকুৱা প্ৰেমৰ এদিন মোহভঙ্গ হয় আৰু তাৰ পৰিণতি হয় যন্ত্ৰণা।

যিসকলৰ জীৱনলৈ তেওঁলোকৰ অসফল প্ৰেমে অন্তহীন বিষণ্ণতা আৰু সীমাহীন হতাশা কঢ়িয়াই অনা যেন অনুভৱ হৈছে, তেওঁলোকে এই অনুভৱৰ আলোকত তেওঁলোকৰ প্ৰেমৰ বিফলতা বিশ্লেষণ কৰি চালে আশাৰ ৰেঙনি দেখা পাব পাৰে। অসফল প্ৰেমৰ প্ৰতিটো ঘটনাই প্ৰকৃততে মানুহক প্ৰকৃত প্ৰেম অভিমুখে এখোজ আগবঢ়াই লৈ যায়। সেয়েহে অসফল প্ৰেমক বিষাদ আৰু যন্ত্ৰণাৰ স্মৃতিৰ ৰূপত বুকুৰ ভিতৰত লালন-পালন কৰাতকৈ তাৰ প্ৰতি নিবেদন কৰক আপোনাৰ আন্তৰিক কৃতজ্ঞতা। সেই অসফলতাই আপোনাক প্ৰকৃত প্ৰেম কি তাক বুজিবলৈ শিকালে। সেই প্ৰেমক অসফল বুলি অভিহিত নকৰিব : তাৰ বিপৰীতে কওঁক প্ৰেমত বিফল হোৱাটোও প্ৰকৃততে প্ৰকৃত প্ৰেমীৰ বাবে এক প্ৰকাৰ সফলতা।

উৎসাহী প্ৰেমিকৰ বাবে এই সুযোগতে দা বোশ্বুকোৰ প্ৰেম সম্বন্ধীয় কেইটিমান মাক্সিমৰ উদাহৰণ দিয়াৰ লোভ সামৰিব নোৱাৰিলো।

১। প্ৰেমৰ সংজ্ঞা দিয়া কঠিন। মাথোন ইমানেই ক'ব পাৰি যে প্ৰেম হ'ল হৃদয়ৰ একচ্ছত্ৰ ৰাজত্বৰ ইচ্ছা, মনৰ সহমৰ্মিতা আৰু শৰীৰৰ অনেক ৰহস্য অতিক্ৰম কৰি প্ৰিয়জনক দখল কৰাৰ গোপন আৰু সূক্ষ্ম আকাংক্ষা।

২। এনেকুৱা কোনো ছদ্মবেশ নাই, যাৰ দ্বাৰা প্ৰকৃত প্ৰেম অথবা প্ৰেমৰ অভিনয়ক বেছি সময় লুকুৱাই ৰাখিব পৰা যায়।

৩। এনেকুৱা এজনী হোৱালী পোৱাটো কঠিন নহয়, যাৰ কোনো প্ৰেমিক

নাই ; কিন্তু এনেকুৱা এজনী ছোৱালী বিচাৰি পোৱা কঠিন যাৰ মাত্ৰ এজনেই প্ৰেমিক।

৪। প্ৰেমৰ সৈতে ভূতৰ খুব মিল আছে। সকলোৱে এই দুটাৰ কথা কয়, কিন্তু প্ৰায়ে কোনোৱে দেখা নাই।

৫। আইনৰ মুখত প্ৰেমৰ কথা শুনিলে বেছিভাগ লোকেই কোনোদিনে প্ৰেমত নপৰিলেহেঁতেন।

৬। প্ৰেমিক-প্ৰেমিকাই কেতিয়াও পৰস্পৰৰ সম্পৰ্কত কলান্ত নহয়, কাৰণ তেওঁলোকে অনৰ্গল নিজৰ কথা কোৱাৰ সুযোগ পায়।

৭। প্ৰেমিকসুলভ আচৰণৰ মাজত যিটো বস্তুৰ আটাইতকৈ অভাৱ সেয়া হ'ল প্ৰেম।

৮। প্ৰেমৰোগ আঁতৰোৱাৰ বহুতো ঔষধ আছে, কিন্তু কোনোটোৱেই অব্যৰ্থ নহয়।

এইখিনিতে এইটোকে লিপিবদ্ধ কৰি থোৱাটো উচিত হ'ব যে ওপৰৰ উক্তিৰ প্ৰত্যেকটোৰ সৈতে মই একমত নহয়।

# প্ৰতিভা আৰু সৰ্ববিদ্যা বিশাৰদ

॥ ১ ॥

অসমত সমুদ্ৰ নাই। সেয়েহে সাগৰ নেদেখা অসমৰ মানুহৰ বাবে নীলসাগৰত ওপঙি থকা জাহাজ এক প্ৰকাৰৰ আকৰ্ষণ স্বৰূপ। চাবলগীয়া বস্তু। কলিকতাত প্ৰথমবাৰৰ বাবে ফুৰিবলৈ যোৱা অসমৰ মানুহে সেয়েহে বটানিকেল গাৰ্ডেন, ভিক্টোৰিয়া মেমোৰিয়েল হ'ল, চিৰিয়াখানাৰ লগতে সময় আৰু সুবিধা হ'লে এবাৰ ডায়মণ্ড হাৰবাৰলৈ গৈ দূৰৈৰ পৰাই ভাসমান জাহাজ চাই আহে।

আমিও এবাৰ এখন জাহাজ চাবলৈ গৈছিলোঁ। বন্দৰৰ পৰা কিছু আঁতৰত বিভিন্ন দেশৰ সৰু-বৰ অনেক জাহাজ ওপঙি আছিল। তাৰ ভিতৰৰে এমেৰিকান জাহাজ এখনে আমাক বিশেষভাৱে আকৰ্ষণ কৰিছিল, হয়তো তাৰ বিশাল শৰীৰ আৰু চকুত লগা জাকজমকৰ বাবে। তেতিয়ালৈকে আমাৰ ধাৰণা নাছিল যে কেবামহলীয়া ঘৰৰ দৰে জাহাজতো কেবাটাও মহলা থাকিব পাৰে। বোম্বাইৰ আকাশচুম্বী অট্টালিকাৰ দৰে নহ'লেও দূৰৈৰ পৰা জাহাজখন নীলহ্ৰদৰ মাজত নিৰ্মিত এটা তিনি-চাৰিমহলীয়া, সুবিশাল ৰাজভৱন যেন লাগিছিল।

জাহাজৰ ভিতৰত সোমাই আচৰিত হৈ এটা কথা আৱিষ্কাৰ কৰিছিলোঁ—এটা মহলাৰ পৰা আন এটা মহলালৈ যাবৰ বাবে চিৰিৰ সলনি যান্ত্ৰিক লিফ্‌ট আছে। প্ৰায় চাৰে ছফুট দীঘল ৰঙচুৱা দৈত্যকায় এমেৰিকান চাহাব এজন বহি আছিল সৰু টুল এখনত। লিফ্‌ট মেন। আমি একেবাৰে ওপৰ মহলালৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰাত লিফ্‌টৰ দুৱাৰ খুলি দিছিল। এটা প্ৰায় নিঃছিদ্ৰ বন্ধ বাকচৰ দৰে, লিফ্‌টৰ ভিতৰত আমি সোমাই পৰিছিলোঁ। লিফ্‌টমেন জনে বুটাম এটা টিপি দিয়াৰ লগে লগে প্ৰায় শব্দহীন মৃদু শব্দেৰে লিফ্‌টৰ দুৱাৰখন বন্ধ হৈ গৈছিল আৰু সোঁ সোঁ শব্দ কৰি লিফ্‌ট ওপৰলৈ উঠিবলৈ আৰম্ভ কৰিছিল। বন্ধ বাকচৰ ভিতৰত আমি, সৰু কাঁচ এটুকুৰাৰে বাহিৰলৈ চাই আমি মাথো অনুমান কৰিব পাৰিছিলোঁ লিফ্‌টৰ ঊৰ্দ্ধমুখী গতি।

……বিদ্যুত পৰিবহনৰ বিভূতিৰ বাবে এবাৰ কলিকতা নে ক'ত কিমান জনাৰ ঘৰৰ লিফ্‌ট মাজ বাটতে বন্ধ হৈ গৈছিল, ভিতৰত এগৰাকী নাৰী আৰু এজন পুৰুষ; মুহূৰ্তৰ সেই সুযোগতে যান্ত্ৰিক বিভূতি সৃষ্ট ক্ষণিকৰ নিৰাপদ, বন্ধ পৰিৱেশতে অকস্মাতে পুৰুষজনৰ মাজত সাৰ পাই উঠিছিল এক আদিম, হিংস্ৰ পশু…।

······আৰু কোনোবা এখন ইংৰাজী চিনেমাত বহুদিন আগতে দেখা মনত পৰে বন্ধ হৈ যোৱা লিফ্‌টৰ ভিতৰত এজন যুৱকে হঠাতে ট্ৰাউজাৰৰ ভিতৰত লুকুৱাই ৰখা বিভলভাৰ উলিয়াই······

সোঁ সোঁ শব্দৰে আহাজৰ ভিতৰৰ লিফ্‌ট ওপৰলৈ উঠিছিল আৰু মোৰ মগজুত প্ৰশ্ন হৈছিল—হঠাতে যদি কিবা যান্ত্ৰিক বিভ্ৰুতিৰ বাবে এই লিফ্‌ট মাজপথতে বন্ধ হৈ যায়, অথবা ওপৰ মহলাত গৈ যদি লিফ্‌টৰ গতি বন্ধ নহয়, তেনেহ'লে আমাৰ কি হ'ব। নিৰ্বিকাৰ সেই এমেৰিকান লিফ্‌টমেন জনক প্ৰশ্ন কৰিছিলোঁ—এই লিফ্‌ট যদি হঠাতে বন্ধ হৈ যায়, আপুনি কি কৰিব ?

এক মুহূৰ্তৰ বাবেও চিন্তা নকৰাকৈ আত্মবিশ্বাসেৰে এমেৰিকানজনে এটা বুটামলৈ আঙুলিয়াই দি কৈছিল—এইটো টিপি দিম ?

—মানে ?

—এইটো বুটামৰ মানে হ'ল 'কল' ( Call )। বুটাম টিপি দিয়াৰ লগে লগে ইঞ্জিনিয়াৰ দৌৰি আহিব। তেওঁৰ কাম হ'ল লিফ্‌ট ঠিক কৰা। মোৰ কাম লিফ্‌ট চলোৱাহে ; ঠিক কৰা নহয়। সেই বুটাম টিপিব লগা হোৱা নাছিল। লিফ্‌ট আহি স্বয়ংক্ৰিয়ভাৱে ওপৰৰ মহলাত বৈ গৈছিল। শব্দহীন দুৱাৰ খুলি আমি বাহিৰলৈ ওলাই আহিছিলোঁ। লিফ্‌টমেন জনে যান্ত্ৰিক বুটাম টিপি লিফ্‌টেৰে তললৈ নামি গৈছিল। লিফ্‌ট চলোৱাই তেওঁৰ কাম।

॥ ২ ॥

বহুবছৰ আগৰ এই সৰু অভিজ্ঞতাটোকে এক ভিন্ন দৃষ্টি ভংগীৰে বিশ্লেষণ কৰাৰ পিছত আৱিষ্কাৰ কৰিছিলোঁ কিদৰে উন্নতিশীল দেশসমূহৰ শিক্ষাব্যৱস্থা তথা Professionalism-ৰ মানসিকতা Specialisation-ৰ চূড়ান্ত সীমাত উপনীত হৈছেহি। লিফ্‌টমেনজনৰ জ্ঞানৰ ক্ষুদ্ৰ পৰিসৰৰ বাবে এই মানসিকতাক আপাতদৃষ্টিত ঠেক আৰু বিপদজনক যেন অনুভৱ হ'লেও এটা কথা স্বীকাৰ কৰাৰ সময় হৈছে যে এই এটা Specialisation-ৰ যুগ। একোটা সাধাৰণ বিষয়ৰ ওপৰতে ইমান গভীৰ আৰু সূক্ষ্ম পৰ্য্যবেক্ষণ আৰম্ভ হৈছে, প্ৰতিটো মুহূৰ্ততে কত ৰহস্য কত তথ্য উদ্‌ঘাটন হৈছে যে Specialisation অবিহনে কোনো বিষয়ৰ ওপৰতে শুদ্ধ আৰু বিশ্বাসযোগ্য মন্তব্য সম্ভৱ নহয়। মানুহৰ মেধা আৰু নিৰবিচ্ছিন্ন অন্বেষাই জ্ঞান আৰু বিজ্ঞানৰ এনে প্ৰচণ্ড বিস্ফোৰণ ঘটাইছে যে প্ৰতিটো বিষয় বস্তু, তাৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ অণু-পৰমাণু খণ্ড-বিখণ্ড হৈ উন্মোচিত হৈছে নিতে নব জ্ঞানৰ আলোকেৰে। জ্ঞান অৰ্জনৰ কোনো চুটি পথ নাই। মানুহৰ প্ৰতিভা সীমাহীন হৈও সীমিত। জ্ঞান সহজলভ্য আৰু তাৰ

অন্বেষণৰ গতি দিনে দিনে দ্ৰুতৰ পৰা দ্ৰুততৰ হোৱাৰ পিছতো প্ৰতিজন কৌতুহলী প্ৰতিভাৱান ব্যক্তিয়েই এটা কথা অনুভৱ কৰিবলৈ বাধ্য হৈছে যে এজন মানুহৰ সুদীৰ্ঘ জীৱনো কেতিয়াবা এটা বিষয় তন্ন তন্নকৈ জানি, তাৰ সকলো তথ্য, ৰহস্য উন্মোচন কৰিবলৈ যথেষ্ট নহয়। জ্ঞানী আৰু শিক্ষিত বুলি পৰিচয় দিব খোজা প্ৰতিজন ব্যক্তিৰ বাবেই জীৱন এতিয়া কোনো এক বিশেষ বিষয়কেন্দ্ৰিক গৱেষণা স্বৰূপ। কোনো এটা বিষয়ৰ ওপৰত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লোৱাৰ বাবে হেনো এতিয়া সময় সীমা বান্ধি দিয়া হৈছে। এনে অদ্ভুত নিৰ্দেশেৰে হয়তো ডজনে ডজনে ডক্টৰেট ডিগ্ৰীধাৰী অনেক লোক বিশ্ববিদ্যালয় নামৰ মেচিন এটাৰ সহায়ত নিৰ্মাণ কৰিব পৰা যাব, কিন্তু প্ৰকৃত শিক্ষা আৰু জ্ঞান অৰ্জনৰ ক্ষেত্ৰত এওঁলোকৰ অৱদান হ'ব নিচেই নগণ্য। ডক্টৰেট ডিগ্ৰীৰ লগত জড়িত কিঞ্চিৎ সন্মানবোধৰ বাবেও এই সময়-সীমা নিতান্তই দুৰ্ভাৰ্গ্য আৰু অপমানজনক।

কিছুদিন আগতে গুৱাহাটী বিশ্ববিদ্যালয়ত গৱেষণা কৰি থকা এজন নবীন অধ্যাপকে আক্ষেপ কৰি কৈছিল যে যিকোনো বিষয় এটাৰ বিষয়ে সবিশেষ জানিবৰ বাবে আধুনিকতম তথ্য পাতিৰ খবৰ লবৰ বাবে, অসমত এনে এজন মানুহ নাই, যাৰ ওচৰলৈ আস্থা আৰু বিশ্বাসেৰে যাব পাৰি। সকলো বিষয়ৰ ওপৰত জনাই-নজনাই গুৰু-গম্ভীৰ মন্তব্য দিয়া লোকৰ অভাৱ অসমত নাই; কিন্তু মন্তব্যৰ অন্তৰালত কোনো গভীৰ অধ্যয়ন অথবা পৰ্যবেক্ষণ নাই। বিশ্বৰ বিভিন্ন প্ৰান্তৰত অহৰহ চলি থকা গৱেষণা, তথ্য উদ্ঘাটনৰ লগত তেওঁলোকৰ কোনো পৰিচয় নাই; পৰিচয়ৰ বাবে কোনো তাগিদা নাই। দৈনিক বাতৰিৰ হেডলাইন পঢ়ি জ্ঞানী-পণ্ডিত বুলি সহজতে বাজিমাৎ কৰাতেই সকলো ব্যস্ত। জ্ঞান আহৰণৰ বাবেই যি গভীৰ অধ্যয়ন, অনুসন্ধিৎসা, ত্যাগ অথবা মেধাৰ প্ৰয়োজন আনকি বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ মাজতো তাৰ প্ৰচণ্ড দৈন্য। কোনো এটা বিষয়ৰ ওপৰত হাততে পোৱা এখন বা দুখন কিতাপ পঢ়িয়েই বিদ্যা অৰ্জনৰ শেষ সীমাত উপনীত হোৱা অথবা নিজকে সৰ্বজান্তা বুলি ভাবিবলৈ আৰম্ভ কৰা পণ্ডিতৰ সংখ্যাই অসমত বেছি। শিক্ষাত সেয়েহে ইয়াত স্থবিৰতা; স্থবিত চৰ্বিত চৰ্বন আৰু সময় বন্ধ্যা। দুখেৰে হ'লেও এটা কথা স্বীকাৰ কৰিবই লাগিব যে বিজ্ঞান, সাহিত্য, শিল্প, অৰ্থনীতি কোনো এটা বিষয়তে অসমত নিৰ্ভৰযোগ্য বিশেষজ্ঞ নাই বুলিয়েই কব পাৰি। আনকি চিকিৎসা বিজ্ঞানত বিশেষজ্ঞ বুলি দাবী কৰিব খোজা চিকিৎসাবিদ সকলৰ বিশেষজ্ঞৰ ডিগ্ৰী হয়তো আছে, কিন্তু বেছিভাগৰেই জ্ঞানৰ ভেটি যেন থৰক বৰক। সেয়েহে আঙুলিৰ বিষৰ বাবেও অসমৰ ৰোগীয়ে ভেলোৰলৈ যাবলৈহে বেছি ভাল পায়। অসমৰ বিশেষজ্ঞৰ ওপৰত বিশ্বাস নাই। এটা কথা অন্ততঃ পৰিষ্কাৰভাৱে আমি বুজা উচিত যে বিশ্ববিদ্যালয়ৰ ডিগ্ৰী



সাহিত্য—৬

এটা লাভ কৰাৰ পিছতেই যিখন দেশত অন্বেষাৰ সমাপ্তি হয়, সেইখন দেশত কেতিয়াও প্ৰকৃত শিক্ষিত লোকৰ সৃষ্টি সম্ভৱ নহয়।

সাধাৰণভাৱে সুখ আৰু আৰামৰ জীৱন এটাৰ বাবে যিকোনো এটা বিষয়ৰ ওপৰত নিৰবিচ্ছিন্ন সাধনাৰ প্ৰয়োজন নাই ; বৰঞ্চ এই সাধনা বহু সময়ত সাধাৰণ মানুহৰ জীৱনত সুখৰহে অন্তৰায়। কিন্তু এজন প্ৰতিভাৱান অথবা পৃথিৱীৰ প্ৰতি সচেতন মানুহৰ জীৱনৰ লক্ষ্য সুখ আৰু আৰামেই হোৱাটো উচিত নহয়। এজন প্ৰতিভাৱান ব্যক্তিয়ে জীৱনত আটাইতকৈ গভীৰ আৰু বিনীতভাৱে বিশ্বাস কৰিবলগীয়া সত্যটো হ'ল—তেওঁৰ যদি কিবা প্ৰতিভা আছে, তেনেহলে সেই প্ৰতিভা তেওঁৰ অকল ব্যক্তি-গত সম্পদ নহয়, ই সমগ্ৰ মানৱ জাতিৰ সম্পদৰেই এটা ক্ষুদ্ৰ অংশ মাথোন। প্ৰতি-ভাৱান হোৱা হেতুকেই তেওঁৰ ওপৰত সমগ্ৰ মানৱজাতিৰ দাবী আৰু অধিকাৰ আছে।

অকল প্ৰতিভাই চকুত চমক লগাব পাৰে কিন্তু তাৰদ্বাৰা পৃথিৱীৰ কাৰো একো উপকাৰ নহয়, যদিহে কঠোৰ পৰিশ্ৰম আৰু অনলস সাধনাৰে তাক পৃথিৱীৰ উপকাৰৰ বাবে প্ৰয়োগ কৰা নহয়। যিকোনো প্ৰতিভাৰে সদব্যৱহাৰ হয় তেতিয়া যেতিয়া কোনো এটা বিশেষ লক্ষ্য সন্মুখত ৰাখি গভীৰ নিষ্ঠাৰে ইয়াক কামত খটুওৱা হ'ব। বিজ্ঞানৰ ক্ষেত্ৰত এই কথা যিদৰে সত্য, একেদৰে সত্য সাহিত্য-শিল্প সৃষ্টিৰ ক্ষেত্ৰতো। যিসকল লোকে কোনো এটা বিষয়ৰ প্ৰতি তীব্ৰ তাগিদা অনুভৱ কৰে অথবা যিসকলৰ সহজাত প্ৰতিভা আছে, অন্ততঃ তেওঁলোকৰ জ্ঞান-বিস্ফোৰণৰ এই যুগত উচিত হব কোনো এটা বিষয়ৰ ওপৰত মনোনিবেশ কৰি সম্পূৰ্ণৰূপে আত্মনিয়োগ কৰাটো ; তাৰ বাবে যদি পৃথিৱীৰ বহু কথা তেওঁৰ বাবে অজানা হৈ বৈ যায়, তাৰ বাবে আক্ষেপৰ প্ৰয়োজন নাই। আজমুছ চালামে, সুনীল গাভাস্কাৰে কিমান চেঞ্চুৰী মাৰিলে সেই তথ্য আপ-টু-ডেট ৰখাৰ প্ৰয়োজন নাই, সেইদৰে সুনালেও হৰগোবিন্দ খোৰানাই কি বিষয়ত নোবেল প্ৰাইজ পাইছিল, সেই বিষয়ে নাজানিলেও হীনমন্যতাত ভোগাৰ কোনো কাৰণ নাই। যিজন মানুহে কোনো এটা বিষয়ত জ্ঞানৰ উচ্চতম শিখৰত উপনীত হোৱাৰ বাবে প্ৰতিজ্ঞাবদ্ধ, তেওঁৰ আৰু বহু বিষয়ত অজ্ঞ হৈ থকাৰ অধিকাৰ আছে। পৃথিৱীৰ সকলো বিষয়তে জ্ঞান-অৰ্জন তথা পাৰ্গত হোৱাৰ প্ৰচেষ্টা আপাত-দৃষ্টিত প্ৰশংসনীয় হ'লেও এই প্ৰচেষ্টা প্ৰতিভাৰ প্ৰকৃত বিকাশ সাধনৰ অন্তৰায় স্বৰূপ। ইয়াৰদ্বাৰা সৰ্ববিত্তা বিশাৰদ বুলি কেইদিনমানৰ বাবে ছেলছ মেন সুলভ ভবাং বিত্তা জাহিৰ কৰিব পৰা যায়, কিন্তু অলপ গভীৰভাৱে কোনোবাই বিচাৰ কৰি চালেই এনেকুৱা মানুহৰ জ্ঞানৰ বৰ্মৰ ভিতৰত আবিষ্কৃত হয় অল্পবিত্তা ধাৰী আচল মানুহজন।

। ৩ ।

এটা বিষয়ৰ ওপৰত প্ৰতিভা থকাৰ বাবেই এজন মানুহে পৃথিৱীৰ যিকোনো বিষয়ৰ ওপৰত মন্তব্য প্ৰদানৰ অধিকাৰ অৰ্জন নকৰে। প্ৰচণ্ড প্ৰতিভাশালী এজন কবিৰ নাটক বা উপন্যাসৰ ওপৰত কোনো জ্ঞান নাথাকিবও পাৰে। তাত আচৰিত হ'বলগীয়া বা আক্ষেপ কৰিবলগীয়া একো নাই। হীৰুদাৰ কবিতা প্ৰতিভাৰ দীপ্তিৰে সমুজ্জল, কিন্তু আৰু বহু বিষয়বস্তু হীৰুদাই প্ৰকাশ কৰা মন্তব্য যিকোনো এজন সাধাৰণ মানুহৰ মন্তব্যতকৈ উৰ্দ্ধত নহয়। কবিতাৰ বিষয়ে নৱকান্ত বৰুৱাই বিভিন্ন লিখনি, সাক্ষাৎকাৰত নিজস্ব মতামত বিশ্বাসেৰে দাঙি ধৰিছে, কিন্তু অনেক বিষয়ৰ ওপৰত প্ৰশ্নৰ সন্মুখীন হোৱা স্বত্বেও বহুত সাক্ষাৎকাৰত তেওঁ ভবাং মন্তব্য দিয়াৰ পৰা নিজকে বিৰত ৰাখি ঈৰ্ষণীয় আত্মসংযমৰ পৰিচয় দিছে। এনে সংযমক আমি স্বাগতম জনাওঁ।

বহুবছৰ আগতে হিলাৰে বেলক নামৰ বিদেশী লিখক এজনে তেওঁৰ প্ৰবীণ বয়সত নবীন লিখক সকলৰ উদ্দেশ্যে এইদৰে উপদেশ দিছিল—তোমাৰ বয়স যেতিয়া কুৰি বছৰ হয় তেতিয়া পছন্দ অনুযায়ী যিকোনো এটা বিষয় ভালদৰে জানিবলৈ চেষ্টা কৰা আৰু তাৰ ওপৰতেই লিখিবলৈ আৰম্ভ কৰা। ধৰি লোৱা, তুমি কেঁচুৰ বিষয়ে লিখিবলৈ আৰম্ভ কৰিছা, তেনেহলে একেৰাহে চল্লিছ বছৰ অকল কেঁচুৰ বিষয়েই লিখা। তোমাৰ যেতিয়া ষাঠি বছৰ হ'ব, তেতিয়া দেখিবা পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰা উৎসুক লোকে আহি তোমাৰ দুৱাৰত টুকুৰিয়াইছে, তেওঁলোকে এবাৰ মাত্ৰ চাব খুজিছে কেঁচুৰ বিষয়ে সকলো জ্ঞান থকা সেই কেঁচু বিশেষজ্ঞজনক।

যিকোনো বিষয়ৰ ওপৰতে আমাৰ এতিয়া এনে একনিষ্ঠ সাধনাত ব্ৰতী বিশেষজ্ঞৰ প্ৰয়োজন হৈছে।

# 'হোমেন বৰগোহাঞি—মুৰ্দাবাদ'

সম্ভৱ কবি আৰু সমালোচক শ্ৰীনলিনীধৰ ভট্টাচাৰ্যৰ কোনোবা এটা নিবন্ধত পঢ়িবলৈ পাইছিলো যে পশ্চিমৰ কৰবাত ইতিমধ্যে কোনোবাই সাহিত্যৰ মৃত্যু ঘোষণা কৰিছে। কথাষাৰ পঢ়ি বহু সময়লৈ মই স্তব্ধ হৈ বৈ গৈছিলো। সেই মুহূৰ্তত মোৰ আটাইতকৈ আপোন আৰু প্ৰিয় কাৰোবাৰ নিশ্চিত অকাল অৱসান ঘোষণা কৰিছে। মানুহৰ মৃত্যু অপ্ৰত্যাশিত অথবা নিৰ্মমভাৱে হৃদয়-বিদাৰক হ'ব পাৰে। কিন্তু আমাৰ আপোনৰো আপোন, দুচকুৰ মণি, যাৰ পৰা হয়তো এক মুহূৰ্তৰ বাবে আঁতৰি থকাটোও এই মুহূৰ্তত আমি কল্পনা কৰিব নোৱাৰো, তেৱেঁা যে এদিন নিশ্চিতভাৱে মৃত্যুক আঁকোৱালি ল'বলৈ বাধ্য হ'ব, সেই কথা মনৰ গভীৰত আমি প্ৰত্যেকেই ভালদৰে জানো। অগ্নিগৰ্ভা বৰ্তমান কালত মানুহৰ মৃত্যুৱে এনেকুৱা এক অভূতপূৰ্ব আকস্মিকতা আৰু নৃশংসতা লাভ কৰিছে যে আপোনজনৰ প্ৰতি-মুহূৰ্তৰ সম্ভাব্য মৃত্যুৰ কথা এৰিব আৰু ইচ্ছা কৰিলেও কোনোপধ্যেই পাহৰি থকাটো সম্ভৱ নহয়। মৃত্যুজয়ৰ বাবে মানুহে মগজুৰে যিমান দ্ৰুততাৰে বিভিন্ন কৌশল, দৰব-পাতি, যন্ত্ৰপাতি আৱিষ্কাৰ কৰিছে, প্ৰায় সম দ্ৰুততাৰে একেই মানুহৰ অধঃপতিত হৃদয়ে মগজুৰ লগ লাগি আৱিষ্কাৰ কৰিছে মানুহৰ মৃত্যুৰ চমকপ্ৰদ অভিনৱ, নৃশংস কৌশল। কিন্তু সাহিত্যৰ মৃত্যু? মই নাজানো, কি পৰ্যবেক্ষণ আৰু বিশ্লেষণৰ ওপৰত নিভৰ কৰি এনেকুৱা এটা ভয়ঙ্কৰ ঘোষণা কোনোবাই কৰিবলৈ সাহস কৰিছে; কিন্তু এনেকুৱা এটা ভৱিষ্যৎবাণীও যে কোনোবাই কেতিয়াবা কৰিব পাৰিব, সেই কথাষাৰেই মোৰ বাবে আছিল ইমানদিনে অকল্পনীয়। হয়তো সেয়া মোৰ কল্পনাশক্তিৰ সীমাবদ্ধতা অথবা সাহিত্যৰ প্ৰতি বাস্তৱবোধ বিবৰ্জিত প্ৰেমৰ ফল। নিজৰ প্ৰিয়জনৰ মৃত্যু-সংবাদ সদায়ে অবিশ্বাস্য আৰু অকল্পনীয়। সাহিত্য মোৰ প্ৰিয়জন।

সাহিত্যৰ মৃত্যু-সংবাদ শুনাৰ পিছৰ পৰাই বুকুৰ ভিতৰত এক ধৰণৰ হাহাকাৰ আৰু শূন্যতা অনুভৱ কৰিছো। মাজে মাজে এনেকুৱা এখন পৃথিৱীৰ কথাও কল্পনা কৰিবলৈ চেষ্টা কৰিছো, য'ত যিকোনো সাহিত্যৰ সৃষ্টিকে নিৰ্মমভাৱে ঘোষণা কৰা হৈছে নিষিদ্ধ বুলি। হাতত কলম লৈ যেতিয়াই কোনো এখন উপন্যাসৰ খচৰা তৈয়াৰ কৰাৰ প্ৰচেষ্টা চলাইছো, ঠিক সেই মুহূৰ্ততে দুঃস্বপ্নৰ দৰে ভয়ঙ্কৰ এটা দৃশ্য মোৰ দুচকুৰ সন্মুখত ভাহি উঠিছে—পৃথিৱীৰ সকলো সাহিত্যিককে ধৰি-বান্ধি আনি এখন বিশাল পথাৰত গোট খুৱোওৱা হৈছে; প্ৰথমতে বেছ উৎসাহেৰে সকলো কৰিবে

এফালৰ পৰা বুকু ফালি কলিজাবোৰ এটা এটাকৈ আজুৰি নিয়া হৈছে। তাৰ পিছত গল্পকাৰ আৰু ঔপন্যাসিকসকলৰ দুয়ো হাতেৰে গোটেইকেইটা আঙুলি চোকা অস্ত্ৰৰে কাটি গাঁত এটাত দম কৰি থোৱা হৈছে (অবান্তৰ বুলি নক'ব, ড° হীৰেন গোহাঁইৰ ওপৰত হোৱা প্ৰায় একেই অত্যাচাৰৰ কথা লজ্জাৰে নিশ্চয় প্ৰতিজন অসমপ্ৰেমীয়ে নিভৃতে কেতিয়াবা স্মৰণ কৰে!); তাৰ পিছতো যদি কোনোবাই আকোৰগোজৰ দৰে সাহিত্য সৃষ্টিৰ বাবে বায়না ধৰিছে, তেনেহ'লে সকলোৰে সন্মুখত ফাঁচি-কাঠৰ ওপৰত তেওঁক ওলোমাই দিয়া হৈছে। যিখন পৃথিৱীত প্ৰতিটো মুহূৰ্তত কোনো অপৰাধ নোহোৱাকৈ ক'ত শত মানুহে প্ৰাণ দি আছে, সেইখন পৃথিৱীৰ পৰা কেইজনমান কবি-সাহিত্যিক, শব্দৰ মহলা মাৰি সময় অপচয় কৰা এলাইবাদু লোক নাইকিয়া হৈ গ'লেই বা তাতনো পৃথিৱীৰ মানুহৰ কি লোকচান!

কিন্তু যিগৰাকী লোকে সাহিত্যৰ মৃত্যু ঘোষণা কৰিছে, তেওঁ নিশ্চয় শক্তি-প্ৰয়োগেৰে জোৰকৈ সাহিত্যৰ মৃত্যু সাধন কৰা হ'ব বুলি ভৱিষ্যৎবাণী কৰা নাই; কৰা হ'লে তাত হয়তো কিঞ্চিত আশাৰ ৰেঙণিও দেখিবলৈ পোৱা গ'লহেঁতেন। তেতিয়া অন্ততঃ এটা কথা নিশ্চিতভাৱে প্ৰতীয়মান হ'লহেঁতেন যে সাহিত্য আজিৰ এই যান্ত্ৰিক পৃথিৱীতো অপ্ৰাসঙ্গিক হৈ যোৱা নাই; বৰঞ্চ সাহিত্য হৈ পৰিছে জীৱনী শক্তিৰে আৰু বেছি ভৰপূৰ, তেজাল। সাহিত্য যদি নিজেই জীৱনী-শক্তি ৰহিত, নিৰ্জীৱ, নিস্তেজ হৈ পৰে, তেনেহ'লে তাৰ মৃত্যুৰ বাবে বেলেগে শক্তি প্ৰয়োগ কৰাৰ কোনো প্ৰয়োজন নাই। মৃত শৰীৰৰ ওপৰত গুলীচালনাৰ কোনো অৰ্থ নাই।

যদিওবা সাহিত্যৰ মৃত্যু ঘোষণা কৰা মূল বিদেশী প্ৰবন্ধটো পঢ়াৰ সৌভাগ্য বা দুৰ্ভাগ্য মোৰ এতিয়াও হোৱা নাই। তথাপি মই নিশ্চিত যে সাহিত্যৰ মৃত্যু নিশ্চয় এই কাৰণেই ঘোষিত হৈছে যে সাহিত্যক বৰ্তমানৰ এই পৃথিৱীত ভৰা হৈছে অপ্ৰাসঙ্গিক আৰু অপ্ৰয়োজনীয় বুলি। এটা কথা ঠিক যে এসময়ত যিবোৰ বস্তু হয়তো আমাৰ দৈনন্দিন জীৱনৰ বাবে অপৰিহাৰ্য আছিল বা অপৰিহাৰ্য বুলি আমাৰ অনুভৱ হৈছিল, তেনে বহুতো বস্তুৱে হয়তো প্ৰয়োজন নোহোৱাৰ বাবেই আজিৰ পৃথিৱীৰ পৰা নীৰৱে বিদায় মাগিবলৈ বাধ্য হৈ পৰিছে। তাৰ অভাৱ পূৰণ কৰিছে ভিন্ন কোনো আধুনিক আহিলাই। গল্প, উপন্যাস অথবা কবিতাও আজিৰ পৃথিৱীৰ ক্ৰুতগামী মানুহৰ বাবে তেনে এক obsolete সামগ্ৰীলৈ ৰূপান্তৰিত হোৱাৰ উপক্ৰম হৈছে নেকি যাৰ বাবে নিতান্ত স্বাভাৱিকতাৰে ঘোষণা কৰাৰ প্ৰয়োজন হৈ পৰিছে সাহিত্যৰ মৃত্যু? সাহিত্যৰ মৃত্যু সংবাদে যদিওবা প্ৰথমতে মোক সম্পূৰ্ণৰূপে স্তব্ধ আৰু হতাশ কৰি দিছিল, তাৰ পিছত কিন্তু মই ভাবিবলৈ আৰম্ভ কৰিলো—যদিহে সাহিত্যৰ সঁচাকৈয়ে মৃত্যু হয়, পৃথিৱীত যদি আৰু কেতিয়াও গল্প, উপন্যাস, কবিতা ৰচনা নহয়, তেনেহ'লে

এই পৃথিৱীতনো এনে কি অঘটন ঘটাৰ সম্ভাৱনা আছে, যাৰ বাবে আমি যিকোনো প্ৰকাৰে সাহিত্যক জীয়াই ৰাখিবই লাগিব ? আৰু যদি উল্লেখযোগ্য তেনে কোনো অঘটনেই নঘটে ; গল্প, উপন্যাস কবিতা নপঢ়াকৈও যদি পৃথিৱীৰ মানুহে বেছ দপদপাই জীয়াই থাকিব পাৰে, তেনেহ'লে সাহিত্যৰ মৃত্যু হ'লেওনো তাত দুখ কৰিবলগীয়া কি আছে ! পৰিচিত প্ৰিয়জনৰ মৃত্যু যদি সময়ে সহনীয় কৰি দিয়ে, তেনেহ'লে সময়ে অচল (?) কৰি দিয়া সাহিত্যৰ মৃত্যু সহ্য কৰিব নোৱাৰাৰতো কোনো কাৰণ নাই !

যিসকল মানুহে এতিয়াও লিখিত শব্দৰ সৈতে সম্বন্ধ স্থাপন কৰাৰ যোগ্যতা অৰ্জন কৰা নাই, সেই সকল নিৰক্ষৰ লোকৰ কথা সন্তহতে মই বাদ দিছো। কিন্তু শিক্ষিত লোকৰ মাজতেই মই এনেকুৱা অসংখ্য লোকৰ মুখামুখি হৈছো, যাৰ ওচৰত গল্প, উপন্যাস, কবিতা বা সাহিত্যৰ যিকোনো কিতাপৰ কোনো অস্তিত্ব নাই। লিখাৰ কথা বাদেই দিছো, আনকি তেনে এখন কিতাপ পঢ়ি সময় খৰচ কৰাটোও তেওঁলোকে ব্যস্ত এই পৃথিৱীত গণ্য কৰে সময়ৰ এক অক্ষমনীয় অপচয় বুলি। মই নিজে সাহিত্যৰ সৈতে কোনো সম্বন্ধ নৰখাকৈ দিনৰ পিছত দিন পাৰ কৰি দিয়াটো মোৰ বাবে অকল্পনীয় আৰু অসম্ভৱ বুলি গণ্য কৰো, কিন্তু লিখা-পঢ়া জনা সকলো মানুহৰেই সাহিত্য সম্পৰ্কত ধাৰণা ঠিক মোৰ দৰেই হ'ব লাগিব বুলি আশা অথবা দাবী কৰাটো মোৰ নিশ্চয় উচিত নহ'ব। মোৰ পৰিচিত বৃত্তৰ মাজতে এনেকুৱা বহুতো বন্ধু আছে, যাৰ বাবে গল্প, উপন্যাস, কবিতাৰ কোনো অৰ্থ নাই। হয়তো বহুতে এনেদৰেও ভাৱে যে সাহিত্য হ'ল সমকালৰ দ্ৰুত ছন্দৰ লগত তাল মিলাব নোৱাৰা কিছু এলেহুৱা লোকৰ অনাৱশ্যক কোলাহল !

এইখিনিতে একে উশাহতে স্বীকাৰ কৰাটো উচিত হ'ব যে সাহিত্যৰ সৈতে প্ৰত্যক্ষ সম্বন্ধ নোহোৱা সত্বেও তেওঁলোকৰ জীৱনৰ যাৱতীয় বিলাস আৰু ভোগৰ সামগ্ৰী আমদানি কৰাৰ সক্ষমতাই তেওঁলোকৰ জীৱন কৰি ৰাখিছে মছগুল। বহুতে ক'ব খোজে যে মানুহৰ মানসিক ক্ষুধা নিবাৰণৰ বাবে সাহিত্যৰ প্ৰয়োজন। তৃষ্ণাৰ্তৰ তৃষ্ণা নিবাৰণৰ বাবে পানীৰ প্ৰয়োজন। কিন্তু যিসকললোকে সাহিত্যই নিবাৰণ কৰিব পৰা কোনো মানসিক ক্ষুধা অনুভৱ নকৰে, তেওঁলোকৰ সন্মুখত সাহিত্যৰ বিবিধ উপচাৰ অকৃপণভাৱে মেলি ধৰিলেও তেওঁলোকে গ্ৰহণ কৰিব কিয় ? যিয়ে জীৱনত সাহিত্যৰ বাবে কোনো অভাৱ অথবা শূন্যতা অনুভৱ কৰা নাই, যাৰ জীৱনৰ সকলো শূন্যতা পূৰাই ৰাখিছে পাৰ্থিৱ বিলাসবৈভৱে, তেওঁলোকৰনো কি দৰ্কাৰ গল্প, উপন্যাস অথবা কবিতাৰ ! গল্প, উপন্যাস, কবিতাৰ অনিবাৰ্যতা স্তু মাৰি উৰুৱাই দি তেওঁলোকেতো ক'বই পাৰে যে হাতত কলম থকাৰ বাবেই লেখকসকলে নিজৰ 'desire to be recognised' চৰিতাৰ্থ কৰিবৰ

বাবে নিজে নিজেই গল্প, উপন্যাস, কবিতাৰ ওপৰত আৰোপ কৰিছে অৰ্থহীন মূল্য! ছেক্সপীয়েৰ, টলষ্টয়, ৰবীন্দ্ৰনাথৰ কথা বাদেই দিছো, এনেকুৱা কোনো অসমীয়া শিক্ষিত লোকে যদি হোমেন বৰগোহাঞি, ভবেন শইকীয়া, হীৰেন ভট্টাচাৰ্যৰ নাম শুনা বুলি কয়, তেনেহ'লে তাত আচৰিত হ'ব লগীয়া কি আছে অথবা নিজে জনা বাবেই নিজে অজ্ঞ জনতাক কিছু ওপৰত বুলি আত্মপ্ৰকাশ লাভ কৰাবেই জানো কিবা যুক্তি আছে।

বিভিন্ন সময়ত মই অসমতে এনে বহুতো শিক্ষিত অসমীয়া, বৰ্তমানৰ মানদণ্ডৰে যথেষ্ট সফল ব্যক্তি লগ পাইছো, যাৰ সাহিত্যৰ লগত কোনো সম্পৰ্ক নাই, ভবেন শইকীয়া, হোমেন বৰগোহাঞিৰ নাম সঁচাকৈ তেওঁলোকে শুনা নাই আৰু তাৰবাবে তেওঁলোকৰ সামান্যতম আপ্‌চোচ অথবা অপৰাধবোধো নাই। অৱশ্যে এইখিনিতে এই কথাটোও কৈ থোৱা উচিত হ'ব যে জীৱনৰ সহজ সাফল্যই বেছিভাগ মানুহকে নিজৰ অজ্ঞতা আৰু মূৰ্খামিকো অৱজ্ঞা কৰিবলৈ উদ্‌গনি যোগায়। শক্তি, সাফল্য আৰু অৰ্থ—এনে কিছু আশ্চৰ্যকৰ বস্তু, যাৰ বাবে মানুহে নিজৰ চৰম অজ্ঞতা আৰু মূৰ্খামিৰ বাবেও লজ্জিত অথবা অপৰাধী অনুভৱ কৰাৰ বোধ আৰু সৌজন্য হেৰুৱাই পেলায়। এনে ব্যক্তিৰ সংখ্যা আজিৰ পৃথিৱীত আৰু নিচেই নগণ্য নহয়। কিন্তু সেয়া আমাৰ আজিৰ এই আলোচনাৰ বিষয় নহয়। আমি মাথো সাহিত্যৰ ওপৰত কোনো বাহ্যিক অথবা একপক্ষী মূল্য আৰোপ নকৰাকৈ বিচাৰ কৰি চাব বিচাৰিছো যে কোনোবা শিক্ষিত অসমীয়াই যদি ভবেন শইকীয়া, হোমেন বৰগোহাঞি অথবা হীৰেন ভট্টাচাৰ্যৰ নাম শুনা বাবে অহংকাৰ অনুভৱ কৰে, যিকোনো সাহিত্য সৃষ্টিৰ সৈতেই যদি তেওঁ হয় সম্পৰ্ক-শূন্য আৰু তাৰ পিছতো যদি জীৱনত তেওঁ হয় আশাতীতভাৱে সফল, তেনেহ'লে মানুহৰ জীৱনত সাহিত্যৰ কিবা প্ৰয়োজনীয়তা আছে বুলি তেওঁ স্বীকাৰ কৰিব কি? তেনে কিছু লোকো যদি কাইলৈ সাহিত্যৰ মৃত্যু সন্দৰ্ভে ঘোষণা কৰি হাতত প্লেকাৰ্ড লৈ গুৱাহাটীৰ ৰাজপথেৰে শ্লোগান দি যায় যে কবি-সাহিত্যিকৰ পৃথিৱীত কোনো প্ৰয়োজন নাই; ভবেন শইকীয়া, হোমেন বৰগোহাঞি মূৰ্দাবাদ, তেনেহ'লে তেওঁলোকৰ শ্লোগানৰ বিপৰীতে কবি-সাহিত্যিকৰ যুক্তি কি হ'ব!

দুৰ্ভাগ্যক্ৰমে সহজ পাৰ্থিৱ সফলতাৰ বাবে সাহিত্যক অপ্ৰাসঙ্গিক বুলি মনৰ এচুকত ভাবিবলৈ আৰম্ভ কৰা লোকৰ সংখ্যাটো দিনক দিনে বাঢ়ি গৈ আছে আৰু সঁচাকৈয়ে সেয়েহে মোৰ দৰে সাহিত্য-প্ৰেমীয়ে কেতিয়াবা গভীৰ আতংকেৰে ভাবিবলগীয়া হৈছে সেই যে পশ্চিমৰ কোনোবাই সাহিত্যৰ মৃত্যু ঘোষণা কৰাৰ স্পৰ্ধা দেখুৱাইছে, শেষতপে তেওঁৰ সেই নিদাৰুণ ঘোষণাষেই বাস্তৱত সত্য বুলি পৰিগণিত হ'ব নেকি! সঁচাকৈয়ে

অদূৰ ভৱিষ্যতত আমি এনে এখন পৃথিৱীৰ বাসিন্দা হ'মগৈ নেকি য'ত গল্প, উপন্যাস অথবা কবিতা নাথাকিব ; ছেক্সপীয়েৰৰ নাটকৰ সংলাপ শুনিলেও য'ত মানুহৰ মন ৰোমাঞ্চিত নহ'ব, কোনো কবিৰ কলিজাৰে লিখা কবিতাৰ পংক্তিয়ে মানুহৰ হৃদয়ক নকৰিব আলোড়িত, কোনো গল্প-উপন্যাসৰ চমকপ্ৰদ বৰ্ণনাতেই মানুহ কেতিয়াও নহ'ব নিমজ্জিত ! এইবোৰ কথা মই নাজানো, কিন্তু মোৰ বিষয়ে এটা কথা মই নিশ্চিতভাৱে জানো যে তেনে এখন পৃথিৱীৰ বাসিন্দা হোৱাৰ আগতেই স্বইচ্ছাৰে মই মৃত্যুক সাৱটি লম ; হয়তো মোৰ দৰে আৰু বহুতেই ল'ব । কিন্তু সেয়াটো সাহিত্যৰ মৃত্যুৰ আঘাত সহ্য কৰিব নোৱাৰা এমুঠিমান আৱেগপ্ৰৱণ মানুহৰ আত্মঘাতী প্ৰকাশ, তাৰ দ্বাৰা পৃথিৱীৰ কি আহে যায় ! সকলোৰে বাবেতো সাহিত্যৰ মৃত্যুৰ দুখ অসহনীয় নহয় । বেছিভাগৰ বাবেইতো দুখৰ এটা উপযুক্ত কাৰণেই নহয় ।

সৰ্বসাধাৰণৰ এজনক আপুনি প্ৰশ্ন কৰকচোন—গল্প, উপন্যাস, কবিতা অথবা কোনো শিল্পৰ সৃষ্টি নোহোৱাকৈ এই পৃথিৱীত মানুহ জীয়াই থকাটো সম্ভৱনে ? মোৰ অনুমান হয়, সাহিত্যৰ সৈতে কোনো প্ৰত্যক্ষ সম্বন্ধ নোহোৱা বেছিভাগ লোকেই চকুৰ নিমিষ নেপেলোৱাকৈ উত্তৰ দিব যে পৃথিৱীত জীয়াই থাকিবলৈ মানুহক গল্প, উপন্যাস অথবা কবিতাৰ প্ৰয়োজন নাই আৰু যদি সেয়াই সঁচা হয় তেনেহ'লে বিনিদ্ৰ ৰজনী কটাই, হৃদয়-মগজু মথিত কৰি হোমেন বৰগোহাঞিয়ে ৰচনা কৰা 'মৎস গন্ধা'ৰ শৰীৰৰ 'সুবাস' লোৱাৰেইবা আমাৰ প্ৰয়োজন কি, সুগন্ধি পখিলা'ত উঠি সোণালী শইচৰ চেই বুটলি ফুৰা হীৰেন ভট্টাচাৰ্যৰ পিছে পিছেইবা আমি দৌৰি ফুৰিব লাগে কিয় অথবা কিহৰনো প্ৰয়োজনত ভবেন শইকীয়াৰ খোজত খোজ মিলাই 'অন্তৰীপ' অতিক্ৰম কৰি আমি আগবাঢ়িব লাগে 'বন্যভূমি'লৈ ?

প্ৰিয় পঢ়ুৱৈ, আজিলৈ এয়া আপোনালোকৰ ওচৰত মোৰ প্ৰশ্ন হৈয়েই ৰ'ল ।

# কবি নীলমণিৰ বুদ্ধত্ব-প্ৰাপ্তি

অদূৰ ভৱিষ্যতত এনেকুৱা এটা দিন সঁচাকৈয়ে আহিব নেকি যে সাহিত্যৰ মৃত্যু সদম্ভে ঘোষণা কৰি হাতত প্লেকাৰ্ড লৈ শিক্ষিত, সফল অসমীয়াই গুৱাহাটীৰ ৰাজ-পথেৰে শ্লোগান দি যাব—হোমেন বৰগোহাঞি মূৰ্দাবাদ! 'অসম বাণী'ৰ পাতত এই প্ৰশ্ন উত্থাপিত হোৱাৰ মাত্ৰ এমাহৰ পিছতেই যে সেই গুৱাহাটী চহৰতে এই আশঙ্কা বাস্তৱত সঁচাকৈয়ে সত্য বুলি প্ৰমাণিত হ'ব, সেই কথা মোৰ বাবে আছিল কল্পনাৰো অগোচৰ। ধ্যানমগ্ন কোনো তপস্বীৰ দৰে মানুহৰ আত্মাৰ অন্বেষণত অবিৰত নিমজ্জিত অসমৰ অন্যতম গৌৰৱ-পুৰুষ নীলমণি ফুকনৰ প্ৰতি এই গুৱাহাটী চহৰতে কিছু শিক্ষিত যুৱকে যিদৰে তেওঁলোকৰ শ্ৰদ্ধা নিবেদন কৰিলে, তাৰ পিছত আৰু আমাৰ সেই ভয়ঙ্কৰ আশঙ্কা বেলেগে বাস্তৱত প্ৰমাণিত হোৱাৰ প্ৰয়োজন নাথাকে।

বুদ্ধ-সদৃশ নীলমণিৰ প্ৰতি কৰা এই ব্যৱহাৰৰ কথা কাকতত পঢ়াৰ লগে লগে দুখ, অপমান আৰু লজ্জাত কিয় জানো শিৰ নত হৈ পৰিছিল ; এটা সময়ত সেই অপমান ৰূপান্তৰিত হৈছিল প্ৰচণ্ড ক্ৰোধলৈ আৰু তাৰ পিছতেই মুখেৰে 'টু' শব্দ এটাও নকৰা নীলমণিৰ বেদনাহত অথচ সৌম্য মুখখন দুচকুৰ সন্মুখত ভাহি উঠাৰ লগে লগে মনলৈ আহিছিল ক'ত জানো বহুদিন আগতে পঢ়া বুদ্ধদেৱৰ এটা কাহিনীৰ কথা।

শিষ্যসকলক জ্ঞান-দানৰ সময়ত বুদ্ধদেৱে প্ৰায়েই কৈছিল—যদি মূঢ়তাবশতঃ মোৰ প্ৰতি কোনোবাই অন্যায় কৰে, তেনেহ'লে প্ৰতিদান স্বৰূপে তেওঁৰ প্ৰতি কৰিম অকাতৰ প্ৰীতিবৰ্ষণ : অমঙ্গলৰ প্ৰতিদান ৰূপে মই কৰিম মঙ্গল বিতৰণ।

বুদ্ধদেৱৰ এনে ভীৰু আৰু অবাস্তৱ জ্ঞানদান শুনি এজন নিৰ্বোধে তেওঁৰ প্ৰতি ঠাট্টা-বিদ্ৰূপ বৰ্ষণ কৰিয়েই ক্ষান্ত নাথাকিল, যথেষ্ট অপমান আৰু নিন্দাসূচক বাক্যবাণো বুদ্ধৰ প্ৰতি নিক্ষেপ কৰিলে।

নীলমণিৰ দৰে মুখেৰে টু শব্দ এটাও নকৰাকৈ বুদ্ধদেৱ নীৰৱ হৈ ৰ'ল। যেতিয়া তেওঁৰ ওপৰত সুদীৰ্ঘ সময় ধৰি বৰ্ষিত বাক্যবাণৰ সমাপ্তি ঘটিল, বুদ্ধদেৱে সেই নিৰ্বোধক সুধিলে—বৎস, তোমাক উপহাৰ হিচাপে দিবলৈ অনা কোনো বস্তু ল'বলৈ যদি তুমি অস্বীকাৰ কৰা, তেনেহ'লে সেই উপহৃত বস্তুটো কাৰ হ'ব ? উত্তৰত মানুহজনে ক'লে—যিয়ে উপহাৰ দিবলৈ আহিছিল তেওঁৰ !

এইবাৰ বুদ্ধদেৱে ক'লে—বৎস, তুমি মোক যি দুৰ্বাক্য উপহাৰ দিছা, সেই দুৰ্বাক্য

মই ন'বলৈ অস্বীকাৰ কৰিছো। তুমি সেয়া তোমাৰ নিজৰ বাবে লৈ যোৱা। এজন সাধুলোকক ভৎর্সনা কৰা আৰু আকাশৰ ফালে থু নিক্ষেপ কৰাৰ মাজত কোনো প্ৰভেদ নাই। তোমাৰ মুখৰ পৰা নিঃসৃত থুয়ে আকাশক মলিন নকৰে : সেয়া উভতি আহি তোমাকেই কৰিব অপবিত্ৰ।

ইমানদিনে নীলমণি আছিল এগৰাকী কবি, সাহিত্যিক; কিন্তু এই ঘটনাই তেওঁক ৰূপান্তৰিত কৰিলে বুদ্ধলৈ। এই দুৰ্ঘটনাৰ বাবে আমি লজ্জিত, ম্ৰিয়মান; কিন্তু সাধুতাৰ সৌৰভে আৱৰি ৰোৱা নীলমণিৰ বাবে গৌৰবান্বিত। আশা কৰো বুদ্ধই নিৰ্বোধৰ দুৰ্বাক্যক উপেক্ষা কৰাৰ দৰে, এই ঘটনাকো নীলমণিয়ে উপেক্ষা কৰিবলৈ সক্ষম হ'ব তেওঁৰ কবিতাত ফুটি উঠা বিশালতা আৰু মহত্বৰ সৌৰভেৰে। এমুঠিমান নিৰ্বোধৰ কটূক্তিয়ে তেওঁৰ প্ৰতি থকা অগণন মানুহৰ অকৃপণ শ্ৰদ্ধা আৰু স্নেহক ম্লান কৰিব নোৱাৰে।

যদিওবা 'হোমেন বৰগোহাঞি মুৰ্দাবাদ' নিবন্ধত প্ৰকাশিত আমাৰ আশঙ্কা নীলমণিৰ বেদনাময় ঘটনাটোৱে কিছু পৰিমাণে হলেও সত্য বুলি প্ৰমাণিত কৰিছে, তথাপি আমাৰ আশঙ্কাৰ সন্দৰ্ভত আশা কৰা মতেই পঢ়ুৱৈৰ পৰা ইমান সঁহাৰি আহিছে যে সাহিত্যৰ ভৱিষ্যৎ সম্পৰ্কত সঁচাকৈয়ে নতুনকৈ আশান্বিত হৈ উঠিছো। মতামতৰ সম্পাদিত ৰূপ সংক্ষেপে আগবঢ়ালো।

**কৃষ্ণ পূজাৰী**
**দেৰগাওঁ**

"মোৰ আটাইতকৈ প্ৰিয় কিতাপ—বলিয়া বন্ধুজন তেতিয়া মূৰত ব্ৰেইন টিউমাৰৰ বেদনালৈ সম্ভাব্য মৃত্যুৰ শয্যাত। বন্ধুৰ ভয়াৰ্ত মুখৰ নিয়মীয়া প্ৰশ্নটো আছিল—অস্ত্ৰোপচাৰৰ পিছত যদি কিতাপ পঢ়িব নোৱাৰে, সি জানো বাচি থাকিব পাৰিব। সেই যন্ত্ৰণাৰ মুহূৰ্তত বহুদিন বহু ঘণ্টা আমাৰ আলোচনাৰ বিষয় আছিল হোমেন বৰগোহাঞিৰ 'পিতা-পুত্ৰ' আৰু দেৱচৌধুৰীৰ 'অনুৰাধাৰ দেশ'। সাহিত্যৰ প্ৰতি পাঠকৰ এনেকুৱাই টান!

স্মৃতিলৈ দৌৰি আহে অন্য এক দৃশ্য। মই জন্ম হোৱা গাওঁখনত কোনো কিতাপ পঢ়ুৱৈ নাছিল। কিন্তু, সেই একেই অৱস্থা যেতিয়া নগৰতো দেখো, মই নিজেও আতঙ্কিত হৈ পৰো সাহিত্যৰ ভৱিষ্যতৰ কথা ভাবি। ইঞ্জিনীয়াৰ (ক্ষমা কৰিব দেৱচৌধুৰীদেৱ), ডাক্তৰক বাদ দিও, শিক্ষক, ছাত্ৰৰ ফাললৈ চাবলৈও ভয় লাগি যায়। অধ্যাপকৰ অৰ্থ হৈ পৰিছে এতিয়া ইটা, বালি, চিমেণ্ট আৰু পৰিয়ালৰ চিন্তাত মগ্ন এজন মানুহ; অৱশ্যে ব্যতিক্ৰম নোহোৱা নহয়।"

**হিৰণ্য কুমাৰ গায়ন**
**কাহিলীপাৰা**

"অসমৰ চিন্তা-চৰ্চাৰ প্ৰাণকেন্দ্ৰস্বৰূপ এখন মহাবিদ্যালয়ৰ কিছু সংখ্যক উচ্চ ডিগ্ৰীধাৰী অধ্যাপক-অধ্যাপিকাক চাকৰি সংক্ৰান্ত কামত আহোঁতে আমি অকিচত লগ পাওঁ, যাৰ ওচৰত সাহিত্যৰ যিকোনো কিতাপ obsolete সামগ্ৰী। একোটা বিশেষ বিষয়ৰ সীমিত পাঠ্যক্ৰমৰ মাজতে উন্নত কেৰিয়াৰ গঢ়ি তোলাবহে এওঁলোক পক্ষপাতী, কিয়নো চাকৰিৰ বাবে সেইখিনিবহে অধিক প্ৰয়োজন। এই চামটোৰ পৰাই সাহিত্যৰ মৃত্যু-ভয় আটাইতকৈ বেছি, কিয়নো এওঁলোকে পৈণত শিক্ষা-বুদ্ধি আৰু কথন-পটুতাৰে পৰিকল্পিতভাৱে বহু সাহিত্যানুৰাগীক বা ছাত্ৰ-ছাত্ৰীক নিজৰ গ্ৰুপটোলৈ নিব পাৰে। এই চাম লোকৰ ভুল ব্যাখ্যাৰ ফলশ্ৰুতিত কালিলৈ ৰাজপথত কবি-সাহিত্যিকৰ নামত মুৰ্দাবাদ ধ্বনি ধ্বনিত হ'ব পাৰে, সাহিত্য সৃষ্টি বন্ধ কৰাৰ বাবে শ্লোগান উঠিব পাৰে।"

**ৰণজিৎ দাস**
**গুৱাহাটী**

"এতিয়া মোৰ বয়স চুকুৰি। আমাৰ ছাত্ৰ জীৱনৰ ছবি কেতিয়াবা মোৰ মানসপটত ভাহি উঠিলে মোৰ চকুহাল সেমেকি উঠে। তেতিয়া বৰপেটাৰ হাটীয়ে হাটীয়ে আছিল একোটা পুথিভঁৰাল। সেই ঠাই হয়তো অধিকাৰ কৰিছে আজি লটাৰিৰ বুকিং কাউণ্টাৰে।

শ্ৰীযুত দেৱচৌধুৰী ডাঙৰীয়া, আপুনি লগ পোৱাৰ দৰে মইও বৰ্তমান মহানগৰীত অনেক ব্যক্তি প্ৰতিদিনে লগ পাওঁ, যাৰ কিতাপৰ সৈতে কোনো সম্পৰ্ক নাই। সাহিত্যক অদৰকাৰী সামগ্ৰী বুলি তেওঁলোকে ত্যাগ কৰিছে।

আপুনি যি প্ৰশ্ন কৰিছে সেই বিষয়ে মতামত আগবঢ়োৱাৰ আগতে আমি কেতবোৰ বিষয়ত সঠিক সিদ্ধান্ত ল'ব পৰা হ'ব লাগিব।

১। শ্ৰেণীবিভক্ত সমাজত শ্ৰেণী অনুযায়ী ৰুচি-অভিৰুচিও বেলেগ হয়। কোনটো শ্ৰেণী-চৰিত্ৰৰ মানুহে ভৱিষ্যতে গুৱাহাটীৰ ৰাজপথত 'হোমেন বৰগোহাঞি মুৰ্দাবাদ' শ্লোগান দিয়াৰ সম্ভাৱনা আছে?

২। সাহিত্যৰ মাধ্যম সদায়ে গ্ৰন্থ অথবা কিতাপেই হৈ থাকিবনে। ড° ভবেন শইকীয়াই তাহানি লিখা গল্পকে আজি বোলছবিলৈ ৰূপান্তৰিত কৰিছে। আজিৰ পুৰুষে ড° শইকীয়াক যুৱক গল্পকাৰৰ পৰিবৰ্তে বোলছবি নিৰ্মাতা হিচাপেহে জানে। ড° শইকীয়াৰ দৰে যিসকল ব্যক্তি একেধাৰে সাহিত্যিক আৰু চিত্ৰ-নিৰ্মাতাও তেওঁ-

লোকে ভৱিষ্যতে মুভি কেমেৰাকে তেওঁলোকৰ একমাত্ৰ সৃষ্টিৰ মাধ্যম হিচাপে ল'ব নেকি ?

৩। সাম্প্ৰতিক ধনতান্ত্ৰিক সমাজ ব্যৱস্থাই মানৱীয় প্ৰমূল্যৰ মূল ভেটিটো য'ত সাহিত্য, কিতাপ থিয় হৈ আছে, সেই ভেটিটোকে থহাবলৈ আৰম্ভ কৰিছে।

মোৰ আজি গুৱাহাটীত বাস কৰাৰ দুবছৰ হ'ল। অফিচতে হওঁক বা বাটে-ঘাটেই হওঁক, আজিলৈকে কোনোৱে ক'তো সাহিত্যৰ কথা সোধা নাই। মাথোন মেডিকেলত ৰোগী ৰখি থাকিবৰ সময়ত দুজন আত্মীয়ক দুখন উপন্যাস পঢ়ি থকা দেখিছিলো।"

**দীপক কুমাৰ তালুকদাৰ**
**পাঠশালা**

"চৌধুৰীদেৱে কবৰ দৰে এইটো সমূলি স্বীকাৰ কৰিব নোৱাৰি যে সকলো শ্ৰেণীৰ শিক্ষিত লোকেই সাহিত্যৰ সৈতে একাত্ম হ'ব পাৰে অথবা সাহিত্যৰ সৈতে সম্পৰ্কিত হ'ব লাগিব। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে তেনে ব্যক্তিৰ সাহিত্যৰ সৈতে বিৰোধ আছে বা তেওঁলোকে সাহিত্যক জাতীয় জীৱনত অস্বীকাৰ কৰে।"

**চিত্তৰঞ্জন বৰা**
**পুৰণিগুদাম**

"এজন প্ৰখ্যাত কবি এখন কিতাপৰ দোকানত সোমাল। দোকানীক তেওঁ এটা কলম বিচাৰিলে. দোকানীয়ে উলিয়াই দিলে। দামটো সুধিলে, দোকানীয়ে ক'লে—দামটো বেছি দেখি কবিগৰাকীয়ে দোকানীক সুধিলে দামটো অলপ কমাব পাৰিব নেকি! দোকানীয়ে দাম এক পইচাও কম নহ'ব বুলি ক'লে। নিজৰ দেশৰ লগতে বিশ্বৰ ভালেকেইখন দেশ ভ্ৰমণ কৰা এই কবিগৰাকীয়ে বোধকৰো ভাবিলে নিজৰ চিনাকিটো দিলে কিজানিবা দোকানীয়ে কলমটোৰ দাম কিছু কম কৰেই। তাকে ভাবি তেখেতে ক'লে—মোক চিনি পাইছেনে?

ৰঙা চকুৰে কবিগৰাকীৰ মুখলৈ এবাৰ মূৰ তুলি চাই দোকানীজনে ক'লে—নাই পোৱা। কবিগৰাকীয়ে নিজৰ নামটো উচ্চাৰণ কৰিলে। যিটো নাম উচ্চাৰণ কৰিলে সাহিত্যপ্ৰেমিকসকলৰ চকু থৰ হৈ যায়, তেনে এজন ব্যক্তিয়ে নিজেই নিজৰ নামটো উচ্চাৰণ কৰাৰ পিছতো দোকানীজনৰ কোনো ভাবান্তৰ দেখা নগ'ল। থাচ্ থাচ্কৈ মুখৰ আগতে তেওঁ কৈ দিলে—অমুক কবি হ'ল বুলি কবিগৰাকী আঁতৰি যোৱাৰ পিছত দোকানীজনে লগৰ জোকানীৰ লগত বগৰ কৰিলে—কবি, হেঁ হেঁ হেঁ, অমুক কবি আহিছিল হে।

অৱশ্যে পৃথিৱীখন যে সাহিত্যৰ প্ৰতি বিতৃষ্ণ লোকেৰেই ভৰপূৰ, এনে ধাৰণা ভুল। এই মৰতত অগণন সাহিত্যপ্ৰেমী, অনুৰাগী ব্যক্তি আছে, যিসকলে প্ৰকৃতাৰ্থত পৃথিৱীখনক ভাঙি নৰখাকৈ ৰখাত অবিহণা যোগাই আহিছে। সেইসকলৰ বাবেই গল্প, উপন্যাস, কবিতা, নাটক নোহোৱা পৃথিৱী এখন কেতিয়াও সৃষ্টি হ'ব নোৱাৰে। Art has no utility. But without art the earth cannot run.

**ভূপেশ চন্দ্ৰ দাস**

**সাউকুছি**

"ব্যক্তিগতভাৱে গল্প-উপন্যাস-কবিতা পঢ়ি সময় কটোৱাটো মযো এসময়ত সময়ৰ অপচয় বুলি গণ্য কৰিছিলো। কিন্তু পৰিস্থিতি বা মনৰ তাগিদাত দুই-তিনি বছৰ আগেয়ে দুই-এখন উপন্যাস আৰু কবিতাৰ পুথিৰ সান্নিধ্যলৈ গৈ যি অনুভৱ কৰিছিলো, সেইটোৱে মোৰ আগৰ ধাৰণা ভুল বুলি প্ৰমাণিত কৰিছে।

সাহিত্য, সাহিত্যিকে ইয়াক জীয়াই ৰাখিবলৈ কৰা প্ৰয়াসৰ মাজেৰে জীয়াই নাথাকে। ইয়াৰ সৃষ্টি সৃষ্টিকামী মানুহৰ মনৰ তাগিদাত। ঠিক তেনেকৈ কোনো সাহিত্যানুৰাগী পাঠকে সাহিত্য জীয়াই ৰাখিবলৈ প্ৰয়াস কৰি গল্প, উপন্যাস, কবিতা নপঢ়ে। সাহিত্য-কৰ্ম যিমানেই ৰসোত্তীৰ্ণ হয়, জীয়াই থকাৰ প্ৰেৰণা ই যিমানেই যোগায়, সিমানেই তাক পাঠকে আকোৱালি ল'ব।

সাহিত্যই কেতিয়াও পৃথিৱীৰ প্ৰত্যেকজন ব্যক্তিক ইয়াৰ সাম্ৰাজ্যৰ পৰিধিলৈ আনিব পৰা নাই আৰু আমি ভাবো নোৱাৰেও। গতিকে সাহিত্য-কৰ্মৰ সৈতে জড়িত থাকিলেহে যে এজন মানুহে সঁচা অৰ্থত জীয়াই থাকিব, অন্যথাই নোৱাৰে; এয়া হ'ব নোৱাৰে। এনেকুৱা এখন পৃথিৱী আমি কেতিয়াও কল্পনা কৰিব নোৱাৰো য'ত ছেক্সপীয়েৰৰ নাটকৰ সংলাপ শুনিলেও মানুহৰ মন ৰোমাঞ্চিত নহ'ব, ঠিক যেনেকৈ আমি কল্পনা কৰিব নোৱাৰো এনেকুৱা এখন পৃথিৱীৰ কথা য'ত ছেক্সপীয়েৰৰ নাটকৰ আটাইতকৈ সুমধুৰ সংলাপটোৱে, পৃথিৱীৰ প্ৰত্যেকজন মানুহৰ মনকে ৰোমাঞ্চিত কৰি তুলিব।"

**ৰাতুল কুমাৰ কাকতি**

**দমৰা**

"কিন্তু 'দ্ৰুতগামী' মানুহে সাহিত্যক একাষৰীয়া কৈ ৰখাৰ কাৰণ হ'ল—সাহিত্যই দ্ৰুতগামী সমাজখনৰ সৈতে ফেৰ মাৰি চলিবলৈ ধনৰ যোগান ধৰিব নোৱাৰে। আজিৰ এই ব্যস্ত পৃথিৱীত ব্যস্ততাৰ মাজতে সুৰুঙা উলিয়াই পঢ়া-শুনা কৰা মানুহো কিন্তু বহুত আছে। সাহিত্য ভাল নোপোৱা, সাহিত্যৰ প্ৰতি আদৰ নথকা অধ্যয়ন-

বিমুখ মানুহৰ অভাৱ নহ'ব নিশ্চয়। কিন্তু সেই বুলি তেওঁলোকে সাহিত্য বা সাহিত্যিকৰ প্ৰতি বিতৃষ্ণ বা ধ্বংস কামনা কৰে বুলি ভাবি ক'ব নোৱাৰি।"

মণি বড়া

তেজপুৰ

"আজি যিসকলক শিক্ষিত বুলি আখ্যা দিয়া হয়, তেওঁলোকে গল্প, কবিতা, উপন্যাস কিয়, বাতৰি কাকত, আলোচনী এখনৰ লগতো সম্পৰ্ক ৰখা দেখা নাযায়। মানুহৰ বাবে সাহিত্যৰ প্ৰয়োজন প্ৰিয়জনৰ দৰে। হেৰুৱাব নোৱাৰি। জীয়াই ৰাখিবই লাগিব।"

মৃদুস্মিতা

খানাপাৰা

"মেথিউ আৰ্ণল্ডে কৈছিল—Literature is the criticism of life. তেওঁ ইয়াকো কৈছিল যে যেতিয়াই ধৰ্ম তথা বিজ্ঞানৰ তথ্যসমূহে মানুহক প্ৰয়োজনীয় সান্ত্বনা তথা উৎসাহ যোগাবলৈ অক্ষম হ'ব, তেতিয়া কেৱল সাহিত্যইহে এনে কাম কৰিব পাৰিব।"

সুধন্য কুমাৰ দাস

গুৱাহাটী

"সাহিত্যৰ মৃত্যুৰ শ্ৰাদ্ধ কৰি লেখকে এখন সক-সুৰা ৰামায়ণ ৰচনা কৰিলে। ৰামায়ণত বৰ্ণিত ৰাম-ৰাৱণৰ যুদ্ধত অলেখ মানুহৰ মৃত্যু হৈছিল সঁচা, কিন্তু সাহিত্যৰ মৃত্যু সংবাদৰ ফলত শ্ৰীদেৱচৌধুৰীৰ মনত সাহিত্যিকৰ মৃত্যু সম্পৰ্কে যি নৃশংস দৃশ্য ভাহি উঠিল সেয়া অভাৱনীয়। সাহিত্যৰ মৃত্যু অপ্ৰাসঙ্গিক আৰু অবাস্তৱ।"

হেম ফুকন

গোলাঘাট

"শ্ৰীদেৱচৌধুৰী, আপুনি 'লেখকৰ জাৰ্ণাল'ত সাহিত্যৰ প্ৰয়োজনীয়তা আৰু ভৱিষ্যৎ সম্বন্ধে তোলা প্ৰশ্নটোৱে মোৰো মনত মাজে মাজে ভুমুকি মাৰে। আপোনাৰ সৃজনশীল আৰু আত্মজৈৱনিক লিখনীসমূহৰ ওপৰত ভিত্তি কৰি মোৰ ব্যক্তিগত কিছু অভিজ্ঞতাৰ জৰিয়তে সাহিত্যৰ প্ৰয়োজনীয়তাৰ প্ৰশ্নটোৰ উত্তৰ দিওঁ।

মোৰ বিহৰ আগে আগে ঘটনাক্ৰমে এগৰাকী নাৰীৰ বিফল প্ৰেমজনিত ক্ৰিয়া-প্ৰতিক্ৰিয়াসমূহ জনাৰ মই সুযোগ পাইছিলো। তাৰ পিছতেই বসন্ত সংখ্যা 'সাদিন'ত

প্ৰকাশিত আপোনাৰ উপন্যাস 'প্ৰেম আৰু যন্ত্ৰণা' ( বিখন উপন্যাসৰ কথা আপুনি অসম বাণীৰ লেখকৰ জাৰ্ণাল শিতানত প্ৰকাশিত 'আপোনাৰ অসফল প্ৰেম আৰু বোশফুকো' প্ৰবন্ধত উল্লেখ কৰিছিল ) পঢ়ি আলোড়িত আৰু অভিভূত হৈছিলো। উক্ত নাৰী-গৰাকীক আপোনাৰ উপন্যাসখন পঢ়িবলৈ পৰামৰ্শ দিছিলো। আশা কৰা দৰেই সেই উপন্যাসখনে তেওঁৰ 'চুলিত হাত বুলাই যোৱাৰ দৰে' কাম কৰিলে।

তাৰ পিছত কথা প্ৰসঙ্গত সেই নাৰীগৰাকীক এদিন সুধিছিলো—গল্প, উপন্যাসৰ পৰা ধাৰ কৰা অনুভূতি, জ্ঞানেৰে জীৱনটো চাবলৈ বা বুজিবলৈ যোৱাটো স্বপ্নবিলাস নেকি ? উত্তৰত তেওঁ ক'লে—'অনুৰাধাৰ দেশে' যেনেদৰে নাৰী আৰু পুৰুষৰ মাজৰ সম্পৰ্কক ইতিবাচক দৃষ্টিভঙ্গীৰে চাবলৈ শিকাইছে, ঠিক সেইদৰে 'প্ৰেম আৰু যন্ত্ৰণা' অথবা বোশফুকোই সামগ্ৰিকভাৱে নৈৰাশ্যই ঢাকি ধৰা মনটোক দৃঢ়তা আৰু সাহস প্ৰদান কৰিছে!

সম্পূৰ্ণ ব্যক্তিগত কথা এটাও এইখিনিতে কওঁ। Lawrence-ৰ Give her a Pattern আৰু আপোনাৰ 'অনুৰাধাৰ দেশ' পঢ়াৰ পিছত অনুভৱ কৰিছো আমাৰ পতি-পত্নীৰ মাজত বন্ধুত্ব আৰু বেছি গভীৰ হৈছে।

আপোনাৰ 'প্ৰেম আৰু যন্ত্ৰণা'ই মানসিকভাৱে বিধ্বস্ত হোৱাৰ পৰা এগৰাকী নাৰীক বচাইছে আৰু আপোনাৰ 'অনুৰাধাৰ দেশে' এহাল দম্পতীৰ মাজৰ বুজাবুজি আৰু বেছি গভীৰ কৰি তুলিছে। মাত্ৰ এই দুটা উদাহৰণেই সাহিত্যৰ প্ৰয়োজনীয়তাৰ সপক্ষে যথেষ্ট নহ'বনে ?"

হয়তো শ্ৰীহেম ফুকনৰ কথায়েই ঠিক। অইন কিবা কাৰণত সাহিত্যৰ প্ৰয়োজনীয়তা থাককেই বা নাথাকক ; অন্ততঃ কেইটিমান বিষয়ত সাহিত্যৰ প্ৰাসঙ্গিকতা থাকিবই। নৈৰাশ্যৰ প্ৰান্তৰত আহি উপস্থিত হোৱা বিপন্ন মানুহক সাহিত্যই যোগাব লাগিব সান্ত্বনা, সাহস আৰু নৱজীৱনৰ মন্ত্ৰ, জীৱনৰ জটিলতাৰ অন্ধকাৰে ঢাকি ধৰা মানুহৰ হৃদয় আলোকিত কৰি সাহিত্যই বিচাৰি উলিয়াব লাগিব মানুহৰ আত্মা। এই সন্ধানেই হ'ব সাহিত্যই দেখুৱাই দিয়া মানুহ আৰু মানুহৰ মাজত অন্বয়ৰ পথ।

এই ৰচনা আমি আৰম্ভ কৰিছিলো 'নদীৰ সোঁতেৰে সূৰ্য্য নমাই অনা' কবি নীলমণিৰ সেই বুঁটা প্ৰাপ্তিৰ ঘটনাৰে। শেষত কবি নীলমণিৰ পক্ষ লৈ সবিনয়ে সেইসকল যুৱকক মাত্ৰ এটা কথায়েই ক'ব বিচাৰিছো : সাহিত্যৰ জৰিয়তে মানুহৰ আত্মাৰ সন্ধানত নিমজ্জিত হৈ থকা নীলমণি অথবা তেখেতৰ সতীৰ্থসকলে এই সাধনাৰ প্ৰতিদানস্বৰূপে আপোনালোকৰ পৰা সন্মান আশা নকৰে ; কিন্তু তেওঁলোকক অপমান কৰাৰ বৃথা চেষ্টা কৰি মানুহৰ আত্মাক অপমানিত আৰু কলঙ্কিত নকৰিব।

# জংলী তৰুণী আৰু তৃষ্ণার্ত মানুহ

উৎপল দত্তৰ মনোগ্ৰাহী ভ্ৰমণ-কাহিনী 'অপৰূপা আন্দামান' পঢ়ি থকাৰ সময়ত মোৰ বাৰে বাৰে মনলৈ আহিছিল সেই অভিশপ্ত দ্বীপপুঞ্জৰ এটি হৃদয়স্পৰ্শী কাহিনী। মই যেতিয়াই কিবা এটা লিখিবৰ বাবে মোৰ বন্ধ নিৰ্জন কোঠালিত হাতত কলম তুলি লওঁ, ঠিক তেতিয়াই সেই কাহিনীটো হৃদয়ত চিৰদিনৰ বাবে বিদ্ধ হৈ থকা এখন ছবিৰ দৰে মোৰ দুচকুৰ সন্মুখত ভাহি উঠে—দুচকুত অগনি জ্বলি উঠা এগৰাকী নাৰীয়ে বুকুৰ ব্লাউজ ফালি স্তন এটা গুজি দিছে তৃষ্ণাৰ্ত এজন অচিনাকি লোকৰ মুখত।

মই যেতিয়াই কলম তুলি লওঁ, তেতিয়াই সেই গৰাকী নাৰী আহি মোৰ সন্মুখত থিয় হয়। মোৰ ছেগা-চোৰোকাকৈ লিখা অলপসংখ্যক লিখনীৰ সৈতে যিসকল পঢ়ুৱৈৰ সামান্য পৰিচয় হৈছে, তেওঁলোকে এই ৰচনাখন পঢ়াৰ পিছত নিশ্চয় অনুমান কৰিব পাৰিব যে মোৰ বেছিভাগ লিখনীয়েই প্ৰকৃততে সেই নাৰীগৰাকীৰ প্ৰতি মোৰ সশ্ৰদ্ধ বন্দনা। আজিৰ শিতানৰ মূল বিষয়লৈ আগবঢ়াৰ আগতে, আহক, আপোনাকো পৰিচয় কৰাই দিওঁ সমুদ্ৰৰ মাজৰ আন্দামান দ্বীপৰ অসামান্যা সেই নাৰীগৰাকীৰ সৈতে।

১৮৫৭ চনৰ চিপাহী-বিদ্ৰোহৰ বন্দীসকলক লৈ আন্দামানত গঢ় লৈ উঠা অভিশপ্ত বন্দী-নিবাসৰ কথা আজি আৰু কাৰোৰেই অজ্ঞানা নহয়। সেই বন্দী নিবাসলৈ তাৰ বহুবছৰ পিছত দলে দলে আহিবলৈ আৰম্ভ কৰিছিল ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ নিৰ্ভিক বীৰসকল। বাৰীণ ঘোষ, উল্লাসকৰ দত্ত, উপেন্দ্ৰ বন্দ্যোপাধ্যায় ইত্যাদি। ১৯৪৩ চনৰ ডিচেম্বৰৰ শেষ তাৰিখৰ পুৰণি বছৰৰ বিদায় বেলা তাৰেই জিমখানাৰ পথাৰত উদাত্ত কণ্ঠেৰে বিপ্লৱৰ বক্তৃতা দিছিল নেতাজী সুভাষ চন্দ্ৰ বোসে। তাৰ মাত্ৰ কিছুদিন আগতেই শ শ মানুহে চকুৰ নিমিষ নেপেলোৱাকৈ সেই জিমখানাৰ পথাৰতে প্ৰত্যক্ষ কৰিছিল সেই লোমহৰ্ষক, হৃদয়বিদাৰক নৃশংস ঘটনাটো।

ছুটীৰ দিন আছিল সেইদিনা। কোনোবাই হয়তো ঘৰৰ কামত ব্যস্ত হৈ আছে, আৰু কোনোবাই হয়তো হাতত গল্পৰ কিতাপ এখন লৈ বাৰাণ্ডাৰ চকিখনত বহি আছে। সেই মুহূৰ্ততে সকলোকে জিমখানাৰ পথাৰত একগোট হ'বৰ বাবে এটা আহ্বান বতাহত ভাহি আহিল। সকলোৱে হাতৰ কাম, গল্পৰ কিতাপ মুহূৰ্তৰ ভিতৰতে য'তে আছে ত'তে এৰি থৈ জিমখানাৰ পথাৰলৈ চাপলি মেলিলে।

সেই আহ্বান আছিল জাপানী সকলৰ। বাস্তৱতে কেৱাজনো জাপানী সৈন্য মাৰ্চ

কৰি আওৰাই গৈ আছিল। সেই সময়ত জাপানী সকলৰ আহ্বান উলাই কৰাৰ নিশ্চিত অৰ্থ হ'ল বেতৰ কোব, বুটৰ লাথি, চাবুকৰ আঘাত আৰু কল্পনা কৰিব পৰা যিকোনো নাৰকীয় অত্যাচাৰ।

অত্যাচাৰৰ ভয়ত সেই দ্বীপপুঞ্জৰ সকলো বাসিন্দা আহি গোট খালে জিমখানাৰ পথাৰত। চক্ৰাকাৰে থিয় হৈ থকা শ শ আতঙ্কিত, স্তব্ধ মানুহক সঙ্গীনধাৰী জাপানী সৈন্যই পহৰা দি আছে আৰু সেই পথাৰৰ মাজত সকলোৰে ভয়াৰ্ত দৃষ্টিৰ সন্মুখত জাপানী সৈন্যই শাস্তি প্ৰদান কৰিছে এজন অচিনাকি ভাৰতীয় মানুহক। কঁকালত এটা সৰু জাঙিয়াত বাহিৰে শৰাৰত অইন কোনো বসন নোহোৱা মানুহজনৰ ওপৰত আহি পৰিছে একোটা চাবুকৰ আঘাত আৰু প্ৰতিটো আঘাততে বস্তিৰ দৰে ছিটিকি ছিটিকি পৰি মানুহজনে আৰ্তনাদ কৰিছে। চৌপাশৰ সকলো মানুহ নিৰ্বাক, দুচকুত আতঙ্কৰ ছাপ, ভয়তে কোনেও টু শব্দ এটাও কৰা নাই, প্ৰতিবাদ কৰাতো দূৰৈৰ কথা।

উপৰ্যুপৰি নামি অহা চাবুকৰ কোব সহ্য কৰিব নোৱাৰি এটা সময়ত ৰক্তাক্ত হৈ পৰা সেই অচিন মানুহজনে চাবুকৰ মাৰি ভাল দুই হাতেৰে ধৰিবলৈ চেষ্টা কৰিছিল। আৰু কোনে পায়! দুজন জাপানী সৈন্যই সেই হাতখন থাপ মাৰি ধৰি বেয়েনেটেৰে আঘাত কৰি 'মট' কৰি কিলাকুটিৰ ওচৰতে ভাঙি পেলালে। নিস্তব্ধ হৈ চাই থকা শ শ ভয়াৰ্ত মানুহে স্পষ্টভাৱে শুনিবলৈ পালে হাড় ভঙাৰ সেই শব্দ। কৰ নোৱাৰা-কৈয়ে কাৰোবাৰ কাৰোবাৰ মুখেৰে 'আঃ' বুলি একোটা শব্দ ওলাই আহিল।

এইবাৰ দুই জাপানী সৈন্যই সেই অৰ্দ্ধমৃত লোকজনৰ ওপৰত নিজৰ শক্তিৰ পৰীক্ষা কৰিবলৈ উঠি পৰি লাগিল। মানুহজনৰ অন্য হাতখনও সশব্দে ভাঙি দিয়া হ'ল। থাপ মাৰি হঠাতে ডিঙি কাটি দিয়া এটা ছাগলীৰ ছটফটাই থকা শৰীৰটোৰ দৰে অৰ্দ্ধচেতন সেই মানুহজন ছটফটাই ৰ'ল। সেই ছটফটনি শেষ কৰি দিবৰ বাবে তাৰ ভৰি এখনো মটমটাই ভাঙি দিয়া হ'ল। আকাশ-বতাহ সকলো বিদীৰ্ণ কৰি শৰীৰৰ সমস্ত শক্তিৰে মানুহজনে শেষবাৰৰ বাবে আৰ্তনাদ কৰি উঠিল—পানী, পানী। আৰু সেই মুহূৰ্ততে সমগ্ৰ বিশ্ব আলোকিত কৰি ঘটি গ'ল সেই অবিস্মৰণীয় ঘটনাটো।

হঠাতে ভয়াৰ্ত সেই মানুহৰ ভূমৰ পৰা মাত্ৰ আঠু পৰ্য্যন্ত মলিয়ন কাপোৰেৰে আবৃতা এগৰাকী জংলী তৰুণী নাৰী চিৎকাৰ কৰি আওৰাই গ'ল সেই মানুহজনৰ ওচৰলৈ। মূৰৰ ওপৰত জট বান্ধি থকা চুলি, বুকুত ফটাছিটা ব্লাউজ।

মুহূৰ্তৰ বাবে কিং-কৰ্তব্য বিমূঢ় হৈ পৰা জাপানী সৈন্যৰ দুৰ্বলতাৰ সুযোগ লৈ সেই তৰুণী নাৰী প্ৰায় আছাৰ খাই পৰিল যন্ত্ৰণাত গেঙনি মাৰি থকা মানুহজনৰ ওচৰত। কি জানো কৈছে অবুজ, অস্ফুট ভাষাৰে। ইতিমধ্যে তাইৰ দুহাতত ধৰি টানিবলৈ

আৰম্ভ কৰা সৈন্য দুজনে জনতাক উদ্দেশ্য কৰি প্ৰশ্ন কৰিলে—ওঁৱৰং কয়া বোল্ৰ্তা হায় ?

কোনেও উত্তৰ দিবলৈ সাহস কৰা নাই। সৈন্য দুজনৰ ধমকনিত এইবাৰ এজন বৃদ্ধই সমজুৱাৰ ফালৰ পৰা মাত দিলে--উসকা মৰদ। স্বামী।

মানুহজনে পুনৰ অস্ফুট স্বৰেৰে উচ্চাৰণ কৰিলে-পানী, পানী। এইবাৰ সেই জুমৰ মাজৰে কোনোবাই দৌৰি দৌৰি গৈ ওচৰৰে এঘৰৰ পৰা এলুমিনিয়ামৰ লোটা এটাত পানী লৈ আহিল। তৰুণীজনীয়ে মানুহজনৰ হাতৰ পৰা পানীৰ লোটাটো লৈ আগবাঢ়ি গ'ল খোলা পথাৰত পৰি থকা লোকজনৰ ওচৰলৈ কিন্তু পানীখিনি ঢালি দিয়াৰ আগতেই উন্মত্ত সেই দুই জাপানী সৈন্যৰ লাথি আহি পৰিল লোটাটোৰ ওপৰত। মাটিৰ ওপৰত পৰি বাগৰি গ'ল পানী।

ক্ৰমশঃ ক্ষীণ হৈ অহা কণ্ঠস্বৰেৰে পুনৰ লোকজনে গেঙনিৰ সুৰত উচ্চাৰণ কৰিলে-পানী, পানী। তৰুণীজনীৰ চাৰিওফালে তেতিয়া শ শ নিৰ্বাক, ভয়াৰ্ত, আতঙ্কিত অচিনাকি মানুহ। এক মুহূৰ্তৰ বাবে যেন সেই নাৰীৰ দৃচকুত অগনি জ্বলি উঠিল আৰু তাৰ পিছ মুহূৰ্ততে কোনো ফালে ভ্ৰূক্ষেপ নকৰি নিজৰ বুকুৰ মলিয়ন ব্লাউজ এক টান মাৰি ফালি পেলালে আৰু দুগ্ধ ভৰ্তি এটা স্তন গুজি দিলে সেই তৃষ্ণাৰ্ত লোকজনৰ দুই ওঁঠৰ মাজত।

প্ৰিয় পঢ়ুৱৈ, আপোনালোকৰ মাজত যদি কোনোবা চিনিক আছে তেনেহ'লে হয়তো ভাবিব পাৰে যে এজনী পতিব্ৰতা নাৰীয়ে তেনে এক মুহূৰ্তত নিজৰ স্বামীৰ বাবে এইখিনি কৰিবই পাৰে। তেনেদৰে ভবা সকলৰ হৃদয়ও নিশ্চয় এক মুহূৰ্তৰ বাবে এটা কথা শুনি আবেগত থৰ্ থৰ্ কৈ কঁপি উঠিব যে সেই জংগী তৰুণী গৰাকীৰ প্ৰকৃততে সেই মানুহজনৰ সৈতে কোনো সম্পৰ্ক নাছিল। নাৰীগৰাকীৰ বাবে সেই মানুহজন সম্পূৰ্ণ অপৰিচিত, আনকি তাৰ আগতে কোনো দিনে দেখাও নাই। সকলোৰে মাজত জুমৰ মাজত থিয় হৈ আছিল তাই। শ শ নিৰ্বাক, ভীত মানুহৰ দুচকুৰ সন্মুখত সংঘটিত সেই নিষ্ঠুৰ দৃশ্য সহ্য কৰিব নোৱাৰি বলিয়াৰ দৰে 'মোৰ মৰদ, মোৰ মৰদ' বুলি চিঞৰি চিঞৰি মানুহজনৰ ওচৰলৈ দৌৰি গৈছিল—সেই মানুহজনৰ ওচৰলৈ যাক তাই চিনি নাপায়, কোনো দিনে দেখা নাই অথচ সেই মানুহজনৰ মুখতে সকলোৰে সন্মুখতে কোনো দ্বিধা, সংকোচ নোহোৱাকৈ গুজি দিছিল তাইৰ দুগ্ধভৰ্তি স্তন !

ইমানখিনিলৈ পঢ়াৰ পিছত পঢ়ুৱৈৰ মনত স্বাভাৱিকভাৱে এটা প্ৰশ্ন হ'ব পাৰে যে মই হাতত কলম তুলি লোৱাৰ সময়ত সেই নাৰী গৰাকীনো মোৰ সন্মুখত আহি থিয় দিয়ে কিয় অথবা সাহিত্য বিষয়ক এই ৰচনাখনত সেই নাৰী গৰাকীৰ উপস্থিতিৰ

প্ৰয়োজন আছে জানো। কলেকৰ বাবে সেই নাৰী গৰাকীৰ কথা পাহৰি গৈ আহক আমি পুনৰ আলোচনা কৰো, এই সঙ্কলনত সন্নিবিষ্ট 'হোমেন বৰগোহাঞি—মুৰ্দাবাদ' শীৰ্ষক নিবন্ধত উত্থাপিত কৰা গল্প, উপন্যাস, কবিতাৰ প্ৰয়োজনীয়তাৰ কথা।

প্ৰকৃত সৃজনশীল লেখক এজনে কিহৰ বাবে গল্প, উপন্যাস অথবা কবিতা লিখে, তাৰ যথেষ্ট কাৰণ অলপ চিন্তা কৰিলেই আৱিষ্কাৰ কৰিব পাৰি। সেই সকলোবোৰৰ বিশদ আলোচনা নকৰাকৈয়ে এটা কথা ক'ব পাৰি যে প্ৰত্যেক সৃষ্টিৰ অন্তৰালতে লেখকজনৰ আত্মপ্ৰকাশৰ এটা তাগিদা থাকে। এটা পুৰণি গল্প নিশ্চয় আপোনালোক সকলোৱে শুনিছে—এজন মানুহক এটা গোপন কথা জনোৱা হৈছিল আৰু কোৱা হৈছিল সেই কথা যেন মৰি গ'লেও তেওঁ কেতিয়াও কাকো নকয়। অৱশেষত মানুহজনৰ এনেকুৱা এক অৱস্থা হৈছিল যে মাটিত গাঁত এটা খান্দি সেই গাঁতটোতে তেওঁ কথাটো কৈছিল। মোৰ বিশ্বাস হয় লিখাৰ আগমুহূৰ্তত প্ৰতিজন লেখকৰে অৱস্থা নিশ্চয় ঠিক সেই মানুহজনৰ নিচিনাই হয়। ভূতে ধৰা মানুহৰ দৰে মনৰ ভিতৰত তেওঁৰ প্ৰকাশৰ এক তীব্ৰ আৱেগ সঞ্চাৰিত হয় আৰু সেই তীব্ৰতাই এনে এক অস্থিৰতাৰ ৰূপ লয় যে প্ৰকাশ কৰি সেই আৱেগক মনৰ পৰা মুক্তি নিদিয়ালৈকে তেওঁৰ শান্তি নাই। তেওঁ হাতত কলম তুলি লয় আৰু লিখে গল্প, উপন্যাস অথবা কবিতা।

মনৰ ভিতৰত সৃষ্টি হোৱা অস্থিৰ আৱেগক মুক্ত কৰিবলৈ লেখকে হয়তো সৃষ্টি কৰিব পাৰে গল্প, উপন্যাস অথবা কবিতা; কিন্তু সেই গল্প, উপন্যাসে যদি কাৰো একো প্ৰয়োজন পূৰ নকৰে, তেনেহ'লে পঢ়ুৱৈয়ে সেই লিখনী আদৰি ল'ব কিয়? এইখিনিতে প্ৰশ্ন হয় সাহিত্যৰ জৰিয়তে মানুহৰ কি কি প্ৰয়োজন পূৰণ হ'ব পাৰে অথবা কি কি প্ৰয়োজন পূৰণ হোৱাটো পঢ়ুৱৈয়ে বিচাৰে।

গল্প, উপন্যাস, কবিতা পঠনৰ পৰা আনন্দ অথবা মনোৰঞ্জনৰ আশা কৰা কথাটো সম্ভহতে পিছলৈ থৈ প্ৰথমতে সামাজিক ক্ষেত্ৰত পৰিৱৰ্তন ঘটোৱাৰ সচেতন উদ্দেশ্যৰে ৰচনা কৰা গল্প, উপন্যাস অথবা কবিতাৰ কথাকে আলোচনা কৰো।

মাৰ্ক্সবাদৰ অত্যুৎসাহী আৰু স্থূল প্ৰচাৰৰ বাবে বহুতে ইতিমধ্যে এটা বদ্ধমূল ধাৰণাৰ চিকাৰ হৈছে যে সাহিত্য সৃষ্টিৰ অন্তৰালত সদায়ে অনিবাৰ্য্যভাৱে সামাজিক পৰিৱৰ্তনৰ সচেতন উদ্দেশ্য থাকিব লাগিব। এই কথা জানি থোৱাটো উচিত হ'ব যে লেখকসকলৰ সমাজ-চেতনা সম্পৰ্কীয় চিন্তা-ভাৱনা কিন্তু প্ৰকৃততে মাৰ্ক্স-এঙ্গেলস অথবা তেওঁলোকৰ অনুগামী সকলৰ দ্বাৰা আৰম্ভ হোৱা নাই। তাৰ আগতে শ্বেলীয়ে তেওঁৰ বিখ্যাত ৰচনা The defence of poetry-ত সমাজ-পৰিৱৰ্তনৰ ক্ষেত্ৰত শিল্পীসাহিত্যকে ল'ব লগীয়া ভূমিকাৰ কথা উল্লেখ কৰি ঘোষণা কৰিছে—"কবিসকল

সকলো সময়তে পৃথিৱীৰ অস্বীকৃতিপ্ৰাপ্ত সংস্কাৰক।" শ্বেলীৰ আগতেও ভলটেয়াৰ, কছোৱেও লেখকে সামাজিক পৰিৱৰ্তনৰ স্বাৰ্থত ল'বলগীয়া ভূমিকাৰ উল্লেখ কৰিছে।

সমাজ পৰিৱৰ্তনৰ প্ৰত্যক্ষ উদ্দেশ্য সন্মুত সচেতনভাৱে ৰাখি গল্প, উপন্যাস অথবা কবিতা ৰচনা কৰিবলৈ হাতত কলম তুলি লোৱা লেখকৰ সংখ্যা বৰ্তমানৰ পৃথিৱীত নগণ্য নহয়। ভয়ঙ্কৰ প্ৰতিকূল পৰিৱেশত সাহিত্যৰ এনেকুৱা এটা ধাৰা সজোৰভাৱে অসমীয়া সাহিত্যত প্ৰতিষ্ঠা কৰাত সৰ্বাধিক অৰিহণা যোগালে ড° হীৰেন গোঁহাইয়ে, ড° গোঁহাইৰ এই প্ৰশ্ৰয় অবিহনে হয়তো অসমৰ সাহিত্য জগতত আত্মকেন্দ্ৰিক উচ্ছ্বাসপ্ৰৱণ আৰু বিভ্ৰান্ত সৃষ্টিৰ হেঁচাত পৰিৱৰ্তনমুখী প্ৰগতিশীল সৃষ্টি চেপেটা লাগি ৰ'লহেঁতেন। হয়তো পৰিৱেশৰ প্ৰতিকূলতাৰ বাবেই ড° গোঁহাইৰ শাণিত যুক্তিৰ প্ৰকাশ কেতিয়াবা কেতিয়াবা ইমানেই এগ্ৰেছিভ হৈ উঠিল যে তেখেতৰ মতৰ ওপৰত মাত মাতি শ্লেষৰ চিকাৰ হোৱাতকৈ বহুতে নীৰৱতাকে সাৰটি লোৱাটো ভাল হ'ব বুলি ধাৰণা কৰিলে। এই নীৰৱতাই সাহিত্যৰ পৰিৱৰ্তনকামী প্ৰগতিশীল ধাৰাৰ প্ৰতিষ্ঠা নিঃসন্দেহে নিশ্চিত আৰু দ্ৰুততৰ কৰি তুলিলে; কিন্তু সামগ্ৰিকভাৱে ড° গোঁহাইৰ চিন্তাধাৰাৰে অসমৰ সৃজনশীল সাহিত্য যিমান উপকৃত হোৱাৰ সম্ভাৱনা আছিল, সেই সম্ভাৱনা বহুখিনি সীমিত কৰি তুলিলে। ড° গোঁহাইৰ পিছৰ প্ৰজন্মৰ লেখকসকলৰ বাবে এয়া এক ভয়ঙ্কৰ ট্ৰেজেদী। ড° গোঁহাইয়ে নিশ্চয় নিজেও কামনা কৰা নাছিল, কিন্তু আমাৰেই ট্ৰেজেদী, তেখেতৰ এগ্ৰেছিভনেছৰ বাবে তেখেতে পক্ষ লোৱা 'অৰ্দ্ধসত্য'কে (সত্যৰ দুটা দিশৰ এটা?) একমাত্ৰ আৰু শেষ সত্য বুলি ভাবিবলৈ আৰম্ভ কৰা এচামে এটা বদ্ধমূল ধাৰণা কৰি ল'লে যে বৰ্তমানৰ সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰাৰ সচেতন উদ্দেশ্য সন্মুখত নাৰাখিলে কোনো সাহিত্যই সাহিত্য হ'ব নোৱাৰে। প্ৰাথমিক ধাৰণাৰ অতিসৰলীকৃত আৰু ৰাজনীতিৰ উষ্ণ আৱেগেৰে চালিত স্থুল প্ৰচাৰৰ বাবে। সমাজ পৰিৱৰ্তনৰ আহিলা হিচাপে সাহিত্য ব্যৱহৃত হোৱাৰ অতিপ্ৰয়োজনীয় ধাৰণা এটায়েই এনেকুৱা এক ট্ৰেজিক ৰূপ ল'লে। ইলাষ্টিকৰ দৰে এই ধাৰণাক আৰু টানি টানি বহল কৰি এচামে ভাবিবলৈ আৰম্ভ কৰিলে যে সাহিত্যই সমাজ পৰিৱৰ্তনৰ কথা ক'লেই নহ'ব; ক'ব লাগিব এটা বিশেষ ৰাজনৈতিক মতবাদৰ জৰিয়তে সামাজিক পৰিৱৰ্তনৰ কথা, তেতিয়াহে সেয়া সাহিত্য বুলি স্বীকৃতি পোৱাৰ যোগ্যতা অৰ্জন কৰিব। এনে এক ধাৰণাৰ বাবে স্বাভাৱিকতে জন্ম লোৱা উন্নাসিকাৰ বলি হৈছে ভিন্ন ৰূপত সাহিত্য সৃষ্টিৰ বাবে কলম তুলি লোৱা বা লোৱাৰ সম্ভাৱনা থকা এচাম লেখক আৰু সামগ্ৰিকভাৱে সাহিত্যই হেৰুৱাইছে এই লেখকসকলৰ সম্ভাব্য সৃষ্টিৰ সুফল পঢ়ুৱৈসকলক। এনে এক পৰিস্থিতিত এই সুফল পঢ়ুৱৈ

খিনিৰ বাবে সাহিত্য অপ্ৰয়োজনীয়, অপ্ৰাসঙ্গিক অনুভৱ হোৱাটো আশ্চৰ্য্যকৰ নহয়।

এতিয়া আমি পুনৰ উভতি আহোঁ সমাজ পৰিবৰ্তনৰ ক্ষেত্ৰত সাহিত্যৰ প্ৰয়োজনীয়তাৰ মূল প্ৰশ্নটোলৈ।

সকলো গল্প, উপন্যাস, কবিতাতে বৰ্তমানৰ সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ বাবে উদগনি থকাটো অপৰিহাৰ্য্য বুলি কোৱাৰ লগে লগেই স্বাভাৱিকভাৱে এটা প্ৰশ্ন মনলৈ আহে যে আদৰ্শ সমাজত গল্প, উপন্যাস, কবিতাৰ তেনেহ'লে প্ৰয়োজন কি? আদৰ্শ সমাজৰ পৰা সেয়েহে লেখকসকলক বহিষ্কাৰ কৰিব লাগিব নহ'লে এই কথা মানি ল'ব লাগিব যে সমাজ পৰিবৰ্তনৰ জৰিয়তে আদৰ্শ সমাজ প্ৰতিষ্ঠা কৰাত বাহিৰেও সাহিত্যৰ অন্য কিবা প্ৰয়োজন আছে। আৰু অন্য এটা প্ৰশ্নও এইখিনিতে কৰিব পাৰি যে সমাজ পৰিবৰ্তনৰ আহিলা হিচাপে গল্প, উপন্যাস অথবা কবিতায়েই বা বৰ্তমানৰ এই দ্ৰুত পৰিবৰ্তিত জটিল পৃথিৱীত কিমান শক্তিশালী? মোৰতো ক'বলৈ মন যায় গল্প, উপন্যাস কবিতাৰ জৰিয়তে এটা জাগৰণৰ সৃষ্টি কৰি সমাজৰ সামগ্ৰিক পৰিবৰ্তন সাধনেৰে এখন আদৰ্শ সমাজ প্ৰতিষ্ঠা কৰাৰ আশা প্ৰায় এক প্ৰকাৰৰ কল্পনাবিলাস অথবা পলায়নবাদ। নিকট অতীতৰ ইতিহাস বিশ্লেষণ কৰি চালে সহজতে এটা কথা দৃষ্টিগোচৰ হয় যে গল্প, উপন্যাস, কবিতাৰ জৰিয়তে যিমানখিনি সামাজিক পৰিবৰ্তন সংঘটিত হৈছে তাতকৈ অনেক বেছি সামাজিক পৰিবৰ্তন সাধন কৰিছে বিজ্ঞানৰ একো একোটা যুগান্তকাৰী আৱিষ্কাৰে বিভিন্ন ৰাজনৈতিক শক্তিৰ সংঘাতে। বিশেষ সময়ৰ বিশেষ সময়ৰ বিশেষ কোনো সামাজিক পৰিবৰ্তনৰ প্ৰশ্নৰ ক্ষেত্ৰত সাহিত্যাই হয়তো কেতিয়াবা ক্ৰান্তিকাৰী ভূমিকা ল'বলৈ সক্ষম হৈছে, ৰাজনৈতিক পতাকাৰ তলত থাকি উত্তেজনা, চাঞ্চল্য সৃষ্টিৰ লগে লগে প্ৰচাৰ আৰু স্বীকৃতি লাভো সহজ কৰি তুলিছে, কিন্তু ক'বলৈ মন যায় অকল সামাজিক পৰিবৰ্তনৰ আহিলা হিচাপে গল্প, উপন্যাস, কবিতা বৰ্ত্তি থকাটো সম্ভৱ নহয় আৰু উচিতো নহয়। সামাজিক ব্যৱস্থাৰ পৰিবৰ্তনৰ ক্ষেত্ৰত বৰ্তমানৰ পৃথিৱীত বিজ্ঞান আৰু ৰাজনীতিৰ প্ৰভাৱ আজিকালি ইমানেই শক্তিশালী, দ্ৰুতত্বৰ আৰু অনিবাৰ্য্য যে গল্প, উপন্যাস, কবিতাৰ দৰে তুলনামূলকভাৱে মন্থৰ আৰু সূক্ষ্ম প্ৰক্ৰিয়া সেই পৰিবৰ্তনৰ প্ৰধান চালিকাশক্তি হোৱাটো সম্ভৱ নহয়। অৱশ্যে অনুগামী অংশীদাৰ হিচাপে বৰ্ত্তি থকাত বাধা নাই যদিও বা এই বৰ্ত্তি থকাক অপৰিহাৰ্য্য বুলি অভিহিত কৰাটো সত্যৰ অপলাপ হ'ব।

সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ ক্ষেত্ৰত যদি বৰ্তমানৰ পৃথিৱীত গল্প, উপন্যাস, কবিতাৰ ভূমিকা বিজ্ঞান অথবা ৰাজনীতিৰ সমান শক্তিশালী নহয় অথবা অনিবাৰ্য্যও নহয়; তেনেহ'লে সাহিত্যৰ এনে কি ভূমিকা আছে যাৰ বাবে ই জীয়াই থকাটো, বখাটো

প্ৰয়োজনীয় ? এই প্ৰশ্নৰ উত্তৰ হিচাপে মই আপোনালোকৰ সন্মুখত উপস্থিত কৰাব খোজো এই নিবন্ধৰ আৰম্ভণিতে উল্লেখ কৰা সেই জংলী তৰুণীজনীক। মই এটা কথা গভীৰভাৱে বিশ্বাস কৰো যে সেই জংলী তৰুণীজনী অবিহনে এই বিশ্বত মানুহ কেতিয়াও মানুহ হৈ জীয়াই থাকিব নোৱাৰে আৰু সাহিত্যই হ'ল সেই প্ৰধান (প্ৰায় একমাত্ৰ) শক্তি যিয়ে সেই তৰুণীজনীক জীয়াই ৰাখিব পাৰে।

সেই জংলী তৰুণীজনীক জীয়াই ৰাখিবৰ বাবেই জীয়াই থাকিব লাগিব, জীয়াই ৰাখিব লাগিব, জীয়াই থাকিব গল্প, উপন্যাস, কবিতা।

# চহৰৰ চৰিত্ৰ আৰু মফচলৰ সাহিত্য

অলপতে দূৰদৰ্শনত প্ৰখ্যাত হিন্দী লেখক ধৰ্মবীৰ ভাৰতীৰ উপন্যাস 'সূৰজ কী সাতৱাঁ ঘোড়া'ৰ চিত্ৰৰূপ দেখি হিন্দী উপন্যাসৰ প্ৰতি নতুনকৈ এক আকৰ্ষণ অনুভৱ কৰিলো। হিন্দী উপন্যাসৰ সৈতে মোৰ পৰিচয় প্ৰেমচন্দ, যশপাল অথবা ফণীশ্বৰনাথ ৰেণুৰ দুই এখন কিতাপৰ মাজতে সীমাবদ্ধ। স্বভাৱতীয়াভাৱে মোৰ অনুভৱ হৈছে যে আমি অসমীয়া লেখকসকলে মিলাৰ কুন্দেৰা, মাৰ্কিউজ, লোছা আদি লেখকৰ উপন্যাসৰ সৈতে পৰিচিত হৈ গোপনে যিমান গৌৰৱান্বিত অনুভৱ কৰো, ভাৰতীয় উপন্যাসৰ সৈতে পৰিচয় হৈ কিন্তু সেই একেই সন্তুষ্টি অথবা গৌৰৱ আমি অনুভৱ নকৰো। এই ক্ষেত্ৰত পশ্চিমীয়া সাহিত্যৰ উৎকৃষ্টতা যিদৰে এটা কাৰণ, ঠিক সেইদৰে আমাৰ হীন-মন্যতাও অন্য এটা কাৰণ নোহোৱা নহয়। অৱশ্যে ভাষিক সমস্যাইও এই পশ্চিম-মুখিতাত কিছু পৰিমাণে অৰিহণা যোগাইছে। পশ্চিমীয়া সাহিত্যৰ প্ৰতি সামান্যতম বিৰাগ নোহোৱাকৈয়েও মোৰ এটা কথা কবৰ মন যায় যে আমাৰ গ্ৰাম্য জীৱন আৰু ভাৰতীয় আত্মাক বুজিবলৈ হিন্দী উপন্যাস অথবা আঞ্চলিক ভাষাত লিখিত লিখনী-বাজি ইংৰাজী সাহিত্যৰ তুলনাত আমাৰ বাবে অধিক আলোকসন্ধানী হব পাৰে। এনে এক ধাৰণাৰ বশৱৰ্তী হৈয়ে প্ৰধানতঃ অনুবাদৰ জৰিয়তে মই বৰ্তমানে তামিল-ভাষী লেখক জয়কান্তন, কানাড়াভাষী শ্ৰীৰংগ, শিৱৰাম কাৰন্থ, হিন্দীভাষী বিষ্ণু প্ৰভাকৰ, অমৃতলাল নাগৰ আদিৰ ৰচনাৰ সৈতে সাধাৰণভাৱে পৰিচয়ৰ এটা প্ৰচেষ্টা চলাইছো।

হিন্দীৰ প্ৰসিদ্ধ ঔপন্যাসিক অমৃতলাল নাগৰৰ ক্লাচিক ধৰ্মী উপন্যাস 'বিন্দু আৰু সিন্ধু'ৰ এটা আকৰ্ষণীয় ইনটেলেকচুৱেল চৰিত্ৰ হ'ল মহীপাল। বিশালাকাৰৰ 'বিন্দু আৰু সিন্ধু' উপন্যাসখন পঢ়ি যাওঁতে ঔপন্যাসিক হিচাপে মহীপালৰ কিছু অনুভৱৰ কথা পঢ়ি মই ক্ষন্তেকৰ বাবে থমকি ৰলো।

"মহীপালৰ কিতাপত ৰোমাঞ্চৰ একান্ত অভাৱ ; আজিকালি প্ৰকাশকসকলে বিচাৰি ফুৰে, পঢ়ুৱৈসকলৰ গা-মন ছাটি-ফুটি লগা কিতাপ। প্ৰগতিশীল, সামাজিক, চিন্তাশীল উপন্যাসবো বিক্ৰী নোহোৱা নহয় কিন্তু······। এই 'কিন্তু'ৰ লগতে আৰু এটা 'কিন্তু' হ'ল এইটো—যিবিলাক ৰচনাৰ হাড়ভঙা আলোচনা যেনে 'এক অধ্যয়ন', 'এক চিন্তন,' 'এটি পৰ্যালোচনা' আদি আদি নামেৰে প্ৰকাশ পায়, আৰু যাহেকীয়া সাহিত্য আলোচনী পঢ়াসকলে যদি সেই আলোচনা মন্দিৰৰ সন্মুখত তিৰ দি থকা ভিক্ষাৰী-

বিলাকৰ দৰে বেছি ধৰি নপঢ়ে তেন্তে লেখকসকলৰ আমদানিও কম হয়।······আজি-কালি আলোড়নৰ সৃষ্টি কৰা সাহিত্যৰাজি হ'ল—কোনো ৰাজনৈতিক বা সাহিত্যিক গোষ্ঠীৰ লগত সন্ধি কৰি লিখা সাহিত্যসমূহ।······যি গোষ্ঠীৰ সংগঠন যিমান অধিক, সেই জাতীয় সাহিত্যৰো পাবলিচিটি সিমান বেছি, লগে লগে লেখকৰো উপাৰ্জনৰ মাত্ৰা উৰ্ধগামী হয়। মই পালে নিজক কোনো গোষ্ঠীৰ লগত সাঙুৰিবলৈ বিচৰা নাই। সেই কাৰণে তেওঁ নিজৰ লেখক শ্ৰেণীৰ মাজত অকলশৰীয়া ; আৰু নিঃসঙ্গতাক লৈ তেওঁ মানসিক অশান্তি ভোগ কৰিব লগাত পৰিছে।"

মহীপালৰ দৰে ময়ো কোনো ৰাজনৈতিক বা সাহিত্যিক গোষ্ঠীৰ লগত সন্ধি কৰি সাহিত্য ৰচনা কৰিবলৈ অস্বীকাৰ কৰো : সেয়েহে লেখক হিচাপে মোৰো যে অৱস্থা এদিন ঠিক নাগৰৰ উপন্যাসৰ চৰিত্ৰ মহীপালৰ দৰে নিঃসঙ্গ হব, সেই সম্পৰ্কে মই প্ৰায় নিশ্চিত আৰু তাৰ বাবে প্ৰতিটো মুহূৰ্ত মই নিজকে মানসিকভাৱে প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰো। লেখক হোৱাৰ এটা প্ৰধান চৰ্ত হ'ল প্ৰয়োজন হলে নিঃসঙ্গ হৈ থকাৰ যোগ্যতা অৰ্জন কৰা, কাৰণ তেতিয়াহে এজন লেখকৰ পক্ষে ৰাজনৈতিক অথবা সাহিত্যিক গোষ্ঠীৰ সৈতে সন্ধি নকৰাৰ বাবে বা জনপ্ৰিয় মতত অৱগাহন নকৰাৰ বাবে অনিবাৰ্যভাৱে আহি পৰা লাঞ্ছনা, গঞ্জনা আৰু ইতিকিঙৰ সন্মুখতো বিবেকৰ মতত অটল হৈ থকাটো সম্ভৱ হৈ পৰে। নাগৰৰ উপন্যাস যদি বাস্তৱৰ চিত্ৰায়ন হয় তেতিয়া হলে এটা কথামানি লব লাগিব যে অসমীয়া সাহিত্যৰ সাম্প্ৰতিক জনপ্ৰিয় সাহিত্যৰ সৈতে হিন্দী সাহিত্যৰ গোষ্ঠীবাদৰ বিশেষ একো প্ৰভেদ নাই। সাহিত্যৰ এই গোষ্ঠীবাদৰ বিৰুদ্ধে যে মফচলৰ সাহিত্য এক প্ৰতিবাদ হব পাৰে, সেই সম্পৰ্কে মোৰ কোনো ধাৰণাই নাছিল ; কিন্তু আজি দুদিনমান আগেয়ে এখন ভিতৰুৱা গাঁৱৰ দুজন তৰুণে আহি মফচলৰ সাহিত্যৰ এই সম্ভাব্য ভূমিকাৰ প্ৰতি হঠাতে মোৰ দৃষ্টি আকৰ্ষণ কৰিলে। তেওঁলোকে কলে যে চহৰকেন্দ্ৰিক সংবাদ পত্ৰৰ ৰাজনৈতিক আৰু সাহিত্যিক গোষ্ঠীবাদৰ ওপৰত বিৰক্ত হৈয়েই তেওঁলোকে নিজাৰবীয়াকৈ এখন আলোচনী উলিয়াব খুজিছে। তেওঁলোকৰ বক্তব্যাই মফচলৰ সাহিত্যিক প্ৰয়াসক এক নতুন দৃষ্টিৰে চাবলৈ মোক উদ্বুদ্ধ কৰিলে।

চহৰৰ পৰা দূৰৈৰ যিকোনো এখন গাঁও বা চহৰত হাতত কিছু আজৰি সময় থকা শিক্ষিত তৰুণে আজিকালি সময়ৰ সৈতে তাল মিলাই এটা টাইকোৱাণ্ড' অথবা কুইজ ক্লাৱ খুলি, একো এটা নকৰাকৈয়ে সময় অপচয় কৰাতকৈ কিবা এটা কৰাৰ চেষ্টা কৰা দেখা যায়। 'টাইকোৱাণ্ড', কুইজ আদি তুলনামূলকভাৱে আধুনিক উত্তেজনাৰ মাজতো দেখা যায় প্ৰায় প্ৰতিদিনে, চহৰকেন্দ্ৰিক অলেখ আলোচনী আৰু সংবাদ পত্ৰৰ ভিৰকো উপেক্ষা কৰি কিছু সংবেদনশীল, উদ্যমী তৰুণ-তৰুণী উত্তেজিত হৈ উঠি যিকোনো

প্ৰকাৰেই নহওক কিয় এখন আলোচনী উলিয়াবৰ বাবে। মই নিজেও এনে প্ৰচেষ্টাৰ লগতে কেবাবাৰো সক্ৰিয়ভাৱে জড়িত হৈ পৰিছো। নিজৰ অভিজ্ঞতাৰ পৰা মোৰ ধাৰণা হয়, সৃষ্টিশীল কিবা এটা কৰি নিজকে ব্যক্ত কৰাৰ মাজত যি এক মানসিক তৃপ্তি আছে, সেই তৃপ্তি এনে প্ৰয়াসৰ দ্বাৰা প্ৰাপ্ত হয়। অবশ্যে কিছু অত্যুৎসাহীৰ মনত হয়তো অন্য এক চিন্তা-ধাৰাইও ক্ৰিয়া কৰে, যেনে চহৰৰ আলোচনীত ইমান নিম্নমানৰ লিখনী প্ৰকাশ কৰাৰ সুবিধা পাইয়েই 'অমুক' ইমান বিখ্যাত হৈ পৰিছে, 'তেওঁত'কৈ আমি বেয়া লিখো নেকি ; ঠিক আছে, আমিও এখন···। আৰু এখন নতুন আলোচনীৰ জন্ম হয়। কিন্তু মফচলৰ এখন সাহিত্য আলোচনী বা সংবাদ-পত্ৰৰ প্ৰয়োজনীয়তা মাত্ৰ ইমানখিনিয়েই নে ? চহৰকেন্দ্ৰিক আলোচনী আৰু কাকতৰ লগতে কিছুদিন ধৰি নিয়মিতভাৱে সম্বন্ধ ৰাখিলেই এটা কথা সহজতে চকুত পৰে যে প্ৰায় প্ৰতিখন আলোচনী অথবা সংবাদ-পত্ৰৰে এটা নিৰ্দিষ্ট লেখকগোষ্ঠী থাকে। বিভিন্ন নিয়মীয়া কলমৰ জৰিয়তে সেই লেখকগোষ্ঠীৰ অন্তৰ্ভুক্ত লেখক সকলৰ সম্পাদকে এনেকুৱা এক চৰ্তহীন স্বাধীনতা প্ৰদান কৰে যাৰ জৰিয়তে মুষ্টিমেয় লেখকসকলে তেওঁলোকৰ কলমত যিয়েই নিঃসৃত হয়, তাকেই প্ৰকাশযোগ্য লিখনী বুলি ছপাই দিব পাৰে। আনকি লেখকজনৰ খেয়ালীমনৰ ব্যক্তিগত অপলাপ, দিনলিপিও এই স্বাধীনতাৰ গুণত বিনা সম্পাদনাৰে প্ৰকাশিত হয়।

এখন আলোচনী অথবা সংবাদ-পত্ৰক কেন্দ্ৰ কৰি গঢ়ি উঠা লেখকৰ এনে প্ৰশ্ৰয়ধৰ্মী গোষ্ঠীবাদে চহৰৰ পৰা দূৰ-দূৰণিৰ প্ৰতিভাশালী অথচ দুৰ্বৰ বাবে সুবিধা অথবা প্ৰচাৰ নোপোৱা তৰুণ লেখকসকলক এক প্ৰত্যাহ্বানৰ সন্মুখলৈ ঠেলি দিয়ে। কোনোবে তেওঁলোকে ধৰি লয় যে চহৰকেন্দ্ৰিক এই কাকত-আলোচনীবোৰে তেওঁলোকৰ আশা, প্ৰত্যাশা, দুখ, হতাশাৰ প্ৰকাশেৰে দপমগাই বোৱা সহিক গুৰুত্ব দিবলৈ প্ৰস্তুত নহয় ; এই কথাও তেওঁলোকৰচকুত নপৰাকৈ নাথাকে যে যিলিখনীক হয়তো সাহিত্যৰ কোনো মানেৰেই প্ৰকাশৰ যোগ্য বুলি স্বীকৃতি দিব নোৱাৰি, তেনে লিখনীকো এই কাকত আলোচনীবোৰে দৃষ্টিনন্দনভাৱে অকল প্ৰকাশ কৰাই নহয় ; তাৰ ওপৰত অযুতলাল লাগৰে 'বিন্দু আৰু সিন্ধু'ত কোৱাৰ দৰে 'এটি চিন্তন,' 'এটি অধ্যয়ন,' এটি পৰ্যালোচনা আদি চমকপ্ৰদ বৌদ্ধিক লেবেলো লগাই দিয়ে। তাৰপিছত সৃষ্টিশীল কিবা এটা কৰি বুকুৰ ভিতৰখন উদঙাই দি আত্মপ্ৰকাশ কৰাৰ সময়। চহৰকেন্দ্ৰিক প্ৰকাশৰ গোষ্ঠী-বদ্ধতাৰ ওপৰত বিক্ষুব্ধ হৈয়েই, আত্মপ্ৰকাশৰ তাগিদাত মফচলৰ এমুঠিমান তৰুণ-তৰুণীয়ে হঠাতে এদিন সিদ্ধান্ত লয় তেওঁলোককো আত্ম-প্ৰকাশৰ বাবে নিজৰ এটা মাধ্যমৰ প্ৰয়োজন। তেওঁলোকে জন্ম দিয়ে এখন নতুন আলোচনীৰ অথবা সংবাদ পত্ৰৰ।

যিসকল তৰুণ-তৰুণী এনেকুৱা সৰু আলোচনী প্ৰকাশৰ সৈতে ঘনিষ্ঠভাৱে জড়িত হৈ আছে, তেওঁলোকে নিশ্চয় এটা কথা, আলোচনীৰ প্ৰথম সংখ্যাটো প্ৰকাশ কৰাৰ পিছতে অনুভৱ কৰে যে আলোচনী—প্ৰকাশ-গল্প, উপন্যাস, কবিতাৰ দৰে মুঠেই 'সাহিত্য-সুলভ' নহয়। পিছে পিছে কাবুলীৱালাই খেদি ফুৰা উপায়বিহীন, কপৰ্দক-শূন্য, আপদমস্তক ঋণত পোত খাই ৰোৱা কোনো নিঠৰুৱা চৰিত্ৰৰ সৈতেহে তেওঁলোকৰ অৱস্থা হৈ পৰে তুলনাৰ যোগ্য। তথাপি নিয়মিতভাৱে ওলাই আছে মফচলৰ তৰুণ-তৰুণীৰ দ্বাৰা অনিয়মীয়া হ'লেও, উচ্চ মানৰ নহলেও সৰু-বৰ আলোচনী, কাকত। কি প্ৰয়োজন পূৰ কৰিব পাৰে এই প্ৰকাশে? মই ভাবো (১) চহৰকেন্দ্ৰিক কাকত-আলোচনীৰ গোষ্ঠীবদ্ধতাৰ বিৰুদ্ধে এই প্ৰকাশ এক শক্তিশালী নহলেও অন্ততঃ প্ৰতীকী প্ৰতিবাদ হব পাৰে, (২) এই আলোচনী অথবা কাকত সেই মফচলৰ সৰু চহৰ অথবা গাঁৱৰ তৰুণ-তৰুণীসকলৰ প্ৰতিভাৰ আত্মপ্ৰকাশৰ নিজস্ব মাধ্যম হব পাৰে, (৩) এই কাকত-আলোচনীতে প্ৰতিধ্বনিত হব পাৰে সেই স্থানৰ মানুহৰ দুখ, ক্ষোভ, সমস্যা; সংক্ষেপতে স্থানীয় মানুহৰ অৱহেলিত বুকুৰ সংবাদ।

এইবোৰ কাৰণৰ বাহিৰেও আৰু এটা গুৰুত্বপূৰ্ণ কাৰণ আছে যাৰ বাবে মই আন্তৰিকতাৰে কামনা কৰো মফচলৰ কাকত-আলোচনী শক্তিশালী ৰূপত জীয়াই থাকক। এই কথা আজি সাধাৰণ পঢ়ুৱৈৰো অবিদিত নহয় যে চহৰকেন্দ্ৰিক অধিকাংশ কাকত-আলোচনীয়েই ব্যৱসায়িক গোষ্ঠী, চৰকাৰ অথবা ৰাজনৈতিক পৃষ্ঠপোষকৰ অদৃশ্য প্ৰভাৱৰ বাবে তাৰ সাংবাদিক আৰু সাহিত্যিক চৰিত্ৰ হেৰুৱাই পেলাইছে। মানুহৰ কল্যাণ সাধনৰ যি মহান আদৰ্শই এখন আলোচনী অথবা কাকতক চৰিত্ৰ প্ৰদান কৰে, তেনে কোনো আদৰ্শবোধেই চহৰকেন্দ্ৰিক কাকত-আলোচনীত এতিয়া প্ৰায় দৃষ্টিগোচৰ নহয়। মোৰ ভাব হয় চৰিত্ৰহীন চহৰকেন্দ্ৰিক কাকত-আলোচনীয়ে ব্যৱসায় অথবা ৰাজনৈতিক গোষ্ঠীৰ আঙুলিৰ নিৰ্দেশত চতুৰতাৰে সৃষ্টি কৰা বিভ্ৰান্তিৰ পৰা দূৰ-দূৰণিৰ চহৰ, গাঁৱৰ সংবেদনশীল, স্পৰ্শকাতৰ, সৰল পঢ়ুৱৈসকলক ৰক্ষা কৰাৰ ক্ষেত্ৰত মফচলৰ কাকত-আলোচনীবোৰে এক গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ সম্ভাৱনা আছে।

মফচলৰ কোনো তৰুণ-তৰুণীয়েই ব্যৱসায়িক সাফল্য লাভ কৰাৰ আশাত—আলোচনী প্ৰকাশ নকৰে। সেয়েহে ব্যৱসায়লৈ চকু ৰাখি অথবা চৰকাৰ অথবা কোনো শক্তিশালী ৰাজনৈতিক গোষ্ঠীৰ মুখাপেক্ষী হৈ তেওঁলোকে স্বকীয় বৈশিষ্ট্য বিসৰ্জন দিয়াৰ প্ৰয়োজন নহয়। তেওঁলোকৰ লিখনীৰ জৰিয়তে মফচলৰ সেই সংবেদনশীল তৰুণ-তৰুণীসকলে প্ৰমাণ কৰক যে আৰু বহুতো সাহিত্যিক, সাংবাদিকৰ দৰে তেওঁলোক বিভ্ৰান্তি অথবা উত্তেজনা সৃষ্টিৰ বাবে ব্যৱহৃত সহজলভ্য চৰিত্ৰহীন

আহিলা নহয় ; ভেৰ্ডলোকে জানে ভেৰ্ডলোকৰ কৰ্তব্য হ'ল—"arid, ceaseless swea'ing pu' uit of fact" বিৰামহীনভাৱে সত্য ঘটনাৰ সন্ধানত শ্ৰম স্বীকাৰ কৰা। নিষ্ঠা সহকাৰে চেষ্টা কৰিলে সাম্প্ৰতিক সাহিত্য আৰু সংবাদ পত্ৰক স্বচ্ছ-চৰিত্ৰ যুৰাই দিয়াৰ পথৰ প্ৰথম সোপানটো নিৰ্মাণ কৰিব পাৰিব এতিয়াও চহৰৰ চতুল প্ৰদূষণৰ পৰা তুলনামূলকভাৱে মুক্ত মফচলৰ সেই উদ্যমী, প্ৰতিভাবান, সংবেদী তৰুণ-তৰুণীসকলেই।

পুনশ্চ : এই ৰচনাৰ আৰম্ভনিতে উল্লেখ কৰিছো যে ব্যক্তিগতভাৱে মই নিজে মফচলৰ সংবাদ পত্ৰ, আলোচনীৰ সৈতে বিভিন্ন সময়ত জড়িত হৈছো। তেনে এখন কাকতত ১৯৮৯ বছৰটোত প্ৰায় নিয়মীয়াভাৱে মই এটা সৰু কলাম লিখিছিলো। তাৰ পৰা কিছু মফচলী নমুনা তলত উদ্ধৃত কৰিলোঁ।

(ক) ১৯৯০ চনৰ কেলেণ্ডাৰ

পুৰণি হৈ যোৱা বিগতবৰ্ষৰ কেলেণ্ডাৰখন পেলাই দিয়াৰ আগতে আপুনি যদি শেষবাৰৰ বাবে এবাৰ পাতবোৰ এটা এটাকৈ লুটিয়াই চাই, তেনেহলে হয়তো দেখিব প্ৰতিটো তাৰিখৰ ঘৰতে লাগি আছে এতিয়াও গোট নমৰা মানুহৰ তেজৰ দাগ। যি সময়ত পৃথিবীৰ প্ৰতিটো বস্তুৰে মূল্য সোঁ সোঁকে প্ৰতিদিন বৃদ্ধি পাব লাগিছে, সেই সময়তে শান্তিপ্ৰিয় এই অসমতে প্ৰমাণিত হ'ল যে, দিনে দিনে দ্ৰুতগতিত হ্ৰাস পাব লাগিছে মানুহৰ জীৱনৰ দৰে এক অমূল্য সম্পদৰ দাম। নিৰ্মম হত্যাৰ খেলাইও এতিয়া আৰু মানুহৰ হৃদয় স্পৰ্শ নকৰে যদিহে সেই হত্যাৰ বলি নহয় আপোন পতি, পুত্ৰ, ককাই অথবা ভাই।

১৯৯০ চনত কোনোবাই তেজৰ দাগ লাগি নথকা কেলেণ্ডাৰ এখন উপহাৰ হিচাপে দিব পাৰিবনে ? সমগ্ৰ পৃথিবীৰ সাধাৰণ জনগণে বৰ্তমান এনে এখন কেলেণ্ডাৰৰ বাবেই পৰম আকুলভাৱে বাট চাই আছে।"

(খ) সমালোচনা আৰু সাধাৰণ ভুল

কোনোবাই ক'ৰবাত কিবা কাৰণত ভুল কৰিলে তাক আঙুলিয়াই দি শুধৰণি কৰাত সহায় কৰাতো সমালোচকৰ কৰ্তব্য ; কিন্তু কোনোবাই কিবা কৰিলে তাতনো ভুলটো ক'ত আছে তাক বিচাৰি থকাতো সমালোচকৰ কৰ্তব্য নহয়। যদিও ওপৰে ওপৰে চালে দুয়োটা কাম একে যেন অনুভৱ হয়, প্ৰকৃততে কিন্তু ইহঁত বিপৰীত ধৰ্মী। খুব সাধাৰণভাৱে ক'বলৈ গ'লে প্ৰথম বিধক গঠনমূলক আৰু দ্বিতীয় বিধক ধ্বংস-মূলক সমালোচনা বুলি অভিহিত কৰিব পাৰি।

বিভিন্ন ৰাজহুৱা সমিতিৰ বৈঠকত উপস্থিত থাকি মই এটা কথা আৱিষ্কাৰ

কৰিছো যে এনেকুৱা কিছুমান মানুহ' থাকে যিয়ে মূল বিষয়বস্তুৰ পৰা আঁতৰি গৈ সদায় সৰু সৰু সাধাৰণ ভুলৰ বাবে তৰ্ক বিতৰ্ক কৰি অযথা সমিতিৰ বৈঠকৰ সময় নষ্ট কৰে। হয়তো কিবা কমিটিৰ মিটিং বহিছে, হঠাতে কোনোবাই উলিয়াই দিলে গোহাৰিত লিখা 'বঙালি' শব্দটো ভুল, প্ৰকৃততে 'বঙালী' হে হ'ব লাগে, আৰু তাকে লৈ প্ৰায় এঘণ্টা অপব্যয়। অইন এখন ছপা কৰা গোহাৰিত হয়তো কোনোবাই লিখিছে 'বাতিপুৰা আঠ বজাত শহীদ তৰ্পণ', পিছৰ মিটিংত হুলস্থুল লাগি গ'ল 'শহীদ তৰ্পণ, ভুল, প্ৰকৃততে 'ছহিদ তৰ্পণ' হে হব লাগে।

অৱশ্যে এনেকুৱা ধৰণৰ দৈনন্দিন সাধাৰণ ভুলৰ বাবে যে আমাৰ ইয়াতহে এনেদৰে সুদীৰ্ঘ আলোচনা হয় এনেকুৱা নহয়, যিমান দূৰ মনত পৰে টেনিছনৰ দৰে কবি এজনও এবাৰ এনে এক ভুলৰ বাবে থকা-সৰকা হৈছিল। টেনিছনে লিখা কবিতা এটাৰ প্ৰথম দুশাৰী তলত দিয়া ধৰণৰ আছিল—

'Every minute a man dies
And every minute one is born'

সমালোচক সকলে হিচাব কৰি উলিয়ালে যে, টেনিছনে লিখাৰ দৰে প্ৰতি মিনিটত এজন মানুহৰ জন্ম নহয়, গড় হিচাবত প্ৰতি মিনিটত এক দশমিক ছয়, সাতজন মানুহৰহে জন্ম হয়, সেয়েহে টেনিছনে লিখা কবিতাটো ভুল।

সকলো বিষয়ত সম্পূৰ্ণৰূপে শুদ্ধ হ'ব পৰাতো নিঃসন্দেহে বাঞ্ছনীয়। কিন্তু মূল লক্ষ্য বা বিষয়বস্তু যদি ঠিক থাকে, তেনেহ'লে সাধাৰণ ভুল কেতিয়াবা গ্ৰহণযোগ্য বুলি ধৰি ললেও সাংঘাতিক একো অপকাৰ নহয়।

( পুনশ্চঃ—টেনিছনে সমালোচনাৰ পৰা হাত সাৰিবলৈ কবিতাৰ Minute শব্দটো আঁতৰাই 'Moment' শব্দটো ব্যৱহাৰ কৰিছিল।" )

## (গ) প্ৰফুল্ল মহন্ত আৰু বিহগী কবি

অলপতে মই আৱিষ্কাৰ কৰিলো—অসম সাহিত্য সভাৰ সভাপতি হিচাপে প্ৰফুল্ল কুমাৰ মহন্তক নিৰ্বাচিত কৰিছে, বিহগী কবি হিচাপে অভিহিত কৰা হৈছে আনন্দ চন্দ্ৰ বৰুৱাক আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যদেৱে জ্ঞানপীঠ পুৰস্কাৰ পাইছে তেখেতৰ প্ৰখ্যাত উপন্যাস 'হালধীয়া চৰায়ে বাওধান খায়' খনৰ বাবে।

মোৰ এগৰাকী বন্ধু-পত্নীয়ে উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসমীয়াত শিক্ষয়িত্ৰী হিচাপে কাম কৰে। ঘটনাক্ৰমে বন্ধু-পত্নীয়ে ঘৰলৈ লৈ অহা একাদশ শ্ৰেণীৰ প্ৰশ্নোত্তৰৰ বহীৰ পাত লুটিয়াই চাওঁতে মই ওপৰৰ তথ্য কেইটা আৱিষ্কাৰ কৰিলো। তিনিজন ছাত্ৰই প্ৰশ্নৰ উত্তৰত ওপৰৰ তথ্যসমূহ দাঙি ধৰিছে।

প্ৰশ্নোত্তৰৰ বহীবোৰৰ পাত লুটিয়াই চাই মই একপ্ৰকাৰৰ হতাশা আৰু আতংকত শিহৰি উঠিলো। প্ৰতিটো পাততে থকা অজস্ৰ বানান আৰু বাক্য গাঁঠনিৰ ভুলৰ কথা বাদেই দিছো, অসমীয়া সাহিত্য-সংস্কৃতি সম্পৰ্কে এনেকুৱা অদ্ভুত তথ্যসমূহ আছে যে ভাবিলে মূৰ ঘূৰি যাব খোজে। নকলেও হ'ব, পৰাক্ষাৰ বিষয় আছিল—অসমীয়া। মোৰ অৱস্থা দেখি বন্ধু-পত্নীয়ে কটাক্ষ কৰি ক'লে—তুমি অসমীয়া ভাষাত লিখি মিছামিছিহে সময়বোৰ নষ্ট কৰি আছা। অসমীয়ানো আজিকালি কোনে পঢ়ে ? ! এইসকল ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া কিতাপ, আলোচনী পঢ়ে বা পঢ়িব পাৰিব বুলি তুমি বিশ্বাস কৰানে ?

বন্ধু-পত্নীৰ প্ৰশ্নৰ মোৰ ওচৰত কোনো উত্তৰ নাছিল। সেই মুহূৰ্তত চকুৰ সন্মুখেৰে মাথো পাৰ হৈ গৈছিল সেই সময়ৰ স্মৃতি—যেতিয়া হয়তো এই সকল ছাত্ৰ-ছাত্ৰীয়েই অসমীয়া ভাষা আৰু সংস্কৃতি ৰক্ষাৰ অৰ্থে হাঁহি হাঁহি প্ৰাণ দিবলৈ সদলবলে ওলাই আহিছিল, ৰাজপথ দলদোপ কৰিছিল শোভাযাত্ৰাৰে বতাহ মুখৰিত হৈ উঠিছিল শ্লোগানৰ নিনাদেৰে।

এক ক্ষোভ, হতাশ আৰু বেদনাৰে মই অনুভৱ কৰিলো যে যেতিয়াই ভাষা আৰু দেশপ্ৰেম ছাত্ৰ-ছাত্ৰীৰ বাবে হৈ পৰে মাথো এক প্ৰকাৰৰ আবেগিক উন্মাদনা, অসাধু ব্যৱসায়ীৰ বাবে হৈ পৰে চাপ সৃষ্টিৰ হাতিয়াৰ আৰু চাকৰিয়ালৰ বাবে এক প্ৰকাৰৰ ভণ্ডামি, তেতিয়াই বুজি পাব লাগিব যে সেই ভাষা আৰু দেশৰ সমাধি ক্ষেত্ৰ নিৰ্মাণ হবলৈ আৰু বেছি পৰ নাই।

অপ্ৰিয় হলেও এটা কথা আমি স্বীকাৰ কৰিবৰ হ'ল যে দেশ আৰু ভাষাপ্ৰেম আমাৰ বেছি ভাগৰে বাবে বৰ্ত্তমানে হৈ পৰিছে এক প্ৰকাৰৰ সৰ্বদোষ মৰিবণকাৰী বিশল্যকৰণী ! পৃথিবীৰ কোনো দেশতে ছাগে কোনো সন্তানে কেতিয়াও আপোন মাতৃক এইদৰে অৱমাননা আৰু অপমান কৰাৰ নজীৰ নাই।

## (ঘ) সাধুকথা, গাধ আৰু সিংহৰ ছাল

কম্পিউটাৰ আৰু টিভিৰ অত্যাচাৰত খুব দ্ৰুতগতিত আইতাই কোৱা সাধুকথাবোৰ পৃথিবীৰ পৰা লোপ পাব লাগিছে। অথচ আমাৰ শৈশৱত সাধুকথাকে সাৰথি কৰি লৈ আমি কল্পনাৰ ভেউকা চুহাতত পিন্ধি পৰীৰ দেশলৈ আনন্দমনেৰে উৰা মাৰিছিলো।

সাধুকথা অৱশ্যে আজিৰ লিতানৰ বিষয়বস্তু নহয় : মই মাথো শৈশৱত আইতাৰ মুখত শুনা আতকৰ এটা সাধু আপোনালোকৰ মনত পেলাই দিব বিচাৰিছো। আতকৰ কোনো এটা সাধুত আপোনালোকে নিশ্চয় পঢ়িছে কিদৰে এটা গাধই

নিৰাপদে কোমল ঘাঁহ খোৱাৰ মানসেৰে শৰীৰত সিংহৰ ছাল মেৰিয়াই লৈ অৰণ্যৰ থাঁহনিত বীৰদৰ্পে বিচৰণ কৰি ফুৰিছিল।

দেশপ্ৰেম, সমাজপ্ৰেম, সংস্কৃতিপ্ৰেমৰ চোলা পিন্ধি কিদৰে আমি বেছিভাগে আমাৰ ক্ষুদ্ৰ স্বাৰ্থ আৱৰি ৰাখো, তাক উদঙাই দেখুৱাবলৈ জাতকৰ এই সাধুটোতকৈ অন্য কোনো ভাল উদাহৰণ মই এই মুহূৰ্তত বিচাৰি পোৱা নাই।

জাতকৰ এই পুৰণি সাধুটোলৈ মোৰ প্ৰায়ে তেতিয়া মনত পৰে যেতিয়া ব্যক্তিগত স্বাৰ্থ পূৰণৰ অৰ্থে এনে কাবোৱাক 'অসমীয়া' বুলি বুকু ফিন্দোৱা দেখিবলৈ পাওঁ, যিয়ে শঙ্কৰদেৱৰ পুথি এখনৰ হয়তো নাম ক'ব নোৱাৰে, জ্যোতিপ্ৰসাদৰ নামেই শুনা নাই, হেমাঙ্গ বিশ্বাসক যিয়ে বঙালী বুলি উকৰাই দিব খোজে, বিষ্ণু ৰাভাকো হয়তো প্ৰকৃত অসমীয়া বুলি মানি ল'বলৈ দ্বিধাবোধ কৰে! এটা জাতিৰ সামুহিক উত্তৰণৰ পথত এনে নিৰ্বীজ চৰিত্ৰহীনতা কেতিয়াও সহায়ক হ'ব নোৱাৰে।

আৰু এটা কথা নিশ্চয় সকলোৱে মন কৰিছে যে আজি বেছ কিছুদিনৰ পৰা বিভিন্ন ব্যক্তি তথা গোষ্ঠীয়ে সময়ৰ সোঁতত অবলুপ্ত হ'বলৈ ধৰা নিজস্ব সংস্কৃতিৰ প্ৰতি হঠাতে অত্যাধিক সচেতন হৈ পৰিছে। এয়া যদি প্ৰকৃততে আন্তৰিক সংস্কৃতি-প্ৰীতি হয়, তেনেহলে তাৰ প্ৰতি আমি সশ্ৰদ্ধ অভিনন্দন জনাওঁ; আৰু যদি এয়া সংস্কৃতি-প্ৰেমৰ চোলা পিন্ধি ব্যক্তিগত ক্ষুদ্ৰ স্বাৰ্থ ঢাকি ৰখাৰ প্ৰয়াস হয়, তেনেহ'লে এতিয়াই সময় থাকোতে এই সংস্কৃতি-প্ৰেমৰ ব্যক্তিগত ক্ষুদ্ৰ স্বাৰ্থৰ পৰা মুক্ত কৰিবলৈ জনগণ সচেতন হোৱাতো উচিত হ'ব।

এই সন্দেহ আমাৰ মনলৈ এই কাৰণেই আহিছে যে বৰ্তমানৰ পৃথিৱীত সিংহৰ ছাল পৰিধান কৰি কোমল ঘাঁহ খোৱাৰ মানসেৰে বীৰদৰ্পে বিচৰণ কৰি ফুৰা গাধৰ সংখ্যাই বেছি!

## (৬) মানুহ দ্বীপ নহয়

প্ৰতিখন ঠাই আৰু আমি প্ৰতিজন মানুহ ধীৰে ধীৰে একোটা নিঃসঙ্গ, নিৰ্জন দ্বীপলৈ ৰূপান্তৰিত হৈ আছো। আমাৰ চৌপাশে গঢ়ি তুলিছো আমি শিলৰ প্ৰাচীৰ। সেই প্ৰাচীৰৰ বাহিৰৰ বহল পৃথিৱীৰ দুখ, যন্ত্ৰণা আৰু হাহাকাৰৰ শব্দই সেয়েহে আমাক আৰু স্পৰ্শ নকৰেহি। সেই বাবেই ছাগে গহপুৰ, কুমাৰীকাটা অথবা খৈৰাবাৰীৰ মৃত্যুৰ আৰ্তনাদৰ মাজতো আমি পূজাৰ আনন্দত মত্তলীয়া হ'ব পাৰো।

জীৱনৰ বৈচিত্ৰ উপলব্ধি কৰি জীয়াই থাকিবৰ বাবে দুখৰ মাজতো আনন্দত মত্তলীয়া হ'ব পৰা ক্ষমতাৰ অধিকাৰী হোৱাৰ প্ৰয়োজন আছে। কিন্তু যিসকলৰ হৃদয়ত সমাজৰ একাংশ লোকৰ যন্ত্ৰণা, হাহাকাৰ, নিপীড়ন, অত্যাচাৰৰ প্ৰতি কোনো

সহানুভূতি, সচেতনতা অথবা সঁহাৰি জাগি উঠে তেওঁলোকৰ কোনো সামাজিক পৰ্বনতে আনন্দত মতলীয়া হোৱাৰ অধিকাৰ নাই। সামাজিকতা ৰক্ষাৰ দোহাই যদি কোনোবাই দিয়ে তেনেহলে সেয়া দিব লাগিব দুখৰ দিনতো ; অকল আনন্দৰ দিনত নহয়।

এইখিনিতে ৰেলভ্ৰমণৰ সময়ৰ সদায়ে দেখা দৃশ্য এটাৰ কথা মোৰ মনলৈ আহিছে। ষ্টেচনত ৰৈ থকা ৰেল এখনৰ প্ৰথম শ্ৰেণীৰ ডবাৰ ভিতৰৰ যাত্ৰী কেইজনে ভিতৰত দুপৰীয়াৰ আহাৰ খাবলৈ আৰম্ভ কৰিছে। সেই মুহূৰ্ততে ডবাৰ খোলা খিড়িকিৰে বাহিৰত দেখা গ'ল সতৃষ্ণ নয়নে ক্ষুধাতুৰ ভিক্ষাৰীয়ে ভিক্ষাৰ বাবে হাত আগবঢ়াই দিছে। ভিক্ষাৰীজনক দৃষ্টিৰ আঁতৰত ৰাখি কোনো অপৰাধবোধ, অস্বস্তি নোহোৱাকৈ আনন্দেৰে আহাৰ কৰিবৰ বাবে যাত্ৰী এজনে সজোৰে খিড়িকিখন বন্ধ কৰি দিলে।

সেই বন্ধ খিৰিকিখন খুলি ৰাখি বাহিৰৰ পৃথিৱীখনলৈ যদি সহানুভূতিৰে চোৱাৰ আমাৰ মানসিকতা নাথাকে, কি ঠিক এদিন সেই ভিক্ষাৰীজনেই খিড়িকিখন জোৰ কৰি ভাঙি দিব পাৰে। জনসাধাৰণৰ সুখ-দুখৰ পৰা নিজেকে বিচ্ছিন্ন কৰি এটা ব্যক্তিগত সুখৰ জীৱন যাপন কৰাৰ অধিকাৰ কোনো মানুহকে এই পৃথিৱীয়ে দীৰ্ঘ-দিনৰ বাবে নিদিয়ে।

## (চ) স্বপ্ন, বাস্তৱ আৰু মা

খুব কম সময়ৰ বাবে টোপনি যাওঁ বাবেই নেকি মোৰ টোপনি সাধাৰণতে বৰ গভীৰ আৰু সেয়েহে কিজানি খুব কমেইহে সপোন দেখোঁ। যোৱা সপ্তাহত হঠাতে শেষ ৰাতি এটা সপোন দেখি মই আতঙ্কত শিঁহৰি উঠিলো। সেই সপোনৰ কথাই আজি আপোনালোকক কব বিচাৰিছো।

সপোনতে মই টেলিগ্ৰাম পালো যে মোৰ মাৰ অসুখ। টেলিগ্ৰাম পায়েই দৌৰাদৌৰিকৈ এটা উৎকণ্ঠিত মন লৈ মই ৰাতিৰ বাচত ঘৰ পালোগৈ। ঘৰ পাই দেখো ইতিমধ্যে দূৰে দূৰে থকা মোৰ বাকী তিনিজন ভাইও অসুখৰ খবৰ পাই ঘৰ পাইছেহি। অনুমান কৰিলো মাৰ অৱস্থা নিশ্চয় সঙ্কটাপন্ন নহ'লে সকলোলৈকে টেলিগ্ৰামৰ জৰিয়তে এনেদৰে খবৰ নপঠিয়ালেহেঁতেন।

মোৰ মায়ে সাধাৰণতে কোনো ধৰণৰ অলঙ্কাৰ-পাতি পৰিধান নকৰে ; কিন্তু মাৰ কোঠালীতে সেইদিনা সোমাই মই আচৰিত হৈ গ'লো। বিচনাত শুই থকা মাৰ জিভিত তিৰবিৰাই আছে সোণৰ গলপতা আৰু ডুগডুগি। হাতত খাৰু আৰু ভৰিত পায়েল। আমি চাৰিওজন ভাইক একেলগে সন্মুখত দেখি মায়ে আনন্দত বিচনাৰ পৰা উঠিবলৈ চেষ্টা কৰি পুনৰ পৰি গ'ল ; এক মুহূৰ্তৰ বাবে তেওঁ প্ৰায় অচেতন হৈ

গৈছিল। তাৰ পিছত ধীৰে ধীৰে পুনৰ তেওঁৰ চেতনা ঘূৰি আহিল। তথাপি আমি বুজি পালো যাৰ আৰু বেছি দিন নাই।

হঠাতে মোক আচৰিত কৰি দি সক ভাইটিয়ে ক'লে—"যাৰ ডিঙিৰ গলপতা আৰু ডুগ্‌ডুগী মোক লাগিব।" আন এজনে ক'লে—"গামখাৰু যোৰ মোৰ।" আনজনে ক'লে—"পায়েলযোৰ কিন্তু মোক লাগিবই।" হতভম্ব হৈ মই ক'লো—"তহঁতে এইবোৰ কি বলকিছ?"

মই আৰু বেছি কিবা ক'বলৈ পোৱাৰ আগতেই তিনিওজনৰ মাজত অলঙ্কাৰৰ বাবে হতাহতি লাগি যোৱাৰ উপক্ৰম হ'ল। সক ভায়ে কটাৰী এখন লৈ আহি ক'লে—"মই এতিয়াই গলপতা আৰু ডুগ্‌ডুগী খুলি ল'ম।" বাকী দুজনেও হাতত দা লৈ আহি দাবী জনালে—"আমিও পায়েল আৰু গামখাৰু খুলিম।" মই বাধা দিবলৈ পোৱাৰ আগতেই এজনে যাৰ ভৰিত এজনে হাতত আৰু এজনে ডিঙিত অলঙ্কাৰ খুলিবৰ বাবে ঘাপ মাৰিলে। বিস্ফোৰিত দুচকুৰে মই দেখিলো যাৰ ৰক্তাক্ত খণ্ডিত হাত, ভৰি আৰু ডিঙি বিচনাত চট্‌ফট্ কৰিছে।

এটা আৰ্তনাদ কৰি মই টোপনিৰ পৰা সাৰ পাই গ'লো। জাপ মাৰি বিচনাৰ পৰা উঠি দেখিলো সাত বাজি গৈছে। পত্নীয়ে ক'লে—দৌৰাদৌৰি কৰিব নালাগে, আজি অফিচ নাই।

—কিয়?

—কোনোবা 'লেণ্ড'ৰ দাবী জনাই কোনোবাই আজি অসম বন্ধ দিছে।

চাওঁকৈ সপোনত দেখা যাৰ মুখখনিলৈ মোৰ মনত পৰিল। যাৰ কৰুণ ৰক্তবৰ্জিত মুখাবয়ৱ যেন ধীৰে ধীৰে অসমৰ মানচিত্ৰৰ লগত মিলি যাব লাগিছে।

# তৰুণ লেখক আৰু ৰিল্‌কেৰ চিঠি

ভাতৃপ্ৰতীম এজন উদীয়মান তৰুণ লেখকে মাজে সময়ে মোৰ ওচৰত মন্তব্য কৰে যে, লিখাৰ বাবে সময় খৰচ কৰাৰ বাবে তেওঁ প্ৰায়েই পৰিয়াল আৰু বন্ধুবৰ্গৰ বিদ্ৰূপৰ পাত্ৰ হ'বলগীয়া হয় আৰু লিখাৰ বাবে সময় উলিয়াবৰ বাবেই তেওঁ দৈনন্দিন জীৱনৰ বহু আনন্দ তথা কাৰ্যৰ পৰা নিজকে বিৰত ৰাখিবলগীয়া হয়। এনেকুৱা পৰিবেশত লিখাৰ প্ৰেৰণা বা ইচ্ছা মানুহৰ আহিব ক'ৰ পৰা ?

প্ৰতিদিনে পৃথিৱীতে হাজাৰ হাজাৰ লোকে হাতত কলম তুলি লৈ ছপাৰ আখৰেৰে সংবাদ পত্ৰ, আলোচনী অথবা কিতাপৰ ৰূপত অবিৰাম লিখি আছে। লিখিত শব্দৰ সৃষ্টি কাৰ্যত নিয়োজিত থকা প্ৰতিজন ব্যক্তিয়ে নিশ্চিতভাৱে মানুহৰ ঠাট্টা-বিদ্ৰূপৰ সন্মুখীন হ'বলগীয়া নহয়; হয়তো ইয়াৰ বিপৰীতে মানুহৰ পৰা তেওঁলোকে ওপৰঞ্চি হিচাপে কেতিয়াবা লাভ কৰে যশ, খ্যাতি; আৰু শব্দৰ বিনিময়ত অৰ্থও। এই কথাও এইখিনিতে কৈ থোৱা উচিত হ'ব যে প্ৰকাশৰ অদমনীয় তাগিদাৰ বাবে হাতত কলম তুলি ল'বলৈ বাধ্য হোৱা এজন প্ৰকৃত লেখকে জানে যে তেওঁৰ কমাৰশালত কেতিয়াও যশ, খ্যাতি অথবা অৰ্থলাভৰ উদ্দেশ্য সন্মুখত ৰাখি শব্দৰ সৃষ্টি কৰা নহয়।

ওপৰত উল্লেখ কৰা উদীয়মান তৰুণ লেখকজনৰ দৰে সমস্যাত অন্য কোনোবা লেখক কেতিয়াবা পৰিছে নে নাই নাজানো; মই কিন্তু এতিয়াও মোৰ লিখন-কাৰ্যক এক সাংঘাতিক গোপনীয়তাৰে আৱৰি ৰাখো। এই সুন্দৰ সন্ধিয়াটোত সাজ্য-ভ্ৰমণৰ আনন্দ আৰু বাহিৰৰ পৃথিৱীৰ বিভিন্ন উপভোগৰ পৰা নিজকে প্ৰায় নিৰ্দয়ভাৱে বঞ্চিত কৰি এটা প্ৰায় নিবন্ধ সৰু বন্ধ কোঠালিৰ ভিতৰত এয়া! যে নিজৰ ওপৰত স্বেচ্ছা-নিৰ্বাসন আৰোপ কৰি মই লিখিবলৈ বহিছো, মই নাজানো এই কথা জানিলে মই কাৰোবাৰ বিদ্ৰূপৰ পাত্ৰ হম নে নহয়; তথাপি পৰাপক্ষত এনেকুৱা সময় আৰু ব্যস্ততাৰ বিষয়টো মই বন্ধুবৰ্গৰ পৰা গোপনে ৰাখো। তাৰবাবে কোনো বন্ধুৱে যেন এইদৰে ধৰি নলয় যে লিখন কাৰ্যক মই কিবা লজ্জা অথবা অপৰাধবোধৰ কাৰণ বুলি গণ্য কৰো। তাৰ বিপৰীতে মই ভাল পাম যদিহে প্ৰতিজন লেখকে তেওঁলোকৰ এই পথ সঠিক গণ্য কৰে তেওঁলোকৰ অহংকাৰ বুলি।

মোৰ বাবে মোৰ লিখা সমস্তখিনি প্ৰেমিকাৰ লৈতে মোৰ মিলন-মুহূৰ্ত মই গোপনীয়তাৰে আৱৰি ৰাখিব খোজোঁ। মানুহৰ ঠাট্টা-বিদ্ৰূপৰ বাবে নহয়: মিলনক সন্মান আৰু পবিত্ৰতা প্ৰদান কৰিবলৈ, আৰু মিলনৰ গভীৰতাত আকণ্ঠ নিমজ্জিত

হোৱাৰ বাসনা নিভৃতে চৰিতাৰ্থ কৰিবলৈকে মই এই গোপনীয়তা অৱলম্বন কৰিব খোজো।

এইটো এটা সাধাৰণ জনা কথা যে যিকোনো শিল্পকাৰ্যতে ব্ৰতী হৈ থকা এজন শিল্পীৰ দৰে এজন লেখকৰ শ্ৰমকো কৃতকাৰ্য নোহোৱালৈকে কোনেও মূল্য দিব নোখোজে। লেখকৰ সৃষ্টিৰ সৈতেহে মানুহৰ সাধাৰণতে পৰিচয় থাকে (অৱশ্যে তাৰবাবেও তেওঁ সেই সৌভাগ্যবান লেখক হ'ব লাগিব, যাৰ লিখনি মানুহে পঢ়ে), কিন্তু সৃষ্টিৰ বাবে যি পৰিমাণৰ শ্ৰম আৰু কষ্ট তেওঁ স্বীকাৰ কৰিব লগীয়া হয়, সেইকথা লেখকজনে নিজেহে অনুভৱ কৰিব পাৰে। দৈনন্দিন জীৱনৰ আনন্দ, আৰামৰ মাজত যেতিয়া সকলো মানুহ ব্যস্ত হৈ থাকে তেতিয়া এজন লেখকে হয়তো হৃদয়ত উত্থিত অনুভূতিৰ যন্ত্ৰণাত বিদ্ধ হৈ মন আৰু মগজুৰ ভিতৰত সেই যন্ত্ৰণাৰ সমাধান বিচাৰি দিশহাৰা হৈ ঘূৰি ফুৰে। এই দিশহাৰা অৱস্থাত তেওঁ সকলোৰে প্ৰত্যাশা পূৰণ কৰিবৰ বাবেই অইন বহুতো কাৰ্যত অংশ গ্ৰহণ কৰিব নোৱাৰাটোৱেই স্বাভাবিক, অথচ সেই কথাখিনিকে বহুতে বুজিব নোখোজে। অইন মানুহে বাহিৰৰ পৰা অনুমান কৰিব নোৱাৰা এই দিশহাৰা অৱস্থাৰ বাবেই পত্নী, প্ৰেমিকা, পৰিয়ালবৰ্গই তেওঁক ভুল বুজে, বন্ধুবৰ্গই আখ্যা দিয়ে অসামাজিক, নিকট সম্বন্ধলৈ নহা জনে অভিহিত কৰে অকৰ্মণ্য, অহংকাৰী অথবা দাম্ভিক। কোনেও হয়তো অনুভৱ কৰিব নোৱাৰে অসত্য এই প্ৰতিটো উক্তিয়েই এজন স্পৰ্শকাতৰ লেখকৰ হৃদয় কোনেও নজনাকৈয়ে কিদৰে বিদীৰ্ণ কৰে। লাহে লাহে তেওঁ হৈ পৰে নিঃসঙ্গ, নীৰৱ, নিৰ্বান্ধৱ।

মোৰো আজিকালি প্ৰায়ে অনুভৱ হয় যেন সৃষ্টিৰ এক অদমনীয় তাগিদাই প্ৰতিনিয়ত তাড়িত কৰি মোকো লৈ গৈছে এক নিঃসঙ্গ, নীৰৱ আৰু নিৰ্বান্ধৱ অৱস্থালৈ। এটা কথা মোৰ কিঞ্চিত মানো সন্দেহ নাই যে সৃষ্টিৰ তাগিদাৰ বাবেই প্ৰয়োজন হ'লে এক নিঃসঙ্গ যোগীৰ জীৱন যাপন কৰিবলৈও মোৰ সামান্যতম আপত্তি নাই। হোমেন বৰগোহাঞিৰ ভাষাৰে ক'ব গ'লে ক'ব লাগিব—'ফ্লবেয়াৰ, বালজাক, ডিকেন্স, ডষ্টয়েভস্কি আদি লেখকসকলৰ জীৱন ইতিহাস যিসকল লোকে ভালকৈ অধ্যয়ন কৰিছে তেওঁলোকে জানে যে অন্তহীন কষ্ট স্বীকাৰ, নিঃসঙ্গ আৰু সন্ন্যাসৰ বাহিৰে লেখকৰ সন্মুখত আন কোনো বিকল্প পথ নাই।'

সকলো সময়তে নহয়, কিন্তু সৃষ্টি-যন্ত্ৰণাৰ কোনো মুহূৰ্তত মোৰ অনুভৱ হয়, লিখনীৰ বিকল্প হিচাপে সেই মুহূৰ্তত মোৰ দুটাই পথ খোলা থাকে আৰু সেই দুটা হ'ল আত্মহত্যা কৰা ; সেয়া সম্ভৱ নহ'লে, যিমান সোনকালে পৰা যায়, সিমান সোনকালে নিজকে কোনো এখন পাগলা গাৰদত ভৰ্তি কৰোৱা। মই বিকল্প পথ দুটাৰ পৰা নিজকে আঁতৰত ৰাখিবলৈ প্ৰাণপণে চেষ্টা কৰি আহিছো।

মোৰ নিজৰেই এই অৱস্থা. মই এতিয়া মোৰ ভাতৃপ্ৰতীম উদীয়মান লেখকজনক কি ক'ম। মই তেওঁক ক'ব খোজোঁ-তেওঁ যদি লিখনীৰ জৰিয়তে এই পৃথিৱীৰ মানুহৰ সুখ-শান্তি অথবা সত্য আৰু ন্যায়ৰ সন্ধান কৰাৰ তাগিদা সঁচাকৈয়ে অনুভৱ কৰিছে, তেনেহলে তেওঁৰ উচিত হ'ব মানুহৰ কটাক্ষ, পত্নী, প্ৰেমিকা অথবা পৰিয়ালবৰ্গৰ অভিযোগ আওকাণ কৰি অপৰাজিত জেদেৰে কলম চলাই যোৱাৰ। তেওঁ হ'ব লাগিব নিৰ্ভীক, প্ৰকৃত প্ৰেমিক-সদৃশ। প্ৰয়োজন হ'লে লিখনীৰ বাহিৰে জীৱনৰ আন সকলো ত্যাগ কৰিবলৈ তেওঁ যিকোনো মুহূৰ্তত সাজু হৈ থাকিব লাগিব। মনত ৰাখিব লাগিব সকলোৰে আশা-আকাংক্ষা, আবদাৰ, দাবী, ইচ্ছা-অনিচ্ছা, আগ্ৰহ অনাগ্ৰহ, নিমন্ত্ৰণ-বিসৰ্জন সকলো নীৰৱে মানি চলি দৈনন্দিন জীৱনত সকলোৰে প্ৰিয়ভাজন হোৱাটোৱেই তেওঁৰ জীৱনৰ লক্ষ্য নহয়। লিখাটোক যিয়ে জীৱনৰ ব্ৰত আৰু কৰ্তব্য হিচাপে বাছি লয় তেওঁ দায়বদ্ধ তেওঁৰ হৃদয়ৰ তাগিদা আৰু লিখনীৰ ওচৰত।

হে মোৰ ভাতৃপ্ৰতীম সতীৰ্থ? লিখনীয়ে তোমাৰ পৰা দাবী কৰিব অন্তহীন ত্যাগ আৰু শ্ৰম। সেয়েহে কলম তুলি লোৱাৰ আগে আগে শেষবাৰৰ বাবে হ'লেও পুনৰায় এবাৰ প্ৰশ্ন কৰা—তুমি লিখিবই লাগিবনে? এইখিনিতে **Rainer Maria Rilke**-য়ে এজন তৰুণ কবিলৈ লিখা এখন চিঠিৰ ভাৱানুবাদ ( সুনীলৰ বঙালী অনুবাদৰ পৰা ) তোমালৈ আগবঢ়াব খুজিছো।

## তৰুণ কবিলৈ চিঠি

প্ৰিয় বন্ধু,

আপুনি আপোনাৰ কবিতা সম্পৰ্কত মোৰ মতামত বিচাৰিছে। আপুনি যিহেতু মোৰ পৰা উপদেশ বিচাৰিছে, সেয়েহে এই সুযোগতে আপোনাক এটা কথা কৈ থ'ব খোজো যে আপোনাক উপদেশ দিবলৈ কোনো নাই আৰু কোনেও আপোনাক সহায়ো কৰিব নোৱাৰে। আপুনি নিজৰ ভিতৰত প্ৰৱেশ কৰিব লাগিব আৰু আবিষ্কাৰ কৰিব লাগিব কিহে আপোনাক লিখিবলৈ আদেশ কৰে, চাব লাগিব অন্তৰৰ অন্তৰতম প্ৰদেশত তাৰ শিপা গজিছেনে নাই। ৰাতিৰ নিৰ্জনতম প্ৰহৰত নিজকে প্ৰশ্ন কৰক মই লিখিবই লাগিবনে? নিশ্চিত উত্তৰৰ সন্ধানত আপুনি ওচৰ যাওক নিজৰ গভীৰলৈ? যদি এই মহৎ প্ৰশ্নৰ সহজ আৰু নিৰ্ভীক উত্তৰ হয় 'মই লিখিবই লাগিব', তেতিয়া তাৰ প্ৰয়োজন অনুসৰি নিজকে আপুনি প্ৰস্তুত কৰি তোলক। তেতিয়া ভাবিবলৈ চেষ্টা কৰক যে আপোনাৰ প্ৰেম-বিৰহ, পোৱা-হেৰোৱাৰ কথা ক'বলৈ আপুনিয়েই একমাত্ৰ ব্যক্তি।

প্রেমৰ কবিতা নিলিখিব।

তৰুণসকল সকলো কামৰেই শিক্ষানবীশ ; ভালপোৱা কি তেওঁলোকে জনাটো সম্ভৱ নহয়। সেয়াও শিকিব লাগিব। তেওঁলোকৰ সমগ্র সত্তা, তেওঁলোকৰ সংশয়, নির্জন স্পন্দিত হৃদয়ৰ সমস্ত শক্তি এক কৰি তেওঁলোকে শিকিব লাগিব ভালপোৱা কি।

প্রথমতে সেই সকলো আঙ্গিক পৰিহাৰ কৰক, যিবোৰ অত্যন্ত পৰিচিত আৰু সাধাৰণ। সেইবোৰ ভীষণ কঠিন কাৰণ সেইবোৰৰ ভবিষ্যতে ইতিমধ্যে অজস্র সংখ্যক সার্থক আৰু মহৎ সৃষ্টি হৈ গৈছে, সেয়েহে দুর্লভ প্রতিভা অথবা পৈণত শক্তি নাথাকিলে তাৰ ভবিষ্যতে নিজস্ব কিবা এটা সৃষ্টি কৰাটো সম্ভৱ নহয়।

নিজৰ আকাঙ্ক্ষা আৰু দুখক চিত্রিত কৰক। হৃদয়ৰ অনুভূতি আৰু শান্ত-সৰল বিশ্বাসেৰে চিত্রিত কৰক আপোনাৰ গতিশীল চিন্তা আৰু নিজস্ব সৌন্দর্য বিশ্বাসক। নিজক প্রকাশ কৰক আপোনাৰ পৰিবেশ, স্বপ্নৰ ভাষা আৰু স্মৃতিৰ সঞ্চয়ৰ সহায়ত।

যদি আপোনাৰ প্রাত্যহিক জীৱন বর্ণনাৰ অনুপযুক্ত বুলি ভাব হয়, তেনেহ'লে তাক দোষ নিদিব : দোষ দিয়ক নিজকে। নিজকে বুজাওক যে তাৰ মাজৰ পৰা মুকুতা আহৰণ কৰিবলৈ যথেষ্ট কবিত্ব শক্তি আপোনাৰ নাই, কাৰণ যি প্রকৃততে স্রষ্টা তেওঁৰ ওচৰত কোনো দাৰিদ্র্য নাই ; কোনোৰে অকিঞ্চন নহয় আৰু একোৰেই নহয় অনুপযুক্ত।

শুভেচ্ছাৰে,

Rainer Maria Rikle

# এটা অ-ৰূপায়িত অন্তৰঙ্গ আলাপ

কেৰা মহলীয়া ওৱৰ্কমেন্‌স একচিডেণ্ট ইনচিউৰেন্স অফিচৰ তিনি মহলাত থকা আইন দপ্তৰলৈ বুকুত ঢুক ঢুক কঁপনি লৈ এজন সোতৰ বছৰীয়া তৰুণ, ৰেউতাকৰ লগত আগবাঢ়িছিল। আৰু মাত্ৰ কেইটামান ক্ষন্ত মুহূৰ্তৰ পিছতে সেই যুৱকজন মুখামুখি হব কৈশোৰৰ পৰাই এক পৰম ৰহস্যৰে আবৃত কৰি ৰখা ডেওঁৰ স্বপ্নৰ নায়কৰ লগতে।

ওচৰা-উচৰিকৈ ৰখা ডুখন টেবুলৰ পিছফালে ক্ষীণকায়, সুদীৰ্ঘ মানুহ এজন বহি আছিল। ৰেক-ব্ৰাছ কৰা ঘন ক'লা চুলি, টি-টিয়াই থকা হাড়সৰ্বস্ব এটা নাক, ঠেক কপালৰ দুই কাষে অবাক বিস্ময়েৰে ভৰা দুটা ধূসৰ নীল চকু আৰু ওঁঠত এটা পাতল মধুৰ হাঁহি।

বিস্ময়-বিমুগ্ধ তৰুণজনৰ কৌতূহল নিবাৰণ কৰি ৰেউতাকে কৈছিল এয়াই তেওঁ! লগে লগে মানুহজনে পৰম অন্তৰঙ্গভাৱে তৰুণজনৰ কালে কৰমৰ্দনৰ বাবে হাত আগ-বঢ়াই দিছিল। কৰ-মৰ্দনৰ সময়ত কিঞ্চিৎ মোহভংগ হোৱা তৰুণজনে মনে মনে ভাবিছিলও, এয়াই তেনেহলে সেই ৰহস্যময় পোকৃটিৰ নিৰ্মাণ কৰ্তা ( M.tamor-phosis ) ফ্ৰানৎস কাফ্‌কা!

সাহিত্যিক হোৱাৰ প্ৰবল বাসনা মনত পুহি ৰখা সিদিনাৰ সেই সোতৰ বছৰীয়া তৰুণজনৰ নাম আছিল গুস্তাফ জানুথ আৰু ঐতিহাসিক সেই প্ৰথম সাক্ষাতৰ সময় আছিল ১৯২০ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহৰ শেষ ভাগ। এই সাক্ষাতক 'ঐতিহাসিক' বুলি বায় দিয়াৰ কাৰণ হ'ল, সেইদিনাৰ পৰাই প্ৰায় নিয়মিতভাৱে গুস্তাফ জানুথৰ লগতে কাফ্‌কাৰ আৰম্ভ হৈছিল এক সুদীৰ্ঘ অন্তৰঙ্গ আলাপ। সুদীৰ্ঘ বুলি হয়তো এই আলাপক অভিহিত কৰিব নোৱাৰি; কাৰণ প্ৰথম পৰিচয়ৰ মাত্ৰ চাৰি বছৰ পিছতেই কাফ্‌কাই সাৱটি লবলগীয়া হৈছিল মৃত্যুক। কাফ্‌কাৰ নিজস্ব লিখনীৰ উপৰিও কাফ্‌কা সম্পৰ্কীয় বহুতো লিখনীৰ লগতে ( বোগাণ্ড গ্ৰেৰ সংকলনৰ পৰা আৰম্ভ কৰি আমাৰ মহেন্দ্ৰ বৰা ছাৰলৈকে ) বিভিন্ন সময়ত পৰিচিত হৈছো; কিন্তু এটা কথা মই স্বীকাৰ কৰিবই লাগিব যে কাফ্‌কা মানুহজনক বুজি পোৱাত মোক যিমন কিতাপে আটাইতকৈ বেছি সহায় কৰিলে সেইখন হ'ল গুস্তাফ জানুথৰ 'কাফ্‌কাৰ লগতে কথা-বাৰ্তা'। কাফ্‌কাৰ লগতে অন্তৰংগ আলাপৰ জৰিয়তে যি অনন্ত বিৰতভাৱে জানুথে ৰহস্যময় মানুহজনক অংকন কৰিছে তাৰ তুলনা বিশ্ব-সাহিত্যত ৰবেছি নাই। কাফ-

কাৰ ব্যক্তিগত বৈশিষ্ট্যৰ পৰা আৰম্ভ কৰি তেওঁৰ ৰুচি, সংবেদনশীলতা, বিষণ্ণতা এনে-দৰে এই আলাপৰ জৰিয়তে বাঙ্ময়হৈ উঠিছে যে কাফ্‌কাৰ সেই আপাত ৰোগাক্রান্ত, ৰহস্যময়, জটিল জগতখনত প্রৱেশ কৰিবৰ বাবে কাফ্‌কাৰ সৈতে এই সাক্ষাৎকাৰেই যেন একমাত্র চাবি-কাঠী। অন্তৰঙ্গ আলাপ অথবা সাক্ষাৎকাৰ যে এজন লেখকৰ চৌপাশে থকা শব্দৰ আৱৰণ ভাঙি ভিতৰত প্রৱেশ কৰাৰ আটাইতকৈ শক্তিশালী আহিলা হব পাৰে সেই কথা মই প্রথম অনুভৱ কৰিছিলো গুস্তাফ জানুথৰ সেই 'কাফ্‌কাৰ সৈতে কথা-বার্তা' শীর্ষক ক্ষুদ্র অথচ আলোকসন্ধানী সাক্ষাৎকাৰ ভিত্তিক পুথিখন পঢ়ি।

এটা সময়ত জানুথৰ দৰে মোৰো বয়স আছিল ঠিক সোতৰ বছৰ আৰু সেই সোতৰ বছৰ অথবা তাৰো আগৰ পৰাই ঠিক জানুথৰ দৰে ময়ো মনৰ ভিতৰত গোপনে এটা বাসনা পুহি ৰাখিছো যে মোৰ অন্যতম প্রিয় এগৰাকী লেখকৰ সৈতে ময়ো এদিন আৰম্ভ কৰিম এক সুদীর্ঘ আলাপ। মাত্র প্রভেদ এয়েই যে জানুথৰ সেই বাসনা এদিন পূৰণ হৈছিল আৰু মোৰ সেই বাসনা এতিয়াও অপূর্ণ হৈয়েই আছে। আজি মাত্র কেইটামান দিনৰ আগতে ( ২৫ মার্চ, ১৯৯৪ ) মোৰ সেই বাসনা পূৰণ হোৱাৰ প্রচণ্ড সম্ভাৱনাই দেখা দিছিল, কিন্তু দুর্ভাগ্যক্রমে সেইদিনা মোৰ অন্যতম প্রিয় লেখকজনৰ সৈতে পাৰ কৰা সময়ত এনেকুৱা এটা পৰিবেশ নাছিল, যি পৰিৱেশত এজন লেখকে নিজৰ চৌপাশে সুদীর্ঘ দিন ধৰি সচেতনভাৱে নির্মাণ কৰা শব্দৰ প্রাচীৰ ভাঙি মানুহ-জনৰ বুকুত টর্চ লাইটৰ পোহৰ পেলাৰ পৰা যায়। মোৰ সেই অ-ৰূপায়িত অন্তৰঙ্গ আলাপৰ নায়কজন হ'ল জ্ঞানানন্দ শর্মা পাঠকে 'সাহিত্য-বীথিকা'ত 'আমাৰ জন-জীৱনৰ আর্থ-সামাজিক পৰিৱর্তনৰ উত্তাল তৰঙ্গৰ মাজত এটা 'বেকন লাইট' বুলি অভিহিত কৰা শক্তিশালী লেখক হোমেন বৰগোহাঞি। অৱশ্যে এইখিনিতে এই কথাটোও মই স্পষ্ট কৰি দিব খোজো যে যদিওবা বৰগোহাঞিৰ ৰাজনৈতিক বিশ্লেষণ ভিত্তিক ৰচনাৰাজিয়ে মোক কেতিয়াবা কেতিয়াবা চমৎকৃত কৰিছে, তথাপি সেই ৰচনাৰাজিয়ে এটা কবিতাৰ স্তৱকে যিদৰে কেতিয়াবা পঢ়ুৱৈৰ হৃদয় মথিত কৰি তোলে, সেইদৰে কেতিয়াও মোক স্পর্শ কৰিবলৈ সক্ষম হোৱা নাই। বৰঞ্চ বহু সময়ত মোক কৰিছে ব্যথিত, তেখেতৰ প্রতি সন্দেহী। তেখেতৰ সম্পাদনাত কেতিয়াবা কেতিয়াবা 'সূত্ৰধাৰে' লোৱা ভূমিকাৰ বাবেতো মই তেখেতৰ প্রতি একান্ত অনুৰাগী সত্ত্বেও বিদ্রোহী হৈ উঠিবলৈ বাধ্য হৈছিলো। কিন্তু যেতিয়াই তেখেতে কলমৰ সহায়ত তীক্ষ্ণ অন্ত-দৃষ্টিৰে ক্ষমাহীন বিশ্লেষণেৰে নিজকে আৱিষ্কাৰ কৰাৰ প্রয়াস কৰিছে, যেতিয়াই তেখেত নিমগ্ন হৈছে জীৱনৰ সত্য উন্মোচনৰ বাবে, তেতিয়াই মোৰ ভাব হৈছে, কেতিয়াবা এই মানুহজনৰ লগত সময়, সুবিধা হলে মই অন্তৰঙ্গ আলাপত বাহিব লাগিব; যিদৰে

গোভৰ বছৰীয়া গুভাক জান্নুথ বহিছিল বহস্যময় কাক্‌কাৰ সন্মুখত। মোৰো পৰিকল্পনা আছিল জান্নুথৰ দৰে সাক্ষাৎকাৰ ভিত্তিক এখন পুথি প্ৰকাশৰ, নামাকৰণ কৰিলোহেঁতেন, 'ৰৱগোহাঞিৰ সৈতে মোৰ অন্তৰঙ্গ আলাপ।' কিন্তু হায়, সেই আলাপ এতিয়া ও বাস্তৱত অৰূপায়িত !

অন্তৰঙ্গ আলাপ অথবা সাক্ষাৎকাৰ সাম্প্ৰতিক সাহিত্য জগতত এক নতুন মাত্ৰা যোগ কৰিছে। এইখিনিতে এই কথাও উল্লেখ কৰিব পাৰি যে জীৱনৰ শেষ সময়-ছোৱাত অন্তৰঙ্গ আলাপক দাৰ্শনিক জঁ। পল ছাৰ্ত্ৰেয়ে চিহ্নিত কৰিছিল চিন্তাপ্ৰকাশৰ এক নতুন পদ্ধতি হিচাপে। শেষ বয়সত ছাৰ্ত্ৰেয়ে যেতিয়া দৃষ্টি শক্তি হেৰুৱাই পেলাইছিল, কলম তুলি লবলৈ তেওঁ হৈ পৰিছিল অক্ষম, তেতিয়াই ক্লান্তিহীন অনু-সন্ধানী ছাৰ্ত্ৰেয়ে উদ্ভাৱন কৰিছিল যে কাৰোবাৰ সৈতে অন্তৰংগ আলাপেই হব পাৰে তেওঁৰ চিন্তাৰ নতুন প্ৰকাশপদ্ধতি। এই আলাপৰ বাবে ছাৰ্ত্ৰেয়ে নিৰ্বাচন কৰিছিল বেনি লেভি নামৰ এজন দৰ্শনৰ ছাত্ৰক। আলাপৰ সময়ত প্ৰসংগক্ৰমে এদিন বেনি লেভিক জড়াগ্ৰস্ত ছাৰ্ত্ৰেয়ে কৈছিল—'কোনো এজনৰ সৈতে সংলাপৰ প্ৰয়োজন মই অনুভৱ কৰিছিলো। মোৰ পক্ষে আৰু লিখা সম্ভৱ নাছিল। মই তেতিয়া তোমাক এই কাম কৰিবলৈ কলো। কিন্তু লগে লগেই মই বুজিব পাৰিছিলো যে তোমাৰ কামটো চেক্ৰেটাৰীৰ কামৰ নিচিনা হব নোৱাৰে। মোৰ অনুসন্ধানৰ মাজলৈকে তোমাক নিয়াৰ প্ৰয়োজন। অন্য কথাত কবলৈ গ'লে আমি একেলগে অনুসন্ধান কৰা উচিত। ইয়াৰ ফলত মোৰ অনুসন্ধানৰ পদ্ধতি সলনি হৈছে। এতিয়ালৈকে এটা কলম আৰু কিছু কাগজ লৈ টেবুলৰ সন্মুখত বহি মই অকলেই কাম কৰিছিলো। কিন্তু এতিয়া এই পদ্ধতিৰে আমি চিন্তাক একেলগে আকাৰ দিম। এই পদ্ধতিৰেই বেনি লেভিয়ে ৰচনা কৰিলে সেই অপূৰ্ব গ্ৰন্থ 'শেষ-সংলাপ, জঁ। পল ছাৰ্ত্ৰে'।

ওপৰৰ কথাখিনি পঢ়িলে অথবা 'শেষ-সংলাপ'ৰ পাত লুটিয়ালে নিশ্চয় যিকোনো পঢ়ুৱৈয়ে এটা কথা বুজি পাব যে ছাৰ্ত্ৰেয়ে সাক্ষাৎকাৰত অন্য এক মাত্ৰা যোগ কৰি তাক কৰি তুলিছিল দুজন ব্যক্তিৰ চিন্তাৰ সমন্বয়ৰ এক সাঁকো অথবা অংকুৰ হিচাপে। মোৰ কেতিয়াবা কল্পনা কৰিবলৈ মন যায় যে অসমৰ কেইজনমান বুদ্ধিজীৱীয়ে যদি বেনি লেভি আৰু ছাৰ্ত্ৰেয়ে যি স্পিৰিটেৰে অন্তৰংগ আলাপত ৰত হৈছিল, ঠিক তেনে স্পিৰিটেৰে অন্তৰংগ আলাপত, অলপ ইগো আৰু সময়ৰ বিনিময়ত ৰহে, তেনেহলে চিন্তাই এক নতুন আকাৰ লোৱাৰ সম্ভাৱনা আছে। যেনে ধৰক তবেন বৰুৱা বহিছে আলাপত ডঃ হীৰেন গোহাঁইৰ সৈতে, ডঃ গোহাঁই ছেকেও বাউণ্ডত বহিছে ডঃ তবেন শইকীয়াৰ সৈতে, পিছৰ বাউণ্ডত ডঃ শইকীয়া বহিছে হোমেন বৰগোহাঞিৰ সৈতে। এই প্ৰতিটো বাউণ্ডৰ অভিজ্ঞতাৰ ভিত্তিত অসমীয়া সাহিত্য চহকী কৰি একোখন

আলোক সন্ধানী, ভাবোদ্দীপক পুথি বচিত হব পাৰে। এনে ধৰণৰ নতুন চিন্তা অংকুৰিত কৰা সাক্ষাৎকাৰৰ প্ৰক্ৰিয়াটো দূৰলৈও চলাই থাকিব পাৰি। উদাহৰণবোৰ এনেকুৱা ধৰণৰ হব, যেনে প্ৰদীপ আচাৰ্য্যই কথা পাতিছে অজিত বৰুৱাৰ লৈতে, অজিত বৰুৱাই হীৰুদাৰ লগত, হীৰুদাই কবীন ফুকনৰ লগত, ফুকনে বঞ্জিৎ দেৱ গোস্বামীৰ লগত, গোস্বামীয়ে ড° গোবিন্দ প্ৰসাদ শৰ্মাৰ লগত, শৰ্মাই……। সেই-ফালে কল্পনা কৰক, পৰাগ কুমাৰ দাস অন্তৰংগ আলাপত মগ্ন কনক সেন ডেকাৰ লৈতে, ডেকা অজিত ভূঞাৰ লগত, ভূঞা মেদিনী চৌধুৰীৰ লগত……। এটা কথা মোৰ ভাবিবলৈ মন যায় যে সুস্থ স্পিৰিটেৰে আৰম্ভ কৰা এনে অন্তৰংগ আলাপে সম্প্ৰতি সামাজিক, ৰাজনৈতিক, সাহিত্যিক জীৱনক আৱৰি থকা ধুঁৱলি-কুঁৱলীৰ আৱৰণ আঁতৰাই আমাক পোহৰৰ বেঙণি কিজানি দেখুৱাব পাৰিলেহেঁতেন! But who will bell the cat?

বেনি লেভি আৰু ছাৰ্ত্ৰেৰ আলাপৰ সমকক্ষ নহ'লেও আমাৰ বাবে বিগত বছৰ-টোৱে সাক্ষাৎকাৰৰ সন্দৰ্ভত কিছু আশাৰ বাতৰি কঢ়িয়াই আনিছে। এজন সৃজন-শীল লেখকৰ হৃদয় আৰু মগজুৰ অনিচ্ছুক কপাট খুলিবৰ বাবে যে সাক্ষাৎকাৰ এটা নিশ্চিত চাবিকাঠী হব পাৰে, সেই কথাটো কেবাজনো সম্পাদকে বিশ্বাস কৰিবলৈ আৰম্ভ কৰিছে। সেয়েহে যোৱা এক দুই বছৰত প্ৰকাশিত কেবাটাও নিষ্ঠাবান সাক্ষাৎকাৰে লেখকৰ ব্যক্তিগত ৰুচি, লেখাৰ প্ৰেৰণা, পটভূমি সম্পৰ্কত আমাৰ কৌতূহল বহু পৰিমাণে নিবৃত কৰিবলৈ সক্ষম হৈছে। 'শ্ৰীময়ী'ৰ বাবে হেমন্ত বৰ্মণে লোৱা হোমেন বৰগোহাঞিৰ 'মই জীৱনৰ অৰ্থৰ সন্ধান কৰিছো' শীৰ্ষক সাক্ষাৎকাৰটো পঢ়াৰ পিছত এনেকুৱা লাগিছিল, সেয়া যেন বৰ্মণ নহয়, মইহে বৰগোহাঞিৰ সন্মুখত বহি আছো। সেই কৈশোৰৰ পৰা 'কাঠনিবাৰীৰ ঘাট'ৰ বিদ্যুৎ চমকেৰে এতিয়াও আমাক আবিষ্ট কৰি ৰখা মহিম বৰা নামৰ বৰ্তমানৰ প্ৰেৰণাহীন, বিষণ্ণ মানুহজনৰ ওচৰলৈ সিদিনা শোণিত বিজয় দাসে পথ দেখুৱাই লৈ গ'ল 'কথা'ৰ বাবে লোৱা এটা সাক্ষাৎকাৰৰ জৰিয়তে। আৰু আমাৰ দৰে ওচৰৰ পৰা পৰিচয় নথকা দূৰৰ পঢ়ুৱৈয়ে ড° প্ৰফুল্ল দত্ত গোস্বামীৰ Unique মেজাজৰ কথা কিদৰে জানিলোহেঁতেন, যদিহে বঞ্জিৎ কুমাৰ দেৱ গোস্বামীয়ে 'কথা'ৰ বাবে লোৱা সাক্ষাৎকাৰত শ্ৰীগোস্বামীৰ নিজস্ব ভংগিমা অবিকল ৰূপত ধৰি নাৰাখিলেহেঁতেন! চন্দ্ৰ, সূৰ্য্য, আকাশৰ তলত সংঘটিত (Anything under the sun) সকলো-বৰ সকলো ঘটনাৰ ওপৰতে নিজস্ব মত প্ৰকাশৰ কৰ্তব্যক ড° হীৰেন গোহাঁই ছাৰে এনে এক মিছন হিচাপে লৈছে যে যোৱা কেইটামান বছৰত কিজানি তেখেতৰ নিয়মীয়াকৈ শ্বাস-প্ৰশ্বাস লবলৈও সময়ৰ অভাৱ হৈছে। তেনে এক সময়-সংকটৰ মাজতো চন্দ্ৰ প্ৰসাদ শইকীয়াই ড° গোহাঁইৰ যি অপূৰ্ব সাক্ষাৎ-

কাব 'গবীয়সী'ব জৰিয়তে আমাক উপহাৰ দিলে, তাৰ বাবে 'গবীয়সী' নিঃসন্দেহে ধন্যবাদাৰ্হ'। কবলৈ দ্বিধা নাই যে ড° গোঁহাইৰ তীক্ষ আৰু সাহসী বিশ্লেষণ আৰু 'ড° গোঁহাই-ষ্টাইল'ৰ Punch ৰ বাবে অভূতপূৰ্ব জনপ্ৰিয়তা লাভ কৰা 'প্ৰসংগক্ৰমে'ৰ উত্তেজনাৰ মাজতো আমি পৰম তৃষ্ণাৰে অপেক্ষা কৰি বওঁ তেখেতৰ 'গবীয়সী'ত লোৱা ধৰণৰ চিৰিয়াছ সাক্ষাৎকাৰৰ বাবে। আমি জনাত অসমীয়াত এতিয়াও অকল সাক্ষাৎকাৰৰ কোনো সংকলন প্ৰকাশিত হোৱা নাই। মোৰ ভৱিষ্যত বাণী কৰিবৰ মন যায় যে চন্দ্ৰপ্ৰসাদ শইকীয়ায়েই কিজানি এই ক্ষেত্ৰত বাটকটীয়া হোৱাৰ গৌৰৱ অৰ্জন কৰিব!

অসমীয়া সাহিত্যত সাক্ষাৎকাৰৰ সংকলনৰ অভাৱৰ কথা কোৱাৰ লগে লগে মোৰ মনলৈ আহিছে ম্যাকমিলন ইণ্ডিয়া লিমিটেডে প্ৰকাশ কৰা তেনে এখন সংকলনৰ কথা। সাক্ষাৎকাৰৰ জৰিয়তে কিদৰে নিজৰ সৃষ্টিৰ আৱৰণত মুখ লুকুৱাই থোৱা লেখকজনৰ মুখাৱয়ৱ আমাৰ দৃষ্টিৰ মুখামুখি হয়, কিদৰে তেওঁৰ জীৱন্ত কণ্ঠস্বৰ আমাৰ কাণত ভাঁহি উঠে, তাৰ উমান পাব পাৰি, 'কনভাৰ্ছেছনস উইথ আমেৰিকান ৰাইটাৰ্ছ' শীৰ্ষক এই সংকলনখনৰ পাত লুটিয়ালে। চৌধ্যজন আমেৰিকান লেখকৰ সাক্ষাৎকাৰৰ ভিত্তিত চাৰ্লস ৰুয়াসে এই সংকলন আগবঢ়াইছে। নৰ্মান মেইলাৰ, জোশেপ হেলাৰ আদি লেখকে সম্প্ৰতি কি চিন্তাত বিভোৰ হৈ আছে, দেশৰ সমস্যাবোৰ তেওঁলোকে কোন দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰাতো উচিত হব বুলি বিবেচনা কৰিছে, তেওঁলোকৰ ব্যক্তিগত ৰুচি-অভিৰুচি, জীৱন যাপনৰ প্ৰক্ৰিয়া কেনে ধৰণৰ, তেওঁলোকৰ উপন্যাসত বাস্তৱৰ চৰিত্ৰই কিদৰে ৰূপ সলাইছে তাক চাৰ্লস ৰুয়াসে কথোপকথনৰ জৰিয়তে আৱিষ্কাৰ কৰি দাঙি ধৰিছে পঢ়ুৱৈৰ সন্মুখত। ইচ্ছা কৰিলে চন্দ্ৰপ্ৰসাদ শইকীয়া, কবীন ফুকন, বঙ্কিম দেৱ গোস্বামী, অথবা হেমন্ত বৰ্মণ, শোণিত বিজয় দাসে অলপ পৰিকল্পিত ভাৱে আগবাঢ়িলেই অন্ততঃ কিছুদিনৰ বাবে চাৰ্লস ৰুয়াসৰ ৰূপ লব পাৰে আৰু আমাক উপহাৰ দিব পাৰে সাক্ষাৎকাৰ ভিত্তিক একোখন অপূৰ্ব গ্ৰন্থ। অসমীয়া সাহিত্যত এনে সংকলনে যে এক নতুন ঐশ্বৰ্যাশালী মাত্ৰা যোগ কৰিব সেই সম্পৰ্কত মই নিশ্চিত।

মোৰো পৰিকল্পনা আছিল তেনে এখন সাক্ষাৎকাৰ ভিত্তিক গ্ৰন্থ প্ৰকাশৰ। শুভাক জাহ্নৱৰ দৰে সেই সোতৰ বছৰ বয়সৰ পৰা অথবা তাৰো আগৰে পৰাই মই বৰগোঁহাইৰ সৈতে এবাৰ অন্তৰংগ আলাপত বহাৰ বাসনা এটা মনৰ ভিতৰত পুহি ৰাখিছো। মোৰ পৰিকল্পনা আছিল সূৰ্য্যাস্তৰ পিছত কোনো নিৰ্জন স্থানত আমি দুয়ো একেলগে বহিম, সন্মুখত থাকিব আমাৰ সুৰাৰ গিলাছ, আকণ্ঠ পান কৰি

আন্ধাৰ-পোহৰৰ মাজত আমি ধীৰে ধীৰে খুলিম আমাৰ হৃদয়ৰ দুৱাৰ। তেখেতে পাৰ কৰি অহা কৈশোৰ, যৌৱন আৰু একাকিত্বৰ আলোকত মই সন্ধান কৰিম 'মোক'। মুখেৰে হয়তো আমি কোনো শব্দ উচ্চাৰণ নকৰিম, কাৰণ শব্দহীনতাও কেতিয়াবা হব পাৰে অন্তৰংগ আলাপৰ মাধ্যম। কিন্তু হায়, সেই আলাপ এতিয়াও অ-ৰূপায়িত!

(২৫ মাৰ্চ, ৭৪-ত হোমেন বৰগোহাঞিৰ সৈতে তুলীয়াঙানত এটা সন্ধিয়া পাৰ কৰাৰ সুযোগ পাইছিলো। সেই সন্ধিয়াৰ স্মৃতিত আজিৰ এই লিখনীটো উছৰ্গিত।)

# যুক্তি, অস্তিত্ব আৰু চেতনা

মানুহৰ চিন্তা শক্তিৰ বিৱৰ্তনৰ সাৰথি আৰু জীৱনৰ পথ প্ৰদৰ্শক হিচাপে যে যুক্তিকেই আটাইতকৈ গুৰুত্বপূৰ্ণ স্থান দিয়া উচিত, সেই কথাকেই আমি এই আলোচনাত দেখুৱাবলৈ প্ৰয়াস কৰিম। সম্পূৰ্ণ যৌক্তিকতা নিঃসন্দেহে এটা দুৰ্লভ আদৰ্শ; তথাপি তুলনামূলকভাৱে নিজকে যুক্তিবাদী হিচাপে গঢ়াৰ প্ৰচেষ্টা নিঃসন্দেহে প্ৰশংসনীয় আৰু লগতে এক স্বকীয় ব্যক্তিত্বৰ অস্তিত্বৰ বাবে প্ৰয়োজনীয়। কোনো-ৰকমৰ বাহ্যিক প্ৰভাৱৰ দ্বাৰা প্ৰভাৱান্বিত নোহোৱাকৈ সকলো ৰকমৰ তথ্য বা প্ৰমাণ বিশ্লেষণ কৰি কোনো এটা বিশ্বাস বা ধাৰণাত উপনীত হোৱাটোকে সহজ কথাত যৌক্তিকতা বুলি কব পাৰি। সুস্থ চিন্তাশক্তি আৰু বিচাৰজ্ঞান অবিহনে এই যৌক্তি-কতাৰ চৰ্চা সম্পূৰ্ণৰূপে নিস্ফল; সেয়েহে প্ৰত্যেক ব্যক্তিৰে এটা উদ্দেশ্য হোৱা উচিত বাহ্যিক প্ৰভাৱমুক্ত এক স্বকীয় বিচাৰধাৰাৰ অধিকাৰী হবলৈ চেষ্টা কৰা; অন্যথাই আমাৰ অস্তিত্ব আৰু চেতনা ক্ৰমশঃ গোলামী আৰু গোলামী মনোবৃত্তিৰ নামান্তৰ হবলৈ বাধ্য।

গোলামী মনোবৃত্তি বা যুক্তি-আৰু চিন্তাশক্তিৰ স্বাধীনতাৰ অপমৃত্যুৱেই মানুহৰ মন আৰু চেতনাক এক অসংজ্ঞাবদ্ধ শূন্যতালৈ ৰূপান্তৰিত কৰে। ছাৰ্ত্ৰৰ অস্তিত্ববাদতো ইয়াৰ বিনিকি বিনিকি সুৰ শুনিবলৈ পোৱা যায়। ছাৰ্ত্ৰৰ গোটেইখিনি ৰচনাতেই ব্যক্তিসত্বাৰ স্বীকৃতি আৰু মূল্যৰ ওপৰত অধিক জোৰ প্ৰয়োগ কৰা পৰিলক্ষিত হয়; যদিওবা বহু ক্ষেত্ৰত এই জোৰ দাৰ্শনিক বিক্ষিপ্ততাৰহে পৰিণতি লাভ কৰা দেখা যায়। তথাপি ছাৰ্ত্ৰে সম্পৰ্কত এটা কথা সামান্যতম সন্দেহ নোহোৱাকৈ কব পাৰি যে ছাৰ্ত্ৰেই কেতিয়াও ভগবান, প্ৰকৃতি আৰু ইতিহাসৰ প্ৰতি দুৰ্বলতা দেখুওৱা নাই; সমগ্ৰ সৃষ্টিত ছাৰ্ত্ৰেই একসুৰে যুক্তি আৰু যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত স্বাধীনতাৰ ওপৰত বিশ্বাস প্ৰদৰ্শন কৰি আহিছে। আমিও এই আলোচনাত মানুহৰ যৌক্তিক অস্তিত্বৰ প্ৰয়োজনীয়তাৰ ওপৰত অধিক জোৰ দি যাম।

এইটো কথা আমি স্বীকাৰ কৰিবই লাগিব যে আমাৰ জীৱনৰ গতিপথ আৰু চেতনাৰ কম্পন প্ৰায় সম্পূৰ্ণৰূপে সৰুকালত মা-দেউতাই, স্কুলত শিক্ষকে, ডাঙৰ হোৱাৰ পিছত কিতাপ আৰু সামাজিক পৰিবেশে চাবোচেৰে সুৰাই দিয়া জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰি আহিছে। সেয়ে আমাৰ সমাজত চেতনাৰ নতুনৰ পাপ, চেতনাৰ জাগৰণ বলিয়ালি আৰু সেইবাবেই আমাৰ অস্তিত্ব বহুদিন আগতে ইতিহাস

হৈ যোৱা এটা মৃত পৰিবেশৰ নামান্তৰ। চেকেণ্ডহেণ্ড গাড়ীৰ দৰে আমাৰ চিন্তাধাৰাও নতুনত্ববিহীন ; আমাৰ চেতনা জড়তাপ্ৰাপ্ত, মৃত ; যুক্তিৰ তীক্ষ্ণতাত জ্ঞানৰ সত্যতাৰ পৰীক্ষা লোৱাৰ উৎসাহ আমাৰ পংগু আমাৰ অস্তিত্বৰ গতি নাই ; বন্ধ পুখুৰীৰ পানীৰ দৰে ই স্থিৰ নতুন সৃষ্টিৰ শক্তি আমাৰ বন্ধ্যা। বন্ধ্যাশক্তি আৰু জড়তাপ্ৰাপ্ত চেতনাৰে কোনোবাই যদি নিজৰ অস্তিত্বৰ দাবী কৰে, তেনেহলে তেওঁৰ দাবীৰ উত্তৰত আমি ইয়াকে কবলৈ বাধ্য হম যে তেওঁৰ প্ৰতি আমাৰ পুতৌ উপজিছে আৰু আটাইতকৈ দুখৰ কথা হ'ল মানৱ সমাজৰ অধিক সংখ্যককে আমি তাৰ বাবে পুতৌ কৰিব লগীয়াত পৰে আৰু তাৰ একমাত্ৰ কাৰণ হ'ল আমি যুক্তিৰ ওপৰত জীয়াই নাথাকি জীয়াই থাকো প্ৰভাৱৰ ওপৰত—কেতিয়াবা সেই প্ৰভাৱ আহে মা-দেউতা, শিক্ষক, তথাকথিত জ্ঞানী-পুৰুষৰপৰা আৰু কেতিয়াবা সামাজিক পৰিবেশৰ পৰা।

অপৰাধীলোকক বন্দীশালত ৰাখি শাস্তি দিয়াৰ কাৰণ হ'ল—বন্দীত্বই মানুহৰ স্বাধীনতা খৰ্ব কৰে ; অন্যথাই বন্দীত্বক শাস্তি বুলি কোৱাৰ কোনো যুক্তিয়েই নাথাকিলহেঁতেন। আমাৰ সামাজিক পৰিবেশ মা-দেউতাৰ আৱেগিক প্ৰভাৱ যুক্তিহীন নৈতিকতাৰ বাধা—এই সকলোবোৰ নিবিড়ভাৱে বিশ্লেষণ কৰাৰ পিছতে আমি অনুভৱ কৰিবলৈ বাধ্য হওঁ যে বন্দীশালৰ দুৰ্ভগীয়া বন্দীতকৈ আমি কোনোগুণে ভাল অৱস্থাত জীয়াই থকা নাই। যুক্তিহীন নৈতিকতা বন্দীশালৰ বন্ধ দুৱাৰৰ নিচিনা আৰু দুৱাৰৰ আঁৰত আমি অহৰহ ব্যস্ত আমাৰ চেতনাৰ কম্পনক নিষ্ঠুৰভাৱে হত্যা কৰাৰ প্ৰচেষ্টাত। সেয়েহে আমাৰ চেতনাৰ কম্পন থাকিও প্ৰকাশ নাই, অস্থিৰতা থকা সত্ত্বেও উদ্গীৰণ নাই, শক্তি থকা সত্ত্বেও বিস্ফোৰণ নাই। যিদৰে ৰেলষ্টেচনৰ আশে-পাশে বাস কৰা লোক লাহে লাহে গাড়ীৰ কৰ্কশ শব্দৰ প্ৰতি অভ্যস্ত হৈ যায়, আৰু এসময়ত সেই শব্দৰ অস্তিত্বই অনুভৱ নকৰা হয়, সেইদৰে আমাৰ চেতনাৰ কম্পনো আমি লাহে লাহে দুৰ্বলতা হৈ আছিছো ; আৰু সেয়ে আজি আমাৰ চেতনা মৃত ; আমাৰ অস্তিত্ব গতিহীন।

নৈতিকতাৰ কথা আলোচনা কৰাৰ আগতে আমি এটা কথা স্পষ্টভাৱে কৈ লোৱাটো উচিত হব যে আমি মানুহৰ স্বাভাৱিক-অস্বাভাৱিক সকলো ৰকমৰ ইচ্ছা-আকাংখাৰ প্ৰতি সন্মান দেখুৱাই যদি এখন নৈতিকতাহীন মানৱ সমাজ ৰচনাৰ স্বপ্ন দেখো তেনেহলে সেই স্বপ্ন মাথো মানৱ সমাজৰ কবৰস্থানৰ নামান্তৰ হ'ব। যুক্তিহীন নৈতিকতাৰ ওপৰত পৰাজয় বৰণ কৰাটো যিদৰে কাপুৰুষতা ; তেনেদৰে বৈচিত্ৰ্য আৰু নতুনত্বৰ নামত যুক্তিপূৰ্ণ নৈতিকতাৰ বিৰোধ কৰাটো উচ্ছৃংখলতা আৰু সৃষ্টিমূলক বিৱৰ্তনৰ বাবে দুইটা সমানেই অন্তৰায়। প্ৰথমটো অতিক্ৰম কৰিবলৈ সততা আৰু সাহসৰ প্ৰয়োজন আৰু দ্বিতীয়টো অতিক্ৰম কৰিবলৈ শৈশৱ চেতনাৰ প্ৰয়োজন।

আমাৰ প্ৰবীণ সমাজে দি যোৱা নৈতিকতাই যদি আমাক সততা, যুক্তি আৰু সাহসৰ ওপৰত মূল্য দিবলৈ শিকালেহঁতেন, তেনেহলে প্ৰবীণ গোষ্ঠীক লৈ আজি আমি গৌৰৱান্বিত অনুভৱ কৰিলোহেঁতেন। প্ৰবীণ সমাজে দি যোৱা নৈতিকতাৰ বিষয়ে বিশদভাবে আলোচনা কৰিবলৈ হ'লে এক সুদীৰ্ঘ আলোচনাৰ প্ৰয়োজন হব সেয়েহে তাৰপৰা বিৰত থাকি বৰ্তমানে আমি ইয়াকে কব খোজে যে প্ৰাক-বৈবাহিক আৰু পৰ-পুৰুষ বা পৰ-নাৰীৰ লগত যৌন-সংসৰ্গক অবৈধ বুলি ঘোষণা কৰাৰ বাহিৰে নৈতিকতাৰ কোনো কামেই নোহোৱা হৈ পৰিছে। এই নৈতিকতাৰ বান্ধোনো বহুত সময়ত শিথিল হোৱা দেখা যায়, যদিহে তাত সামাজিক অপবাদৰ কোনো ভয় নাথাকে। অন্য কথাত আমাৰ নৈতিকতাৰ বান্ধোন যুক্তিৰ ওপৰত নিৰ্ভৰ নকৰি নিৰ্ভৰ কৰে সামাজিক অপবাদৰ ওপৰত আৰু তাৰ ফলস্বৰূপেই আমি আমাৰ ব্যক্তিত্ব হেৰুৱাব লগা হৈছে, ছাত্ৰে', হেগেল কিৰ্কগাৰ্ডে ব্যাখ্যা কৰা ব্যক্তিত্বৰ স্বীকৃতি ( recognition of my being as an individual )। যদিও মাৰ্ক্সবাদ সম্পৰ্কত কোনোবকমৰ মন্তব্য কৰা আমাৰ এই আলোচনাৰ উদ্দেশ্য নহয়, তথাপি এটা কথা কব পাৰি যে মাৰ্ক্সবাদী আৰু ছাত্ৰ'ৰ দাৰ্শনিক সংঘৰ্ষৰ এটা মূল কাৰণ হ'ল—ছাত্ৰেঁই মানুহক মূলতঃ এটা অসামাজিক, অ-ঐতিহাসিক ব্যক্তি বুলি ঘোষণা কৰিছে আৰু এই ঘোষণাৰ অন্তৰালত লুকাই আছে ছাত্ৰে'ৰ ব্যক্তিসত্বাৰ ওপৰত প্ৰচণ্ড গুৰুত্ব আৰোপ। মিছা নৈতিকতা, সামাজিক অপবাদ ইতিহাসৰ প্ৰভাৱে স্পৰ্শ কৰিব নোৱাৰা এই ব্যক্তিসত্বাৰ মূল্য যেতিয়ালৈকে মানুহে বুজিব নোৱাৰিব, যেতিয়ালৈকে এই ব্যক্তিসত্বাক মানুহে শ্ৰদ্ধা কৰিবলৈ নিশিকিব; তেতিয়ালৈকে চেতনাৰ জাগৰণ, অস্তিত্বৰ গতিশীলতা মাথো বৃথা স্বপ্ন হৈ ৰব। সেয়েহে গল্প-উপন্যাসতে ছাত্ৰে'য়ে ব্যক্তিক সমাজৰ লগত লীন হৈ যোৱা এটা অংশ হিচাপে বিশ্লেষণ নকৰি, ব্যক্তিৰ নিঃসঙ্গ চেতনাক বিশ্লেষণ কৰাৰ প্ৰয়াস কৰিছে।

ছিমন দি বিওভাৰে—সামাজিক বা ব্যক্তিগত সকলোবকমৰ নীতি শিক্ষাৰ উদ্দেশ্য এটাই হোৱাৰ ওপৰত জোৰ দিছে, আৰু সেয়ে হ'ল স্বাধীনতাক সন্মান দিবলৈ শিকোৱা। ছাত্ৰে'ৰ মতে স্বাধীনতা হ'ল—চেতনাৰ গতিশীলতা, মানসিক প্ৰতিফলনৰ সমৰ্থ্য, বিশ্বৰ লগত লীন হৈ নোযোৱাৰ ক্ষমতা, দূৰৈত ৰাখি বস্তুৰ যৌক্তিক বিশ্লেষণ কৰাৰ অধিকাৰ ছাত্ৰে'ৰ এই স্বাধীনতা আমি কিয় উপভোগ কৰিব পৰা নাই, সেয়া বিশ্লেষণ কৰি চালে যদিওবা অনেক কাৰণ দৃষ্টিগোচৰ হয়, তথাপি দুটা কাৰণ আমি আটাইতকৈ শক্তিশালী বুলি অনুভৱ কৰিবলৈ বাধ্য হৈছো, সেয়া হ'ল মাক-দেউতাক আৰু প্ৰবীণ-সমাজৰ দখলি প্ৰবৃত্তি : লগতে আবেগিক অত্যাচাৰ। হয়তো মাক-দেউতাকৰ বাবে এই তথ্য যথেষ্ট নিষ্ঠুৰ অনুভৱ হব পাৰে; তথাপি ইয়াক অস্বীকাৰ

কৰাৰ আমি কোনো যুক্তি বিচাৰি পোৱা নাই। এই সম্পৰ্কত বাৰ্ট্ৰাণ্ড ৰাছেলেও অনেক কথা লিখিছে। তেখেতৰ মতে অসহায়, নবাগত শিশুৰ প্ৰতি মাক-দেউতাকৰ মৰম অকল শিশুটোৰ তৃপ্তিৰ বাবে নহয়; ই মাক-দেউতাকৰ নিজৰ ল'ৰা-ছোৱালীৰ ওপৰত প্ৰভুত্ব কৰাৰ ইচ্ছাকও তৃপ্ত কৰে। সেয়েহে যদিও সন্তান প্ৰেমক সম্পূৰ্ণৰূপে স্বাৰ্থ শূন্য বুলি সাধাৰণতে কোৱা যায়, তথাপি এয়া সঁচা যে ইয়াৰ অন্তৰালত থাকে মাক-দেউতাকৰ ক্ষমতা-প্ৰয়োগৰ প্ৰবৃত্তি। ৰাছেলে এঠাইত লিখিছে—'শিশুৱে নিজে খাবলৈ শিকাৰ পিছতও যদি আপুনি তাক খুৱাই দিয়ে, তেতিয়াহ'লে বুজা যাব যে শিশুৰ কল্যাণতকৈ এই ক্ষেত্ৰত আপুনি নিজৰ ক্ষমতাপ্ৰিয়তাকহে অগ্ৰাধিকাৰ দিছে; যদিওৱা আপুনি কৰ যে স্নেহবশতহে আপুনি এই কাম কৰিছে। আপুনি যদি তাক বিপদ সম্পৰ্কে খুব বেছি সচেতন কৰি দিয়ে, তেতিয়াহ'লে বুজা যাব যে আপুনি নিজৰ সন্তানক অধীন ৰখাৰ চেষ্টাতহে এয়া কৰিছে। আপোনাৰ আড়ম্বৰপূৰ্ণ মৰমৰ যদি আপুনি প্ৰতিদান আশা কৰে; তেতিয়াহলে বুজা যাব যে এই আবেগিক সম্বন্ধৰ জৰিয়তে আপুনি তাক বান্ধি ৰখাৰ চেষ্টা কৰিছে।" মাক-দেউতাক আৰু সন্তানৰ মাজৰ আবেগিক সম্বন্ধৰ ফলত সন্তানৰ মনত সৃষ্টি হোৱা ভাবানুভূতি এটা সুস্থ মানসিকতা আৰু মুক্ত জীৱন সৃষ্টিৰ পথত প্ৰধান অন্তৰায়। প্লেটোইও এই কথা সমৰ্থন কৰিছে আৰু সেয়েহে তেওঁ শিশুক মাক-দেউতাকৰ প্ৰত্যক্ষ সম্পৰ্কত নাৰাখি অন্য শিশুৰ সৈতে একেলগে ডাঙৰ-দীঘল কৰাৰ কথা উনুকিয়াই গৈছে। বৰ্তমানৰ সামাজিক পৰিবেশত বাস কৰি এনেকুৱা এটা বিচাৰধাৰা মানি লোৱাটো আমাৰ বাবে নিশ্চয়কৈ কষ্টকৰ আৰু নিষ্ঠুৰ যেন অনুভৱ হ'ব; সেয়েহে এই ক্ষেত্ৰত এটা অধিক বাস্তৱবাদী পন্থা আৱিষ্কাৰৰ প্ৰয়াস কৰাটো আমাৰ বাবে উচিত হ'ব। বৰ্তমানে আমি এটা কথাই কব খোজো যে মাক-দেউতাকৰ আবেগিক অত্যাচাৰৰ গুলাম নহৈ সকলো ৰকমৰ অযৌক্তিক কাৰ্যৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ শিক্ষা আমি গ্ৰহণ কৰা উচিত; খুব বেছি সমাজে তাৰ বাবে আমাক বিপথগামী আখ্যা দিব। এই সম্পৰ্কতে আমি পুনৰ বাৰ্ট্ৰাণ্ড ৰাছেলৰ কেইটামান কথা উদ্ধৃত কৰাটো উচিত হব বুলি ভাবো। তেখেতে লিখিছে— "আপোনাৰ শৈশৱ যিয়ে নিয়ন্ত্ৰণ কৰিছিল তেওঁৰ প্ৰতি যদি অসম্মান দেখুৱাব লগা হয় তেনেহলে তাৰ বাবে ভয় পোৱাৰ কোনো কাৰণ নাই। সেই সময়ত আপুনি অসহায় আৰু বুদ্ধিহীন আছিল কাৰণে তেওঁলোকক আপুনি ক্ষমতাশালী আৰু জ্ঞানী বুলি ভাবিছিল; এতিয়া, যিহেতু আপুনি সেই ছুটাৰ এটাও নহয়, গতিকে এতিয়া আপোনাৰ উচিত হ'ব—সেই সময়ত তেওঁলোকৰ প্ৰতি নিতান্ত অভ্যাসবশতঃ যি সম্মান প্ৰদৰ্শন কৰিছিল, সেয়া তেওঁলোকৰ সঁচাকৈ প্ৰাপ্য হয় কি নহয় তাক বিবেচনা কৰি

ছোৱা আৰু তাৰ বাবে প্ৰয়োজন হ'ব, তেওঁলোকৰ আপাতদৃষ্ট শক্তি আৰু বিজ্ঞতা পৰীক্ষা কৰি চোৱাৰ।"

মাক-দেউতাকৰ মতৰ বিপৰীতে গলেই সন্তানক 'বিপথগামী' বুলি আখ্যা দিয়াতকৈ সিহঁতৰ ইচ্ছা যুক্তি আৰু স্বাধীনতাৰ প্ৰতি সন্মান দেখুওৱাটোহে মাক-দেউতাকৰ অধিক উচিত হ'ব বুলি আমি কব খোজো। যুক্তিৰ দ্বাৰা পৰিচালিত হৈ সমাজ আৰু পিতৃ-মাতৃৰ বিৰুদ্ধে যোৱাটো বিপথগামীতা নহয়; ই সততা আৰু সাহসিকতাৰ পৰিচয়। আমি সেই দিনটোৰ বাবে আশাৰে বাট চাই আছো, যিদিনা প্ৰত্যেক পিতৃ-মাতৃয়ে নিজ সন্তানৰ এই সাহসিকতাৰ বাবে লজ্জিত নহৈ গৌৰৱান্বিত বোধ কৰিবলৈ শিকিব। মাক-দেউতাকৰ এনেকুৱা মনোভাৱে সন্তানক নিশ্চয়কৈ এক যুক্তিবাদী অস্তিত্বৰ বাবে যুঁজ কৰিবলৈ সাহস আৰু প্ৰেৰণা যোগাব। সৰ্বশেষত পুনৰ বাৰ্ট্ৰাণ্ড ৰাছেলৰ এক আষাৰ কথাৰে আমি এই আলোচনাৰ মোখনি মাৰিব খুজিছো। ৰাছেলে কৈছে—"মানুহবোৰ যদি যুক্তিবাদী হ'লহেঁতেন তেতিয়াহ'লে নিজৰ স্বাৰ্থৰ ক্ষেত্ৰত মানুহে বৰ্তমানে কৰাতকৈ অধিক বিশুদ্ধ বিচাৰ কৰিলেহেঁতেন আৰু সকলো মানুহ যদি নিজৰ সংস্কৃত স্বাৰ্থ চেতনা অনুসাৰে কাম কৰিলেহেঁতেন তেন্তে এখন নন্দন-কানন হ'লহেঁতেন।" (সোতৰ বছৰ বয়সত লিখা এই প্ৰবন্ধটো 'অসম বাণী'ৰ কোনো এটা বিশেষ সংখ্যাত প্ৰকাশিত হৈছিল। আজি লিখিলে হয়তো বক্তব্যৰ কিছু সাল-সলনি ঘটিলেহেঁতেন। কোনো সাল-সলনি নকৰাকৈয়ে প্ৰবন্ধটো আগবঢ়োৱা হ'ল।)

# কাজানৎ জাকিছৰ সৈতে শেষ দেখা

আজি কিছুদিন আগতে শেষবাৰৰ বাবে মোৰ নিকছ্ কাজানৎ জাকিছৰ সৈতে দেখা দেখি হৈছিল। কগ্ন শৰীৰৰ অবৰ্ণনীয় যন্ত্ৰণাইয়ো এক মুহূৰ্তৰ বাবে মনৰ প্ৰচণ্ড প্ৰাণশক্তিক কাবু কৰিব নোৱাৰা Report to Grecc-ৰ লেখক কাজানৎ জাকিছৰ সৈতে মোৰ প্ৰথম পৰিচয় কৰাই দিছিল কৈশোৰৰ পৰা আজি পৰ্যন্ত মোক আলোড়িত কৰি ৰখা বিশিষ্ট ব্যক্তিসকলৰ অন্যতম হোমেন বৰগোহাঞিয়ে। বৰগোহাঞিৰ কোনোবা এখন ৰচনাত পঢ়িছিলো কিদৰে কাজানৎ জাকিছে কগ্ন শৰীৰৰ যন্ত্ৰণা আৰু আসন্ন মৃত্যুক ভ্ৰূকুটি কৰি প্ৰায় অসাৰ হৈ পৰা হাতেৰে কলম তুলি লৈছিল Report to Greco-ৰ দৰে অনবদ্য আত্ম-জীৱনী ৰচনাৰ সঙ্কল্পৰে। হাত যেতিয়া সম্পূৰ্ণৰূপে অসাৰ হৈ পৰিছিল, তেওঁ তেতিয়াও পৰাজয় স্বীকাৰ নকৰি ৰত আছিল তেওঁৰ সৃষ্টিত তেওঁ শ্ৰুতলিপি দিছিল কাষতে বহি থকা তেওঁৰ পত্নীক।

এই খিনিলৈকে পঢ়ি পঢ়ুৱৈয়ে নিশ্চয় আচৰিত হব অনবদ্য সৃষ্টিৰে পৃথিবীক চহকী কৰি কোন কাহানিবাই এই পৃথিবীৰ পৰা মেলানি মগা নিকছ্ কাজানৎ জাকিছৰ দৰে লেখকৰ সৈতে আজি মাত্ৰ কিছুদিন আগতে মোৰ দেখা-দেখি হোৱাটো কিদৰে সম্ভৱ! যাৰ সৈতে মোৰ দেখা দেখি হৈছিল তেওঁ প্ৰকৃততে Odyssey : A modern sequel নামৰ মহৎ গ্ৰন্থখনৰ ৰচক কাজানৎ জাকিছ্ নহয় Report to Greco নামৰ আত্ম-জীৱনীখনৰ নায়কো তেওঁ নহয়। মহৎ সৃষ্টিৰে পৃথিবীৰ আত্মাক মহান কৰি তোলা নিকছ্ কাজানৎ জাকিছৰ সৃষ্টিৰ অথবা খ্যাতিৰ সৈতে তেওঁক কোনো পধ্যেই তুলনীয় কৰি তোলাটোও সম্ভৱ নহয়; তথাপি মোৰ সৈতে কিছুদিন আগতে শেষ দেখা হোৱা এই জনা লোকৰ স্মৰণৰ মুহূৰ্তত কাজানৎ জাকিছক টানি আজুৰি অনাৰ কাৰণ হ'ল তেখেতৰো প্ৰচণ্ড প্ৰাণ-শক্তি, সীমাহীন উষ্ণম দৃঢ়তাৰে ভৰা এটা মন আছিল; আসন্ন মৃত্যু আৰু শৰীৰৰ কগ্নতাও যি মনৰ ওচৰত হৈছিল পৰাভূত। ঠিক যেন নিকছ্ কাজানৎ জাকিছ! ১৯৭৪ চনৰ জানুৱাৰীৰ সোতৰ তাৰিখে মোৰ এই চিনাকি কাজানৎ জাকিছে চাৰিকুৰি ছয় বছৰত অৱশেষত মৃত্যুক সাঁকোৱালি লয়। মানুহজন হ'ল আৱাহন যুগৰ সাহিত্যিক আৰু বিশিষ্ট শিক্ষাবিদ ৰঘুনাথ দেৱ চৌধুৰী।

জীৱিকাৰ স্বাৰ্থত ঘৰৰ পৰা আঁতৰত থাকিবলগীয়া হ'লেও প্ৰতিবছৰে অন্ততঃ কেইটিমান দিনৰ বাবে হ'লেও মই মোৰ জন্মস্থান পাটাছাৰকুছিত কটাওঁ। অকল

পাটাছাৰকুছিতেই কিয়, বাহিৰতো আজিলৈকে মই যিসকল লোক পাইছো সেই সকলৰ ভিতৰত বিশেষভাৱে বৈশিষ্ট্যপূৰ্ণ লোকসকলৰ এখন তালিকা প্ৰস্তুত কৰিলে সম্ভৱ ৰঘুনাথ দেৱ চৌধুৰীক মই এক গুৰুত্বপূৰ্ণ স্থান দিব লাগিব—কেইটিমান বিশেষ কাৰণত। সেই কাৰণসমূহৰ বিষয়ে আলোচনা কৰাৰ আগতে তেখেতৰ বৈচিত্ৰ্যপূৰ্ণ কৰ্মৰাজিৰ বিষয়ে সম্যক পৰিচয় পঢ়ুৱৈৰ ওচৰত দাঙি ধৰাটো উচিত হ'ব।

বৰ্তমানে আমি এনে এটা যুগত বাস কৰিছো, যি সময়ত ঢাক-ঢোল বিজ্ঞাপনৰ জৰিয়তে প্ৰতিভাশূন্য লোক এজনকো ৰাতিৰ ভিতৰতে প্ৰতিভাৰ শীৰ্ষস্থানত বহুৱাই দিব পৰা যায়; সমাজৰ বাবে সামান্যতম ত্যাগ স্বীকাৰ নকৰা ব্যক্তি এজনকো ত্যাগ-বীৰ সজাব পৰা যায়। এনেকুৱা এক যুগত য'ত মহৎ ব্যক্তি হোৱাৰ সহজ পথ যথেষ্ট সুলভ, তেনে সময়ত ৰাইজৰ স্বীকৃতিৰ প্ৰতি কোনো হাবিয়াস নোহোৱাকৈ নিজৰ বাবে কোনো লাভালাভৰ হিচাপ নকৰাকৈ নীৰৱে একোটা ভিতৰুৱা অঞ্চলৰ উন্নতিৰ দৃঢ়-সংকল্পলৈ আত্মোৎসৰ্গ কৰা লোকৰ সংখ্যা তেনেই নগণ্য। একোটা অঞ্চলৰ মাজতে ত্যাগ আৰু কৰ্ম সীমাবদ্ধ ৰখাৰ বাবে এনে লোকৰ ত্যাগ বহল সমাজৰ দৃষ্টিগোচৰ নহয়। কিন্তু এটা কথা মনত ৰাখিব লাগিব যে আঞ্চলিকতাৰ ওচৰত বিলীন কৰি দিয়া এনে লোক আছে বাবেই একো একোটা অঞ্চল এনে লোকৰ স্পৰ্শত এন্ধাৰ গৰ্ভৰ পৰা ওলাই আহি আলোকৰ মুখামুখি হয়। শিক্ষাৰ পোহৰেৰে বহু অঞ্চল আলোকিত কৰাৰ ক্ষেত্ৰত ৰঘুনাথ দেৱ চৌধুৰীয়ে নীৰৱে, অনলসভাৱে, প্ৰায় Messiah ৰ দৰে যি ভূমিকা পালন কৰিছে, সেয়া প্ৰায় অকল্পনীয় আৰু বিস্ময়কৰ।

১৯৩৪ চনত দেৱ চৌধুৰী কলিকতা বিশ্ববিদ্যালয়ৰ এম. এ. মহলাৰ ছাত্ৰ। সেইয়া সময়তে অসমত থকা দেউতাকৰ পৰা তেখেতে চিঠি এখন পাইছিল যে তেখেতৰ জন্মস্থান পাটাছাৰকুছিত স্কুল এখন পাতিবৰ বাবে শিক্ষিত লোকৰ প্ৰয়োজন হৈছে।• সেই চিঠিয়েই দেৱ চৌধুৰীৰ সমগ্ৰ জীৱনৰ বাবে এক শক্তিশালী দিশনিৰ্ণয়কাৰীৰ ভূমিকা লৈছিল তাৰ পিছৰ সময়ছোৱাত। অন্তিম পৰীক্ষা স্থগিত ৰাখি শিক্ষাৰ ক্ষেত্ৰত পিছপৰা অঞ্চলত শিক্ষাবিস্তাৰৰ দৃঢ়-সংকল্প লৈ তেখেতে কলিকতা এৰিছিল। পাটাছাৰকুছি বিদ্যাপীঠৰ সহকাৰী প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰি প্ৰথম অৱস্থাতে কোনো পাৰিশ্ৰমিক নোলোৱাকৈয়ে তেখেতে অক্লান্ত পৰিশ্ৰম কৰিলে, পিছলৈ তেখেতে দৰমহা হিচাপে গ্ৰহণ কৰিছিল মাত্ৰ মাহিলী দহ টকা। সেই পাটাছাৰকুছি বিদ্যাপীঠেই আৰম্ভণি; ইয়াৰ পিছত যেন কিবা এক দৈৱ-নিৰ্দেশৰ বলত শিক্ষাৰ পোহৰ সেলেখা। ভিতৰুৱা অঞ্চলসমূহ শিক্ষাৰ আলোকেৰে সমুজ্জ্বল কৰি তোলাৰ লক্ষ্যকে তেখেতে জীৱনৰ ব্ৰত হিচাপে লৈছিল। নতুন স্কুল গঠন কৰি কম সময়ৰ ভিতৰতে তাক এখন উচ্চমাধ্যমিক স্কুললৈ উন্নীত কৰাৰ ক্ষেত্ৰত তেখেতৰ পাৰদৰ্শিতাৰ কথা সকলো ঠাইতে

এনেদৰে ৰঘুনন্দনাই গৈছিল যে দূৰ গাঁৱৰ পৰা বাইজ আহি তেখেতক স্কুল গঠনৰ বাবে অনুৰোধ কৰিবলৈ ধৰিলে। তেখেতে বাইজৰ আহ্বানত আৰম্ভ কৰিলে শিক্ষাৰ এক মহাযাত্রা। কেনেকুৱা পৰিৱেশত, কি অপৰিসীম মনোবল, জেদক সাৰথি কৰি তেখেতে এখনৰ পিছত এখন স্কুল স্থাপন কৰি গ'ল, সেই কথাৰ বিশদ বিৱৰণ তেখেতৰ আত্ম-জীৱনীমূলক ৰচনা সংকলন 'মানুহৰ মাজে মাজে'ত লিপিবদ্ধ কৰা আছে। কি প্ৰাণশক্তি, ত্যাগ, মনোবল আৰু পাৰদৰ্শিতা থাকিলে এনেদৰে এটা জীৱনত এখনৰ পিছত এখন স্কুল গঠন কৰি যাব পাৰি, সেই কথা ভাবিলে বিস্ময়াভিভূত হব লাগে। দেৱ চৌধুৰীয়ে নিৰ্মাণ / উন্নীত কৰা কেইখনমান স্কুল হ'ল—পাটাছাৰকুছি বিদ্যাপীঠ, সৰ্থেবাৰী হাইস্কুল, কৈঠালকুছি হাইস্কুল, বিহাবাৰী হাইস্কুল, নমাটি বিদ্যাপীঠ বামফলবিল হাইস্কুল, দ'লগোমা হাইস্কুল, গৌৰীপুৰ পি টি ইনষ্টিটিউচন ইত্যাদি।

শিক্ষা-বিস্তাৰৰ ক্ষেত্ৰত দেৱ চৌধুৰীয়ে লোৱা অবিশ্বাস্য ভূমিকাৰ বাবে মই মোৰ বিশিষ্ট লোকৰ তালিকাৰ শীৰ্ষভাগত তেখেতক স্থান দিব খোজা নাই ; তেখেতৰ সাহিত্যকৰ্মৰ বাবেও এই স্থান দিয়াৰ তাগিদা মই অনুভৱ কৰা নাই, যদিওবা তেখেতৰ সাহিত্যকীৰ্তিও কম নহয়। প্ৰকৃতি দৰ্পণ, মানৱ সভ্যতা, এব্ৰাহাম লিংকনৰ কাল্পনিক আত্ম-জীৱনী, বেতালৰ সাধু, শকুন্তলা, ৰায় বাহাদুৰ কনকলাল বৰুৱা দেৱৰ "আৰ্লি হিষ্টৰী অৱ কামৰূপ'ৰ অনুবাদ 'প্ৰাচীন কামৰূপৰ বুৰঞ্জী', ছাৰ এডৱাৰ্ড গেইটৰ 'হিষ্টৰী অৱ আসাম'ৰ অনুবাদ 'অসম বুৰঞ্জী' ইত্যাদি তেখেতৰ প্ৰকাশিত পুথি। 'আৱাহন' প্ৰকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ উপৰিও আসাম হিতৈষী, পখিলা, জয়ন্তী, সুৰভি কাচিজোন আদি কাকত আলোচনীৰ তেখেত নিয়মীয়া লেখক আছিল।

মই কোনো দিনেই কোনো লোকক তেওঁৰ সাফল্যৰ দ্বাৰা বিচাৰ কৰাৰ পক্ষপাতী নহয়, মই মানুহক বিচাৰ কৰিব খোজো তেওঁৰ হতাশা, দুখ আৰু ত্যাগৰ অলোকত। সাফল্যৰ আলোকত সকলো লোকেৰেই ব্যক্তিত্ব নিয়ন-লাইটৰ পোহৰত ৰঙচঙীয়া বস্তু চিকমিকোৱাৰ দৰে চিকমিকাই থাকে ; চিকমিকনিত কোনো বিশ্লেষণেই সঠিক নহয়। হতাশা, দুখ আৰু ত্যাগৰ শীতল পোহৰতহে ব্যক্তিৰ মনোবলৰ সঠিক পৰিচয় সম্ভৱ। এনে এক বিচাৰত আৱিষ্কাৰ কৰা ৰঘুনাথ দেৱ চৌধুৰীকহে মই মোৰ বিশিষ্ট লোকৰ তালিকাত স্থান দিব খোজা।

১৯৭১ চনত ৰঘুনাথ দেৱ চৌধুৰীৰ একমাত্ৰ কন্যা সন্তান, আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপিকা ভানু দেৱীয়ে বিশেষ এক পৰিস্থিতিত কৰুণভাৱে অকালতে মৃত্যুক সাৱটি লবলগীয়া হয়। স্বাভাৱিকতেই ধৰি লৈছিলো শাৰীৰিকভাৱে কৰ, চাৰিকুৰি অতিক্ৰম কৰি যোৱা ৰঘুনাথ দেৱ চৌধুৰী নিশ্চয় একমাত্ৰ কন্যাৰ মৰ্মান্তিক মৃত্যুত বিহ্বল হৈ পৰিব। খবৰ পাই সমবেদনা জনাবলৈ

মই বিস্ময়ত হতবাক হৈ গৈছিলো শান্ত, সৌম্য সন্ন্যাসীৰ দৰে পঢ়া টেবুলত তেখেত বহি আছিল, বাওঁহাতত এখন মেগ্‌নিফাইং গ্লাছ, সন্মুখত গেইটৰ 'হিষ্টৰী অৱ আসাম', কাগজ-কলম। যিখিনি সময় সেইদিনা তেখেতৰ ওচৰত আছিলো, সেই সময়ত এবাৰৰ বাবেও তেখেতে হৃদয়ৰ হাহাকাৰৰ কথা উচ্চাৰণ নকৰিলে, তাৰ বিপৰীতে আপোনমনে কৈ গ'ল কিদৰে গেইটৰ বুৰঞ্জী অনুবাদৰ কামত তেখেতে ব্যস্ত হৈ আছে, কিদৰে মেগনিফাইং গ্লাছৰ সহায়ত তেখেতে প্ৰাচীন লিপিৰ অৰ্থোদ্ধাৰ কৰিবলগীয়া হৈছে, কিদৰে সেই সময়তে তেখেতৰ আত্মজীৱনী 'মানুহৰ মাজে মাজে' প্ৰকাশ পোৱাৰ কথা। জীৱনৰ করুণতম মুহূৰ্তত এইদৰে স্থিতপ্ৰজ্ঞ হৈ থকা দ্বিতীয় এজন ব্যক্তি আজিলৈকে মই দেখা নাই।

কিছুমান ব্যক্তি থাকে, যাক নীৰৱে আপোনকৰ্মত নিমজ্জিত হৈ থকা বৈশিষ্ট্যই এক ধৰণৰ ৰহস্যময়তা প্ৰদান কৰে। ৰঘুনাথ দেৱ চৌধুৰী আছিল মোৰ বাবে এনে এক ৰহস্যময় ব্যক্তি আৰু এই ৰহস্যৰ বাবেই প্ৰতিবছৰে পাঠাছাৰকুছিত থকাৰ সময়ত এইজনা লোকৰ ওচৰৰ পৰা নিৰীক্ষণ কৰাৰ সুযোগ মই গ্ৰহণ কৰিছিলো। ১৯৭৩ চনৰ মাঘবিহুৰ উৰুকাৰ পিছদিনা তেখেতৰ বাসভৱনত উপস্থিত হৈ মনটো সেমেকি উঠিছিল; কোনোদিনে এটা মুহূৰ্তৰ বাবেও এনেয়ে বহি-শুই সময় অপচয় নকৰা মানুহজন শয্যাশায়ী, ৰুগ্ন শৰীৰ, গতিহীন। বাৰ্দ্ধক্যই যেন ধীৰে ধীৰে চেপি আনি বিশাল এক শক্তিক মৃত্যুৰ গৰ্ভত নিক্ষেপ কৰিবলৈ উদ্যত হৈছে। মই যোৱাৰ সময়ত তেখেতৰ সকলো সময়ৰে ছাঁৰ দৰে লগৰী পত্নী অন্নদা দেৱীয়ে কোনোমতে ধৰি ধৰি আনি তেখেতক বাৰাণ্ডাৰ চকী এখনত বহুৱাই দিছিল। মোৰ মনত পৰিল নিকছ কাজানৎ জাকিছ আৰু তেওঁৰ পত্নীৰ কথা। পেঁতা হাঁহি এটা মাৰি মানুহজনে কৈছিল —মই নমৰো। মৰাৰ কোনো লক্ষণেই নাই। নাড়ী, প্ৰেছাৰ সকলো ঠিকেই আছে। চিঞৰি তেখেতে অন্নদা দেৱীক মাতিছিল—চাওঁ, পাণ্ডুলিপি কেইটালৈ আহাচোন। ই চাওঁক। তাৰে এখন আজি প্ৰেছত দিব লাগে। মোক কলম আৰু কাগজ দিয়া। মোৰ সন্মুখতে কঁপা কঁপা হাতেৰে তেখেতে কাৰোবালৈ (তেখেতৰ জীৱনৰ সৰ্বশেষ চিঠিখন) চিঠি এখন লিখিছিল, পত্নী অন্নদা দেৱীয়ে তেখেতৰ নিৰ্দেশক্ৰমে মোক কেইটামান পাণ্ডুলিপি দেখুৱালে আৰু সেই পাণ্ডুলিপি দেখি মই বিস্ময়াভিভূত নোহোৱাকৈ থাকিব নোৱাৰিলো। সেই পাণ্ডুলিপিসমূহৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য হ'ল—কামৰূপৰ কথিত শব্দসমূহ সামৰি প্ৰস্তুত কৰা প্ৰায় এহেজাৰ পৃষ্ঠাৰ এখন নতুন অভিধান, বিভিন্ন দিশত কৃতিৰ পৰিচয় দিয়া অসমৰ অসংখ্য লোকৰ পৰিচয় দিয়া ব্যাপক প্ৰায় চাৰিশ পৃষ্ঠাৰ ছটা খণ্ডত সমাপ্ত 'অসমৰ জীৱনী কোষ'। নতুন অভিধান, জীৱনী কোষৰ উপৰি বাৰ্দ্ধক্য

আৰম্ভ কৰা পাণ্ডুলিপি কেইটালৈ করুণ দৃষ্টি নিক্ষেপ কৰি আসন্ন মৃত্যুস্পৰ্শৰ সীমাত বহি বোৱা মানুহজনে কৈছিল—এই দুখন কিতাপৰ পাণ্ডুলিপি প্ৰস্তুত কৰিবলৈ মোৰ সময় লাগিছে প্ৰায় ত্ৰিশ বছৰ, কিমান যে গ্ৰন্থ মুকুটিৰ লগীয়া হৈছে, এতিয়া ভাবিলে নিজৰেই আচৰিত লাগে। এতিয়াও প্ৰকাশ্ নাপালে। জীৱনী-কোষ দুখনৰ প্ৰকাশৰ দায়িত্ব অসম সাহিত্য-সভাই লৈছিল। এইখন চিঠি। কঁপা কঁপা হাতেৰে মানুহজনে চিঠি এখন আগবঢ়াই দিছিল—অসম সাহিত্য সভাৰ সেই সময়ৰ প্ৰধান সম্পাদক শ্ৰীঅমল ৰাজখোৱাই ১৯৮৬ চনৰ ২৫ আগষ্টত সাহিত্য সভাৰ তৰফৰ পৰা দিয়া চিঠি—"আপোনাৰ অসমৰ জীৱনী-কোষৰ দুয়োটা পাণ্ডুলিপি আমি হাতত ৰাখিছোঁ, যদি চৰকাৰৰ পৰা প্ৰকাশনৰ বাবে অৰ্থ সাহায্য পাওঁ, তেতিয়াহ'লে এই বছৰৰ ভিতৰতে ছপোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰিম।"

অসম সাহিত্য সভাৰ ফাইলত ১৯৮৬ চনত লিখা সেই চিঠিৰ প্ৰতিলিপি আছে নে নাই মই নাজানো, কিন্তু অসমৰ শিক্ষা আৰু সাহিত্যৰ বাবে সম্পূৰ্ণ এটা জীৱন ত্যাগ কৰা এগৰাকী বিশিষ্ট শিক্ষাবিদ আৰু সাহিত্যকৰ মৃত্যুৰ আগমুহূৰ্তৰ একমাত্ৰ আশাৰ বেঙুনি আছিল, অমল ৰাজখোৱাৰ সেই চিঠিখন—অন্ততঃ জীৱনকালত নহ'লেও অসম সাহিত্য সভাই তেখেতৰ মৃত্যুৰ পিছত 'অসমৰ জীৱনী-কোষ'ৰ খণ্ড দুটা প্ৰকাশ কৰি তেখেতৰ ত্ৰিশ বছৰীয়া নীৰৱ শ্ৰমক মৰ্যাদা প্ৰদান কৰিব!

তাৰ মাত্ৰ দুদিন পিছত, ১৯৯৬-ৰ ১৭ জানুৱাৰীত ৰঘুনাথ দেৱ চৌধুৰীয়ে মৃত্যুক সাৱটি লয়। তেখেতৰ নশ্বৰ শৰীৰ চিতাত তুলি দিয়াৰ মুহূৰ্তত মই ভাবিছিলো—তেখেতৰ মৃত্যুৰ বাতৰি পাই অসম সাহিত্য সভাৰ কৰ্মকৰ্তাসকলে অন্ততঃ এবাৰৰ বাবে হ'লেও ১৯৮৬ চনতে দিয়া সেই চিঠিখনৰ কথা মনত পেলাবনে? ১৯৮৬ চনৰ পিছত আঠোটা বছৰ অতিবাহিত হৈ গ'ল। এই আঠাটো বছৰত বাৰ্ষিক অধিবেশনৰ নামতে অসম সাহিত্য সভাৰ কিমানি খৰচ হ'ল তিনি-চাৰি কোটি টকা। এই কোটি কোটি টকাৰে অসমীয়া সাহিত্যৰ বাবে আজীৱন শ্ৰম কৰি অহা কিমানজন ৰঘুনাথ দেৱ চৌধুৰীৰ অপ্ৰকাশিত লিখনিক প্ৰকাশৰ পথ দেখুৱাই অসমীয়া ভাষা-সাহিত্যক চহকী কৰাৰ লগতে তেওঁলোকৰ পৰিশ্ৰমক মৰ্যাদা দিব পৰা যায়—সেই সহজ অংকটো সমাধান কৰাৰ যোগ্যতা সাহিত্য সভাৰ মুৰব্বীসকলে যিমান সোনকালে অৰ্জন কৰে, সিমানেই জাতিটোৰ বাবে মঙ্গল।

# প্ৰেম, মঙ্গলবোধ আৰু বিবেকৰ পক্ষত

## এক

"অলকা নামৰ এজনী নিঃসহায় গাভৰু ছোৱালীয়ে জীয়াই থকাৰ তাড়নাত এদিনৰ বাবে হ'লেও সম্বন্ধীয় খুৰাকৰ হাতত নিজৰ দেহ এৰি দিছে'—এই তুচ্ছ ঘটনাটোকে কল্পনাৰ ৰহন সানি শব্দৰ যাদুৰে মোহময়ী কৰি মই এটা সুখপাঠ্য কাহিনী ৰচনা কৰিব পাৰোঁ।

মই গল্প লেখক। কল্পনাত মই সিদ্ধহস্ত। শব্দও মোৰ অবাধ্য নহয়। শ্ৰুতিমধুৰ শব্দৰ সুশৃঙ্খল প্ৰয়োগেৰে এটা অনাকৰ্ষণীয় প্লটতেই ৰহন সানি এটা আকৰ্ষণীয় কাহিনীলৈ ৰূপান্তৰিত কৰাৰ ক্ষমতা মোৰ আছে।

অলকাক লৈ গল্পটো লিখাৰ আগে আগে মই কেইবাজনো লোকৰ লগত ঘটনাটো আলোচনা কৰাৰ প্ৰচেষ্টা মোৰ বেছিভাগ বন্ধুৱেই এই সম্পৰ্কত কোনো উৎসাহ নেদেখুৱালে। বহুতে এই ঘটনাটোক আজৰি সময় পাৰ কৰিবলৈ সৃষ্টি হোৱা এটা মুখৰোচক কাহিনী বুলিয়েই গণ্য কৰিলে।

যথেষ্ট পঢ়া-শুনা কৰা, দেশ-বিদেশৰ খবৰ ৰখা অধ্যাপক বন্ধুৱাই মোক ক'লে—চাওঁক দেৱচৌধুৰী। এই সৰু চহৰখনৰ বাবে অলকাৰ এই দুৰ্ঘটনা নিঃসন্দেহে এটা ডাঙৰ ঘটনা। ঘটনাটোৰ আলমত আপুনি গল্প এটা লিখিব খুজিছে, ভাল কথা। পুৰণি হ'লেও এটা এপিলিং প্লট। আপোনাৰ প্ৰশ্ন হৈছে অলকাই বা তেওঁৰ দেউতাক অনন্ত মাষ্টৰে এতিয়া কি কৰা উচিত।...সাহিত্যত এতিয়া সমাজ সচেতনতাৰ পৰোক্তৰ। শিক্ষিত মানুহ চায়ে এতিয়া দ্ৰুত পৰিবৰ্তনকাৰী, আশাবাদী গল্প পছন্দ কৰে। আপুনি যদি ঘটনাটো গল্পৰ আকাৰত লিখিব খোজে, তেনেহ'লে এটা আশাবাদী পৰিসমাপ্তিৰে গল্পটোৰ অন্ত কৰিব পাৰে, যি পৰিসমাপ্তি আজি-কালি আলোচনীৰ সম্পাদকসকলে বিচাৰে। সেয়া হ'ল গল্পৰ কথা। কিন্তু গল্প আৰু বাস্তৱ একে নহয়। মোৰ বোধেৰে বাস্তৱত বিশেষ একো পাবলিচিটি নিদিয়াকৈ অলকাই চুপচাপ এবৰ্ছন কৰি চাকৰিটো ক্লান্তিনিউ কৰা উচিত।"

লেখকৰ 'সমাজ সচেতনতা' কিদৰে বেছিভাগ সময়তে সম্পাদক আৰু জনগণৰ জনপ্ৰিয় প্ৰত্যাশা, আৰু প্ৰচাৰধৰ্মিতাই সৃষ্টি কৰা সাহিত্যিক বাতাৱৰণৰ দ্বাৰা নিয়ন্ত্ৰিত হয়, সেই কথাৰ ইংগিত দিবলৈ আলোচনাৰ প্ৰাৰম্ভণিতে মোৰ 'গল্প লিখাৰ গল্প' নামৰ সংকলনখনত সন্নিবিষ্ট এটা গল্পৰ কিয়দংশ তুলি দিলোঁ। এই ইংগিত

সত্যহতে উভয় বাখি মই বন্ধু লেখক দেবব্রত দাসব সৈতে একেলগে কিছু প্রশ্নব উত্তবব অনুসন্ধান চলাব বিচাবিছোঁ। অনুসন্ধানব শেষত দুয়োজনে যে প্রশ্নব একেই উত্তব পাম, তাব কোনো নিশ্চয়তা নাই। কিন্তু সতীর্থব এনেকুৱা সহযাত্রাই যে আমি দুয়োজনব লগতে হাতত কলম তুলি লোৱা ডেকা লেখকসকলকো অন্ততঃ কিছু কথা নতুনকৈ ভাবিবলৈ বাধ্য কবাব, সেই সম্পর্কে মোব কোনো সন্দেহ নাই। প্রচলিত ধ্যান-ধাবণা, লাগে সেয়া আপাত দৃষ্টিত যিমানেই যুক্তিপূর্ণ আৰু বিতর্কাতীত নহওক কিয়; নির্বিবাদে গ্রহণ নকবি লিবিকি-বিদাবি চোৱাব এটা প্রৱণতা যদি এই লেখনিয়ে আবম্ভ কবে, তেনেহ'লে সেয়াই হ'ব দেবব্রত আৰু মোব সহযাত্রাব সার্থকতা।

## দুই

পুনৰুক্তিয়ে পাঠকৈক বিবক্ত কবাব সম্ভাবনা থকা সত্বেও 'অসম বাণী'ব ১৬ জুলাই সংখ্যাত প্রকাশিত এই লেখকব প্রবন্ধ 'জংলী তৰুণী আৰু তৃষ্ণার্ত মানুহ'ব কিছু অংশ ইয়াত তুলি দিয়াব প্রয়োজনীয়তা অনুভৱ কবিছোঁ, কাবণ সেই কথাখিনিব ওপবত ভিত্তি কবিয়েই বন্ধু লেখক দেবব্রতে 'কলমব সন্ধানত লেখকসকল' (বুধবাব, ২১ জুলাই) বচনাত হয়তো কিছু আশ্চর্য্যচকিত হৈ কেইটিমান প্রশ্নব উত্থাপন কবিছে। কথাখিনি এনেকুৱা ধবণব—

"সমাজ পবিবর্তনব প্রত্যক্ষ উদ্দেশ্য সন্মুখত সচেতনভাবে বাখি গল্প, উপন্যাস অথবা কবিতা বচনা কবিবলৈ হাতত কলম তুলি লোৱা লেখকব সংখ্যা বর্তমানব পৃথিৱীত নগণ্য নহয়। ভাৰতব প্রতিকূল পবিবেশত সাহিত্যব এনেকুৱা এটা ধাবা সজোবভাবে অসমীয়া সাহিত্যত প্রতিষ্ঠা কবাত সর্বাধিক অবিহণা যোগালে ড° হীবেণ গোঁহাইয়ে। ড° গোঁহাইব এই প্রশ্রয় অবিহনে হয়তো অসমব সাহিত্য জগতত আত্মকেন্দ্রিক, উচ্ছাসপ্রৱণ আৰু বিভ্রান্ত সৃষ্টিব হেঁচাত পবিবর্তনমুখী, প্রগতিশীল সৃষ্টি চেপেটা লাগি ব'লহেঁতেন। হয়তো পবিবেশব প্রতিকূলতাব বাবেই ড° গোঁহাইব শাণিত যুক্তিব প্রকাশ কেতিয়াবা কেতিয়াবা ইমানেই এগ্রেছিভ হৈ উঠিল যে তেওঁতকৈ যতব ওপবত মাত মাতি শ্লেষব চিকাব হোৱাতকৈ বহুতে নীববতাকে সাবটি লোৱাতো ভাল হ'ব বুলি ধাবণা কবিলে। এই নীববতাই সাহিত্যব পবিবর্তনকামী প্রগতিশীল ধাবাব প্রতিষ্ঠা নিঃসন্দেহে নিশ্চিত আৰু ক্ৰতত্তব কবি তুলিলে; কিন্তু সামগ্রিকভাবে ড° গোঁহাইব চিন্তাধাবাবে অসমবৰ্ধিস্বজনশীল সাহিত্য যিমান উপকৃত হোৱাব সম্ভাবনা আছিল, সেই সম্ভাবনা বহখিনি সীমিত কবি তুলিলে॥"

দেবব্রতব 'কলমব সন্ধানত লেখকসকল' পঢ়াব পিছত পুনবায় মই মোব বচনা

'জংলী তৰুণী আৰু তৃষ্ণাৰ্ত মানুহ' পঢ়ি চাইছোঁ আৰু পঢ়ি উঠি মই প্ৰায় নিশ্চিত হৈছোঁ যে মই যি লিখিছোঁ আৰু দেৱব্ৰতে যি বুজিছে, তাৰ মাজত ক'ৰবাত কিবা এটা ব্যৱধান হৈ গৈছে। মোৰ প্ৰকাশভংগীৰ দুৰ্বলতায়েই এই ব্যৱধানৰ কাৰণ বুলি মই ধৰি লৈছোঁ।

মোৰ লেখনিতো সমাজ পৰিৱৰ্তনৰ আহিলা হিচাবে সাহিত্য ব্যৱহাৰ হোৱাটো এটা অতি প্ৰয়োজনীয় ধাৰণা বুলি দ্বিধাহীনভাৱে স্বীকাৰ কৰিছোঁ আৰু ড' গোঁহাইৰ সৰ্বাধিক অৱিহণাৰ বাবেই যে সাহিত্য জগতত সেই সময়ত প্ৰচলিত আত্মকেন্দ্ৰিক, উচ্ছাসপ্ৰৱণ আৰু বিভ্ৰান্ত সৃষ্টিৰ পথাৱৰ্তনত পৰিৱৰ্তনমুখী প্ৰগতিশীল ধাৰা এটা দৃঢ়ভাৱে প্ৰতিষ্ঠিত হ'ল, সেইকথাও উল্লেখ কৰিছোঁ।

এইখিনিলৈকে দেৱব্ৰত আৰু মই হয়তো একেই পথেৰে, একেই খোজেৰে খোজ কাঢ়ি আহিছোঁ। পৰিক্ৰমিত এই পথছোৱা অন্ততঃ বৰ্তমানে পোন, সহজ-সৰল, বহু পথচাৰীৰ দ্বাৰা নিয়মিত ভ্ৰমিত। তুলনামূলকভাৱে পিছৰ পথছোৱা বিপদজনক, পিচ্ছিল আৰু বিভ্ৰান্তিকৰ।

প্ৰেমাস্পদৰ বিশ্বাসভংগৰ চাকা সহিব নোৱাৰি হৃদয় উজাৰ কৰি উজাগৰী নিশা যিসকলে পৃষ্ঠাৰ পিছত পৃষ্ঠা কবিতা লিখি পিছদিনা ৰাতিপুৱাৰ পোহৰত লাজতে লাজু কৰি পেলাই দিয়ে ; তেওঁলোকৰ কথা বাদ দিলে আজি আৰু পৃথিৱীৰ সম্ভৱ কোনো লেখকেই এটা কথা সম্পূৰ্ণৰূপে মানি নলয় যে, গল্প, উপন্যাস, কবিতা লিখাটো লেখকজনৰ এটা বিশুদ্ধ, ব্যক্তিগত বিষয় : সমাজৰ লগত তাৰ কোনো সম্পৰ্ক নাই।

## তিনি

অন্য মানুহৰ ওচৰত আত্মপ্ৰকাশেই শিল্পৰ ধৰ্ম। মই যেতিয়া এখন উপন্যাস লিখোঁ, সেই খিনি সময়ত মোৰ দুচকুৰ সন্মুখত হয়তো কোনো পঢ়ুৱৈ নাথাকিব পাৰে। কিন্তু অন্তৰৰ কোনো নিভৃত কোণত মই নিশ্চয় আশা কৰোঁ সেই উপন্যাস সকলোৱে নপঢ়িলেও, নিশ্চয় তাৰও কোনো সহৃদয় পঢ়ুৱৈ থাকিব। মই যেতিয়া অন্তিম ৰূপ দিয়াৰ আগতে সেই উপন্যাসৰ কোনো এটা বৰ্ণনা কাটকুট কৰি সলনি কৰোঁ, মই তেতিয়া প্ৰকৃততে সন্ধান কৰোঁ এনে এক বৰ্ণনাৰ, যি বৰ্ণনাই পঢ়ুৱৈৰ ওচৰত মোৰ বক্তব্য আৰু বেছি সঠিক ৰূপত উত্থাপন কৰিবলৈ সক্ষম হ'ব। সেয়েহে অকল মোৰ সৃষ্ট উপন্যাসখনৰ লগতেই নহয়, সেই উপন্যাস সৃষ্টিৰ সময় ছোৱাতো মোৰ লগতে জড়িত হৈ পৰে মোৰ উপন্যাসৰ সম্ভাব্য পঢ়ুৱৈ। উপন্যাস লেখাটো সেয়েহে মোৰ অকল বিশুদ্ধ ব্যক্তিগত বিষয় কৰি ৰখাটো সম্ভৱ নহয়।

বেছ কিছুদিন আগতে 'বুধবাৰ' কাকতৰ সম্পাদক পৰাগ কুমাৰ দাসে প্ৰসঙ্গক্ৰমে

মোক সক প্ৰশ্ন এটা কৰিছিল—লেখক এজন সফল হয় কেতিয়া ? চমুকৈ দিয়া মোৰ আনইম্প্ৰেছিভ উত্তৰটো আছিল—লেখকজনে যি ক'ব বিচাৰিছে, আৰু পাঠকে যি বুজি পাইছে, তাৰ মাজত বিশেষ পাৰ্থক্য থাকিব নালাগিব। তেতিয়াই সেই লেখকক মই সফল লেখক হিচাপে অভিহিত কৰিম।

পৰাগক দিয়া এই উত্তৰৰ অন্তৰালত প্ৰকৃততে আছিল মোৰ কলেজীয়া জীৱনৰ অন্যতম গুৰু ছাত্ৰেৰ পুনৰাবিষ্কাৰৰ তত্ত্বটো। এই তত্ত্বত বেছ সহজ-সৰলভাৱে ছাত্ৰেয়ে লেখক আৰু পঢ়ুৱৈৰ মাজৰ সম্বন্ধটো বুজাই দিছে। এই তত্ত্বৰ জৰিয়তে ছাত্ৰেয়েই আমাক বুজাইছে এনেদৰে (১) গল্প, কবিতা, উপন্যাস আদি লেখকে লিখে (২) পাঠকে পঢ়ে (৩) পাঠকে সেয়া গ্ৰহণ কৰিব নে বৰ্জন কৰিব সেয়া নিৰ্ভৰ কৰিব পঢ়ুৱৈৰ ৰুচি আৰু ভাবনাৰ ওপৰত (৪) পাঠকে যি অৰ্থ কৰিব সেয়াই আচল (ফল) (৫) লেখকৰ মনৰ ৰূপ আৰু পাঠকৰ মনৰ অৰ্থ যদি মিলি যায়, সেয়াই লেখকজনৰ সাৰ্থকতা।

লেখক-পাঠকৰ এই অনিবাৰ্য্য যোগাযোগ আৰু বিশেষকৈ পাঠকৰ মনন আৰু অনুভূতিৰ ; গল্প, উপন্যাস, কবিতা পঠনৰ জৰিয়তে হোৱা পৰিস্ফুটন প্ৰক্ৰিয়াকে ছাত্ৰেয়ে অভিহিত কৰিছে 'পুনৰাবিষ্কাৰ'। সমীকৰণৰ জৰিয়তে এইখিনি কথাকে এনেদৰে বুজাব পাৰি—

লেখকে নিৰ্দেশ কৰা গতি আৰু ধাৰা + পাঠকে নিৰ্ধাৰণ কৰা গতি = পাঠকৰ পুনৰ্জন্ম লাভ = সাৰ্থক সাহিত্য।

এই তত্ত্বটোৱে এটা কথা অন্ততঃ প্ৰমাণিত কৰে যে সাৰ্থক সাহিত্য কাৰো ব্যক্তিগত সৃষ্টি নহয়। পাঠকৰ সৈতে যোগাযোগ সাধনৰ পিছতহে সাৰ্থক সাহিত্যৰ সৃষ্টি সম্ভৱ। সাৰ্থক সাহিত্য সেয়েহে এটা সামাজিক ঘটনা।

মোটামুটিভাৱে প্ৰায় একেই কথাকে ঘোষণা কৰি যোৱা মেথানভৰ সৈতে নিশ্চয় এইখিনিলৈকে দেৰিডাৰ আৰু মোৰ কোনো বিৰোধ নাই।

## চাৰি

সাহিত্যত ৰাজনীতি থকা উচিত হয় নে নহয়, সেই কথা এতিয়া আৰু পৃথিৱীৰ কোনো দেশতেই বিতৰ্কমূলক অথবা বাৰ্নিং কুৱেশ্চন নহয়। জীৱন সম্পৰ্কে সাধাৰণ জ্ঞান থকা, এই পৃথিৱীত প্ৰতিনিয়ত ঘটি থকা ঘটনা-দুৰ্ঘটনাৰ সম্যক খবৰ ৰখা যিকোনো মানুহেই পৰিষ্কাৰভাৱে আজি এটা কথা জানে যে মানুহৰ জীৱনৰ প্ৰায় প্ৰতিটো মুহূৰ্তৰ নৈতিক আৰু আদৰ্শগত সংঘাতৰ মূলতে কাম কৰিছে ৰাজনৈতিক সংকটে। নিৰ্দোষ, নিৰপেক্ষ লোক এজন বা এজন অবুজ শিশু আৰু কিমান দিন ধৰি এই পৃথিৱীৰ বাসিন্দা হৈ ৰ'ব অথবা তেওঁক দিন-দুপৰতে কোনোবাই চুৰিকাঘাত

কৰি হত্যা কৰিব নে সৈন্য-বাহিনীৰ বেয়নেটৰ আঘাতত তেওঁ আমৃত্যু পঙ্গু হৈ ৰ'ব, সেই সকলো কথা বৰ্তমানৰ পৃথিৱীত নিৰ্ণয় কৰে ৰাজনীতিয়ে। সেয়েহে সাহিত্য ৰাজনীতিবৰ্জিত হ'বই লাগিব বুলি পৃথিৱীৰ কোনো সচেতন পঢ়ুৱৈ অথবা লেখকে আজি আৰু দাবী কৰাৰ প্ৰশ্ন নুঠে।

আৰাগঁৰ 'পেছেঞ্জাৰছ অফ ডেচ্‌টিনী' অথবা ছাৰ্ত্ৰেৰ 'ৰিপ্ৰাইভ' উপন্যাসৰ কথা মনত পেলাওঁক। ৰাজনীতিক সম্পূৰ্ণ অগ্ৰাহ্য কৰি আৰাগঁৰ নায়কে গৰ্ব কৰি কয় যে ৰাজনৈতিক খবৰেৰে ভৰি থকা সংবাদপত্ৰ সি কেতিয়াও নপঢ়ে। এটা সময়ত এটা দুৰ্ঘটনাত পৰি সেই নায়ক পঙ্গু হৈ পৰে। বাকশক্তিও প্ৰায় লুপ্ত। সেই সময়ত এটা মাত্ৰ শব্দ উচ্চাৰণ কৰাৰ সি শক্তি পাইছিল আৰু যিটো শব্দ তাৰ সেই অভিশপ্ত পঙ্গু অৱস্থাৰ কাৰণ হিচাপে চিহ্নিত কৰি সিও উচ্চাৰণ কৰিছিল, সেয়া হ'ল—'এয়া ৰাজনীতি!'

ছাৰ্ত্ৰেৰ ১৯৩৮ চনৰ মিউনিখ সংকটৰ পটভূমিত লিখা উপন্যাসৰ নিৰ্বোধ কৃষক গ্ৰস্‌লুই কাৰো একো ক্ষতি নকৰাকৈয়ে ঘটনাক্ৰমে এদিন আৱিষ্কাৰ কৰিছিল যে সি জেলৰ ভিতৰত। তাৰ ইচ্ছাৰ বিৰুদ্ধেই এখন জেলৰ পৰা তাক আন এখন জেললৈ স্থানান্তৰিত কৰা হৈছিল। একো নুবুজাকৈয়ে সি হৈ পৰিছিল ৰাজনৈতিক পাশাখেলত উকৰি যুৱা এটা গুটি।

নিজে নিৰ্বিচাৰকৈয়ে অথবা নিজে একো নুবুজাকৈয়ে আৰাগঁ অথবা ছাৰ্ত্ৰেৰ উপন্যাসৰ নায়কলৈ ৰূপান্তৰিত হোৱা অলেখ চৰিত্ৰ যে আমাৰ এই চিনাকি অসমতে আছে, সেই কথা নিশ্চয় আজি আৰু কাকো দুচকুত আঙুলি দি দেখুৱাই দিয়াৰ প্ৰয়োজন নাই। সাহিত্যত তেওঁলোকৰ প্ৰৱেশ নিষেধ নহয়ঃ সেয়েহে সাহিত্যও ৰাজনীতিবৰ্জিত হ'ব লাগিব বুলি দাবী কৰাৰ কোনো অৰ্থ নাই।

ময়ো কৰা নাই। লেখকজনেও কৰা নাই। সেয়েহে ধৰি লৈছোঁ পৰিৱেশ আৰু প্ৰকাশভংগীৰ তাৰতম্য থাকিলেও পথৰ এই ছোৱাটোলৈকে লেখকজন আৰু মই একে লগেই আহি আছোঁ। অন্ততঃ যাত্ৰা সম্পৰ্কত আমাৰ কোনো বিৰোধ নাই।

## পাঁচ

তত্ত্বগতভাৱে ৰাজনীতিৰ অৰ্থ যিয়েই নহওক কিয়, আমাৰ চকুৰ সন্মুখত প্ৰতিদিনেই আমি যি ৰাজনীতি দেখিছোঁ, সেই ৰাজনীতিৰ সৈতে নিষ্পেষিত জনগণৰ মঙ্গলবোধৰ কোনো সম্পৰ্ক নাই। তাৰ বিপৰীতে ৰাজনীতি হ'ল ক্ষমতাৰ লৈ, ৰাষ্ট্ৰযন্ত্ৰৰ ওপৰত কৰ্তৃত্ব লৈ ক্ষমতাত থকা ব্যক্তি গোষ্ঠীৰ ভিতৰত এক ক্ষমতাৰ খেল।

সাহিত্য আৰু ৰাজনীতিৰ কথা আলোচনাৰ সময়ত এই কথাখিনিও আমাৰ সন্মুখত ৰাখি থোৱাটো উচিত হ'ব।

যিকোনো এজন সাধাৰণ মানুহেও এই কথা আজি আৰু নুবুজাকৈ নাথাকে যে যেতিয়াই এজন ৰাজনৈতিক নেতাই উদাত্ত কণ্ঠেৰে নিষ্পেষিত জনৰ প্ৰতি দৰদ সানি বক্তৃতা দিয়ে, তাৰ অন্তৰালত উদ্দেশ্য হিচাপে থাকে শ্ৰোতাৰ মাজত এনে এক আবেগৰ সৃষ্টি কৰা, যি সেই ৰাজনৈতিক দলক শক্তিৰ উৎসৰ ওচৰ চপাই লৈ যায়। দলীয় স্বাৰ্থৰ খাতিৰত ৰাজনৈতিক শক্তি কৰায়ত্ত কৰিবলৈ প্ৰয়াস কৰাৰ পথত যিকোনো ৰাজনৈতিক দলেই নিজস্ব শক্তি আৰু কৌশল অনুযায়ী অদৃশ্য চাপ প্ৰয়োগ কৰিব লেখকসকলৰ ওপৰত, যাতে তেওঁলোকেও তেওঁলোকৰ গল্প, উপন্যাস অথবা কবিতাৰ জৰিয়তে জনতাৰ মাজত আবেগ সঞ্চাৰিত কৰি তেওঁলোকৰ দলীয় সমৰ্থন লাভত সহায় কৰে।

ৰাজনৈতিক নেতাৰ বক্তৃতাৰ দৰে লেখকসকলেও কোনো এক ৰাজনৈতিক মতাদৰ্শৰ প্ৰচাৰৰ বাবেই সাহিত্য ৰচনাত লিপ্ত হোৱাত নিশ্চয় কোনো বাধা নাই। কিন্তু এই প্ৰচাৰ-সাহিত্যৰ সপক্ষে থিয় হোৱাৰ সময়ত এজন লেখকে চুইজেনৰ পাৰ ওৱাষ্টবাৰ্গৰ The writer and his integrity ৰচনাত উল্লেখিত দুটামান শাৰী মনলৈ অনা উচিত হ'ব—"ৰাজনীতিবিদ আৰু লেখকৰ মাজত পাৰ্থক্য হ'ল ৰাজনীতিবিদসকলে কাম কৰে সদায় এক কৌশলগত প্ৰয়োগবাদ আৰু আপোচকামী মনোভাৱ লৈ। আনহাতে এজন সৎ লেখকৰ মূলধন—আন্তৰিক নিষ্ঠা আৰু প্ৰত্যয়। প্ৰয়োজন সাপেক্ষে লেখকে অকল ভাৱেও নিজৰ আদৰ্শত অবিচলিত হৈ থকাৰ সাহস ৰাখে। তেওঁ কেতিয়াও ভণ্ডামী আৰু কপটতাক প্ৰশ্ৰয় নিদিয়ে।"

ওৱাষ্টবাৰ্গৰ এই উক্তিৰ আলোকত এতিয়া আৰু আমাৰ বুজিবলৈ অকণো কঠিন নহয়, কিয় গল্প, উপন্যাস, কবিতা লিখিলেও বহুতো লেখক প্ৰকৃততে লেখক নহয়: লেখকৰ ছদ্মবেশত ৰাজনীতিবিদহে।

ৰাজনীতিক গল্প, উপন্যাস কবিতাৰ মাজেদি স্বাভাৱিকভাৱে আদৰি অনা লেখকৰ প্ৰতি মোৰ সামান্যতমো বিৰাগ নাই। কিন্তু লেখকৰ ছদ্মবেশ লৈ আহি শব্দৰ যাদুৰে কোনো এটা বিশেষ গোষ্ঠীৰ মতক অবিসম্বাদী সত্য হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ সকলো কৌশল প্ৰয়োগ কৰা 'ৰাজনীতিবিদ'ৰ প্ৰতি মোৰ প্ৰতিক্ৰিয়া উৎসাহজনক নহয়। কোনো সংগঠন বা দলৰ কৌশলগত প্ৰয়োজনেৰে মই মোৰ চিন্তা অথবা গল্প, উপন্যাসৰ গতিধাৰা নিৰ্ধাৰণ কৰিবলৈ অস্বীকাৰ কৰোঁ। কোনো ৰাজনৈতিক আদৰ্শৰ প্ৰতি বিশ্বাস লেখকৰ বাবে কোনো অপৰাধ নহয়; কিন্তু সেই বিশ্বাসে যদি তেওঁৰ সেই

আদৰ্শক সমালোচনা কৰাৰ অধিকাৰ কাঢ়ি লৈ যায়, তেনেহ'লে সেই বিশ্বাসক এজন লেখকৰ বাবে মই অপৰাধ হিচাপে গণ্য কৰিম।

অন্ততঃ এই মুহূৰ্তলৈকে সাহিত্য আৰু ৰাজনীতিৰ সম্পৰ্কত মোৰ মতামত এনেকুৱাই।

## ছয়

জনপ্ৰিয় শিল্প-কলাৰ দাবী মানি লৈও সততাৰ খাটিৰত এটা কথা নিশ্চয় আমি স্বীকাৰ কৰিবই লাগিব যে যোৱা এটা দশকত ৰাজনীতি আশ্ৰিত বেছ কিছু সংখ্যক গল্প, উপন্যাস অথবা কবিতাত লেখকৰ নিজৰ বিবেকৰ প্ৰতি দায়বদ্ধতা অথবা সমাজৰ মংগলৰ প্ৰতি পৰিচ্ছন্ন সচেতনতাতকৈ গড্ডালিকা প্ৰৱাহত উটি যোৱাৰ প্ৰৱণতাহে অধিক বিদ্যমান।

দৃশ্য অথবা অদৃশ্য ৰাজনৈতিক পতাকাৰ তলত থাকি শক্তি কৰায়ত্ত কৰাৰ প্ৰচেষ্টাত সৃষ্টি হোৱা আৱেগক কৌশলগতভাৱে উচটনি দিয়া গল্প, উপন্যাস অথবা কবিতা, হয়তো সাময়িকভাৱে চাঞ্চল্যৰ সৃষ্টি কৰি লেখকক জনগণ বুলি চিহ্নিত কৰা এটা আৱেগিক গোটৰ বন্ধু বুলি স্বীকৃতি লাভ কৰাত সহায়ক হয়। কিন্তু সেই গল্প, উপন্যাস অথবা কবিতাই মানুহৰ মংগলসাধন কৰাত কিমান অৰিহণা সঁচাকৈয়ে যোগায় নে নযোগায়, সেই সম্পৰ্কে কিন্তু আমাৰ সন্দেহ নোহোৱা নহয়।

'সমাজ সচেতন'—এই শব্দ যুগলৰ ভ্ৰান্ত আৰু কৌশলগত প্ৰয়োগ বৰ্তমানৰ সাহিত্য জগতত বিৰল নহয়। বৰং যথেষ্ট সুলভ। নিজৰ সূক্ষ্ম দৃষ্টিভংগী, চিন্তাবোধ, কলা-নৈপুণ্য আৰু নিজৰ বিবেকৰ পক্ষত থকাৰ সাহসৰ অভাৱত বহুতো লেখকে যে আৰু দহজনে উচ্চস্বৰে কোৱা কথাবেই সজোৰ পুনৰাবৃত্তি কৰি তাত 'সমাজ সচেতন' অথবা 'দায়বদ্ধতা'ৰ ছাপ মাৰি আত্মতৃপ্তিত নিমগ্ন হৈ ৰয়, সেই কথা সাহিত্যৰ সাধাৰণ পঢ়ুৱৈবো আজি আৰু অবিদিত নহয়।

লেখক এজন নিশ্চয়কৈ 'সমাজ সচেতন' আৰু দায়বদ্ধ হ'ব লাগিব, কিন্তু তাৰ অৰ্থ এইটো নহয় যে চকু-কাণ মুদি তেওঁ গড্ডালিকা প্ৰৱাহত জঁপিয়াই পৰিব লাগিব অথবা কৌশলগত কাৰণত তেওঁ আপোচ কৰিব লাগিব তেওঁৰ নিজৰ বিবেকৰ লগত। তাৰ বিপৰীতে সেইজন নিঃসংগ লেখকহে মই অধিক দায়বদ্ধ বুলি স্বীকৃতি দিবলৈ ভাল পায়, যিয়ে সকলো চাপ আৰু ভ্ৰুকুটিৰ সন্মুখতো, প্ৰয়োজন হ'লে নিঃসংগ অৱস্থাতো নিজৰ বিবেকৰ পক্ষত অটল থকাৰ সাহস আৰু দৃঢ়তা দেখুৱাব পাৰিব।

জনপ্ৰিয় হলেই যে সকলো সময়তে জনগণৰ মংগল সাধনৰ বাবে প্ৰয়োজনীয় হ'ব তাৰ কোনো মানে নাই। দুৰ্ভাগ্যজনক এনেকুৱা লেখকৰ সংখ্যা কিন্তু কম নহয়,

যিয়ে ভুলকৈয়ে হওঁক বা সাহসৰ অভাৱতেই হওঁক অথবা কৌশলগত কাৰণতেই হওঁক জনপ্ৰিয় মতত অৱগাহন কৰিয়েই 'সমাজ সচেতন'ৰ প্ৰলেপ শৰীৰত সনাৰ ব্যৰ্থ প্ৰচেষ্টা চলায়। এই নিবন্ধৰ আৰম্ভণিতে উল্লেখ কৰা 'গল্পৰ কিয়দংশত এই সত্যৰ প্ৰতিয়েই আমাৰ ইংগিত আছিল।

## সাত

গল্প, উপন্যাস অথবা কবিতাই কেতিয়াবা সামাজিক প্ৰথা অথবা ৰাজনৈতিক উত্থান-পতনত' তাৎক্ষণিকভাৱে প্ৰত্যক্ষ আৰু উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰাৰ উদাহৰণ ইতিহাসত নোহোৱা নহয় (যেনে ডিকেন্সৰ 'নিকোলাচ নিকোলবি'য়ে সেই সময়ত ইংৰাজ সমাজৰ কি পৰিৱৰ্তন সাধন কৰিছিল অথবা 'আংকল টমছ কেবিনে' কিদৰে দাস প্ৰথাৰ ভেটি কঁপাই তুলিছিল)। কিন্তু সেই বিৰল উদাহৰণৰ বাবেই মই এটা কথা মানি লবলৈ সাজু নহয় যে সকলো গল্প, উপন্যাস অথবা কবিতাই ৰাজনৈতিক পৰিৱৰ্তনত কোনো তাৎক্ষণিক ভূমিকা গ্ৰহণ কৰিবই লাগিব। সাহিত্যত ৰাজনীতিৰ প্ৰৱেশক আন্তৰিকতাৰে মানি লৈও এই অতি-সৰলীকৰণ আৰু স্থূলতাৰ মই বিৰোধিতা কৰোঁ। ছোভিয়েত ইউনিয়ন আৰু চীনদেশত এটা সময়ত প্ৰগতিশীল, দায়বদ্ধ আৰু সমাজ সচেতন' বুলি বহুলভাৱে স্বীকৃত সাহিত্যৰাজিয়ে জোৰ প্ৰচাৰৰ গুণত প্ৰতিষ্ঠা লাভ কৰিও জনসাধাৰণৰ, সাহিত্য প্ৰেমীৰ ওচৰ চাপিব নোৱাৰাৰ কাৰণ হ'ল এই অতি-সৰলীকৰণ আৰু স্থূলতা। এই অতি-সৰলীকৰণে এসময়ত সেই দেশত এনেকুৱা এটা অদ্ভুত ৰূপ পাইছিল যে প্ৰিয়জনৰ মাজৰ বিচ্ছেদৰ দুখ, মৃত্যুৰ শোক, প্ৰেমৰ অজয় গৌৰৱক 'তুচ্ছ মানুহৰ বুৰ্জোৱা আৱেগ' বুলি উকৱাই দিয়া হৈছিল। কঠোৰ প্ৰচাৰ যন্ত্ৰে মানুহৰ স্বাভাৱিক আৱেগকো ভাবালুতা বুলি এনেদৰে মানুহৰ মগজুত সুমুৱাই দিয়া হৈছিল যে চলচ্চিত্ৰৰ পৰিচালকে বিচ্ছেদৰ মুহূৰ্ততো কান্দোনৰ দৃশ্য দিয়াৰ পৰা বিৰত থাকিবলৈ বাধ্য হৈছিল, উপন্যাস অথবা কবিতাৰ পৰা অন্তৰ্ধান হৈছিল দুখ আৰু প্ৰেমৰ স্বাভাৱিক প্ৰকাশ। তাৰ বিপৰীতে সৃষ্টি হৈছিল হঠাতে বিপ্লৱী নায়কলৈ ৰূপান্তৰিত হোৱা কাল্পনিক চৰিত্ৰ। চলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে পেটি-বুৰ্জোৱাহঁতৰ ক্ষোভ আৰু উষ্মা জনা বক্তৃতাতেই যাৰ আৱেগৰ প্ৰকাশ জোৰকৈ সীমিত।

সত্তৰ গল্প, উপন্যাস, কবিতাৰ ক্ষেত্ৰখনক জোৰ-জবৰদস্তি সংকীৰ্ণ কৰাৰ প্ৰচেষ্টাত ব্যৰ্থ হৈয়েই চীনা বুদ্ধিজীৱীসকলেও এদিন ক'বলৈ বাধ্য হৈছিল (ছু হো, ১৯৭৮) যে গল্প, উপন্যাস, কবিতাত বিপ্লৱী বিষয়বস্তু, প্ৰাত্যহিক জীৱন, জনসাধাৰণৰ লগতে প্ৰাকৃতিক দৃশ্য, ফুল আৰু চৰাই আদিৰ চিত্ৰও প্ৰয়োজনীয়।

এই কথা কৈ নিঃসন্দেহে 'সমাজ সচেতন' বুলি আত্মসন্তুষ্টি লভাটো সহজ যে বিশ্বৰ কত শত নিষ্পেষিত জনে জীৱন-যাপনৰ বাবে প্ৰয়োজন হোৱা ন্যূনতম সামগ্ৰীখিনিৰ পৰাও বঞ্চিত, সেই সমস্ত প্ৰতিবাদী অথবা বিপ্লৱী সাহিত্যৰ বাহিৰে প্ৰাকৃতিক দৃশ্য, ফুল আৰু চৰাইক লৈ সূক্ষ্ম সৌন্দৰ্য্যবিশ্লেষণী গল্প, উপন্যাস, কবিতা ৰচনাৰ অৰ্থ কʼত! এয়াতো অপিয়াম তুল্য। মানুহক বিদ্ৰোহৰ পথৰ পৰা আঁতৰাই ৰখাৰ কৌশল! কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা গৈছে যে মানুহৰ স্বাভাৱিক ভাবাবেগক, সূক্ষ্ম অনুভূতিক 'বুৰ্জোৱা ভাবালুতা' বুলি বহিষ্কাৰৰ প্ৰৱণতাই অকল বিপ্লৱৰ ক্ষেত্ৰতেই নহয়, সমগ্ৰ জীৱনতে এনে এক স্থূলতাৰ সৃষ্টি কৰিছে যে সেই পৰিৱেশত তৰল, বুৰ্জোৱা, স্থূল ভাৱধাৰাৰ দপদপনিহে আজি অধিক বিদ্যমান। অন্য অৰ্থত, মহৌষধ বুলি ভাবি লোৱা দৰবে ৰোগৰ বীজাণুকহে আৰু বেছি সক্ৰিয় কৰি তুলিছে। বামপন্থী সাহিত্যক উচ্চতৰ আসনত প্ৰতিষ্ঠা কৰাৰ স্বাৰ্থত ড° হীৰেণ গোহাঁইয়ে লোৱা এগ্ৰেছিভ ভূমিকাৰ বাবে নিঃসন্দেহে অসমীয়া সাহিত্যত সমাজ সচেতন আৰু দায়বদ্ধ সাহিত্যৰ শিপা দৃঢ়ভাৱে প্ৰোথিত হʼল, কিন্তু লগে লগে একে উশাহতে এই কথাও অস্বীকাৰ কৰাৰ উপায় নাই যে এই এগ্ৰেছিভনেছৰ বাবে গল্প, উপন্যাস, কবিতাত গভীৰ উপলব্ধিৰ প্ৰয়োজন বহু পৰিমাণে উপেক্ষিত হৈ ৰʼল আৰু সংবেদনশীল কিছু লেখক হʼল হতাশ আৰু পঙ্গু হৈ বিভুই। এনেকুৱা এটা পৰিৱেশৰ সুযোগ লৈ, সাধাৰণ জনগণৰ মঙ্গলৰ স্বাৰ্থত জনপ্ৰিয় শিল্প কলা সৃষ্টি হোৱাৰ পৰিৱৰ্তে আমদানি হʼল প্ৰতিবাদী সাহিত্যৰ নামত পেটি-বুৰ্জোৱাসুলভ উগ্ৰতা অথবা বুৰ্জোৱাৰ স্থূলতা! (এমুঠিমান নিষ্ঠাবান লেখকক ব্যতিক্ৰম বুলি ধৰি)।

মই ভাবো গল্প, উপন্যাস, কবিতা আদি সৃজনশীল সাহিত্যক তাৰ প্ৰতিবাদী চৰিত্ৰ অক্ষুণ্ণ ৰাখিও স্থূলতাৰ পৰা ৰক্ষা কৰিবলৈ হʼলে এটা কথা আমি মানি লোৱা উচিত হʼব যে সামাজিক অথবা ৰাজনৈতিক ব্যৱস্থাৰ তাৎক্ষণিক পৰিৱৰ্তনতকৈও গল্প, উপন্যাস, কবিতাৰ সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত ভূমিকা হোৱা উচিত দীৰ্ঘকালব্যাপী চলা এটা সূক্ষ্ম প্ৰক্ৰিয়া। গছৰ শিপা যিদৰে ধীৰে ধীৰে মাটিৰ গভীৰত প্ৰসাৰিত হয়, সেইদৰেই এটা সূক্ষ্ম, মনৰ প্ৰক্ৰিয়াৰে গল্প, উপন্যাস অথবা কবিতা মনৰ গভীৰলৈ প্ৰসাৰিত হৈ সেই 'মন'ক অৱস্থা বা পৰিৱেশক সলনি কৰাৰ উপযোগী কৰি তৈয়াৰ কৰিব পাৰিব লাগিব।

## আঠ

মই জানো মোৰ এই লেখনিয়ে অনেকক অসন্তুষ্ট কৰিব। যিজন ব্যক্তিৰ সাহস, সততা আৰু প্ৰতিভাৰ গুণত মই মুগ্ধ (ড° হীৰেণ গোহাঁই) তেখেতেও মোৰ এই

ধৃষ্টতাক হয়তো অক্ষমনীয় বুলি ধৰি ল'ব। কোনোবা হয়তো মোৰ লেখনিৰ ওপৰত 'অ-সমাজ-সচেতন' বুলি লেবেল মৰাৰ বাবেও উৎসাহিত হ'ব, এই সকলো বিপদৰ প্ৰতি অৱহিত হৈও, মই এই মতামত প্ৰকাশ কৰাৰ কাৰণ হ'ল, মই এটা কথাত বিশ্বাস কৰো যে মোৰ সীমিত বিচাৰ বুদ্ধি, জানেৰে ভুলকৈ হ'লেও এই মুহূৰ্তত মই যিটো কথা সত্য বুলি ভাবিছো, কোনোবাই মোৰ ওপৰত বিৰূপ মন্তব্য প্ৰকাশ কৰিব বুলি আশংকা কৰি, সেই মত অপ্ৰকাশিত ৰাখি তাৰ বিপৰীতে সহজতে গ্ৰহণযোগ্য বক্তব্য ৰখাটো লেখক হিচাপে মই এক অমাৰ্জনীয় অপৰাধ বুলি গণ্য কৰোঁ। এজন লেখক হিচাপে মই যিকোনো প্ৰচলিত ধ্যান-ধাৰণাকে (লাগে সেয়া যিমানেই প্ৰগতিশীল আৰু জনপ্ৰিয় বুলি স্বীকৃত নহওক কিয়) নিৰ্বিবাদে গ্ৰহণ নকৰি পৰীক্ষা কৰি চাব খোজোঁ আৰু যেতিয়ালৈকে মই সন্তুষ্ট নহও, তেতিয়ালৈকে সেই ধ্যান-ধাৰণাৰ প্ৰবক্তাক প্ৰশ্ন কৰাৰ অধিকাৰ মোৰ আছে বুলি মই ধৰি লৈছো।

…মই নাজানো, মোৰ বন্ধু লেখক দেৱব্ৰতৰ সৈতে আৰম্ভ কৰা এই যাত্ৰাত আমি কিমান দূৰ একেলগে আহিছো। কোনো সংকোচ আৰু কৌশল নোহোৱাকৈ মোৰ দৃষ্টিভংগী মই সমালোচনাৰ বাবে উন্মুক্ত কৰি দিছো। একেলগে আৰম্ভ কৰা আমাৰ যাত্ৰাৰ অভিজ্ঞতাৰ আলোচনাত দেৱব্ৰতৰ অংশগ্ৰহণ নিশ্চয় হাতত কলম লোৱা তৰুণ লেখকসকলক পথৰ নিৰ্দেশ দিয়াত সহায়ক হ'ব। এই নিবন্ধৰ মোখনি মৰাৰ আগতে মোৰ 'সত্যানুসন্ধান' নামৰ সংকলনখনত সন্নিবিষ্ট উক্তি এটা পুনৰ ইয়াত উল্লেখ কৰিব বিচাৰিছো।

“যিদৰে বৈজ্ঞানিক এজনে বৰ সাৱধানেৰে সৈতে পৰীক্ষা চলাইছেও তেওঁৰ সিদ্ধান্তবোৰেই শেষ বুলি নাভাবে আৰু সেই সম্বন্ধে নতুন কথা জানিবলৈ মন মুকলি কৰি ৰাখে, ঠিক তেনেদৰে ময়ো আত্ম-পৰীক্ষাৰে নিজৰ মাজতে নিজে সত্য বস্তু বিচাৰি ফুৰিছো, নিজৰ প্ৰত্যেক মানসিক অৱস্থা কঢ়িয়াই চাইছো আৰু তথাপি সম্পূৰ্ণতা নাইবা, অভ্ৰান্ততা সম্বন্ধে মই অলপমানো দাবী নকৰো। অৱশ্যে মই এটা দাবী কৰো আৰু সেইটো হৈছে মোৰ বাবে সেইবোৰ তত্ত্ব, মোৰ বাবে সেইবোৰ কিছুদিনলৈ শেষ সিদ্ধান্ত।—যেতিয়ালৈকে মই স্বকীয়া মূল সত্য উপলব্ধি কৰিব নোৱাৰো, তেতিয়ালৈকে মোৰ নিজৰ ভাবৰ লগত সম্বন্ধ থকা সত্যকেই ধৰি থাকিম।……যদিও এই বাট সোন নহয়, ঠেক আৰু খুৰৰ ধৰে চোকা, তথাপি মোলৈ এয়েই সকলোতকৈ উজু আৰু সোন।”

# বন্ধু লেখকৰ সৈতে বিতৰ্কৰ বেদনা

## এক

বন্ধু-লেখক দেৱব্ৰতৰ 'কলমৰ সন্ধানত লেখকসকল এটা সংযোজন' ( বুধবাৰ, ১৮ আগষ্ট )-ৰ পঠন মোৰ পঢ়ুৱৈ জীৱনৰ অন্যতম বেদনাদায়ক অভিজ্ঞতা। মোৰ 'প্ৰেম, মঙ্গলবোধ আৰু বিবেকৰ পক্ষত' নামৰ ৰচনাখনে দেৱব্ৰতক আৱেগিকভাৱে ইমান বেছি উত্তলা কৰি তুলিব—সেই কথা মোৰ বাবে আছিল সপোনৰো অগোচৰ। এই অপ্ৰত্যাশিত আৰু অকল্পনীয় আৱেগিক প্ৰকাশৰ বাবেই মই এটা কথা অনুমান কৰিবলৈ বাধ্য হৈছো যে মোৰ ৰচনাখনত নিশ্চয় দেৱব্ৰতে এনে কোনো মন্তব্য আৱিষ্কাৰ কৰিছে, যিয়ে ব্যক্তিগতভাৱে তেওঁক আঘাত দিছে। এই অনুমানৰ ভিত্তিতেই এটা কথা আৰম্ভণিতে স্পষ্ট কৰি দিয়াৰ প্ৰয়োজন অনুভৱ কৰিছো যে মোৰ ৰচনা 'প্ৰেম, মঙ্গলবোধ ·····'ৰ এটা শাৰীও, দেৱব্ৰতক ব্যক্তি হিচাপেই হওক বা লেখক হিচাপেই হওক, অসন্মান প্ৰদৰ্শন কৰাৰ উদ্দেশ্যৰে লিখা হোৱা নাছিল। বৰঞ্চ আইৰণিকেলী, সেই প্ৰবন্ধটো দোৱা-দোৱিকৈ লিখা হৈছিল দেৱব্ৰতে 'বুধবাৰ'ত (২১ জুলাই ) মোৰ প্ৰতি জনোৱা আহ্বানৰ প্ৰতি সন্মান জনাই। মোৰ এই আন্তৰিক স্বীকাৰোক্তি মানি ল'বলৈ দেৱব্ৰতক মই দাবী জনাব নোৱাৰো। কিন্তু নিশ্চয়কৈ অনুৰোধ কৰিম এটা খোলা মন লৈ পুনৰবাৰ সেই প্ৰবন্ধটো পঢ়িবলৈ। তাৰ পিছতো যদি তেওঁ তাত ব্যক্তিগতভাৱে তেওঁ অথবা তেওঁৰ লেখনিৰ প্ৰতি অসন্মান প্ৰদৰ্শন কৰি লিখা এটাও শব্দ আছে বুলি অনুভৱ কৰে, তেনেহ'লে সামান্যতম দ্বিধা আৰু সংকোচ নোহোৱাকৈয়ে মই স্বীকাৰ কৰিম যে লেখনিৰ জৰিয়তে মোৰ সেই অশিষ্ট আচৰণ উচিত হোৱা নাই।

সত্যৰ সন্ধানৰ বাবে বাদানুবাদত লিপ্ত হ'বলৈ সামৰ্থ্য আৰু প্ৰয়োজন সাপেক্ষে মই অনিচ্ছুক নহয়। কিন্তু লগতে এই কথাও মই বিশ্বাস কৰো যে সেই বাদানুবাদে সত্য—কেন্দ্ৰিক বিতৰ্কৰ সীমা অতিক্ৰম কৰি ব্যক্তিগত পৰ্যায়লৈ অৱনমিত হ'লে মূল বিষয়ৰ ওপৰত ভাবৰ আদান-প্ৰদান বিঘ্নিত হৈ পৰে আৰু তাৰ বিপৰীতে সৃষ্টি হয় অকাৰণ তিক্ততা। এনে লেখনিয়ে খুব বেছি কিছু পঢ়ুৱৈক ক্ষন্তেকৰ বাবে স্থূল মনোৰঞ্জনৰ খোৰাকি যোগাব পাৰে; কিন্তু সত্যৰ সন্ধানত কোনো যোগাত্মক অৰিহণা যোগোৱা সম্ভৱ নহয়। দেৱব্ৰত আৰু মোৰ আলোচনাৰ বিষয়-বস্তু আছিল সাহিত্য সম্পৰ্কীয় কিছু ধ্যান-ধাৰণা: দেৱ-চৌধুৰী নহয়। সেয়েহে ব্যক্তি—দেৱ চৌধুৰীৰ ওপৰত কৰা অকৃপণ মন্তব্যক মই অপ্ৰাসংগিক বুলি বিবেচনা কৰিছো। প্ৰতি মন্তব্যৰ বাবে

প্ৰৰোচিত হোৱাতকৈ কৌতূহলোদ্দীপক এই বিশেষণৰ বৰ্ণনক মই হাঁহি হাঁহি গ্ৰহণ কৰিছোঁ সতীৰ্থৰ তাৎক্ষণিক উষ্মাৰ আৱেগিক প্ৰকাশৰ ৰূপত।

বন্ধু-লেখক, বিশ্বাস কৰক। এই সন্দৰ্ভত মোৰ হৃদয়ত মনোকষ্ট আছে : কিন্তু কোনো মালিন্য নাই। অনভিপ্ৰেত হ'লেও মোৰ শব্দৰ প্ৰয়োগে আপোনাক আৱেগিক-ভাৱে আঘাত হানিছে— সেই অনুভৱ মোৰ বাবে বেদনাদায়ক। আশা কৰিছোঁ, এই স্বীকাৰোক্তিৰ আঁৰত থকা সততাই সংবেদনশীল আপোনাৰ মনক স্পৰ্শ কৰিবলৈ সক্ষম হ'ব।

## দুই

বন্ধু-লেখকৰ 'এটা সংযোজন' পঢ়াৰ পিছত মোৰ অন্যতম প্ৰিয় লেখক হোমেন বৰগোহাঞিৰ 'এখন ব্যক্তিগত ৰচনা'ত পুনৰায় চকু ফুৰাই চাবৰ মন গ'ল। বৰগোহাঞিয়ে লিখিছে এইদৰে "প্ৰত্যেক জাতিৰ জীৱনতেই মাজে মাজে এনে একোটা সময় আহে বা আহিব পাৰে—যেতিয়া কিবা আদৰ্শগত দ্বন্দ্ব বা তীব্ৰ মত—পাৰ্থক্যই হিংস্ৰ ৰূপ ধাৰণ কৰি গোটেই জাতিটোৰেই হৃদয় বিদীৰ্ণ কৰে। পাৰস্পৰিক ঘৃণা আৰু বিদ্বেষে এনে উগ্ৰ ৰূপ ধাৰণ কৰে যে দুজনে সিজনক দেখিলেই ডিঙি মূচৰি মাৰিব খোজে। এনে পৰিৱেশত মানুহৰ মনৰ ওপৰত যুক্তিতকৈ ক্ৰোধ, সত্যতকৈ উদ্দেশ্য প্ৰণোদিত তথ্য-বিকৃতি আৰু শিষ্টাচাৰতকৈ কটু-বাক্যৰ প্ৰভাৱ বেছি হয়। অসমতো যোৱা বাৰবছৰমান কাল ধৰি নানা বিষয়ক কেন্দ্ৰ কৰি চলি থকা তীব্ৰ বাদানুবাদে সভ্যতা-সম্মত বিতৰ্কৰ সীমা অতিক্ৰম কৰি তিক্ত মনোমালিন্য আৰু বিদ্বেষৰ ৰূপ ল'বলৈ আৰম্ভ কৰিছে। ইয়াৰ ফলত ভাষা কলুষিত হৈছে, সামাজিক আচৰণ তিক্ততা পূৰ্ণ হৈছে আৰু ভাবৰ আদান-প্ৰদানৰ সকলো শিষ্ট সুগম পথ বিচ্ছিন্ন হৈ গৈছে। তৰ্ক-বিতৰ্কৰ মাজত সত্যৰ সন্ধানতকৈ ব্যক্তিগত বিদ্বেষ প্ৰৱণতাই প্ৰাধান্য পোৱাৰ ফলত সেইবোৰ তৰ্ক-বিতৰ্কই যিমান উত্তাপ সৃষ্টি কৰিছে, তাৰ তুলনাত পোহৰ দিছে খুব কম। এনে এটা সামাজিক পৰিৱেশ দীৰ্ঘস্থায়ী হ'বলৈ হ'লে মানুহে জীয়াই থকাৰ আনন্দই হেৰুৱাই পেলাব।

সোতৰ শতিকাৰ ইংলেণ্ডত ক্ৰমৱেলৰ নেতৃত্বত হোৱা পিউৰিটান অভ্যুত্থান, প্ৰথম চাৰ্লচৰ মৃত্যুদণ্ড আৰু দ্বিতীয় চাৰ্লচৰ দ্বাৰা সিংহাসন পুনৰুদ্ধাৰ আদি ঘটনাই সেই দেশৰ সামাজিক জীৱন এনেভাৱে বিপৰ্যস্ত কৰিছিল যে, গোটেই শতিকাটো আৱৰ্ত হৈছিল এটা অতি তিক্ততাপূৰ্ণ পৰিৱেশত। মানুহৰ মনবোৰ আছিল পাৰস্পৰিক সন্দেহ আৰু বিদ্বেষেৰে পৰিপূৰ্ণ। সমাজখন আছিল অনৈক্যত জৰ্জৰিত। ঠিক তেনে

সময়তে জোছেফ এডিছন আৰু ৰিচাৰ্ড ষ্টিলিয়ে হাতত তুলি লৈছিল শালীন ভাষা আৰু মধুৰ যুক্তিৰে সৈতে মানুহৰ ভগা মনবোৰ জোৰা লগাবলৈ।

সোতৰ শতিকাৰ ইংলেণ্ডৰ লগত অসমৰ যোৱা বাৰ বছৰৰ ঘটনাৱলী নিশ্চয় তুলনীয় নহয়।……কিন্তু এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে যোৱা বাৰ বছৰৰ ঘটনাৱলীয়ে অসমৰ বহুতো মানুহৰ মনত নানা ধৰণৰ তিক্ততা ৰাখি গৈছে যাৰ ফলত তেওঁলোকে ইজনে সিজনৰ লগত সহজ হৈ তৰ্ক-বিতৰ্ক বা আলোচনা কৰিব পৰা নাই।…এডিছন আৰু ষ্টিলৰ বিষয়ে কোৱা হয় যে তেওঁলোকে ওঠৰ শতিকাৰ প্ৰথম দশকৰ ইংলেণ্ডৰ তিক্ততাপূৰ্ণ সামাজিক পৰিৱেশলৈ ঘূৰাই আনিছিল their urbane wisdom, their reconciling wit and their gospel of decency, kindliness, and right reason.

## তিনি

আজিৰ পৰা প্ৰায় পোন্ধৰ বছৰৰ আগতে প্ৰথম যৌৱনত লিখা 'যুক্তি, অস্তিত্ব আৰু চেতনা' নামৰ মোৰ প্ৰবন্ধ এটা 'অসম বাণী'ৰ বিশেষ সংখ্যা এটাত প্ৰকাশ পাইছিল। সেই সময়ত মানুহৰ স্বাধীনতাৰ সম্পৰ্কত মই লিখিছিলোঁ এইদৰে—ছাৰ্ত্ৰৰ মতে স্বাধীনতা হ'ল—চেতনাৰ গতিশীলতা, মানসিক প্ৰতিফলনৰ সামৰ্থ্য, বিশ্বৰ লগত লীন হৈ নোযোৱাৰ ক্ষমতা, দূৰত্ব ৰাখি বস্তুৰ যৌক্তিক বিশ্লেষণ কৰাৰ অধিকাৰ। ছাৰ্ত্ৰৰ এই স্বাধীনতা আমি কিয় উপভোগ কৰিব পৰা নাই, সেয়া বিশ্লেষণ কৰি চালে অনেক কাৰণ দৃষ্টিগোচৰ হয় আৰু তাৰ ভিতৰত এটা হ'ল মাক-দেউতাক আৰু প্ৰবীণ সমাজৰ দখলি প্ৰবৃত্তি লগতে আবেগিক অত্যাচাৰ। এই সম্পৰ্কত আমি ৰাছেলৰ কেইটামান কথা উদ্ধৃত কৰাটো উচিত হ'ব বুলি ভাবোঁ। তেখেতে লিখিছে—আপোনাৰ শৈশৱ যিয়ে নিয়ন্ত্ৰণ কৰিছিল, তেওঁৰ প্ৰতি যদি অপমান দেখুৱাব লগা হয়, তেনেহ'লে তাত ভয় পোৱাৰ কোনো কাৰণ নাই। সেই সময়ত আপুনি অসহায় আৰু বুদ্ধিহীন আছিল কাৰণে তেওঁলোকক আপুনি ক্ষমতাশালী আৰু জ্ঞানী বুলি ভাবিছিল। এতিয়া যিহেতু আপুনি সেই দুটাৰ এটাও নহয়, গতিকে এতিয়া আপোনাৰ উচিত হ'ব, সেই সময়ত তেওঁলোকৰ প্ৰতি নিজৰ অভ্যাসবশতঃ যি সন্মান প্ৰদৰ্শন কৰিছিল, সেয়া তেওঁলোকৰ সঁচাকৈ প্ৰাপ্য হয়নে নহয় তাক বিবেচনা কৰি চোৱা আৰু তাৰ বাবে প্ৰয়োজন হ'ব তেওঁলোকৰ আপাতদৃষ্ট শক্তি আৰু বিজ্ঞতা পৰীক্ষা কৰি চোৱাৰ।*

বাৰ্ট্ৰাণ্ড ৰাছেলৰ দৰে মই অৱশ্যে এনেকুৱা এটা ধাৰণা পোষণ নকৰোঁ যে নবীন সকলৰ দ্বাৰা প্ৰবীণ সকল অপমানিত হোৱা উচিত (বিচাৰ সাপেক্ষে)। কিন্তু এটা

কথা মই বিশ্বাস কৰোঁ যে সামাজিক মঙ্গলবোধৰ খাতিৰত কোনো এটা প্ৰচলিত ধাৰণাৰ ওপৰত মত বিনিময় কৰাৰ সময়ত বয়োকনিষ্ঠ, বয়োজ্যেষ্ঠ অথবা শ্ৰীমান শ্ৰীযুতৰ ধাৰণা নিতান্তই অবান্তৰ। কোনো প্ৰবীণ কিয়, স্বয়ং ঈশ্বৰকো হাতত বৌদ্ধিক চেকনী লৈ থকা অসহিষ্ণু পণ্ডিতৰ ৰূপত মানি ল'বলৈ মই অস্বীকাৰ কৰোঁ। তাৰ অৰ্থ কিন্তু এইটো নহয় যে প্ৰবীণক মই অসন্মান কৰোঁ। তাৰ বিপৰীতে তাৰ অৰ্থ হ'ল— মই বয়স নিৰ্বিশেষে মতামত প্ৰকাশৰ স্বাধীনতাত বিশ্বাস কৰোঁ। সমাজত প্ৰবীণ সকলে প্ৰচলন কৰি থকা ধাৰণাসমূহ বয়োকনিষ্ঠ সকলে বয়সৰ প্ৰতি সন্মান জনাইয়ে মানি থাকিব বুলি আশা কৰাটো এটা ভ্ৰান্ত ধাৰণা আৰু সামগ্ৰিকভাৱে প্ৰগতিৰ পৰিপন্থী। ইয়াৰ বিপৰীতে মই বাঞ্ছা কৰো প্ৰচলিত ধ্যান-ধাৰণা নিৰ্বিবাদে মানি নলৈ, চালিজাৰি চাওক, বিশ্লেষণ কৰক, প্ৰশ্ন কৰক, কোনো সংকোচ নোহোৱাকৈ প্ৰকাশ কৰক আপোনাৰ মতামত, লাগে সেই মত প্ৰচলিত জনপ্ৰিয় মতৰ যিমানেই বিৰোধী নহওক কিয়। কোনো অসহিষ্ণু প্ৰবীণ আপোনাৰ প্ৰতি অসন্তুষ্ট হ'ব বুলি ভয় নকৰিব। এয়া ব্যক্তিগত মান-অভিমানৰ প্ৰশ্ন নহয়: এয়া প্ৰশ্ন মানুহৰ মংগলৰ।

সুস্থ বিতৰ্কই সমাজক পোহৰৰ সন্ধান দিয়ে আৰু যেতিয়াই এই বিতৰ্ক ব্যক্তিগত পৰ্যায়লৈ অৱনমিত হয়, তেতিয়াই সামাজিক ধ্যান ধাৰণাইও গতি কৰে অন্ধকাৰলৈ। 'A leap in the dark' ছাপমান কৰদাৰ ভাষাত।

## চাৰি

মত-বিনিময়ত অংশ গ্ৰহণ কৰা সকলোৱে বিতৰ্কৰ সংজ্ঞা আৰু ধাৰণা এক হ'ব বুলি মই আশা নকৰোঁ আৰু দাবীও নকৰোঁ একে হ'ব লাগিব বুলি। কিন্তু সততাৰ খাতিৰত এটা কথা মই ক'ব খোজো যে, যোৱা কেইটামান বছৰত সামাজিক ধ্যান-ধাৰণাৰ ওপৰত হোৱা বিতৰ্কৰ সময়ত বহুতো নমস্য প্ৰতিভাশালী লেখকৰ এজনে আন এজনৰ ওপৰত কৰা ব্যক্তিগত পৰ্যায়ৰ মন্তব্য মোৰ বাবে বেদনাদায়ক। ৰাজনৈতিক ক্ষেত্ৰত জনগণৰ মাজত বিৰোধী পক্ষৰ ভাবমূৰ্তি ম্লান কৰি নিজৰ স্থিতি সবল আৰু জনপ্ৰিয় কৰাৰ স্বাৰ্থত বিৰোধী নেতাৰ ওপৰত ব্যক্তিগত পৰ্যায়ৰ অশিষ্ট মন্তব্যৰ প্ৰয়োগ আজিকালি নিতান্ত সুলভ। কিন্তু সাহিত্যত ৰাজনীতিৰ প্ৰবেশ স্বীকৃত হোৱাৰ বাবেই এইটো কথা মানি ল'বলৈ মই অস্বীকাৰ কৰোঁ যে, সাহিত্যিক সকলেও ভিন্ন মতাৱলম্বীৰ স্থিতি দুৰ্বল কৰি নিজৰ স্থিতি সবল কৰাৰ স্বাৰ্থত ৰাজনীতিবিদসুলভ হৈ পৰা ব্যক্তিগত পৰ্যায়ৰ স্থূল মন্তব্যৰ প্ৰতিযোগিতা সাহিত্যলৈ আমদানি কৰিব লাগিব।

এই দিনিতে দুখ আৰু হতাশাৰে, বহুত দিনৰ পৰা অনুভৱ কৰি থকা এটা কথা মুখ খুলি কোৱাৰ প্ৰয়োজন অনুভৱ কৰিছো। ড° হীৰেন গোহাঁই, ভবেন বৰুৱা,

আদি প্ৰথিতযশা লেখকৰ শাণিত যুক্তি, বিশ্লেষণ ক্ষমতা, গভীৰ জ্ঞান আৰু প্ৰতিভাই নিঃসন্দেহে মোক চমৎকৃত আৰু মুগ্ধ কৰি ৰাখে। কিন্তু একে সময়তে এই কথাও মই ক'ব খোজো যে তেওঁলোকৰ এজনে আন এজনৰ ওপৰত কৰা নিতান্ত স্থূল মন্তব্যই হয়তো বহুতৰ বাবে তৃপ্তি কঢ়িয়াই আনে, কিন্তু মোৰ বাবে কঢ়িয়াই আনে ব্যক্তিগত বিষাদ আৰু যন্ত্ৰণা।

প্ৰতিভা আৰু স্থূলতাৰ এই সহবাস মোৰ বাবে এক বিস্ময়কৰ আৰু বেদনাদায়ক সাথঁৰ।

## পাঁচ

'বুধবাৰ' কাকতৰ অনিয়মিয়া হ'লেও 'মেজমেল' শিতানটোৰ মই এজন আগ্ৰহী পঢ়ুৱৈ। ১৯৯১-ৰ ডিচেম্বৰত বুধবাৰৰ কাৰ্যালয়ত আহ্বান কৰা 'সমাজ আৰু শিল্পী-সাহিত্যিক' শীৰ্ষক এখন মেজমেলত অংশগ্ৰহণ কৰিছিল—অপৌ চক্ৰৱৰ্তী, গৌতম বৰা, দেৱব্ৰত দাস, ড° অমৰজ্যোতি চৌধুৰী আৰু দিলীপ তামুলীয়ে। সেই 'মেজমেল'ত গৌতম বৰাৰ উদাৰ আৰু সৰল স্বীকাৰোক্তিয়ে মোক আকৰ্ষণ কৰিছিল। গৌতমৰ বক্তব্য আছিল এনেকুৱা ধৰণৰ—"আজিৰ সামাজিক পৰিৱেশত শিল্পী-সাহিত্যিক বা চিন্তাশীল ব্যক্তিসকল এক অনৰ্গল দ্বন্দ্বত ভুগি আছে। আজিৰ এই সামাজিক অস্থিৰতাত তেওঁলোকেহে বেছিকৈ আমনি পাই আছে। কাৰণ তেওঁলোকে সহজতে এইটো পথেই শুদ্ধ বুলি কৈ দিব নোৱাৰে। শিল্পী-সাহিত্যিকৰ ইয়াতেই এটা ডাঙৰ অসুবিধা—আমি শ্লোগানৰ মাজেৰে শুচি যাব নোৱাৰোঁ।"

শ্লোগানৰ মাজেৰে শুচি যোৱাত দ্বন্দ্বৰ পৰা মুক্তিলাভ হয়। এই যাত্ৰাৰ এক মাদকতাময় উত্তেজনা আছে, ওপৰঞ্চি হিচাপে জনপ্ৰিয়তাও হৈ পৰে সহজলভ্য। তথাপি এজন লেখক হিচাপে শ্লোগানৰ মাজেৰে ইমান সহজতে শুচি যাবলৈ মই অস্বীকাৰ কৰোঁ। সেই বাবেই হয়তো সত্তা সম্পৰ্কত মোৰ এতিয়াও দ্বন্দ্বৰ অৱসান হোৱা নাই; সমাজৰ মঙ্গলৰ পথ নিৰ্ণয়ত কিছু পৰিমাণে মই বিভ্ৰান্ত, নিষ্পেষিত মানুহৰ মুক্তি আৰু মঙ্গলৰ 'এইটোৱেই' একমাত্ৰ আৰু শুদ্ধ বিকল্পহীন পথ বুলি ক'বলৈও মই কিঞ্চিৎ দ্বিধাগ্ৰস্ত। আলি দোমোজাত আহি থিয় হোৱা দুজন লেখকৰ (মোৰ আৰু দেৱব্ৰতৰ) কথা উল্লেখ কৰি ড° হীৰেন গোহাঁইয়ে যেতিয়া মন্তব্য কৰে (আজিৰ বাতৰি, ১৩ জুন, ৯৩) যে আমি যেন কিছু বিভ্ৰান্ত, তেতিয়া বিনা প্ৰশ্নৰে অন্ততঃ মোৰ ওপৰত কৰা সেই মন্তব্য মানি লোৱাৰ বাহিৰে মোৰ গত্যন্তৰ নাথাকে।

যোৱা দশকটোৰ সামাজিক অস্থিৰতা আৰু আমাৰ পিছৰ সংবেদনশীল নবীন

লেখকৰ লেখনিৰ পৰ্য্যবেক্ষণে মোক এটা কথা ভাবিবলৈ উদ্বুদ্ধ কৰিছে যে তৰুণ সকলৰ মাজত মানুহৰ মঙ্গলসাধনক ব্ৰত হিচাপে আন্তৰিকতা আৰু সততাৰে ল'বলৈ ইচ্ছুক তৰুণৰ অভাৱ নাই। অভাৱ হ'ল মঙ্গলসাধনৰ এটা সৰ্বজনস্বীকৃত, অভ্ৰান্ত আৰু নিশ্চিত পথ। তেওঁলোকৰ এই বিভ্ৰান্তিৰ সুযোগ লৈ উত্তেজনা আৰু মাদকতাৰে ভৰা কিছু শ্লোগান ওপৰৰ পৰা জাপি দিয়াটো সহজ কিন্তু তাৰ বিপৰীতে সুস্থ আৰু সহিষ্ণু মুকলি তৰ্ক-বিতৰ্কৰ জৰিয়তে মই বিভিন্ন অলটাৰনেটিভ সমূহ চালি-জাৰি চাব বিচাৰোঁ, যাতে এই প্ৰক্ৰিয়াৰ জৰিয়তে আমি, আমাতকৈও নবীন সকলে 'বিভ্ৰান্তি'ক অতিক্ৰম কৰি ধীৰে ধীৰে 'অভ্ৰান্তি'ৰ ফালে আগবাঢ়ি যাব পাৰে।

মোৰ 'প্ৰেম, মঙ্গলবোধ ····' ৰচনাৰ জৰিয়তে বন্ধু লেখক দেৱব্ৰতৰ বিতৰ্কৰ বাবে আহ্বান জনোৱাৰ একমাত্ৰ কাৰণ আছিল ; মই আশা আৰু বিশ্বাস কৰিছিলোঁ যে সচেতন গল্প-লেখক হিচাপে বিতৰ্কত তেওঁৰ অংশগ্ৰহণে হাতত কলম তুলি লোৱা তৰুণ লেখকসকলৰ চিন্তাক সমৃদ্ধ কৰিব।

'বুধবাৰ'ৰ 'মেজমেল'ত দেৱব্ৰতে নিজে কোৱা কথাখিনি নিশ্চয় মনত আছে। পঢ়ুৱৈৰ সুবিধাৰ্থে মই উল্লেখ কৰিছোঁ -"সত্যৰ সন্ধানেই মোৰ বোধেৰে আমাৰ সৃষ্টিৰ উৎস।······যেতিয়া এজন সৃষ্টিকৰ্তা সত্যৰ সন্ধানত ৰত থাকে, তেওঁ 'এইটোৱেই শুদ্ধ পথ' বুলি·পোনপটীয়াকৈ আঙুলিয়াই দিব নোৱাৰে নিশ্চয়। তেওঁ কেৱল আল্টাৰ-নেটিভবিলাকহে মানুহক কৈ যাব পাৰিব।"

লেখক হিচাপে মই সত্যৰ সন্ধানত ৰত এজন সৃষ্টিকৰ্তা। সকলো ক্ষেত্ৰতে বিতৰ্কহীন absolute সত্য আছে বুলি মই বিশ্বাস নকৰোঁ। এটা সত্যৰ ওপৰত গুৰুত্ব আৰোপে অইন এটা সত্যক নাকচ কৰি দিয়ে বা দিয়া উচিত বুলিও মই বিশ্বাস নকৰোঁ। কিন্তু এটা কথাত মই বিশ্বাস কৰোঁ যে, কোন সময়ত কোন 'সত্য'ৰ ওপৰত এজন লেখকে গুৰুত্ব আৰোপ কৰিব, সেই কথাৰ একমাত্ৰ নিৰ্ণায়ক হ'ব লাগিব মানুহৰ মঙ্গলসাধন। ব্যক্তিগত বা দলীয় স্বাৰ্থ নহয়। সহজ হাততালিও নহয়।

আহক, ব্যক্তিগত মান-অভিমান এৰি, খোলা মন লৈ, আমি সকলোৱে একেলগে চিন্তা কৰি চাওঁ, লেখক হিচাপে কলমৰ জৰিয়তে আমি মানুহৰ মঙ্গল-সাধনত সামৰ্থ অনুযায়ী কিঞ্চিৎ হ'লেও অৰিহণা যোগাব পাৰোঁ নেকি?

# চাকৰিয়াল লেখকৰ সমস্যা

**নবৈৰ-উপৰ ৰ 'তৰুণজন'**

তাহানি কলেজত থাকোতেই খুটৈখুটাকৈ সেই অহংকাৰী বিতৰ্কিত লেখক নিৰদ চি চৌধুৰীৰ আলোড়নকাৰী প্ৰথম গ্ৰন্থ The outobiography of an unknown Indian পঢ়ি মুগ্ধ হৈছিলো তেখেতৰ সূক্ষ্ম পৰ্যবেক্ষণ, শাণিত বিশ্লেষণ আৰু চোকা ছুৰিৰ দৰে চিক্‌মিকাই থকা স্বকীয় ভাষাৰ বাবে। সৰু সৰু আখৰেৰে ছপা কৰা বিশালায়তন সেই অভিনৱ আত্মজীৱনীখন এতিয়াও মন গ'লে কেতিয়াবা লুটিয়াই বগৰাই চাওঁ আৰু বুজিবলৈ চেষ্টা কৰো তাৰ ভিতৰত লুকাই থকা সেই খৰকায়, তীখৰ বুদ্ধিৰ, অহংকাৰী, বিতৰ্কিত মানুহজনক। বিতৰ্কৰ এটা নিজস্ব মাদকতা আৰু আকৰ্ষণ আছে এই কথাষাৰ নিৰদ চি চৌধুৰীৰ দৰে তালকৈ হৃদয়ংগম কৰি কামত প্ৰয়োগ কৰিবলৈ আৰু কোনো সমকালীন লেখকেই সম্ভৱ এতিয়াও সক্ষম হোৱা নাই। Unknown Indian-ৰ জৰিয়তে ১৯৫১ চনতে আৰম্ভ কৰা তেখেতৰ বিতৰ্কিত যাত্ৰা আজি চল্লিশ বছৰ পিছতো চৌধুৰীয়ে তেখেতৰ নব্বৈ উৰ্ধ'ৰ 'তৰুণ' শৰীৰেৰে তেজাল ঘোঁৰাৰ দৰে গতিৰেই অব্যাহত ৰাখিছে। এই উদ্যম যিকোনো লেখকৰ বাবেই বিস্ময়কৰ আৰু ঈৰ্ষণীয়। মোৰ বাবেও। কিন্তু ধনচিৰিকাৰ শৰীৰত সিংহৰ সাহস লুকাই থকা নিৰদ চি চৌধুৰী আমাৰ আজিৰ এই আলোচনাৰ বিষয়বস্তু নহয়: যাথোন তেখেতৰ সেই চাঞ্চল্যকাৰী প্ৰথম গ্ৰন্থ Unknown Indian এ ভাৰতবৰ্ষৰ সংবিধানৰ সংশোধন (!) ত লোৱা এক ঐতিহাসিক ভূমিকাৰ প্ৰতি দৃষ্টি আকৰ্ষণহে প্ৰসংগক্ৰমে আমাৰ প্ৰয়োজন হৈছে।

Unknown Indian প্ৰকাশ হোৱাৰ সময়ত জৱাহৰলাল নেহৰু ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী আৰু দুৰ্ভাগ্য চৌধুৰী অল ইণ্ডিয়া ৰেডিঅ'ৰ এজন বেতনভোগী কৰ্মচাৰী। চৌধুৰীৰ সেই আত্মজীৱনীত প্ৰসংগক্ৰমে আছিল নেহৰুৰ ওপৰত কিছু অপ্ৰীতিকৰ মন্তব্য আৰু তেখেতৰ ঐতিহাসিক ধাৰণাৰ বিৰোধিতা কৰা কিছু বক্তব্য; যাৰ বাবে সেই গ্ৰন্থৰ ওপৰত নেহৰুৰ দৰে উদাৰ আৰু বিজ্ঞ লোকজনো হৈ পৰিছিল ক্ৰুদ্ধ (এজন সাধাৰণ চাকৰিয়ালৰ ইমান সাহস, দেশৰ প্ৰধানমন্ত্ৰী আৰু তেখেতৰ নীতিক সমালোচনা কৰে!) নেহৰুৰ ক্ৰুদ্ধভাৱ প্ৰকাশ পাইছিল চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ পৰা লেখক চৌধুৰীৰ ওপৰত জাৰি কৰা এক কৈফিয়ৎ তলবৰ জৰিয়তে।

Unknown Indian প্ৰকাশ হোৱাৰ প্ৰায় এবছৰ পিছত ১৯৫২ চনৰ মেৰেকৰ

মাহত চৰকাৰৰ অনুমতি নোলোৱাকৈ তেখেতে কিয় কিতাপখন প্ৰকাশ কৰিছিল, সেই সম্পৰ্কে তথ্য আৰু জনসংযোগ বিভাগে চৌধুৰীৰ পৰা বিচাৰিছিল লিখিত কৈফিয়ৎ।

সেই সময়লৈকে Government Servant's Conduct Rules-ত সাময়িক লোকৰ বাহিৰে অইনৰ ক্ষেত্ৰত কিতাপ প্ৰকাশৰ বাবে তেনে কোনো চৰকাৰী অনুমতি লোৱাৰ নিয়মৰ উল্লেখ নাছিল ; সেয়েহে সংবিধান প্ৰদত্ত মৌলিক অধিকাৰৰ অন্তৰ্ভুক্ত মতামতৰ স্বাধীনতা যি কোনো সাধাৰণ লোকৰ দৰেই চৰকাৰী চাকৰিয়ালৰ বাবেও প্ৰযোজ্য আছিল। এই যুক্তিৰেই শানিত বুদ্ধিৰ নিৰদ চি চৌধুৰীয়ে চমনৰ উত্তৰত সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল যে চৰকাৰৰ অনুমতি নোলোৱাকৈও Unknown India ৰ দৰে প্ৰধানমন্ত্ৰী অথবা চৰকাৰৰ নীতি বা ধাৰণাৰ সমালোচনা সন্নিবিষ্ট গ্ৰন্থ এখন প্ৰকাশ কৰাৰ অধিকাৰ ভাৰতীয় সংবিধানে তেখেতক প্ৰদান কৰিছে।

কিছুদিন আগতে শাৰদীয় 'দেশ'ত প্ৰকাশিত এখন সুদীৰ্ঘ ৰচনাত সগৌৰৱেৰে নিৰদ চি চৌধুৰীয়ে ঘোষণা কৰিছে যে চৰকাৰী চমনৰ বিপৰীতে দিয়া তেখেতৰ উত্তৰৰ অখণ্ডনীয় যুক্তিৰ ফলস্বৰূপেই সংসদত ভাৰতীয় সংবিধানৰ এটা সংশোধনী কৰা হয়, যাৰ ভবিষ্যতে চৰকাৰী চাকৰিয়ালৰ ক্ষেত্ৰত থকা পূৰ্বৰ প্ৰকাশৰ অধিকাৰ লোপ পায়। সম্ভৱ ইয়াৰ পিছতেই Government Servant's Conduct Rules-ত চৰকাৰী চাকৰিয়ালৰ প্ৰকাশৰ অধিকাৰ খৰ্ব কৰি নতুন ধাৰা সন্নিবিষ্ট কৰা হয়।

আমি হাতত পোৱা এনেকুৱা এটা Conduct Rule-ৰ কথাখিনি মোটামুটিভাৱে তলত দিয়া ধৰণৰ—

• No employee shall · ...in any document published under his name or in any communication to the press or any public utterances, make any statement which has the effect of adverse criticism of any policy or action of the Central or State Governmet,........

• আগতীয়া অনুমতি নোলোৱাকৈ No employee......shall...contribute any article or write any letter either in his own name or anonymously, pseueonymously or in the name of other person to any newspaper or periodical ; provided the that no such sanction shall be required if such... contribution is of a purety literary, artistic or scientific character

যদিহে নিৰদ চি চৌধুৰীয়ে কথা কোৱা সঁচা হয় তেনেহলে কব লাগিব সেই কৃশকায় মানুহজনৰ বিপুল সাহসৰ বাবে Service Rules-ত ঠাই পাই চৰকাৰী চাকৰিয়ালে হেৰুৱাব লগীয়া হ'ল প্ৰকাশৰ অধিকাৰ !

## নেপালী পণ্ডিতৰ ভৱিষ্যৎবাণী

নিৰদ চি চৌধুৰীৰ স্বাধীন মনোবৃত্তিৰ ফলস্বৰূপে চৰকাৰী চাকৰিয়ালৰ প্ৰকাশৰ অধিকাৰ খৰ্ব কৰি ভাৰতীয় সংবিধান সংশোধন কৰাৰ কেইটামান বছৰৰ পিছতে অসমৰ গুৱাহাটী চহৰৰ এগৰাকী চৰকাৰী চাকৰিয়াল ( কটনৰ অধ্যাপক ) ঘৰত এদিন ৰাতিপুৱা উপস্থিত হৈছিল নেপালী পণ্ডিত বুলি পৰিচিত এগৰাকী জ্যোতিষী। জ্যোতিষীগৰাকীয়ে ডেকা অধ্যাপকজনক ক'লে—আপুনি এমুঠি ফুল লৈ আহকচোন, নিজৰ হাতেৰে ছিঙি। ঘৰৰ ওচৰতে ফুলি আছিল জেট্ৰোপা নামৰ কাইটীয়া গছজোপাত অকণ অকণ টিকটিকীয়া ৰঙা কেইপাহমান ফুল, মাজত ফটিক ৰঙৰ একোটাকৈ মণি।

নেপালী পণ্ডিতৰ জ্যোতিষৰ যাদুৰ আমোদ লোৱাৰ মানসেৰেই অধ্যাপক গৰাকীয়ে কেইপাহমান ৰঙা ফুল ছিঙি আনি হাতত দি'লে। জ্যোতিষীয়ে দুই চকু মুদি গালে কেইটামান সংস্কৃত শ্লোক আৰু চাৰৰ পচাৰতে সন্মুখত থোৱা কাগজ এখিলাত অংকন কৰিলে অধ্যাপকৰ জন্ম-কুণ্ডলী। এৰা তেওঁৰেই জন্ম কুণ্ডলী।

তাৰ পিছতে দৈৱবাণীৰ দৰে সেই নেপালী পণ্ডিতজনে ভৱিষ্যতবাণী কৰি অধ্যাপকক কলে ১৯৭০ চনৰ ৪ জুলাইৰ পৰা আপোনাৰ এতিয়াৰ চাকৰিটোৰ খটং মটং লাগিব। আপুনি এই চাকৰিটো এৰি দিব, নিশ্চয়।

জ্যোতিষ-শাস্ত্ৰৰ ওপৰত বিশেষ বিশ্বাস নোহোৱা সেই ডেকা অধ্যাপকে হাঁহি হাঁহি কলে—মোৰ কিন্তু অসম্ভৱ যেনেই লাগিছে। যদি পঢ়িয়াপে বেলেগ কথা। কিন্তু চৰকাৰী চাকৰি এটা এৰি দৈ গুচি যোৱাৰ কথাই নুঠে। উত্তৰত গভীৰ আত্মবিশ্বাসেৰে সেই জ্যোতিষীয়ে কলে—আপুনি তাৰিখটো লিখি ৰাখক। ভুল হোৱানেচে আপ হন্‌ৰা গৰন কাট দাখিয়ে। মোৰ ভৱিষ্যতবাণী ভুল হ'লে আপুনি মোৰ ডিঙি কাটি দিব।

নেপালী পণ্ডিতজন ঘৰৰ পৰা ওলাই যোৱাৰ পিছত কি জানো ভাবি ডেকা অধ্যাপকজনে কথাখিনি কাগজ এটুকুৰাত লিখি মানী বেগটোৰ সৰু জেপ এটাত সুমুৱাই ৰাখিলে। তেওঁ সেই সৰু কাগজৰ টুকুৰাটো মানী-বেগৰ জেপৰ পৰা উলিয়াই চাব ১৯৭০ চনৰ জুলাই মাহৰ এক সন্ধিয়া।

## অভিশপ্ত চাৰি জুলাই '৭০

অসমীয়া ভাষাক ৰাজ্যভাষাৰ মৰ্য্যাদা দিয়াৰ দাবীত ১৯৭০ চনত অসমৰ জাতীয় জীৱনৰ ওপৰেৰে বৈ গৈছিল এক অশান্ত ৰক্তাক্ত স্ৰোত। সেই দুৰূহ-ৰক্তাক্ত মাজতে এদিন দুপৰীয়া ১১-৩০ বজাত গুৱাহাটীৰ কটন কলেজৰ দুই নং ছাত্ৰাবাসৰ সন্মুখত এটা

সক ঘৰত দপ্‌দপাই জ্বলি উঠিছিল একুৰা জুই। সেই জুইৰ পম খেদি সেই সময়ৰ আৰক্ষী অধীক্ষক পাখিয়ে লগত এটা উনৈশ জনীয়া সশস্ত্ৰ সীমান্তৰক্ষী বাহিনীৰ পুলিচ বেটেলিয়ান লৈ উপস্থিত হৈছিল ক্ষন্তেক পিছতে অসমৰ ইতিহাসত চিৰকালৰ বাবে চিহ্নিত হবলৈ অপেক্ষা কৰি থকা দুই নং ছাত্ৰাবাসৰ দক্ষিণ আৰু পশ্চিম ফালৰ বাজবাটত।

লোহাৰ জেওৰা খুঁটিৰ ওপৰত সামৰিক কায়দাৰে প্ৰতিষ্ঠা কৰা হৈছিল নিভুঁল-ভাৱে ভুপৰৰ বঁদত চিক্‌মিকাই থকা বন্দুকৰ সেই ভয়ঙ্কৰ ধাতৱ নল। কোনো জানো চিঞৰিছিল—'ফায়াৰ', পাখিয়ে হেনো চিঞৰি উঠিছিল—'কাৰ্ফ্যু', কাৰ্ফ্যু! বিদ্যাৰ মন্দিৰ বজনজনাই গৈছিল বন্দুকৰ শব্দত। হাতত কলিজা লৈ কোনো জানো ধোঁৱাৰ মাজেৰে এইফালে, সেইফালে দৌৰিছিল, আৰ্তনাদ কৰি দুই নম্বৰ ছাত্ৰাবাসৰ অভিশপ্ত সেই তেৰ নম্বৰ ৰুমৰ সমুখৰ বাৰান্দাতে তেজেৰে লুটুৰি-পুটুৰি হৈ কোনোবা বাগৰি পৰিছিল। কোনোবাই লুটিয়াই দিছিল চেতনাহীন সেই শৰীৰ: অপলক সেই নিষ্কলুষ মুখ আছিল কটনৰ ছাত্ৰ ৰঞ্জিত বৰপূজাৰীৰ।

সেই দিনাই সন্ধিয়া কটনৰ সেই ডেকা অধ্যাপকজনে পকেটৰ পৰা উলিয়াইছিল বহু দিনৰ পুৰণি মানীবেগটো। সৰু কাগজৰ টুকুৰা এটা বেগটোৰ পৰা সৰি পৰিছিল। হাতত তুলি লৈ, কাগজখিলা মেলি তেওঁ থৰ হৈ ৰৈ গৈছিল। এৰা, আজিৰ তাৰিখ-টোকেই লিখা আছে কাগজখিলাত। ১৯৬০ চনৰ চাৰি জুলাই।

আজি ১৯৬০ চনৰ চাৰি জুলাই।

গুৱাহাটী চহৰ তেতিয়া সান্ধ্য আইনৰ কবলত: সান্ধ্য বতাহত ভাহি আহিছে বন্ধুৰ আৰু ভ্ৰাতৃৰৰ বিশ্বাস-ভঙ্গৰ আৰ্তনাদ আৰু সন্দেহৰ সুতীব্ৰ গোন্ধ।

বিদ্যুৎ প্ৰবাহৰ দৰে ডেকা অধ্যাপকজনৰ আহত হৃদয় আৰু অস্থিৰ মগজুৰে পাৰ হৈ গ'ল সেই নেপালী পণ্ডিতজন, টিকটিকীয়া সেই বঙা যুগল আৰু সেই ভৱিষ্যতবাণী—১৯৬০ চনৰ ৪ জুলাইৰ পৰা আপোনাৰ এভিআৰ চাকৰিটোত খটং মটং লাগিব। ভুল হোনেছে আপ হমৰা গৰ্ডন কাট দীজিয়ে।

## আলোড়নকাৰী সেই চিঠিখন

এজন নিৰপৰাধী তৰুণৰ নৃশংস মৃত্যুৰ বাতৰি বনজুইৰ দৰে বিয়পি পৰিছিল চৌপাশে, মুখে মুখে বাগৰি সেই মৃত্যুৰ বাতৰি এক কালবিভীষিকাৰ ৰূপ লৈছিল, দাবানল জ্বলিছিল ধ্বংসৰ, নিহত হৈছিল নিৰাহ অচিন মানুহ আৰু আহত হৈছিল কত তৰুণ হৃদয়।

ভিতৰি ভিতৰি সেই অশান্তিৰ দাবানলে ছুই লৈ গৈছিল সেই ডেকা অধ্যাপকৰ

বিবেকবান হৃদয়। তাৰ মাত্ৰ চাৰি দিন পিছত ৮ জুলাইৰ আসাম ট্ৰিবিউন কাকতত প্ৰকাশ হোৱা এখন চিঠিৰ আবেগসিক্ত অথচ যুক্তিৰ দৃঢ়তাৰে ভৰা কঠিন ভাষাই সকলোৰে দৃষ্টি স্বতঃস্ফূৰ্তভাৱে আকৰ্ষণ কৰিছিল। Police Firing at Guwahati শিৰোনামাৰে প্ৰকাশিত সেই চিঠিত ১৯৬০ চনৰ ৪ জুলাইত কটন ছাত্ৰাবাসত গুলি বৰ্ষণৰ আঁৰত থকা পুলিচৰ উৰ্দ্ধতম মহলৰ পৰিকল্পিত ষড়যন্ত্ৰৰ স্বৰূপটো উদঙাই দিয়া হৈছিল আৰু দ্বিধাহীন ভাষাৰে ঘোষণা কৰা হৈছিল যে সেই দোষী বিষয়া সকলক যদি নিলম্বিত কৰিব নোৱাৰে, তেনেহ'লে সেই সময়ৰ মুখ্যমন্ত্ৰী চলিহাৰ মুখ্যমন্ত্ৰী হৈ থকাৰ কোনো নৈতিক অধিকাৰ নাই।

……On the face of all these facts, Sri Chaliha who is also responsible of the education portfolio, forfeits the moral right to be the cheif Minister of Assam, unless he immediately suspends all these top officials of Assam Police, unless he orders a personal trial of these culprits for their committing, aiding and abetting cold-blooded murder, and unless he gives compensation to the relatives of these victims of police fury and muddleheaded policy of himself.

বিবেকৰ দংশনত লিখা আলোড়নকাৰী সেই চিঠিখনৰ লেখক আছিল সেই ডেকা অধ্যাপকজন, যাৰ পকেটত থকা সেই উৰলি যোৱা পুৰণি মানীবেগটোত তেতিয়াও সেই ৰহস্যময় কাগজৰ টুকুৰাটো আছিল, য'ত লিখা আছিল তেওঁ লিখা চিঠিখনত উল্লিখিত ঘটনাটো সংঘটিত হোৱা অভিশপ্ত তাৰিখটো। চাৰি জুলাই, ঊনৈশ শ

## চাৰ্জিচ কলৰ অক্টোপাচ

ইউনিফৰ্ম পৰিহিত পিয়নজনে সেই বছৰৰে ২১ চেপ্তেম্বৰত খামৰ ওপৰত ডেকা অধ্যাপকজনৰ নাম লিখা ৰেজিষ্ট্ৰি চিঠি এখন লৈ আহিছিল। পিয়নজনৰ চিঠিখন ৰেজিষ্ট্ৰী কৰা পুৰণি পেনটোৰেই প্ৰাপ্তি স্বীকাৰৰ কাৰ্ডখনত চহী কৰি ডেকা অধ্যাপকজনে বন্ধ খামটো হাতত তুলি লৈ কন্তেকৰ বাবে কিবা এটা চিন্তা কৰিছিল। হয়তো ভাবিছিল তেওঁ কৰা অনুমানেই শেষ সঠিক হ'ব নেকি : সেই যে নেপালী জ্যোতিষী-জনে তেওঁক কৈছিল, বৰ্তমানৰ এই চৰকাৰী চাকৰিটো তেওঁ এৰি দিব লাগিব! অৱশেষত কোনো দিনে বিশ্বাস নকৰা সেই জ্যোতিষীৰ বাণীয়েই বাস্তৱত ৰূপায়িত নেকি!

খামটো খুলিছিল তেওঁ।

অসমৰ শিক্ষা সচিবে ডেকা অধ্যাপকজনাক অভিযুক্ত কৰি লিখা এখন চিঠিৰ প্ৰতিলিপি, লগতে গাঁঠি দিয়া হৈছিল অভিযোগনামা।

······That you being a Government servant under the Government of Assam published in your own name a letter captioned 'Police Firing at Guwahati in the Tribune, in its issue of the 8.7.60 wherein you have openly and adversely criticised the policy and action of the State Government including the Chief Minister.

আৰু

You,······are hereby required to show cause under Rule 55 of the civil services ( Classification, control and Approval ) Rules, read with article 311 of the constituiion of India why you should not be removed from service or punished otherwise······

এই ঘটনাৰ প্ৰত্যক্ষ বা পৰোক্ষ ফলশ্ৰুতি হিচাপেই অনমনীয় সেই ডেকা অধ্যাপক-জনে চৰকাৰী চাকৰিৰ পৰা ইস্তফা দিয়াৰ সিদ্ধান্ত লৈছিল। ১৯৬০ চনৰ ৪ জুলাইত সংঘটিত হোৱা এটা ঘটনাক কেন্দ্ৰ কৰি আৰম্ভ হোৱা চৰকাৰী চাকৰিৰ ঘটং মটঙৰ অৱসান ঘটাই সেই বছৰৰে নৱেম্বৰ মাহৰ শেষৰ ফালে সেই ফালে সেই বিবেকবান ডেকা অধ্যাপকজনে সেই সময়ৰ কটনৰ অধ্যক্ষ হৰিশ্চন্দ্ৰ গোস্বামীৰ হাতত কটন কলেজৰ অধ্যাপক পদৰ পৰা অব্যাহতি বিচাৰি পদত্যাগ-পত্ৰ দাখিল কৰিছিল।

বৰ্তমানে তেষষ্ঠি বছৰৰ অভিজ্ঞতা আৰু গভীৰ অধ্যয়নৰে পুষ্ট আমাৰ সকলোৰে শ্ৰদ্ধা আৰু মৰমৰ সেই জাতিস্মৰৰ কবি ড° মহেন্দ্ৰ বৰাৱেই যে আছিল সেইজনা দৃঢ়মনা ব্যক্তি, সেই কথা নিশ্চয় সকলোৰে কাৰো অনুমান কৰিবলৈ অসুবিধা নহয়।

## মই মৰকৰ পৰা কৈছো

মাটিৰ দশকৰ কথা।

মন, বুদ্ধি আৰু শক্তিত নিমজ্জিত হৈ গুৱাহাটীত নৱক ভ্ৰমণৰত এজন আদৰ্শবান তৰুণে কি জানো খেয়ালত প্ৰায় বিনা প্ৰস্তুতিৰে এ চি এচ-ৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু সেই পৰীক্ষাত উত্তীৰ্ণ হৈ ছব্‌ডেপুটি কালেক্টৰ হিচাপে চৰকাৰী চাকৰিত যোগদান কৰিছিল। চৰকাৰী চাকৰিৰ বিচিত্ৰ অভিজ্ঞতাৰ লগতে সেই তৰুণজনৰ আশ্চৰ্য সংবেদনশীল হৃদয়ত তৰপা-তৰপে গোট খাইছিল চাকৰি জীৱনত লাভ কৰা তিক্ততা; আৰম্ভ হৈছিল একালে আদৰ্শ আৰু আনফালে বাস্তৱৰ অসহায় অৱস্থাত ক্ষত-বিক্ষত হৈ পৰা বিবেকত দংশনৰ যন্ত্ৰণা।

তৰুণজনৰ হাতত আছিল এক আশ্চৰ্য শক্তিমান কলম। তেওঁ ভাবিছিল সেই বিবেকৰ যন্ত্ৰণাৰ কথা কলমৰ জৰিয়তে প্ৰকাশ কৰিব পাৰিলে হয়তো অন্ততঃ বিবেকৰ যন্ত্ৰণাৰ কিছু পৰিমাণে উপশম হ'ব। 'কিন্তু চৰকাৰী চাকৰিয়াল হৈ স্বনামত সেইবোৰ লেখা সম্ভৱ নহয়।' সেয়েহে ছদ্মনামৰ আঁৰত চন্দ্ৰপ্ৰসাদ শইকীয়াৰ দ্বাৰা সেই সময়ত সম্পাদিত তিনিদিনীয়া বাতৰিকাকত 'অসম বাতৰি'ত তেওঁ আৰম্ভ কৰিলে 'দুৰ্বাসাৰ জাৰ্ণাল'। অগ্নিবৰ্ষী তেওঁৰ কঠিন কলমেৰে তেওঁ অংকন কৰিলে চৰকাৰী চাকৰিৰ অভিজ্ঞতাৰ ভিত্তিত বাস্তৱৰ কেইখনমান বীভৎস চিত্ৰ।

চৰকাৰী চাকৰিৰ প্ৰতি বিতৃষ্ণাৰ, প্ৰায় অন্তিম চাপত উপনীত হোৱা সেই ডেকা লেখক জনে ১৯৬৬ চনত সেই বিভৎস চিত্ৰ কেইখনৰে বছা বছা কেইখনমান চিত্ৰক ৰূপ দিলে এখন বিস্ফোৰক গ্ৰন্থত। বিবেক দংশনত জৰ্জৰিত, হতাশা আৰু বিতৃষ্ণাই বেপৰোৱা কৰি তোলা চৰকাৰী চাকৰিয়ালজনে এইবাৰ আৰু ছদ্মনামৰ সহায় লোৱাৰ প্ৰয়োজনবোধ নকৰিলে। নিজৰ নামতেই প্ৰকাশ কৰিলে তেওঁ সেই গ্ৰন্থ।

আৰু সেই ছাৰ্ভিছ বোলৰ অষ্টোপাচ। চৰকাৰী চাকৰিয়াল হৈ চৰকাৰক সমালোচনা কৰা বাবে শাস্তিমূলক ব্যৱস্থা লবলৈ সেই লেখকজনৰ বিৰুদ্ধে আৰম্ভ কৰা হ'ল বিভাগীয় গোচৰ। সেই বিভাগীয় গোচৰত বিনা পৰিশ্ৰমিকে ডেকা লেখকজনৰ হৈ ওকালতি কৰিলে বিখ্যাত আইনজ্ঞ-ৰাজনীতিক গৌৰীশংকৰ ভট্টাচাৰ্যই। বিভাগীয় গোচৰত ডেকাজনক চাকৰিৰ পৰা বৰ্খাস্ত নকৰিলেও এনেকুৱা অনিশ্চিত পৰ্যায়লৈ ঠেলি দিয়া হ'ল যে ১৯৬৭ চনৰ আগষ্ট মাহত তেওঁ চৰকাৰী চাকৰিৰ পৰা পদত্যাগ কৰিবলৈ বাধ্য হয়।

বাস্তৱৰ বীভৎস চিত্ৰ সম্বলিত সেই কিতাপখনৰ নাম 'বিভিন্ন নৰক' আৰু সেই শক্তিশালী, আপোচবিৰোধী কলমৰ অধিকাৰী সেই লেখকজনেই হ'ল মোৰ অন্যতম প্ৰিয় লেখক হোমেন বৰগোহাঞি।

## হাতত ব্ৰাছ আৰু ৰঙৰ টিন

সম্প্ৰতি 'ৰূপা' পেপাৰবেকৰ জৰিয়তে অসমৰো বৌদ্ধিক মহলত বেছ জনপ্ৰিয় হৈ পৰা চেক লেখক মিলান কুণ্ডেৰাৰ The unbearable lightness of being নামৰ উপন্যাসখনৰ পাত লুটিয়াওঁতে আপুনি টমাছ নামৰ কিজন নায়কৰ মুখামুখি হ'ব, তেওঁ হয়তো অলপ আগতে বং আৰু ব্ৰাছ লৈ ঘৰৰ পৰা ওলাই গৈছে। নাই, তেওঁ চিত্ৰশিল্পী নহয়। এহাতত ৰঙৰ টিন আৰু আন হাতত প্ৰকাণ্ড ব্ৰাছ একাল লৈ কোনো অনুতাপ নোহোৱাকৈ, বৰঞ্চ বেছ আনন্দ আৰু স্বাধীনতাৰেই তেওঁ কিছু অৰ্থৰ বিনিময়ত সময়ে বিৰৰ্ণ কৰা ঘৰবোৰত বং কৰাৰ কাম হাতত লৈছে। অক্তেকৰ বাবে

থমকিবৈ এনেবৰ পৰা নিৰীক্ষণ কৰি চাওঁকচোন মানুহজনক : যিখন হাতত ব্ৰাছ লৈ তেওঁ ঘৰৰ দেৱালত বং সানি আছে, সেইখন হাতত তেওঁৰ সদায়েই সেই ব্ৰাছ ভালেই আছিল নে ?

এহো, আৰ্শ্চৰ্য নিপুণ সেই হাতখনত এসময়ত ব্ৰাছৰ সলনি আছিল এজন শল্য চিকিৎসকৰ অস্ত্ৰোপচাৰৰ বাবে প্ৰয়োজন হোৱা আধুনিক সকলো অস্ত্ৰ-শস্ত্ৰ। এখন চৰকাৰী চিকিৎসালয়ত টমাছ আছিল এগৰাকী নামজলা চিকিৎসক ; আনকি আৰু কিছুদিন পিছতে চিকিৎসালয়খনৰ মুখ্য চাৰ্জনজনে অৱসৰ পোৱাৰ পিছত চৰকাৰে টমাছকে সেই পদত অধিস্থিত কৰাৰ কথাও ঘুনুকঘানাক শুনিবলৈ পোৱা গৈছিল। নিঃসন্দেহে টমাছ আছিল তাৰবাবে যোগ্যতম ব্যক্তি।

ঠিক সেই সময়তে ঘটিছিল অঘনটনটো। টমাছ আছিল এজন অভিজ্ঞ চৰকাৰী ডাক্তৰ, কিন্তু সেই ডাক্তৰ টমাছৰ অন্তৰালত আছিল আৰু এজন টমাছ, যিয়ে কোনোদিনে অন্যায়, অসাধুতা আৰু ভীৰুতাৰ লৈতে আপোচ কৰা নাছিল। সেয়েহে বৃত্তিত ডাক্তৰ হৈও তেওঁ এদিন সেইসময়ত চৰকাৰ গঠন কৰিবলৈ এলোৱা শক্তিশালী গোটটোৰ অত্যাচাৰী কাৰ্যৰ তীব্ৰ সমালোচনা কৰি এখন চিঠি প্ৰকাশ কৰিছিল চেক লেখকসকলে সম্মিলিতভাৱে প্ৰকাশ কৰা এখন বাতৰি কাকতত। আৰু ঠিক সেই দিনাৰ পৰাই ড° মহেন্দ্ৰ বৰাৰ দৰে টমাছৰ চৰকাৰী চাকৰিটো ঘটং মটং আৰম্ভ হৈছিল।

এদিন চিকিৎসালয়ৰ মুখ্য চিকিৎসক গৰাকীয়ে টমাছক মাতি পঠিয়াইছিল আৰু বুজনিৰ সুৰত কৈছিল—You know as well as I do, that you're no writer or journalist or saviour of the nation. You're-a Doctor and a scientist. I'd be very sad to lose you, and I'll do everything I can to keep you here. But you've got to retract that article···তুমি চৰকাৰৰ নৈতিক সমালোচনা কৰি লিখা সেই চিঠি অথবা প্ৰবন্ধটো যদি উঠাই নোলোৱা, তেনেহ'লে তোমাক চাকৰিত ৰাখিব পৰা নাযাব।

'ভাবিবলৈ মোক এসপ্তাহ সময় দিয়ক' বুলি ধীৰ পদক্ষেপেৰে টমাছ ওলাই আহিছিল মুখ্য চিকিৎসকৰ কোঠালিৰ পৰা। এসপ্তাহ ধৰি হাতত তৰ্ক লৈ এটা যুক্তিপূৰ্ণ সিদ্ধান্তত উপনীত হোৱাৰ চেষ্টা চলাইছিল টমাছে—তৰ্কৰ একালে তেওঁৰ চৰকাৰী চাকৰি আৰু সোণালী ভৱিষ্যত আৰু আনকালে তেওঁৰ সন্মানবোধ ( Which consisted in his refusing to retract what he had said ).

এসপ্তাহৰ পিছত মুখ্য চিকিৎসকৰ কক্ষত পুনৰায় প্ৰৱেশ কৰিছিল টমাছে আৰু দৃঢ়তাৰে কৈছিল, তেওঁ লিখা এটা শব্দও তেওঁ উঠাই লবলৈ প্ৰস্তুত নহয়। শেষবাৰৰ

বাবে মূখ্য চিকিৎসকে টমাছৰ লৈতে বেছ অত্যুৎসাহেৰে হাত মিলাইছিল ! চৰকাৰৰ সমালোচনা কৰি লিখা এখন চিঠিৰ বাবে টমাছ বাধ্য হৈছিল চৰকাৰী চাকৰিৰ পৰা পদত্যাগ কৰিবলৈ ।

তাৰপিছত জীৱন ধাৰণৰ বাবে স্বাধীন টমাছে হাতত তুলি লৈছিল বজৰ টিন আৰু ব্ৰাছ ।

## উৰণীয়া পঠনৰ পৰিণতি

সিদিনা হঠাতে 'সূত্ৰধাৰ'ত ( ১-১৫ ডিচেম্বৰ, ৯২ ) কানাই গগৈৰ 'কিছু সমজুৱা, কিছু ব্যক্তিগত' নামৰ চুটি প্ৰবন্ধ এটাত বক্তনীৰ ভিতৰত সযত্নে আবদ্ধ কৰি ৰখা বাক্য এটা পঢ়িবলৈ পালো –"ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীৰ মতে চাকৰিয়ালৰ ভিতৰত কেৱল শিক্ষকসকলৰহে হেনো চৰকাৰক সমালোচনা কৰাৰ অধিকাৰ আছে"; পঢ়ি মই বিস্মিত ।

এজন লেখক হিচাপে মই গভীৰভাৱে বিশ্বাস কৰো যে প্ৰকাশৰ অধিকাৰ সম্পৰ্কত প্ৰতিজন লেখকেই হোৱা উচিত তীব্ৰভাৱে স্পৰ্শকাতৰ । সমাজৰ সংস্কাৰ, জনগণৰ আবেগ, ৰাষ্ট্ৰৰ আইন, সন্ত্ৰাসবাদীৰ দম্ভই শৰীৰত বিভিন্ন নামাৱলী পৰিধান কৰি প্ৰতিটো মুহূৰ্ততে দুহাত প্ৰসাৰিত কৰি সাজু হৈ থাকে লেখকৰ কণ্ঠৰোধ কৰিবলৈ । সকলোৱে থাকি সেই মুহূৰ্তৰ অপেক্ষাত, যি মুহূৰ্তত লেখকৰ মতামত তেওঁলোকৰ বিপৰীতে যায় । সেয়েহে লেখকৰ স্বাধীনতাৰ প্ৰশ্নটো গভীৰতা সহকাৰে আলোচনা কৰাৰ প্ৰয়োজন ।

এজন লেখক হিচাপে নিজৰ মনত সৃষ্টি হোৱা কিছু দ্বন্দ্বৰ সমাধানৰ সন্ধানতে কিছুদিন আগতে 'শব্দ, শব্দৰ স্বাধীনতা আৰু লেখক, সাংবাদিক ইত্যাদি' নামৰ সুদীৰ্ঘ প্ৰবন্ধ এটাত বিভিন্ন দৃষ্টিকোণৰ পৰা লেখকৰ স্বাধীনতাৰ সমস্যাটো বিশ্লেষণ কৰাৰ প্ৰয়াস কৰিছিলো । সেই প্ৰবন্ধতে উল্লেখ কৰিছিলো যে আমাৰ দেশৰ বেছিভাগ লেখকেই বৃত্তিগতভাৱে চৰকাৰী চাকৰিয়াল হোৱাৰ বাবে প্ৰকাশৰ স্বাধীনতা বহুলাংশে হেৰুৱায়, কাৰণ চাকৰিয়ে তেওঁলোকৰ পৰা চৰকাৰৰ নীতি আৰু কাৰ্যক সমালোচনা কৰাৰ অধিকাৰ কাঢ়ি লৈ যায় । ড° মহেন্দ্ৰ বৰা অথবা হোমেন বৰগোহাঞিৰ ঘটনাৰ পৰাই এই কথা বুজিবলৈ অলপো অসুবিধা নহয় যে বৃত্তিগতভাৱে চৰকাৰী চাকৰিয়ালৰ ক্ষেত্ৰত প্ৰকাশৰ স্বাধীনতাৰ সমস্যাটোৰ লগতে অন্য এক মাত্ৰা সংযোজিত হৈছে । বিশ্ববিদ্যালয়ৰ শিক্ষকসকলৰ ক্ষেত্ৰত অৱশ্যে এই প্ৰবন্ধৰ আদিতে উল্লেখ কৰা Service Rule অনেক বেছি নম্ৰ আৰু শিথিল ; অন্যথা ড° হীৰেণ গোহাঁইয়ে তেখেতৰ প্ৰগল্ভ কণ্ঠৰ বাবেই হয়তো প্ৰতিদিনে পালেহেঁতেন বৰ্জন হিচাপত চমন । ( এইখিনিতে

দ্বিধাহীনভাৱে এটা কথা স্বীকাৰ কৰি থোৱাটো উচিত হ'ব যে সঙ্কটকালত একাধিক পৰীক্ষাৰে ড° হীৰেণ গোঁহাইয়ে সন্দেহাতীত ভাৱে প্ৰকাশ কৰি থৈছে যে লেখক হিচাপে তেখেত সেই ঈৰ্ষণীয় সাহস, সততা আৰু আত্মবিশ্বাসৰ অধিকাৰী, যাৰ গুণত ছাত্তিছ বোলৰ শিথিলতা থাককেই বা নাথাকক, তেখেতে ৰাষ্ট্ৰ অথবা জনগণৰ হাজাৰ ভাবুকিৰ সমুখতো বুকু ফিন্দাই থিয় হ'ব তেখেতৰ বিশ্বাস আৰু আপোচহীন বক্তব্যৰ পক্ষত।) বিদেশত অৱশ্যে লেখকৰ স্বাধীনতাৰ ক্ষেত্ৰত বৃত্তিগত বাধ্যবাধকতাৰ সমস্যাটো ইমান সহজতে দৃষ্টিগোচৰ নহয় (টমাছৰ দৰে চৰকাৰী ডাক্তৰ—লেখকক ব্যতিক্ৰম বুলি ধৰি), কাৰণ বিদেশত বেছিভাগ লেখকৰ লেখাই জীৱিকা, সেয়েহে জীৱন ধাৰণৰ বাবে তেওঁলোকে চৰকাৰৰ মুখাপেক্ষী নহয়।

চৰকাৰী চাকৰিয়ালৰ প্ৰকাশৰ অধিকাৰ সম্পৰ্কীয় কথাখিনি প্ৰসঙ্গক্ৰমে প্ৰবন্ধটোত উল্লেখ কৰিছিলোঁ। এয়া নিতান্তই এটা সাংবিধানিক তথ্য। 'ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীৰ মতে হেনো…' বুলি কলে তাৰ অৰ্থয়েই সলনি হৈ যায়। মোৰ প্ৰবন্ধটোত যথেষ্ট সহজ-সৰল আৰু বিস্তৃতভাৱেই লেখকৰ স্বাধীনতাৰ প্ৰশ্নটো মই উত্থাপন কৰাৰ চেষ্টা কৰিছিলোঁ। মই ধৰিব নোৱাৰিলোঁ গগৈয়ে কিয় কথাখিনি বুজিবলৈ অপাৰগ হ'ল। অনুমান কৰিছোঁ এয়া তেখেতৰ উৰণীয়া আৰু অগভীৰ পঠনৰ পৰিণাম। মই তেখেতক পুনৰায় দ্বিতীয় বাৰৰ বাবে প্ৰবন্ধটো পঢ়িবলৈ অনুৰোধ কৰিব খুজিছোঁ; মোৰ বিশ্বাস তেতিয়া তেখেতে নিজেই আৱিষ্কাৰ কৰিব যে মোৰ নাম সংযোজন কৰি দিয়া তেখেতৰ উদ্ধৃতি শব্দগতভাৱেই হওক বা অৰ্থগতভাৱেই হওক কোনোফালৰ পৰাই শুদ্ধ হোৱা নাই। মোৰ মূল প্ৰবন্ধটো নপঢ়াকৈ কানাই গগৈৰ প্ৰবন্ধটো যিসকলে পঢ়িছে, তেওঁলোকে লেখকৰ স্বাধীনতাৰ দৰে এটা চিৰিয়াচ বিষয়ত মোৰ মতামত সম্পৰ্কত এটা ভ্ৰান্ত ধাৰণা লৈ থাকিব পাৰে, সেয়েহে এই কথাখিনি কবলগীয়া হ'ল।

## এবছৰত এঘণ্টাৰ আলাপ

মই এটা প্ৰবন্ধত (সৃজনী সাহিত্য: এখন অনামী চিঠিৰ খাত ধৰি, প্ৰকৃত সৃজনী সাহিত্যৰ সৃষ্টিৰ বাবে যে হৃদয়ৰ ভাগিদাৰ প্ৰয়োজন সেই কথাষাৰ প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছিলোঁ। প্ৰবন্ধটোৰ মূল কথা আছিল, সৃজনশীল লেখক এজনে এটা প্ৰকৃত সৃষ্টিশীল মন লৈ যেতিয়া লিখাৰ বাবে উৎসুক হয়, সৃষ্টিৰ সেই প্ৰথম মুহূৰ্তত জ্ঞান, বিদ্যা, পৰিকল্পনা অথবা তথ্যৰ দ্বাৰা তেওঁ উদ্ৰিক্ত নহয়: উদ্ৰিক্ত হয় তেওঁৰ দৃষ্টি, অনুভূতি আৰু ভিতৰ অথবা বাহিৰৰ অভিজ্ঞতাৰ দ্বাৰা। লেখকৰ নিজৰ সত্তাৰ ওপৰত পৃথিৱী আৰু তাৰ মানুহৰ অভিঘাততহে সৃষ্টি হয় সেই অন্যমনাৰ ভাগিদাৰ, যাৰ বাবে বাবে বাবে লেখকে তুলি লবলৈ বাধ্য হয় কলম।

মোৰ এই প্ৰবন্ধৰ খাঁত ধৰিও কানাই গগৈয়ে ভেঁখেতৰ ওপৰত উল্লেখ কৰা প্ৰবন্ধটোৰ কিছু মন্তব্য প্ৰকাশ কৰিছে। সেই মন্তব্যত প্ৰকাশ পোৱা তেখেতৰ সতীৰ্থৰ প্ৰতি অহেতুক ক্ষোভ আৰু লেখক হিচাপে তেখেতৰ ব্যক্তিগত হতাশাৰ কথাখিনি বাদ দি 'হৃদয়ৰ তাগিদা' আৰু 'লেখাৰ চাহিদা' সম্পৰ্কীয় কথাখিনি কিঞ্চিত আলোচনা কৰিব পৰা যায়। এই আলোচনাত যে মই কিছু নতুন কথা সংযোজন কৰি পাঠকক উপকৃত কৰিব পাৰিম, তেনে নহয়: কিন্তু মই বিশ্বাস কৰোঁ এনেধৰণৰ আলোচনা, তৰ্ক-বিতৰ্কৰ আদান-প্ৰদান আদিয়ে সৃজনী সাহিত্যৰ পৰিবেশটো জীৱন্ত কৰি ৰখাত সহায়ক হয়। এনে পৰিবেশত কিছু লেখক সৃষ্টিৰ বাবে উন্মুখ আৰু উত্তেজিত হৈও উঠে। সেয়েহে নিস্তেজ হৈ পৰা বৰ্তমানৰ সাহিত্যিক পৰিবেশক কিছু সজীৱতা প্ৰদান কৰাৰ স্বাৰ্থতে এনেকুৱা আলোচনাৰ প্ৰয়োজন।

গগৈয়ে উল্লেখ কৰা পৃথিৱীৰ অন্যায়-অনীতিৰ অভিঘাতে সৃষ্টি কৰা প্ৰতিটো তাগিদাকে শিল্পসুলভ সৃজনী সাহিত্যলৈ ৰূপান্তৰিত কৰিব পৰা যায় নে নাই, সেয়া নিজেই এক বিতৰ্কিত বিষয়। গল্পলেখও তাৰ বাবে যি বিপুল জ্ঞান আৰু প্ৰচণ্ড প্ৰতিভা তথা শক্তিৰ প্ৰয়োজন হয়: সেয়া সকলোৰে থকাটো সম্ভৱ নহয়। আমাৰ দৰে কেৱলমাত্ৰ লীভত সাহিত্য সৃষ্টিত মনোনিবেশ কৰা লেখকৰ বাবেতো এক অকল্পনীয় কথা। গল্প, উপন্যাস আদি সৃজনশীল লেখাৰ বাবেও আজি-কালি দস্তুৰমত তথ্য সংগ্ৰহ, বচনাৰ বিস্তৃত পৰিকল্পনাৰ প্ৰয়োজন। জীৱনৰ জটিলতা, তাৰ ভৌগোলিক বিস্তৃতি, জ্ঞান-বিজ্ঞানৰ বিভিন্ন মাত্ৰাই বৰ্তমানে এনেকুৱা এটা ৰূপ লৈছে যে সাহিত্য-সৃষ্টিৰ বাবেও জ্ঞান আৰু বিদ্যা অৰ্জন তথা তথ্য সংগ্ৰহৰ প্ৰক্ৰিয়াটোৱেই হৈ পৰিছে যথেষ্ট কষ্টসাধ্য আৰু সময় সাপেক্ষ। সন্মুখত উকা কাগজ, হাতত কলম আৰু হৃদয়ত বিনিদ্ৰ যন্ত্ৰণা লৈ সাহিত্য সৃষ্টি নিশ্চিত কৰাটো সম্ভৱ নহয়। সৃষ্টিৰ পিছতো সেই সৃষ্টিয়ে সামাজিক জাগৰণৰ জৰিয়তে পৃথিৱীৰ পৰা দুৰ্নীতি, ভণ্ডামি আঁতৰ কৰি সামাজিক ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন কৰিব পাৰিব নে নাই, সেয়া অন্য এক বিতৰ্কিত বিষয়। মোৰতো কবলৈ মন যায় অকল সৃজনী সাহিত্যৰ জৰিয়তে এটা জাগৰণৰ সৃষ্টি কৰি অন্যায়, দুৰ্নীতি মচিমুৰ কৰি সমাজৰ সামগ্ৰিক পৰিৱৰ্তন সাধন কৰিম বুলি আশা কৰাটোও প্ৰায় এক প্ৰকাৰৰ কল্পনাবিলাস। তাৰ অৰ্থ অৱশ্যে এইটো নহয় যে সামাজিক ক্ষেত্ৰত বিশেষ এটা পৰিৱৰ্তন সাধন কৰাৰ সচেতন উদ্দেশ্যৰে সৃষ্টি কৰা সাহিত্যৰ কোনো ভূমিকা নাই। বৰ্তমানৰ সৃজনী সাহিত্যৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য হ'ল, সাহিত্যৰ পৰিৱৰ্তন প্ৰয়াসী এই সচেতন ভূমিকাক ইমান অনিবাৰ্য ৰূপত আমি কল্পনা কৰিবলৈ আৰম্ভ কৰিছো যে তাৰ কোনো কাৰণত অন্য ৰূপতো যে

কোনোবাই সাহিত্য সৃষ্টিত ৰত থাকিব পাৰে, সেই কথাষাৰকে আমি পাহৰি গৈছো অথবা চকুত পৰিলেও উন্নাসিকতাৰে অৱজ্ঞা কৰিছো।

বৰ্তমানৰ সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰাৰ সচেতন উদ্দেশ্যেৰে ৰচিত অজস্ৰ লেখা ন্যায্যভাবেই উৎকৃষ্ট সাহিত্য বুলি স্বীকৃত হৈছে। কিন্তু সকলোৱে সেই একেটা উদ্দেশ্যৰেই সাহিত্য সৃষ্টিত মনোনিৱেশ কৰিব লাগিব বুলি দাবী কৰাটো অসমীচীন। বাহিৰৰ পৰিৱৰ্তন সাধন সাহিত্যৰ অনেক কামৰ ভিতৰত মাত্ৰ এটা কাম। ইয়াৰ বাহিৰেও সাহিত্যৰ নিজস্ব আৰু ভিন্ন ভূমিকা তথা অস্তিত্ব আছে। বাহিৰৰ মানুহজনৰ অন্তৰালতো অন্য এক বিপন্ন মানুহ থাকে, নৈৰাশ্যৰ প্ৰান্তৰত থিয় হৈ থকা যি জন মানুহৰ হাতৰ পৰা হয়তো সৰি পৰিছে মনুষ্যত্ব অথবা প্ৰেম। সাহিত্যই তেওঁক যোগাব লাগিব সান্ত্বনা, সাহস আৰু নৱজীৱনৰ মন্ত্ৰ, পুনৰায় তেওঁৰ হাতত তুলি দিব লাগিব সৰি পৰা মনুষ্যত্বৰ বিপন্ন মহিমা, তেওঁৰ ভিতৰৰ মানুহজনকো জীয়াই ৰাখিব লাগিব মানুহ হিচাপে, তেওঁৰ হৃদয় আলোকিত কৰি বিচাৰি উলিয়াব লাগিব সেই মানৱ।

সমাজ ব্যৱস্থাৰ তাৎক্ষণিক পৰিৱৰ্তন সাধনত চাঞ্চল্যকৰ ভূমিকা গ্ৰহণ কৰা সাহিত্য সৃষ্টিত বিনিয়ো ৰজনী নকটোৱাৰ বাবেই কাৰোবাৰ ওপৰত ক্ষোভ প্ৰকাশ কৰাতো উচিত নহয়ঃ কি ঠিক তেওঁ হয়তো এই মুহূৰ্তত কোলাহলৰ বাহিৰত মানুহৰ সেই বিপন্ন মহিমা বিচাৰি আছে। হোমেন বৰগোহাঞিৰ যদি এবছৰ এটা জীৱন নিবিড়ভাৱে যাপন কৰাৰ পিছতহে এজন বন্ধুৰ সৈতে অন্তৰঙ্গভাৱে আলাপ কৰিবলৈ এষাৰটামানৰ কথা জমা হয়, তেনেহ'লে এবছৰ বা ততোধিক সময় এটা চৰিত্ৰৰ সৈতে জীয়াই থকাৰ পিছতহে এজন লেখকে এটা গল্প বা এখন উপন্যাস লিখিবলৈ হাতত কলম তুলি লবলৈ মানসিকভাৱে প্ৰস্তুত হোৱাত আচৰিত হ'বলগীয়া নিশ্চয় একো নাই।

## ভাগ্যবান লেখক আৰু সমকাল

সৰ্বশেষত 'লেখাৰ চাহিদা' সম্পৰ্কীয় ধাৰণাটোৰ ওপৰত এক আষাৰ কৰ বিচাৰিছো।

এস্পানিওল ভাষাত গাৰ্চিয়া মাৰ্কেজৰ কিতাপ এখন প্ৰকাশ হোৱাৰ লগে লগে পঢ়ুৱৈৰ হেতা ওপৰা লাগে, বিক্ৰী হয় নিমিষতে লাখ লাখ কপি, পৃথিৱীৰ নানা ভাষাত দ্ৰুতগতিত হয় তাৰ অনুবাদ, দিনৰ পিছত দিন ধৰি সেই কিতাপ থাকে বেষ্টছেলাৰ লিষ্টৰ শীৰ্ষত। গাব্ৰিয়েল গাৰ্চিয়া মাৰ্কেজ পৃথিৱীৰ সৰ্বাগ্ৰগণ্য কথা সাহিত্যিক সকলৰ অন্যতম।

এই এটা মাত্ৰ উদাহৰণৰ পৰাই নিশ্চয় এটা কথা বুজিব পাৰি যে সাহিত্যত

জনপ্ৰিয়তা সদায়ে স্থূলতা অথবা নিজস্বহীনতাৰ সমাৰ্থক নহয়। জনপ্ৰিয় হোৱাৰ মোৰ কোনো বাসনা নাই, কিন্তু জনপ্ৰিয় হোৱাটো লেখকৰ অপৰাধ নহয়: অপৰাধ হ'ল জনপ্ৰিয়তাৰ খাতিৰত নিজৰ বক্তব্য চেন্সৰ কৰাটো। নিঃসন্দেহে জনৰুচিৰ মান সদায়ে উচ্চ নহয়। সীমিত শিক্ষা, অভিজ্ঞতাৰ সীমাবদ্ধতা, গৰিষ্ঠসংখ্যাকৰ অসচেতনতাই বহুসময়ত জনৰুচিৰ মান নিম্নগামী কৰি ৰাখে: কিন্তু এই নিম্নগামিতাই এটা কথা স্বতঃসিদ্ধভাৱে প্ৰমাণ নকৰে যে পঢ়ুৱৈয়ে পঢ়িব নিবিচৰা যিকোনো লেখাৰ মানেই উচ্চ। এনেকুৱা ধাৰণা অক্ষমতা আৰু আত্মপ্ৰতাৰণাৰ নামান্তৰ।

কোনো সৃজনশীল লেখকৰেই উদ্দেশ্য জনপ্ৰিয়তা অৰ্জন হোৱাটো উচিত নহয়। তেওঁ নিঃসন্দেহে অধিক মানুহে বুজি পোৱাকৈ যথাসম্ভৱ সহজ-সৰল শিল্পসুলভ ভাষা আৰু ভঙ্গিমাৰে তেওঁৰ বক্তব্য দাঙি ধৰাৰ প্ৰচেষ্টা চলাব লাগিব; কিন্তু সম্পাদকৰ ৰুচিৰ সৈতে নিমিলাৰ বাবে অথবা পঢ়ুৱৈৰ অশ্ৰদ্ধা, অপ্ৰীতি আৰু অসহযোগিতাৰ ভয়ত তেওঁৰ বক্তব্যৰ সৈতে আপোচ কৰাটো উচিত নহয়। পঢ়ুৱৈয়ে তেওঁক জনপ্ৰিয়তাৰ শীৰ্ষ স্থানলৈ তুলি দিলে নে নাই, অথবা সম্পাদকে লেখাৰ বাবে অনুৰোধ কৰি তেওঁলৈ চিঠি দিলে নে নাই—এই সকলোবোৰ এজন লেখকৰ বাবে ধৰ্তব্য নহয়: ধৰ্তব্য হ'ল মানুহৰ মঙ্গল আৰু সত্যৰ খাতিৰত কৰ খোজা কথাখিনি তেওঁ কোনো আপোচ নকৰাকৈ কৰ পাৰিলে নে নাই। যিদৰে সমকালৰ পঢ়ুৱৈৰ ওচৰত তিৰস্কৃত, অপমানিত, নিৰ্যাতিত অজস্ৰ লেখকৰ লেখা এটা সময়ত মহৎ আৰু কালজয়ী বুলি স্বীকৃত হৈছে, সেই দৰে সমকালত অভূতপূৰ্ব জনপ্ৰিয়তা অৰ্জন কৰা লেখকৰ লেখাও সময়ত চিহ্নিত হৈছে অনৰ্থক আৱৰ্জনা বুলি।

সেয়েহে কোনোবা 'ভাগ্যবান লেখকে' যদি সঁচাকৈয়ে জনপ্ৰিয়তা পাইছে, তেনেহলে সেই জনপ্ৰিয়তাৰ বাবে ঈৰ্ষান্বিত হোৱাৰ কাৰণ নাই; আৰু নিজে জনপ্ৰিয় নোহোৱাৰ বাবেই হতাশ হোৱাও নিষ্প্ৰয়োজন। সৃষ্টিৰ মান জনপ্ৰিয়তাৰ ঊৰ্ধ্বত।

# মোৰ কৈশোৰ, মোৰ মোহ আৰু মোৰ প্ৰেম

## এক

অকল ভালদৰে খাই লৈ এটা সহজ-সৰল আৰামৰ জীৱন যাপন কৰাটোৱেই যে মোৰ জীৱনৰ লক্ষ্য হ'ব নোৱাৰে, সেই কথা মই কৈশোৰত ভৰি দিয়েই অনুভৱ কৰিছিলো। কৈশোৰেই সম্ভৱ মানুহৰ যাত্ৰাপথৰ প্ৰথম দুৱাৰ, যাৰ কপাট খুলি মানুহে সচেতনভাৱে পোন প্ৰথমবাৰৰ বাবে ভৰি দিয়ে জীৱনত। সম্মুখত অন্তহীন সৌন্দৰ্য, অনন্ত বিস্ময়; ৰূপকথাৰ স্বপ্ন আৰু উৰ্মিল যন্ত্ৰণা—জীৱনৰ অইন কোনো মুহূৰ্ততেই ছাগে' দুচকুৰ সম্মুখৰ বাহিৰৰ পৃথিৱীত মানুহে এনেদৰে ইমান ঐশ্বৰ্য, বিস্ময় আৰু স্বপ্নৰ সম্মুখীন নহয়। কৈশোৰ সেয়েহে দুচকুৰ দৃষ্টি আ-দিগন্ত বিস্তৃত কৰি বাহিৰৰ পৃথিৱীয়ে আয়োজন কৰা বিপুল ঐশ্বৰ্যৰ মেলাত বিমুগ্ধ হৈ থকাৰ বয়স। দৃষ্টিৰ যাত্ৰা সেই বয়সত নিশ্চিতভাৱে হোৱা উচিত বহিৰ্মুখী। কিন্তু নাজানো কি অনাবিষ্কৃত কাৰণত সেই কৈশোৰতে মোৰ দৃষ্টি হৈ পৰিছিল অন্তৰ্মুখী। ফলস্বৰূপে বাহিৰৰ পৃথিৱীৰ নিৰ্মল, পবিত্ৰ অন্তহীন আনন্দ আৰু বিস্ময়ৰ পৰা মই বহু পৰিমাণে হৈছিলো বঞ্চিত আৰু তাৰ বিপৰীতে মনোজগতৰ আপাতদৃষ্টিত অস্বাভাৱিক, শৃঙ্খলাহীন, ঢৌ আৰু ধুমুহাৰে ভৰা ভয়াবহ সমুদ্ৰত প্ৰতিটো মুহূৰ্ততে মই ককবকাই ফুৰিছিলো।

## দুই

ক্ৰমেদে আৱিষ্কাৰ কৰা মানুহৰ ভিতৰৰ ৰহস্যময় পৃথিৱীৰ সৈতে তেতিয়া মাথো প্ৰাথমিক পৰিচয় হ'বলৈ আৰম্ভ কৰিছে। যি বয়সত 'যৌনতা' এটা ভয়ঙ্কৰভাৱে নিষিদ্ধ শব্দ সেই বয়সতে ক্ৰমেদে গভীৰ আত্মবিশ্বাসেৰে আহি ক'লে যে প্ৰতিটো মানুহৰ সত্তাৰ গভীৰত আছে মাথো যৌনতাৰ খেলা—মানুহৰ সকলো আচৰণ, স্বভাৱ-চৰিত্ৰ, ভাল-বেয়াৰ মূল চালিকা শক্তি হ'ল যৌনতা। প্ৰেমও তেওঁৰ মতে অন্য একো নহয়; চেক্স অথবা যৌনতা। ক্ৰমেদে আৱিষ্কাৰ কৰা প্ৰেমৰ এই আলোড়নকাৰী সংজ্ঞায়েই যে শেষ আৰু একমাত্ৰ গ্ৰহণযোগ্য সংজ্ঞা নহয় সেই কথা আজি আৰু অইন কোনোৱে কৈ দিব নালাগে; জীৱনৰ অভিজ্ঞতা, প্ৰেমানুভূতি, প্ৰেমৰ সাফল্য অথবা ব্যৰ্থতা, মিলন আৰু বিৰহৰ ব্যক্তিগত মুহূৰ্তৰ প্ৰাপ্তিৰ আলোকতে সেই কথা এতিয়া সম্পূৰ্ণৰূপে মানি লবলৈ মই প্ৰস্তুত নহয়। কিন্তু সেই বয়সত, কৈশোৰৰ সেই ঘিকোনো চিন্তাৰ আলোড়নতে তুমুলভাৱে প্ৰভাৱান্বিত হোৱাৰ বয়সত সম্ভৱ ক্ৰমেদেই আহি

মোৰ জীৱনৰ প্ৰথম ব্যক্তি, যিয়ে মোক আমন্ত্ৰণ জনাইছিল মোৰ মনৰ ভিতৰলৈ। মনোৰাজ্য অভিমুখে আৰম্ভ কৰা মোৰ সেই যাত্ৰাৰ পৰা এতিয়াও মই সম্পূৰ্ণৰূপে বাহিৰৰ পৃথিৱীলৈ উভতি আহিব পৰা নাই।

## তিনি

তেতিয়াও দস্তয়েভস্কি অথবা জেমছ জয়েছ আদিৰ সৈতে মোৰ পৰিচয় হোৱা নাই। কিন্তু এতিয়া জানিব পাৰিছো সাহিত্যত সচেতনভাৱে মনোজগতৰ প্ৰতি যাত্ৰা আৰম্ভ কৰিছিল তেওঁলোকেই। অৱচেতন মনোজগতৰ আপাত দৃষ্টিত সংগতিহীন দৃশ্য, অদৃশ্য, চিন্তা-ভাৱনা আদিৰ প্ৰতি সচেতন হোৱাই নহয়, সেই চিন্তাৰাজ্যত প্ৰবেশ কৰাৰ বাবে উপযুক্ত ভাষা আৰু পদ্ধতিৰ সন্ধান কৰিছিল দস্তয়েভস্কিয়ে।

বিংশ শতাব্দীৰ প্ৰথম দিশত আৰু কিছু ঔপন্যাসিকে আৰু কিছু আধুনিক, সূক্ষ্ম, শাণিত অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ প্ৰবেশ কৰিলে মানুহৰ মনোজগতত আৰু ধৰিবলৈ চেষ্টা কৰিলে বিচিত্ৰ মানসিক অভিজ্ঞতাৰ প্ৰবাহ। হেনৰি জেমছ, প্ৰুস্ত, জেমছ জয়েছ আদিৰ নাম এই ক্ষেত্ৰত স্মৰণীয়। সেই একেই পথে মূলতঃ আগবাঢ়ি যোৱা ভাৰ্জিনিয়া উলফ, ফকনাৰ আদিয়েও মনোজগতৰ গভীৰ অন্ধকাৰৰ মাজত সন্ধান কৰিলে আলোকৰ আৰু সফলো হ'ল অনাৱিষ্কৃত অশেষ দুৰ্লভ বস্তু আৱিষ্কাৰ কৰাত। এটা কথা ঠিক যে এই মুহূৰ্তত নিশ্চিতভাৱে এইটো কোৱা সম্ভৱ নহয় যে ভৱিষ্যতে সাহিত্যৰ গতি কোন দিশে হ'ব, কিন্তু মোৰ কবলৈ মন যায় সেই যে স্থিৰ শতিকাৰ প্ৰথমাৰ্দ্ধত সাহিত্যই মনোজগতৰ অভিমুখে যাত্ৰা আৰম্ভ কৰিছিল, সেই দিশেই কিজানি নিৰবিচ্ছিন্নভাৱে সাহিত্যৰ যাত্ৰা চলি থাকিব। এই যাত্ৰাৰ শেষ নাই কাৰণ মনোজগতৰ ৰহস্য অন্তহীন, জটিলতা বহুসময়ত ব্যাখ্যাবিহীন আৰু যাত্ৰাৰ পথ অন্ধকাৰ অথবা কুঁৱলীময়। তাৰ বিপৰীতে বাহিৰৰ পৃথিৱী এতিয়া বহু বেছি কম ৰহস্যময় কাৰণ মানুহৰ বুদ্ধি আৰু বিজ্ঞানৰ আলোকে বহিৰ্জগতৰ বেছিভাগ ৰহস্যৰে আৱৰণ খুলি দিছে, আৰু খুলি দিছে বেছ দ্ৰুতগতিৰে।

## চাৰি

অৰ্দ্ধজীৰ্ণ ফ্ৰয়েডীয় ভাবনাৰে ভৰা এটা অস্বাভাৱিক মন লৈ কৈশোৰৰ পৰা যৌৱনত ভৰি দিলোঁ। এতিয়া মাজে মাজে ভাব হয় কৈশোৰৰ সেই তীব্ৰতাৰে স্পৰ্শকাতৰ অথচ অপৰিপক্ক চিন্তাশক্তি আৰু বুদ্ধিৰে ক্ৰমঅৰ হ'বে জটিল মনোবিজ্ঞানীৰ সৈতে সেই সময়ত মুখামুখি নহ'লেই কিজানি মোৰ বাবে যৌৱন হৈ পৰিলেহেঁতেন আৰু বেছি মধুৰ আৰু বাঞ্ছিত। কৈশোৰৰ সৰলতাত ফ্ৰয়েডেই শিকাই দিছিল ৰহস্যময় অৱচেতনৰ জটিলতাৰ আৱৰণ, সাধাৰণ একোটা বস্তু, অঙ্গী-ভঙ্গী, আচৰণেই হৈ পৰিছিল যৌনতাৰ

প্ৰতীক। নাৰী আৰু মোৰ মাজত বেছ সংগোপনে যেন ক্ৰমেদে ধীৰে ধীৰে নিৰ্মাণ কৰিছিল এক যৌনতাৰ দেৱাল।

আৰু হঠাতে এদিন অনুভৱ হ'ল সেই দেৱালৰৰ অন্য প্ৰান্তৰ্ পৰা অভেদ্য দেৱালৰ বাধা হেলাৰঙে অতিক্ৰম কৰি যেন গভীৰ ৰাতি ক'ৰবাৰ পৰা এক ৰহস্যময় গীতৰ মূৰ্চনা অথবা এটা ৰাহীৰ সুৰ ভাঁহি আহিছে। ক'ৰ পৰা আহিছে, কিয় আহিছে, মই নাজানো, কিন্তু মোৰ ধাৰণা হ'ল সেই ৰাহীৰ সুৰৰ লক্ষ্য আৰু আন কোনো নহয়; মই। ৰাহীৰ সুৰৰ আঘাতত খহি পৰিল ক্ৰমেদে নিৰ্মাণ কৰা যৌনতাৰ প্ৰাচীৰ। শ্বাসৰোধ কৰি মই অপেক্ষা কৰিলো সেই ৰাহীৰ সুৰলৈ আৰু আচম্বিতে মাজনিশা এদিন মই আৱিষ্কাৰ কৰিলো সেই ৰাহীৰ সুৰ প্ৰকৃততে অইন কোনো প্ৰান্তৰৰ পৰা ভাহি অহা নাই; মোৰ শৰীৰৰ ভিতৰতে ক'ৰবাত তাৰ উৎস। এই সুৰৰ অনুভৱ এটা আনন্দময় বিষ আৰু মধুৰ অতৃপ্তি।

যৌৱনৰ এনেকুৱা মুহূৰ্তবোৰ ভয়ঙ্কৰভাৱে vulnerable কাৰণ এনেকুৱা মুহূৰ্তত মানুহৰ আৰম্ভ হয় মোহগ্ৰস্ততা আৰু এই মোহগ্ৰস্ততাকে প্ৰেম বুলি প্ৰতীয়মান কৰাৰ বাবে বাৰে বাৰে নাৰী আৰু পুৰুষে প্ৰাণপনে চেষ্টা চলায়।

## পাঁচ

জীৱনৰ তেনে এক vulnerable মুহূৰ্তত ধীৰে ধীৰে এদিন ঘটিবলৈ উপক্ৰম হৈছিল সেই আজিও নঘটা অথচ ঘটিবৰ প্ৰচণ্ড সম্ভাৱনা থকা দুৰ্ঘটনাটো। মই নাজানো মোৰ সেই অঘটিত ঘটনাটোৰ কথা মোপাছাই মোৰ জন্মৰো আগতে কিদৰে জানিব পাৰিছিল। এদিন অকস্মাতে মোপাছাৰ Regrete নামৰ গল্পটো পঢ়িবলৈ আৰম্ভ কৰোতে উন্মোচন কৰিলোঁ—এয়াতো মোৰ জীৱনৰে এটা অধ্যায়ৰ হুবহু বৰ্ণনা। কিদৰে জানিব পাৰিলে তেওঁ?

গল্পৰ মূল চৰিত্ৰৰ নাম মঁাছিয় ছাভেল। কোনো দিনে প্ৰেমত পৰা নাই ছাভেল। প্ৰেমৰ সেই বেদনা-ঘন আনন্দ প্ৰতীক্ষাৰ মধুৰ যন্ত্ৰণা, আলিঙ্গনৰ উন্মাদনা—একোৰেই সৈতে ছাভেলৰ পৰিচয় নাই।

মাত্ৰ, এবাৰৰ বাবে মনৰ ভিতৰত সংগোপনে কোনো এক নাৰীৰ প্ৰতি তেওঁ অনুভৱ কৰিছিল অপৰিচিত এক মধুৰ ব্যাকুলতা। সেই নাৰী তেওঁৰ এজন পুৰণি বন্ধুৰ পত্নী—মাদাম ছাৰ্দ। প্ৰায় প্ৰতিদিনে সেই নাৰীৰ সৈতে অন্তৰঙ্গভাৱে আলাপ হ'লেও কোনোদিনে তেওঁ সেই নাৰীৰ ওচৰত নিজৰ মনোভাৱ ব্যক্ত কৰা নাছিল।

বহুদিনৰ মূৰত, যেতিয়া ছাভেল আহি জীৱনৰ প্ৰায় শেষ প্ৰান্তৰত উপস্থিত হ'ল, কিয় জানো হঠাতে এদিন তেওঁ হৈ পৰিল অসম্ভৱৰূপে অস্থিৰ। তেওঁৰ ধাৰণা হ'বলৈ

আৰম্ভ কৰিলে মাদাম ছাৰ্দক তেওঁৰ মনোভাৱ ব্যক্ত নকৰাতো তেওঁৰ কিজানি ঠিক হোৱা নাই। হয়তো কথাবোৰ কৈ দিয়াহেঁতেন তেওঁৰ জীৱনেই সলনি হৈ গ'লহেঁতেন, তেওঁ হয়তো আজিও এইদৰে নিঃসঙ্গ হৈ থাকিব লগীয়া নহ'লহেঁতেন। তেওঁৰ ভাব হয় মাদামৰ আচৰণ, ভাৱ-ভংগীত কিজানি তেওঁৰ প্ৰতি ভালপোৱাৰ কিবা এক প্ৰশ্ৰয় আছিল।

ছাভেলে দৌৰি গৈ উপস্থিত হ'ল মাদাম ছাৰ্দৰ ওচৰত আৰু বহুদিনৰ আগৰ কোনো এক বনভোজৰ কথা উল্লেখ কৰি সুধিলে—'মই যদি সিদিনা দুঃসাহসী হৈ উঠিলোহেঁতেন, তুমি কি কৰিলাহেঁতেন ?'

উত্তৰ দিলে মাদামে—'তেনেহ'লে বন্ধু, মই তোমাৰ ওচৰত ধৰা দিলোহেঁতেন !'

তাৰ পিছত গল্পৰ শেষত দেখা গ'ল ম'্যাছিয় ছাভেলে যেন সাংঘাতিক কিবা এটা সৰ্বনাশ হৈ গৈছে, তেনে এক অস্থিৰতাৰে দ্ৰুতবেগে ৰাস্তাৰে কৰবালৈ দৌৰি গৈছে। বৰষুণত তিতি তিতি তেওঁ উপস্থিত হ'ল বনভোজৰ সেই ঠাইত, যলৈ বন্ধু-দম্পতীৰ সৈতে তেওঁ এদিন ফুৰিবলৈ গৈছিল। তাত সেই পত্ৰহীন গছৰ তলত বহি হুকুহুকাই কান্দি দিলে গল্পৰ নায়ক ম'্যাছিয় ছাভেলে।

গল্পটো পঢ়ি শেষ কৰাৰ পিছত মোৰ অনুভৱ হৈছিল গছৰ তলত প্ৰেমহীন জীৱনৰ হাহাকাৰৰ সৈতে মুখামুখি হৈ বহি থকা ম'্যাছিয় ছাভেল আৰু কোনো নাছিল: আছিলো মই। মোৰ উপন্যাস 'অনুৰাধাৰ দেশ' যিসকলে পঢ়িছে, তেওঁলোকৰ নিশ্চয় বুজিবলৈ অকণো অসুবিধা নহ'ব যে মোৰ জীৱনৰ মাদাম ছাৰ্দে উপন্যাসত ৰূপান্তৰিত হৈছিল অৰুণিমা বাইদেউ নামৰ চৰিত্ৰটোলৈ।

## ছয়

যৌৱনৰ অৱৰোহণৰ তুংগত উপস্থিত হোৱাৰ লগে লগে মোপাছাৰ ম'্যাছিয় ছাভেলৰ দৰে মোৰো অনুভৱ হৈছিল যেন মনৰ ভিতৰৰ গোপন পৃথিৱীত নিজেই সৃষ্টি কৰি লোৱা এক প্ৰেমহীন ব্যৰ্থ জীৱনৰ বিক্ত হাহাকাৰৰ মাজতেই মই মোৰ জীৱনটো পাৰ কৰি দিব লাগিব। জীৱনৰ তেনে এক সংকটক্ষণতে মই এদিন সিদ্ধান্ত লৈ লৈছিলো যে বহুদিন স্পৰ্শ নকৰা মোৰ কলম মই পুনৰায় হাতত তুলি লব লাগিব আৰু মনৰ ভিতৰৰ গভীৰলৈ কলমৰ হাতত ধৰি মোৰ থমকি ৰোৱা যাত্ৰা মই পুনৰায় আৰম্ভ কৰিব লাগিব। মোক আৱিষ্কাৰ কৰিলেই আৱিষ্কৃত হ'ব পৃথিৱীৰ মানুহ আৰু মানুহৰ আবিষ্কাৰেই হ'ব মোৰ জীৱনৰ সাধনা, আদৰ্শ। মোৰ ভাব হ'ল—মই এক অভিশপ্ত মানুহ, যিয়ে এক ব্যাখ্যাতীত জটিল যন্ত্ৰণাৰ অভিশাপ বুকুত লৈ জন্মগ্ৰহণ কৰিছে আৰু সেই যন্ত্ৰণা প্ৰকাশৰ উপযুক্ত মাধ্যম বিচাৰি মই হাহাকাৰ কৰি ফুৰিব লাগিব।

মই মোক আৱিষ্কাৰ কৰিবৰ বাবেই 'অনুৰাধাৰ দেশ' নামৰ উপন্যাসখন লিখিবলৈ

আৰম্ভ কৰিছিলো। বিগত জীৱনত ঘটি যোৱা ঘটনা-দুৰ্ঘটনা, আবেগ-অনুভৱ, আনন্দ-বেদনাৰ তৰপবোৰ এটা এটাকৈ কলমেৰে আঁতৰাই গৈ মই মানুহৰ মনোজগতৰ ভিতৰত থকা 'মানুহ জনক' পুনৰায় নতুনকৈ আৱিষ্কাৰ কৰিবলৈ চেষ্টা কৰিছিলো। প্ৰেম, কৰুণা, বেদনা, মমতা, সন্মান আৰু সৌজন্যৰ এক বিশাল পৃথিৱী মানুহৰ মনোজগতত বিদ্যমান। কোনোদিনেই হয়তো তাৰ সীমাহীন পৰিধি, বিপুল ঐশ্বৰ্য, অনন্ত সম্ভাৱনা সম্পূৰ্ণৰূপে উন্মোচিত নহ'ব ; তথাপি নিঃসন্দেহে চলিব তাৰে নিৰবিচ্ছিন্ন প্ৰচেষ্টা। মই সিদ্ধান্ত লৈ লৈছিলো : লিখনিৰ জৰিয়তে মনোজগতৰ গোপন পৃথিৱী উন্মোচন কৰাৰ প্ৰচেষ্টাত সম্পূৰ্ণৰূপে নিমজ্জিত হবৰ বাবেই মই সাংসাৰিক সমস্যা আৰু দায়িত্ববিহীন এটা নিৰ্জন, নিঃসঙ্গ জীৱন যাপনৰ আদৰ্শ বুকুত লৈ এটা সম্পূৰ্ণ অকলশৰীয়া জীৱন বাছি লম।

সেই সময়তে ঘটি গ'ল সেই অপ্ৰত্যাশিত আৰু অবিস্মৰণীয় ঘটনাটো।

## সাত

ছন্দপতন ঘটিল।

এদিন গভীৰ ৰাতি পুনৰ মই শুনিবলৈ পালো বুকুৰ গভীৰৰ পৰা ভাঁহি অহা সেই ব্যাকুল বাঁহীৰ সুৰ। দুচকুত মোৰ কতদিন নিদ্ৰা নাই। মই অনুভৱ কৰিলোঁ—মানুহ হিচাপে পূৰ্ণতা প্ৰাপ্তিৰ বাবে মানুহক আদৰ্শতকৈ আৰু বেছি মানবীয় কিবা এটাৰ প্ৰয়োজন। এটা আদৰ্শক মই ভাল পাব পাৰো, কিন্তু অৱয়বহীন আদৰ্শ এটাক মই মন গ'লে দুহাতেৰে সাৱটি ধৰিব নোৱাৰো ; এটা আদৰ্শক মই মোৰ হৃদয়ৰ উত্তাল প্ৰেমৰ সন্ধান দিব নোৱাৰো, এটা আদৰ্শক আলিঙ্গন কৰি দুহাতৰ স্বৰ্গীয় শিহৰণ মই অনুভৱ কৰিব নোৱাৰো ! এটা আদৰ্শৰ ওচৰত মই মোৰ জীৱনৰ সমস্ত স্বপ্ন সঞ্চিত কৰি ৰাখিব নোৱাৰো ; মোৰ অতীতৰ, বৰ্তমানৰ, ভৱিষ্যতৰ কাকো নোকোৱা কথাবোৰ মই এটা আদৰ্শক ক'ব নোৱাৰো। এই সকলোবোৰৰ বাবে এনেকুৱা কাৰোবাৰ প্ৰয়োজন যিয়ে মোৰ সমস্ত দুৰ্বলতা, অক্ষমতা জানিও মোক গ্ৰহণ কৰিব।

সেই কোনোবা জনেই মানুহৰ বাবে প্ৰিয় নাৰী অথবা পুৰুষ।

এদিন জীৱনৰ এক অবিস্মৃত সন্ধিক্ষণত যেন শুনিবলৈ পালো : বন্ধ দুৱাৰত কোনোবাই টুকুৰিয়াইছে। হৃদয়ৰ বন্ধ দুৱাৰ খুলি অবাক বিস্ময়েৰে মই এক মুহূৰ্তৰ বাবে থৰ হৈ ৰৈ গ'লো—প্ৰচণ্ড ধুমুহাত কঁপি কঁপি আৰু অবিৰাম বৃষ্টিত তিঁতি তিঁতি দুৱাৰ ডলিত থিয় হৈ আছে তেওঁ। হৃদয়ৰ ভিতৰলৈ সোমাই আহিবলৈ তেওঁক মই আমন্ত্ৰণ জনালো আৰু অকণো দ্বিধা আৰু সংকোচ নোহোৱাকৈ তেওঁ ভিতৰলৈ সোমাই আহিল এজাক আনন্দৰ বৰষুণ হৈ।

তেওঁ এতিয়া মোৰ হৃদয়ৰ ভিতৰত।

# চল্লিশত মোৰ ধৰ্ম জিজ্ঞাসা

(১)

এয়া মই চল্লিশ অতিক্ৰম কৰিলোঁ। ছকুৰি বছৰ আগতে মাতৃগৰ্ভৰ অন্ধকাৰৰ পৰা আৰম্ভ কৰা মোৰ আলোক সন্ধানী যাত্ৰাপথৰ ঠিক সোঁমাজত আহি যেন মই উপস্থিত হৈছো। এফালে মোৰ এৰি অহা কত শত স্মৃতি। মান-অভিমান, প্ৰেম-অপ্ৰেম, সুখ-বিষাদ, গৌৰৱ-অপৰাধ, অনুভৱ-অভিজ্ঞতা আৰু আনফালে অজানা, অচেনা সময়। আৰু বা কিমান দূৰত প্ৰেয়সীৰ দৰে দুহাত মেলি মৃত্যুয়ে মোৰ বাবে অপেক্ষা কৰি আছে!

আৰু চল্লিশ বছৰ জীয়াই থাকিম নে? কোনে জানে। অনন্ত কাল জীয়াই থকাৰ বাসনা লৈ জীৱনৰ চল্লিশ বছৰীয়া পথ দুৰন্ত বেগেৰে ছুটন্ত ঘোঁৰাৰ দৰে অতিক্ৰম কৰি আহিলো; হঠাতে এক মুহূৰ্তৰ বাবে বৈ সমুখৰ ফালে চোৱাৰ লগে লগেই অনুভৱ হ'ল: কৰবাত যেন ঘনীভূত হৈ সময়ে বাট ভেটি ধৰি আছে! কিমান দূৰত আছে সেই ঘনীভূত সময়ৰ কঠিন দেৱাল। দেৱালত আউজি স্বৰ্গৰ অপ্সৰী উৰ্বশীৰ দৰে অভিসাৰিকা সাজি বৈ আছেনে মোৰ বাবে: মোৰ মৃত্যু! হে মৃত্যু; কি আছে তোমাৰ সেই পাৰে। বয় নে তাত সময়ৰ নৈ, ৰাতিপুৱা তোমাৰ শৰীৰত সানি দিয়েনে বেলিয়ে হালধীয়া ৰং, দুপৰীয়া তুমি স্নান কৰা নে ৰ'দৰ বৃষ্টিত, হেঙুল সন্ধিয়া বাৰান্দাত থিয় হৈ তুমি অপেক্ষা কৰা নে তোমাৰ প্ৰেমিকৰ বাবে!

কোনো জানো মোক সিদিনা কলে: ধৰ্মৰ মাজত তুমি তোমাৰ এই সীমাহীন প্ৰশ্নৰ সমিধান বিচাৰি পাবা। বিচাৰি নোচোৱা কিয়?

ধৰ্ম!

ধৰ্মৰ মাজত ৰহস্যৰ সমাধান! ধৰ্মৰ কথা মনলৈ আহিলেই মোৰ মনত পৰে শৈশৱতে আমাৰ ঘৰৰ পিছফালৰ ঘন জংঘলৰ পৰা কিচিৰ-মিচিৰ কৰি বাহিৰলৈ ওলাই অহা এজাক বান্দৰৰ কথা, কি সুদীৰ্ঘ সিহঁতৰ নেজ, ৰাজকীয় খোজ, চিকমিকাই থকা দাঁত; আৰু আচৰণ.........

নকবা; ঠিক সেই অযোধ্যাৰ মন্দিৰ-মছজিদৰ সমুখত ছয় ডিচেম্বৰত ভিৰ কৰা মানুহখিনিৰ দৰে। মাত্ৰ সিহঁতৰ নেজ আছিল; এওঁলোকৰ নাই। জা অনলী জিফাৰেন্স।

(২)

সেই সময়ৰ কথা, যেতিয়া সন্ধিয়াৰ পৰত সাজ্জা-বভাহত যোৱা দি সমুখৰ পৰা কোনো নাৰী অৱয়ৱ কাষ চাপি আহিলেই কাণ-মূৰ ৰঙা পৰি যায় অথবা অকাৰণতে বুকু ঢুক ঢুক কঁপে। যৌৱন পোৱা নাই তেতিয়াও, কৈশোৰে মাথো বিদায় মাগিছে।

ৰঙীন চুম্বকৰ দৰে দুচকুৰ সমুখত ওলমি আছে সীমাহীন বিস্ময়, অনন্ত স্বপ্ন আৰু স্বাধীনতাৰ চৰ্তহীন প্ৰতিশ্ৰুতিৰে লোভনীয় যৌৱন। ভগা আইনাৰ টুকুৰাত প্ৰতি-বিম্বিত মুখত বগলীৰ দৰে খুটিয়াই খুটিয়াই চাওঁ: দাড়ি আৰু গোঁফ গজিছেনে।

ঘৰৰ ওচৰৰ পুখুৰীৰ পাৰতে আবেলি পৰত আড্ডা বহে সঘনে। অন্তহীন বিষয়। মাজে মাজে সেই আড্ডালৈকে আহে আমাৰ দূৰ সম্বন্ধীয় দাদা এজন। গোৱালপাৰাৰ অভয়াপুৰীৰ ক'ৰবাৰ ট্ৰাইবেল বেল্টত নামহীন কিবা এটা চাকৰি কৰে, ঠৰঙা ঠৰঙ চুলি, মুখবোৰা দাড়ি, কান্ধত পৰা ভৰহীন দুডাল শুকান খৰিৰ দৰে ওলমি বোৱা হাতত জিলিকি থাকে উথহি উঠা শিৰ, ভাব হয় যেন তাৰ মাজেৰে প্ৰবাহিত হোৱা তেজৰ ৰং ৰঙা নহয়: নীলা।

অথচ সেই দাদায়েই সদায়ে আমাৰ আড্ডাত ফিল্টাৰ বিহীন ছিগাৰেট এটা দুআঙুলিত খামুচি ধৰি বেছ গম্ভীৰ আৰু বিশ্বাসী স্বৰেৰে ঘোষণা কৰে: বুজিছ, পৃথিৱীৰ সকলো মানুহৰ শৰীৰতে একেই তেজ বয়। ৰঙা।

ভাৰতবৰ্ষৰ স্বাধীনতা ঘোষণা হোৱাৰ সময়তে দাদাজন বহুদিন বোলে নিৰুদ্দেশ হৈ আছিল। কোনেও নাজানিছিল ক'লৈ গৈছিল। তেওঁ বোলে আছিল এজন দুৰ্ধৰ্ষ কমিউনিষ্ট আৰু সেই সময়ত কমিউনিষ্ট হোৱাটো গণ্য হৈছিল এক অপৰাধ বুলি।

কিন্তু মানিবই লাগিব: মানুহজনৰ স্বৰ আৰু দুচকুৰ গভীৰ দৃষ্টিত আছিল চেম্বিক ক'লা। কৈশোৰ আৰু যৌৱনৰ সন্ধিক্ষণত সেই দাদায়েই আছিল আমাৰ idol। তেওঁ হিপ্‌নোটিজম জাতীয় কিবা জানিছিল নেকি?

তেওঁ সঘনাই আমাৰ সমুখত ঘোষণা কৰিছিল: ঈশ্বৰৰ মৃত্যুৰ কথা। আচলতে জান, ঈশ্বৰ-ফিশ্বৰ একো নাই। চব ধুৰন্ধৰ মানুহৰ সৃষ্টি। পূজা-পাতল, ধৰ্ম-চৰ্ম চব এচাম মানুহৰ ধান্দাবাজি। শোষণৰ হাতিয়াৰ।

সেই সময়ত 'কমিউনিষ্ট' দাদাই আমাৰ কিশোৰ অতিক্ৰম কৰা স্পৰ্শকাতৰ মনক ঈশ্বৰৰ প্ৰতি প্ৰচণ্ডভাৱে কৰি তুলিছিল বিদ্ৰোহী। আমি মনে মনে সিদ্ধান্ত লৈ লৈছিলো যে পূজা ঘৰত সোমাই আমি আৰু কেতিয়াও ঈশ্বৰৰ ওচৰত আঁঠু নলওঁ। (আফটাৰ অল, আমি আধুনিক বিজ্ঞানৰ যুগৰ প্ৰগতিশীল ল'ৰা। ক'ত আছে ঈশ্বৰ? মোক দেখুৱাব পাৰিব?)

তাৰ পিছৰ পৰা যেতিয়াই আমাৰ ঘৰত কিবা পূজা-পাৰ্বনৰ আয়োজন হৈছিল, তেতিয়াই নিৰ্মালি লোৱাৰ সেই সঙ্কটপূৰ্ণ মুহূৰ্তত কোনেও গম নোপোৱাকৈ মই ঘৰৰ পৰা অন্তেকৰ বাবে নিৰুদ্দেশ হৈ গৈছিলো।

কৈশোৰতে পূজা-অৰ্চনাৰ প্ৰতি আৰম্ভ কৰিছিলো এইদৰে মোৰ মৌন বিদ্ৰোহ।

কলেজীয়া জীৱনতে লেখা এখন অপ্ৰকাশিত ৰচনাৰ কথা মোৰ মনত আছে। সত্তৰৰ দশকৰ কথা। অসমৰ পৰা বহু দূৰৈত বেনাৰচত হিন্দু বিশ্ববিদ্যালয়ত মই এজন ইঞ্জিনিয়াৰিং কলেজৰ ছাত্ৰ। বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ নামটোৰ লগতেই যেন জড়িত হৈ আছে কিবা এক 'অশ্লীলতা' (শব্দৰ এই বিস্ফোৰক প্ৰয়োগৰ বাবে স্পৰ্শকাতৰ পঢ়ুৱৈয়ে নিশ্চয় মোক ক্ষমা কৰিব)। প্ৰেমৰ এটা সুন্দৰ কবিতা পঢ়ি গৈ থাকোতে হঠাতে এটা শ্লেং জাতীয় নিষিদ্ধ শব্দৰ ( ইংৰাজীত যাক কোৱা হয় Obscene, Four letter word) সৈতে মুখামুখী হওঁতে মনৰ ভিতৰত যেনেকুৱা এটা লেতেৰা লেতেৰা অনুভূতিৰ উদ্ৰেক হয়, তেনেদৰে 'বেনাৰচ হিন্দু বিশ্ববিদ্যালয়'ৰ নামটো কাৰোবাক কবলগীয়া হলেও 'হিন্দু' শব্দটোত মোৰ তেনেকুৱা অনুভূতি হৈছিল। শব্দটোত অশ্লীলতা একো নাই। কিন্তু শিক্ষানুষ্ঠান এটাৰ নামৰ লগত জড়িত হোৱাৰ লগে লগেই যেন তাৰ ওপৰত আৰোপিত হৈছে কিবা এটা অশ্লীলতাৰ গোন্ধ। আলিগড় মুছলিম ইউনিৰ্ভাৰ্ছিটিৰ 'মুছলিম' শব্দটোৰ পৰাও ভাহি আহি মোৰ স্পৰ্শকাতৰ নাকত লাগেহি অশ্লীলতাৰ একেই সুতীব্ৰ গোন্ধ।

১৯৭০-৭১-ৰ সময়।

কলিকতাত নক্সাল আন্দোলন স্তিমিত প্ৰায়। আমাৰ কলেজৰ হোষ্টেলত কলিকতাৰ পৰা পলায়ন কৰি অহা বহুতো নক্সালীয়ে আশ্ৰয় লৈছিল, কোনোবাই ছাত্ৰ হিচাপে ভৰ্তি কৰিছিল নাম।

বেনাৰচৰ মাংগলিক ঘণ্টা ধ্বনিৰ সৈতে গংগাৰ পাৰৰ পৰা সান্ধ্য-বতাহত ভাহি অহা ঈশ্বৰৰ বন্দনাৰ আঁৰে আঁৰে হোষ্টেলবোৰত নিয়মিতভাৱে কিছু নক্সালৰ উদ্যোগত আলোচনা হৈছিল মাৰ্ক্স, লেনিন আৰু সৰ্বহাৰাৰ কথা। গঢ়ি উঠিছিল 'Marxism Learning Society' নামৰ সংস্থা এটাও। প্ৰতি দেওবাৰে হোষ্টেলৰ কোনো বন্ধ ৰুমৰ ভিতৰত বিভিন্ন বিষয়ৰ ওপৰত আলোচনা হৈছিল। কেন্টিনৰ পৰা নিয়মিত আহিছিল চাহ; আৰু চিনাকি গুমটিখনে পেকেট হিচাপত যোগান ধৰিছিল চাৰমিনাৰ ছিগাৰেট। এটা বছৰৰ বাবে বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ Marxism Learning Society-ৰ সভাপতিও হবলগীয়া হৈছিল এই লেখক। অগভীৰ অধ্যয়ন, মধ্যবিত্তৰ ধ্যান-ধাৰণা আৰু বালকোচিত বোমাঞ্চৰ বাবেই মাৰ্ক্সবাদৰ দৰে তাত্বিক, গধুৰ বিষয় বস্তু এটাও আমাৰ হাতত পৰি পৰ্যবসিত হৈছিল কেইটামান সহজ শ্লোগানলৈ। ( সন্তৰ মিলান কুন্দেৰাইও কোনোবা এখন উপন্যাসত উল্লেখ কৰিছে যে মাৰ্ক্সবাদৰ আটাইতকৈ ডাঙৰ ট্ৰেজেডি হ'ল: কিছুমান অত্যুৎসাহীৰ হাতত পৰি মাৰ্ক্সবাদ

কেইটিমান অতিসৰলীকৃত শ্লোগানলৈ ৰূপান্তৰিত হোৱাতো।) এনেকুৱা কিছু 'বৈপ্লৱিক', 'প্ৰগতিবাদী' শ্লোগানৰ দ্বাৰা আক্ৰান্ত হৈয়েই কোনো প্ৰশ্ন আৰু বিশ্লেষণ নোহোৱাকৈয়ে সেই সময়ত কেইটিমান সহজ সিদ্ধান্তত উপনীত হৈছিলো: যেনে— ধৰ্ম, ঈশ্বৰ আদিৰ প্ৰতি অনাস্থা স্থাপনেই হ'ল প্ৰগতিবাদৰ লক্ষণ। বাৰ্ট্ৰাণ্ড ৰাছেল মাৰ্ক্সবাদৰ প্ৰতি সদয় নহলেও, তেওঁ যুক্তিবাদিতায়েও (Why I am not a christian) আমাক ধৰ্ম বিদ্বেষী কৰি তোলাত সহায়ক হৈছিল। মাৰ্কিউজ দে চাদেৰ ঈশ্বৰৰ প্ৰতি বিদ্বেষ ঘোষণা কৰা কেইটিমান উক্তিৰ চমৎকাৰিতাত মই ইমানেই মুগ্ধ হৈছিলো যে কেবাটাও উক্তি পেঞ্চিলেৰে মই হোষ্টেলৰ মোৰ কোঠালিত লিপিবদ্ধ কৰি ৰাখিছিলো।

সেই সময়ত ধৰ্ম আৰু ঈশ্বৰৰ প্ৰতি মই আৱেগিকভাৱে হৈ উঠিছিলো বিদ্বেষী আৰু সেয়েহে সেই সময়ত মই লেখা এটা প্ৰবন্ধৰ শিৰোনামা আছিল: 'ঈশ্বৰৰ ফাঁচিৰ আবেদন'। কোনখন কাকতত প্ৰবন্ধটো প্ৰকাশৰ বাবে পঠিয়াইছিলো মোৰ এতিয়া মনত নাই। কিন্তু স্বীকাৰ কৰিবই লাগিব সেই কাকতৰ সম্পাদক গৰাকী নিশ্চয় আছিল যথেষ্ট পৰিপক্ক; আৰু মোৰ শুভাকাংক্ষীও সেয়েহে প্ৰবন্ধটো প্ৰকাশ নকৰি মোক ৰক্ষা কৰিছিল তেওঁ: নহ'লে নিজৰ নামত সেই প্ৰবন্ধ দেখিলে আজি মই নিজেই হ'লোহেঁতেন লজ্জিত।

মই তেতিয়া প্ৰথম যৌৱনত ভৰি দিছিলো।

(৪)

আৰু এতিয়া মই চল্লিশ অতিক্ৰম কৰিলো। পিছলৈ উভতি চালে দেখো নিজৰ দোষতে অপব্যয় কৰা অস্থিৰ, দিশহাৰা, বিভ্ৰান্ত সুদীৰ্ঘ সময়। বয়সৰ সৈতে মানুহৰ ধৰ্মৰ কিবা সম্বন্ধ আছে নেকি? এটা কথা জানো যে বয়সে হাতত ধৰি ধৰি ফুচুলাই মানুহক আনমনা, উদাস কৰি ধীৰে ধীৰে লৈ যায় মৃত্যুৰ ওচৰলৈ। মৃত্যু যেন এটা লোভনীয় গোপন প্ৰতিশ্ৰুতি।

মৃত্যুৰ সৈতে যিহেতু ধৰ্মৰ সম্পৰ্ক আছে, সেয়েহে পৰোক্ষভাৱে ধৰ্মৰ সৈতেও হয়তো জড়িত হৈ পৰে কেতিয়াবা মানুহৰ বয়স। সেয়েহে চল্লিশত ভৰি দি মৃত্যুৰ কথা হঠাতে মনত পৰাৰ লগে লগে মোৰ মনত পৰিল ধৰ্মৰ কথাও। (চল্লিশ জানো মৃত্যুৰ কথা মনত পৰা বয়স এটা!) নাই, কোনো বিশদ আলোচনালৈ নোযোৱাকৈয়ে মোৰ সেই কৈশোৰৰ কমিউনিষ্ট দাদাৰ দ্বাৰা প্ৰভাৱান্বিত সেই 'মই'ৰ ৰবেই অথবা কলেজীয়া জীৱনত অপ্ৰকাশিত সেই 'ঈশ্বৰৰ ফাঁচিৰ আবেদন' লেখা যুৱকজনৰ ৰবেই

আজিও মই সামান্য দ্বিধা, সঙ্কোচ নোহোৱাকৈয়ে কব পাবো যে মন্দিৰ, মছজিদ, গীৰ্জাৰ প্ৰতি মোৰ কোনো আস্থা নাই, পূজা-পাৰ্বনৰ ওপৰতো মোৰ কোনো বিশ্বাস নাই, দুখ-দুৰ্গতিৰ পৰিত্ৰাতা ৰূপেও মই কোনো দিনে ভগবানক কল্পনা কৰাৰ পক্ষপাতী নহয় ।

কিন্তু চল্লিশত ভৰি দিয়াৰ লগে লগে কিয় জানো হঠাতে মোৰ অনুভৱ হৈছে ধৰ্মৰ বাস্তৱৰ লজ্জাজনক ৰূপটোৰ ( যি ৰূপটোৰ প্ৰতি সেই কৈশোৰৰ পৰাই আজিও অপৰিৱৰ্তিতভাৱে মই অনাগ্ৰহ, অবজ্ঞা আৰু চৰম বিৰক্তিৰ মনোভাব পোষণ কৰি আহিছো । অন্তৰালতো যেন এনেকুৱা এটা ৰূপ আছে, যাৰ মাজত মানুহৰ কল্যাণৰ বীজ লুকাই থকাতো সম্ভৱ : অন্যথা যুগ যুগ ধৰি নিষ্ঠা আৰু আন্তৰিকতাৰে মানুহৰ কল্যাণ কামনা কৰা বহুতো সন্দেহাতীত মানুহ 'ধাৰ্মিক' নহ'লহেঁতেন । পৃথিবীতো ইমানদিনে ধৰ্ম জীয়াই নাথাকিলহেঁতেন ।

এইখিনিতে শ্ৰদ্ধেয় পঢ়ুৱৈক এটা কথা অনুৰোধ কৰিব খুজিছো যে তেওঁলোকে যেন এই প্ৰবন্ধটো পঢ়াৰ সময়ত এটা কথা মনত ৰাখে যে ইয়াৰ লেখক এনেকুৱা এজন ব্যক্তি, যাৰ ধৰ্ম সম্বন্ধীয় জ্ঞান নিতান্তই সীমিত, বেদ, উপনিষদৰ সৈতে মাথো প্ৰাথমিক পৰিচয় আৰু যাৰ হৃদয়ত আছে প্ৰাতিষ্ঠানিক ধৰ্মৰ প্ৰতি চৰম অৱজ্ঞা আৰু বিৰক্তি ; নিজৰ দৈনন্দিন ব্যক্তিগত জীৱনতো যিয়ে ধৰ্মৰ প্ৰাতিষ্ঠানিকতাৰ পৰা বহুতো চাপৰ সন্মুখীন হৈও পৰাপক্ষত সদায়ে আঁতৰি আছে ।

( ৫ )

ব্যক্তি হিচাপে মই হিন্দু নহয় ( অথবা মুছলমান, খ্ৰীষ্টিয়ানও নহয় ) : কিন্তু জন্মসূত্ৰে মই হিন্দু । সেয়েহে ধৰ্ম সম্বন্ধে মোৰ প্ৰাথমিক ধ্যান-ধাৰণা, অনুভৱ গঢ় লৈ উঠিছে এই ধৰ্মৰ আচাৰ-অনুষ্ঠানৰ আশ্ৰয় লৈ । মোৰ প্ৰধানতঃ অনুভৱ-নিৰ্ভৰশীল ( অধ্যয়ন-নিৰ্ভৰশীল নহয় ) এই আলোচনাৰ আৰু গভীৰলৈ যোৱাৰ আগতে এটা কথা এইখিনিতে কৈ থোৱা উচিত হ'ব যে আলোচনাৰ সুবিধাৰ্থে এই লেখাত 'ধৰ্ম' শব্দটো প্ৰধানকৈ 'হিন্দু ধৰ্ম' বুজাবলৈ ব্যৱহাৰ কৰিম ।

( ৬ )

সকলো ধাৰ্মিক লোকেই যি দৰে সমাজৰ কল্যাণকামী নহয়, সেই দৰে সকলো সমাজৰ শত্ৰুও নহয় । কিন্তু সেইসকল ধাৰ্মিক লোকক মই সমাজৰ সামগ্ৰিক অগ্ৰগতিৰ পথত সন্দেহাতীতভাৱে অন্তৰায় বুলি অভিহিত কৰিব খোজো যি সকলে ধৰ্মক এটা প্ৰতিষ্ঠানৰ ৰূপ দিয়াৰ উদ্দেশ্যেৰে এটা কথা ধৰ্মৰ প্ৰতি আস্থাশীল সাধাৰণ মানুহৰ মনৰ মাজত বিশ্বাসযোগ্যভাৱে ৰোপণ কৰি দিয়ে যে তেওঁলোকৰ ধৰ্মশাস্ত্ৰ আৰু তাৰ

আচৰণ বিধি প্ৰস্তুত হৈছে স্বয়ং ঈশ্বৰৰ নিৰ্দেশত ; তাতেই নিহিত হৈ আছে মানুহৰ মুক্তি, আশ্ৰয়। তাৰ ওপৰত মাত মতাটো পাপ, কাৰণ ঈশ্বৰক প্ৰশ্ন সোধাৰ অধিকাৰ সাধাৰণ মানুহৰ নাই।

কোনো ঈশ্বৰকেই প্ৰশ্নহীনভাৱে গ্ৰহণ কৰিবলৈ মই অস্বীকাৰ কৰো কাৰণ কোনো ঈশ্বৰেই পৰমেশ্বৰ আৰু তৰ্কৰ অতীত নহয়। ধৰ্মশাস্ত্ৰ যিমানেই পবিত্ৰ আৰু গভীৰ নহওক কিয় তাক কোনো ঈশ্বৰৰ শ্ৰুতলিপিয়ে সৃষ্টি কৰা নাই। সকলো ধৰ্মকে গঢ় দিছে অসম্পূৰ্ণ আৰু ক্ৰুটীপূৰ্ণ মানৱ-মগজুই আৰু সকলো ধৰ্মশাস্ত্ৰয়েই প্ৰকৃততে বিভিন্ন ৰীতিৰে লেখা একোটি সাহিত্য-সম্পদ ; ইয়াৰ মাজত নিহিত হৈ আছে যুগ যুগৰ মানুহৰ ভয় আৰু কল্পনা, আশা আৰু বিশ্বাসৰ দাৰ্শনিক ৰূপ।

মই এই কথাও বিশ্বাস কৰো যে নিশ্চিতভাৱে সকলো ধৰ্মশাস্ত্ৰতে আধুনিক বৈজ্ঞানিক সমালোচনা আৰু ঐতিহাসিক জ্ঞানেৰে দলিয়াই পেলাব লগীয়া বহু কথা আছে। সেইবোৰ মানুহৰ ভৱিষ্যতৰ প্ৰতি অবিৰত যাত্ৰাৰ মাজত সময়ে সময়ে দলিয়াই পেলালেহে হ'ব : আঁকোৰগোজৰ দৰে খামুচি ধৰি ৰাখিব গ'লে 'ধাৰ্মিক' সকল সময়ৰ দ্ৰুতগতি অকল হাহিয়াতৰ পাত্ৰয়েই নহব ; ভৱিষ্যতৰ প্ৰতি অগ্ৰগামী গতিত তেওঁলোক অ-যুক্তিৰ ভৰত অনিবাৰ্যভাৱেই মুখ থেকেচা খাই পৰিবলৈ বাধ্য হ'ব।

কোনো ধৰ্মৰ প্ৰতি গভীৰভাৱে আস্থাশীল হোৱাৰ পিছতো মানুহ স্বাধীন হৈ থাকিব পাৰিব লাগিব, ধৰ্মশাস্ত্ৰত লিপিবদ্ধ প্ৰতিটো কথাকে বুজি আৰু সত্যানুসন্ধানী দৃষ্টিৰে ফঁহিয়াই চোৱাৰ মুক্ত মন এটা জীয়াই ৰাখিব লাগিব, প্ৰয়োজন হ'লে নিজ হাতেৰে লেখিব পাৰিব লাগিব নতুনকৈ বেদ, বাইবেল অথবা কোৰাণ। যি ধৰ্মই মানুহৰ বুদ্ধি আৰু বিবেকৰ দাসত্ব দাবী কৰে, সেই ধৰ্মৰ প্ৰতি মই সহানুভূতি শূন্য, নিষ্ঠুৰ, নিৰ্দয়।

( ৭ )

মাজে মাজে কেতিয়াবা মোৰ দৰে আপোনাৰো অনুভৱ হয় নে যে বৰ্তমানে ধৰ্মই সৃষ্টি কৰা অশান্তি, হিংসা-দ্বেষ, উচ্চ-নীচৰ বিভাজনৰ বিপৰীতে ধৰ্মৰ মূলসুঁতত আছে সাংসাৰিক সুখ-দুখক অতিক্ৰম কৰি পোৱা এক আনন্দ, অথবা নিৰ্লিপ্তিৰ স্বীকৃতি আৰু সৰ্বব্যাপী এক আধ্যাত্মিক প্ৰেম ? মই নাৰীৰ প্ৰতি মোৰ প্ৰেমৰ কথা জানো, যি প্ৰেমক মই প্ৰশ্ৰয় দিব খোজো সৰ্বস্বান্ত হৈ নোযোৱালৈকে। মানুহৰ প্ৰতি প্ৰেম, মাটিৰ প্ৰতি প্ৰেমৰ কথাও মই বুজি পাওঁ। কিন্তু ধৰ্মই কব খোজা এই অবয়়হীন, বায়বীয় প্ৰেমৰ, আধ্যাত্মিক প্ৰেমৰ স্বৰূপ কি ? জানো, প্ৰেমৰ দৰে এক বিশাল

অনুভূতিক সংজ্ঞাৰ দ্বাৰা আৱদ্ধ কৰি ৰখাতো সম্ভৱ নহয়: তথাপি ধৰ্মক বুজিবৰ বাবেই আধ্যাত্মিক প্ৰেমৰ এটা নিজস্ব সংজ্ঞা নিৰ্মাণ কৰাৰ মই প্ৰচেষ্টা চলাব খোজো। এটা সহজ সৰল, অজটিল অৰহস্যময় সংজ্ঞা।

প্ৰেমৰ উপলব্ধিৰ বিভিন্ন স্তৰ থাকে। এই স্তৰবোৰ মোটামুটিভাৱে এনেকুৱা ধৰণৰ হ'ব পাৰে—কোনোবাই হয়তো নিজৰ বাহিৰে আইন কাৰো প্ৰতিয়েই প্ৰেম অনুভৱ কৰিব নোৱাৰে, কাৰোবাৰ হয়তো নিজৰ পৰিয়ালৰ মাজতে প্ৰেম সীমাবদ্ধ, আইন কাৰোবাৰ হয়তো প্ৰেম বিস্তৃত হয় সেই সকলৰ প্ৰতিও যি সকল তেওঁলোকৰ সাংসাৰিক স্বাৰ্থ পূৰণৰ সহায়ক হয়। কিন্তু মানুহৰ জীৱনলৈ কেতিয়াবা কেতিয়াবা সেই দুৰ্লভ মুহূৰ্তও আহে, যেতিয়া সাংসাৰিক সকলো স্বাৰ্থৰ জাল অতিক্ৰম কৰি সকললোৰ প্ৰতি মানুহে অনুভৱ কৰে প্ৰেম আৰু শুভেচ্ছাৰ বোধ; আনকি মানুহে মানুহকো অতিক্ৰম কৰি যায়; ঈৰ্ষাহীন, স্বাৰ্থহীন সেই মুহূৰ্তত মানুহে সংসাৰত সকলো অভাৱ আৰু তিক্ততাৰ পৰা মুক্ত হৈ উৰাউল হৈ উঠে চিনাকি-অচিনাকি, প্ৰাণী-অপ্ৰাণী সকলোকে স্বতঃস্ফূৰ্তভাৱে শুভেচ্ছা জনাবলৈ। মনৰ এই স্বাৰ্থহীন অৱস্থাতেই জন্ম হয় জৈৱ স্বাৰ্থৰ উৰ্ধৰ সেই আধ্যাত্মিক প্ৰেম, যাৰ স্বীকৃতি ধৰ্মৰ মাজত বিচাৰি পোৱা যায়।

( ৮ )

মোৰ নিৰ্বোধ কৈশোৰ আৰু কলেজৰ খেয়ালী যৌৱনত 'আধ্যাত্মিক প্ৰেম' নামৰ শব্দযুগলৰ প্ৰতিয়েই আছিল মোৰ প্ৰচণ্ড বিৰাগ। যেন ইয়াৰ মাজতেই লুকাই আছে 'ধাৰ্মিক' সাজি থকা কিছু মানুহৰ ভণ্ডামিৰ স্বৰূপ। অস্তিত্বহীনতাক জোৰকৈ অস্তিত্ব প্ৰদান কৰাৰ মানসেৰেই যেন কিছু ধূৰ্ত, সুচতুৰ লোকে আৱিষ্কাৰ কৰিছে এই অবাস্তৱ শব্দযুগল।

চল্লিশৰ স্পৰ্শই ধীৰে ধীৰে মোৰ সেই পূৰ্বৰ ধাৰণাৰ উগ্ৰতাক এতিয়া বহুখিনি বশলৈ আনিছে। দুচকুৰ সন্মুখত স্থিৰ কৰি লৈ মই এতিয়া অনুত্তেজিত মনেৰে বিচাৰ কৰি চাব পাৰো মোৰ সেই ধাৰণাৰ যৌক্তিকতাক।

প্ৰথম প্ৰথম, আমাৰ দৰে, জীৱনৰ প্ৰতিটো ক্ষণ সাংসাৰিক স্বাৰ্থৰ দ্বাৰা নিৰূপিত মানুহৰ বাবে আধ্যাত্মিক প্ৰেম, উপলব্ধিৰ বাহিৰৰ এক অবাস্তৱ ধাৰণা বুলি অনুভৱ হোৱাতো অস্বাভাৱিক নহয়। বহুতো কথাই আজিকালি আৰু আমি অনুভৱ কৰিব নোৱাৰো। কোনো স্বাৰ্থ নোহোৱাকৈয়ে এজন অচিনাকি মানুহৰ বাবে কোনোবাই হাঁহি হাঁহিপ্ৰাণ দিবলৈ কিয় আগবাঢ়ি আহে কেতিয়াবা, তাৰ অৰ্থও আজি আৰু আমি অনুভৱ কৰিবলৈ সক্ষম নহয়, এজনী সাধাৰণ নাৰীৰ বাবে কোনো ৰাজকুমাৰেনো কিয় হাঁহি হাঁহি কেতিয়াবা বিসৰ্জন দিয়ে ৰাজ মুকুট, সেই কথাও আজি আৰু উপলব্ধি

কৰিবলৈ আমি সমৰ্থ নহয়। কিন্তু আমাৰ এই অনুভৱহীনতাই তেনে এক অনুভূতিৰ অস্তিত্বহীনতা বা অযৌক্তিকতা প্ৰমাণ নকৰে : প্ৰমাণ কৰে মাথো সাংসাৰিক স্বাৰ্থই আশ্চৰ্য-কৰভাৱে ভোটা কৰি দিয়া আমাৰ উপলব্ধি ক্ষমতাবহে।

আমাৰ উপলব্ধি যিমানেই হ'ব সূক্ষ্মতৰ, সংবেদনশীলতা যিমানেই হ'ব তীব্ৰতৰ ; সিমানেই আমি বুজিবলৈ সক্ষম হয় মানুহৰ স্বাৰ্থহীনতাক। স্বাৰ্থহীনতাৰ অন্তিম চাপত ভৰি দি মানুহে অনুভৱ কৰিবলৈ সক্ষম হয় আধ্যাত্মিক প্ৰেমক। তেতিয়া আৰু আধ্যাত্মিক প্ৰেম মানুহৰ বাবে অবাস্তৱ নহয়। সাংসাৰিক স্বাৰ্থৰ পৰা অনিবাৰ্যভাৱে উত্থিত তিক্ততা, গ্লানি, ক্লিষ্টতাৰ পৰা মানুহক মুক্ত কৰি সহজ-সৰল আনন্দৰ দৃষ্টিৰে বিশ্বৰ মুখামুখি হ'বলৈ মানুহক উদ্বুদ্ধ কৰাব পাৰে মাথো স্বৈৰ স্বাৰ্থৰ উৰ্ধ্বৰ এনেকুৱা এক আধ্যাত্মিক প্ৰেমেহে। মহৎ শিল্পৰ মাজতো কেতিয়াবা হঠাতে এনেকুৱা এক উপলব্ধি হয়। তুলিকাৰ এটা অনিৰ্বচনীয় আঁচোৰ, ৰঙৰ সমাহাৰ, গুণ গুণ এটা গানৰ সুৰ, কবিতাৰ এটা কলি, উপন্যাসৰ এটা চমকপ্ৰদ বৰ্ণনাৰ মাজতে কেতিয়াবা হঠাতে আৱিষ্কৃত হয় এনে এক দুৰ্লভ উপলব্ধি, যিয়ে ক্ষন্তেকৰ বাবে হলেও মানুহৰ হৃদয়ৰ পৰা সকলো কলুষতা ধুই-মুছি লৈ গৈ মানুহক লৈ যায় সাংসাৰিক স্বাৰ্থৰ উৰ্ধলৈ। শিল্প সাহিত্যৰ জৰিয়তে ঘটা এই ক্ষন্তেকীয়া চিত্তশুদ্ধিকেই এক স্থায়িত্বৰ ৰূপ দিয়াৰ ইংগিত আছে ধৰ্মৰ মাজত।

( ৯ )

ধৰ্মই মানুহক সংসাৰৰ প্ৰতি বিবাগী কৰি অন্য এশ্ৰেণী ধূৰ্ত মানুহক শোষণ কৰাৰ পথ সহজ কৰি দিয়ে নেকি ? যদি এয়া সঁচা হয়, তেনেহ'লে সেই ধৰ্মত মই নাই।

তথাপি মাজে মাজে মোৰ ভাবিবলৈ মন যায় যে ধৰ্মৰ মাজত যি বৈৰাগ্য, সংসাৰৰ প্ৰতি নিৰ্লিপ্তিৰ ভাব এটা কেতিয়াবা আমাৰ দৃষ্টিগোচৰ হয়, তাৰ লৈতে কিজানি আধ্যাত্মিক প্ৰেমৰ ধাৰণাটোও কিবা প্ৰকাৰে জড়িত হৈ আছে।

ধৰ্মই হয়তো যুগ যুগৰ অভিজ্ঞতাৰ ভিত্তিত এটা কথা ধৰি লৈছে যে সাংসাৰিক স্বাৰ্থ, ক্ষুদ্ৰতা, তিক্ততা আধ্যাত্মিক প্ৰেমৰ উপলব্ধিৰ ক্ষেত্ৰত বহু সময়ত অন্তৰায় ; সেয়েহে ধৰ্মৰ মাজত অনিবাৰ্যভাৱে আহি পৰিছে সাংসাৰিক সুখ-দুখক অতিক্ৰম কৰি পোৱা এক ধৰণৰ নিৰ্লিপ্তিৰ স্বীকৃতি। বিশুদ্ধ বিজ্ঞানী, সৃষ্টিধৰ্মী শিল্পী, শ্ৰষ্টাৰ মাজতো এই নিৰ্লিপ্তি বিৰল নহয়। নিৰ্লিপ্তি যদি সহজ পলায়নবাদ হয়, তেনেহ'লে সেয়া নিঃসন্দেহে পৰিহাৰ্যযোগ্য। কিন্তু কবলৈ মন যায়, এটা মুকলি মনেৰে সন্ধান কৰিলে এই নিৰ্লিপ্তিৰ মাজতে আমি, বৰ্তমানৰ সমাজক গ্ৰাস কৰি অহা কলুষিতাবিৰুদ্ধৰ বিৰুদ্ধে এক শক্তিশালী মন্ত্ৰৰ সন্ধান পাব পাৰো। জগতীয় সকলো তোষৰ প্ৰতি

লালসা, আৰু ব্যক্তিগত স্বাৰ্থৰ গণ্ডীৰ ভিতৰতে নিজকে আৱদ্ধ ৰখাৰ যি ভয়ংকৰ প্ৰৱণতা মানুহৰ মাজত সদায়তে দেখা যায়, তাৰ বিপৰীতে এই নিৰ্লিপ্তি হ'ব পাৰে এক নীৰৱ প্ৰতিবাদ। মোৰ ভাব হয়, এই নিৰ্লিপ্তিৰ মাজতে কিজানি পোৱা যাব পাৰে অনাৱশ্যকীয় ভোগ লালসাত উটি-ভাহি নোযোৱাৰ মন্ত্ৰ। পোনে পোনে নিৰ্লিপ্তিক পলায়নবাদ বুলি ধৰি নলৈ আৱশ্যকীয় সংযমলৈ ৰূপান্তৰিত কৰিব পৰা যায় নেকি, সেই সম্পৰ্কে কোনোবাই এটা নিৰপেক্ষ মন লৈ বিচাৰ কৰি চোৱাৰ প্ৰচেষ্টা চলালে ধৰ্মক বুজিবলৈ আমাৰ সুবিধা হয়।

ঘৰ-বাৰী বাদ্ধি, গাড়ী-ঘোঁৰা দৌৰাই জীৱনটো লাহ্-বিলাহৰ মাজত কটাই দিবলৈ ব্যক্তিগতভাৱে আধ্যাত্মিক প্ৰেমৰ দৰে অজাগতিক উপলব্ধি এটাৰ প্ৰয়োজন নাই, আৰু এনেকুৱা এটা জীৱনৰ বাবেতো সংসাৰৰ প্ৰতি নিৰ্লিপ্তিৰ ধাৰণাটোৱেই ভয়াবহ এক বাধা স্বৰূপ। কিন্তু ভাবিবলৈ মন যায় ধৰ্মৰ মাজত থকা আধ্যাত্মিক প্ৰেম আৰু নিৰ্লিপ্তিৰ স্বীকৃতিয়েই কিজানি মানুহক লাহ্-বিলাহৰ নিৰ্গমি-দৌৰৰ পৰা বিৰত ৰখাৰ বাবে সাহস আৰু প্ৰেৰণা যোগাবলৈ সক্ষম হ'ব। অইনে ক'ব নোৱাৰো, মই কিন্তু নিজে ব্যক্তিগত জীৱনত এনেকুৱা এটা ধাৰণাৰ পৰা যথেষ্ট লাভবান হৈছো। সেয়েহে লাহ্-বিলাহেৰে ভৰা এখন চহৰত থাকিও মই নিজকে সেই লাহ্-বিলাহৰ ধাৰণাৰ পৰা বিচ্ছিন্ন ৰাখিবলৈ সক্ষম হৈছো।

( ১০ )

মোৰ চুটি উপন্যাস 'প্ৰেমৰ ঘৰ' পঢ়ি বিজ্ঞান প্ৰেমী মোৰ কেইগৰাকীমান শুভাকাংক্ষী ভয়তে আতংকিত হৈ উঠিছিল: বিজ্ঞানৰ মানুহ হৈ তেনেকুৱা এখন উপন্যাস যদি মই লেখিব পাৰো, তেনেহ'লে অনলী গড়, কেন চেড়, দেৱচৌধুৰী। বিজ্ঞানৰ মই বিৰোধী নহয়। 'প্ৰেমৰ ঘৰ'ত কিছু পৰিমাণে হয়তো বিজ্ঞানৰ ভবিষ্যতে আহি পৰা ভয়াবহ যান্ত্ৰিকতা আৰু মানবীয় প্ৰমূল্যৰ দ্ৰুত অৱনতি মোৰ লেখাৰ 'টাৰ্গেট' হৈ পৰিছিল: ঠিক বিজ্ঞান নহয়।

এই প্ৰবন্ধ পঢ়ি মোৰ সেই শুভাকাংক্ষী বন্ধুসকলে হয়তো এইবাৰ নিশ্চিত হ'ব যে তেওঁলোকৰ আশংকা অমূলক নহয়। চল্লিশত লৰিছে চৌধুৰীৰ পৰকিতি। তেওঁলোকক এই সন্দৰ্ভতে কৈ থব খোজো যে এই আলোচনা মোৰ বাবে এক অন্বেষণহে: কোনো আৱিষ্কাৰ নহয়।

হয়, জীৱনৰ চল্লিশটা বছৰ অতিক্ৰম কৰাৰ পিছত মোৰ এতিয়া ভাবিবলৈ মন যায় ধৰ্মৰ মাজতে থকা আধ্যাত্মিক প্ৰেম আৰু জৈৱ তুচ্ছতাৰ প্ৰতি নিৰ্লিপ্তিয়ে কিজানি মানুহক দিব পাৰে নক্ষত্ৰখচিত নীলা আকাশৰ প্ৰতি অপৰিমেয় বিস্ময়, ভয় আৰু

মৃত্যুৰো পৰিধি অতিক্ৰম কৰি থোৱা অনন্ত প্ৰবাহৰ প্ৰতি প্ৰচণ্ড কৌতূহল আৰু তাৰ মাজেৰেই কোনো এটা মুহূৰ্তত কিজানি জন্ম হয় বিশুদ্ধ বিজ্ঞানৰ।

বিশুদ্ধ বিজ্ঞান আৰু বিশুদ্ধ ধৰ্মৰ মাজত এক প্ৰকাৰৰ মিল আছে। জিজ্ঞাসাৰ এটা স্তৰত গৈ দুয়োৰে প্ৰভেদ নিঃশ্চিহ্ন হৈ নগলেও মিলটো বিচাৰি উলিয়াবলৈ কঠিন নহয়। এই মিল হ'ল: দুয়োয়ে জৈৱ জগততে সীমাবদ্ধ সাংসাৰিক প্ৰয়োজনীয়তা অতিক্ৰম কৰি যায়। বিশুদ্ধ বিজ্ঞানৰ অন্তৰালত আছে বিশ্ব সম্বন্ধে অনন্ত জিজ্ঞাসা, যি সাংসাৰিক প্ৰয়োজনীয়তাৰ দ্বাৰা বেষ্টিত নহয়। তেনেদৰে বিশুদ্ধ ধৰ্মৰ মাজতো আছে সাংসাৰিক জগতক অতিক্ৰম কৰি থোৱা সৰ্বব্যাপী এক প্ৰেম।

উপৰোৱাকৈ কথাবোৰ বিচাৰ কৰি চালে কৰলৈ মন যায় যে সাংসাৰিক প্ৰয়োজনীয়তায়েই সদায়ে বিজ্ঞানৰ চৰ্চা নিয়ন্ত্ৰণ কৰা উচিত। এনেকুৱা এটা ধাৰণাৰ বশবৰ্তী হৈ বহুতে অতীতত বিজ্ঞান চৰ্চাৰ বিৰুদ্ধে জনপ্ৰিয় শ্লোগানধৰ্মী আন্দোলন গঢ়ি তোলাৰ উদাহৰণ অজস্ৰ পোৱা যায়। কিন্তু অলপ গভীৰ আৰু নিৰপেক্ষ দৃষ্টিৰে কথাবোৰ গমি-পিটি চালেহে ধৰিব পাৰি যে বিশুদ্ধ বিজ্ঞানীয়ে আৱিষ্কাৰ কৰা যিবোৰ সূত্ৰৰ সহায়ত মানুহৰ সাংসাৰিক জীৱনৰ যাৱতীয় বয়-বস্তু, ধাৰণা, চিন্তা ভাবনা গঢ় লৈ উঠিছে, সেই সূত্ৰসমূহৰ সম্ভৱ, কোনো-টোৱেই মানুহৰ সাংসাৰিক প্ৰয়োজনীয়তাৰ খাতিৰত বিজ্ঞানে আৱিষ্কাৰ কৰা নাই। সাংসাৰিক প্ৰয়োজনীয়তাৰ কথা চিন্তা নকৰি বিশ্ব ৰহস্যৰ প্ৰতি অপৰিসীম কৌতূহলৰ তাগিদাত বিজ্ঞানীয়ে যি সূত্ৰ আৱিষ্কাৰ কৰিছে, সেই সূত্ৰ সমূহকেই ৰূপ দিয়া হৈছে সাংসাৰিক প্ৰয়োজনীয়তালৈ। বিদ্যুৎ-বাতিৰ নিৰ্মাণ আৰু ইলেকট্ৰন-প্ৰ'টনৰ ৰহস্যময় সহাৱস্থানৰ আৱিষ্কাৰ একে কথা নহয়। Technology-ক Pure Science বুলি ভুল কৰিলে বিজ্ঞানৰ বিষয়ে আমাৰ সামগ্ৰিক ধাৰণা শুদ্ধ নহ'ব। সাংসাৰিক প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ নিশ্চিতভাৱে বিজ্ঞান নিয়োজিত হব লাগিব ( Technology ); কিন্তু তাতেই যদি বিজ্ঞান চৰ্চাৰ ( Pure Science ) সীমাৰেখা টনা হয়, তেতিয়াহ'লে কেতিয়াবাই বিজ্ঞানৰ অগ্ৰগতি স্থবিৰ হ'লহেঁতেন, আইনষ্টাইনৰও হয়তো জন্ম নহ'ল-হেঁতেন, নিউটনেও সৰি পৰা আপেল দেখি চিঞৰি ছুটিলহেঁতেন।

সাংসাৰিক প্ৰয়োজনীয়তা বিশুদ্ধ বিজ্ঞানৰ চালিকা শক্তি নহয়: সাংসাৰিক প্ৰয়োজনীয়তা অতিক্ৰম কৰি সংসাৰৰ প্ৰতি আপাত নিৰ্লিপ্তি? বিশ্বৰ ৰহস্য সন্ধানৰ ওপৰতে নিৰ্ভৰ কৰিছে বিজ্ঞানৰ ভৱিষ্যত।

মোৰ মাজে মাজে ভাবিবলৈ মন যায়, বিশুদ্ধ বিজ্ঞানত স্বীকৃতি লাভ কৰা সাংসাৰিক প্ৰয়োজনীয়তাক অতিক্ৰম কৰি থোৱা ধাৰণাৰেই স্বীকৃতি কিজানি ধৰ্মৰ মাজতো আছে।

সংসাৰৰ প্ৰতি বিৰাগী মই নহয়। কিন্তু সাংসাৰিক প্ৰয়োজনীয়তাই অনিবাৰ্যভাৱে, আনি দিয়া বহু তুচ্ছতা, তিক্ততাৰ পৰা মুক্তিৰ মন্ত্ৰ যদি ধৰ্মৰ মাজত পোৱা যায় তেনেহ'লে তাৰ সন্ধান কৰিলেই মোৰ মন অবৈজ্ঞানিক, অপ্ৰগতিশীল হৈ যাব বুলি সন্ধানৰ পূৰ্বেই বিশ্বাস কৰিবলৈ মই ৰাজী নহয়।

(১১)

আজিকালি কোনো কোনো মানুহে হত্যাৰ প্ৰতিও তীব্ৰ আকৰ্ষণ অনুভৱ কৰে। মানসিক বিকৃতি বুলি ধৰি লৈ এনে আকৰ্ষণকো স্বীকাৰ কৰি সহানুভূতিৰে চাব পাৰি। কিন্তু বৰ্তমান যুগৰ ট্ৰেজেডি হ'ল হত্যাৰ প্ৰতি আকৰ্ষণকো এতিয়া ধৰা হয় নিতান্তই স্বাভাৱিক বুলি। অকল স্বাভাৱিকেই নহয়, ধৰা হয় ইয়াক প্ৰায় প্ৰগতিবাদৰ এটা অপৰিহাৰ্য লক্ষণ বুলি।

কলেজীয়া জীৱনৰ উদণ্ড যৌৱনৰ সময়ত ময়ো এক হত্যাৰ প্ৰতি তীব্ৰ আকৰ্ষণ অনুভৱ কৰিছিলো। মই হত্যা কৰিব খুজিছিলো ঈশ্বৰক। এয়া যেন অস্তিত্বহীনতাৰ বিৰুদ্ধে মানুহৰ যুদ্ধ। এটা ছায়ামূৰ্তি অথবা ভ্ৰমৰ পিছে পিছে অবিৰাম দৌৰি থকা। মোৰ ভাব হৈছিল ঈশ্বৰক হত্যা কৰিলেই মানুহে বিচাৰি পাব মানুহৰ শৰীৰ আৰু আত্মাৰ ভিতৰত সুপ্তাৱস্থাত থকা শক্তিৰ উমান। বিচাৰি পাব মানুহে মুক্তি আৰু স্বাধীনতাৰ পথ। ব্যক্তিগতভাৱে যুক্তিৰ অস্ত্ৰেৰে হয়তো কোনোবাই তেওঁৰ নিজস্ব 'ঈশ্বৰ'ক হত্যা কৰিবলৈ সক্ষম হ'ব; কিন্তু সকলোৰে বাবে ঈশ্বৰক কবৰ দিয়াৰ অহংকাৰ পৃথিৱীৰ কোনো মানুহেই হয়তো কেতিয়াও কৰিব নোৱাৰিব। আৰু সেয়াই ঈশ্বৰৰ ওচৰত মানুহৰ পৰাজয়। মোৰো পৰাজয়।

ঈশ্বৰক হত্যা কৰাতো দূৰৈৰ কথা; মোৰ এতিয়া কবৰ মন যায় কোনো মানুহেই এতিয়াও ঈশ্বৰক আৱিষ্কাৰ কৰিবলৈকে সক্ষম হোৱা নাই। চিৰকালৰ বাবে যি অনাৱিষ্কৃত হৈ ৰব, তেওঁৰেই নাম ঈশ্বৰ।

ঈশ্বৰে জৈৱ জগতৰ যিবোৰ কাম কৰা বুলি পৃথিৱীৰ অধিকাংশ লোকে বিশ্বাস কৰি আহিছে, সেই সকলোবোৰেই হয়তো বিজ্ঞানেও এদিন কৰিবলৈ সক্ষম হ'ব। হয়তো বিজ্ঞানেও এদিন সৃষ্টি কৰিব মানুহ। যন্ত্ৰ-মানৱত বিজ্ঞানৰ যাদুৱে প্ৰতিষ্ঠা কৰিব প্ৰাণ। কিন্তু তাৰ পিছতো অনন্ত কালৰ বাবে বিশ্বত অজস্ৰ ঘটনা, দুৰ্ঘটনা, ৰহস্যময়তা থাকি যাব, যাৰ কোনো ব্যাখ্যা হয়তো বিচাৰি পোৱাতো সম্ভৱ নহ'ব। কি জৈৱিক কাৰণত মানুহ জড়াগ্ৰস্ত হয়, হয় কিয় মানুহৰ মৃত্যু—এই সকলোবোৰ তথ্যৰেই বিজ্ঞানে এদিন জনাই দিব নিৰ্ভুলভাৱে; কিন্তু বিজ্ঞানে কিজানি কোনো দিনে উত্তৰ দিব নোৱাৰিব কোনে কি অপৰাধত মানুহক দিলে জড়াগ্ৰস্ততা আৰু মৃত্যুৰ অভিশাপ।

কিয়নো মৃত্যুৱে অকালতে কাঢ়ি লৈ যায় ওচৰৰ পৰা প্ৰিয়জনক, নিৰপৰাধী জনেও কিয় কেতিয়াবা হেৰুৱায় দুৰ্ঘটনাত প্ৰাণ, তাৰ বাবে বিজ্ঞানৰ ওচৰত কোনো সদুত্তৰ অথবা সান্ত্বনাবাণী নাই।

চল্লিশ বছৰত ভৰি দি থাকি মোৰ অনুভৱ হয় এনে অজস্ৰ ব্যাখ্যাহীন প্ৰশ্নই অনন্তকালৰ বাবে জীয়াই ৰাখিব ঈশ্বৰক। জৈৱ-জগতৰ সকলো সাংসাৰিক প্ৰয়োজনীয়তা হয়তো বিজ্ঞানে এদিন সকলোৰে পূৰ কৰি দিব ( মৃত্যুও পৰাজিত হ'ব নে বিজ্ঞানৰ ওচৰত ? ) তাৰ পিছতো মানুহৰ অন্তহীন কৌতুহল, বৈজ্ঞানিক অন্বেষণ জীয়াই ৰাখিব ধৰ্মস্পৃষ্ট সেই ঈশ্বৰজনাই। অনাৱিষ্কৃত ঈশ্বৰক আৱিষ্কাৰ কৰাৰ বাসনা আৰু তীব্ৰ জেদেই হৈ ৰব মানুহৰ জ্ঞান-সাধনাৰ অবিৰত যাত্ৰাৰ একমাত্ৰ ইন্ধন।

বিজ্ঞানক জীয়াই ৰাখিবলৈকে কিজানি জীয়াই থাকিব ঈশ্বৰ আৰু ঈশ্বৰক জীয়াই ৰাখিবলৈকে জীয়াই থাকিব ধৰ্ম। বিজ্ঞানৰ যিহেতু মৃত্যু নাই। সেয়েহে ধৰ্মও কিজানি থাকিব মৃত্যুহীন হৈ। আপুনি বিচাৰকেই বা নিবিচাৰকেই।

( ১২ )

১৯৯২ চনৰ ছয় ডিচেম্বৰত ধৰ্মক হত্যা কৰাৰ এক প্ৰচণ্ড ইচ্ছাই মোক তীব্ৰভাৱে উত্তেজিত কৰি তুলিছিল। 'ধৰ্ম' শব্দৰ লগত জড়িত হবলৈকে মই লজ্জিত অনুভৱ কৰিছিলো ; মোৰ ভাব হৈছিল সৰ্বকালৰ, সকলো দেশৰ লোকে সৃষ্টি কৰা সকলো শব্দৰ ভিতৰত যেন 'ধৰ্ম' শব্দটোৱেই অশ্লীলতম শব্দ। সভ্য সমাজত ইয়াৰ উচ্চাৰণ নিষিদ্ধ কৰি দিয়া উচিত। অভিধানৰ পৰাও ইয়াক নিৰ্দয়ভাৱে কৰা উচিত বৰ্জিত।

একবিংশ শতিকাত ভৰি দিয়াৰ এই প্ৰাকমুহূৰ্ততো আমি প্ৰতিটো মুহূৰ্ততে যি ধৰ্মভিত্তিক হিংসা-দ্বেষ, ৰক্তপাত, হিংস্ৰতা দেখিবলগীয়া হৈছে, তাকে দেখি যিকোনো শুভ বিবেকসম্পন্ন মানুহেই প্ৰচণ্ডভাৱে ধৰ্মৰ ওপৰত বিতুষ্ট হোৱাটো আচৰিত নহয়। বাস্তৱত ধৰ্মৰ এই বৰ্বৰ ৰূপ দেখিয়েই মানুহে কবলৈ বাধ্য হৈছে যে ধৰ্মৰ মাজত এক ধ্বংসকামী হিংস্ৰতাৰ বীজ লুকাই আছে।

মোৰ ভাব হয় : এয়া ধৰ্মৰ দোষ নহয়, ধৰ্মৰ এক চূড়ান্ত আৰু লজ্জাহীন অপ-ব্যৱহাৰ। এই অপব্যৱহাৰে ধূঁৱলি-কুঁৱলি কৰি ঢাকি দিছে ধৰ্মৰ মূলসূত্ৰত নিহিত হৈ থকা প্ৰেম, উদাৰতা, ক্ষমা আৰু মানৱতাবোধ।

অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ প্ৰভাৱত বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মাজত এক ধৰণৰ বিৰোধ বা সংঘাতৰ সৃষ্টি হোৱাতো এক ঐতিহাসিক সত্য। ধৰ্মীয় আহ্বাক ৰাজনৈতিক আনুগত্যলৈ ৰূপান্তৰিত কৰাৰ প্ৰয়াসো কোনো নতুন কথা নহয়। এই প্ৰয়াসৰ দ্ৰুত সাফল্যই ( যদিওবা সাময়িক আৰু পিছলৈ বিপজ্জনক ) আনকি মহাত্মা গান্ধীকো প্ৰলোভিত কৰিছিল ; কিন্তু গান্ধীয়ে ভেওঁৰ অহিংসা মন্ত্ৰেৰে, ধৰ্মীয়

আস্থাক ৰূপান্তৰিত কৰি সৃষ্টি কৰা ৰাজনৈতিক আনুগত্যক কিছু পৰিমাণে হলেও সংযত কৰি ৰাখিবলৈ সক্ষম হৈছিল ; কিন্তু সকলো ৰাজনৈতিক অথবা ধৰ্মীয় নেতায়েতো মহাত্মা গান্ধী নহয়। সেয়েহে এনে নেতায়েই ধৰ্মীয় কাৰণ যোগ কৰি অৰ্থনৈতিক তথা ৰাজনৈতিক বিৰোধত হিংস্ৰতাৰ প্ৰলেপ সনা দেখা যায়। সৃষ্টি হয় হিংসা-দ্বেষ, জ্বলি উঠে দাবানল। বদনাম হয় ধৰ্মৰ।

কিন্তু হিংস্ৰ হবলৈ মানুহকতো ধৰ্মৰ প্ৰয়োজন নাই। ষ্টালিন ধৰ্ম-বিশ্বাসী নাছিল : হিটলাৰো তেনে বিশেষ ধৰ্মৰ বিশ্বাসী আছিল বুলি প্ৰমাণ পোৱা নাযায়। অথচ এই দুজনৰ হিংস্ৰতা আৰু বৰ্বৰতাৰ তুলনা ইতিহাসত বিৰল। জাতীয়তাবাদো আমাৰ দেশত ধৰ্মৰ সমৰ্থক নহয়, অথচ জাতীয়তাবাদেও যে হিংস্ৰতাৰ জন্ম দিব পাৰে, সেই কথা আৰু চকুত আঙুলি থৈ কাকো দেখুৱাই দিয়াৰ প্ৰয়োজন নাই।

ধৰ্মভিত্তিক হিংস্ৰতা ধৰ্মৰ অপব্যৱহাৰ : ধৰ্ম নহয়। বিজ্ঞানৰ যি দৰে অপব্যৱহাৰ হয়, হৈ আছে সদায়ে, সেইদৰে ধৰ্মৰো অপব্যৱহাৰ হয়। হিৰোছিমা অথবা নাগাছাকি অথবা ইৰাকৰ ধ্বংস-যজ্ঞৰ বাবে বিজ্ঞানকে দোষী সাব্যস্ত কৰি বিজ্ঞান চৰ্চাকে পৃথিৱীৰ পৰা লোপ কৰি দিয়াৰ প্ৰয়াস আবেগিক : যৌক্তিক নহয়, ধৰ্মৰ ক্ষেত্ৰত জানো একে যুক্তিয়েই প্ৰযোজ্য নহয় ? কথাবাৰ ভাবি চোৱাত নিশ্চয় বাধা নাই।

( ১৩ )

আজি কিছু দিন আগতে প্ৰকাশ পোৱা মোৰ 'সত্যানুসন্ধান' নামৰ সংকলনখনৰ পাতনিত মই উল্লেখ কৰিছিলো যে মই, শক্তি আৰু বুদ্ধিৰ অহঙ্কাৰত মানুহে পাহৰি যোৱা প্ৰেম, উদাৰতা, ক্ষমা, আত্মত্যাগ আদি গুণৰাশি পুনৰ নতুনকৈ আৱিষ্কাৰ কৰিব বিচাৰো। কিয়নো বিজ্ঞানৰ প্ৰতি প্ৰচণ্ডভাবে আস্থাশীল হৈও মই এটা কথা গভীৰভাৱে বিশ্বাস কৰো যে Ultimately বিজ্ঞানে আনি দিয়া সুখ, স্বাচ্ছন্দ্য অথবা সাংসাৰিক প্ৰয়োজনীয়তা পূৰণৰ আহিলাই নহয় : মানুহক এই পৃথিৱীত মানুহ হিচাপে জীয়াই ৰাখিব প্ৰেম, উদাৰতা, ক্ষমা, ত্যাগ আৰু ধৈৰ্য-সহিষ্ণুতাইহে।

সাংসাৰিকতাৰ মাজত এনে কোনো শক্তি নাই, যিয়ে মানুহৰ মনৰ মাজত নিহিত হৈ থকা ধ্বংসকাৰী শক্তি সমূহক, যেনে লোভ, ক্ৰোধ, হিংসা আদিক সংযত কৰি ৰাখিব পাৰে। আনকি অকল কঠোৰ ন্যায়বিচাৰেৰেও পৃথিৱী জীয়াই নাথাকে, কাৰণ ক্ষমাহীন কঠোৰ ন্যায়বিচাৰৰ মাজতো এক প্ৰকাৰৰ ধ্বংসৰ বীজ লুকাই আছে। "Eye for eye ; tooth for tooth", ন্যায়বিচাৰৰ এই মূল মন্ত্ৰ বিপৰীতে বিশুদ্ধ ধৰ্মই ন্যায়বিচাৰক সেই প্ৰেম আৰু ক্ষমাৰ শক্তি দান কৰিব পাৰে, যি শক্তিয়ে মানুহক মানুহৰ ৰূপত এই পৃথিৱীত অনন্ত কালৰ বাবে জীয়াই ৰখাৰ সম্ভাৱনা আছে। প্ৰেম

আৰু ক্ষমাহীন ন্যায় বিচাৰে (?) বিচাৰককো সততে মানুহৰ পৰা পশুলৈ ৰূপান্তৰিত কৰে। উদাহৰণ অসমতে আছে।

( ১৪ )

মানুহক মানুহ হিচাপে গঢ় দিয়াৰ দুটা সুস্পষ্ট পথ আছে, এটা আৰম্ভ হয় মানুহৰ ভিতৰৰ পৰা আৰু আনটো বাহিৰৰ পৰা। দ্বিতীয় পথৰ ইঙ্গিত আছে মাৰ্ক্সবাদত আৰু প্ৰথম পথ অনুসৰণ কৰে ধৰ্মই। ইয়াৰ কোনো এটা পথকেই একমাত্ৰ পথ বুলি স্বীকাৰ কৰিবলৈ মই অস্বীকাৰ কৰো। বৰ্তমান যুগৰ এটা ডাঙৰ ট্ৰেজেদি হ'ল যে এই দুটা পথৰ যিকোনো এটা পথৰ সমৰ্থকেই অন্য পথৰ সমৰ্থকক সন্দেহ, অৱজ্ঞাৰ দৃষ্টিৰে ভস্মীভূত কৰি দিব খোজে। এটা চামে কব খোজে বাহিৰৰ পৃথিৱী যেতিয়া নহয়, সেয়েহে পাপত লিপ্ততায়েই স্বাভাৱিক, তাক অপৰাধ বুলি গণ্য কৰাৰ কি যুক্তি আছে। আনটো চামে যুক্তি দিব এইদৰে যে মনৰ ভিতৰত যিহেতু এতিয়াও মানুহৰ পাপ বিৰাজমান, তেনেস্থলত বাহিৰৰ পৃথিৱী নিষ্পাপ হ'ব কি দৰে।

সচাহ'তে যুক্তি-তৰ্কলৈ নগৈ মই কব খোজো, বাহিৰৰ পৰা মানুহৰ নিৰ্মাণৰ প্ৰয়াস চলি থাকক নিৰবিচ্ছিন্নভাৱে; কিন্তু তাৰ সমান্তৰালভাৱে ধৰ্মই আধ্যাত্মচেতনাৰ উন্মোচনৰ জৰিয়তে মানুহৰ ভিতৰৰ পৰা মানুহক গঢ় দিয়াৰ প্ৰক্ৰিয়া চলাই যাব পাৰে।

ভৱিষ্যতে পৃথিৱীত মানুহ জীয়াই থকাৰ সন্দৰ্ভত মই এটা চৰ্ত আৰোপ কৰিব খোজো; সেই চৰ্ত হ'ল পৃথিৱীত তেওঁ জীয়াই থাকিব লাগিব 'মানুহ' হিচাপে। মানুহক অমানুহ কৰাৰ ক্ষেত্ৰত বহু পৰিমাণে সন্দেহাতীতভাৱে পৰিৱেশ দায়ী; কিন্তু সকলো সময়তে বাহিৰৰ পৰিৱেশ অমানুহ হোৱাৰ যুক্তি হ'ব নোৱাৰে। এনে সময়ত ধৰ্মৰ মাজত নিহিত হৈ থকা প্ৰেম, দয়া, ধৈৰ্য-সহিষ্ণুতাই মানুহক অমানুহ হোৱাৰ পৰা ৰক্ষা কৰিব পাৰে।

( ১৫ )

১৯৭১ চনৰ পৰা ১৯৭৭ চনলৈ প্ৰায় ছয়বছৰ কাল মই বেনাৰচত অতিবাহিত কৰি আছিলো; য'ত দিনটোৰ প্ৰতিটো মুহূৰ্ত্তে শুনা যায় মন্দিৰৰ ঘণ্টা ধ্বনি, ধৰ্মগ্ৰন্থৰ পাঠে য'ৰ আকাশ বতাহ মুখৰিত কৰি ৰাখে সৰ্বক্ষণ। সেই সময়তে ব্যক্তিগত স্বাভাৱিক কৌতুহলৰ বাবেই বহুতো সাধু-সন্ন্যাসীৰ সংস্পৰ্শলৈ আহিছিলো, পাণ্ডা দেখিছিলো বহুতো যিয়ে ধৰ্মকেই ব্যৱসায় হিচাপে লৈ বেনাৰচ চহৰত নিৰ্মাণ কৰিছিল হোটেল, বজাৰ, অট্টালিকা। ধৰ্মৰ বিষয়ে তেওঁলোকৰ পৰা জানিব বিচাৰিলেও জনাৰ কোনো উপায় নাই। ধৰ্মৰ বিষয়ে তেওঁলোকে এনে দৰে ব্যাখ্যা

কৰে যেন ধৰ্ম মানেই সাধাৰণ মানুহৰ স্পৰ্শৰ বাহিৰৰ, দৃষ্টিৰ বাহিৰৰ কিবা এক ৰহস্যময়তা। ধৰ্মৰ লগত সেয়েহে কিজানি mysticism শব্দটো প্ৰায়েই শুনা যায়।

ৰহস্যময়তাৰ প্ৰতি সকলো মানুহৰে এক স্বাভাৱিক আকৰ্ষণ আছে আৰু এই ৰহস্য-ময়তাৰ মাজত লুকাই আছে এক Subtle উন্নাসিকতাৰ ভাব। ধৰ্মৰ ৰহস্যময়তাও ইয়াৰ ব্যতিক্ৰম নহয়।

ধৰ্মৰ মাজত নিহিত হৈ থকা আধ্যাত্মিক ভাবৰ লগত এক ধৰণৰ ৰহস্যময়তা লুকাই আছে। কিন্তু প্ৰেম, আত্মত্যাগ, ক্ষমা, উদাৰতা আদি শাশ্বত সহজ-সৰল অনুভূতিৰ স্পৰ্শই এই আধ্যাত্মিক ভাবকো সকলো শ্ৰেণীৰ মানুহে উপলব্ধি কৰিব পৰা এক সাৰল্য প্ৰদান কৰিছে। এটা বিশুদ্ধ মনেৰে ধৰ্মৰ প্ৰতি আস্থাশীল হ'ব খোজা মানুহৰ বাবে আটাইতকৈ ডাঙৰ ট্ৰেজেদী হ'ল এই আধ্যাত্মিক ভাবক মানুহৰ মনৰ মাজলৈ সঞ্চাৰিত কৰাৰ পৰিবৰ্তে অথবা এই আধ্যাত্মিক অভিজ্ঞতাক এটা যুক্তিবাদী কৌতূহল আৰু অন্বেষণলৈ ৰূপান্তৰিত কৰাৰ সলনি এচাম চতুৰ ব্যক্তিয়ে ধৰ্মৰ মাজত নিহিত হৈ থকা ৰহস্যময়তাক হাজাৰ গুণে বঢ়াই তুলিছে, যাতে ইয়াৰ জৰিয়তে নিজৰ উচ্চাত্মিকাবোধ সাব্যস্ত কৰি এই ৰহস্যময়তাক শোষণৰ হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰাৰ পথ সুচল হৈ থাকে। ৰহস্যময়তাক ৰূপান্তৰিত কৰা হৈছে Intellectual Property লৈ। আধ্যাত্ম চেতনাৰ উচ্চ-আদৰ্শৰ নামত এয়াও এক অপব্যৱহাৰ।

( ১৬ )

অন্য এক শ্ৰেণীৰ অত্যুৎসাহী ধাৰ্মিক মানুহো আজিকালি সততে দেখা পোৱা যায় ধৰ্মৰ নামত অনুষ্ঠিত মেলা-সবাহ, উৎসৱত অথবা ৰথত উঠি পৃথিৱী জয় কৰিবলৈ ওলোৱা কোনো কোনো ৰাজনৈতিক নেতাৰ ৰূপত। এওঁলোকে ধৰ্মৰ আধ্যাত্মচেতনাৰ দিশটোক সম্পূৰ্ণ অৱজ্ঞা কৰি ধৰ্মক এটা মাথো শক্তিশালী প্ৰতিষ্ঠান হিচাপে জীয়াই ৰখাত গুৰুত্ব আৰোপ কৰে। কেতিয়াবা এই প্ৰতিষ্ঠানেই ৰাজনৈতিক শক্তিলৈ ৰূপান্তৰিত হৈ ক্ষমতাৰ যুদ্ধত অৱতীৰ্ণ হয়। প্ৰতিষ্ঠানৰ প্ৰতি অত্যাধিক গুৰুত্ব আৰোপ সৃষ্টি কৰে অন্য ধৰ্মৰ প্ৰতি অসহিষ্ণুতা আৰু হিংস্ৰতা। এনে লোকৰ হাতত পৰিয়েই ধৰ্মৰ নামত সৃষ্টি হয় কুসংস্কাৰেৰে ভৰা আচাৰ-ব্যৱহাৰ, স্পৃশ্য-অস্পৃশ্যৰ অসভ্য ধাৰণা। ধৰ্মৰ নামত অসমতো দৃষ্টিগোচৰ হোৱা কিছু মেলা মুখী প্ৰৱণতাই মোক মাজে মাজে ভাবিবলৈ বাধ্য কৰে যে ধৰ্মক ৰাজনৈতিক শক্তিলৈ ৰূপান্তৰিত কৰাৰ এই সচেতন প্ৰয়াস অসমতো ধৰ্মৰ নামাৱলীৰ আঁৰত চলি আছে। হয়তো খুব সোনকালেই এনেকুৱা এটা পৰিস্থিতিৰ সন্মুখীন হবলৈ অসমৰ বাইজ সাজু হ'ব লাগিব। ধৰ্মৰ নামত

চলা এই সাংগঠনিক তৎপৰতা, অত্যুৎসাহ, মেলামুখিতা কিমান দূৰ ধৰ্মবিশ্বাসী লোকৰ বাবে মঙ্গলময় হ'ব, সেই কথা হয়তো শীতল মগজুৰে চিন্তা কৰাৰ সময় অসমতো আহি পৰিছে।

( ১৭ )

ধৰ্মক এক প্ৰতিষ্ঠানৰ ৰূপ দিয়াৰ মই বিৰোধিতা কৰো। মোৰ বিশ্বাস প্ৰাতিষ্ঠানিক ধৰ্মৰ মাজতেই লুকাই আছে ধৰ্মৰ অপব্যৱহাৰৰ বীজ। ধৰ্মক ৰাজনীতিৰ লৈতে জড়িত নকৰিবলৈ আহ্বান জনালেই ৰাজনীতিবিদে জড়িত নকৰিব বুলি আশা কৰাটো এক প্ৰকাৰৰ কল্পনাবিলাস অথবা আত্মপ্ৰতাৰণা। ধৰ্মক প্ৰতিষ্ঠানৰ ৰূপ দিয়াৰ ক্ষেত্ৰত সকলো ধৰণৰ বাধা প্ৰদান কৰিব পাৰি নে নোৱাৰি সেই সম্পৰ্কে চিন্তা কৰি চোৱাৰহে প্ৰয়োজন আহি পৰিছে। বুদ্ধিজীৱীৰ আস্ফালনত সকলো ৰাজনীতিবিদ ৰাতা-ৰাতি সাধু হৈ যাব বুলি আশা কৰাটো এক অলীক কল্পনা অথবা বৌদ্ধিক পলায়নবাদ।

ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ দেশ (Secular Country)। ধৰ্ম নিৰপেক্ষতাৰ প্ৰকৃত অৰ্থ মোৰ বাবে এতিয়াও ঠিক বোধগম্য নহয়। ধৰি লৈছো সকলো ধৰ্মৰ প্ৰতি সংবিধানৰ সমদৃষ্টিয়েই ধৰ্ম নিৰপেক্ষতা। সকলো ধৰ্মৰ প্ৰতি সম-অৱজ্ঞাও তেনেহ'লে ধৰ্ম নিৰপেক্ষতা হোৱাত বাধা নাই। তেনে এক সংজ্ঞাৰ কথা মনত ৰাখিয়েই কেইটিমান উদ্ভট পৰামৰ্শ মই আগবঢ়াব খুজিছো চিন্তাৰ খোৰাক হিচাপে কিজানি তাৰ জৰিয়তেই প্ৰাতিষ্ঠানিক ধৰ্মৰ অশুভ প্ৰভাৱৰ পৰা সহজ-সৰল ধৰ্ম বিশ্বাসী মানুহৰ বিশুদ্ধ বিশ্বাসক ৰক্ষা কৰিব পৰা যায়।

পৰামৰ্শবোৰ তলত দিয়া ধৰণৰ—

(১) ধৰ্মৰ লগত জড়িত কোনো উৎসৱতে চৰকাৰী বন্ধৰ দিন হিচাপে ঘোষণা কৰা নহ'ব। ব্যক্তিগত বিশ্বাসৰ বাবে কোনোবাই যদি ঘৰতে পূজা-পাতল কৰিব খোজে তেনেহ'লে তেওঁৰ নিৰ্দিষ্ট ছুটীৰ পৰা ছুটী লোৱাত বাধা নাই। প্ৰয়োজন হ'লে নৈমিত্তিক ছুটীৰ পৰিমাণ বঢ়াই দিব পৰা যায়।

(২) কোনো ধৰ্মীয় প্ৰতিষ্ঠান, মন্দিৰ, মছজিদ, গীৰ্জা ঘৰ ইত্যাদিৰ বাবে চৰকাৰী অনুদান দিয়াটো সম্পূৰ্ণ নিষিদ্ধ ঘোষণা কৰা উচিত। চৰকাৰী-বেচৰকাৰী উদ্যোগৰ বাবে এনে অনুদান দিয়াটো আইনমতে দণ্ডনীয় বুলি অভিহিত হ'ব।

(৩) কোনো চৰকাৰী কৰ্মচাৰীয়েই কোনো প্ৰাতিষ্ঠানিক ধৰ্মীয় অনুষ্ঠানত সক্ৰিয় অংশ ( বিশিষ্ট অতিথি, পৃষ্ঠপোষক ইত্যাদি ) গ্ৰহণ কৰিব নোৱাৰিব। একে কথাই প্ৰযোজ্য হ'ব মন্ত্ৰীসকলৰ বাবেও।

(৪) ধৰ্মৰ নামত চান্দা বিচাৰাতো অবৈধ বুলি ঘোষণা কৰা হ'ব। মন্দিৰ, মছজিদ আদি ৰাজহুৱাভাৱে নিৰ্মাণ কৰাটোত উৎসাহিত কৰা নহ'ব।

অৱশ্যে কাৰো ব্যক্তিগত ধৰ্ম বিশ্বাসত ৰাষ্ট্ৰই কেতিয়াও হস্তক্ষেপ নকৰিব।

কথাবোৰ ভাবি চাওঁকচোন কিজানি এই উদ্ভট পৰামৰ্শৰ মাজতেই পোৱা যায় যুক্তিৰ সন্ধান।

( ১৮ )

অযোধ্যাৰ বাবৰি মছজিদৰ সেই নিৰ্লজ্জ ঘটনাৰ পিছত এতিয়া কেইবামাহো পাৰ হৈ গ'ল, তাৰ ওপৰত শ্বেতপত্ৰও প্ৰকাশিত হ'ল। প্ৰথম দিনৰ লাখ লাখ জনৰ দৰে মোৰো উত্তেজনাৰ উগ্ৰতা এতিয়া বহুতখিনি স্তিমিত। ঘটি যোৱা সেই দুৰ্ভাগ্যজনক ঘটনাটো এতিয়া নতুন এটা দৃষ্টিকোণৰ পৰাও বিশ্লেষণ কৰি চোৱাৰ এটা প্ৰৱণতা লাহে লাহে মনৰ ভিতৰত দেখা দিছে।

মন্দিৰ, মছজিদো প্ৰাতিষ্ঠানিক ধৰ্মৰেই এটা ৰূপ ; সেয়েহে মন্দিৰ, মছজিদৰ ওপৰত অযথা গুৰুত্ব আৰোপৰো মই বিৰোধিতা কৰো। মোৰ বাবে যি কোনো এটা মন্দিৰ, মছজিদ, গীৰ্জা স্থাপত্য কলাৰ এক নিদৰ্শন হব পাৰে, তাৰ সৌন্দৰ্য দেখি মই মুগ্ধ হ'ব পাৰো ; কিন্তু তাত ধৰ্মীয় প্ৰলেপ সানি তীব্ৰ আৱেগিকতাৰে জড়িত হবলৈ মই অস্বীকাৰ কৰো। মই ভাবো তাৰ পতনে সেয়েহে মোক সিমানখিনিহে উত্তেজিত কৰা উচিত, যিমানখিনি মই উত্তেজিত হলোহেঁতেন এটা সুন্দৰ ঘৰৰ পতন দেখি ; খুব বেছি এটা ঐতিহাসিক ( বংশৰ জাতীয় ? ) চিহ্নৰ পতন দেখি। উত্তেজনাৰ আধিক্যই এটা কথাই পৰোক্ষভাৱে প্ৰমাণ কৰিব যে আমি প্ৰাতিষ্ঠানিক ধৰ্মৰ পক্ষপাতী। আৰু ধৰ্ম যেতিয়া প্ৰাতিষ্ঠানিক হয়, ৰাজনীতিবিদে তাৰ অপব্যৱহাৰ কৰিবই। অপব্যৱহাৰৰ পিছত ধৰ্মক ৰাজনীতিৰ পৰা আঁতৰাই ৰখাৰ আস্ফালন কৰি মিছা সন্তুষ্টি লাভৰ প্ৰয়াস অৰ্থহীন আৰু অক্ষমনীয়।

( ১৯ )

উইলিয়াম ফকনাৰৰ দৰে ময়ো বিশ্বাস কৰো যে ভৱিষ্যতে মানুহ অকল বাচিয়েই নাথাকিব, ই আৰু অধিক সফলতা লাভ কৰিব। মানুহ অমৰ আৰু এই কাৰণেই অমৰ যে তাৰ প্ৰেম, উদাৰতা, মায়া-মমতা, আত্মত্যাগ আৰু ধৈৰ্য-সহিষ্ণুতাৰে ভৰা এটা আত্মা আছে।

প্ৰাতিষ্ঠানিক ধৰ্মৰ প্ৰতি অনাসক্তি প্ৰকাশ কৰি মই প্ৰবেশ কৰিব খোজো ধৰ্মৰ মূলত আৰু চাব খোজো আছে নে নাই তাত পুৰণি সেই বিশ্বব্যাপ্ত সত্যবোৰ প্ৰেম, সন্মান, মৰ্যাদাবোধ, দয়া-মৰম, আত্মত্যাগ আদি, যাৰ অবিহনে মানুহ, মানুহ হৈ জীয়াই

থকাটো সম্ভৱ নহয়। যদিহে নাই, তেনেহ'লে পুৰণি সেই সত্যবোৰকে লৈ পুনৰায় মই সৃষ্টি কৰিব খোজো 'যুগধৰ্ম' আৰু প্ৰয়োজন সাপেক্ষে পুনৰায় লেখিব খোজো বেদ, কোৰাণ অথবা বাইবেল, যাৰ মূল বাণী হ'ব প্ৰেম।

প্ৰেম অবিহনেও হয়তো শক্তি আৰু বুদ্ধিৰ অহঙ্কাৰত মানুহ বেছ দপদপাই জীয়াই থাকিব, কিন্তু সেই জীৱনৰ পৰা প্ৰতিটো মুহূৰ্ততে উত্থিত হ'ব অকাৰণ হিংসা, ঈৰ্ষা-বিদ্বেষ, তিক্ততাৰ বিষাক্ত বাষ্প। মানুহক মানুহ হিচাপে জীয়াই ৰাখিবৰ বাবেই ধৰ্মই মানুহক শিকাব লাগিব প্ৰেম, আৰু উদাৰতা, সঞ্চাৰিত কৰিব পাৰিব লাগিব জৈৱ স্বাৰ্থৰ সীমা অতিক্ৰম কৰি যোৱা স্বতঃস্ফূৰ্ত শুভেচ্ছাবোধ। তেতিয়াহে মানুহ মানুহ হৈ জীয়াই থাকিব।

মানুহ আৰু ধৰ্ম জীয়াই থকাৰ সন্দৰ্ভত সেয়াই মোৰ প্ৰথম চৰ্ত।

(পুনশ্চঃ চল্লিশ বছৰত ভৰি দি মই এই প্ৰবন্ধটো লেখিছো। মই যেতিয়া ষাঠি বছৰত ভৰি দিম, তেতিয়া আকৌ এবাৰ এই প্ৰবন্ধটো মই নতুনকৈ লেখিম আৰু তুলনা কৰি চাম বয়সৰ লগে লগে মোৰ ধৰ্ম-জিজ্ঞাসাৰ কিবা ৰূপান্তৰ ঘটিছে নে নাই। অৱশ্যে যদিহে এই পৃথিৱীত মই ষাঠি বছৰলৈ জীয়াই থাকো।)

# বিশ্বাস-অবিশ্বাসৰ এটা সৰু অভিজ্ঞতা

অচিনাকি মানুহ এজনক প্ৰথম পৰিচয়তে অবিশ্বাস কৰি অপমান কৰাতকৈ, বিশ্বাস কৰি ঠগ খাবলৈহে মই অধিক পছন্দ কৰো। যিসকলে এয়া বুদ্ধিমানৰ লক্ষণ নহয় বুলি কব খুজে, তেওঁলোকক প্ৰথমতে মোৰ বিষয়ে এটা কথা জনাই থব খোজো যে মই ব্যক্তিগত জীৱনত বুদ্ধিতকৈ আবেগকহে অধিক প্ৰশ্ৰয় দিওঁ। আজি মোৰ জীৱনৰ বিশ্বাস-অবিশ্বাসৰ এটা ব্যক্তিগত অভিজ্ঞতা আপোনালোকক জনাব বিচাৰিছো।

১৯৮৫ চনত হঠাতে এদিন অন্ধকাৰ ৰাতি অকলশৰে মই গাড়ী লৈ দুলীয়াজানৰ পৰা ডিগবইলৈ যাবলগীয়া হৈছিল। সেই পথেৰে বৰ বেছি অহা-যোৱা কৰাৰ মোৰ অভ্যাস নাই, তাতে অন্ধকাৰ ৰাতি, অকলশৰে; বুকুত দুক দুক ভয় লাগিলেও যাবলৈ ওলালো। টিপলিং, ভাদৈ-পাঁচআলি পাৰ হ'লো। ক'তো এখন গাড়ী নাই, জনশূন্য পথ। ফৰেষ্ট গেট পাৰ হৈ প্ৰৱেশ কৰিলো অৰণ্যাবৃত পথত; সন্মুখত ৰাতিৰ অন্ধকাৰ আৰু ঘন অৰণ্যৰ ছায়া; নৈশব্দ ভেদ কৰিছে মাথোন গাড়ীৰ চনচন্ শব্দই।

হঠাতে অৰণ্যৰ পৰা ওলাই অহা লুংলুঙীয়া পথ এটাৰ শেষত, মেইন ৰোডৰ কাষত দেখিলো এটা নে দুটা ছায়ামূৰ্তি; ভয়তে বুকুৰ ভিতৰখন চক্ কৈ উঠিল; গাড়ীৰ হেড লাইটৰ পোহৰত দেখিবলৈ পালো এজনী নাৰী ঘাহ-বনৰ ওপৰত পৰি আছে আৰু এজন পুৰুষ থিয়হৈ, সাধাৰণ বেশভূষা, পুৰুষজনে হাত দাঙি গাড়ী ৰখাবৰ চেষ্টা কৰিছে। কাৰ কি মতলব কোনে জানে; এই অৰণ্যৰ মাজত অকলশৰে অচিনাকি মানুহৰ নিৰ্দেশত ৰাতিখন গাড়ী ৰখোৱাটো উচিত হ'ব নে?

তাৰ দুদিনমান আগতে বোধহয় সুনীল গঙ্গোপাধ্যায়ৰ মৰ্মস্পৰ্শী গল্প এটা পঢ়িছিলো। এজন পুৰুষে মাজৰাতি এইদৰে চহৰ উপকণ্ঠত গাড়ী ৰখাবলৈ চেষ্টা কৰিছিল। এখন এখনকৈ কেবাখনো গাড়ী সন্মুখেৰে পাৰ হৈ গৈছিল, কিন্তু কোনো এখন গাড়ীও তেওঁৰ নিৰ্দেশত নৰ'ল। দুঘণ্টা চেষ্টা কৰিও এখনো গাড়ী ৰখাব নোৱাৰি হতাশ হৈ তেওঁ যেতিয়া ঘৰলৈ উভতিছিল, দেখিছিল ঘৰৰ ভিতৰত তেওঁৰ পত্নী মূৰ্চিতা আৰু বিচনাত পৰি আছে অপলক দুচকুৰে তেওঁৰ একমাত্ৰ তিনি চাৰি বছৰীয়া প্ৰিয়তম পুত্ৰৰ নিথৰ শৰীৰ। তেওঁ গাড়ী এখন ৰখাই তীব্ৰ জ্বৰত আক্ৰান্ত একমাত্ৰ পুত্ৰক চহৰৰ হচ্‌পিটেললৈ নিবলৈ বিচাৰিছিল। *পৃথিৱীত কিজানি বিশ্বাসৰ মৃত্যু* হৈছে, সেয়েহে বিশ্বাস কৰি কোনেও গাড়ী ৰখাবলৈ সাহস নকৰিলে।

মোৰ দুচকুৰ সম্মুখত ভাঁহি উঠিল সদ্য পুত্ৰহাৰা সেই দেউতাকৰ মুখখন। কি ঠিক হয়তো এইহাল মানুহও ঠিক তেনেকুৱা এক বিপদৰ সম্মুখীন হ'ব পাৰে।

গাড়ীখন ৰখালো। হাতযোৰ কৰি মানুহজন দৌৰি আহিল মোৰ ওচৰলৈ। আদবয়সীয়া নেপালী এজন। অন্ধকাৰতো জিলিকি উঠিল দুচকুৰ কাৰুণ্য আৰু আকুলতা। অনুমান কৰিলো মাটিত পৰি থকা নাৰী গৰাকী তেওঁৰ স্ত্ৰী। তেওঁৰ মুখাৱয়বত এক অসহ্য যন্ত্ৰণাৰ চিহ্ন বিদ্যমান। দুই হাতেৰে খামুচি ধৰি আছে পেটত।

চাৰ, ডিগবইলৈ বলক দয়া কৰি। এয়া মোৰ পত্নী। বহুদিন ধৰি পেটৰ বিষ। হঠাতে আজি বেছি হ'ল। সন্ধিয়াৰ পৰা চিঞৰি আছে। আমি ইয়াতে থাকো, ঔষধ পত্ৰও নাই। দয়া কৰি ডাক্তৰৰ ওচৰত পৌচাই দিয়ক। নহলে নাবাচিব চাৰ।

ডিগবইৰ ডাক্তৰৰ ওচৰত লৈ গলো সিহঁতক। গাড়ীৰ পৰা নামিবৰ সময়ত মানুহজনে পুনৰ হাতযোৰ কৰি ক'লে—চাৰ বহুবছৰ ইয়াত কটালো। আজিলৈকে কোনেও হাত দাঙোতে ৰাতি ইয়াত গাড়ী ৰখোৱা নাই। আপুনি ৰাখিলে, মই বিশ্বাস কৰিব পৰা নাই চাৰ।

সেই অচিনাকি মানুহজনৰ বুকুৰ ভিতৰৰ পৰা ওলাই অহা সেই আবেগ মথিত কণ্ঠ আৰু দুচকুৰ জলমল কৃতজ্ঞতাৰ দীপ্তি মই আজিও পাহৰিব পৰা নাই। মই কেতিয়াবা কেতিয়াবা ভাবো--আমি কেতিয়াবা এনেকুৱা পৃথিৱী এখন পাম নে যেতিয়া কোনো সংশয়, কোনো সঙ্কোচ নোহোৱাকৈ প্ৰতিজন মানুহে প্ৰতিজন মানুহক যিকোনো মুহূৰ্ত্তত বিশ্বাস কৰিব পাৰিব। মানুহৰ মনলৈ পুনৰ বিশ্বাস ঘূৰাই অনাৰ পৰিৱেশ এটা সৃষ্টি কৰাৰ প্ৰচেষ্টাই হ'ব বৰ্ত্তমানৰ এই বিশ্বাসহীন যুগৰ আটাইতকৈ প্ৰয়োজনীয় আৰু মহৎ আন্দোলন।

———